প্ৰসঙ্গ ঃ বিশ্বসাহিত্য

ড পৰাগ কুমাৰ ভট্টাচাৰ্য

বনলতা
গুৱাহাটী ১ ডিব্ৰুগড় ১

PRASANGA BISWA SAHITYA A Collection of critical essays on different topics of world literature by Dr Parag Kumar Bhattacharyya M A., Ph D and Published by Ananta Hazarika, Banalata, Panbazar Gawahati 1 Price Rupees fourty five only

First edition January 1992

প্ৰকাশক

অনন্ত হাজৰিকা

বনলতা

পাণবজাৰ গুৱাহাটী ১

মুখ্য কাৰ্য্যালয়

নতুন বজাৰ

ডিব্ৰুগড়-১

বেটুপাত

শ্ৰীভগবান শৰ্মা

মূল্য ৪৫ টকা

ছপাওঁতা

শ্ৰীঅসিত কুমাৰ মণ্ডল

এ. পি প্ৰিণ্টাৰ্চ

১৯, গোৱাবাগান ষ্ট্ৰীট

কলিকতা-৬

পিতৃবৎ

শ্রদ্ধেয় শ্বশুর শ্রীপ্রহ্লাদ চন্দ্র শর্মা

সমীপেষু

নিবেদন

পাশ্চাত্য সাহিত্যৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত হওঁ মহাবিদ্যালয়ত ইংৰাজী সাহিত্যৰ সন্মান শ্ৰেণীত পঢ়ি থকা কালতে। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ত সেই বিষয়ৰ ওপৰত কেইটামান প্ৰবন্ধ পাতি প্ৰকাশ কৰিছিলো। এই দিশত আৰু বিস্তৃত ভাবে অধ্যয়ন কৰাৰ কাৰণে বিশেষ ভাৱে প্ৰেৰণা যোগায় মোৰ শিক্ষাগুৰু ড গোবিন্দ প্ৰসাদ শৰ্মা দেৱে। সহকৰ্মী আৰু অন্তৰঙ্গ বন্ধু শ্ৰীপৰাগ দাশগুপ্ত দেৱেও মোক গ্ৰন্থ পাতি দি সততে অনুপ্ৰেৰণা যোগাই আহিছে। দুয়োজনা ব্যক্তিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। কিতাপখন খুব কম সময়ৰ ভিতৰতে বিশেষ তৎপৰতা আৰু আগ্ৰহেৰে শ্ৰীঅনন্ত হাজৰিকাই প্ৰকাশ কৰি উলিয়াই দিয়াত তেখেতৰো শলাগ ললো।

অপাৰ সমুদ্ৰ সদৃশ ইংৰাজী সাহিত্যৰ সম্যক জ্ঞান আহৰণ কৰাতো আমাৰ দৰে ব্যক্তিৰ বাবে সহজ কাম নহয়। এই সাহিত্যৰ লগতে আন আন ভাষাৰ সাহিত্যকো বিহঙ্গম দৃষ্টিৰেহে অৱলোকন কৰা হৈছে। ছাত্ৰ ছাত্ৰী সকলে বিশেষভাৱে উপকৃত হব বুলি আশা কৰিয়ে এই গ্ৰন্থখন ৰচনাৰ পৰিকল্পনা কৰা হৈছিল। এই ক্ষেত্ৰত আমাৰ সফলতা বা বিফলতা পঢ়ুৱৈ সমাজেহে ধৰিব পাৰিব। আশাকৰো তেখেত সকলে ভুল ভ্ৰান্তিবোৰ আঙুলিয়াই দি বাধিত কৰিব।

পাণ্ডু মহাবিদ্যালয় — পৰাগ কুমাৰ ভট্টাচাৰ্য

গুৱাহাটী

১।১।৭২

সূচীপত্ৰ

বিষয়			পৃষ্ঠা
১।	ৰচনা সাহিত্য ঃ লেখৰ ৰচনাৱলী		১—২২
২।	আধুনিক জীৱনী সাহিত্য আন্দ্ৰে মোৰেৰ এৰিয়েল		২৩—৩
৩।	আধুনিক চুটি গল্প ঃ ৰবীন্দ্ৰনাথৰ গল্প		৩১—৪২
৪।	ডস্তয়েভস্কিৰ উপন্যাস ক্ৰাইম এণ্ড পানীছমেণ্ট		৪৩—৬৩
৫।	কামুৰ উপন্যাস	১ দি আউটচাইডাৰ	৬৪—৭৫
		২ দি প্লেগ	৭৬—৮৪
৬।	হাৰ্ডিৰ উপন্যাস দি ৰিটাৰ্ণ অৱ দি নেটিভ		৮৫—১ ৬
৭।	ঔপন্যাসিক হেমিংওৱে আৰু তেওঁৰ সৃষ্টি সম্ভাৰ		১ ৭—১২
৮।	ইবছেনৰ নাটক ঃ	১ পিলাৰচ অৱ চোচাইটি	
		২ এন এনেমি অৱ দ' পিপল	১২১—১৪
৯।	জৰ্জ বাৰ্ণাড শ্বৰ নাট্যাদৰ্শ আৰু নাট্য সম্ভাৰ		১৪১—১৫১
১ ।	কেনদিদা		১৫২—১৬
১১।	উদ্ভট নাটক, নাট্যকাৰ আৰু ওৱেটিং ফৰ গোদো		১৬১—১৮৯
১২।	জা পল চাৰ্ত্ৰৰ চিন্তা আৰু সৃষ্টি		১৯ —২
১৩।	ৰোমাণ্টিক বৈশিষ্ট্য আৰু ইংৰাজী ৰোমাণ্টিক কবিতা		২ ১—২১৩
১৪।	আধুনিক কবিতা		২১৪—২২৮
১৫।	গ্ৰন্থপঞ্জী		২২৯—২৩৪

ৰচনা সাহিত্য

লেখৰ ৰচনাৱলী

সাধাৰণতে ৰচনা সাহিত্য গদ্যতেই ৰচিত হয় কাৰণে এই ধৰণৰ সাহিত্যিক গদ্যসাহিত্যৰ ভিতৰতে অন্তভূক্ত কৰা হৈছে। কিন্তু ৰচনা সাহিত্যৰ ক্ৰম বিৱৰ্তমানলৈ লক্ষ্য কৰিলে দেখা যায় যে সাহিত্যৰ বিভিন্ন যুগত ই গদ্য ভিন্ন অন্য সাহিত্যিক ৰূপৰ মাধ্যমেৰেও প্ৰকাশিত হৈছে। ইংৰাজী সাহিত্যৰ ওঠৰ শতিকাৰ ধ্ৰুপদী যুগৰ প্ৰখ্যাত কবি Pope-এ ছন্দত লিখিছে তেওঁৰ ৰচনাসমূহ। তেওঁৰ Essays on criticism, Essays on man আদি কবিতাকো ৰচনা বুলিয়ে অভিহিত কৰিছে। আন এজন লিখক Thoreall-ই গীতিকাব্যৰ যোগেদি ৰচনা ৰচিছে। তেওঁৰ Maine woods এই ধৰণৰ ৰচনা। Hazlitt এ Pleasure of Hating ৰচনা আকৌ কথোপকথনৰ যোগেদি লিখিছে। Oliver Goldsmith-এ পত্ৰ আকাৰেও ৰচনা লিখি নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছে। এনেদৰে ই বিভিন্ন সাহিত্যিক ৰূপৰ যোগেদি প্ৰকাশ কৰিব পৰা এবিধ শিথিল ভংগী ৰচনা[১]।

ওপৰত কেবাটাত সাহিত্যিক ৰূপৰ যোগেদি ৰচনা লিখা হয় বুলি কোৱা হ'ল যদিও আমি কিন্তু ইয়াত গদ্যত ৰচিত ৰচনাসমূহৰ বিষয়েহে আলোচনা কৰিম। সকলো ৰূপৰ মাজেদি ই প্ৰকাশিত হব পৰাৰ সম্ভাৱনাৰ বিষয়ে সাহিত্য আলোচকসকলে উল্লেখ কৰিলেও ই মুখ্যত গদ্যৰ মাধ্যমেদিহে প্ৰকাশিত হয় আৰু এই ৰচনাবোৰ গদ্য সাহিত্যৰ বিকাশৰ এক উল্লেখযোগ্য স্তৰ বুলি কব পাৰি। ৰচনাৰ সূত্ৰ দিবলৈ গৈ W E Williams-এ কৈছে যে ই গদ্যত ৰচিত এবিধ ৰচনা আৰু সাধাৰণতে ই বৰ্ণনাত্মক নহয়।

A minimum definition would be to say the eassy is a piece of prose usually of the short side, which is not devoted to narrative[২]

---

১ It is one of the most flexible and adaptable of all literary forms Caodon, T A —Dictioury of Literary Terms. P 239

২ Williams W E. (Ed.)—A book of English essays Intr P ,II.

Cuddon এও ইয়াৰ সূত্ৰ প্ৰসংগত সাধাৰণতে ই গদ্যত ৰচিত ৰচনা বুলি কৈ ছন্দোবদ্ধ ৰূপক ব্যতিক্ৰম বুলিহে কৈছে। A composition usually in prose (Pope s Moral essays in verse are an exception)[৩]।

ৰচনা সাহিত্য সাধাৰণতে এজন লিখকৰ ব্যক্তিগত ধাৰণা সম্বলিত বিভিন্ন বিষয়বস্তুৰ প্ৰকাশ বুলি কব পাৰি। ইয়াত কেতিয়াবা সামাজিক জীৱনৰ আলোচনা কেতিয়াবা নীতিজ্ঞান, কেতিয়াবা দাৰ্শনিক চিন্তাকো পাতলভাৱে প্ৰকাশ কৰা হয়। কেতিয়াবা আমেৰিকাৰ পণ্ডিত Emerson ৰ ৰচনাবোৰৰ দৰে ৰহস্যময়তা কেতিয়াবা Oliver Gold smith ৰ Citizen of the world ৰচনাৰ দৰে সমসাময়িক মূল্যবোধৰ ওপৰত কৰা মন্তব্য আদিৰেও ই পূৰ্ণ হৈ পৰে। আমেৰিকাৰ লিখক Norman Mailer এ আকৌ জীৱনৰ লগত ইয়াক সংযুক্ত কৰি নতুন এক ৰচনা লিখা ৰীতি উদ্ভাৱন কৰিছে।

যি কোনো বিষয়বস্তু সম্বলিত হৈ ই প্ৰকাশ পায় যদিও ই যথেষ্ট তথ্যপূৰ্ণ গবেষণা পত্ৰৰ দৰে নহয়। বৰ বেছি দীঘলীয়া হোৱাৰ পৰিবৰ্তে ই চমু আৰু ব্যঞ্জনাপূৰ্ণ। খুব কম কথাৰ মাজেদি ব্যঞ্জনা অক্ষুণ্ণ ৰাখি ইয়াক প্ৰকাশ কৰাৰ ওপৰত গুৰুত্ব দিয়া উদ্দেশ্যে প্ৰখ্যাত ৰচনাবিদ Bacon-এ ইয়াক Grains salt বুলি কৈ কৈছে যে ই ভোকহে বঢ়ায় কিন্তু সন্তুষ্টি নিদিয়ে। বেকনৰ ৰচনাবোৰৰ ক্ষেত্ৰত এই গুণৰ প্ৰাচুৰ্য দেখা যায় যদিও ৰচনা সাহিত্যৰ বাটকটীয়া Montaigne ৰ ৰচনাত এনে ৰূপৰ পৰিবৰ্তে বৰ্ণনাত্মক ৰূপহে প্ৰকাশিত হৈছে।

লিখকৰ ব্যক্তিগত ৰুচি অভিৰুচি অনুসাৰেই ৰচনা সাহিত্য ৰচা হয় কাৰণে লিখকসকলৰ ব্যক্তিত্ব বিশেষে ৰচনাৰ আংগিকে ভিন্ন ভিন্ন ৰূপ লৈছে। গতিকে কিছুমান ধৰাবন্ধা বৈশিষ্ট্য ৰচনাবোৰৰ ওপৰত আৰোপ কৰিব নোৱাৰি বৰং কব পাৰি যে ই এবিধ ব্যক্তিগত ৰচনা আৰু লিখকৰ ব্যক্তিগত ৰুচিৰ শৈলী ইয়াত নিৰ্পতিত হয়।

ৰচনা Essay শব্দটো ফৰাচী শব্দ essais-ৰ ইংৰাজী ৰূপ। এই শব্দটোৰ উদ্ভাৱন কৰিছিল ফৰাচী লিখক Michel Eyguem de Moutaigne-এ। তেওঁৰ এই ধৰণৰ ৰচনাবোৰ 'Essais শীৰ্ষক গ্ৰন্থত প্ৰকাশিত হৈছিল। এইবিধ সাহিত্যিক ৰূপৰ বিষয়ে তেওঁ কৈছিল যে ই তেওঁক নিজকে অংকন কৰা এবিধ সাহিত্য। ১৬৩ চনত Jhon Florio ই ইংৰাজীলৈ অনুবাদ কৰা মণ্টেনৰ

৩ Cuddon T A—A Dictionary of Literary Terms P 239

ৰচনাৱলীত মণ্টেনৰ নিজস্ব ধাৰণা সম্বলিত Address from the Author to the Reader শীৰ্ষক ভূমিকাটোও প্ৰকাশিত হয় আৰু তাতে মণ্টেনৰ এই নিজস্ব দৃষ্টিভংগীৰ কথা প্ৰকা। পাইছে। Montaigne-এ তাত লিখিছে, I desire thirein to be delineated in mine owne genuine and simple and ordinarie fashion, without contention, art or study for it is myself I Pourtray[8] মণ্টেনৰ আদৰ্শ পৰৱৰ্তী প্ৰায়বোৰ ৰচনাকাৰৰ ৰচনাৰ মাজলৈ সম্প্ৰসাৰিত হয় আৰু ই অনন্যৰূপত প্ৰকাশি উঠে পৰৱৰ্তী লিখক চাপচ লেম্বৰ ৰচনাত।

ৰচনা সাহিত্যৰ বিকাশৰ কাল নৱন্যাস যুগ। কিন্তু এই ধৰণৰ ৰচনাৰ সাদৃশ্য থকা সাহিত্য প্ৰাচীন ধ্ৰুপদী সাহিত্যৰ মাজতে পোৱা যায়। Bacon-ৰ মতে ৰচনা নামটো যদিও পাছৰ কালৰ, ই কিন্তু প্ৰাচীন বস্তু[৫]। Theophrastus-ৰ চৰিত্ৰাংকন (খ পূ ৩য় শতিকা) Marcus Anrelius ৰ চিন্তা প্ৰসূত ৰচনাবোৰ (২য় খ) আৰু seneca ৰ Lucilius লৈ লিখা চিঠিবোৰত (২য় খ) এই সাহিত্যৰ পূৰ্বৰূপৰ কিছু সম্ভেদ পোৱা যায়

ইউৰোপীয় নৱন্যাস আন্দোলনে ব্যক্তিসত্বাৰ পৰিস্ফুৰণৰ ওপৰত অত্যধিক গুৰুত্ব আৰোপ কৰিলে আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত ব্যক্তিৰ অন্ত সত্বাৰ উন্মোচন আৰম্ভ হ'ল। ইউৰোপীয় নৱন্যাসৰ এই বৌদ্ধিক আৰু সামাজিক পুনৰ্জাগৰণৰ সময়ছোৱাত ফৰাচী লিখক Montaigne-এ এই ধৰণৰ ৰচনা লিখাত হাত দিয়ে। ইউৰোপীয় জনমানসত তেতিয়া বিবিধ বিষয়ৰ ওপৰত যেনে মৃত্যু, পৰজন্ম, ভ্ৰমণ আৱিষ্কাৰ, সামাজিক সম্পৰ্ক, ব্যক্তিৰ আৰু সামাজিক আৰু আচাৰ ব্যৱহাৰ আদি বিভিন্ন বিষয় সম্পৰ্কে নতুন চিন্তাত তন্ময়। মণ্টেনৰ ৰচনাৰ বিষয়বস্তু এই সমকালীন চিন্তাৰাশিৰ পৰাই উৎসাৰিত হ'ল। এই বিষয়বস্তুবোৰ লিখকৰ ব্যক্তিগত চিন্তা ধাৰাৰ যুক্ত হৈ মনোহৰ উক্তি, প্ৰত্যুক্তি, মহৎ গ্ৰন্থৰ উদ্ধৃতি আদিৰে সমৃদ্ধ হৈ এক বিশেষ সাহিত্যিক শ্ৰেণীৰূপে পাঠকৰ মন আকৰ্ষণ কৰিবৰ ধৰিলে।

ফ্ৰান্সৰ পৰা ই ইংৰাজী সাহিত্যলৈ আহিল আৰু বেকনৰ হাতত ই পৰিপূৰ্ণ ৰূপ পালে। ইংৰাজী সাহিত্যত ৰোমাণ্টিক যুগত ই শীৰ্ষতম পৰ্যায়ত উপনীত

---

8 Norman Birkett—Encyclopedia of Literature P 205

৫ Becon observes that the word is late but the thing is ancient Cuddon—A Dictionary of Literary Terms P 239

হয়। ইংলণ্ডৰ উপৰিও ইউৰোপৰ প্ৰায়বোৰ দেশত আনকি ভাৰতবৰ্ষতো ৰবীন্দ্ৰনাথ ঠাকুৰৰৰ হাতত্তো ই এক বিশেষ ৰূপেৰে প্ৰকাশি উঠে। সম্প্ৰতি বিশ্বৰ প্ৰায়বোৰ দেশতে পুৰণি ৰূপত নহলেও ন ৰূপেৰে ই পাঠকক বিশেষভাৱে আকৰ্ষিত কৰি আহিছে। কুৰি শতিকাৰ ফৰাচী অস্তিত্ববাদী লিখক সকলৰ লিখনিৰ মাজতো মণ্টেনৰ প্ৰভাৱ সম্বলিত এই ৰচনাৰ নিদৰ্শন ফুটি ওলাইছে। Simone de Beauviour ৰ The second sex ও এই লেখীয়া এক ৰচনা। ৰাচিয়াৰ প্ৰখ্যাত লিখক Alexsander Solzhenitosyn ৰ Gulag Archipe lago ৰ দৰে গ্ৰন্থই ৰচনা সাহিত্যৰ এক ক্ৰম বিকশিত আধুনিক ৰূপকে প্ৰকাশ কৰিছে[৬]। ই যেন কাহিনী সংবাদ আৰু ৰচনাৰ এক অপূৰ্ব সমাহাৰ। জাৰ্মানীৰ নবেল বঁটা বিজয়ী লিখক Thomas Marn, পোলেণ্ডৰ কবি Zbiguiew Herbert, সমালোচক Jan Kott আৰু Ivan Turgenev আদিও ৰচনা সাহিত্যৰ যুগস্ৰষ্টা লিখক।

ফৰাচী সাহিত্যিক মণ্টেনে ৰচনা সাহিত্যিক প্ৰকৃতাৰ্থত চিনাকি কৰি দিলে। বিভিন্ন বিষয়বস্তুৰ ওপৰত তেওঁ ৰচনা লিখি ইয়াক জনপ্ৰিয় কৰি তোলে। ৰাজ নৈতিক হুলস্থুলীয়া পৰিবেশৰ পৰিবৰ্তে মণ্টেনে মানৱ চৰিত্ৰ অধ্যয়নৰ কাৰণে বাচি লয় এক শান্ত নিৰিবিলি গাঁৱলীয়া পৰিবেশ। তয়াতে তেওঁ লিখিবলৈ আৰম্ভ কৰে তেওঁৰ অনুপম ৰচনাসমূহ আৰু এইবোৰে তেওঁক খ্যাতিৰ শীৰ্ষত তুলি অমৰ সাহিত্যিক ৰূপে প্ৰতিষ্ঠা দিলে। ১৫৮০ চনত তেওঁৰ ৰচনাৰ সংকলন Essais প্ৰকাশ। ইয়াৰ দুটা খণ্ড আছিল। ইয়াৰ পাছতে তেওঁ, জাৰ্মানী, ইটালী আৰু চুইজাৰলেণ্ড ভ্ৰমণলৈ যায়। ভ্ৰমণৰ পৰা ঘূৰি আহি তেওঁ Bardeaux ৰ মেয়ৰ হিচাপে দুটা কাল কটায়। ১৫৮৮ চনত তেওঁৰ ৰচনা সংকলনৰ পঞ্চম প্ৰকাশ হয় আৰু এইবাৰৰ সংস্কৰণত অন্তৰ্ভুক্ত হয় তেওঁৰ নতুন ৰচনাৰ তৃতীয় খণ্ডটো। পেৰিচ আৰু বোৱেনলৈও তেওঁ ভ্ৰমণলৈ গৈছিল। ইয়াৰ পাছত তেওঁ ৰচনা নিলিখি কেৱল দুই এক ভ্ৰমণ বৃত্তান্ত লিখিবলৈ লয়।

মণ্টেনৰ ৰচনাসমূহ আছিল আত্মকেন্দ্ৰিক। ব্যক্তিগত অভিজ্ঞতা ৰ জীৱন আৰু জগত সম্পৰ্কে তেওঁৰ দৃষ্টিভংগী এই ৰচনাসমূহত তেওঁ প্ৰকাশ কৰিছে। কেতিয়াবা গাম্ভীৰ্যপূৰ্ণ ৰচনাভংগীৰে তেওঁ গুৰুগম্ভীৰ বিষয়বস্তুবোৰ আৰু হাস্য-

৬ Solzhenitsyn combined fiction with reportage and he expaded the essay form manumental propertions in The Gulag Archipelago Philips F Robert—(Ed) New Encyclopedia Vol 18 P 358

মনুৰ অংগীৰে পাতল বিষয়বস্তুবোৰ ৰচনাসমূহত উপস্থাপিত কৰিছে। The custom of wearing clothes, The art of conversation আদি সাধাৰণ নীতিপূৰ্ণ বিষয়বস্তুৰ পৰা আৰম্ভ কৰি ব্যক্তিৰ বৌদ্ধিক শক্তি আৰু আধ্যাত্মিক বিষয়ে চিন্তাযুক্ত গভীৰ ৰচনাও তেওঁ লিখিছে। তেওঁৰ দীঘলীয়া ৰচনা 'Apologie de Raymond de Seloond এই লেখাটো এক তত্ত্বমিশ্ৰিত ৰচনা। এই ৰচনাসমূহত বিস্তৃত উদ্ধৃতি বুৰঞ্জীমূলক উল্লেখ আৰু বহুস্তৰ চিন্তাৰ সমাবেশ ঘটিছে।

চিন্তাবিদ হিচাপে মণ্টেনে সকলো অনুষ্ঠান আচাৰ-ব্যৱহাৰ আৰু মতবাদৰ অন্তৰালত থকা মতান্ধতাবোৰক চালি জাৰি চাই সেইবোৰৰ বিৰুদ্ধাচৰণ কৰিছে। তেওঁৰ জীৱন বীক্ষাত প্ৰকাশ পাইছে এক দাৰ্শনিক সন্দেহবাদ। ব্যক্তিৰ জীৱন আৰু চৰিত্ৰত লুকাই থকা অসামঞ্জস্য আৰু বিৰোধবোৰ তেওঁ সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিছিল। তেওঁৰ মনত এপিকুৰিয়ান আদৰ্শৰ প্ৰতি এক প্ৰৱণতা আছিল যদিও কামনা বাসনা আৰু আকাংখাৰ দাসত্ব স্বীকাৰ নকৰি মানৱতাবাদী আৰু পাণ্ডিত্যসুলভপূৰ্ণ দৃষ্টিভঙ্গীৰে তেওঁ প্ৰকাশ কৰিছে সেইবোৰৰ মাজত।

প্ৰাচীন লিখক আৰু দাৰ্শনিকসকল মণ্টেনৰ অত্যন্ত প্ৰিয় আছিল আৰু তেওঁলোক গ্ৰন্থ অধ্যয়নৰ যোগেদি তেওঁৰ মাজত গা কৰি উঠিছিল এক ৰক্ষণশীল মনোভাৱ। তেওঁ ৰাজনীতিৰ ক্ষেত্ৰতো পূৰ্ণ সমৰ্থক আছিল ৰাজতন্ত্ৰৰহে। তেওঁৰ বোধেৰে ৰাজতন্ত্ৰইহে অকল শান্তি আৰু শৃংখলা নিশ্চিত কৰিব পৰা শাসন ব্যৱস্থা।

মণ্টেনৰ দৃষ্টিভংগী কিছু পৰিমাণে বাস্তৱবাদী আছিল। তেওঁ জীৱনমুখী শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। শিক্ষাই মানুহক প্ৰকৃত সিদ্ধান্তত উপনীত কৰাব পাৰে বুলি তেওঁ বিশ্বাস কৰিছিল। তেওঁ শাৰীৰিক চৰ্চাৰ ওপৰত বিশেষ গুৰুত্ব দিছিল।

মণ্টেনৰ ৰচনাৱলী সাধাৰণতে বিৱৰণমূলক। তেওঁ এটা বিষয়ৰ পৰা বিষয়ান্তৰলৈ সহজে গমন কৰে। তেওঁৰ ৰচনাভংগী কিছু পৰিমাণে অনিয়মীয়া আৰু শিথিল। সাহিত্য বিশ্বকোষে তেওঁৰ এই ধৰণৰ ৰচনাভংগীৰ বিষয়ে কৈছে, "It was in the chapters of his strange new book that Montagne introduced. The fashion of everiting briefly irregularly with

constant degresion and interruptions about the world as it appears to the individual who critics ৭

এইবোৰক দোষ গুণৰূপে ৰচনা সাহিত্যৰ বৈশিষ্ট্য বুলিও আঙুলিয়াব পাৰি। এইবোৰৰ জগতে প্ৰকাশ পাইছে তেওঁৰ উদ্দাম কল্পনাৰাশি আৰু এইবোৰ অল কৃত হৈছে কলাত্মক সৌন্দৰ্য আৰু লাৱণ্যৰে।

মণ্টেনৰ পাছৰ উল্লেখযোগ্য ৰচনাকাৰ ২ন ইংৰাজী সাহিত্যৰ প্ৰখ্যাত লিখক Francis Bacon নবন্যাস যুগৰ এই দাৰ্শনিক চিন্তাবিদজনৰ প্ৰতিষ্ঠা কৰিয়াই আনিছিল তেওঁৰ ৰচনাসমূহে।

বেকনৰ ৰচনাৱলীয়ে বেকনৰ ঘটনাবহুল জীৱনৰ অভিজ্ঞতাৰ ভেটি গঢ় লৈছিল। ধন ঐশ্বৰ্যৰে জীৱনক সমৃদ্ধ কৰাৰ প্ৰয়াস কৰা বেকনৰ ৰচনাত বৈষয়িক উন্নতিৰ চাবিকাঠিও যেন লুকাই আছে। ১৫৬১ চনত লণ্ডনত এই দাৰ্শনিক ৰাজনীতিবিদ সাহিত্যিক, বৈজ্ঞানিক আদি বিবিধ গুণসম্পন্ন ব্যক্তিজনৰ জন্ম হয়। তেওঁৰ পিতৃ আছিল Nicholas Bacon আৰু মাক Anne cock। Bacon সৰুৰে পৰাই মাকৰ দ্বাৰাই প্ৰভাৱিত হৈছি। বেছি ধৰণে। মাক আছিল দৃঢ় চৰিত্ৰৰ আৰু ধৰ্মপ্ৰাণা। আন হাতে পীভাৰ স ংসাৰৰ ক্ষেত্ৰত যথেষ্ট মনোযোগা। লগতে তেওঁৰ প্ৰাচীন সাহিত্যৰ জ্ঞানো আছিল যথেষ্ট। মাকৰ প্ৰভাৱতে গঢ় লৈছে তেওঁৰ সাহসী মনোভঙ্গী। তেওঁৰ আত্মবিশ্বাস আৰু গম্ভীৰ মনে আকৰ্ষিত কৰিছিল ৰাণী এলিজাবেথক। সেয়ে সৰুকালতে তেওঁ লাভ কৰিলে ৰাণীৰ Young Loard Keeper উপাধি।

এই ৰাজকীয় সন্মানে হয়তো তেওঁক আৰু বেছি উচ্চাকাংক্ষী কৰি তোলে। তেইশ বছৰ বয়সতে তেওঁৰ মন পাৰ্লিয়ামেণ্টৰ ফালে টান খায় আৰু অচিৰেই তেওঁ House of Commons ৰ সদস্য হয় আৰু ইয়াত এখন গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে। ইয়াৰ পাছত ক্ৰমে তেওঁ Knight, Solicitor General Attorney General আদি পদৱী আৰু সন্মানেৰে ভূষিত হয়। এইবোৰ পদত অধিষ্ঠিত থাকোতে তেওঁ নিজৰ কৃতকাৰ্যতা প্ৰদৰ্শন কৰাৰ কাৰণে যি কোনো কামকে কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল।

৪৫ বছৰ বয়সত তেওঁ Alice Barnham ক বিয়া কৰায় আৰু এই বিয়াৰ যোগেদিও প্ৰচুৰ অৰ্থ লাভ কৰে। তেওঁৰ নিজৰ উপাৰ্জনো আছিল যথেষ্ট।

---

৭ Steinberg S H Casell s Encyclopedia of Leterature Vol I ২০৫ পৃষ্ঠাত উদ্ধৃত।

বৈভৱে তেওঁক বিলাসী কৰি তুলিলে আৰু এই বিলাস ইমান দূৰ পালেগৈ যে নতুন ঘৰ নিৰ্মাণ দামী আচবাবৰ খৰচ আৰু চাকৰ-চাকৰণীৰ লগত খৰচ কৰোঁতে তেওঁ ঋণগ্ৰস্তও হব লগা হ'ল।

ধন আৰু ক্ষমতাৰ আশাত বেকনে ৰাজকীয় অনুগ্ৰহৰ বাবে তোষামোদ কৰিবলৈ ধৰিলে ৰজা আৰু ৰাজকীয় ব্যক্তিসকলক। ইয়াৰ ফলস্বৰূপেই তেওঁ লাভ কৰিলে Lord Chancellor ৰ পদবী। লগে লগে তেওঁৰ লো আৰু ক্ষমতাৰ প্ৰাদুৰ্ভাৱ বাঢ়িবলৈ ধৰিলে। আৰম্ভ কৰিলে তেওঁ ক্ষমতাৰ অপব্যৱহাৰ আৰু দুৰ্নীতি। দুৰ্নীতিৰ অভিযোগ প্ৰমাণিত হোৱাত তেওঁক এই পদৰ পৰা বৰ্খাস্ত কৰা হ'ল। বন্দীশালত থৈ ৪ হাজাৰ পাউণ্ডত জৰিমনা আদায় দিয়াৰ আদেশ দিয়া হ'ল। অৱশ্যে ৰজাই তেওঁক বন্দীশালাৰ পৰা এদিন পিছতে মুক্তি দিলে আৰু জৰিমনাৰ পৰাও ৰেহাই দিলে।

ইয়াৰ পাছত বেকনে গাঁওৰ জীৱনলৈ ঘূৰি আহিল আৰু সাহিত্য বিজ্ঞান আদিৰ সেৱাত মনপুতি লাগিবলৈ ধৰিলে। বেকনে যেতিয়া ক্ষমতা আৰু ধনৰ পাছত দৌৰি ফুৰিছিল তেতিয়াই সাহিত্যত মনোনিবেশ কৰিছিল। ১৫৯৭ চনতে তেওঁৰ সাহিত্যিক প্ৰতিভাৰ স্বাক্ষৰ লৈ প্ৰকাশিত হৈছিল তেওঁৰ ৰচনাৰ সংকলন প্ৰথম। ১৬২২ চনত ইয়াক পৰিবৰ্ধিত আকাৰত প্ৰকাশ কৰা হয়। ৰচনাবোৰৰ উপৰিও তেওঁ ৰচিত গ্ৰন্থবোৰ হ'ল Novum organum Advancement of Learning History of Henry VII আৰু The New Atlantis

সাহিত্য হিচাপে আৰু ইংৰাজী গদ্য সাহিত্যৰ বিকাশলৈ অৰিহনা যোগোৱা হিচাপে তেওঁৰ ৰচনাসমূহৰ অৱদান অতি উল্লেখযোগ্য। অৱশ্যে তেওঁৰ অন্য গ্ৰন্থ কেইখনবো ইংৰাজী গদ্যলৈ অৰিহনা যথেষ্ট। Advancement of learning ত তেওঁৰ ৰচনা ৰীতিৰ পৰিচ্ছন্নতা—History of Henry VII ত ৰচনাৰ সাৱলীলতা প্ৰকাশ পাইছে। New Novun organum তেওঁৰ দাৰ্শনিক আৰু বৈজ্ঞানিক চিন্তাৰ গ্ৰন্থ। ইয়াৰ গদ্যৰীতি বা সাহিত্যিক ৰীতি বিশেষ লক্ষণীয় নহয়।

ব্যক্তিগত জীৱনত দেখা যায় যে বৈষয়িক সাফল্য আৰু মানৱ সেৱাই আছিল তেওঁৰ জীৱনৰ লক্ষ্য। সেয়া আদৰ্শ যেন ৰচনাবোৰৰ মাজতো প্ৰকাশ পাইছে। তেওঁৰ ব্যক্তিগত ব্যৱহাৰিক জ্ঞানৰ পৰকাষ্ঠা ৰচনা সাহিত্যৰ মাজত সুন্দৰভাৱে ফুটি ওলাইছে। খুব কম কথাৰ মাজতে ব্যঞ্জনাময়কৈ প্ৰকাশ কৰিছে এই

জানবোৰ। আনহাতে এইবোৰ নীতি উপদেশপূৰ্ণও আছিল of studies ৰচনাত তেওঁ অধ্যয়ন সম্পৰ্কে কৈছে—

"Read not to contradict and confute nor to believe and take for granted, nor to find talk and discourse, but to weigh and consider Some books are to be tasted, others to be swallowed and some few to be chewed and digested that is some books are to be read only in parts, others to be read but not curiously and some few to be read wholly and with deligence attention

তেওঁৰ এনে ধৰণৰ বিশিষ্ট জ্ঞান সম্বলিত আন কেইখন উল্লেখযোগ্য ৰচনা হ'ল of Envy of Amestion of Riches, of Negotiating of the vicissitude of things, of Ambition আদি।

বেকন মন্টেনৰ দ্বাৰা অনুপ্ৰাণিত হলেও ৰচনা ৰীতিৰ ক্ষেত্ৰত তেওঁৰ স্বকীয়া বিশেষত্বই তেওঁক বিশেষ প্ৰতিষ্ঠা দিছে। মন্টেনৰ ৰচনাবোৰ আছিল বিৱৰণ মূলক। সংহতিতকৈ বিক্ষিপ্ততাহে আছিল বেছি। বেকনৰ ৰচনাভংগী সহজ সৰল, পোনপটীয়া আৰু সংক্ষিপ্ত। তেওঁৰ সাহিত্যভংগী বক্তাৰ দৰে দাৰ্শনিকতাৰে সেইবোৰ কঠিন নহয়। যথেষ্ট সাৱধানতাৰে তেওঁ বিষয়বস্তু উপস্থাপন কৰিছে। এনেদৰে দুইজন শ্ৰেষ্ঠ ৰচনাকাৰে দুটা বিশেষ ভংগীৰ জৰিয়তে নিজৰ স্বকীয় প্ৰতিভা প্ৰদৰ্শন কৰাৰ লগতে পৰৱৰ্তী লিখকসকলৰ বাবে আদৰ্শ দি গৈছে। সেয়ে Norman-এ কৈছে "There are no other essays quite like Montaigne and there are no othre English essays quite like Bacon, but these are the two great names shining with equal lustre and their disciples dwell in all parts of the habitable globe ৮

বেকনৰ দৰে এজন বিলাসী মানুহৰ সেই সময়ৰ ইংৰাজী ভাষাৰ প্ৰতি অকনো শ্ৰদ্ধা নথকাটোৱে স্বাভাৱিক। কিন্তু তেৱেঁই ইংৰাজী ভাষাক এক বিশেষ প্ৰতিষ্ঠা দিলে তেওঁৰ গদ্যৰ যোগেদি। গদ্যৰীতি তেওঁৰ আগলৈ আছিল বাহুল্য ভৰা আৰু শিথিল। তেওঁৰ পূৰ্ববৰ্তী লিখক Hooker, Sidney, Lily

৮ Norman Birket Encyclopaedia of Leterature P 206

আদি ৰচনাত এইবোৰ দোষে ইংৰাজী সাহিত্যক ভাৰাক্ৰান্ত কৰি তুলিছিল। বেকনে ইয়াৰ অৱসান ঘটালে আৰু প্ৰতিষ্ঠা কৰিলে এক সংক্ষিপ্ত পৰিচ্ছন্ন সৰল গদ্যৰীতি। তেওঁৰ এই গদ্যৰীতিৰ পৰবৰ্তী লিখকসকল উত্তৰাধিকাৰী হব পৰা নাই। একমাত্ৰ Ben Jonson ৰ গদ্যতহে ইয়াৰ কিছু প্ৰতিফলন দেখা যায়। তেওঁৰ ইংৰাজী গদ্য সাহিত্যলৈ অৱদানৰ বিষয়ে Compton Rickett-এ সুন্দৰভাৱে কৈছে,

Although Bacon had no great respect for the English language, holding that these modern languges will at one time play the bankrupt with books yet no man individually did mere to give strength and simplicity to our tongue than he ১

বেকনৰ সমসাময়িক আন এজন ৰচনা লিখক হল Nicolas Breton। তেওঁৰ ১৬২৬ চনত প্ৰকাশ হোৱা Fantasticks নামৰ পুথিখনকে ৰচনা সাহিত্যৰ অন্তৰ্ভূক্ত কৰিব পাৰি। ঋতু দিন আৰু সময়ৰ সূক্ষ্ম নীৰিক্ষণ এই গ্ৰন্থখনত প্ৰকাশ পাইছে।

Breton ত কৈ এই ক্ষেত্ৰত বেচি পাৰদৰ্শিতা দেখুৱা এই সময়ৰ আন দুজন লেখক হল Thomas Overbury আৰু John Earle অভাৱবেৰিয়ে Theophastus ৰ আদৰ্শত চৰিত্ৰাংকনৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা দেখুৱাইছে। আৰ্লেও তেওঁৰ Microcosmographics (১৬২৮)-ত এনে ধৰণৰ চৰিত্ৰাংকন কৰিছে। এওঁৰ The Fayre add happy Milk Maid, The Mere fellow of a cottage আদি ৰচনাত মানৱ চৰিত্ৰ চিত্ৰণৰ দক্ষতা প্ৰকাশ পাইছে। আৰ্লৰ মানৱ চৰিত্ৰৰ বিশ্লেষণ ক্ষমতা বিশেষ শলাগিবলগীয়া। Theophrastue-ৰ দৰে চৰিত্ৰবোৰৰ মানৱীয় দুৰ্বলতাক এওঁলোক দুয়ো প্ৰকট কৰি তুলিছে। এনে ধৰণে এই সময়ছোৱাত ৰচনা আৰু চৰিত্ৰাংকনৰ এক সমাহাৰেৰে যি নব প্ৰয়াস কৰা হয় সেয়া পিছৰ যুগৰ লিখকসকলৰ হাতত সুষমভাৱে বিকশিত হৈ উঠে আৰু শেষ আদিৰ ৰচনাত এই ভংগীয়ে পৰিপূৰ্ণতা লাভ কৰে।

নৱজাগ যুগ বেকনৰ ৰচনাৱলীৰ পাছত Browne, Burton Oalter Releigh আদিয়ো বেকনৰ আদৰ্শতে গদ্য ৰচনাত হাত দিছিল

১ Rickett—A History of English Leterature P 143

যদিও এই গন্ত আছিল কবিতাৰ পয়োভৱৰ সমন্বৰ গদ্য। গদ্যও সময়ে সময়ে অন্য কৃত হৈছিল অলংকাৰেৰে। কিন্তু সোতৰ শতিকাত গদ্যই বাস্তৱধর্মী ৰচনা প্রকাশৰ বাবে বিশেষ উপযোগী হৈ পৰে। এই যুগৰ গদ্য সাহিত্যই সাংবাদিক ভাব বাস্তৱতাকো প্রকাশ কৰিব পৰা শক্তি আহৰণ কৰে। এই যুগৰ লিখক Cowley ৰ গদ্যই এই নতুন ভংগীৰে প্রকাশিত হল। সেই কালৰ পৰা Abraham Cowley ক আধুনিক ৰচনাৰ বাটকটীয়া বুলি কব পাৰি তেওঁৰ ৰচনাসমূহ আৰু Discourse Concerning the Government of diver Cromwell ত (৬১৬) নতুন এই সাহিত্যিক ভংগীৰ উমান পোৱা যায়।

Cowley-এ ৰচনাসমূহ মণ্টেনৰ ৰচনাৰ আহিত লিখিছিল। তেওঁ of Greatness শীর্ষক ৰচনাখনি মণ্টেনৰ উক্তিৰেই আৰম্ভ কৰিছে of Solilude ৰচনাত তেওঁ লিখিছে 'This would be no wonder if it were as truely as it is colourfully and wittily said by Monsieur de Montaigne that ambition itself might teach us to love solitude there is nothing doth so much hate to have companions

তেওঁৰ আন এখন ৰচনা of Myself ত নিজৰ ব্যক্তিসত্বাৰ বিষয়ে প্রকাশ কৰিছে। ইয়াত মণ্টেনৰ আদর্শ For it it myself I pourtrey ৰে যেন প্রতিধ্বনি শুনিবলৈ পোৱা যায়। স্বাধীনতা, জীৱনৰ সংক্ষিপ্ততা, ধাৰ অসাৰতা আদি বিবিধ বিষয়ৰ ওপৰত Cowley য় তেওঁৰ উল্লেখযোগ্য ৰচনাৱলী ৰচনা কৰিছে।

এই সময়ৰ আন এজন উল্লেখযোগ্য ৰচনা লিখক হল Dryden ১ ৬৫ চনত তেওঁৰ প্রখ্যাত Essay on Dramatic Poesy প্রকাশ পায়। তেওৰ এই ৰচনাৰ গদ্যই বহন কৰিছে তেওঁৰ স্পষ্টবাদিতা, বৌদ্ধিক শক্তি আৰু সাহস। তেওঁৰ গদ্যৰ এই বিশেষত্ববোৰলৈ আঙুলিয়াই দি Compton Rickett এ কৈছে, "Dryden s prose is nearly always strong, flexible and delighorfully straight forward The epithet glorious so long attenened to him may seem to some as somewhat curious for great as his person were, they cacked that touch of high imagination which would reconcile us to the term But in granting the phrase in terms of breadth rather than depth, we may assuredly say Ameri to it. If he does not range from

heaven to earth from erath to heaven his terrstrial range is one of the extra ordinary variety ' ১০

ড্ৰাইডেনৰ সমসাময়িক আন এজন ৰচনাকাৰ হ'ল William Temple ৰাজনীতি আৰু ভ্ৰমণত ব্যস্ত থকা এই লিখকজনে আজৰি পালেই ৰচনা লিখাত মনোনিবেশ কৰিছিল। তেওঁৰ ৰচনাবোৰৰ ৰচনাৰীতি পৰিচ্ছন্ন আৰু মনোৰম। কেতিয়াবা ছন্দৰ সৌন্দৰ্য্যও তাত বিৰিঙি ওলাইছে। তেওঁৰ Essay on poetry ৰ ৰচনাৰীতি অতিশয় সাৱলীল। ইয়াৰ উপৰিও তেওঁ স্বাস্থ্য, বাগিচা সজোৱা আদিৰ বিষয়ে ৰচনা লিখিছে।

Temple ৰ সমসাময়িক আন এজন লিখক Lord Halifox, তেওঁ ৰাজনীতি সাহিত্য উভয়ৰে লগত জড়িত ব্যক্তি আছিল। তেওঁ প্ৰথমতে The character of Trimmer শীৰ্ষক প্ৰচাৰ পত্ৰিকাৰ (Panphlet) যোগেদি যশস্যা আৰ্জে। ১৬৮৮ চনত তেওঁৰ Miscellanies প্ৰকাশিত হয়। তেওঁৰ উল্লেখযোগ্য ৰচনা এই গ্ৰন্থখনত সংকলিত হৈছে। তেওঁৰ ৰচনাভংগী সাৱলীল, মনোৰম। কেতিয়াবা কেতিয়াবা ব্যংগ মিহলি উপদেশেৰে একো একোখন ৰচনা বিশেষ আকৰ্ষণীয় হৈ পৰিছে। 'An empty woman এখন এই ধৰণৰ ৰচনা।

এই লিখকসকলৰ উপৰিও Danial Defoe ৰ সাম্বাদিকতামূলক ৰচনা আৰু প্ৰচাৰ পত্ৰিকাসমূহেও পৰৱৰ্তী কালৰ ৰচনা লিখকসকলৰ সমৃদ্ধি সাধনত বিশেষ সহিহনা আগবঢ়ায়।

ইংৰাজী ৰচনা সাহিত্যই ওঠৰ শতিকাত Addison আৰু Steele এই দুইজন লিখকৰ উমৈহতীয়া প্ৰয়াসত নতুন ৰূপেৰে প্ৰকাশি উঠে। এওঁলোক দুয়োৰে সেই সময়ত প্ৰকাশ পোৱা সাময়িক পত্ৰিকাৰ যোগেদি ইংৰাজী ৰচনা সাহিত্যক পল্লবিত কৰি তুলিলে। ১৭০৯ চনৰ Richard Sleile-এ আৰম্ভ কৰে Tatler কাকতৰ প্ৰকাশ। Addition-এ কাকতখনলৈ প্ৰবন্ধৰ যোগান ধৰে। Tatler-এ প্ৰথমতে প্ৰকাশ কৰিবলৈ লৈছিল বা বাতৰি, কাহিনী, নাটকীয় সমালোচনা আদি। Addition ৰ প্ৰভাৱত এই আলোচনীত ৰচনাই (Essays) বিশেষ স্থান লাভ কৰিলে। ১৭১১ চনত Tatler কাকতৰ প্ৰকাশ বন্ধ হয় আৰু সেই বছৰতে প্ৰকাশ পায় Spectator নামৰ কাকতখন। Tatler ত যি ৰচনা সাহিত্যই বিশেষ জনপ্ৰিয়তা লাভ কৰিছিল সেয়া Spectator কাকতৰো মুখ্য আকৰ্ষণ হ'ল। আচলতে এই কাকতখনেই ইংৰাজী সাহিত্যৰ এক নিৰূপিত

---

১০ Rickett—A History of English Leterature P 207

গঢ় দিলে। ইয়ে সেই সময়ৰ জনমতকো এক নিৰূপিত গঢ় দি প্ৰকাশ কৰিলে। ইয়াত প্ৰকাশিত ৰচনাবোৰৰ বিষয়ে তাৰ লিখক Addition-এ সংস্কাৰৰ চেতনাৰেই এইবোৰ লিখা হৈছে বুলি ঘোষণা কৰি কৈছিল, The great and only end of these speculations is to banish vice and ignorance out of the territories of Great Britain

Joseph Addition এ Spectator আৰু Tatler ৰ যোগেদি তেওঁৰ উল্লেখযোগ্য ৰচনাসমূহ প্ৰকাশ কৰে। Spectator ৰ পাছত Guardian ৰ (১১৬) কাৰণেও তেওঁ ৰচনা লিখিছিল। Addition এ ৰচনা জীৱন আৰু আচাৰ ব্যৱহাৰৰ বিচিত্ৰ বৰ্ণনা দাঙি ধৰিছে। তেওঁ নীতিবাদী আছিল কিন্তু দাৰ্শনিকভাৱে পৰিপুষ্ট কৰি সেইবোৰ প্ৰকাশ কৰা নাছিল। তেওঁৰ নিজৰ ভাষাত I have brought philosophy out of closet and tebraies, school and colleges, to dwell at clubs and assemblies at tea tables and coffee houses তেওঁৰ সংস্কাৰৰ চেতনা ব্য গৰ মাজেৰে প্ৰকাশ কৰিছিল যদিও সেই ব্যংগ কেতিয়াও উপহাসপূৰ্ণ নাছিল।

এওঁৰ হাতত ইংৰাজী গদ্যই সামাজিক চিন্তা প্ৰকাশৰ উপযুক্ত বাহনৰূপে গঢ় লয়। এই কথাকে উল্লেখ কৰি তেওঁৰ জীৱনীকাৰ Mr Courthope-এ কৈছে "He may be sold to have almost created and wholly perfected English prose as an instrument for the expression of social thought [১১] তেওঁৰ গদ্যৰ এই স্বকীয়াভংগী আছিল যিয়ে তেওঁৰ গদ্যক পূৰ্ববৰ্তী গদ্যকাৰ Bacon, Hooker, Milton আদিতকৈ তেওঁৰ গদ্যক বেলেগ কৰিছে। তেওঁৰ গদ্য পূৰ্ববৰ্তী এই গদ্যকাৰ সকলোতকৈ লেছকা আনহাতে ইয়াত গদ্যৰত ক লা সচেতনতা সুন্দৰভাৱে প্ৰকাশ পাইছে। Rickett-এ Warton ৰ উক্তি দি এই কথা কহিয়াই দেখুৱাইছে, According to Warton he would stop the press on occasion to alter a preposition or conjunction [১২] এইদৰে পৰিপূৰ্ণ গদ্য-গম্ভীৰে Addision ৰ ৰচনাবোৰে পাঠকৰ একেবাৰে কাষ চাপি আহিছিল।

Addision ৰ সহপাঠী বন্ধু লিখক Richard Steele ৰাজনীতিৰ লগত জড়িত ব্যক্তি আছিল London Gazatte, Tatler, Spectator Guardian

১১ Rickett—A History of English Leterature 200 পৃষ্ঠাত উদ্ধৃত।
১২ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ২০১ত উদ্ধৃত।

আদি কাকতৰ যোগেদি তেওঁ যি সাংবাদিকতাৰ প্ৰতিভা দেখুৱালে সেয়াছে ইংৰাজী সাহিত্যৰ বাবে তাৎপৰ্যপূৰ্ণ কথা। এইবোৰ কাকতৰ সাংবাদিকতাৰ লগত জড়িত ৰচনাৱলীয়ে তেওঁৰ ৰচনা লিখাৰ প্ৰতিভাক পূৰ্ণ কৰি তোলে। দুই বন্ধুৰ লিখাবোৰৰ মাজত ক বিশেষত্ব বিৰাজ কৰিছিল আৰু ইজনৰ লিখা সিজনৰ লিখাৰ পৰিপূৰক আছিক। জীৱনৰ অভিজ্ঞতাৰে পুষ্ট ষ্টীলৰ ৰচনাৱলী আছিল উদাৰ মানৱত আৰু হাস্যৰ চিকমিকনিৰে উজ্জ্বল। আনহাতে এডিচনৰ ৰচনাৱলী আছিল তেওঁৰ বিস্তৃত সাহিত্যিক অভিজ্ঞতাৰে উজ্জ্বল। তেওঁৰ নিখুঁত হাতৰ পৰশ এইবোৰৰ মাজত বিদ্যমান। ষ্টীলৰ হাস্যমধুৰতাৰ পৰিবৰ্তে তেওঁৰ ৰচনাত আছিল এক মৃদু ব্যংগৰস। সমসাময়িক সমাজখনৰ প্ৰতি দুয়োৰে দৃষ্টি ভংগী আছিল একে আৰু নৈতিকতাৰ ওপৰত দুইজন লিখকেই বিশেষ গুৰুত্ব দিছিল। ইংৰাজী সাহিত্যৰ আধুনিক ৰচনা সাহিত্যৰ ক্ৰমবিকাশত এই দুয়োজনা লিখকৰ দান অপৰিসীম।

এই সময়ৰে আন এক উল্লেখযোগ্য গদ্যকাৰ Danial Dafoe ৰ সাংবাদিকতা মূলক ৰচনা আৰু প্ৰচাৰ পত্ৰিকাবোৰেও ইংৰাজী ৰচনা সাহিত্যলৈ বিশেষ অবদান আগবঢ়ায়। Dr John Arbuthnot-এ এই সময়ছোৱাতে শৰীৰবিদ্যা সম্পৰ্কীয় দুখন মান ৰচনা লিখে। Essay concerning the effect of air on the human body এই ধৰণৰ উল্লেখনীয় ৰচনা।

ওঠৰ শতিকাৰ মাজভাগত Jhonson এ ৰচনা সাহিত্য সম্পৰ্কে তেওঁৰ এক নিজৰ দৃষ্টিভংগীৰ জন্ম দিয়ে। তেওঁৰ মতে ৰচনা হ'ল 'A loose indigested piece not a regular and orderly compositon

Gentleman s magazine শীৰ্ষক আলোচনীৰ পাতত প্ৰথমতে তেওঁ নিজস্ব মতাদৰ্শৰ ৰচনাৱলী লিখিবলৈ লয়। ইয়াৰ উপৰিও The Rombler, The Idler আদি আলোচনীৰ পাততো সেই সময়ৰ জনপ্ৰিয় সাহিত্য ৰূপে পৰি গণিত হোৱা এই ৰচনা লিখাত তেও মনোনিবেশ কৰে।

এডিচন আৰু ষ্টীলৰ গদ্যভংগীতকৈ এক স্বকীয়া গদ্যভঙ্গীৰে তেওঁ ৰচনা সমূহ লিখিছে। এইবোৰ গাম্ভীৰ্যপূৰ্ণ আৰু সংক্ষিপ্ত। নীতি আদৰ্শ আৰু উপদেশ আদিৰ সংযোগেৰে ৰচনা সমূহক যেন Indigested piece কৰি তোলা হৈছে।

Johnson-ৰ ৰচনাৰ আদৰ্শ আৰু ভংগীৰ কিছু সাদৃশ্য দেখা যায় Oliver

Goldsmith ৰ ৰচনাৱলীত। National pregudice, The man in Blake আদি তেওঁৰ উল্লেখযোগ্য ৰচনা।

ৰোমাণ্টিক যুগ ইংৰাজী ৰচনা সাহিত্যৰ সমৃদ্ধিৰ যুগ। এই যুগটো যদিও প্ৰখ্যাত কাব্যৰ পয়োভৰৰ সময় গদ্য সাহিত্যইও এই সময়ছোৱাত Thomas Lore peacock, Lamb, Hazlit, Thomas De quency, Leih, Hunt আদিৰ হাতত সমৃদ্ধ হৈ উঠে। কবি Colridge ৰ গদ্যসমূহো এই যুগৰ উৎকৃষ্ট গদ্য সম্ভাৰ। পাতল বিষয়বস্তুৰ উপৰিও নন্দন তত্ত্ব, দৰ্শন, সাহিত্য আৰু ইতিহাসৰ বিভিন্ন বিষয়ৰ ওপৰতো তেওঁলোকে তত্ত্ব সমৃদ্ধ ৰচনাৱলী প্ৰণয়ন কৰে।

'উনৈশ শতিকাৰ শেষৰ ফালে ৰচনা সাহিত্যই ন ন আলোকৰে প্ৰকাশিত হবলৈ ধৰিলে। এই সময়ছোৱাত Lytton Strachey Arthur Symons Ivon Brown, D H Lowrance, Cyrill Conolly Aldous Huxely আদিয়ে বিভিন্ন বিষয়বস্তুৰ ওপৰত ৰচনা লিখে।

কুৰি শতিকাত কেবাজনো বিশিষ্ট লিখকে ৰচনাৰ সংকলন প্ৰকাশ কৰে। তাৰ ভিতৰত প্ৰধানভাৱে উল্লেখযোগ্য হ'ল T S Eliot ৰ Selected Essays George Orwall ৰ Sellected Essays Graham Green ৰ The Lost Children and other Essays আদি বিশেষভাৱে উল্লেখযোগ্য।

এই শতিকাৰ শেষৰ ফালে ৰচনা সাহিত্যৰ অনুশীলন কিছু পৰিমাণে কমি যোৱা দেখা যায় যদিও ই সময়ৰ লগত তাল মিলাই ন ৰূপত আত্মপ্ৰকাশ কৰিবলৈ লয়। ই কেতিয়াবা জীৱনীৰ লগত সম্পৰ্ক হৈ ছে। সাংবাদিকতাৰ লগত জড়িত হৈছে আৰু কেতিয়াবা বা হাস্যমধুৰ ভংগীৰে সমসাময়িক জীৱন ধাৰাৰ প্ৰকাশক হিচাপে উদ্ভাষি উঠিছে। এনে সমসাময়িক আধুনিক লিখক সকলৰ ভিতৰত উল্লেখযোগ্য ন আমেৰিকাৰ লিখক E B White (তেওঁৰ ৰচনা ৰ গ্ৰন্থ প্ৰকাশিত হয় ১৯৭৭ চনত) James Agee (Let us now praise famous, Man, 1941) Baldwin (The fire next time 1963) ডাক্তৰ Lewis Thomas (Lives of a cell, 1974) আদি।

এনদৰে বিভিন্ন যুগৰ বিভিন্ন লিখকৰ পুষ্ট লিখনিৰ যোগেদি ৰচনা সাহিত্য সমৃদ্ধ হৈ সাহিত্যৰ ই বিশিষ্ট অংগৰূপে প্ৰতীয়মান হৈছে। সকলো যুগৰ ৰচনা সাহিত্যৰ মাজত প্ৰধানভাৱে যি সুৰৰ অনুৰণন আমি শুনিবলৈ পাওঁ সেয়া হ'ল লিখকৰ ব্যক্তিগত অনুভূতি। ইয়াৰ লগত আবেগ অনুভূতি সম্পৃক্তহৈ এক ব্যক্তিগত ৰচনা হিচাপেই প্ৰতীয়মান হৈছে। ৰচনা সাহিত্যৰ বাটকটীয়া মণ্টেনৰ

—'It is myself I pourtrey নীতিয়েই যেন হৃদয়স্পৰ্শী প্ৰায়বোৰ ৰচনাৰ অন্তৰ্নিহিত তত্ত্বৰূপে পাঠকৰ আগত উদ্ভাসি উঠে।

লেম্বৰ ৰচনাৱলী

ৰোমাণ্টিক যুগৰ শ্ৰেষ্ঠ ৰচনসমূহৰ ভিতৰত চাৰ্লচ লেম্বৰ ৰচনাৱলীও অন্যতম। সাহিত্যৰ বিভিন্ন দিশলৈ তেওঁ অবদান আগবঢ়াইছিল। যদিও তেওঁ ৰচনাকাৰ হিচাপেহে ইংৰাজী সাহিত্যত অমৰ হৈ ৰ'ল। E V Lucas-এ লেম্বৰ এই প্ৰতিভালৈ লক্ষ্য কৰি কৈছিল—

Lamb as a conscious leterary artist, lives almost entirely, by the Elia Essays that is to say by that book which most fully represents his personality its wisdom and sympathy, its wit and freakishness its terderness and charm, in a word its richness ১৩

ইংৰাজী সাহিত্যৰ প্ৰথম ৰচনাকাৰ Bacon ৰ জীৱনৰ দৰে তেওঁৰো জীৱন ঘটনাবহুল আৰু সেই জীৱনৰ পৰাই তেওঁৰ ৰচনা লিখাৰ অনুপ্ৰেৰণা গোটাইছিল আৰু ৰচনাৰ মাজতে নিজৰ ব্যক্তিত্বক অনন্য ৰূপত ফুটাই তুলিছে। কিন্তু এই খিনিতে এটা কথা মাত ৰখা ভাল যে বেকনৰ জীৱনৰ ভোগৰ আদৰ্শই সুখ আহৰণৰ প্ৰযাসে তেওক অভিজ্ঞ কৰি তুলিছিল। সেয়েহে জীৱনৰ সাফল্য লাভৰ মন্ত্ৰ তেওঁ পাঠকক দিব পাৰিছিল কিন্তু আনহাতে লেম্বৰ জীৱন ত্যাগ আৰু নিঃস্বতাৰ জীৱন। সেই জীৱনৰ কৰুণ অভিজ্ঞতাক তেওঁ হাঁহি ধেমালিৰে ঢাকি ৰাখি জীৱন সম্পৰ্কে এক নতুন দৃষ্টিভংগী দাঙি ধৰিছে।

সৰুৰে পৰা লেম্বৰ জীৱন দৈন্যৰ মাজতেহে অতিবাহিত হয়। তেওঁৰ পিতৃ John Lamb আছিল এজন দাৰিদ্ৰ্যৰ লগত যুঁজি সৰ্বশ্ৰান্ত হোৱা দুখীয়া কেৰানী। তেওঁ আছিল সাতোটা সন্তানৰ পিতৃ তাৰউপৰি স্ত্ৰী ৰুগীয়া। এনে পৰিস্থিতিত লেম্বৰ পঢ়াশুনাৰ সুব্যৱস্থা তেওঁ কৰি দিব পৰা নাছিল। লেম্বৰ পিতৃৰ নিয়োগকৰ্তা চেমুৱেল চল্ট-এ তেওঁক Christ Hospital নামৰ আবাসিক স্কুলখনত থোৱাৰ ব্যৱস্থা কৰি দিয়ে এই স্কুলত তেওঁ সাত বছৰ কাল কটায়। ইয়াতে তেওঁ কবি কোলৰিজৰ সতে পৰিচিত হয় আৰু তেওঁৰ লগত আন্তৰিক

১৩ Lucas E. V Lamb s essays : Modern essays in criticism P 172

সৌহাৰ্দ্য গঢ়ি উঠে। স্কুলত পঢ়া দিনত তেওঁ পাৰদৰ্শিতা দেখুৱাব পাৰিছিল যদিও ১৭৮৯ চনত তেওঁ South Sea House অফিচৰ কামত সোমায়। ইপিনে তেওঁৰ পিতাকেও অল্পদীয়া পেঞ্চন এটাৰে অবসৰ পালে। শেষে পৰিয়ালৰ দায়িত্ব মূৰ পাতিলৈ ব্যস্ততাৰ্ মাজত সোমাই পৰিল।

এই সময়ছোৱাতে তেওঁৰ কৰ্মবহুল জীৱনৰ সংগী আছিল তেওঁৰ ভনীয়েক মেৰী। ভনীয়েকৰ লগত আমোদ প্ৰমোদেৰে তেওঁ সকলো কষ্ট যেন পাহৰি যাব খুজিছিল। ইপিনে কগ্ন পিতৃ দিনে দিনে খিংখিঙিয়া হৈ পৰিছে। মাকো হৈ পৰিছে ক্ৰমাগতভাবে পংগু। এনে অৱস্থাতেই মেৰীয়ে ঘৰৰ সকলোখিনি চন্তালিব লগা হৈছিল কিন্তু হঠাতে এদিন মেৰীও উন্মাদ ৰোগগ্ৰস্থা হৈ মাকক নিষ্ঠুৰভাৱে আক্ৰমণ কৰে। মেৰীক উন্মাদগাৰত নথৈ তেওঁ নিজেই তাইৰ দায়িত্ব মূৰ পাতি ললে আৰু ইয়াৰ ফলত শেষে তেওঁৰ ৰোমাণ্টিক সপোন বিসৰ্জন দি অবিবাহিত হৈ থাকিব লগা হ'ল।

ঘৰুৱা এনে পৰিস্থিতিৰ মাজতে লেম্বৰ সাহিত্যিক জীৱনৰ আৰম্ভণি হয়। প্ৰথমতে তেওঁ কবিতা লিখিবলৈহে অনুপ্ৰেৰণা পাইছিল বন্ধু কোলৰিজৰ পৰা। আৰ্থিক উন্নতিৰ আশা কৰি তেওঁ প্ৰ সন ৰচনাতো হাত দিছিল। কিন্তু তেওঁৰ নাট্য প্ৰতিভা সিমান নাছিল। সেয়ে এই প্ৰহসনবোৰ কৃতকাৰ্য ন হ'ল। তেওঁ নিজৰ এই অসামৰ্থতাও বুজি পাইছিল আৰু বন্ধু হেজলিটলৈ লিখিছিল আৰু নিজৰ ধঁপানৰ স্বভাৱকে দায়ী কৰি কৈছিল—

I know you ll be sorry, but I never mind We are determined not to be cast down I am going to leave off tobacco and then we must thrive A smoky man must write smoky farces ১৪

এই সময়তে তেওঁৰ বন্ধুত্ব গঢ়ি উঠে আত্মকেন্দ্ৰিক দাৰ্শনিক গডউইনৰ লগত আৰু তেওঁৰ সংস্পৰ্শতে তেওঁৰ সাহিত্যিক প্ৰতিভাই যেন গঢ় ললে। ১৮০৭ চনত তেওঁ মেৰীৰ সতে লিখে Tales from Shakespeare। মেৰীয়ে ইয়াত Comedy-বোৰৰ কাহিনীবোৰ আৰু লেম্বে Tragedy-বোৰৰ কাহিনীবোৰ সকলো বা ছোৱালীয়ে বুজিব পৰাকৈ উপযোগী কৰি প্ৰকাশ কৰে। এই গ্ৰন্থ প্ৰকাশৰ লগে লগে তেওঁৰ জীৱনলৈ সুখ্যাতি আহিল।

---

১৪ Rickett—A History of English Leterature P 363

১৮০৭ পৰা ১৮১৭ চনলৈ এইখিনি সময়ত লেখে সাহিত্যলৈ গুৰুত্বপূর্ণ অৱিহণা আগবঢ়ায়। এই সময়ত তেওঁৰ সমালোচনাত্মক ৰচনাসমূহেহে তেওঁক বিশেষ প্ৰতিষ্ঠা দিয়ে। ১৮২ চনত লেখৰ সাহিত্যিক জীৱনৰ উল্লেখযোগ্য দিশ মুকলি হয়। Hazlitt ৰ উপদেশ মতে London Magazine ৰ সম্পাদক Jhon Scott এ লেখক তেওঁৰ কাকতত ৰচনা লিখিবলৈ অনুৰোধ কৰিলে। প্ৰতি মাহতে লেখক তেওঁ ভাল পোৱা যিকোনো বিষয়ৰ ওপৰত একোখনকৈ ৰচনা লিখি দিবলৈ কলে। ১৮২ চনৰ আগষ্ট মাহত প্ৰকাশিত হল Recollection of the South Sea House ইয়াৰ প্ৰকাশৰ লগে লগে আৰম্ভ হল Elia Essays ৰ শুভাৰম্ভণি।

৮২৩ চনত স্বাস্থ্যজনিত কাৰণত তেওঁ চাকৰিৰ পৰা অৱসৰ বিচাৰিলে আৰু ৮২৫ চনত কর্তৃপক্ষই তেওঁক পেঞ্চন দি কামৰ পৰা অৱসৰ দিলে। অৱসৰ পাই আনন্দেৰে তেওঁ Wordsworth লৈ লিখিলে— After thirty years slavery here am I a freed man কিন্তু এই অৱসৰে ক্ৰমাগতভাৱে তেওঁক বিৰক্ত কৰি তুলিব ধৰিলে। সময় যেন নেযায় সুপুৰায়। তেওঁৰ জীৱনৰ এই অভিজ্ঞতাই The Superannuated Man ৰচনাত প্ৰকাশি উঠিছে। এই সময়তে বিৰক্তিৰ পৰা নিষ্কৃতি পাবলৈ তেওঁ চিঠি লিখিবলৈ ধৰিলে বন্ধুবৰ্গলৈ। ইয়াৰ দুই এখন আছিল অতিশয় হাস্যমধুৰ আৰু চিত্তাকৰ্ষক। দুই এখন চিঠিত তেওঁৰ জীৱনৰ উল্লেখযোগ্য ৰচনাসমূহৰ পটভূমিৰ বিষয়েও সুন্দৰকৈ গম পোৱা যায়। উদাহৰণস্বৰূপে Thomas Allsop লৈ লিখা চিঠিখনৰ পৰা গম পোৱা যায় তেওঁৰ Oxford in the Vacation শীৰ্ষক ৰচনা লিখাৰ আগে আগে তেওঁ যে Cambridge লৈ নিজে গৈ অভিজ্ঞতা আহৰণ কৰি এই ৰচনাখন লিখিছিল। তেও লিখিছে—

It is not in our power to accept your invitation Today we dine out and set out for Cambridge on saturday morning Friday of course will be past in packing moreover we go from Daston We return from Cam in 4 weeks, and will contrive an early meeting Meantime believe us

লেখৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্বৰূপ ৰচনাৱলী Essays of Elia শীৰ্ষক শিৰোনামাৰে প্ৰকাশিত হয় আৰু Elia ৰূপেৰে তেওঁ ব্যক্তিগত জীৱনৰ অভিজ্ঞতাক ইয়াত উন্মুক্ত কৰি দিয়ে। ১৮২৩ চনত প্ৰকাশ হয় তেওঁৰ ৰচনা

সংকলন Elia Essays। ইয়াৰ দহ বছৰ পাছত ১৮৩৩ চনত তেওঁৰ উল্লেখযোগ্য ৰচনাৱলীৰে প্ৰকাশিত হয় The last Essays of Elia গ্ৰন্থ। এই ৰচনাবোৰৰ অধিকাংশই তেওঁৰ জীৱনৰ স্মৃতিচাৰণ বুলি কব পাৰি। এই ৰচনাবোৰত কিছুমান চৰিত্ৰাংকন কৰিছে যিবোৰে আমাক ওঠৰ শতিকাৰ Addison আৰু Stelle ৰ ৰচনাত থকা চৰিত্ৰাংকনবোৰলৈ মনত পেলাই দিয়ে।

তেওঁৰ কেইখনমান উল্লেখযোগ্য ৰচনা হল—

The south sea House —এই ৰচনাত তেওঁৰ প্ৰথম কৰ্মস্থলী South sea house ৰ বৰ্ণনা আমাৰ আগত দাঙি ধৰিছে। সাংসাৰিক বিপৰ্যয়ৰ কাৰণে তেওঁ চৈধ্য বছৰ বয়সতে পঢ়াশুনা বাদ দি এই অফিচত কাম কৰিব লগা হৈ ছিল। এই অফিচত Malancholy looking handsome ভৱনটোত লগ পোৱা কেইজনমান সহকৰ্মীৰ মনোগ্ৰাহী চৰিত্ৰও ইয়াত তেওঁ অংকন কৰিছে। এই সহকৰ্মীসকল অলপ খেয়ালী ধৰণৰ আছিল আৰু সেয়ে Lamb-এ এওলোকক Odd fishes বুলি কৈছে।

The Two Races of Men —এই ৰচনাত লেখে মানৱজাতিক দুই ভাগত ভাগ কৰিছে। তাৰে এটা শ্ৰেণী হল যিয়ে ধাৰ কৰে আৰু আনটো শ্ৰেণী হল যিয়ে ধাৰ দিয়ে। যিয়ে ধাৰ কৰে তেওলোক ধাৰ দিয়া সকলতকৈ মহত্তৰ। এই ধাৰ কৰা সকলৰ ভিতৰৰ মধ্যমণি হল ৰ্যাল্‌ফ বিগদ। টকা উৰুৱাত এওঁ অদ্বিতীয় আছিল। এওঁৰ সংক্ষিপ্ত জীৱন কাহিনীও তেওঁ ৰচনাখনত দাঙি ধৰিছে।

বহুতে আকৌ টকা ধাৰ নকৰি কিতাপ ধাৰ কৰে। এওলোকৰ ভিতৰত উল্লেখযোগ্য হল কোলৰিজ। এই ক্ষেত্ৰত কোলৰিজে এটা নতুন সূত্ৰ উদ্ভাৱন কৰিছিল যিয়ে যিমান ভালকৈ কিতাপ বুজিব পাৰে সেই কিতাপৰ ওপৰত আকৌ স্বত্ব সেই অনুপাতে থাকিব। তাৰ পাছত লেখে কোলৰিজৰ প্ৰগাঢ় পাণ্ডিত্যৰ হকিত দি প্ৰশ্ন কৰিছে কোলৰিজে যদি তেওঁৰ মত অনুসৰি কাম কৰে তেনে লে জানো কাৰোবাৰ কিতাপৰ আলমাৰী নিৰাপদে থাকিব ?

New years Eve —ই লেখৰ আত্মপৰিচয়ৰে পৰিপূৰ্ণ। অতীতৰ প্ৰতি লেখৰ অটুট আকৰ্ষণ ইয়াত মূৰ্ত হৈ উঠিছে। তেও কিতাপ ভাল পায়। বন্ধু বান্ধৱক ভাল পায়। শ্যামলী পৃথিৱীৰ স্নিগ্ধ ছায়াত মানুহৰ মাজত তেও বাচি থাকিব খোজে। প্ৰতিদিনৰ সৰু সৰু সুখ দুখ, প্ৰতিদিনৰ সামাজিক মিলাপ্ৰীতি ইয়াৰ মূল্য তেওঁৰ বাবে অপৰিমেয়। মৃত্যু যেন তেওঁৰ বাবে অজ্ঞাত ৰহস্য হৈয়ে

থাকে। তাক জনাৰ কাৰণে তেওঁৰ অলপো আগ্ৰহ নাই। মৃদু নৈৰাশ্যৰ উদাস সুৰে ৰচনাখনিক ৰমণীয় কৰি তুলিছে।

Dream children —এই ৰচনাখনিত লেখে এক মৰ্মান্তিক দুখৰ দিবা স্বপ্নৰ কাহিনী লিপিবদ্ধ কৰিছে। যি অ্যানক (ইয়াত অ্যালিচ) তেওঁ ভাল পাইছিল সেই বিচিত্ৰৰূপা নাৰী ইয়াত স্বপ্ন সম্ভৱা স গিনী ৰূপেহে ধৰা দিছে। তেওঁক বাস্তৱত পোৱাৰ সকলো আশা হতিমধ্যে শেষ হৈ গৈছে। তেও দেখা পাইছে স্বপ্ন সম্ভাত শিশুসকলক। যি লেখ কোনো দিনে স্বামী বা পিতৃ হব নোৱাৰিলে সেই লেখৰ উন্মথিত হৃদয় বেদনা Dream children ৰচনাত স যত ভাবাবেগৰ মাজেৰে প্ৰকাশ পাই ই যেন এক গীতিকাব্য হৈ পৰিছে। শিশু মনস্তত্ত্বৰ কিছুমান দিশো ইয়াৰ মাজত প্ৰকটিত হৈছে। মাজে মাজে মৃদু হাস্যৰসে কৰুণ সুৰক গভীৰ আৰু মৰ্মস্পৰ্শী কৰি তুলিছে।

Old China —এইখন ৰচনাত তেওঁৰ সহোদৰা ভনীয়েক মেৰীৰ ছবি সম্পূৰ্ণৰূপে ফুটিছে। যেতিয়া তেওঁলোকৰ আৰ্থিক অৱস্থা সিমান ভাল নাছিল তেতিয়া তেওঁলোক বেছি সুখী আছিল। এতিয়া আৰ্থিক স্বচ্ছলতা পৰ্যাপ্ত কিন্তু তা লগত বাঢ়িছে অশান্তিবোধ। ক ত হেৰাই গল সেই আগৰ দিনৰ সৰল জীৱন, ক ত হেৰাল যৌৱনৰ দিনবোৰ?

Christ Hospital —ৰচনাখনিত তেওঁৰ পঢ়া দিনৰ অভিজ্ঞতাবোৰকে সুন্দৰভাৱে বৰ্ণনা কৰিছে। ইয়াত থকা দিনবোৰত তেওঁ বন্ধুৰ সৈতে কেনেকৈ বহুৰ দিনবোৰ কটাইছিল তাৰে লেখ দিছে। কৰ্তৃপক্ষৰ শাস্তিৰ বৰ্ণনা, খোৱা বস্তুৰ পৰা বঞ্চিত কৰা আদিৰ তিক্ত অভিজ্ঞতাও তেওঁ ইয়াত দাঙি ধৰিছে। শিক্ষক James Bayer আৰু Rev Mathew Field ৰ কথাও তেওঁ বৰ্ণনা কৰিছে। বন্ধু কোলৰিজ এলাম আদিৰ সান্নিধ্যৰ সুখ স্মৃতি চাৰণো ইয়াত আছে।

Oxford in Vacation —ই এখন তেওঁৰ উল্লেখযোগ্য ৰচনা। ইয়াত উল্লেখ কৰা এটা মনোমোহা চৰিত্ৰ হল Dyer দায়াৰক তেওঁ Oxford Library ত দেখিছিল। দেখি তেওঁৰ ভাব হৈছিল তেওঁ যেন এখন উৰণি যোৱা পুৰণি কিতাপ যাক এটা নতুন মলাটৰ প্ৰয়োজন হৈছে। এই পণ্ডিত মানুহজনে Cambridge ক লৈয়ে যেন ব্যস্ত আছিল। এই দুইখন বিশ্ববিদ্যালয়ৰ ওপৰত তেওঁ গৱেষণা কৰিছিল। তেওঁ সদায় চিন্তামগ্ন আছিল আৰু বন্ধুৰ সতে বাটত ভেটা ভেটি হলে উচপ খাই উঠিছিল। তেওঁ শিক্ষকতাৰ কাম কৰিছিল। যদিও বেচি টকা নোপোৱাত প্ৰকাশকে প্ৰতিষ্ঠানৰ বাবে বেছি কষ্ট কৰিব লগা

হৈছিল। তেওঁ কবিতাও লিখিছিল। কিন্তু সেইবোৰে পাঠকৰ মনোযোগ আকৰ্ষণ কৰিব পৰা নাছিল। তথাপি Dyer যে এজন সৰ্বজন স্বীকৃত পণ্ডিত আছিল সেই কথা স্বীকাৰ্য।

A Dissertation upon Roast Pig —মানুহে আদিতে কেঁচা মাংস খাইছিল। মাংস সিজাই খোৱা প্ৰথা কেনেকৈ আৰম্ভ হ'ল তাৰে এটা চীনা সাধুৰে ৰচনাখন আৰম্ভ হৈছে। এই সাধুটোত পোৱা যায় ঘৰ পোৰা জুইত পোৱা গাহৰি এটা চুই হাতখন পুৰি যোৱাত বো বো নামৰ ল'ৰা এজনে পোৰা আঙুলি এটা মুখত দিলে পোৰণি গুচাবলৈ। তাতে সি পোৱা গাহৰিৰ মাংসৰ সোৱাদ পাই গাহৰিটো খাবলৈ ধৰিলে। তাৰ দেউতাক আহি পুতেকক তেনেকৈ এটা অসামাজিক কা। কৰা দেখিবলৈ পাই খঙতে কোবাবলৈ ধৰিলে। পিছে পুতেকে কোব খোৱা সত্ত্বেও খোৱাৰ পৰা মুঠিল আৰু পিতাককো খাবলৈ মাতিলে। পিতাকেও পোৱা মাংসৰ সোৱাদ পাই খাবলৈ ধৰিলে। এই কথা গৈ ৰজাৰ কাণত পৰাত দুই বাপেক পুতেকৰ বিচাৰ আৰম্ভ হ'ল। বিচাৰক সকলেও পোৱা গাহৰি খাই চালে। তেওঁলোকৰ জুতি লাগিল। এনদৰে মাংস সিজাই খোৱা প্ৰথা মানৱ সমাজলৈ আহিল। ইয়াৰ পাছত লিখকে গাহৰিৰ মাংসৰ সোৱাদৰ বিষয়ে দীঘলীয়া বৰ্ণনা দিছে। ৰচনাখনত Epicurian সাদৰি প্ৰতিফলন সুন্দৰভাৱে পৰিছে।

ইয়াৰ উপৰিও তেওঁৰ ব্যক্তিগত অভিজ্ঞতাৰ ভেটিত আৰু কেবাখনো সুন্দৰ ৰচনা লিখিছে। যেনে—Mbekery end in Hertford shire ৰচনাত তেওঁৰ যৌৱনৰ অভিজ্ঞতা Mrs Batteis opinion ত মেৰীৰ সৈতে হোৱা তেওঁৰ দীঘলীয়া সৌহাৰ্দ্যৰ অভিজ্ঞতা The Imperfect sympathics আৰু The Confusions of a Drunkyard ত তেওঁৰ সংস্কাৰ আৰু পোষৰ চিত্ৰ, My Relations ৰচনাত পৰিয়ালৰ প্ৰাঁ চ্ছবি সুন্দৰভাৱে ফুটি ওলাইছে। ইয়াৰ উপৰিও Essays on the tragedies of Shakespeare আৰু On the Genius and character of Hogarth তেওঁৰ সাহিত্য সমালোচনাৰ ৰচনা।

ৰোমাণ্টিক আন্দোলনে সাহিত্যক দান কৰা মন্ময়-ধৰ্মিতা ৰচনা সাহিত্যৰ মাজেদি সুন্দৰভাৱে প্ৰকাশৰ সুযোগ পালে। ধ্ৰুপদী ৰীতিৰ প্ৰতি বিদ্ৰোহেও সাহিত্যত এই আত্মপ্ৰকাশৰ সুযোগ আনি দিছিল। সেয়ে লেম্বৰ ৰচনাৰ গীত তেওঁ আত্মপ্ৰকাশ স্মৃতিচাৰণৰ মাজেদি সুন্দৰভাৱে প্ৰকাশি উঠিছে। লেম্বে

যেন অতীত স্মৃতি ৰোমন্থনৰ মাজত বিচাৰি পায় হেৰোৱা সুখৰ মাধুৰী। সেয়ে অতীতৰ প্ৰতি তেওঁৰ ইমান মোহ। কিন্তু ই Wordsworth ৰ অতীত ৰোমন্থনৰ আধ্যাত্মিক অনুভূতিৰে পৰিপূৰ্ণ এক অনুভূতি নহয়। ই তেওঁৰ বুদ্ধি আৰু কল্পনাক উদ্দীপিত কৰি তোলাৰহে সামগ্ৰী। সেয়ে Compton Rickett-এ কৈছে, Dearly did he love to chew the cud of a by gone vision to dally with his dreams, to reinvest common streets of London and her well worn sights, with a glamour of retro pective fantasy [১৫]

জীৱনৰ এই অভিজ্ঞতাক তেওঁ হাস্য মধুৰ ৰূপৰ মাজেদি প্ৰকাশ কৰিছে তেওঁৰ ৰচনাসমূহত। তেওঁৰ হাস্যৰস তেওঁৰ জীৱনৰ কাৰুণ্যৰ সতে সংমিশ্ৰিত। তেওঁৰ অসতৰ্ক অৱস্থাৰ পৰা ওলাই অহা দুই এটা উক্তিৰ মাজতো এই কাৰুণ্য ভৰা জীৱনৰ স্পন্দনেই প্ৰকাশিত হৈছে। এইবোৰ যেন Rickett ৰ ভাষাত safety valves for a hypersensitive mind এইবোৰ আত্মপ্ৰকাশৰ মাজত তেওঁৰ কোনো তিক্ত ৰুচিৰ প্ৰকাশ নাই। বৰং ই সংযত আৰু কল্পনা সুলভ ভাৱে প্ৰকাশিত হৈছে। তেওঁৰ সুনিপুণ প্ৰকাশভংগীয়ে এইবোৰক কাব্যময় কৰি তুলিছে। জীৱনৰ দুখক ঢাকি ৰাখি তাক কল্পনাময় ভাৱে প্ৰকাশ কৰাৰ কৌশল তেওঁ জানিছিল সেয়ে Battenhouse-এ এই প্ৰসংগত কৈছে—

'Lamb s charcater and gifts may be summd up by saying that he knew how to endure suffering with patience to answers foolish man with good wit, to treat his friends tenderly and to write as he lived Yet with this difference that what life itself denied him His art and imagination richly supplied [১৬]

লেম্বৰ ৰচনাৰ গদ্যৰ এক নিজস্ব ভংগী বৰ্তমান। পূৰ্বৰ গদ্যকাৰসকলৰ প্ৰভাৱ থাকিলেও ই তেওঁৰ সম্পূৰ্ণ নিজস্ব হৈ ৰূপ ধাৰণ কৰিছে। সেয়ে Rickett এ কৈছে, His style is a mixture certainly of many styles, but a chemical not a mechanical mixture [১৭]

---

১৫ Rickett—A History of English Literature p 365

১৬ Shipley Joseph (Ed)—Encyclopaedia of Literature p 241

১৭ Rickett—A History of English Literature P 365

লেম্বৰ ৰচনাভংগী সহজ সৰল। কোনো এটা বিষয়ৰ ওপৰত তেওঁ দৃষ্টি নিবদ্ধ কৰি তেওঁৰ কল্পনা আৰু স্মৃতিক পৰিভ্ৰমণ কৰিবলৈ দিয়ে আৰু এক অপূৰ্ব সাহিত্যিক কলাৰে তাক প্ৰকাশ কৰে। ইয়াৰ লগতে তেওঁ মিহলি কৰে হাস্যমধুৰ ব্যঞ্জনা। তেওঁৰ উল্লেখযোগ্য প্ৰায়বোৰ ৰচনাত এক হাস্যমধুৰতা মোহনীয় ৰূপত প্ৰকাশিত হৈছে। তেওঁৰ ৰচনাৰ বৰ্ণনা শক্তিৰ প্ৰাচুৰ্য আৰু মনোযোগিতাই পাঠকক মুগ্ধ কৰে। তেওঁ ৰচনাৰ গঠনৰীতিৰ প্ৰতি সচেষ্ট নহয়। অৱশ্যে ৰচনাৰ কাৰণে সি তেনেকুৱা বিশেষ আৱশ্যকো নহয়। ই মুখ্যতে লিখকৰ মন্ময়ধৰ্মী ৰচনা। বিষয়ৰ পৰা বিষয়ান্তৰলৈ গমনৰ যোগেদি তেওঁ তেওঁৰ বক্তব্যক ইয়াত দাঙি ধৰে। কিন্তু লেম্বৰ ৰচনাত যি কোনো বিষয়বস্তুৱে তেওঁৰ সুন্দৰ সাহিত্যিক শৈলীৰ মাজেৰে প্ৰকাশিত হৈছে। তেওঁ যি কোনো ক্ষুদ্ৰ কথাকো তুচ্ছতাৰ উৰ্দ্ধলৈ লৈ গৈ মোহনীয়ভাৱে প্ৰকাশ কৰিব পাৰে। তেওঁৰ চৰিত্ৰ চিত্ৰণতো ক্ষুদ্ৰ ক্ষুদ্ৰ ভাব অনুভূতি আৰু চাৰিত্ৰিক বৈশিষ্ট্যসমূহ অংকন কৰাৰ দক্ষতা প্ৰকাশ পাইছে। এইবোৰে মানুহৰ অন্তৰাত্মা সম্পৰ্কে থকা তেওঁৰ গভীৰ জ্ঞানৰো পৰিচয় দাঙি ধৰিছে। তেওঁ সাহিত্য সম্পৰ্কেও বিবিধ আলোচনা কৰিছে। কিন্তু এই সকলোবোৰতকৈ মানুহৰ আচাৰ ব্যৱহাৰ আৰু চৰিত্ৰ সম্পৰ্কে থকা তেওঁৰ বিচাৰ ধাৰাহে বেছি প্ৰশংসনীয়।

সকলো মহৎ ৰচনাৰ অন্তৰালত লিখকজন লুকাই থাকে। সেই কাৰণে পৰ লেম্বৰ ৰচনাৰ অন্তৰালতো আমি পাওঁ সকলো মানৱ জগত সুখ দুখৰ অন্তৰত লুকাই থকা তেওঁৰ মহান আত্মাৰ প্ৰতিবিম্ব।

আধুনিক জীৱনী সাহিত্য

আন্দ্ৰে মোৰোৰ এৰিয়েল

জীৱনী সাহিত্য হ'ল এজন ব্যক্তিৰ জীৱনৰ আলেখ্যৰ এক সুসম্বদ্ধ অভিলেখ, এই কালৰপৰা ইয়াক বুৰঞ্জীৰ এটা শাখা বুলিও কব পাৰি। বুৰঞ্জীতো বহুতো ব্যক্তিৰ জীৱনৰ বিভিন্ন ঘাট-প্ৰতিঘাট উত্থান পতন আদিকে বিবৃত কৰা হয়। অৱশ্যে জীৱনীত এজন লোকৰ ব্যক্তিগত জীৱনৰ ওপৰতহে অধিক দৃষ্টি নিপতিত হয় আৰু তেওঁৰ সেই জীৱনৰ কাৰ্যাৱলীক দেশ আৰু কালৰ পৰি প্ৰেক্ষিতত বিচাৰ কৰি চোৱা হয়। বিভিন্ন তথ্যৰ সমষ্টি, নানাধৰণৰ ঘটনাৰ পুংখানুপুংখ বৰ্ণনা ইত্যাদি উপাদানেৰে জীৱনীও বুৰঞ্জীৰে সমগোত্ৰীয় হৈ পৰে। সেয়ে বুৰঞ্জীকো কাৰ্লাইলে জীৱনী বুলিয়ে কৈছে, ('There is Properly no history only biography) কাৰ্লাইলে আকৌ বুৰঞ্জীক জীৱনী কিছুমানৰ সাৰমৰ্ম বুলি অভিহিত কৰিছে (the essence of innumerable biographies) আধুনিক জীৱনী সাহিত্যৰ এক বিশিষ্ট লিখক আন্দ্ৰে মোৰো। তেওঁ জীৱনীক বুৰঞ্জীৰ এটা শাখা বুলি আঙুলিয়াই দি কৈছে "Biography is a branch of history Its purpose is to relate as faithfully as the life of an indiv dual [১]

জীৱনী সাহিত্য এসময় দিনত বুৰঞ্জীৰ সমগোত্ৰীয় ৰূপেই পৰিগণিত হৈ আহিছিল কিন্তু সাম্প্ৰতিক কালত ই বুৰঞ্জীৰ দৰে কেৱল শুকান ঘটনা কিছুমানৰ সমষ্টি স্বৰূপ হৈ থকা নাই এক অপূৰ্ব সাহিত্যিক শৈলীৰে ৰচিত হোৱাত বৰ্তমানৰ জীৱনী সাহিত্য বুৰঞ্জীৰ সত্য আৰু সাহিত্য কলাৰ এক অপূৰ্ব সংমিশ্ৰণ স্বৰূপ হৈ পৰিছে। সাম্প্ৰতিক কালৰ আন্দ্ৰে মোৰোৰ দুই এখন জীৱনী সাহিত্য পঢ়িলে আমাৰ ইয়াক বুৰঞ্জী বুলিতো ভাব নহয়েই বৰং উৎকৃষ্ট উপন্যাস বা কাব্য পাঠৰ সোৱাদেৰে ই আমাৰ মন আপ্লুত কৰে।

বিশেষ উল্লেখনীয় ব্যক্তিবোৰৰ জীৱনৰ বিষয়ে জনাৰ কৌতূহল মানুহৰ এক চিৰন্তন প্ৰবৃত্তি। প্ৰাচীন কালত ৰজা মহাৰজা, সন্ত মহন্ত সকলৰ জীৱনৰ বিভিন্ন কাহিনী মানুহৰ মাজত প্ৰচলিত আছিল। গুণমুগ্ধ মানুহবোৰে সেই ব্যক্তিজনাৰ

---

১ Mouris Andre biography Cassell's Encyclopaedia of Letereture P 507

কথাবোৰ অতিৰঞ্জিত আৰু অবাস্তৱ ৰূপত শুনি চমকিত হৈছিল। মানুহৰ এই কৌতূহল চৰিতাৰ্থ কৰিবলৈ উল্লেখযোগ্য ব্যক্তিবোৰৰ জীৱনী লিখাৰ প্ৰয়াস আৰম্ভ হয় আৰু ইউৰোপৰ মধ্যযুগীয় সাহিত্যত ইয়াৰ এক বিকাশ দেখিবলৈ পোৱা যায় বুৰঞ্জী সমূহত। মধ্যযুগৰ এই বুৰঞ্জী সমূহত ৰজা মহাৰজা সম্ মহন্ত সকলৰ জীৱন বৃত্তৰ আভাস পোৱা যায়। Geoffrey of Monmouth, Mathew Paris আদিৰ বুৰঞ্জীত এনে উল্লেখযোগ্য চৰিত্ৰবোৰৰ চিত্ৰণ পোৱা যায়।

প্ৰকৃত জীৱনী সাহিত্যৰ অভ্যুদয় ঘটিবলৈ ধৰে ষোল শতিকাৰ পৰা। এই সময়ছোৱাত ৰচিত হোৱা Cardinal Marton ৰ Life of Richard III (১৫৮২), Roper ৰ Life of More (১৫৩৩) আৰু Cavendish ৰ Life of Wolsely (১৫৫৫) আদিক জীৱনী সাহিত্যৰ প্ৰাথমিক নিদৰ্শন বুলি কব পাৰি।

সোতৰ শতিকাত প্ৰকাশিত হয় বেকনৰ উল্লেখযোগ্য জীৱনী সাহিত্য History of Henry VII (১৬২), Walton ৰ Lives Anbrey ৰ Minutes of Lives আদি এই কালছোৱাত জীৱনীকাৰ সকলৰ ভিতৰত বিশেষ প্ৰতিভা প্ৰদৰ্শন কৰে Anbrey য়ে। তেওঁৰ জীৱনী সাহিত্যত বুৰঞ্জীৰ তথ্যৰ লগতে প্ৰকাশ পাইছে ব্যক্তিৰ চৰিত্ৰৰ ওপৰত নিপতিত হোৱা তেওঁৰ ব্যক্তিগত দৃষ্টিভংগী।

ওঠৰ শতিকাত Johnson এ তেওঁৰ Lives of the Poets (১৭৭৯ ৮১) ৰচনা কৰাৰ লগে লগে জীৱনী সাহিত্যই এক উৎকৃষ্ট সাহিত্যিক ৰূপ হিচাপে পৰিগণিত হয়। ইয়াত তেওঁ ব্যক্তিৰ জীৱনৰ অকপট সত্যক সাহিত্যিক শৈলীৰে মনোৰম ভাৱে প্ৰকাশ কৰে। এই উৎকৃষ্ট জীৱনীকাৰ জন আকৌ আন এজন জীৱনী লেখকৰ সৃষ্টিৰ উৎস হৈ পৰে। এওঁৰে জীৱনৰ আধাৰত Boswell এ তেওঁৰ বিখ্যাত জীৱনী সাহিত্য Life of Johnson ৰচে ১৭৯ চনত। Johnson ৰ জীৱন্ত কৰি ৰাখিব পৰা এই জীৱনী সাহিত্যখন ইংৰাজী জীৱনী সাহিত্যৰ এক অমূল্য নিদৰ্শন স্বৰূপ।

উনৈশ শতিকাত উৎকৃষ্ট জীৱনীকাৰ ৰূপে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে Lockhart-এ স্কট আৰু বাৰ্ণচৰ জীৱনী ৰচনাত। এই সময়ৰ আন এজন জীৱনী লেখক হ'ল Gilbchist তেওঁৰ কবি ব্লেকৰ জীৱনী বিশেষ উল্লেখযোগ্য। Hazlitt-এ নেপোলিয়নৰ জীৱনী লিখিছিল যদিও ই এখন উল্লেখযোগ্য জীৱনী

সাহিত্যৰূপে পৰিগণিত নহ'ল। এই সময়ছোৱাত তুই এখন আত্মজীৱনীও ৰচিত হয়। Thomas de quiency, high Hunt আদিৰ আত্মজীৱনী এই প্ৰসংগতে উল্লেখনীয়।

উনৈশ শতিকাৰ শেষ ভাগৰ পৰা জীৱনী লিখাৰ পৰম্পৰাগত ৰীতিৰ মাজতে নতুনত্ব অনাৰ প্ৰয়াস কৰে লিখকসকলে। অভিজ্ঞতা, আৱিষ্কাৰ আৰু সাহিত্যিক শৈলীৰ সমন্বয়ত জীৱনী সাহিত্যক এক ন ৰূপ দিয়াৰ প্ৰয়াস কৰা হয়। আৰু বিংশ শতিকাৰ প্ৰথমাৰ্ধত জীৱনী সাহিত্যই আধুনিক ধ্যান ধাৰণাৰে প্ৰকাশিত হবলৈ আৰম্ভ কৰে। জীৱনী পাঠৰ মাজত লাহে লাহে গল্প উপন্যাসৰ সোৱাদ পাব ধৰিলে পাঠকসকলে। এনে ধৰণৰ জীৱনী সাহিত্যৰ নিদৰ্শন বহন কৰিলে Gosse ৰ Father and Son (৯ ৭), Butler ৰ The way of All flesh (১৯ ৭) আদিয়ে।

কিন্তু জীৱনী সাহিত্যৰ কলাত্মক ৰূপৰ পূৰ্ণ বিকাশ ঘটিল Lytton Strechy ৰ হাতত। তেওঁৰ প্ৰখ্যাত জীৱনী সাহিত্য Eminent victorians (১৯১৮) এ আধুনিক জীৱনী সাহিত্যৰ নতুন শৈলী প্ৰতিষ্ঠা কৰিলে। Cyril Connolly য়ে এই গ্ৰন্থখনৰ প্ৰসঙ্গত কৈছে, Eminent victorians is the work of a great anarch, a revolutionary text book on bourgeoise society written in the language through which the bourgeois ear could be lulled and beguilded, the Mandarin style [২]

ব্যক্তি সম্পৰ্কে থকা প্ৰচলিত ধ্যান ধাৰণাৰ পৰিবৰ্তে সম্পূৰ্ণ নিজৰ দৃষ্টিভংগীৰে তেওঁ ভিক্টোৰিয়ান যুগৰ চাৰিজন ব্যক্তিৰ বিষয় ইয়াত দাঙি ধৰিছে। সত্য ঘটনা যে কল্পিত কাহিনী (fiction) তকৈ আশ্চৰ্যজনক হব পাৰে তাৰেই উদাহৰণ তেওঁ ব্যক্তিসকলৰ আলেখ্যৰ মাজত দাঙি ধৰিছে। ইয়াৰ লগতে প্ৰকাশি উঠিছে তেওঁৰ অনুপম সাহিত্যিক শৈলী।

এই সময়ছোৱাত এই নতুন দৃষ্টিভংগী সম্বলিত জীৱনৰ লগতে আত্মজীৱনীও প্ৰকাশিত হয়। Vladimir Nabokov ৰ Speak Memory (১৯৬৬) H G Wells ৰ Experiment in Autobiography (১৯৩৪) আদিকো আধুনিক জীৱনী সাহিত্যৰ ভিতৰত অন্তৰ্ভূক্ত কৰিব পাৰি।

সাম্প্ৰতিককালত নতুন নতুন পৰীক্ষা নীৰিক্ষাৰে জীৱনী সাহিত্য ৰচিত

---

২ Holroyd M Lytton Stre hey গ্ৰন্থৰ ২৬৩ পৃষ্ঠাত উদ্ধৃত।

হৈ ছে। জীৱনীৰ শৈলী উপন্যাস, উপন্যাসৰ শৈলী জীৱনীয়ে গ্ৰহণ কৰি এক অপূৰ্ব মিশ্ৰিত সাহিত্যৰ সৃষ্টি কৰিছে। উপন্যাস, আত্মজীৱনী, জীৱনী বাস্তৱ তথা কল্পনাবোৰৰ সমন্বয়ত আধুনিক জীৱনী সাহিত্যই নতুন নতুন পৰীক্ষা আৰম্ভ কৰিছে। এই ধৰাৰ কিছুমান উল্লেখযোগ্য জীৱনীৰ নিদৰ্শন হ'ল Alexander Trocchi ৰ Cain's Book (১৯৬), Jeff Nuttable ৰ Bomb Culture (১৯৬৪) আদি। এই ধৰণৰ নতুন জীৱনী সাহিত্যৰ প্ৰসাৰে পৰিষ্কাৰ পাঠকক নিশ্চয় ই উপন্যাসৰ কাল্পনিক কাহিনী নে বাস্তৱৰ সঁচা কাহিনী এই বিষয়ে সন্দিহান কৰি তুলিব। সেয়ে Roger Fowler ৰ A Dictionary of Modern Critical Terms ত জীৱনৰ এই শৈলীৰ প্ৰসংগত উল্লেখ কৰা হৈছে, It seems likely that this trend will continue and that the future will see an extension of the hybrid book whose format disdains to answer the query fact or fiction ৩

বৰ্তমান জগতত কবিতা, নাটক, গল্প, উপন্যাস আদি সকলোবোৰ সাহিত্যিক ৰূপে আধুনিক ৰূপেৰে উজ্জ্বলি উঠাৰ লগে লগে জীৱনী সাহিত্যই নতুন ৰূপেৰে জন্ম ধৰিছে। আধুনিক উপন্যাসৰ তথা গল্প সাহিত্যৰ উন্নত কলাত্মক প্ৰকাশভঙ্গী, জনসাধাৰণ বিশেষকৈ মনস্তাত্বিক বিশ্লেষণ পদ্ধতিৰ আৱস্থান আদিয়ে এইবিধ সাহিত্যক এক বলিষ্ঠ আৰু অনন্য সাধাৰণ ৰূপ দিছে। একালে ঐতিহাসিক সত্য আৰু আনফালে কল্পনাত্মক দৃষ্টিভংগী এই দুই ভাবৰ প্ৰকাশেৰে আধুনিক জীৱন গল্প, উপন্যাসতকৈ বেছি মনোৰম হৈ পৰিছে।

আগৰ জীৱনী সাহিত্যবোৰত কোনো ৰাজনৈতিক, সামাজিক বা ঐতিহাসিক ব্যক্তিবৰ্গৰ জীৱনৰ অভিলেখ দিবলৈ গৈ তেওঁলোকৰ জীৱনৰ মহত্বপূৰ্ণ আৰু গুৰুত্বপূৰ্ণ ঘটনাৱলী কিছে বিবৃত কৰা হৈছিল। তেওঁ যেন সৰ্বসাধাৰণ মানুহতকৈ বহু ওপৰত তাকে প্ৰতিপন্ন কৰিবলৈ গৈ সময়ে সময়ে তেওঁৰ বিষয়ে বহুতো অতিৰঞ্জিত কাহিনীও তাত দাঙি ধৰা হৈছিল। তেওঁলোকৰ জীৱন এক আদৰ্শময় জীৱন ৰূপে প্ৰতিপন্ন কৰিবলৈ জীৱনীকাৰে চেষ্টা কৰিছিল।

কিন্তু বৰ্তমানৰ জীৱনীলেখক জীৱনীৰ এই পৰম্পৰাগত ৰূপৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে। কাৰোবাৰ জীৱনী লিখিবলৈ গৈ তেওঁ ক যে একেবাৰে দেৱোপম চৰিত্ৰ কৰি দেখুৱাব লাগিব এই আদৰ্শৰ প্ৰতিও তেওঁলোক পৰিপন্থী। তেওঁ-

---

৩ Fowler Roger (ED) A Dictionary of Modern Critical Terms P ২

লোকৰ জীৱনক অসাধাৰণ ৰূপে বৰ্ণনা নকৰি সাধাৰণ মানুহৰ দৰেই তেওঁলোকে বৰ্ণনা কৰিবলৈ লয়। কোনো মানুহে উপজিবৰ দিনাই মহৎ সাহিত্যিক ৰাজনীতিবিদ বা দাৰ্শনিক ৰূপে জন্মগ্ৰহণ নকৰে। তেৰো এজন সাধাৰণ শিশু হৈ যে জন্মগ্ৰহণ কৰে পিছতহে তেওঁ অধ্যৱসায় আৰু প্ৰতিভাৰ বলত সেই মহৎ পুৰুষৰূপে চিনাকি হয়। এজন তেনেকুৱা মানুহৰ জীৱনী লিখিবলৈ হলে প্ৰথমতেই তেওঁক মহাপুৰুষ কৰি দেখুৱাবলৈ গলে তেওঁৰ জীৱনৰ অধ্যৱসায় সংগ্ৰাম আদিৰ গুৰুত্ব নাইকিয়া হৈ পৰে। এইকথা আধুনিক জীৱনী লিখকসকলে বুজি পাইয়ে কোনো ব্যক্তিৰ জীৱনী বৰ্ণাবলৈ হলে তেওঁৰ জীৱনৰ সৰু বা ডাঙৰ ঘাত-প্ৰতিঘাতবোৰক দাঙি ধৰি কেনেকৈনো তেওঁ মহৎ ব্যক্তিৰ শাৰীলৈ উঠিব পাৰিলে। তাকে তেওঁৰ কাৰ্যৰ অভিলেখৰ দ্বাৰা দাঙি ধৰে। এই প্ৰসংগত মোৰোৱে ডিকেন্সৰ উদাহৰণ দি কৈছে যে ডিকেন্স এটা সৰু ল'ৰা হিচাপেই জন্মগ্ৰহণ কৰিছিল কিন্তু এই সৰু ল'ৰাজনেনো কেনেকৈ সেই নামেৰে বিখ্যাত হৈ পৰিল তাক বাৰে বাৰে জীৱনীকাৰে আমাৰ আগত স্পষ্ট কৰি দেখুৱাব লাগিব।[8]

এনেকৈ সাধাৰণ মানুহ এজনক অসাধাৰণ ৰূপত আমাৰ আগত অৱতীৰ্ণ কৰাবলৈ জীৱনীকাৰে সেই ব্যক্তিজনাৰ জীৱনৰ বিশেষ ঘটনা কিছুমান নিৰ্বাচন কৰি লৈ সেইবোৰ সুন্দৰভাৱে উপস্থাপিত কৰি তাৰ যোগেদি তেওঁৰ ব্যক্তিত্ব ফুটাই তোলে। এই কাহিনীবোৰ নিৰ্বাচন কৰোতে তেওঁৰ জীৱনৰ ভাল বেয়া দুই দিশেই প্ৰকাশ পাব লাগে আৰু সেই ভাল বেয়াৰ সমষ্টিৰে পৰিপূৰ্ণ হৈ প্ৰকাশ পালেহে সেই বৰেণ্য ব্যক্তিজনাই সম্পূৰ্ণ মানৱীয় ৰূপেৰে আমাৰ আগত উদ্ভাসি উঠিব।

একো একোজন ব্যক্তিৰ জীৱন পূৰ্ণৰূপে উদ্ঘাটিত কৰি তুলিবলৈ তেওঁৰ মনস্তাত্ত্বিক দিশটোকো বিশ্লেষণ কৰি চাব লাগিব। আধুনিক সাহিত্যিকসকলৰ বাবে ফ্ৰয়েডীয় তত্ত্বই যি অৰিহণা আগবঢ়াইছে সেই অৰিহণাৰে এই ব্যক্তিসকলৰ ব্যক্তিত্বকো চালিজাৰি চাবৰ চেষ্টা কৰে। আধুনিক জীৱনীকাৰসকলে সেয়ে আধুনিক জীৱনীসমূহো উপন্যাস বা গল্পৰ দৰে মনস্তাত্ত্বিক বিশ্লেষণেৰে পৰিপূৰ্ণ হৈ পৰিছে।

---

8 The child who was born at Port Sea on 7 February 1812 was not a popular novelist but a baby like any other baby even though his name was charles Dickense The art of biography consists in making real to the reader the process by which the obscure infant become the famous man

Mouris A Biography Encyclopaedia of Literature পৃ ৬০।

ব্যক্তিৰ জীৱন আলেখ্যক বুৰঞ্জীৰ দৰে বৰ্ণাই যোৱাৰ পক্ষপাতী নহয় এই আধুনিক জীৱনী লিখকসকল। কোনো এক ব্যক্তিৰ জীৱনীক সাহিত্যিক শৈলীৰ দ্বাৰা প্ৰকাশ কৰিলে সি অত্যন্ত উপাদেয় হৈ পৰে। আধুনিক জীৱনীকাৰ সকলে সেয়ে জীৱনী সাহিত্যিক একো একোটা অনুপম সাহিত্যিক সৃষ্টি ৰূপে গঢ়ি তোলে। উপমা প্ৰতীক, উল্লেখ আদিৰ যোগেদি ইয়াক কাব্যময় কৰি তোলে। আধুনিক গল্প উপন্যাসৰ দৰে উৎসুক্য বজাই ৰাখি এওলোকে কাহিনী বৰ্ণাই যায়। চৰিত্ৰবোৰ নিখুঁতভাৱে অংকন কৰে। কথোপকথনৰ জৰিয়তে চৰিত্ৰবোৰৰ গভীৰলৈ সোমাবলৈ চেষ্টা কৰাৰ লগতে ইয়াক নাটকীয় আবেদনৰে পৰিপূৰ্ণ কৰি তোলে।

কলাৰ লক্ষ্যয়ে হ'ল objectivity আৰু detachment[৫] আৰু এই গুণ লাভ কৰিবলৈ জীৱনীকাৰৰ মূল লক্ষ্য হব লাগিব প্ৰকাশ কৰা (to expose)। তৎ পৰিহাৰ কৰিব লাগিব আৰোপ কৰাৰ প্ৰৱণতা (to impose)।

এনদৰে এই জীৱনীকাৰসকলে তেওঁলোকৰ জীৱনী সাহিত্যৰ মাজেদি বাস্তৱ জীৱনৰ লগত সম্পৰ্ক চৰিত্ৰবোৰক উপন্যাসৰ চৰিত্ৰৰ দৰে মনোৰমভাৱে বৰ্ণনা কৰি তোলে। আৰু সেয়ে বৰ্তমানৰ জীৱনী সাহিত্যই আধুনিক গল্প উপন্যাসৰ স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে।

এই কথা আগতেই উল্লেখ কৰা হৈছে যে Lytton Strechey য়ে এইবিধ আধুনিক জীৱনী সাহিত্যৰ জন্মদাতা। তেওঁৰ দুখন জীৱনী গ্ৰন্থই তেওঁক আধুনিক জীৱনীকাৰ হিচাপে প্ৰতিষ্ঠিত কৰিছে। তেওঁৰ Eminent Victorian ত চাৰিজন প্ৰখ্যাত ব্যক্তিৰ জীৱনালেখ্য দাঙি ধৰিছে। তেওঁলোক হ'ল Cardinal Manning Florence Nightingale, Doctor Arnold আৰু General Gurdon মহাৰাৰা। Victoria ৰ জীৱনালেখ্যৰে ৰচিছে Queen Victoria জীৱনীখন।

জীৱনী লিখাৰ পৰম্পৰাগত ৰীতি তেওঁ পৰিহাৰ কৰি এই ব্যক্তিসকলৰ প্ৰকৃত ৰূপ দাঙি ধৰিছে। সকলো ভাল গুণৰ পৰিবৰ্তে এওঁলোক যে মানবীয় দোষ দুৰ্বলতাৰেও পৰিপূৰ্ণ আছিল তাক তেওঁ দাঙি ধৰিছে। তেওঁলোকৰ বিষয়ে সকলো উচ্চ ধাৰণাক তেওঁ মথিমূৰ কৰি এওলোকক তেজ মঙহৰ মানুহ

---

৫ Objectivity and detachment are the supreme aesthetic value The duty of the biographer is to expose not impose—Mouris A প্ৰাগুক্ত গ্ৰন্থ পৃঃ ৬১।

ৰূপে জীৱনীত প্ৰকাশ কৰিছে। এই ব্যক্তিসকলৰ জীৱনৰ উল্লেখনীয় ঘটনাৰ সু নিৰ্বাচনৰ জৰিয়তে তেওঁ এই চৰিত্ৰবোৰৰ একো একোটা নিতোল ৰূপ আমাৰ আগত দাঙি ধৰিবলৈ সমৰ্থ হৈছে।

লেটিন ষ্ট্ৰেচীৰ এই আদৰ্শতে আন্দ্ৰে মোৰোৱাই তেওঁৰ উল্লেখযোগ্য জীৱনী সাহিত্য এৰিয়েল ৰচনা কৰে। উপন্যাসৰ দৰে নামকৰণতে এই জীৱনীখনৰ আধুনিকতাৰ গোন্ধ পোৱা যায়। কবি শেলীৰ জীৱন কাহিনী তেওঁ ইয়াত বৰ্ণাবলৈ গৈছে। তেওঁৰ জীৱনটো আছিল দেবদূতৰ দৰে পৰৰ মংগলৰ অৰ্থে উৎসৰ্গিত। কোনো অশুভ শক্তি তেওঁৰ মাজত নাছিল। তেওঁ সচাকৈয়ে দেৱ দূতৰে প্ৰতিমূৰ্তি। আৰু এই দেৱদূত সদৃ। শেলীৰ কথা বৰ্ণাবলৈ গৈয়ে এই জীৱনী সাহিত্যৰ নাম দিছিল এৰিয়েল। এই গ্ৰন্থখনৰ বিভিন্ন অধ্যায়ৰ নাম কৰণতো লিখক মোৰোৱাৰ সাহিত্যিক ৰুচি সুন্দৰভাৱে প্ৰকাশি উঠিছে।

মোৰোৱাই তেওঁৰ গ্ৰন্থৰ নায়ক শেলীক আমাক পৰিচয় কৰাই দিয়ে ই । স্কুলৰ পৰিবেশত। তাৰ পৰা ধীৰে ধীৰে তেওঁৰ জীৱনৰ বিভিন্ন দি। উন্মোচিত কৰি মৃত্যুৰ মুহূৰ্তলৈকে ব্যগ্ৰতা অক্ষুণ্ণ ৰাখি ৩ও জীৱনী বৰ্ণাই গৈছে। চৰিত্ৰটোক উজ্জ্বল কৰি তুলিবলৈ ষ্ট্ৰেচীৰ আ । তেৰো নিৰাচন কৰি লৈছিল শেলীৰ জীৱনৰ উল্লেখনীয় ঘটনাসমূহ ।

গ্ৰন্থৰ নায়ক হিচাপে শেলীৰ জীৱনালেখ্য ইয়াত প্ৰোজ্জ্বল হৈ উঠিছে তেওঁৰ বিভিন্ন কাৰ্যাৱলী আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰ প্ৰকাশ দ্বাৰা। তেওঁৰ স্বাধীনচেতা স্বভাৱ, নাৰীৰ প্ৰতি থকা আবেগিক আকৰ্ষণ, সঁচা প্ৰেমৰ ওপৰত থকা তেওঁৰ গভীৰ আস্থা, গ্ৰন্থ অধ্যয়নৰ ব্যগ্ৰতা, তেওঁৰ জিদ বিভিন্ন ঘটনাৰ যোগেদি স্বতস্ফূৰ্ত ৰূপত প্ৰকাশি উঠিছে। ইয়াৰ উপৰি আন চৰিত্ৰৰ লগত তুলনা বা বৈসাদৃশ্যৰ যোগেদিও তেওঁৰ চৰিত্ৰক আৰু বেছি স্পষ্ট কৰি তোলা হৈছে। বায়ৰণৰ লগত শেলীৰ বৈসাদৃশ্য দেখুৱাই মোৰোৱাই শেলীৰ চৰিত্ৰ এনেদৰে উজ্জ্বল কৰি তুলিছে। দুইৰো অধ্যয়নৰ ভংগীৰ ইত্যাদিৰ প্ৰসংগত মোৰোৱাই দুয়োৰে চৰিত্ৰৰ দুটা স্বকীয়াৰূপ দাঙি ধৰিছে 'Byron, too, had read enormously without Shelly s serious application Shelley had read to know, Byron had read to dazzle, and Byron was perfectly well aware of the difference He felt too, the instant conviction that Shelley s will was a force, a bent bow while his

own floated loose on the current at the mercy of his passion and of his mistresses

জোলীৰ চাৰিত্ৰিক খুত বিশেষ নাছিল। একো একোটা সিদ্ধান্ত তৎক্ষণাৎ লৈ বিপদত পৰা, নিজৰ সিদ্ধান্তৰ পৰা অকণো বিচলিত নোহোৱা আদি চাৰিত্ৰিক বৈশিষ্ট্য তেওঁ সুন্দৰভাৱে প্ৰকাশ কৰিছে। সাধাৰণতে এই জীৱনীলিখকে ব্যক্তি সম্পৰ্কে থকা পূৰ্ব প্ৰচলিত ধাৰণাবোৰৰ অসত্যতাক কেতিয়াবা উন্মুক্তকৈ প্ৰকাশ কৰি দিয়ে। মোৰেছ জোলীৰ তেনেকুৱা দিশ প্ৰকাশ কৰি তোলা নাই কাৰণ তেনে দিশ জোলীৰ জীৱনত নাই। কেৱল ড্ৰেয়েফচৰ প্ৰতি তেওঁৰ ব্যৱহাৰত সহকাৰিতা আদিত তেওঁৰ চাৰিত্ৰিক আসোঁৱাহ প্ৰকাশ পাইছে। জোলী কল্পনাৰ জগতৰ অধিবাসী আছিল। বাস্তৱ সমস্যা সমাধান কৰিবলৈ যোৱা তা তেওঁৰ কাৰণে অসম্ভৱ আছিল আৰু সেয়ে তেওঁ ৰাজনৈতিক আন্দোলনৰ নেতৃত্ব লোৱাৰ সময়ত সেয়া স্পষ্ট হৈ ধৰা পৰিছে।

মহান ব্যক্তি হিচাপে গডউইনৰ চৰিত্ৰৰ অভাৱনীয় দিশ মোৰোহ প্ৰকাশ কৰি দেখুৱাইছে। যি জোলী গডউইনৰ প্ৰতিভাৰ পূজাৰী আছিল সেই জোলী অৱশেষত গডউইনৰ ওপৰত বিৰক্ত হৈ পৰিছে তেওঁৰ চৰিত্ৰৰ কাৰণে। গডউইন পৰিছিল তেওঁৰ বাবে এক ugly soul

খুব কম পৰিসৰৰ ভিতৰত চৰিত্ৰবোৰ স্পষ্ট কৰি তুলিব পৰা দক্ষতা মোৰোহ যথা প্ৰদৰ্শন কৰিছে। টিমোথী জোলীৰ জেদ, আত্মাভিমান, গৰ্ব বন্ধুত্বৰ প্ৰতি বিশ্বাসঘাতকতা ট্ৰেপলিৰ বন্ধুত্বৰ প্ৰতি সন্মান বাযৰণৰ আত্মম্ভৰিতা কীটৰ ভাবুকতা আদি চাৰিত্ৰিক বৈশিষ্ট্যৰে এই চৰিত্ৰবোৰক তেওঁ উজ্জ্বল কৰি তুলিছে।

চৰিত্ৰৰ লগতে পাৰিবেশ বৰ্ণনাত লিখকৰ দক্ষতা মন কৰিবলগীয়া। পৰিৱেশৰ খুঁটিনাটি বৰ্ণনাই বৰ্ণনীয় বিষয়ক বাস্তৱধৰ্মী কৰি তুলিছে। প্ৰাকৃতিক দৃশ্যৰ বৰ্ণনাসমূহ তেওঁ কবিৰ দৰেই মনোৰম ৰূপত আমাৰ আগত দাঙি ধৰিছে।

আৰু চৰিত্ৰ চিত্ৰণ, পৰিবেশৰ বৰ্ণনা, জীৱন সম্পৰ্কে দৃষ্টিভঙ্গী, দাৰ্শনিক বীক্ষা এই গ্ৰন্থখনৰ মাজেৰে সুন্দৰ ৰূপত প্ৰকাশি উঠি ইয়াক এক অনবদ্য সাহিত্যিক সৃষ্টিত পৰিণত কৰিছে।

আধুনিক চুটিগল্প

ৰবীন্দ্ৰনাথৰ গল্প

সাহিত্য জগতত চুটি গল্পৰ আৱিৰ্ভাৱ সৌ সিদিনাৰ কিন্তু গল্প কথকতাৰ ধাৰা আৰম্ভ হৈছে আদিম যুগৰে পৰা। অৱশ্যে সেই কথা শৈলীৰ লগত বৰ্তমান চুটি গল্পক কোনো পধ্যেই বিজাব নোৱাৰি, কাৰণ আধুনিক চুটি গল্প হ'ল Consciously Contrived Piece of writing (chamber Encyslopaedia) বৰ্তমানৰ জীৱন চেতনাৰ হে সাৰ্থক বাহক। সেয়ে আদিম মানুহে জুই জ্বলাই তাৰ চাৰিও কাষে বহি লৈ চিকাৰ বা দুঃসাহসিক অভিযানৰ কাহিনী কথকতাৰে গল্পৰ যুগৰ পাতনি মেলিছিল যদিও বৰ্তমানৰ চুটিগল্প সেই ধাৰাৰ সাক্ষী হৈ থকা নাই। অৱশ্যে দুঃসাহসিকতাৰ প্ৰতি তীব্ৰ আকৰ্ষণ আজিৰ গল্প সাহিত্যৰ মাজলৈও সম্প্ৰসাৰিত হৈছে।

বৰ্তমানৰ ব্যস্ত জীৱনৰ পটভূমিত থূৰ ক। সময়ৰ ভিতৰত কম পৰিসৰতে কোনো এটা কাহিনী চুটি গল্পত দাঙি ধৰা হয়। তাত থাকে তীৰ্যক কথনভঙ্গী বিন্দুত সিন্ধু প্ৰকাশ কৰাৰ কৌশল, গীতিময়তা, লেখকৰ বিশেষ মুদ বা মেজাজৰ প্ৰক্ষেপণ সমাপ্তিৰ পাছতো মনত বৈ বৈ বাজি থকা এক বিশেষ মধুৰ অনুভূতি যাক ব্যঞ্জনধৰ্মিতা বুলি কব পাৰি।

আধুনিক জীৱন চেতনাযে চুটি গল্পৰ এই লক্ষণবোৰ গঢ়ি তুলিছে। আনকি ইয়াৰ হ্ৰস্বতা দীৰ্ঘতাকো নিয়ন্ত্ৰণ কৰিছে আধুনিক যুগৰ প্ৰয়োজনীয়তাই। সাম্প্ৰতিক কালৰ আলোচনীবোৰৰ প্ৰয়োজন পুৰাবৰ কাৰণেহে নিজৰ অৱয়ব সৰু বা ডাঙৰ কৰিব লগা হৈছে। গতিকে গল্পৰ হ্ৰস্ব দীৰ্ঘতাৰ অন্তৰালত আছে আধুনিক কালৰ সম্পাদক সকলৰ তাগিদা। এই বিষয়ে Frank O Conner এ তেওঁৰ Lonely voice গ্ৰন্থত সুন্দৰভাৱে ব্যাখ্যা কৰিছে।

এই নব্য দৃষ্টিভঙ্গী সম্ভূত চুটিগল্প সমূহ সম্পূৰ্ণ আধুনিক পৰিবেশত গঢ় লৈ উঠা বুলিয়ে ইয়াক প্ৰাচীন সাধুকথা বা মধ্যযুগীয় কাহিনী সাহিত্যৰে লগত সাঙোৰিব নোৱাৰি। অৱশ্যে কিছু কিছু উপাদান সেইবোৰৰ পৰা চুটি গল্পই গ্ৰহণ কৰিছে। কিন্তু হলেও ই সম্পূৰ্ণ ভাৱে আধুনিক যুগৰ একক বৈশিষ্ট্যপূৰ্ণ সৃষ্টি। ইয়াৰ জন্মৰ ইতিহাস কুৰি শতিকাৰ পৰাহে আৰম্ভ হৈছে বুলি Elizabeth Bowen-এ কৈছে।

As we know it is a child of this Country To this I shall add an earlier Jadgement of my own that the history of the English Short story is very brief for the simple reason that the end of the nineteenth century it had no history

কাহিনী কথকতাৰ ইতিহাস আৰম্ভ হৈছে সাধুকথাৰে। সাধুকথাৰ মুখ্য আদৰ্শ আছিল জীৱনৰ অভিজ্ঞতা প্ৰকাশ আৰু লগতে তাৰ যোগেদি নীতি উপদেশ প্ৰদান। আগৰ পুৰুষে সাহস শৌৰ্যক সম্বল কৰি দুঃসাহসিক অভিযানত ভৰি দিয়াৰ কাহিনী উত্তৰ পুৰুষে এই সাধুবোৰৰ পৰাই গম পাইছিল। তাৰ লগতে এই সাধুৰ পৰাই নতুন পুৰুষে জীৱনত চলাৰ আহিলাও সংগ্ৰহ কৰিছিল।

সভ্যতাৰ প্ৰথম পৰ্যায়ৰ মানুহৰ আকাঙ্ক্ষা আৰু স্বপ্নৰ সৰ্বাঙ্গীণ অভিব্যক্তিৰে সাধুকথা সমৃদ্ধ সমুজ্জ্বল। সমাজ জীৱনৰ মেৰুদণ্ড পাৰিবাৰিক জীৱন নাৰী পুৰুষৰ সম্পৰ্ক এইবোৰতৈ আলোকপাত কৰা কাৰণে নাৰীৰ বিচিত্ৰ চৰিত্ৰ সমাজ জীৱন সম্পৰ্কে দৃষ্টি আদিয়েও সাধুকথাত ঠাই পাইছিল। নাৰী চৰিত্ৰক কেন্দ্ৰ কৰি পৃথিৱীৰ প্ৰায়বোৰ সাধুকথা আৰু কাহিনীত সমাজ তথা পাৰিবাৰিক জীৱন সম্পৰ্কে নতুন দিগদৰ্শন দিয়াৰ চেষ্টা কৰিছিল। পঞ্চতন্ত্ৰ, আৰব্য উপন্যাস জাতকৰ সাধু এই সকলোবোৰতে দেখে স্ত্ৰী চৰিত্ৰই এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। এনেদৰে সাধুকথাৰ এফালে ব্যক্তিৰ ব্যক্তিত্বৰ আত্মবিস্তাৰৰ অভিলাষ দুঃসাহসিক জীৱনৰ প্ৰতি আৰ্তি, সমাজ আৰু নাৰী পুৰুষ সম্পৰ্কে স্বকীয় দৃষ্টিভঙ্গী ফুটাই তোলাৰ লগতে উপদেশ আৰু নৈতিকতাৰে ব্যক্তি জীৱনক মহত্তৰ জীৱনৰ পিনে অগ্ৰসৰ হোৱাত সহায় কৰিছিল।

সাধুকথাৰ ৰূপকাশ্ৰিত কাহিনী অতিপ্ৰাকৃত পৰিবেশ, ৰোমাঞ্চ আদিয়ে নতুন ৰূপ লৈ গল্প সাহিত্যৰ স্ৰষ্টা আৰভিং, এডগাৰ এলান পো আদি গল্পকাৰৰ গল্পত প্ৰকাশিত হোৱাৰ লগত একেবাৰে আধুনিক যুগৰ গল্পকাৰ সকলৰ গল্পতো ই নতুন ৰূপত ব্যৱহৃত হৈছে। এই ক্ষেত্ৰত এইচ জি ওৱেলচ, হাক্সলী জৰ্জ ওৱেলৰ দৰে গল্পকাৰ সকল বিশেষভাৱে প্ৰভাবিত হোৱা দেখা যায়।

সাধুকথাই ৰূপকথাই জীৱননিষ্ঠ বস্তু সংযুক্ত হৈ মানৱতামণ্ডিত হৈ প্ৰকাশ পালে মধ্যযুগত ৰোমাঞ্চ ৰূপত। দুৰ্বাৰ অভিযানৰ প্ৰতি ব্যক্তিজীৱনৰ তীব্ৰ পিপাসা সাধুকথাতকৈ বেচি জীৱন্ত ৰূপত ইয়াত প্ৰকাশ পালে। লগে লগে প্ৰকাশ পালে মানুহৰ সাহস আৰু পৌৰুষৰ দীপ্তি। ত্ৰয়োদশ শতিকাত ইটালীত ভাৰতীয় গ্ৰীক ৰোমান আৰু কেলটিক গল্প কাহিনীৰ প্ৰভাৱত এক নতুন সংক্ষিপ্ত ৰচনাৰ

আৱিৰ্ভাৱ ঘটিল—ইয়ে হল Novella বা নৱগল্প লগে লগে আৰম্ভ হ'ল কাহিনী সাহিত্যৰ নতুন ইতিহাস। জীৱনীমূলক কাহিনী সাহিত্যৰ ভেটি স্থাপন কৰিলে বোকাচ্ছোই তেওঁৰ প্ৰখ্যাত গ্ৰন্থ ডেকামেৰণত।

নভেলা শব্দটোৰ পৰা ইংৰাজী নভেল শব্দটোৰ উৎপত্তি হৈছে যদিও নভেলাৰ লগত উপন্যাসতকৈ চুটি গল্পৰ সাদৃশ্যহে অধিক পৰিলক্ষিত হৈছিল। নভেলাসঞ্জাত এই চুটি গল্প সমূহ মূলত নীতি উপদেশমূলক। বোকাচ্চোৰ ডেকামেৰণত চাতুৰ্য, ব্যৰ্থ প্ৰেম, সফল প্ৰেম নৰনাৰীৰ পৰস্পৰৰ প্ৰতি বিশ্বাসঘাটকতা ইত্যাদি বিভিন্ন বিষয়ৰ ওপৰত ৰচা গল্প সন্নিবিষ্ট হৈছে। আধুনিক চুটি গল্পৰ এটা অন্তৰঙ্গ লক্ষণ সমাজ সচেতনতাও তেওঁৰ গল্পৰ মাজত প্ৰকাশ পোৱাতো লক্ষ্য কৰিব পাৰি। এই সময়ৰ ধৰ্মযাজক গীৰ্জাৰ কাৰ্যব্যৱস্থা আদিয়ে তেওঁৰ সমালোচনাৰ হাত এৰাই যাব পৰা নাই।

গল্প সাহিত্যলৈ অনবদ্য অৱদান আগবঢোৱা আন এগৰাকী সাহিত্যিক হ'ল চচাৰ। তেওঁৰ কেণ্টাৰবাৰি টেলছত অজস্ৰ কাহিনী সন্নিবিষ্ট হৈছে। সাৰ্বজনীন আবেদনৰে এই কাহিনীৰ চৰিত্ৰবোৰ সমুজ্জ্বল। ৰোমাঞ্চ ৰূপক গল্প আৰু নীতি সমৃদ্ধ গল্পেৰে 'কেণ্টাৰবেৰি টেলচে পৰৱৰ্তী যুগৰ গল্পকাৰ সকলৰ বাবে এই বৃহৎ কাহিনী ভাণ্ডাৰ দি থৈ যায়।

...নাক ছুযোৰে লগত না। লব পৰা আৰু এগৰাকী কাহিনীকাৰ হ'ল ৰ্যাবলা। তেওঁ ফৰাচী গল্পৰ যথাৰ্থ জন্মদাতা। তেওঁৰ চাৰি খণ্ডত ৰচিত গ্ৰন্থ Gargantuct Pantagruel চাৰি খণ্ডত ৰচিত বৃহৎ গ্ৰন্থ। শিশুসুলভ কল্পনাৰ আতিশয্য কৌতুক আৰু ব্যঙ্গৰ অনুপম প্ৰকাশেৰে তেওঁৰ কাহিনী সমুজ্জ্বল।

নভেলাৰ সামঞ্জস্য চুটি গল্পৰ লগতহে বেচি যদিও উপন্যাস নভেলাৰ পৰা সৃষ্টি হোৱা বুলি অনুমান কৰা হয়। ইয়াৰ কাৰণ হয়তো এয়ে যে চুটি গল্পতকৈ উপন্যাস আগতে আৱিৰ্ভূত হল। নাগৰিক সভ্যতাৰ উদ্ভৱ, উদ্যোগিক বিকাশৰ লগত উপন্যাস সৃষ্টিৰ ইতিহাস সোমাই আছে। এনে পৰিবেশত চুটি গল্পৰো জন্ম। কিন্তু ইয়াৰ আগতেই ইংৰাজী সাহিত্যত ওঠৰ শতিকাত উপন্যাস সাহিত্যই জন্ম ললে। 'ৰবিনচন ক্ৰুচো ৰে' উপন্যাসৰ পত্তন আৰম্ভ হৈছে। যদিও ইয়াৰ প্ৰকৃত বিকাশ হয় ৰিচাৰ্ডচনৰ হাতত।

এইখিনিতে উপন্যাস আৰু চুটি গল্পৰ মাজত থকা পাৰ্থক্যৰ কথা উল্লেখিয়ালেহে পৰৱৰ্তী কালত আত্মপ্ৰকাশ কৰা চুটি গল্পৰ প্ৰকৃত স্বৰূপ আমি ধৰিব পাৰিম।

উপন্যাসত সাধাৰণতে বিস্তৃত পটভূমিত জীৱনকে অংকিত কৰি দেখুৱা হয় বিভিন্ন ঘটনা আৰু চৰিত্ৰৰ সমাবেশেৰে। আনহাতে চুটি গল্পত এটা মুহূৰ্তৰ মাজত জীৱনক আলোকিত কৰি তোলা হয়। উপন্যাস সম্পূৰ্ণ, আন-াতে চুটি গল্প ইঙ্গিত আৰু ব্যঞ্জনাৰ বগয়ৰ মাজত সোমাই থাকি অসম্পূৰ্ণ। ব্যঞ্জনাই যিহেতু ইয়াৰ মুখ্য আকৰ্ষণ, কাহিনী চৰিত্ৰ মূল বক্তব্য আদি নিৰ্বাচন কৰোতে লেখক যথেষ্ট সচেষ্ট -ব লাগে এই ইঙ্গিত ধৰ্মিতা বোজাই ৰাখিবৰ্লৈ।

চুটিগল্প ঐক্য, স হতি আৰু প্ৰতীতিৰ সমগ্ৰতাৰে এক নিপুণ ক লা। আন গাতে উপন্যাস কাহিনীৰ পুঙ্খানুপুঙ্খ বিশ্লেষণেৰে বিবৰণাত্মক। এইবোৰৰ পৰা উপন্যাস আৰু চুটিগল্পৰ জন্ম হোৱা বুলি ক ব নোৱাৰি নাইবা চুটিগল্পৰ লগত উপন্যাসৰ সাদৃশ্যও টানি আনিব নোৱাৰি। বৰং ক'ব পাৰি উপন্যাসৰ পৰিবৰ্তে গীতি কবিতাৰ লগতহে গল্পৰ সাদৃশ্য আছে

উনৈশ শতিকাৰ পৰা এই ধৰণৰ বৈশিষ্ট্যমণ্ডিত হৈ চুটি গল্পই আত্মপ্ৰকাশৰ চেষ্টা কৰিলে। উনৈশ শতিকা ৰোমাণ্টিক ভাবোচ্ছ্বাসৰ সময আৰু এই সময়তে জাৰ্মান দেশ ৰোমাণ্টিক ভাবালুতাৰে মগ্ন। এই শতিকাতে গল্পৰ অগ্ৰভাৱন্তণি হ ল ৰোমাণ্টিকতাৰ কাণ্ডাৰী হেনৰিখ ভন ক্লেইষ্ট, ই টি ে।ফমেন, গ্ৰীম আদিৰ হাতত। উপকথা সাধুকথা ৰূপকৰ আৰ্হি ত আশ্ৰিত এই কাহিনী সাহিত্য সমূহ আছিল প্ৰধানত ৰোমাঞ্চধৰ্মী।

আমেৰিকাত আৰভিংৰ 'স্কেচচ বুক ৰ মনোৰম কাহিনীযে পাঠকক আমোদ দি থকা কালতে চুটিগল্পৰ অভিনৱ বৈশিষ্ট্য লৈ প্ৰকাশ পালে এডগাৰ এলেন পোৰ গল্পবাৰ। তেওঁৰ গল্পবোৰৰ বাস্তৱবাদ প্ৰকৃততে কৃত্ৰিমতা পূৰ্ণ আছিল। প্ৰকৃত বাস্তৱবাদেৰে গল্পৰ ভুমুকি মাৰিলে ৰাছিয়াৰ গল্পকাৰ গোগলৰ হাতত। সমসাময়িক সমাজৰ পটভূমিত তেও জন্ম দিলে বাস্তৱবাদৰ। তেওৰ 'ওভাৰ কোট গল্পই কাহিনী সাহিত্যৰ নতুন ধাৰাৰ পত্তন কৰিলে। তেওৰ পাছৰ কালৰ লেখক চেকভৰ হাতত এই বাস্তৱবাদ বেচি মহিমামণ্ডিত হৈ উঠিল।

ফৰাচী সাহিত্যত বাস্তৱবাদৰ প্ৰসাৰ ঘটিছিল বালজাক ফ্ল বযাৰ মেৰিমে আদিৰ গল্পত। তেওঁ লোকৰ সাৰ্থক উত্তৰাধিকাৰী হ ল মোপাচা ই লওতো জেমচ জয়েচ আদিৰ হাতত চুটিগল্পই বাস্তৱবোধ আৰু কলাত্মক সৌন্দৰ্যৰে বিকশিত হৈ উঠিল। এনেদৰে এইবিধ কলাই পৰিপূৰ্ণ ৰূপ লাভ কৰিলে কলাপূৰ্ণ স গঠন কাহিনীৰ সুবিন্যাস, বহিৰঙ্গ উপাদানৰ অপসাৰণ পৰিমিত ভাষা আৰু চিত্ৰকল্পৰ প্ৰয়োগ আৰু মনস্তাত্তিক বিশ্লেষণৰ অপূৰ্ব স যোজনত।

কুৰি শতিকাত গল্প সাহিত্যাই মানবীয় মূল্যবোধৰ ৰূপান্তৰৰ পটভূমিত নতুন নতুন দিশ পাঠকৰ আগত উন্মোচিত কৰিলে। নতুন দৰ্শন, জ্ঞান বিজ্ঞানৰ আলোকত মানবীয় দৃষ্টিভঙ্গীৰ মহাৰূপান্তৰৰ সাক্ষ্য বহন কৰিলে এই কালৰ গল্প সমূহে। আৰম্ভ হ'ল মানৱ চৈতন্যৰ বিশ্লেষণ। তাৰ আলমতে ফুটাই তোলা হ'ল মানৱ চৰিত্ৰত প্ৰকাশ পোৱা দ্বন্দ্ব সংঘাত আদি। বিষয়বস্তুৰ লগত ই যে প্ৰভাবিত কৰিলে আঙ্গিকক। চমাৰচেট মম, কেথাৰিণ মেন্সফিল্ড, ফ্ৰানৎস কাফকা আদিয়ে আৰম্ভ কৰা এই ধাৰাক আৰু বেচি সবল কৰিলে ও ফাওলেইন, ও কনৰ আদি গল্পকাৰ সকলে।

বিদেশী সাহিত্যত পূৰ্ণতা লাভ কৰা এই চুটিগল্প সম্পৰ্কে ভাৰতীয় জীৱনত সম্যক অৱগতি ঘটে ভাৰতত ইংৰাজী শিক্ষাৰ প্ৰসাৰৰ লগে লগে। ভাৰতীয় গল্প সাহিত্যযো বিদেশী এই গল্পবোৰৰ তালে তালে খোজ পেলাবলৈ চেষ্টা কৰে ঊনৈশ শতিকাৰ শেষাৰ্দ্ধৰ পৰা। ভাৰতীয় সাহিত্যত চুটি গল্পই এক সুসংহত ৰূপ লাভ কৰিলে কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ, প্ৰেমচন্দ্ৰ লক্ষ্মীনাথ বেজবৰুৱা আদি প্ৰতিভাশালী সাহিত্যিকৰ হাতত।

ৰবীন্দ্ৰনাথৰ গল্প

ঊনৈশ শতিকাত ভাৰতীয় জাতীয় জীৱনত আধুনিকতা আৰু হিন্দু জাতীয়তাবাদী চিন্তা যুগপৎ প্ৰকাশিত হৈ ছিল সেই সময়ৰ জাতীয় জীৱনৰ দুখ দৈন্য আৰু পৰাধীনতাৰ গ্লানিৰ পটভূমিত। এই সময় চোৱাতে ইংৰাজী শিক্ষাৰ প্ৰসাৰৰ যোগে দি ভাৰতীয় বুদ্ধিজীৱীৰ মনত আধুনিক দৃষ্টিভঙ্গীৰ প্ৰসাৰ ঘটিল। সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত এই নতুন নতুন আধুনিক চিন্তাৰ পৰিণতিৰূপে মানুহৰ অমোঘ শক্তিৰ কথা ৰূপায়িত হৈ উঠিল। আনহাতে পাশ্চাত্য শিক্ষাৰে শিক্ষিত সম্প্ৰদায়ে ইংৰাজ শাসন আৰু শোষণৰ স্বৰূপ ভালদৰে বুজি উঠি ভাৰতীয় জাতীয় চেতনাৰ উত্থানেৰে পৰাধীনতাৰ নাগপাশ ছিন্ন কৰাৰ পথ বিচাৰি ললে।

এই সন্ধিক্ষণত বঙ্গীয় সমাজ এক গুৰুত্বপূৰ্ণ অৱস্থানত অৱতীৰ্ণ। সেই সময়তে বঙ্গদেশত ৰাজনৈতিক আৰু সামাজিক জীৱনত হিন্দু আদৰ্শৰ প্ৰত্যায়িত প্ৰতিভাসম্পন্ন মনীষাৰ আবিৰ্ভাৱ। বিদ্যাসাগৰৰ সমাজ সংস্কাৰ প্ৰাচ্য সমাজৰ বাস্তৱ সমস্যালৈ আলোচনা, বঙ্কিমচন্দ্ৰ আৰু বঙ্গদৰ্শন গোষ্ঠীৰ হিন্দু ধৰ্মৰ পুনৰ

জাগৃতিৰ যৎপৰোনাস্তি চেষ্টা। কেশৱ সেনৰ স্ত্ৰী শিক্ষা সম্প্ৰসাৰণৰ আন্দোলন, সুৰেন্দ্ৰনাথ বন্দ্যোপাধ্যায়ৰ ইণ্ডিয়ান এচোচিয়েচনৰ প্ৰতিষ্ঠা, ৰামকৃষ্ণ আৰু বিবেকানন্দৰ প্ৰভাৱত জ্ঞানভক্তি কৰ্মৰ সমন্বয় সাধনেৰে আধ্যাত্মিক মাৰ্গ অন্বেষণ এইবোৰে বঙালী জাতীয় জীৱনক নতুনকৈ গঢ় দি তুলিছিল।

পাশ্চাত্য সাহিত্যৰ লগত গভীৰ পৰিচয় সূত্ৰ এই সময়তে দৃঢ়তৰ হয়। মধুসূদন আৰু বঙ্কিমচন্দ্ৰৰ দৰে শক্তিশালী সাহিত্যিকৰ মনশীলতা গঢ়ি উঠিছিল পশ্চিমীয়া সাহিত্যৰ আলোকত। আধুনিক জীৱন মুক্তিৰ চেতনাৰ অনুৰণন শুনা গ'ল বঙ্কিমচন্দ্ৰৰ উপন্যাসত। মানুহৰ অজেয় শক্তি প্ৰকৃতিৰ অমোঘ শক্তিৰ হাতত পৰাজিত হৈয়ো দুৰ্নিবাৰ হৈ উঠিছে। আনহাতে দেশৰ ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বঙ্কিমৰ মাজত জাতীয় চেতনাও হৈ উঠিছিল সমুজ্জ্বল। হিন্দু আদৰ্শৰ জাগৰণেৰে জাতীয় জীৱনৰ দৈন্য দূৰ কৰাৰ পক্ষপাতী হৈ পৰিল তেওঁ।

কুৰি শতিকাৰ আধুনিক সাহিত্যৰ প্ৰতিভূ হ'ল ৰবীন্দ্ৰনাথ বঙ্কিমচন্দ্ৰৰ যুগ। ঊনৈশ শতিকাৰ শেষৰ ফালে ৰবীন্দ্ৰনাথে সাহিত্য ৰচনাত মন দিছিল যদিও তেওঁৰ সাহিত্যিক সৃষ্টিৰ পৰিপূৰ্ণতাৰ সময় কুৰি শতিকা। এই সময় চোৱাত দেশৰ ৰাজনৈতিক তথা সামাজিক জীৱন বোচ ঘূৰ্ণীৰ ভৰ মাজেদি সোমাই গৈছে। বঙ্গভঙ্গ আন্দোলন আৰু স্বদেশী আন্দোলনৰ জোৱাৰেৰে দেশ উচ্ছল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ নৰম পন্থৰ প্ৰতি বিতুষ্ট হৈ এই সময়তে উগ্ৰবাদী সকলে হিন্দু জাতীয়তাবাদৰ ভেটিত গঢ়ি তুলিছে কঠিন সংগ্ৰামী পথ। শাসক গোষ্ঠীৰ নিপীড়নৰ অমানবিয়তা আৰু সংগ্ৰামী সকলৰ বিদ্বেষে মানবতাক লুণ্ঠিত কৰিছে। এই সময়ত ৰবীন্দ্ৰনাথৰ সাহিত্যিক ব্যক্তিত্ব হিন্দু জাতীয়তাবাদ আৰু নৰম পন্থাৰ মাজত দোদুল্যমান। তেওঁৰ আধুনিক মনক জোকাৰি গৈছে ৰোমাণ্টিক কবি সকলৰ গণতান্ত্ৰিক চিন্তাধাৰাই। আনহাতে হিন্দুত্বৰ অভিমানো তেওঁৰ প্ৰাণত সঞ্চিত হৈছে বেদ উপনিষদ আৰু বৌদ্ধ দৰ্শনৰ গভীৰ অধ্যয়নৰ ফলশ্ৰুতি স্বৰূপে। বিশ্ব মানৱতাৰ আদৰ্শৰে সমুজ্জ্বল আমাৰ এই ভাৰতীয় দাৰ্শনিক দীক্ষা। অথচ এই ভাৰতৰ বুকুতে মানুহে মানুহে দ্বেষ আৰু বৈৰীতাৰ লীলাখেলা। হিন্দুত্বৰ প্ৰথাগত আচাৰ ব্যৱহাৰৰ আনুষ্ঠানিকতাতকৈ তেওঁৰ মনত তোলপাৰ লগালে ইয়াৰ বিশ্বজনীন আদৰ্শসমূহে। এই ক্ষেত্ৰত তেওঁৰ জাতীয়তাবাদী চিন্তাধাৰা বঙ্কিমচন্দ্ৰতকৈ কিছু ফালৰি কাটি আহিছিল। এই প্ৰসঙ্গত আব্দুল আছাদে উল্লেখ কৰিছে—

He became with his Concern for the Self oblivious Hindu, Practically a Hindu Nationalist, with only this defference with Bankimchandra and his school that is attention was focussed not on Hindu ways that in vogue but on the ennobling life view of upanishad and of the Buddha ১

সেই সময়ৰ সমাজ আৰু ৰাজনৈতিক চেতনাই তেওঁৰ মনত যি সংশয় আৰু দ্বিধাৰ সৃষ্টি কৰিলে তাৰ অৱসান ঘটিল গভীৰ আত্মোপলব্ধিৰ যোগেদি। ভাৰতৰ চিৰন্তন সমন্বয়ৰ আদৰ্শই তেওঁক বিশ্ব মানবৰ প্ৰাণৰ কাষ চপাই লৈ গল। তেওঁৰ এই মানসিক উপলব্ধিৰ ক্ষেত্ৰত তেওঁৰ জমিদাৰী পৰিচালনাৰ অভিজ্ঞতায়ো বিশেষ কাম কৰিছিল। শিলাইদহৰ এই জমিদাৰী কাৰ্যত প্ৰবৃত্ত ৰবীন্দ্ৰনাথে জীৱনৰ গভীৰ উপলব্ধিৰে তেওঁৰ অনুপম চুটি গল্পসমূহ ৰচনা কৰিলে।

জমিদাৰ ৰবীন্দ্ৰনাথে প্ৰকৃতি তথা সাধাৰণ মানুহৰ জীৱনৰ একেবাৰে কাষ চাপি পৰিছিল জমিদাৰী পৰিচালনাৰ লগত নিজকে জড়িত কৰি। মনোৰম প্ৰাকৃতিক দৃশ্য, নদী প্ৰবাহৰ কল্লোল, সাধাৰণ মানুহ খেতিয়ক, গ্ৰাম্য শ্ৰমিক বৈষ্ণৱ, বাউল কিৰৰ নিবিড় সংস্পৰ্শত এফালে প্ৰকৃতি প্ৰেমৰ ৰোমাণ্টিক উচ্ছ্বাস আৰু আনফালে সুখ দুখৰ অনুভূতিৰে গঢ়া বাস্তৱ জীৱনৰ চিত্ৰই তেওঁৰ মাজত শ্ৰেষ্ঠ সাহিত্যিক মনশীলতাৰ জন্ম দিয়ে। শিলাইদহৰ প্ৰভাৱ তেওঁৰ জীৱনৰ ওপৰত কেনেদৰে পৰিছিল তাৰ বিষয়ে কবি গুৰুই নিজেই কৈছে।

আমি শীত, গ্ৰীষ্ম বৰ্ষা মানিনি। কতবাৰ সমস্ত বৎসৰ ধৰে পদ্মাৰ আতিথ্য নিয়েছি। বৈশাখেৰ খৰ ৰৌদ্ৰতাপ শ্ৰাৱণেৰ মুষলধাৰা বৰ্ষণে। পৰপাৰে ছিল ছায়াঘন পল্লীৰ শ্যামশ্ৰী, এপাৰে ছিল বালুচৰেৰ পাণ্ডুবৰ্ণ জলহীনতা মাজখানে পদ্মাৰ চলমান স্ৰোতেৰ পট বুলিয়ে চলেছে দ্যুলোকেৰ শিল্পী প্ৰহৰে প্ৰহৰে নানা বৰ্ণেৰ আলোছায়াৰ তুলি। এইখানে নিৰ্জন সজনেৰ নিত্য সংগ্ৰাম চলেছিল আমাৰ জীৱনে। অহৰহ সুখদুখেৰ বাণী নিয়ে মানুষেৰ জীৱনধাৰাৰ বিচিত্ৰ কলৰৱ এসে পৌঁছেছিল আমাৰ হৃদয়ে মানুষেৰ পৰিচয় খুব কাছে এসে আমাৰ মনকে জাগিয়ে ৰেখেছিল। তাদেৰ জন্যে চিন্তা কৰেছি কৰ্তব্যেৰ নানা সংকল্প বেঁধে তুলেছি। এই সংকল্পেৰ সূত্ৰ আজও বিচ্ছিন্ন হয়নি আমাৰ চিন্তায়। সেই

---

১ **Wahud Abdul Kazi Bengali Leterature Contemporary Literture P 22**

মানুষেৰ সংস্পৰ্শই সাহিত্যেৰ পথ এবং কৰ্মেৰ পথ পাশাপাশি প্ৰসাৰিত হতে আৰম্ভ হল আমাৰ জীৱনে আমাৰ বুদ্ধি এবং কল্পনা এবং ইচ্ছাকে উন্মুখ কৰে তুলেছিল এই সমন্বয়কাৰ প্ৰবৰ্তনা। বিশ্বপ্ৰকৃতি ও মানবলোকেৰ মধ্যে নিত্য সচল অভিজ্ঞতাৰ প্ৰবৰ্তনা[২]।

এনেদৰে শিলাইদহ'ত থকা কালত গ্ৰাম্য জীৱনৰ নানান বেদনা আৰু আনন্দই যেতিয়া তেওঁ মনৰ মাজত দোলা দিব ধৰিলে ভাব আৰু কল্পনাৰ সংযোগত এই সময়তে তেওঁৰ বৈচিত্ৰ্যপূৰ্ণ গল্পৰাজিয়ে ৰূপ লাভ কৰিলে। মানৱ জীৱনৰ বিচিত্ৰ ঘটনা প্ৰকৃতিৰ ভাষাময় আবেষ্টনীৰ লগত এক হৈ পৰিল।

শিলাইদহত কেনেদৰে চুটিগল্পৰ বিভিন্ন উৎসবোৰে তেওঁৰ মনৰ মাজলৈ আহিছিল তাৰ কথা বৰ্ণাই তেওঁ লিখিছিল।

'আজকাল মনে হচ্ছে যদি আমি আৰ কিছুই না কৰে ছোট ছোট গল্প লিখতে বসি তাহলে কতকটা মনেৰ সুখে থাকি এবং কৃতকাৰ্য হতে পাৰলে পাঁচজন পাঠকেৰ মনেৰ সুখেৰ কাৰণ হওয়া যায়। গল্প লিখিবাৰ একটি সুখ এই যাদেৰ কথা লিখিব তাৰা আমাৰ দিনৰাত্ৰিৰ অৱসৰ একেবাৰে ভৰে ৰেখে দেবে, আমাৰ একলা মনেৰ সঙ্গী হবে, বৰ্ষাৰ সময় আমাৰ বদ্ধ ঘৰেৰ সংকীৰ্ণতা দূৰ কৰবে এবং ৰৌদ্ৰেৰ সময় পদ্মাতীৰেৰ উজ্জ্বল দৃশ্যেৰ মধ্যে আমাৰ চোখে পৰে বেড়িয়ে বেড়াবে। আজ সকাল বেলায় তাই গিৰিবালা নাম্নী উজ্জ্বল শ্যামবৰ্ণ একটি ছোট অভিমানী মেয়েকে আমাৰ কল্পনাৰাজ্যে অৱতাৰণা কৰা গেছে।[৩]

বাস্তৱ জীৱনৰ পটভূমি শিলাইদহত থকাৰ কালতে লিখা তেওঁৰ এই গল্পবোৰে তেওঁক প্ৰকৃত গল্পকাৰৰ মৰ্যাদা দিলে। প্ৰকৃতিৰ প্ৰতি অপূৰ্ব ভালপোৱা, মানৱতাৰ ওপৰত সৃষ্টি হোৱা গভীৰ বিশ্বাস আৰু শ্ৰদ্ধা অতি মহৎ শাৰে আৰু গল্পৰ আঙ্গিক বৈশিষ্ট্য যেনে বিষয়বস্তুৰ একমুখিতা এটা মাত্ৰ ক্লাইমেক্সৰ কাহিনীৰ সকলো উৎকণ্ঠাৰ নিবিষ্টতা, প্ৰতীতিৰ সমগ্ৰতা ব্যঙ্গৰ তীক্ষ্ণতা, চৰিত্ৰৰ বাস্তৱতা আদিৰ মাজেৰে গল্পই উৎকৃষ্ট শিল্প ৰূপলৈ ৰূপান্তৰিত হ'ল।

ৰবীন্দ্ৰনাথে প্ৰথমতে গল্প লিখিবলৈ লয় 'ভাৰতী' পত্ৰিকাত। তেওঁৰ ৰচিত প্ৰথম গল্পটো হ'ল 'ভিখাৰিণী'। গল্পটোত কাহিনীৰ ক্লাইমেক্স এটা মুহূৰ্তৰ

---

২ ঠাকুৰ ৰবীন্দ্ৰনাথ সোনাৰ তৰী কাব্য ও সচনা ৰবীন্দ্ৰ ৰচনাৱলী প ৬৭

৩ ৰায় নীহাৰৰঞ্জন—ৰবীন্দ্ৰ সাহিত্যেৰ ভূমিকা পৃষ্ঠা ৩৪৮।

ওপৰত প্ৰতিষ্ঠিত কৰাৰ প্ৰয়াস দেখা যায়। ইয়াৰ উপৰি সাধাৰণ মানুহৰ সুখ দুখ হাঁহি কান্দোনৰ ইতিহাসো ইয়াত সংযোজন হৈছে। ইয়াতেই তেওঁৰ মাজৰ ভবিষ্যত গল্পকাৰ জনৰ মানবীয় দৃষ্টিভংগীৰ উমান পোৱা যায়। কিন্তু ইয়াৰ পটভূমি অপৰিচিত। গল্পটোত চুটিগল্পৰ সংহতিতকৈ নাটকীয় গুণৰ সমাবেশহে ঘটিছে যিটো তেওঁৰ পাছৰ গল্প সমূহতো মন কৰিবলগীয়া বৈশিষ্ট্য। ইয়াৰ পাছতে প্ৰকাশিত হয় তেওঁৰ আন দুটা বৈশিষ্ট্যপূৰ্ণ গল্প ঘাটেৰ কথা আৰু 'ৰাজপথৰ কথা। ইযাতো তেওঁৰ গল্পকলাই পৰিপূৰ্ণতা লাভ কৰা নাই। এই গল্পৰ পটভূমি কলিকতা।

ৰবীন্দ্ৰনাথৰ গাল্পিক প্ৰতিভাৰ বিকাশ ঘটে হিতবাদী কাকতৰ যোগেদি। এই পত্ৰিকাৰ সম্পাদক আছিল পণ্ডিত কৃষ্ণকমল ভট্টাচাৰ্য। ৰবীন্দ্ৰনাথক ইয়াৰ সাহিত্য সম্পাদকৰ পদত নিযুক্তি কৰি দায়িত্ব দিয়া হৈছিল প্ৰতি সংখ্যাতে একোটাকৈ গল্প লিখাৰ। এই সাহিত্য পত্ৰিকাতে প্ৰকাশিত হ'ল 'দেনা পাওনা পোষ্টমাষ্টৰ, গিন্নী, ৰামকানাইৰ নিবুদ্ধিতা ব্যৱধান তাৰাপ্ৰসন্নৰ কীৰ্ত্তি আৰু খাতা। ৰোমাণ্টিক দৃষ্টিৰে প্ৰকৃতি সম্ভোগ আৰু সৌন্দৰ্য তন্ময়তাৰ মাজত বন্দী তেওঁৰ কবিসত্তাই জন্ম দিছিল এই গল্পৰাজিৰ। প্ৰকৃতিৰ সতে নিখকৰ অন্তৰঙ্গতাৰ চিত্ৰ ফুটি উঠিছে 'পোষ্টমাষ্টৰ গল্পত। প্ৰকৃতিৰ সাদৰ স্নেহৰ প্ৰভাৱৰ লগতে গ্ৰাম্য সহজ অনাড়ম্বৰ দুখ পীড়িত জীৱনৰ বিচিত্ৰ ৰূপ এই গল্পবোৰৰ মাজত প্ৰকাশি উঠিছে। আমাৰ সমাজৰ পৰিয়াল আৰু সামাজিক বিধানৰ ফলত ব্যক্তি জীৱনত কি দুখ সঞ্চিত হয় তাকেই দাঙি ধৰিছে 'দেনা পাওনা গল্পত। আনহাতে পাৰিবাৰিক বিৰোধ আৰু কলহে ব্যক্তিগত স্নেহ আৰু ভাল পোৱাৰ সম্বন্ধক কি ভাবে সংকুচিত কৰি তোলে তাকেই ব্যৱধান গল্পত স্পষ্ট কৰি তুলিলে। অনুভূতিৰ তীব্ৰতাৰে জীৱনৰ সৰু সৰু ঘটনাকো তেওঁ চানি জাৰি চাইছে। এনে গভীৰ অন্তৰ্দৃষ্টিৰ প্ৰসাৰ দেখা যায় গিন্নী গল্পত। নিজৰ ভনীয়েকৰ লগত পুতলা খেলা এক কিশোৰে শিক্ষকৰ দ্বাৰা লাঞ্ছিত হোৱাৰ ফলত সেই হৃদয় বৃত্তি কেনেভাবে সংকুচিত হৈ পৰিল তাৰ এক মনস্তাত্ত্বিক বিশ্লেষ। তেওঁ গল্পটোত দাঙি ধৰিছে। এইখিনিতে ৰবীন্দ্ৰনাথৰ গল্পত শিশু আৰু নাৰী মনস্তত্ত্বৰ বিচিত্ৰতা কেনেদৰে প্ৰকাশি উঠিছে তাৰ প্ৰসঙ্গত প্ৰখ্যাত সমালোচক ড হীৰেণ গোঁহাই দেৱে কোৱা এষাৰ কথা স্বাভাৱিকতে মনলৈ আহে।

মানুহৰ প্ৰতি মানুহৰ অবিচাৰ বঞ্চনা আৰু নিৰ্মমতাৰ কৰু। কাহিনী তাত বেছি বিশেষকৈ শিশু আৰু নাৰীৰ অন্তৰ ভৰা অভিমান আৰু সহায়হীন ক্ষোভৰ

চিত্ৰণত ৰবীন্দ্ৰনাথৰ কলম সুনিপুণ আৰু এই দুই শ্ৰেণীৰ মানুহৰ প্ৰতিক্ৰিয়াৰ যোগেদি যেন আত্ম বিস্মৃত মানুহৰ নিষ্ঠুৰতা আৰু ঔদাসিন্য আৰু প্ৰকট হৈ উঠিছে। ৪

ড গোহাইৰ এই মন্তব্য ৰবীন্দ্ৰনাথৰ গল্পৰ প্ৰথম পৰ্যায়ৰ গল্প সমূহৰ ক্ষেত্ৰত সুন্দৰকৈ খাটে।

হিতবাদীৰ পৃষ্ঠাত ৰবীন্দ্ৰনাথৰ এনে ধৰণৰ গল্পবোৰ প্ৰকাশ হৈ থকাৰ সময়তে কাকত পক্ষৰ পৰা নিৰ্দেশ আহিল সহজ গল্প লিখাৰ। ক্ষুব্ধ হৈ ৰবীন্দ্ৰনাথে হিতবাদীত লিখিবলৈ এৰিলে। ইয়াৰ পাছত সাহিত্য জগতত আবিৰ্ভূত হ'ল 'সাধনা' কাকত। ৰবীন্দ্ৰনাথৰ গল্পৰ সাধনা আৰম্ভ হ'ল সাধনাৰ যোগেদি। ১৮৯১ চনৰ পৰা ১৯০১ চনলৈ তেওঁ 'সাধনা আৰু লগতে ভাৰতীত তেওঁ মনোৰম নাৰী মনস্তত্বৰ আভাস পোৱা যায়। এই সকলো বোৰ গল্পৰ মাজতে প্ৰধানভাবে লক্ষ্য কৰিবলগীয়া কথা হ'ল উত্তৰ বঙ্গৰ গাঁৱলীয়া প্ৰকৃতি আৰু গাঁৱলীয়া জীৱনৰ প্ৰতি বিস্ময় আৰু অপাৰ শ্ৰদ্ধা। এই প্ৰসঙ্গত ভূদেৱ চৌধুৰীয়ে কৈছে—

'সব গল্পের দেহে মনেই কবি মনের যে মেজাজটি পৰিস্ফুট তা কিন্তু উত্তৰবাঙ্গৰ পল্লী প্ৰকৃতি এবং পল্লী মানুষেৰ প্ৰতি বিস্ময় এবং অপাৰ শ্ৰদ্ধা অনুৰাগে ৰঞ্জিত। এইখানেই ৰবীন্দ্ৰনাথেৰ সেই ঐতিহাসিক দাবিটি অবিস্মৰণীয় হয়ে থাকে—ই বেলা শিক্ষিত নাগৰিক বাঙালীৰ স্বপ্নাবিষ্ট মনেৰ সামনে দেশ দেখা চোখটি তিনিই আবিষ্কাৰ কৰে দিয়েছেন। অনেকদিনেৰ অপৰিচয়ে দূৰ চলে যাওয়া পৰমাত্মীয় জন হঠাৎ মনেৰ একেবাৰে গভীৰে চলে এলে যে পুলক আনন্দ এবং ব্যাকুলতা অনিবাৰ্য হয় এই পৰ্যায়েৰ ৰবীন্দ্ৰ ছোট গল্পেৰ তাই মুখ্য ৰস সংবেদনা। ৫

ৰবীন্দ্ৰ গল্পৰ তৃতীয় স্তৰটো আৰম্ভ হৈছে 'সবুজপত্ৰ আলোচনী প্ৰকাশ হোৱাৰ পাছত। সাহিত্যিক প্ৰমথ চৌধুৰীৰ সম্পাদনাত ১৯১৪ চনত প্ৰকাশিত হয় সবুজপত্ৰ। তেতিয়া দেশত মহাযুদ্ধৰ নিনাদ। জীৱনপ্ৰিয় চেতনাই মহাযুদ্ধৰ আঘাতত চকিত হৈ উঠিল। মানবীয় মূল্যবোধৰ ৰূপান্তৰৰ ইঙ্গিত গল্পসমূহ নিৰবিচ্ছিন্নভাবে প্ৰকাশিত হ'ব ধৰিলে। এই সময় চোৱাৰ গল্পসমূহ হ'ল 'কংকাল অতিথি, 'ত্যাগ, 'একৰাত্ৰি কাবুলিৱালা ছুটি, 'শাস্তি, সমাপ্তি,

৪ গোহাই ড° হীৰেন সাহিত্য আৰু চেতনা পৃঃ ২০১।

৫ চৌধুৰী ভূদেৱ: বাংলা সাহিত্যেৰ ইতিকথা তৃতীয় পৰ্যায় পৃঃ ২৫১।

'মেঘ ও ৰৌদ্ৰ, 'বিচাৰক, 'নিশিথে 'মানভঞ্জন ক্ষুধিত পাষাণ, দুৰাশা', ৰাজটীকা আৰু 'নষ্টনীড আদি।

ৰবীন্দ্ৰনাথৰ অধিকাংশ জনপ্ৰিয় গল্পৰ ৰচনাকাল এইখিনি সময়। এইবোৰ গল্পত তেওঁৰ গাল্পিক প্ৰতিভাৰ পূৰ্ণ পৰিস্ফুৰণ ঘটিছে। এই গল্পবোৰত সামাজিক জীৱনৰ লগতে আছে ৰাজনৈতিক ঘূৰ্ণাবৰ্ত্তৰ চিত্ৰ। অতি প্ৰাকৃত পৰিৱেশ, ৰোমাঞ্চৰ ৰহস্যময়তাৰে জীৱনৰ নিগূঢ় সত্যক প্ৰকাশ কৰাৰ চেষ্টাও দুই এটা গল্পৰ মাজত সুন্দৰভাৱে প্ৰকাশি উঠিছে। সূক্ষ্ম অন্তৰ্দৃষ্টি, সহজ অনুভূতি, অপৰূপ মনো বিশ্লেষণ শকতিৰে এই গল্পসমূহ সমুজ্জ্বল হৈ উঠাৰ লগতে কলাসুলভ শৈলীয়ে গল্পৰ অবয়ব মনোৰম কৰি তুলিছে। দুই এটা গল্পত গীতিধৰ্মিতাই সকলোৰ তন্ত্ৰীত সুৰ দাঙি উঠিছে। নিশিথে 'ক্ষুধিত পাষাণ আদি এই ধৰণৰ গল্প। অতিপ্ৰাকৃত উপাদানেৰে পৰিপুষ্ট হৈছে সম্পত্তি সমৰ্পণ 'ক্ষুধিত পাষাণ গুপ্তধন আদি গল্প। ভৌতিক বিশ্বাসৰ ওপৰত ভেটি কৰি এই গল্পবোৰ ৰচা হৈছে। 'কঙ্কাল গল্পত মৃত্যুপুৰীৰ বিস্মিত আৰু ভয়াৰ্ত শিহৰণ মূৰ্ত হৈ উঠিছে।

এনে গল্পৰ বিপৰীতে বিচাৰক 'শাস্তি আদি কঠিন বাস্তৱৰ পটভূমিত ৰচিত গল্প। 'মেঘ ও ৰৌদ্ৰ আকৌ সেই সময়ৰ ৰাজনৈতিক জীৱনৰ পটভূমিত ৰচিত। 'সমাপ্তি মধ্যবৰ্তিনী 'অনাধিকাৰ প্ৰবেশ আদিও এই সময়ৰ গল্প।

সবুজপত্ৰত ৰবীন্দ্ৰনাথৰ প্ৰথম প্ৰকাশিত গল্প হ'ল হালদাৰ গোষ্ঠী। গল্পত বনোৱাৰীৰ অজেয় ব্যক্তিত্বই লাঞ্ছিত পৌৰষৰ বিৰুদ্ধে কৰা বিদ্ৰোহৰ যোগেদি বিদ্ৰোহৰ ধ্বনি ঘোষিত হৈছে। পাশ্চাত্য জগতৰ যি নাৰীমুক্তিৰ ঢৌ উদ্বেল হৈ উঠিছিল তাৰেই যেন প্ৰকাশ ঘটিল 'স্ত্ৰীৰ পত্ৰ কে ধৰি হৈমন্তী 'বোষ্টমী আদি গল্পত। 'পয়লা নম্বৰ গল্পত অদ্বৈত চৰণৰ স্ত্ৰী অনিলাৰ ৰুদ্ধ নাৰী হৃদয়ৰ সম্যক প্ৰকাশৰ যোগেদি দাম্পত্য সম্বন্ধ বিশ্লেষণৰ চেষ্টা কৰা হৈছে।

সবুজপত্ৰৰ পাছত প্ৰবাসী আলোচনীতো তেওঁ সংস্কাৰ আদি গল্পৰচনা কৰে। ইয়াৰ পাছত সম্পূৰ্ণ আধুনিক জীৱনধাৰাৰ ভেটিত ৰচিত হয় ৰবিবাৰ, 'শেষকথা আৰু লেবৰেটৰি। 'তিনিসঙ্গী নামৰ গল্প গ্ৰন্থত এই তিনিওটা গল্প সন্নিবিষ্ট হৈছে। সাম্প্ৰতিক মানুহৰ বুদ্ধি আৰু হৃদয়বৃত্তিত বৰ্তমান সমাজ জীৱনে যি দ্বন্দ্ব আৰু সমস্যাৰ সৃষ্টি কৰিছে তাৰ বিশ্লেষণ তেওঁ এই গল্পবোৰত দাঙি ধৰিছে। প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত এক ভাবগত সামঞ্জস্য স্থাপনৰ ইঙ্গিতেৰেও ই পৰিপুষ্ট হৈছে। ভাষাৰ দৃঢ় সংহতি, ব্যক্তিগত বৈশিষ্ট্য সমুজ্জ্বল চৰিত্ৰ, সুগভীৰ

ব্যঞ্জনাই এই গল্পবোৰক স্বকীয় মৰ্যাদা দিছে। লিপিকা ৰবীন্দ্ৰনাথৰ ছন্দোঝংকৃত গদ্যৰ পৰীক্ষা বুলি কব পাৰি ইয়াত 'মীনু' 'নামেৰ খেলা 'নতুন পুতুল উপসংহাৰ পুনৰাবৃত্তি 'প্যাৰীৰ পৰিচয় আদিক চুটিগল্পৰ পৰ্যায়ত পেলাব পাৰি। গল্পবোৰ সংক্ষিপ্ত আৰু গীতিধৰ্মী।

ভিখাৰিণীৰ পৰা আৰম্ভ কৰি তিনিসঙ্গীৰ আধুনিক গল্পবোৰৰ ভিতৰেদি ৰবীন্দ্ৰনাথৰ গাল্পিক প্ৰতিভাই বিভিন্ন দিশত অৱতীৰ্ণ হৈ বঙ্গলা তথা ভাৰতীয় গল্প সাহিত্যত যি নতুন যুগৰ সৃষ্টি কৰিলে সিয়ে সমকালীন তথা পৰৱৰ্তীকালৰ গল্প সাহিত্যক বৰ্ণাঢ্য কৰি তুলিলে।

ডস্তয়েভস্কিৰ উপন্যাস ঃ

ক্ৰাইম এণ্ড পানীচমেণ্ট

ফিওদৰ মিখাইলোভিচ দস্তয়েভস্কি ৰুচ সাহিত্যৰ যোগেদি গোটেই বিশ্ববাসীৰ প্ৰাণত ব্যক্তিস্বত্ববাদৰ এক নতুন প্ৰশ্ন জগাই তোলা। এক মহান স্ৰষ্টা সাহিত্যিক। বৰ্তমান কালত তেওঁক আধুনিক যুগ মানসৰ উপন্যাসৰ স্ৰষ্টা ৰূপে গণ্য কৰা হয়। মানৱ মনৰ যুক্তিহীন জটিলতা আৰু গভীৰ পথেৰে আগবঢ়া আধুনিক উপন্যাসৰ বাটকটীয়া ৰূপে তেওঁকেই চিহ্নিত কৰিব পাৰি। আধুনিক উপন্যাসে অৱশিষ্ট বাদে ব্যক্তি স্বাতন্ত্ৰ্যৰ যি এক জটিল প্ৰশ্ন উপস্থাপিত কৰিছে সেয়াও দস্তয়েভস্কি উপন্যাসতে প্ৰথম মূৰ্ত হৈ উঠিছিল।

দস্তয়েভস্কি এনে এক সাহিত্য মহাৰথী যাৰ জটিল সৃষ্টি আৰু জটিল জীৱনবোধে তেওঁক আধুনিক কালৰ ৰুচ সাহিত্যিক সকলৰ ভিতৰত অধিক আলোচ্যমান লিখক কৰি তুলিছে। আধুনিক মানুহৰ বাবে দস্তয়েভস্কি এক ভবিষ্যদ্ৰষ্টা (Prophet)। যুদ্ধত ভাঙি থৈ যোৱা মূল্যবোধৰ মাজলৈ দস্তয়েভস্কিৰ লিখনি সমূহে যেন নতুন আশা আৰু প্ৰতিশ্ৰুতিৰ বাণী কঢ়িয়াই আনিছে। যুদ্ধপীড়িত মানুহে দস্তয়েভস্কিৰ মাজত আৱিষ্কাৰ কৰিছে এক নতুন সংস্কৃতি, ধৰ্ম, দৰ্শন আৰু ৰহস্যময় বিশ্বাসৰ মহৎ স্ৰষ্টাক। দস্তয়েভস্কিৰ প্ৰেমৰ বাণীয়ে, মানুহৰ শুভ শক্তিৰ ওপৰত থকা তেওঁৰ গভীৰ বিশ্বাসে আধুনিক মানুহক দিছে এক সুগভীৰ প্ৰত্যয়। সেয়ে তেওঁক বৰ্তমানৰ এক যুগোপযোগী লিখক বুলি কব পাৰি।

নিপীড়িত মানুহৰ প্ৰতি গভীৰ সহানুভূতি আৰু মানৱ মনৰ এক সূক্ষ্ম বিশ্লেষণকাৰী সাহিত্যিক ৰূপে দস্তয়েভস্কি সমালোচক সকলৰ প্ৰশংসাৰ পাত্ৰ হৈ আহিছে। পিটাচবাৰ্গ নগৰৰ পটভূমিত গোটেই পীড়িত মানৱাত্মাৰ চিত্ৰ তেওঁ অংকন কৰিছিল। সেই বাবে সময় আৰু স্থানৰ পৰিধি পাৰ হৈ আজি সৰ্বকালৰ মানুহৰ বাবে আবেদনময় হৈ পৰিছে তেওঁৰ সৃষ্টিসমূহ। তেওঁৰ উপন্যাসৰ চৰিত্ৰ বোৰে এই নিপীড়নৰ পৰা মুক্তি বিচাৰি নতুন বিপ্লৱ আৰম্ভ কৰিব খুজিছিল আৰু এই বিপ্লৱে নতুন আশাৰ বাণী কঢ়িয়াই আনিছিল। পিটাচবাৰ্গৰ দুখময় জীৱনৰ মাজেৰে গোটেই মানৱ জাতিৰ ভৱিষ্যতৰ বাট তেওঁ পোহৰাই তুলিছিল।

এই প্ৰসঙ্গত Georg Lukacs-এ কৈছে—

The spontaneous, wield and blind revolt of Dostoevsky s ch iracters occurs in the name of the golden age, whatever the contents of the mental experiment may be This revolt is poetically great and historically progressive in Dostoevsky here really shines a light in the darkness of Petesburg misery, a light that illuminates the road to the future of mankind

দস্তয়েভস্কিৰ সাহিত্যৰ এই সৰ্বজনীন আবেদন আৰু মানৱজাতিৰ ভৱিষ্যতৰ পথৰ সন্ধান দিব পৰা গুণৰ বাবে তাৰ সমাদৰ কোনোদিনে কমা নাই। ৰাচিয়াৰ উপৰিও জাৰ্মান ফ্ৰাঞ্চী আদি দেশৰ প্ৰখ্যাত সাহিত্যিক আৰু বিদ্বান লোকসকলে তেওঁৰ প্ৰতিভাৰ কথা একে মুখে স্বীকাৰ কৰিছে। তেও প্ৰথম কলম ধৰিয়েই ৰাচিয়াৰ সাি । জগতত যি এক আলোড়ন জগাই দিছিল সেই আলোড়ন ৰাচিয়াৰ ৰাজনৈতিক বা সামাজিক উত্থান পতনে অকনো ম্লান কৰিব পৰা নাই। তেওঁৰ প্ৰথম উপন্যাসখনেই ৰাচিয়াৰ প্ৰখ্যাত সাহিত্যিক বেবিন্সনাস্কিৰ দৰে সাহিত্যিকৰ ভূয়সী প্ৰ।সাৰ পাত্ৰ হৈছিল। নিকোলাই দব্ৰোলুবৱভ, দামিট্ৰি পিচাৰেভ আদি সাহিত্যিকে দস্তয়েভস্কিৰ উপন্যাসবোৰৰ মাজত তেওৰ কলাসুলভ দৃষ্টিভঙ্গীৰ উমান পাই আপ্লুত হৈ পৰিছিল। অক্টোবৰ বিপ্লৱৰ পাছত ৰাচিয়াৰ সাহিত্যিক সকলকৰ লেখাৰ মাাদণ্ডৰ বিচাৰ আৰম্ভ হয় সমাজবাদী দৃষ্টিভঙ্গীৰে। এই সময়ত পুৰণি বহু লিখকক প্ৰতিক্ৰিয়াশীল বুলি নাকচ কৰাও হ ল। দস্তয়েভস্কিৰ বিৰুদ্ধেও এনে অভিযোগ উঠা সত্বেও দস্তয়েভস্কিৰ সাহিত্যিক প্ৰতিভাক কিন্তু অস্বীকাৰ কৰা নোৱাৰা গাহ। গৰ্কীৰ দৰে সাহিত্যিকে দস্তয়েভস্কিক পেটি বুৰ্জোৱা বুলি অভিহিত কৰিও কিন্তু তেওক ছেকচপিয়েৰৰ লগত তুলনা কৰিবলৈ নেপা লেগে। এৰঙ্গো গৰ্কীয়ে দস্তয়েভস্কিৰ ব্যক্তিত্ববাদৰ প্ৰতি থকা আস্থাৰ প্ৰতি সহানুভূতি পোষণ কৰিব পৰা নাছিল।[২]

লেনিনে টলষ্টয়ৰ লিখনিৰ মাজত যেনেকৈ ৰাচিয়াৰ বিপ্লৱৰ এখন দাপোণ

১। Lukacs Georg Dostoevsky P 158

২। Gorky extolled his genius and compared him to Shakespeare but on the other hand he condemned him as a petty bourgeois and defeatist guilty of the unpardonable sin Soviet morality of selfish individualism which is as certain Gorky characteristically concludes as there are no goat without smell—Simonos J Earnest : Dostoevsky P 14

আৱিষ্কাৰ কৰিছিল, দস্তয়েভস্কিৰ মাজত তেওঁ একো ৰ তেনকুৱা বিচাৰি পোৱা নাছিল। তথাপিও কিন্তু চোভিয়েট ৰাচিয়াত দস্তয়েভস্কিৰ সমাদৰ বিপ্লৱৰ পাছতো অপৰিবৰ্তনীয় হৈ ৰ ল। তেওঁৰ গ্ৰন্থসমূহৰ পুনৰ্মুদ্ৰণ, তাৰ বিস্তৃত অধ্যয়নে ৰাচিয়াৰ জন জীৱনৰ ওপৰত থকা তেওঁৰ গভীৰ প্ৰভাৱৰ কথাকেই সূচায়।[৩]

এক অসাধাৰণ প্ৰতিভাৰ অধিকাৰী হোৱা হেতুকেই তেওঁৰ সাহিত্যিক মূল্য অপৰিবৰ্তনীয় হৈ ৰৈ আছে। এক অসাধাৰণ জীৱন বৃত্তৰ পৰা আহৰণ কৰা অভিজ্ঞতাই তেওঁৰ সাহিত্যৰ মূল সম্বল আছিল। এই অভিজ্ঞতাই তেওঁৰ সাহিত্যক সজীৱ কৰি তুলিছিল। সেয়ে তেওঁৰ জীৱনৰ উল্লেখনীয় দিশ সমূহৰ আলোচনা কৰিলেহে তেওঁৰ সাহিত্যৰ মাজত প্ৰকাশ পোৱা তেওঁৰ জীৱনবোধৰ সম্যক উপলব্ধি হ ব। তেওঁৰ উশৃঙ্খল জীৱনে গঢ়ি তুলিছি তেওঁৰ সাহিত্যিক ব্যক্তিত্ব। তাৰ লগতে লগ লাগিছিল জীৱনৰ বিভিন্ন ক্ষেত্ৰত লগ পোৱা বিভিন্ন ধৰণৰ মানু ৰ সহচৰ্য্যৰ অভিজ্ঞতা। সৰুৰ পৰা নিজ মানসত গঢ়ি উঠা অপৰাধবোধ নি সঙ্গতা আৰু দুখৰ অনুভূতিয়েও তে ৰ মাজত গঢ়ি তুলিছিল এক আচৰিত জীৱন বোধ। সেয়ে তে ৰ জীৱনালেখ্যৰ এক চমু বিশ্লেষণ দাঙি ধৰিবলৈ চেষ্টা কৰা হ ল

দস্তয়েভস্কি জন্ম য় ১৮২১ চনত। তেওঁৰ পিতৃ আছিল মস্কোৰ দৌৰ চিকিৎসালয়ৰ ডাক্তৰ। তে আছিল ক্ৰুদ্ধ, দুৰ্দমনীয় আৰু লম্পট চৰিত্ৰৰ লোক। উশৃঙ্খল এই মানু জনে গা ৰ খেতিয়ক সকলক অত্যাচাৰ কৰি তেওঁলোকৰ জীৱন বিষময় কৰি তুলিছিল। গাওঁৰ প্ৰায়বোৰ মানুহে এই মানুহ জনৰ মৃত্যু কামনা কৰিছিল আৰু দস্তয়েভস্কিয়ে নিজেও কামনা কৰিছিল তেওঁৰ পিতৃৰ মৃত্যু হবলৈ। আৰু অৱশেষত এদিন অত্যাচাৰত জৰ্জৰিত খেতিয়কবোৰে তেওঁৰ পিতৃক হত্যা কৰিলে। এই হত্যাকাণ্ডই দস্তয়েভস্কিৰ অন্তৰতো জন্ম দিলে এক গভীৰ পাপবোধ। কাৰণ তেওঁ ৰ তো মনে প্ৰাণে সেইজন পিতৃৰ মৃত্যু কামনা কৰি আছিছিল। তেওঁৰ পিতৃৰ এনে চৰিত্ৰ 'ব্ৰাদাৰ কাৰামাজভ' উপন্যাসৰ কাৰামাজভ চৰিত্ৰৰ মাজত

৩। His works are still widely read and on occasion he ha received official recognition from the state perhaps surer indications that he is still living force in Russia are the new editions of his works and the large number of popular and scholarly investigation of the life novels and Journalistic writings—প্ৰাগুক্ত গ্ৰন্থ পৃষ্ঠা ১৫

প্ৰকা পাইছে। এই চৰিত্ৰটোৱে ৰাচিয়াৰ এক অন্ধকাৰময় জীৱনৰ দিশটোক প্ৰতিনিধিত্ব কৰিছিল।[8]

১৮৪৩ চনত দস্তয়েভস্কি য ইঞ্জিনিয়াৰি পৰীক্ষা পাছ কৰি চৰকাৰী কামত লিনিনাৰ চাৰে যোগ দিয়ে কিন্তু কিছুদিন পাছতে চাকৰি এৰি দি, লিখি জীৱন নিৰ্বাহ কৰাৰ সংকল্প লয়। ১৮৬৩ চনত তেখন উপন্যাস ৰচনাৰে তেওঁ লিখক জীৱনৰ পাতনি মেলিলে। তেওঁৰ কিতাপে পাঠকক আকৰ্ষণ কৰিব পাৰিছিল। এই সময়ত চোৰাতো চাকৰি এৰাৰ বাবে আৰ্থিক অনাটনত জুৰুলা হৈ থাকিল। তেওঁৰ জীৱনৰ এই সময় দাৰিদ্ৰ্যৰ ছবি তেওঁৰ উপন্যাসৰ কাহিনীৰ মাজত জীৱন্ত ৰূপ পাইছে। তেওঁৰ নিজ জীৱনৰ দাৰিদ্ৰ্যৰ চিত্ৰ Crime and Punishment আদি উপন্যাসৰ মাজেৰে অনন্য ৰূপ প্ৰকাশি উঠিছে। এই প্ৰসঙ্গত David Magarshack ৰ এষাৰ কথা বিশেষ প্ৰণিধান যোগ্য।

Dostoevsky began working on Crime and Punishment in 1865 He was forty four and like Raskolnikov upto the neck in debt From the financial point of view, it was one of the worst period of his life his life in a small room in a Wiesbaden hotel unable to pay his bills and treated with contempt by the hotel proprietor and the waiters was not unlike his description of Raskolnikov's life in the opening chapter of Crime and Punishment [5]

১৮৬৭ চনত দস্তয়েভস্কি পিতাচবাৰ্গৰ নৈৰাজ্যবাদী পেট্ৰোচভস্কি চক্ৰৰ এজন সদস্য বুলি ধৰা পৰাৰ যদিও এই চক্ৰটোৰ ৰাজনৈতিক কাৰ্যকলাপৰ লগত বৰ বিশেষ সম্পৰ্ক নাছিল। বেৰিন্স্কি প্ৰমুখ্যে গণতন্ত্ৰবাদী সকলৰ চিন্তাধাৰা বোৰ শিক্ষিত সকলৰ মাজত বিয়পি পৰিছিল আৰু সেই প্ৰভাৱতে পিটাচবাৰ্গৰ কেইজন মান যুৱক একেলগে চৰকাৰে নিষিদ্ধ কৰা নানা ধৰণৰ কিতাপ পত্ৰ পঢ়িছিল, ইউৰোপিয়াৰ

৪। To Gorky all Dostoevsky's characters were to some degree repetitions or variations of Fydor Karamazav in whom he found depicted only the dark aspect of the Russian soul formless and motely cowardly and insolent morbidly evil

Senduro Vladimir Dostoevsky in Russian Criticism P 87

৫। Magarshack David Translator's introduction Crime and Punishment P 1

সপোন দেখি বিভোল হৈছিল। পেট্ৰোচভস্কিৰ ঘৰ আছিল তেওঁলোকৰ লগা লগি হোৱাৰ ঠাই। দষ্টয়েভস্কিও সেই যুৱকসকলৰ মাজৰ এজন আছিল। চৰকাৰ সেই যুৱকসকলৰ কাৰ্যত ভীত হৈ পৰিছিল আৰু তেওঁলোকক বন্দী কৰি কাৰাগাৰত থৈছিল। সময়ত তেওঁলোকক গুলিয়াই হত্যা কৰাৰ আদেশ দিয়া হ'ল। তেওঁলোকক এক লগে গুলিয়াবলৈ শাৰী পাতি থিয় হ'বলৈ কোৱা হ'ল, অন্তিম বাৰৰ বাবে ক্ৰুচত চুমা খাবলৈ দিয়া হ'ল কিন্তু হঠাতে চৰকাৰী পক্ষৰ পৰা বাতিল কৰা হ'ল এই মৃত্যুদণ্ডৰ আজ্ঞা। আচলতে এইটো আছিল অপৰাধীবোৰক মানসিকভাৱে শাস্তি দিয়াৰ কৌশলহে। মৃত্যুদণ্ডটো আছিল মাথোঁ অভিনয়হে। এই ঘটনাই অপৰাধীবোৰৰ এজনক চিৰদিনৰ কাৰণে বলিয়া কৰি পেলালে। দষ্টয়েভস্কিৰ মানসতো এই ঘটনাই গভীৰ চাপ পেলায়। তেওঁ আছিল আগৰে পৰা মৃগীৰোগী। এই ঘটনাই তেওঁৰ বেমাৰ আৰু বেচি কৰিলে। তেওঁৰ স্নায়ুতন্ত্ৰৰ ওপৰত ইয়ে যি বিকাৰ সৃষ্টি কৰিলে সেই বিকাৰ তেওঁৰ জীৱন ব্যাপী হৈ পৰিল। তেওঁৰ নিজৰ এই মানসিক বিকাৰগ্ৰস্ততাৰ ছবি উপন্যাসৰ চৰিত্ৰৰ মাজতো প্ৰোজ্জ্বল হৈ উঠিছে। বিশেষকৈ ক্ৰাইম এণ্ড পানীচমেণ্ট উপন্যাসৰ ৰাজকলনিকভ চৰিত্ৰৰ মাজত এই মানসিক বিকাৰগ্ৰস্ততা অতিশয় জীৱন্ত ৰূপত প্ৰকাশিত হৈ উঠিছে।

মৃত্যুদণ্ডৰ পৰিবৰ্তে অন্য অপৰাধীবোৰৰ লগতে তেওঁকো আঠবছৰৰ নিৰ্বাসন দণ্ড দিয়া হ'ল। ইয়াৰে চাৰিবছৰ তেওঁ কটালে চাইবেৰিয়াৰ ওমস্কৰ কাৰাগাৰত আৰু বাকী চাৰিবছৰ মধ্য এচিয়াৰ সীমান্তৰ চেমিপলিতনস্কি চহৰৰ নৱকবাসত। বন্দীবোৰে আঠবছৰ কাল বাধ্যতামূলকভাৱে বন্দী সৈনিকৰ কাম কৰিব লগা হৈছিল আৰু দষ্টয়েভস্কিয়েও এই দায়িত্ব পালন কৰিছিল। এই দুখৰ দিনত তেওঁৰ সহচৰ আছিল বাইবেলৰ নিউ টেষ্টামেণ্ট গ্ৰন্থ। এই গ্ৰন্থৰ গভীৰ অধ্যয়নে তেওঁৰ মনত আধ্যাত্মিক চিন্তাৰ অংকুৰ সিচিলে। এই আধ্যাত্মিক অভিজ্ঞতাৰে স্ফূৰ্তি বুলি কব পাৰি তেওঁৰ 'ক্ৰাইম এণ্ড পানীচমেণ্ট উপন্যাস। নিৰ্বাসনৰ কালছোৱাতেই তেওঁ মেৰী ডিমিট্ৰায়েভনা ইচেয়েভা (Marya Dimitrievna Isayeva) নামৰ যক্ষ্মা আৰু হিষ্টিৰিয়া ৰোগাক্ৰান্ত এজনী নাৰীক বিয়া কৰায়। এই নাৰীৰ সাহচৰ্য আৰু লগতে নিৰ্বাসনৰ কালতে লগ পোৱা বিভিন্ন কুখ্যাত অপৰাধীবোৰৰ মানসিকতা সম্পৰ্কে লাভ কৰা অভিজ্ঞতাও তেওঁৰ সাহিত্যৰ সমল হৈ পৰিছিল।

নিৰ্বাসনৰ পৰা ঘূৰি অহাৰ পাছত তেওঁৰ সাহিত্যিক জীৱন পুনৰ আৰম্ভ হয়।

তেওঁ ইউৰোপ এৰিবৰ বাবে উভতি আহি ভায়েকৰ লগত Vremya নামৰ এখন আলোচনী প্ৰকা। কৰিবলৈ লয়। এই আলোচনীখনত তেওঁ নতুন উদ্যমেৰে লিখা আৰম্ভ কৰে। কিন্তু কিছুদিন পাচতে আলোচনীখনৰ প্ৰকাশ বন্ধ হৈ যায়। ইয়াৰ পাছতে তেওঁ প্ৰকাশ কৰে Epokka নামৰ আন এখন আলোচনী।

সাহিত্যক্ষেত্ৰত তেওঁৰ উপন্যাসবোৰে বিশেষ সুনাম অৰ্জন কৰিব ধৰিলে আৰু ইয়াৰ লগে লগে প্ৰচুৰ অৰ্থও তেওঁৰ হাতলৈ আহিল। কিন্তু দস্তয়েভস্কিৰ খেয়ালী মন এইবাৰ জুৱাৰ নিচাত মত্ত হ'ল। জুৱাত হাৰি সৰ্বস্বান্ত হৈ কেতিয়াবা খুদাহাতে ঘৰলৈ উভতি আহে। বেশ্যালয় জুৱাৰ আড্ডা এইবোৰৰ অভিজ্ঞতা তেওঁ প্ৰত্যক্ষভাৱে জীৱনত আহৰণ কৰিছিল আৰু সেযাও তেওঁৰ সাহিত্যৰ সমল হৈ পৰিছিল।

প্ৰথমা স্ত্ৰীৰ মৃত্যু হোৱাৰ পাছত দস্তয়েভস্কিয়ে প্ৰেমৰ এক খেয়ালী জীৱন আৰম্ভ কৰিলে। তেওঁৰ জীৱনলৈ আহিল পলিনা নামৰ এক সুন্দৰী, চঞ্চলা গাভৰু। তাই আছিল উদাসীনতা আৰু কোমল কাঠিন্যৰ এক অপূৰ্ব সমাবেশ। The Gambler উপন্যাসৰ পলিয়ানা আৰু The Idiot উপন্যাসৰ নায়িকা নাস্তাচিয়া ফিলিপভনাৰ তেৱেঁই উৎস। এই নাৰীৰ প্ৰেম আৰু জুৱাৰ নিচাত মত্ত হৈ দস্তয়েভস্কি নিঃস্ব হৈ পৰিল। ঋণ পৰিশোধ কৰিব নোৱাৰি তেওঁ ঋণৰ দায়ৰ পৰা সাৰিবলৈ পলিনাক লগত লৈ পলাই গ'ল আৰু ইটালী, ফ্ৰান্স জাৰ্মান আদি নানা দেশ ঘূৰি ঘূৰি জুৱাত হাৰি আৰু পলিনাৰ লগত কাজিয়া কৰি শ্ৰান্ত হৈ তাইৰ সতে সকলো সম্বন্ধ ছেদ কৰি পুনৰ উভতি আহিল ৰাচিয়ালৈ।

ইয়াৰ পাছত তেওঁৰ The Gambler উপন্যাসৰ টাইপকাৰিণী ৰূপে অ আ।। গ্ৰেগৰিয়েভনা স্নিতকিনাক ১৮৬৬ চনত বিয়া কৰায়। বয়সত তেওঁ দস্তয়েভস্কিতকৈ যথেষ্ট সৰু আছিল কিন্তু মমতা আৰু ধৈৰ্যৰ বলেৰে খেয়ালী অস্থিৰ স্বভাৱৰ স্বামীক যিমান পাৰি তিমান শান্তি দিয়াৰ তেওঁ চেষ্টা কৰিলে। তেওঁৰ জৰিয়তে প্ৰৌঢ় দস্তয়েভস্কিয়ে লাভ কৰিলে ধৈৰ্য আৰু মানসিক প্ৰশান্তি।

ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ লগতে সাহিত্য অধ্যয়নৰ অভিজ্ঞতায়ো তেওঁৰ সাহিত্যিক জীৱনক বিশেষ গঢ় দিছিল। দস্তয়েভস্কিৰ প্ৰিয় লিখক আছিল স্কট। স্কটৰ ঐতিহাসিক ৰোমান্স সমূহ তেওঁ বিশেষ মনোযোগেৰে পঢ়িছিল। জাৰ্মান লিখক সকলৰ ভিতৰত হাফমেন আৰু ছিলাৰ আছিল তেওঁৰ প্ৰিয় লিখক। এই লিখক সকলৰ ৰোমান্টিক দৃষ্টিভঙ্গীয়ে তেওঁক বিশেষ ভাৱে প্ৰভাৱিত কৰিছিল।

বাস্তৱবাদী উপন্যাস সমূহৰ মাজতো মাজে মাজে সাৰ পাই উঠিছে এই লিখক সকলৰ পৰা লিখকে আহৰণ কৰা ৰোমাণ্টিক আতিশয্য। বালজাক আৰু ডিকেন্সৰ উপন্যাসবোৰ তেওঁ প্ৰিয় পাঠক আছিল। বিশেষকৈ বালজাকৰ উপন্যাসৰ নাগৰিক জীৱনৰ চিত্ৰ সমূহে তেওঁকো নাগৰিক জীৱনৰ দুখ দাৰিদ্ৰ্যক সাৰ্থকভাৱে ৰূপ দিবলৈ প্ৰেৰণা যোগাইছিল। অৱশ্যে এই ক্ষেত্ৰত তেওঁৰ দৃষ্টিভঙ্গী বালজাকতকৈ কিছু স্বকীয়া আছিল। বালজাকৰ ৰোমাণ্টিক দৃষ্টিভঙ্গীৰ পৰিবৰ্তে দস্তয়েভস্কিৰ ছবিবোৰত আছিল এক করুণতা। বৃহৎ নগৰৰ মদৰ আড্ডা, কম দামী হোটেলৰ কোঠাৰ পৰা আৰম্ভ কৰি নগৰৰ সকলো শ্ৰেণীৰ মানুহ যেনে দোকানী, কেৰাণী, ছাত্ৰ, বেশ্যা, মগনীয়া, বন্দীয়া এই সকলোবোৰৰে বাস্তৱ চিত্ৰ তেওঁ ফুটাই তুলিছে।

এই অমৰ সাহিত্য সমূহৰ উপৰিও দৰ্শন আৰু ধৰ্মতত্ত্বৰ গ্ৰন্থবোৰৰ পৰা লাভ কৰা তেওঁৰ অভিজ্ঞতাই সাহিত্য সৃষ্টিত বিশেষ অৰিহণা যোগায়। এই ক্ষেত্ৰত তেওঁ কাণ্ট হেগেলৰ দাৰ্শনিক গ্ৰন্থবোৰ কোৰাণ আৰু বাইবেল গ্ৰন্থৰ দ্বাৰা প্ৰভাৱিত হোৱাতো মন কৰিবলগীয়া। তেওঁ চাইবেৰিয়াত নিৰ্বাসিত হৈ থকা কালতে এই গ্ৰন্থবোৰ মনপুতি অধ্যয়ন কৰাৰ প্ৰমাণ পোৱা যায়। এই গ্ৰন্থবোৰ খুজি পঠিয়াবলৈ তেওঁ এনেকৈ লিখিছিল

Send me the Koran and Kant's Critique of pure reason, and if you have the chance of sending me anything not officially, then be sure to send Hegel, particularly Hegel's Philosophy of History, upon that depends my whole future.[৬]

দস্তয়েভস্কিৰ প্ৰথম উপন্যাস Bedyne Lyudi (Poor folk) ১৮৪৫ চনত প্ৰকাশ পায়। উপন্যাসখন প্ৰকাশ পোৱাৰ লগে লগে সমালোচক সকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। এই উপন্যাসখনৰ বিশেষ আকৰ্ষণীয় দিশ হ'ল নিপীড়িত মানুহৰ প্ৰতি প্ৰকাশ পোৱা লিখকৰ গভীৰ সহানুভূতি। উপন্যাসখনে এই বিশেষ দিশটোলৈ আঙুলিয়াই। বেবিলনস্কিৰ দৰে প্ৰখ্যাত সাহিত্যিকে লিখিছিল—

Honour and glory to the young poet whose muse loves people in garrets and basements and tells the inhabitants of

---

৬ Rahv Philip Dostoevsky P 34

glided palaces look they are also men, they are also your brothers [৭]

আন এজন ৰুচ কবি নেক্ৰাচভে এই উপন্যাসখনক বাস্তৱ মানৱতাৰ (realistic humanism) দৃষ্টান্তৰূপে দাঙি ধৰিলে।

ইয়াৰ পাছত তেওঁৰ দ্বিতীয় উপন্যাস Dvoynik (The Double) প্ৰকাশ পায়। ইয়াত তেওঁ মানৱসত্তাৰ দ্বৈত চৈতন্যৰ এক বিশ্লেষণ দাঙি ধৰিছিল। এই গ্ৰন্থৰ অনুপ্ৰেৰণা আছিল গগল। তেওঁৰ বিখ্যাত গল্প 'অভাৰ কোট'ৰ প্ৰভাৱতে দস্তয়েভস্কিয়ে এই উপন্যাস ৰচনা কৰিছিল। এই গ্ৰন্থখনে কিন্তু বেবিলন স্কিক আগৰখন গ্ৰন্থৰ দৰে প্ৰভাৱিত কৰিব নোৱাৰিলে। তেওঁ এই গ্ৰন্থখনৰ বিৰূপ সমালোচনা কৰি উদ্ভট (Fantastic) বুলি অভিহিত কৰিলে। লগতে কলে যে এই গ্ৰন্থখন বলীয়াখানাতহে স্থান পাবৰ যোগ্য।[৮] লিখক দস্তয়েভস্কিয়ে নিজেও প্ৰথম অৱস্থাত এই গ্ৰন্থখনৰ কাৰণে উচ্ছ্বসিত হৈ পৰিছিল পিছলৈ নিজেও ইয়াক এক সম্পূৰ্ণ অকৃতকাৰ্য্যতা বুলি স্বীকাৰ কৰিছে।[৯]

দস্তয়েভস্কিৰ সাহিত্যিক সাফল্যৰ পূৰ্ণ পয়োভৰৰ সময় আৰম্ভ হয় তেওঁ Vremya নামৰ সাময়িকীখন প্ৰকাশ কৰাৰ সময়ৰ পৰা। এই আলোচনীখনতে প্ৰকাশিত হয় তেওঁৰ বিখ্যাত উপন্যাস Unizhennye Oskorblinnye (the insulted and injured) ইয়াৰ পাছতে প্ৰকাশিত হয় চাইবেৰীয়াৰ স্মৃতিৰে ৰচিত উপন্যাস Zopski 12 Mertovogo doma) Memories from the House of Dead)। দুয়োখন উপন্যাসতে ৰুচ জীৱনৰ দুখন স্বকীয়া ছবি আছে। ইয়াৰে প্ৰথম খনত আছে বিবেকহীন আভিজাত্যৰ উৎপীড়নৰ চিত্ৰ আৰু দ্বিতীয়খনত কাৰাবাস জীৱনৰ নৰকময় পৰিবেশৰ এক আলেখ্য। এই দুয়োখন গ্ৰন্থৰ বাবে সমালোচক সকলে তেওঁক প্ৰগতিবাদী লিখকৰূপে চিহ্নিত কৰে।

৭ Welbek Rene A Sketch of the History of Dostoevsky Criticism প্ৰব ধৰ ১ম পৃষ্ঠাত উদ্ধৃত।

৮ It was fantastic he complained and the fantastic can have its place only in lunatic asylums not is literature It is the business of doctors and not of poets ঐদেৰ পৃষ্ঠা—১

৯ He admits in The Diary of a writer (November 1877) that The Double was a complete failure—that the story did not come off

Chizhevsky Dmitri The Theme of the Double in Dostoevsky প্ৰবন্ধৰ ১১৩ পৃষ্ঠাত।

এই উপন্যাস সমূহৰ পাছত প্ৰকাশিত হয় তেওঁৰ অভিজ্ঞতাৰ পৰিপূৰ্ণতাৰ প্ৰকাশ স্বৰূপ পৰবৰ্ত্তী উপন্যাস সমূহ। আৰু এই সময় চোৱাবে তেওঁৰ প্ৰখ্যাত উপন্যাসবোৰৰ ভিতৰত কেইখনমান হ'ল—Prestuplenie Nakazanie (Crime and Punishment) ১৮৬৬, Idiot ১৮৬৮ Besy (The Possessed) ১৮৭১ ৭২ আৰু (Bratya Karamazov) ১৮৭৯ ৮ ।

তেওঁৰ আটাইবোৰ উপন্যাসৰ মাজত মানুহৰ আত্মাৰ নিপীড়নৰ চিত্ৰ অংকিত হৈছে। এই নিপীডন কেতিয়াবা বাহ্যিক দুখ বেদনাই আৰু কেতিয়াবা অন্তৰ্দ্বন্দ্বই চৰিত্ৰবোৰক দান কৰিছে। কিন্তু তেওঁৰ লিখাৰ সাৰ্থকতা তাতেই যে এই উপন্যাসৰ চৰিত্ৰৰ এই দুখ বেদনাই সাৰ্ব্বজনীন আবেদন লৈ সকলো মানুহৰ সম্মুখত অবতীৰ্ণ হৈছে। আৰু সেয়ে তেওঁৰ ৰচনাৱলীক সময়ৰ আচোৰে পুৰণি কৰিব পৰা নাই। এই ক্ষেত্ৰত Georg Lukacs ৰ বিচাৰ বিশেষ তাৎপৰ্য্যপূৰ্ণ।

He created men whose destintiy and inner life, whose conflicts and interrelations with other character whose attraction and rejection of men and ideas illuminated all the deepest questions of that age, sooner more deeply, and more widly than in average life itself This imaginative anticipation of the spiritual and moral development of the civilized world assured the powerful and lasting effect of Dostoevsky s works These works have become even more topical and more fresh as time goes on [১০]

দস্তয়েভস্কিৰ ক্ৰাইম এণ্ড পানীচমেণ্ট উপন্যাস খনতো নিপীড়িত মানবাত্মাৰ এক চিৰন্তন ৰূপ ফুটি ওলাইছে আৰু সেয়ে উপন্যাসখনে যুগে যুগে পাঠকক সাৰ্ব্বজনীন আবেদনৰে মুগ্ধ কৰি আহিছে। ১৮৬৫ চনত এই উপন্যাসখন লিখিবলৈ লয় তেওঁৰ জীৱনৰ এক আৰ্থিক দুসময়ত। হোটেলৰ বিলৰ টকা দিব নোৱাৰি তেওঁ অপমান পাব লগীয়া হয়। বাইজবাদেন হোটেলত বুভুক্ষ হৈ থাকিব লগীয়া এই দিনবোৰতে তেওঁ এই উপন্যাস লিখাত হাত দিয়ে। উপায় নেপাই এই অৰ্দ্ধসমাপ্ত উপন্যাসখন Russian Messenger নামৰ মাহেকীয়া আলোচনীৰ সম্পাদক Katkov ৰ ওচৰত বিক্ৰী কৰি দিয়ে। আৰ্থিক অনাটনে তেওঁৰ মনৰ সকলো

১০ Lukacs Georg Dostoevsky p 147

সুখ শান্তি কাঢ়ি নৈ যায়। মৃগীৰোগে তেওঁক বেছিকৈ আক্ৰমণ কৰিবলৈ ধৰে। এই অৱস্থাৰ কথা বৰ্ণনা কৰি তেওঁৰ বন্ধু Wrangle লৈ লিখিছিল—

'I have to send about 108 printed pages to the Russian Messenger, every month This is just too awful, but I might have been able to do it, if my mind had been at peace A novel is a work of creative imagination and to write it an author's mind must be completely at peace And I am continually worried by creditors who are threatening to put me in the debtor's jail I am working on my novel against my doctor's order's he wrote to Wrangle in an earlier letter 'for my fits have began again

দাৰিদ্ৰ্যৰ এই চৰম ৰূপ আৰু লগতে অপৰাধৰ মানসিকতা সম্পৰ্কে লাভ কৰা অভিজ্ঞতাৰ পটভূমিতে তেওঁ লিখি উলিয়ালে এই জগত বিখ্যাত উপন্যাসখন। এই উপন্যাসখনৰ আগতে দুই এটা খণ্ডত অপৰাধীৰ মানসিকতা সম্পৰ্কে তেওঁ বিশ্লেষণ আৰম্ভ কৰিছিল কিন্তু অপৰাধ আৰু অপৰাধী সম্পৰ্কে তেওঁৰ পূৰ্ণ অভিজ্ঞতা হ'ল চাইবেৰীয়াৰ বন্দীশালত। এই সময়চোৱাতে অপৰাধ আৰু শাস্তিৰ সমস্যা, ইয়াৰ মানৱীয় দিশ আদিয়ে তেওঁৰ মানসিকতাক আচ্ছন্ন কৰি পেলায়। বন্দীশালত তেওঁ লাভ কৰা মানসিক কষ্ট আৰু আত্মবিশ্লেষণ ক্ষমতাই এনে এখন উপন্যাস লিখিবলৈ তেওঁক অনুপ্ৰাণিত কৰিছিল বুলি তেওঁ ভায়েকলৈ নিজে লিখিছিল। লগতে তেওঁ এই আশাও তাত প্ৰকাশ কৰিল যে অপৰাধীৰ স্বীকাৰোক্তি সম্পৰ্কে লিখা এনে এখন উপন্যাসে তেওঁক এজন লিখক হিচাপে প্ৰতিষ্ঠা দিব [২]

---

১১ Magarshack David Translator's introduction Crime and Punishment p 10

১২ I told you once about a novel I had intended to write in the form of a confession and which I decided to put off at the time because I felt that I had not had enough experience for such a work Now I have decided to start on it at once First of all it will be something passionate and moving and secondly I am going to put all my heart into this novel I was thinking of it while I was lying on my bunk in prison at a time of great mental suffering and self analysis The confession he concluded prophetically will finally establish my name as a writer Ibid P 12

গতিকে এই উপন্যাসৰ পটভূমি হ'ল দৈন্য আৰু অপৰাধ। কিন্তু মূখ্যতঃ ই এখন অপৰাধৰ লগত জড়িত উপন্যাসহে। দস্তয়েভস্কিৰ প্ৰায়বোৰ উপন্যাসতে অপৰাধমূলক কাহিনীৰ সমাবেশ দেখা যায়। সেয়ে Proust এ তেওঁৰ উপন্যাস সমূহক The Story of a Crime বুলি অভিহিত কৰিছে।[১৩] বহুতে আকৌ ইয়াক এখন ডিটেকটিভ উপন্যাস বুলি কব খোজে। কিন্তু আচলতে ইয়াক অপৰাধ কাহিনী বা ডিটেকটিভ কাহিনী বুলি কৈয়ে শেষ কৰি থব নোৱাৰি। ছয়টা হত্যাকাণ্ড স ঘটিত হোৱাৰ পাছতো হেমলেটক যেনেকৈ 'ব্লাড এণ্ড থাণ্ডাৰ ট্ৰেজেডি বুলি অভিহিত কৰিব নোৱাৰি তেনেকৈ এই উপন্যাসখনকো অকল হত্যাৰ কাহিনী বা ডিটেকটিভ কাহিনী বুলি কব নোৱাৰি। দুটা হত্যাকাণ্ড স ঘটিত হোৱা সত্বেও হত্যাৰ বিভিষিকাৰে উপন্যাসখন পূৰ্ণ নহয় ঠিক তেনেকৈ ডিটেকটিভ উপন্যাসৰ দৰে হত্যাকাৰী কোন তাক বিচাৰি উলিয়াবলৈও ইয়াত কষ্ট কৰিব লগা নহয় কাৰণ আৰম্ভণিৰে পৰা আমি গম পাওঁ হত্যাকাণ্ড কোনে স ঘটিত কৰিছে। সেয়ে এই ধৰণৰ উপন্যাসৰ পৰিবৰ্ত্তে আমি ইয়াক মনস্তাত্বিক ৰোমহৰ্ষক (চাইকোথ্ৰিলাৰ) উপন্যাস বুলি কব পাৰো। Rahv য়ে কৈছে Crime and Punishment may be characterized as Psycho thriller with Prodigious complication[১৪]

উপন্যাসত দুটা হত্যাৰ ঘটনাৰে হত্যাকাৰীৰ জটিল মনস্তত্বৰ সূক্ষ্ম বিশ্লেষণ দাঙি ধৰা হৈছে। উপন্যাসৰ নায়ক ৰাজকলনিকভ ব্যক্তিত্ব সম্পন্ন এজন দুখীয়া ছাত্ৰ। সি ভাবিছিল যে নীতি নিয়ম ধৰ্ম বিধৰ্মৰ এই সকলোবোৰ সংস্কাৰৰ সি ওপৰত। এটা ভাল কাম কৰিবলৈ চিৰাচৰিত নীতিবোধ, মানবতা বোধক বিসৰ্জন দিব পৰাতো এক সাহসৰ কাম আৰু এনেদৰেহে এজন সাধাৰণ মানুহে অসাধাৰণ হব পৰাৰ বাট মুকলি কৰিব পাৰে। সি এনে এজন অসাধাৰণ ব্যক্তি হবলৈ মানুহে সহজে কৰিব নোৱাৰা কাম এটা কৰিবলৈ মনস্থ কৰিলে। শোষণৰ দ্বাৰা কেৱল আত্মস্বাৰ্থ পুৰণ কৰা এজনী সুদখোৰ বুঢ়ী আলেনা আইভনভাক সি পৰিকল্পিত ভাৱে হত্যা কৰি সমাজক শোষণ মুক্ত কৰিব খুজিলে। বুঢ়ীক হত্যা কৰি উঠি সি বুঢ়ীৰ ভনীয়েক লিজা ভেটাৰ সম্মুখীন হব লগা হ'ল। ধৰা পৰাৰ ভয়ত সি লিজাভেটাকো হত্যা কৰিলে। কিন্তু এই হত্যাৰ পাছত সি দেখিলে

---

১৩ Proust once suggested grouping them together under a single comprehensive title The Story of a Crime—Rahv Philip Dostoevsky p 16

১৪ Ibid P 210

যি বুদ্ধিৰ উদ্ধত অহঙ্কাৰে তাক এই হত্যাকাণ্ডত লিপ্ত কৰাইছিল সেই বুদ্ধিৰ অতীত কোনো এক শক্তিয়ে তাক ক্ৰমে দহি পেলাব ধৰিলে। পাপবোধে তাৰ উদ্ধত অহঙ্কাৰক নত কৰি দিলে। সি উপলব্ধি কৰিলে তাৰ এই কাম মানৱতাৰ কাৰণে উপকাৰী নহয় বৰং মানৱতা বিৰোধী। সি যেন মূল নীতি এটাক আঘাত কৰিলে। অৱশেষত সি তাৰ প্ৰেমিকা চোনিয়াৰ দিহামতে পুলিছৰ হাতত ধৰা দি মানসিক পীড়নৰ পৰা মুক্তি লাভ কৰিলে। ৰাজকলনিকভৰ বিপৰীতে এই উপন্যাসৰ অন্যতম চৰিত্ৰ চোনিয়াৰ আছিল খ্ৰীষ্টীয় বিনম্ৰতা, প্ৰেম আৰু পাপবোধ। বিনীতা, আত্মাভিমান শূন্য চোনিয়াৰ সহানুভূতি লাভ কৰি ৰাজ কলনিকভে আত্মাভিমান মুক্ত হৈ গোটেই মানৱতাৰ ওপৰত সি নতি স্বীকাৰ কৰিলে। এনেদৰে উপন্যাস খনত এক হত্যাৰ ঘটনাই সুদূৰ ব্যঞ্জনা লাভ কৰিছে আৰু সেয়ে ইয়াক এক সাধাৰণ ডিটেকটিভ উপন্যাস বা অপৰাধমূলক কাহিনী বুলি কৈ থলে ভুল কোৱা হ ব।

হত্যাই উপন্যাসৰ কাহিনীৰ মূল প্ৰাণ বিন্দু। হত্যাৰ যোগেদি হত্যাকাৰীৰ জটিল মনস্তত্ত্বৰ বিশ্লেষণ হয়াত দাঙি ধৰাৰ কাৰণে ই এখন জটিল উপন্যাস হৈ পৰিছে। ৰাজকলনিকভে কিয় এই হত্যাকাণ্ড স ঘটিত কৰিলে সেৱা যেন অনিশ্চয় তাৰ মাজত সোমাই পৰি কাহিনীৰ মেৰ পাক বৃদ্ধিহে কৰিছে। ৰাজকলনিকভে কিয় এই হত্যাকাণ্ড স ঘটিত কৰিলে তাৰ প্ৰকৃত বিশ্লেষণ দাঙি ধৰিবলৈ গৈ লিখক যেন নিজেই অনিশ্চয়তাৰ মাজত সোমাই পৰিছে। ৰাজকলনিকভে যেন নিজেও বুজি পোৱা নাই তাৰ এই হত্যাৰ উদ্দেশ্য। সম্ভৱত দুই ধৰণৰ চিন্তাই সেই সময়তে ৰাজকলনিকভৰ মানসত ক্ৰিয়া কৰি আছিল। তাৰে এটি হল পিটাচবাৰ্গ চহৰৰ চু ক চুকে সি প্ৰত্যক্ষ কৰা নিপীড়ন আৰু দুখ দাৰিদ্ৰ্যৰ কাৰুণ্যৰ চিত্ৰ আৰু আনটো হ ল সি নিজে চাব খোজা তাৰ ব্যক্তিসত্তাৰ পৰীক্ষা। এই দুই ধৰণৰ চিন্তাই তাক খেলি মেলিৰ মাজত পেলাই দিছিল। তাৰ স্বীকাৰোক্তিৰ মাজত তাৰ এই দ্বৈত উদ্দেশ্যৰ কথা প্ৰকাশি উঠিছে। চোনিয়াই যেতিয়া তাক সুধিছে কিয় সি এই হত্যাকাণ্ড সংঘটিত কৰিলে? সি সেই প্ৰশ্নৰ উত্তৰ স্পষ্ট ভাৱে দিব পৰা নাই। প্ৰথমতে সি কলে যে লুটপাতেই আছিল এই হত্যাৰ উদ্দেশ্য। কিন্তু পিছ মুহূৰ্ত্তত যেতিয়া চোনিয়াই সুধিলে You were hungry ! it was to help your mother? তেতিয়া সি আকৌ উত্তৰ দিলে No Sonya, No I was not so hungry I certainly did want to help my mother, but that's not the real thing either । তাৰ

পাছতে ৰাজকলনিকভে ব্যক্ত কৰিলে যে নেপোলিয়নৰ দৰে হব খুজিহে সি বুঢ়ীক হত্যা কৰিছিল। সি তাৰ সাহসৰ পৰীক্ষা কৰিছিল 'I only wanted to have the daring that was the whole cause of it' অন্য সাধাৰণ মানুহবোৰতকৈ সি যে বেলেগ তাকেহে সি পৰীক্ষা কৰিলে এই হত্যাৰ যোগেদি।

এনে ধৰণৰ অনিশ্চয়তাই ৰাজকলনিকভৰ চৰিত্ৰক জটিল আৰু আধুনিক কৰি তুলিছে। আধুনিক মানুহৰ ইচ্ছাৰ দৈন্য যেন এই হত্যাৰ কাহিনীৰ মাজেৰে লিখকে বিবৃত কৰিব খুজিছিল। দস্তয়েভস্কিয়ে ৰাজকলনিকভৰ ব্যক্তিত্বৰ মাজত অনিশ্চয়তাৰ এক দোদুল্যমান ৰূপৰ প্ৰকাশৰ যোগেদি তাৰ মানসিক সত্তাৰ দ্বৈত বিভাজন আৰু দ্বন্দ্বৰ যোগেদি কাহিনীক অতিশয় জটিল আৰু আধুনিক কৰি তুলিছে।

ৰাজকলনিকভৰ মানসিক বিশ্লেষণৰ জৰিয়তে হত্যাৰ অন্য উদ্দেশ্য ব্যঞ্জিত কৰা হৈছে যদিও এই হত্যাৰ আৰত লুকাই আছে পিটাচবাৰ্গৰ দুখ দাৰিদ্ৰ্য আৰু নিপীড়নৰ আতিশয্য। নাগৰিক জীৱনৰ এই দুখ দাৰিদ্ৰ্যৰ চিত্ৰই ৰাজকলনিকভক যেন সকলোৰে পৰা বিচ্ছিন্ন কৰি পেলাইছিল আৰু মকৰাই নিজৰ জালত আবদ্ধ হোৱাৰ দৰে নিজৰ চিন্তাৰ জালত আবদ্ধ হৈ অৱশেষত সি হত্যাৰ কল্প লৈছিল। সপোনতে সি বুঢ়ী ঘোৰা এজনীক মৰিয়াই মৰিয়াই মাৰি পেলোৱা দেখাতো তাৰ মনৰ সেই ইচ্ছাৰে প্ৰতিফলন আছিল। পিটাচবাৰ্গৰ নাগৰিক জীৱনৰ দুখ দৈন্যই হয়াত অকল পটভূমিয়েই হৈ থকা নাই ই ৰাজকলনিকভৰ অপৰাধৰ অন্যতম উপাদান হৈ পৰিছে। সেয়ে দস্তয়েভস্কিৰ এই উপন্যাস খন গগল আৰু পুচকিনৰ গল্প আৰু কবিতাৰ লেখিযাকৈ পিটাচবাৰ্গৰ সাৰ্থক চিত্ৰ ৰূপে প্ৰতীয়মান হৈছে।[১৫]

নিপীড়ন আৰু তাৰ পৰা মুক্তি পোৱাৰ ব্যঞ্জনা উপন্যাসখনৰ কাহিনীৰ মাজত আছে যদিও ৰক্তাক্ত বিপ্লৱৰ যোগেদি এই শোষণ মুক্তিৰ উপায় লিখকে চিন্তা কৰা নাই। হত্যা বা মানবদ্বেষৰ দ্বাৰা কোনো ভাল কাম হব নোৱাৰে। ই স্বাৰ্থপৰতাৰ নামান্তৰৰ বাহিৰে আন একো নহয় এই সত্যকেই দস্তয়েভস্কিয়ে এই

---

১৫ It is possible to speak if not of a school then surely of a Petersburgian genre in Russian literature of which Dostoevsky is in fact the leading practitioner Pusken s The Bronze Horseman is doubtless the outstanding poem of that genre as Gogol s the Overcoat is the outstanding story and the Crime and Punishment the outstanding novel Ibid p 30

হত্যাৰ কাহিনীৰ যোগেদি প্ৰকাশ কৰিব খুজিছে আৰু সেইটো দিশৰ বাবেই ইয়াক এখন মহৎ উপন্যাসৰ শাৰীত পেলাব পাৰি।

এই হত্যাৰ কাহিনীৰ লগতে আৰু দুটা কাহিনীয়ে উপন্যাসৰ মূল কাহিনীটো নিৰ্মাণ কৰিছে আৰু সেই দুটা কাহিনী হ'ল মাৰ্মেলাদভ পৰিয়ালৰ আৰু ছিড্ৰিগাইলভৰ। কাউন্সিলাৰ মাৰ্মেলাদভে অৱস্থাৰ দৈন্যৰ কাৰণেই কেনেকৈ আত্মসন্মান হেৰুৱাই বাচি থাকিব লগা হৈছিল তাৰ এক কৰুণ দৃশ্য উপন্যাসত ফুটি ওলাইছে। অৱস্থাৰ বাবেই মাৰ্মেলাদভৰ ছোৱালী চোনিয়াই বেশ্যাবৃত্তি কৰিব লগা হৈছিল। ঘৈণীয়েকৰ হাতত মাৰ্মেলাদভে নিগৃহীত হব লগা হৈছিল। অৱশেষত ৰাষ্টাৰ দুৰ্ঘটনাত পতিত হৈ কৰুণ মৃত্যুক আদৰি লৈছিল মাৰ্মেলাদভে। ঘৈণীয়েক কেথেৰিনাই বাটে বাটে বলীয়া হৈ ঘূৰি ফুৰি থাকোতে বাটতে পৰি মৃত্যু বৰণ কৰিছে। ৰাজকলনিকভৰ সহৃদয়তাৰ এক স্বতস্ফূৰ্ত চিত্ৰ এই পৰিয়ালৰ লগত ঘটা তাৰ সাহচৰ্য্যৰ যোগেদি ফুটি ওলাইছে। আৰম্ভণিতে মাৰ্মেলাদভৰ প্ৰতি গঢ়ি উঠা তাৰ সহানুভূতি কাহিনীৰ শেষলৈকে অটুট হৈ আছে আৰু সেয়া চোনিয়াৰ প্ৰতি জগা সহানুভূতিৰ মাজেদি কেথেৰিনাৰ অন্তিম কাললৈ সি লাগি থকা আদি ঘটনাৰ যোগেদি প্ৰকাশিত হৈছে।

ছিড্ৰিগাইলভৰ কাহিনীৰো উপন্যাসত এক বিশেষ গুৰুত্ব আছে। ৰাজকলনিকভৰ ভনীয়েক দুনীয়াৰ প্ৰতি ছিড্ৰিগাইলভৰ এক দৈহিক আকৰ্ষণ আছিল। তাৰ ঘৰত দুনীয়াই কাম কৰোতে সি এই ভাব প্ৰদৰ্শন কৰিছিল কিন্তু ঘৈণীয়েকে ওলোটাকৈ দুনীয়াকহে দোষী কৰি তাইক কামৰ পৰা খেদিলে। ছিড্ৰিগাইলভে কিন্তু দুনীয়াৰ প্ৰতি থকা তাৰ দুৰ্বাৰ আকৰ্ষণ নেহেৰুৱালে। সেয়ে ঘৈণীয়েকে মৰাৰ পাছত পুনৰ দুনীয়াক পাবলৈ সি ব্যগ্ৰ হৈ পৰিল। দুনীয়াক সন্মত কৰিব নোৱাৰি অৱশেষত সি বলেৰে তাইক পাবলৈ কৌশলেৰে তাৰ ওচৰলৈ মাতি লৈ গ'ল। ৰাজকলনিকভে যেতিয়া হত্যাৰ ৰহস্য চোনিয়াৰ আগত ব্যক্ত কৰিছিল সি সকলোবোৰ মনে মনে শুনি আছিল আৰু সেই কথাবোৰ প্ৰকাশ কৰি দিব বুলি দুনীয়াক ভয় দেখুৱাই তাইক হাত কৰিব খুজিলে কিন্তু তাই কোনো পধ্যেই সন্মত নহ'ল। ছিড্ৰিগাইলভৰ হাতৰ পৰা ৰক্ষা পাবলৈ অৱশেষত তাই পিষ্টল উলিয়াই ল'লে। কিন্তু আচৰিতভাৱে ছিড্ৰিগাইলভে তাইৰ পিষ্টলৰ সন্মুখত বুকু পাতি দিলে গুলী কৰিবলৈ। দুনীয়াৰ গুলী কিন্তু ব্যৰ্থ হ'ল। ছিড্ৰিগাইলভে পুনৰ প্ৰেম ভিক্ষা কৰি ব্যৰ্থ হোৱাত তাইক যাবলৈ দি নিজে গুলী কৰি আত্মহত্যা কৰিলে। ছিড্ৰিগাইলভৰ প্ৰেমৰ কাহিনীয়ে দৈহিক আকৰ্ষণৰ আতিশৰ্য্য

সুন্দৰভাৱে দেখুৱাইছে। ৰাজকলনিকভ আৰু চোনিয়াৰ আবেগ আপ্লুত প্ৰেমত দৈহিক হাৱ ভাবৰ কোনো লক্ষণ দেখা পোৱা নেযায় আৰু প্ৰেমৰ সেই দিশটোকে যেন ছিদ্ৰিগাইলভৰ কাহিনীৰ যোগেদি উপন্যাসত মূৰ্ত্ত কৰি তোলা হৈছে।

এনেদৰে দুই এটা উপকাহিনী উপন্যাসত সংযোগ কৰা হৈছে যদিও ই উপন্যাসৰ সংহতি বিনষ্ট কৰা নাই বৰ এইবোৰে ৰাজকলনিকভৰ হত্যাৰ উদ্দেশ্যৰ অৰ্থ প্ৰতিপন্ন কৰাত সহায়হে কৰিছে। উপন্যাসৰ দুই এটা ঘটনা সংযোগত অপনাটকীয়তা আৰু স ঘটনাৰ (Co incident) প্ৰাদুৰ্ভাৱ ঘটা বুলি সমালোচক সকলে তেওঁক দোষাৰোপ কৰে যদিও কাহিনীৰ পূৰ্ণ বিকাশৰ বাবে সেইবোৰৰ প্ৰয়োজন নথকা নহয়। ইয়াৰ উপৰিও কাহিনীৰ বৰ্ণনাবোৰ দীঘলীয়া হোৱাত ই চিত্ৰধৰ্মী আৰু যথাৰ্থ হৈ পৰিছে। কিন্তু এই সকলোবোৰ থকা সত্বেও লিখকৰ শিল্পীসুলভ ৰুচিবোধ, সংহতি, প্লটৰ বিন্যাস সৌকুমাৰ্য্য, গতিময়তা আৰু মানৱ চৈতন্য সম্পৰ্কে থকা তেওঁৰ গভীৰ অন্তৰ্দৃষ্টিয়ে তেওঁৰ উপন্যাসৰ কাহিনীক অনন্য সুন্দৰ আৰু আকৰ্ষণীয় কৰি তুলিছে। এই প্ৰসঙ্গত Rahv এ কৈছে

'The artistic economy, force and tempo of Part I is sustained throughout the novel (The epilogue, in which hope and belief play havoc with the imaginative logic of the work, is something else again) There is no wasted detail in it none that can be shown to functionally in operative in advancing the action and our insight into its human agents[১৬]

উপন্যাসখনত লিখকৰ চৰিত্ৰ চিত্ৰণৰ ক্ষমতাও সুন্দৰভাৱে প্ৰকাশ পাইছে। সাধাৰণতে দস্তয়েভস্কিৰ উপন্যাসও আধুনিক মানসিকতাৰে সম্পূৰ্ণ আধুনিক চৰিত্ৰৰ প্ৰাদুৰ্ভাৱ ঘটিকে আৰু এইবোৰ দ্বন্দ্ব আৰু আধ্যাত্মিকতা আৰু নৈতিকতাৰ দ্বৈত বিভাজনৰে মূৰ্ত্ত হোৱাত প্ৰায়ে জটিল হৈ পৰিছে।[১৭] কিন্তু তেওঁৰ এইখন উপন্যাসত ৰাজকলনিকভৰ বাহিৰে বাকীবোৰ চৰিত্ৰ সহজ সৰল। দুই এটা

---

১৬ Ibid P 17

১৭ Thus Raskolnikov like Stavrogin and other protagonists of Dostoevsky s is represented throughout under the aspect of modernity (the examining magistrate Retrenich sees him very specifically as a modern case) understood as spiritual and mental self division and self-contradiction Ibid p 21

নীৰিহ চৰিত্ৰৰ সৰলতাই আমাক বিশেষ ভাবে মুগ্ধ কৰে। এনে এটা সৰু চৰিত্ৰ হ'ল লিজাভেটা। তাইৰ সৰলতা লিখকে দুই এটা সৰু সুৰা বৰ্ণনাৰে ফুটাই তুলিছে। তাইৰ দৈহিক বৰ্ণনা মানসিক অভিব্যক্তি এই সকলোবোৰ লিখকে জীৱন্ত কৰি তুলিছে। লিখকৰ ভাষাত—

She has a very dark complexion and looks like a soldier dressed up as a woman But you know, she isn t at all ugly, she has a very kind face and eyes (Part)

মদপী মাৰ্মেলাদভৰ চৰিত্ৰটো এটা নিৰীহ চৰিত্ৰ। তাৰ প্ৰতিও আমাৰ সহানুভূতি বৰ্ষিত হয় লিখকৰ সেই চৰিত্ৰ অংকনৰ দক্ষতাৰ পৰা। দাৰিদ্ৰ্যই তাৰ আত্মসম্মান বোধ কাঢ়ি নিছে ঘৈণীয়েকৰ হাতত সি প্ৰহৃত হৈছে। কিন্তু এই সকলোবোৰ নিৰবে সহিও সি কৈছে—

'I enjoyed it! he kept crying shaken by the hair and even more striking the floor with his forehead I enjoyed it siv! It does not hurt me at all I enjoyed it I enjoy y y it! (Part I)

দুখীয়া হৈ লাভ কৰা এই চুড়ান্ত নিপীড়ন পোৱা মাৰ্মেলাদভে ৰাজকলনিকভৰ আগত নিজৰ দুখৰ কথা বৰ্ণাই গৈ কৈছে কেনেকৈ সি তাৰ জীয়েকক বেশ্যা বৃত্তিত নমাইছে। পৰম দুখত অভিভূত হৈ মাৰ্মেলাদভে কৈছে—I donot deserve any pity I ought to be crucified crucified, and not pitied But crucify him o Judge crucify him and having crucified him, have pity on him (Part I) দুখ দাৰিদ্ৰ্যৰ নিপীড়ন, অনুশোচনাৰ মাজত জিলিকি উঠা এই চৰিত্ৰটোৰ অকপটত সৰলতাই আমাক তাৰ প্ৰতি ব্যথিত কৰি তোলে।

মাৰ্মেলাদভৰ ঘৈণীয়েক কেথেৰিনা অৱস্থাৰ দাস হৈ নিষ্ঠুৰ হবলৈ বাধ্য হৈছে। তাই নিষ্ঠুৰ ভাবে গিৰিয়েকক প্ৰহাৰ কৰিছে যদিও তাইৰ মাজতো আছে এক সৰলতা। তাইৰ জীৱনৰ কৰুণতাই আমাক তাইৰ প্ৰতি সহানুভূতিশীল কৰি তোলে। উপন্যাসৰ শেষৰ ফালে দুখ বেদনাৰ বোজা বব নোৱাৰা কেথেৰিনা বলীয়া হৈ গৈছে। ৰাষ্টাই ৰাষ্টাই বলীয়ালি কৰি ঘূৰি ফুৰোতে বাটত পৰি মৃত্যু বৰণ কৰিব লগাইছে। মৃত্যুৰ সময়ত তাইঁতক পোহপাল দিয়া চোনিয়াৰ ওচৰত তাই নতি স্বীকাৰ কৰি তাই কৈ উঠিছে Soniya, my dear, my dear are you here too good bye, you poor wretch They

have driven the mare to death I am done for ! Done for ! (Part I) ইমান দিনে দাৰিদ্ৰ্যৰ আবৰণৰ মাজত লুকাই থকা কেথেৰিনাৰ প্ৰকৃত সত্তাৰ লগত পৰিচয় ঘটিল তাইৰ মৃত্যুৰ আগে আগে।

ৰাজকলনিকভৰ মাকো এজনী শান্ত নিৰীহ মহিলা। পুতেকৰ মানসিক পৰিবৰ্ত্তনে এই শান্ত মহিলা গৰাকীক আকুল কৰি তুলিছে। ক্ৰমাগত ভাৱে সাথৰৰ দৰে অস্পষ্ট হৈ অহা পুতেকৰ ভাব ভঙ্গীবোৰে তেওঁক দুখ হতাশা আৰু আশঙ্কাৰ মাজত পতিত কৰিছে আৰু তাৰ মাজেৰেই প্ৰকাশিত হৈছে তেওঁৰ মাতৃত্বৰ স্নেহময়ী ৰূপ।

উপন্যাসৰ আটাইতকৈ সৰল আৰু নিমাখিত নাৰী চৰিত্ৰ হ'ল চোনিয়া। জীৱনৰ লগত সংগ্ৰাম কৰিবলৈ তাই যেন অনুপযুক্তা। জীৱনে তাইক ভীত কৰিছে, দাৰিদ্ৰ্যই তাইক সকলোৰে ওচৰত হেয় কৰি তুলিছে। দাৰিদ্ৰ্যৰ কাৰণেই তাই সৰ্বস্ব ত্যাগ কৰি বেশ্যাবৃত্তি গ্ৰহণ কৰিব লগা হৈছে। সহন শীলতাৰে তাই যেন ভগবানৰ প্ৰিয় পাত্ৰী হব পাৰিব—এই আশাকেই ব্যক্ত কৰি মাৰ্মেলাদভে ৰাজকলনিকভক কৈছিল—And He will forgive my Soniya He will forgive her I know He will forgive her I felt it deep down in my heart when I was with her Just now And He will Judge all and will forgive them, the good and the bad, the wise and the meek (Part I)

সহনশীলতাৰ প্ৰতিমূৰ্ত্তি চোনিয়াই ৰাজকলনিকভক উদ্ধত অহঙ্কাৰৰ পৰা মুক্ত কৰিলে। ৰাজকলনিকভ যেন লাজাৰাচ আৰু সেই লাজাৰাচকেই যেন মৃত্যুৰ বুকুৰ পৰা উঠি আহিবলৈ চোনিয়াই আহ্বান জনাইছিল তাইৰ আহ্বানতে ৰাজ কলনিকভে পোহৰৰ জগতলৈ যেন উভতি আহিল, সমগ্ৰ মানৱতাৰ ওচৰত নতি স্বীকাৰ কৰি।

উপন্যাসৰ একমাত্ৰ সবল নাৰীচৰিত্ৰ হ'ল দুনীয়া। নিজ ব্যক্তিত্বৰ প্ৰতি তাইৰো শ্ৰদ্ধা আছিল ককায়েকৰ দৰে। লুজিনক গ্ৰহণ কৰা সন্দৰ্ভত তাই প্ৰথমতে নিজৰ মতৰ পৰা পিছলি পৰা নাছিল, ছিড্ৰিগাইলভৰ ওচৰত কোনোপধ্যেই তাই নতি স্বীকাৰ কৰা নাছিল। এইবোৰে তাইৰ চৰিত্ৰৰ সবলতাকেই ঘোষণা কৰে। ব্যক্তিত্ব স্পৰ্দ্ধিত ককায়েকক তাই সেই স্পৰ্দ্ধা অক্ষুণ্ণ ৰাখিবলৈ অনুপ্ৰেৰণা দিছে। তাইৰ চৰিত্ৰৰ মাজত অন্তঃসলিলা ফল্গুৰ দৰে প্ৰবাহিত হৈ আছে মানসিকভাৱে নিপীড়িত হোৱা ককায়েকৰ প্ৰতি গভীৰ সহানুভূতি আৰু মৰম।

ৰাজকলনিকভ এই উপন্যাসৰ আটাইতকৈ জটিল চৰিত্ৰ। এক জটিল মানসিকভাবে সাহিত্য জগতত আবিৰ্ভূত হৈ এই চৰিত্ৰই গোটেই সভ্য জগতৰ প্ৰবক্তা ৰূপে প্ৰতিয়মান হৈছিল।[১৮]

উপন্যাসৰ আৰম্ভণিৰ পৰা ৰাজকলনিকভ এক আত্মকেন্দ্ৰিক নিসঙ্গ চৰিত্ৰ। নিজস্ব চিন্তাজালত সি নিজেই আৱদ্ধ। সি অনিশ্চিতমনা আৰু সংশয়াচ্ছন্ন। নিজস্ব উদ্দেশ্য লক্ষ্য সম্পৰ্কে সি যেন নিজে অনিশ্চিত। হেমলেট নাটকত হেমলেটে পলোনিয়াচক হত্যা কৰাৰ দৰে সততাবে সিও দুটা হত্যাকাণ্ড সংঘটিত কৰিছে। কিন্তু এই হত্যাৰ উদ্দেশ্য সি যেন নিজেই নিৰূপণ কৰিব পৰা নাই। এই ক্ষেত্ৰত লিখক দস্তয়েভস্কিৰ মনৰ বিভিন্ন দাৰ্শনিক চিন্তাৰ খেলি মেলিয়ে এনে অনিশ্চয়তা ৰাজকলনিকভক দান কৰা বুলি অনুমান কৰিব পাৰি। লিখকে হয়তো ৰাজকলনিকভক দাৰ্শনিক Hegel ৰ দৰ্শনৰ প্ৰভাৱত এক historical hero ৰূপে প্ৰতীয়মান কৰিব খুজিছিল। হেগেলৰ মতে পৃথিৱীৰ ইতিহাস আৱৰ্তিত হৈছে সাধাৰণৰ উৰ্দ্ধ্বৰ এক উচ্চ নৈতিকতাক আশ্ৰয় কৰি (The history of the world moves on a higher level than of morality)। হেগেলৰ এই historical hero বোৰ হ'ল আলেকজাণ্ডাৰ, নেপোলিয়ন চীজাৰ আদি। ৰাজকলনিকভক এই বীৰ সকলৰ আদৰ্শৰ দ্বাৰা লিখকে অংকন কৰিব খুজিছিল যদিও সি এনে ব্যক্তিত্বৰ অধিকাৰী হব নোৱাৰিলে। ৰাজকলনিকভে নিজেও তাৰ এই দৈন্যৰ কথা গম পাইছিল। তাৰ পৰিকল্পনাত সি কৃতকাৰ্য্য হব নোৱাৰা বাবেই সি অমানুহ হৈ যোৱাবুলি নিজেই অনুভৱ কৰিছিল সাধাৰণৰ পৰা উৰ্দ্ধত উঠিব খুজিও সি ব্যৰ্থ হ'ল আৰু তাৰ অক্ষমতাৰ বাবে নিজেও সি গ্লানি অনুভৱ কৰিলে। এই কথা ৰাজকলনিকভে হত্যাকৰাৰ পাছত নিজে উপলব্ধি কৰিছে। সি কৈছে—

'crime ? what crime ? he exclaimed in a kind of sudden frenzy That killed a nasty, harmful wicked louse an old

---

১৮ It is strange but often repeated fact that the literary embodiment of a new human type with all its problems comes to the civilized world from a young nation Thus in the eighteen century whether came from Germany and prevailed in England and France thus in the second half of the nineteenth century Raskolnikov came from far off unknown almost legendary Russia to speak for the whole civilised world

Lukac Gorge Dostoev ky p 146

hag of a money lender, a woman who was of no use to any body, for whose murder a score of sins should be forgiven, a woman who made the life of the poor a hell on earth—do you call that a crime ? I can not even thinking of it and I am not thinking of wiping it out And what do they mean by pointing their fingers at me on all sides—a crime, a crime a crime ! it is only now that I see clearly the whole absurdity of my cowardliness now that I ve made up my mind to do it simply because I m a mean and second rate fellow and perhaps too because it may be in my interest as that porfiry put it

এনেদৰে ৰাজকলনিকভৰ ব্যক্তিস্বাতন্ত্ৰ্যবাদৰ স্বাৰ্থপৰতাক অস্বীকাৰ কৰিছে ঔপন্যাসিকে আৰু সেয়ে ৰাজকলনিকভৰ হত্যাৰ উদ্দেশ্য ব্যৰ্থ হৈছে। ইতিহাসৰ বীৰ হোৱাৰ পৰিবৰ্তে ৰাজকলনিকভৰ সেই বীৰৰ পেৰডি হৈ ছে। সেয়ে Rahv যে কৈছে ' Dostoevsky gives us a parody version of Hegel s theory of two types of men by abstracting it from its historical logic enable to entangle Raskolnikov in what is in truth a comedy of mistaken identity, an obvious victim of the histrorical process a small man in search of personal security and happiness laughably lacking himself for its hero In this sense he is no better than a clown, and he does indeed laugh at himself from time to time [১৯]

ৰাজকলনিকভ এক বিপ্লৱী চৰিত্ৰ। তেওঁৰ নামৰ মাজত এই ভাবৰ ব্যঞ্জনা আছে। Raskol শব্দৰ অৰ্থ হ ল Schism বা dissent বুটীক হত্যাৰ যোগেদি পিচাচবাৰ্গৰ দুখ দাৰিদ্ৰ্যমোচনৰ প্ৰথম খোজ দি পেলাব খুজিছিল। সেই কালৰ পৰা তাৰ মাজত সমাজবাদী বিপ্লৱীৰ আদৰ্শৰ যেন অংকুৰ নিহিত হৈ আছিল।[২০] কিন্তু তেওঁ ভাবৰ বিৰুদ্ধে বিপ্লৱ কৰাৰ পৰিবৰ্তে এজনী সুদখোৰ

১৯ Rahv Phillip Dostoevsky P 34

২০ Raskolnikov had not read Marx and regards himself as a superman beyond good and evil he was already in embryo a people commissar

—Alberto Moravia Rahv Phillip Dostoevsky in Crime and Punishment প্ৰকাশত উদ্ধৃত পৃষ্ঠা ৩৫

বুঢ়ীৰ বিৰুদ্ধেহে বিপ্লৱৰ ধ্বজা উৰুৱালে। কিন্তু ইয়াতো তাৰ উৱলি যোৱা সমাজক সুন্দৰ কৰাৰ সপোনেই নিহিত হৈ আছিল। কিন্তু ভুল হ'ল সমাজবাদী সকলৰ দৰে উমৈহতীয়া সুখৰ কথা চিন্তা কৰাৰ পৰিবৰ্ত্তে তেওঁ নিজৰ সাহস পৰীক্ষাতহে ব্যস্ত হৈ পৰিল। সেয়ে তেওঁৰ উদ্দেশ্য ব্যৰ্থ হ'ল। ৰাজকলনিকভৰ এই ভুল সমাজবাদী সকলৰ বাবে এক নতুন শিক্ষা। সেই ফালৰ পৰাও চৰিত্ৰটো বিশেষ তাৎপৰ্য্যপূৰ্ণ।

হেমলেটৰ বন্ধু হোৰেচিওৰ দৰে ৰাজুমিখিন ৰাজকলনিকভৰ অন্তৰঙ্গ বন্ধু কিন্তু দুয়োৰে চৰিত্ৰৰ মাজত সাদৃশ্যতকৈ বৈসাদৃশ্যহে বেচি। লিখকৰ ভাষাত ৰাজুমিখিন হ'ল—

an extraordinary cheerful and communicative young fellow, good natured to the point of simplicity how ever was not without its depths or its sense of dignity His best friends were aware of this, and everybody was fond him (Part I)

ভাল গুণবোৰৰ সমাবেশেৰে এই চৰিত্ৰটো বেচ আকৰ্ষণীয় হৈ পৰিছে। তাৰ মাৰ্জিত ৰুচি প্ৰকাশ হৈছে তাৰ দুনীযাৰ প্ৰতি ব্যৱহাৰত। ৰাজকলনিকভৰ প্ৰতি তাৰ সহৃদয়তাৰ তুলনা নাই।

ৰাজকলনিকভে আটাইতকৈ বেছি ঘৃণা কৰা চৰিত্ৰটো হ'ল লুজিন। ৰাজুমিখিনৰ চৰিত্ৰত যিবোৰ ভাল গুণৰ সমাবেশ দেখা যায় সেই ভাল গুণবোৰৰ এটাও তাৰ মাজত পোৱা নেযায়। লুজিনৰ চৰিত্ৰৰ প্ৰতি দস্তয়েভস্কিৰো আছিল তীব্ৰ ঘৃণা। বুৰ্জোৱা সুলভ সন্দিগ্ধ পৰায়ণতা স্বাৰ্থপৰতা আদি দোষেৰে পূৰ্ণ এই চৰিত্ৰটোৰ প্ৰতি থকা তেওঁৰ ঘৃণা যেন ৰাজকলনিকভৰ জৰিযতে প্ৰকাশ পাইছে। পুলিছ ইন্সপেক্টৰ পৰফাইৰিও তেনেকৈ দস্তয়েভস্কিৰ যুক্তিবাদী মনৰ প্ৰতিনিধি। লিখকৰ অপৰাধীৰ মানসিকতা সম্পৰ্কে থকা জ্ঞান, আইনৰ খুটিনাতি আদি এই চৰিত্ৰটোৰ ধাৰণাৰ মাজেৰে সুন্দৰভাৱে প্ৰকাশ পাইছে। উপন্যাসৰ আন এটা চৰিত্ৰ ছিড্ৰিগাইলভৰ মাজত প্ৰথমতে ধনীৰ অহঙ্কাৰ আৰু উদ্ধতালি প্ৰকা পাইছিল যদিও তাৰ অপ্ৰত্যাশিত আত্মহত্যা আৰু দুনীয়াৰ ওচৰত আত্মসমৰ্পণে চৰিত্ৰটোক এটা চমকপ্ৰদ সৃষ্টি কৰি তোলাই নহয় ৰাজকলনিকভৰ পাছতে এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ কৰি তুলিছে। ৰাজকলনিকভৰ দৰে তেওঁৰ মাজত ইচ্ছা শক্তিৰ প্ৰাবল্য দেখা যায় তাৰ মাজত নিহিলিষ্টৰ আদৰ্শও বিদ্যমান।[২১]

---

২১ Sidrigailov exemplifies a distinct character type in Dostoevsky the type of the Nihilist in the realm of sensuality Ibid P 26

চৰিত্ৰবোৰৰ মাজত আধুনিকতাৰ সমাবেশ ঘটোৱাৰ লগে লগে সেই সময়ৰ সমসাময়িক সমস্যাসমূহ তেওঁৰ উপন্যাসৰ মাজত প্ৰকাশি উঠিছে বিশেষকৈ সেই সময়ৰ Nihilism ৰ সমস্যাকো তেওঁ উপন্যাসত ঠাই দিছে। কিন্তু উপন্যাস হিচাপে 'ক্ৰাইম আৰু পানীচমেণ্ট'ৰ সাৰ্থকতা হ'ল ইয়াৰ মাজত প্ৰকাশ পোৱা লিখকৰ গভীৰ মানৱতাবাদ। চোনিয়াৰ ওপৰত নতহৈ ৰাজকলনিকভে কৈছিল 'মই তোমাৰ ওচৰত নতজানু হোৱা নাই নতজানু হৈছো বেদনাৰ্ত্ত নিখিল মানৱতাৰ ওচৰত। এই বেদনাৰ্ত্ত মানৱতাৰ নিপীড়নৰ মাজত জীৱনৰ জ্যোতি তেওঁ প্ৰকাশ কৰি তুলিছিল বাবে এই উপন্যাসে সময়ৰ সকলো ব্যৱধান গছকি ই চিৰ ভাস্বৰ হৈ আছে।

কামুৰ উপন্যাস ঃ

১ দি আউটচাইদাৰ

ফৰাচী সাহিত্যিক আলবেয়াৰ কামুৱে এক দাৰ্শনিক চিন্তাৰ দ্বাৰা প্ৰণোদিত হৈ সাহিত্য কৰ্মত প্ৰবৃত্ত হৈছিল যদিও তেওঁ আছিল মুখ্যত এজন শিল্পী আৰু এই শিল্পী সুলভ সচেতনাৰেই ৰচনা কৰিছে তেওঁৰ প্ৰখ্যাত উপন্যাস গল্প আৰু নাটকসমূহ। আধুনিক পৰীক্ষা নিৰীক্ষাৰে তেওৰ সাহিত্য সমূহ জটিল হৈ পৰিছে যদিও সেইবোৰে আধুনিক মানুহৰ মনলৈ কঢ়িয়াই লৈ আহিছে গম্ভীৰ আত্মপ্ৰত্যয আৰু ব্যক্তিৰ ব্যক্তিত্ব বোধৰ প্ৰতি শ্ৰদ্ধা। সেই ফালৰ পৰা কামু এজন আধুনিক যুগৰ গুৰুত্বপূৰ্ণ লিখক।

আধুনিক ফৰাচী সাহিত্যই বিভিন্ন ধৰণৰ পৰীক্ষা নিৰীক্ষাৰে এক চমকী সাহিত্যৰূপে পৰিগণিত হৈছে। বিশ্বৰ সাহিত্যপ্ৰেমী সকলে পেৰিচৰ সাহিত্যিক সকলে কৰা নতুন অনুশীলন বোৰলৈ যেন আগ্ৰহেৰে লক্ষ্য কৰি থাকে সেয়ে বৰ্ত্তমানৰ ফৰাচী সাহিত্যক পৰীক্ষাগাৰ বুলি কলেও ভুল কৰা নহব। সম্প্ৰতি তিনিটা নতুন ধাৰা ফৰাচী সাহিত্যত বিশেষ ভাৱে বিস্তাৰিত হৈছে। তাৰে প্ৰথমটো হল Cubism ৰ ধাৰা, দ্বিতীয়টো Surrealism আৰু তৃতীয়টো Existentialism ৰ ধাৰা। কামু শেহৰ ধাৰাটোৰে এক শক্তিশালী লিখক।

অস্তিত্ববাদৰ লগত বিশেষভাৱে জড়িত এটি নাম হল জা পল চাৰ্ত। চাৰ্ত আছিল একেধাৰে ঔপন্যাসিক, গল্পকাৰ, দাৰ্শনিক চিন্তাবিদ আৰু স্বাধীনতা সংগ্ৰামৰ যোদ্ধা। এই বিখ্যাত ব্যক্তি জনাৰ দাৰ্শনিক চিন্তাই প্ৰথমতে কামুক বিশেষভাৱে প্ৰণোদিত কৰি তোলে। দ্বিতীয় মহাযুদ্ধৰ সময়ত জাৰ্মানীৰ ওচৰত ফ্ৰান্সৰ পৰাজয় ঘটে আৰু চাৰি বছৰ কাল ফ্ৰান্স জাৰ্মানীৰ অধীনত থাকিবলগীয়া হয়। এই ৰাজনৈতিক বিপৰ্য্যযৰ কালতে চাৰ্ত ফ্ৰান্সৰ স্বাধীনতা পুনৰুদ্ধাৰৰ কাৰণে বিশেষভাৱে সক্ৰিয় হৈ পৰে। তেওঁ জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ কৰি বন্দী শিবিৰত লাঞ্ছিত হয় লগাও হয়। নাৎসী শিবিৰৰ পৰা মুক্ত হোৱাৰ পাছত চাৰ্তই ফ্ৰান্সৰ স্বাধীনতা পুনৰুদ্ধাৰৰ বাবে বিশেষ সক্ৰিয় হৈ পৰে আৰু এই সংগ্ৰামত কামু চাৰ্তৰ সোঁহাত স্বৰূপ আছিল। সেই সময়তে তেওঁ চাৰ্তৰ দাৰ্শনিক চিন্তাৰো অনুগামী হৈ পৰিছিল। অৱশ্যে কামু পিছলৈ এই চিন্তাধাৰাৰ বিৰুদ্ধ

হৈ পৰে আৰু চাৰ্তেও তেওঁক অস্তিত্ববাদী নহয় বুলি কবলৈ কুণ্ঠাবোধ নকৰিলে।[১] কামুৱে নিজকে তেওঁ চাৰ্তভকৈ বেলেগকৈ দেখুৱাবৰ বাবে তেওঁৰ নিজৰ চিন্তাধাৰাৰ নাম দিলে চিকিউলাৰ হিউমানিজিম বুলি। কিন্তু কামুৱে অস্তিত্ববাদৰ বিৰোধিতা কৰিলেও তেওঁ সেই দৰ্শনৰ আলোকতে নিজৰ চিন্তাধাৰাক গঢ় দিছিল বুলি সমালোচক সকলে মন্তব্য কৰে। যাহওক সেইবোৰ আলোচনা পিছলৈ থৈ সম্প্ৰতি অস্তিত্ববাদ সম্পৰ্কে কিছু আলোচনা আগবঢ়োৱা হ'ল।

যেতিয়া সমাজ জীৱনত গুৰুতৰ সংকটৰ সৃষ্টি হয় তেতিয়াই এদল আবেগ-প্ৰৱণ ব্যক্তি স্বতন্ত্ৰবাদী মানুহ বিচ্ছিন্নতা আৰু হতাশাৰ চিকাৰ হৈ আত্ম কেন্দ্ৰিকতাৰ গভীৰত হেৰাই যায়। তেওঁলোকে সমাজ জীৱনলৈ কোনো পৰিবৰ্ত্তন অনাৰ পৰিবৰ্তে সমাজৰ বিপৰীতে ব্যক্তি স্বাধীনতাৰ প্ৰশ্নটোৰ ওপৰতহে বিশেষ গুৰুত্ব দিয়ে। প্ৰাচীন গ্ৰীচীয়, চৈনিক আৰু চাইৰেনাইক সকলে এই জাতীয় মানসিকতাৰ ভেটিতে গঢ়ি তুলিছিল সংশয় আৰু নিসঙ্গতাৰ জীৱন দৰ্শন। পৰবৰ্ত্তীকালত ৰোমাণ্টিক দাৰ্শনিক আৰু শিল্পী সাহিত্যিক সকলেও এই ধৰণৰ বিচ্ছিন্নতাবোধৰ দ্বাৰা আক্ৰান্ত হৈছিল।

ঊনবিংশ শতাব্দীৰ মাজভাগত মাৰ্ক্স আৰু এঙ্গেলচে যেতিয়া একালে প্ৰকৃতি-বাদ আৰু আনফালে ভাববাদৰ পৰা শ্ৰেষ্ঠ উপাদানবোৰ সম্মিলিত কৰি দান্দ্বিক বস্তুবাদৰ ভিত্তি ৰচনা কৰিছিল আৰু অভিজ্ঞতা আৰু যুক্তিৰ আলোকেৰে জগতক ব্যাখ্যা কৰাতেই অকল আবদ্ধ নেথাকি গোটেই জগতখনক পৰিবৰ্ত্তিত কৰাৰ সঠিক পথ বিচাৰি পাইছিল সেই যুগতেই ডেনীয়, ধাৰ্ম্মিক দাৰ্শনিক কাৰ্কগাৰ্ডে হেগেলীয় পৰম ব্ৰহ্মবাদৰ কঠিন বন্ধনৰ মাজত উশাহ বন্ধ হৈ পৰা বুলি একান্ত ব্যক্তিগত ধৰ্মীয় আবেগ আৰু উপলব্ধিৰ মাজত আশ্ৰয় লৈছিল, ব্যক্তিৰ নিৰঙ্কুশ স্বাধীনতা আৰু অনন্য নিৰ্বাচন (Unique Choice) ক্ষমতাৰ দাবী তুলি। হেগেলীয় দৰ্শনত ব্যক্তিক বিশ্বৰ এটি অকিঞ্চিৎকৰ পদাৰ্থ বুলি গণ্য কৰা হৈছিল আৰু ইয়াত তেওঁ ব্যক্তিৰ স্বাধীনতাৰ কোনো অৱকাশ ৰখা নাছিল। কাৰ্কগাৰ্ডৰ মতে প্ৰকৃতিৰ ভিতৰত ব্যক্তিৰ স্থান অত্যন্ত অনন্য সাধাৰণ আৰু কোনো ধৰণৰ

---

১ Monsieur Sartre asked in a recent interview if his friend Camus is also an existentialist replied "No that's a grave misconception Although he owes something to Kierkgaard Jaspers and Heidegger his true masters are the French moralists of the Seventeenth Centurry"
—Connolly Cyril-ৰ Introduction to the Outsider-ৰ পৃষ্ঠা ৬৩ উদ্ধৃত।

সাধাৰণ ভাষাত ইয়াক যথাযোগ্যভাৱে জনা কিম্বা বুজা সম্ভৱপৰ নহয়। দ্বিতীয়তে, ব্যক্তিক কেতিয়াও এটি পৰিসমাপ্ত পদাৰ্থ বুলি ভবাটো সঙ্গত নহয়। ই সদায় বিকাশ লাভ কৰি থাকে নাইবা নিজকে নতুনভাৱে নিৰ্মাণ কৰে। ব্যক্তি সম্বন্ধে মূল প্ৰশ্ন হৈছে অবিৰাম প্ৰযত্নৰ প্ৰশ্ন আৰু এই প্ৰশ্ন ব্যক্তিৰ অন্তৰ্নিহিত স্বাধীনতাৰ আকাংক্ষাৰ পৰা নিসৃত হয়।

কাৰ্কগাৰ্ডৰ চিন্তাত নিৰ্বাচন আৰু স্থিৰ স কল্পৰ ধাৰণা বিশেষ গুৰুত্বপূৰ্ণ। এই সংকল্পৰ লগত সদায় কোনো বিপদৰ সম্ভাৱনা জড়িত হৈ থাকে। ব্যক্তিয়ে নিজকে অনিশ্চয়তাৰ মাজত দেখিবলৈ পাই বিপদৰ সম্ভাৱনা বৰণ কৰি লয় আৰু সংকল্প কৰে যে তেওঁৰ নিৰ্বাচন আৰু সংকল্প সম্পূৰ্ণভাৱে তেওঁৰ ব্যক্তিগত কথা। কোনো ঈশ্বৰ অথবা পৰমতত্বই তেওঁৰ মাজত এই স কল্প গ্ৰহণ নকৰায় আৰু ব্যক্তিয়ে নিজে স্বত প্ৰণোদিতভাৱে এই স কল্প গ্ৰহণ কৰে।

কাৰ্কগাৰ্ডৰ পাছত হুচাল ৰ মূলত অতীন্দ্ৰিয়বাদী (transcendental) অৱভাসত্ত্বক (Phenomenology) আশ্ৰয় কৰি তেওঁৰ শিষ্য মাৰ্টিন হেইডেগাৰে অস্তিত্ববাদী ধ্যান ধাৰণাক আধুনিক ৰূপ দিলে। তেওঁৰ দৰ্শনত পোৱা যায় নৃকেন্দ্ৰিক (anthrocentric) প্ৰয়োগবাদ (Pragmatism) আৰু লগতে কাণ্টৰ অজ্ঞেয়বাদ (agnosticism) ৰ এক অপূৰ্ব্ব সংমিশ্ৰণ আৰু ইয়াৰ পৰিণতি হ ল অনন্য ব্যক্তিত্ব (unique individuality) অথবা ব্যক্তিগত দায়িত্ব (Individual responsibility) আৰু ব্যক্তিৰ চৰম নিসঙ্গতা (utter solitariness) সম্পৰ্কীয় বিচিত্ৰ বক্তব্য। ইয়াৰ লগতে লগ লাগিছে অস্তিত্বৰ চাৰিওফালৰ পৰম শূন্যতা (Nothingness) সম্পৰ্কীয় বেদনাদায়ক উপলব্ধি আৰু মৃত্যুৰ অৱশ্যম্ভাৱিতাৰ চেতনাৰ পৰা উৎসাৰিত পৰম যন্ত্ৰণা (anguish)।

জা পল চাৰ্ত্ৰৰ অস্তিত্ববাদী চিন্তা ওপৰোক্ত আবেগ প্ৰৱণ যুক্তি বিৰোধী মানসিকতা আৰু প্ৰতিন্যাস (attitude)-ৰ ওপৰতে গঢ়ি উঠিছিল। সকলো ৰকমৰ বিশেষ অস্তিত্বৰ সাময়িকতা, অনাৱশ্যকতা যুক্তিহীনতা আৰু অতিৰিক্ততা চাৰ্ত্ৰৰ মৌল জীৱন দৰ্শনৰ মূল কথা। এই অস্তিত্বৰ অনাৱশ্যকতা আৰু অযৌক্তিকতাৰ (absurdity) সম্পৰ্কীয় অভিজ্ঞতাই তেওঁৰ মাজত সৃষ্টি কৰিছে বমনেচ্ছা-ভাৱৰ (Nausea) আৰু এই বমনেচ্ছা তেওঁৰ সমগ্ৰ জীৱন দৰ্শনৰ লগত জড়িত।

চাৰ্ত্ৰে তেওঁৰ এই অস্তিত্ববাদৰ জৰিয়তে মানুহক পূৰ্ণ স্বাধীনতা দান কৰিছে। ভালবেয়া সকলো কৰাৰ তাৰ স্বাধীনতা আছে আৰু সেয়ে সি বিৰাট দায়িত্বৰ

অধিকাৰী। নিজৰ প্ৰতি তথা মানৱজাতিৰ প্ৰতি ব্যক্তি দায়বদ্ধ আৰু এই দায়িত্ব পালন কৰি চলিব পৰাতো মানুহৰ পক্ষে এক ভীষণ সমস্যা। সেয়ে চাৰ্তে কৈছে স্বাধীনতাক এক বোজা বুলি (Man is condemn to be free)। প্ৰকৃত অৱস্থা সম্পৰ্কে সম্যক ধাৰণা থাকিলে অধিকাংশ সময়ত দেখা যায় ভুল কম হয়। তাৰউপৰি শক্তি বাঢ়ে। শক্তি বঢ়াৰ লগে লগে বাঢ়ে আত্মবিশ্বাস। সেয়ে পৃথিবীত মানুহৰ অৱস্থা সম্পৰ্কে তাক সজাগ কৰি দি অস্তিত্ববাদে সত্যৰ সেৱাতো কৰেই ইয়াৰ উপৰি ই মানুহৰ মনত এক নতুন আশাৰ সঞ্চাৰ কৰে। সেয়ে চাৰ্তে অস্তিত্ববাদক এক মানৱতাবাদী আৰু আশাবাদী চিন্তা বুলি ঘোষণা কৰিছে।

চাৰ্তৰ মনত সকলো ব্যষ্টি সত্তাৰ আকস্মিকতা, অযৌক্তিকতা আৰু অগভীৰতাই বিশেষ চাপ বহুৱাইছে। চাৰ্তে যে কেতিয়াবা অনুভূতিক বমনেচ্ছা বুলি বৰ্ণনা কৰে সেয়া মূলত অস্তিত্বৰ মাজত যি আকস্মিকতা আৰু অসংলগ্নতা বৰ্তমান সেয়া তাৰেই অনুভূতি। চাৰ্তে তেওঁৰ দাৰ্শনিক চিন্তাক এফালে সুসামঞ্জস্য নাস্তিকতাবাদ আৰু আনফালে মানৱতাবাদ (Humanism) বুলি কৈছে। যিহেতু মানুহ সম্পূৰ্ণ স্বাধীন আৰু প্ৰকৃত স্বভাব সি নিজেই সৃষ্টি কৰে সেয়ে তাৰ অস্তিত্বৰ কাৰণে ঈশ্বৰৰ কোনো আৱশ্যকতা নাই। যিয়ে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰে তেওঁলোকৰ মাজৰ বহুতে কিন্তু শাশ্বত ধাৰণা সমূহৰ অথবা জ্ঞাতৃ নিৰপেক্ষ মূল্য বোধৰ এক স্বতন্ত্ৰ জগতত বিশ্বাসী। কিন্তু ঐশ্বৰিক জ্ঞান বুলি কিবা নেথাকিলে একেবাৰে পোৱা নেযাব যিয়ে এই শাশ্বত ধাৰণা সমূহৰ জগতক ধৰি ৰাখিবলৈ সমৰ্থ। সেয়ে সুসামঞ্জস্য নাস্তিকতাবাদৰ জ্ঞাতৃ নিৰপেক্ষ মূল্যক অস্বীকাৰ কৰা অত্যাৱশ্যক। সেয়ে চাৰ্তে কৈছে যে জ্ঞাতৃ নিৰপেক্ষ এনে কোনো মূল্য নাই যাক আমি গ্ৰহণ কৰিব লাগিব। আমি নিজকে যেনেকৈ নিৰ্মাণ কৰো তেনেকৈ আমাৰ স্বাধীন নিৰ্বাচন শক্তিৰ ব্যৱহাৰৰ দ্বাৰা আমি আমাৰ মূল্যবোধ সৃষ্টি কৰো।

অস্তিত্ববাদ এক প্ৰকাৰৰ মানৱতাবাদ যদিও ইয়াৰ অৰ্থ এই নহয় যে অস্তিত্ববাদত মানুহ পৰম পুৰুষাৰ্থ বুলি গৃহীত হয়। কাৰণ চাৰ্তৰ মতে মানুহৰ এনে কোনো নিৰ্দিষ্ট স্বভাৱ নাই যাক পৰম পুৰুষাৰ্থ বুলি গণ্য কৰা যায়। অস্তিত্ববাদক কেৱল এই অৰ্থত মানৱতাবাদী বুলি কব পৰা যায় যে ইয়াত মানুহক সৰ্বপ্ৰকাৰ মূল্যৰ স্ৰষ্টাৰূপে গণ্য কৰা হয়। আমি যেতিয়া কোনো আদৰ্শৰ অনুসৰণ কৰিবলৈ গৈ আমাৰ মূল সত্তাৰ বাহিৰলৈ যাও আৰু এই আদৰ্শক আমি স্বেচ্ছাই আমাৰ

সন্মুখত স্থাপন কৰো অৰ্থাৎ ইয়াক অন্ত কোনোৱে আমাৰ ওপৰত জাপি নিদিয়ে তেতিয়াহে আমি প্ৰকৃত মানুহ ৰূপে অস্তিত্ববান।

মানুহৰ ইচ্ছাশক্তিৰ ওপৰত এই দৰ্শনে এক গভীৰ আস্থা স্থাপন কৰি এক প্ৰবল ব্যক্তিত্ববাদী সাহিত্য সৃষ্টিত অৰিহণা যোগাইছে। এই ধাৰণাৰ প্ৰসঙ্গত খুব চমুকৈ L Cazamia-ই সুন্দৰকৈ ব্যাখ্যা কৰি কৈছে—

'the leaders of the movement recognised their kinship with the moralists of the French seventeenth century What they chiefly demanded of man was the courage to see things as they are and to build life upon the freedom of being who exists for a while, he knows not how or why but who can at least stamp his existence with the choice of his will Thus existentialism is modern and realistic The lesson it teaches is one of complete independence from the authoritative formula of intellectual, social and political doctrines, a liberty that each individual is to enjoy and to leave other man to enjoy whatever their nation or their class ২

চাৰ্তৰ এই অস্তিত্ববাদৰ মূল কথাবোৰৰ প্ৰতিধ্বনি কামুৰ চিন্তাতো প্ৰকাশ পালে। এই অস্তিত্ববাদৰ আলোকতে তেওঁ প্ৰতিষ্ঠা কৰিলে absurd ৰ ধাৰণা। চাৰ্তে কামুৰ এই চিন্তাধাৰাৰ প্ৰসঙ্গত কৈছে—

The Philosophy of Camus is a philosophy of the absurd, and for him the absurd springs from the relation of man to the world, of his legitimate as pirations to the vanity and utility of human wishes The conclusion which he draws from it are those of classical pessimism ৩

কামুৰ মতে পৃথিৱীখন যিহেতু যুক্তিহীনভাৱে চলে ইয়াত কোনো মূল নৈতিক সত্তা থাকিব নোৱাৰে। বাচি থকাৰ যদি কোনো যুক্তি নাই জীৱনক শেষ কৰি পেলোৱাৰো কোনো যুক্তি নাই। জীৱনক বাসৰ উপযোগী কৰি তোলাটোহে

২ Cazamia, L'—A History of French Literature B 448,

৩ Connolly, Cyrill—Introduction to the Outsider P 6

এক সমস্যা। কামুৰ মতে ইয়াক কেৱল লাভ কৰিব পাৰি জীৱনৰ বাবে জীয়াই থাকি আৰু উগ্ৰভাৱে বাচি থাকি।[8]

কামুৱে তেওঁৰ এই সিদ্ধান্ত সমূহকে Myth of Sisyphus গ্ৰন্থত প্ৰতিপন্ন কৰিছে, তেওঁৰ প্ৰাৰবোধ সৃষ্টিৰ ইয়ে আছিল আৰম্ভণি বিন্দু। পিছলৈ তেওঁৰ চিন্তাৰ জগতলৈ এক পৰিৱৰ্তন আহিছিল আৰু ক্ৰমে তেওঁ এজন নীতিবাদী হৈ পৰিছিল। তেওঁ পুৰঠ লিখনি সমূহত এই যুক্তিহীন জগতখনত নৈতিক অৱস্থে কৰ্ত্তব্যবোধৰ যথাৰ্থতা প্ৰতিপন্ন কৰিব খুজিছিল। সেয়ে জাঁ পল চাৰ্ট্ৰে তেওঁক এজন Moralist বুলি প্ৰতিপন্ন কৰি তেওঁৰ বিষয়ে এইদৰে মন্তব্য কৰিছে—

He represented in our time the latest example of that long line of moralists whose work constitute perhaps the most original element in French letters His obstinate humanism narrow and pure, austere and sensual waged an uncertain war against the massive and firmless events of the time But on the other hand through his dogged rejections he reaffirms at the heart of our epoch, against the machiavellians and against the idol of realism, the existence of moral issue[5]

কামুৰ সমূহ সাহিত্য সৃষ্টিৰ অন্তৰালত এক দাৰ্শনিক বীক্ষা থাকিলেও তেওঁ এজন মুখ্যত পেছাদাৰী দাৰ্শনিক নাছিল। তেওঁ আছিল এজন প্ৰকৃত সাহিত্যিক, শিল্পী, সাংবাদিক আৰু নাট্য পৰিচালক। সেয়ে তেওঁৰ শিল্পী সুলভ আৰু বাস্তৱবাদী দৃষ্টিভঙ্গীৰ প্ৰসাদে তেওঁৰ সৃষ্টিক কৰি তুলিছে বিশ্ববেণ্য। পৃথিবীৰ শ্ৰেষ্ঠ সাহিত্যিক সকলৰ সৃষ্টিৰ অনুৰণনে তেওঁৰ সাহিত্যক দান কৰিছে এক অনুপম গাম্ভীৰ্য্য। প্ৰখ্যাত লেখক হেমিংৱে, ষ্টাদাল আদিৰ পৰা তেওঁ বিশেষভাৱে অনুপ্ৰাণিত হৈছিল[6]। তেওঁৰ সাহিত্যৰ অমূল্য গুণৰাশিৰ বাবেই খুব কম বয়সতে সাহিত্যৰ নবেল পুৰস্কাৰ লাভ কৰি তেওঁ বিশ্বক চমকিত কৰি তুলিছিল।

---

8 There remains the problem of making life worth living and Camus s argument here is that this can only be achived by living simply for the sake of living intensely 'vive le plus is the moral of the Myth of Sisyphus
The Concise Encyclopaedia of Modern world Literature, P 104

5 Sartre, Jean Paul Tribute to Albert Camus—শীৰ্ষক প্ৰবন্ধ পৃঃ ১৭৩।

6 Camus was undoubtedly influenced by Hemingway and other American novelists but the exprience had its purely French antecedents going back to Stendhal and beyond
—Ullmann, Stephens : The Image of Modern French Novel P 239

৯১৩ চনত এইজন প্রতিভাবান সাহিত্যিকৰ জন্ম হয় ভূমধ্য সাগৰৰ সিপাৰৰ আলজিৰিয়াত। আলজিৰিয়া ফ্ৰান্সৰ উপনিবেশ আছিল। কিন্তু নানা কাৰণ বশত ফ্ৰান্সৰ লগত আলজিৰিয়াৰ ফৰাচী অধিবাসী সকলৰ ধাৰণাৰ যোগাযোগ আছিল খুব ঘনিষ্ঠ। লাখ লাখ ফৰাচী অধিবাসী আলজিৰিয়াত বসবাস কৰিছিল। কামুৰ দেউতাক জাতত ফৰাচী আছিল যদিও ফ্ৰান্সৰ যি অঞ্চলত তেওঁৰ জন্ম হৈছিল সেই আলচিচিয়া বহুদিন ধৰি জাৰ্মানী সাম্ৰাজ্যৰ অঙ্গ আছিল। প্ৰথম মহা যুদ্ধত জাৰ্মানী পৰাজিত হোৱাৰ ফলত ৰাইন নদীৰ পশ্চিমৰ এই আলচিচিয়া প্ৰদেশ আকৌ ফ্ৰান্সৰ অঙ্গ হৈ পৰে। কামুৰ দেউতাক প্ৰথম মহাযুদ্ধৰ সময়ত স্বদেশৰ এজন সৈনিক হৈ জাৰ্মান সকলৰ বিৰুদ্ধে স গোম কৰি থকা অৱস্থাতে প্ৰাণ এৰে। সেই সময়ত কামুৰ বয়স আছিল মাত্ৰ তিনি বছৰ। সেই সময়ৰ পৰা কামুৰ জীৱনত দুখদৈন্যৰ আৰম্ভণি হয়।

ঘৰুৱা আৰ্থিক দুৰৱস্থাৰ বাবে নানা আৰ্থিক প্ৰতিষ্ঠানৰ সাহায্যৰ ওপৰত নিৰ্ভৰ কৰি তেওঁ আলজিৰিয়াৰ ৰাজধানী আলজিয়াৰ্চত পঢ়া শুনা আৰম্ভ কৰে। পঢ়া দিনৰ পৰা তেওঁ মেধাবী, এই ছাত্ৰজনে নিজৰ প্ৰতিভাৰে অলপ সময়ৰ ভিতৰতে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। দৰ্শনৰ ছাত্ৰ কামুৱে প্লেটিনাচৰ আৰু সন্ত আগষ্টাইনৰ ভাবধাৰা সম্পৰ্কে তেওঁৰ নিজস্ব দৃষ্টিভংগী দাঙি ধৰিছিল আৰু ইয়ে আলজিৰিয়াৰ ফৰাচী চিন্তাবিদ সকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। দুবছৰ মানৰ ভিতৰতে কামুৱে আলজিয়াৰ্চৰ চিন্তাবিদ আৰু সংস্কৃতিসম্পন্ন মহলত এজন বিশিষ্ট আৰু সক্ৰিয় ব্যক্তিৰূপে প্ৰতিষ্ঠা লাভ কৰিলে। এই সময়ত কামুৰ বয়স পছিশতকৈও কম আছিল।

বিশ্ববিদ্যালয় এৰাৰ পাছত কামুক দেখা গৈছিল আলজিয়াৰ্চ নব নাট্য আন্দোলনৰ এজন নায়কৰূপে। তেওঁ নিজে এটি সৰু কিন্তু শিক্ষিত আৰু সুসংঘবদ্ধ নাট্য সম্প্ৰদায় গঢ়ি তোলে। কামুৱে নিজে অকল তেওঁৰ এই নাট্য সম্প্ৰদায়টোক পৰিচালনা কৰাই নহয় নাট্যবোৰৰ অভিনয়তো তেওঁ অংশ গ্ৰহণ কৰিছিল। সেই সময়তে কামুৱে দেশ বিদেশৰ প্ৰথম শ্ৰেণীৰ নাট্যকাৰ সকলৰ নাটকবোৰৰ মঞ্চৰূপ দিয়াৰ উপৰিও বহুতো বিশ্বৰিখ্যাত উপন্যাসৰ কাহিনীক নাট্যৰূপ দি মঞ্চস্থ কৰিছিল। এই সময়ত আঁন্দ্ৰে জিদ বেন জনচন আৰু দস্তয়েভস্কি কামুৰ প্ৰিয় লিখক আছিল।

দ্বিতীয় মহাযুদ্ধ আৰম্ভ হোৱাৰ আগে আগে কামুৱে আলজিৰিয়াৰ বাহিৰলৈ

ঘুৰিবলৈ যায়। জাৰ্মানী, মধ্য ইউৰোপৰ অন্য কিছুমান দেশ ইটালী, ফ্ৰান্স আদি ঠাই ঘূৰি কেইবছৰ মানৰ ভিতৰতে কামু আকৌ আলজিৰিয়ালৈ উভতি আহে। এইবাৰ কামুৱে সাংবাদিকতাৰ পেশা গ্ৰহণ কৰিলে। 'আলজাৰ ৰিপাব্লিকান' নামৰ জনপ্ৰিয় দৈনিক সংবাদপত্ৰৰ এজন সহকাৰী সম্পাদক হিচাপে তেওঁ চাকৰি কৰিবলৈ লয়। সাংবাদিক হিচাপে তেওঁৰ সুখ্যাতি বিয়পি পৰিল। এনেতে পেৰিচৰ এখন বাতৰি কাকতৰ পৰা তেওঁক আমন্ত্ৰণ জনোৱা হ'ল আৰু তাতে কাম কৰিবলৈ লয়। কিন্তু তাতে কেইমাহ মান থকাৰ পাছত দ্বিতীয় মহাযুদ্ধ আৰম্ভ হ'ল আৰু ফ্ৰান্স জাৰ্মানীৰ হাতত পৰাজিত হয়। পেৰিচ অৱৰোধৰ আগে আগে তেওঁ আলজিৰিয়ালৈ ঘূৰি আহে।

এই সময়তে কামুৰ মাজত আৰম্ভ হৈছিল এক চিন্তাৰ আলোড়ন। দেশ বিদেশৰ সাহিত্য আৰু দৰ্শন পাঠৰ ই আছিল সূত্ৰপাত। তেওঁ সাংবাদিকতাৰ পেচা বাদ দি একান্তমনে লিখা পঢ়াত লাগিল। 'আলজিৰিয়ান ৰিপাব্লিক' কাকতে তেওঁক পুনৰ কাম কৰিবলৈ আমন্ত্ৰণ জনাইছিল যদিও সেই আমন্ত্ৰণ তেওঁ গ্ৰহণ নকৰিলে আৰু আলজিৰিয়াৰ পৰা কিছু দূৰৰ ওৰাণ চহৰলৈ তেওঁ গুচি গ'ল আৰু তাতে শিক্ষকতাৰ কামত নিজকে নিবিষ্ট কৰিলে। ইতিমধ্যে তেওঁ বিবাহ পাশত আবদ্ধ হৈছিল। শিক্ষকতাৰ অল্পপীয়া দৰমহাৰে তেওঁ সাংসাৰিক জীৱন আৰম্ভ কৰিলে। তাৰ লগে লগে আৰম্ভ হ'ল সাহিত্য কৰ্মৰ গভীৰ সাধনা।

ওৰাণত থাকোতেই তেওঁ চাৰ্তৰ লিখা মেলা পঢ়ি চাৰ্তৰ একান্ত ভক্ত হৈ পৰিছিল। পেৰিচৰ পতনৰ পূৰ্বে চাৰ্তৰ 'নাচিয়া' উপন্যাস আৰু 'ওৱাল' গল্প সংগ্ৰহ প্ৰকাশিত হৈছিল। চাৰ্তৰ এই লিখনিয়ে তেওঁক বিশেষভাৱে আকৰ্ষণ কৰিলে। পেৰিচত সংবাদপত্ৰৰ চাকৰি কৰাৰ কিছুদিন পাছতেই ব্যক্তিগতভাৱে চাৰ্তৰ লগত তেওঁৰ পৰিচয় ঘটিছিল। চাৰ্তে ইতিমধ্যে ফৰাচী সৈন্যবাহিনীত যোগ দিছিল। পেৰিচৰ পতনৰ কিছুদিনৰ আগৰ পৰা চাৰ্তৰ কোনো খবৰ নাইকিয়া হৈছিল। তাৰ পাছত কামুৱে ওৰাণত শিক্ষকতা আৰম্ভ কৰাৰ পাছত গম পালে যে চাৰ্ত জাৰ্মান শিবিৰত বন্দী হৈ আছে।

যুদ্ধৰ বন্দী শিবিৰৰ পৰা ওলাই অহাৰ পাছত চাৰ্তৰ লগত কামুৰ যোগাযোগ স্থাপন হয়। এজন প্ৰতিশ্ৰুতি সম্পন্ন তৰুণ চিন্তাবিদ হিচাপে কামু চাৰ্তৰ বিশেষ আস্থাভাজন হৈছিল। চাৰ্তৰ অনুপ্ৰেৰণাতে কামুৱে উপলব্ধি কৰিলে যে দেশৰ বৰ্ত্তমান অৱস্থাত প্ৰত্যেকে সক্ৰিয়ভাৱে কিবা নহয় কিবা এটা কৰা দৰকাৰ।

১৯৪২ চনত জাৰ্মান অধিকৃত পেৰিচলৈ গুচি আহিল কামু। পেৰিচলৈ আহিয়েই তেওঁ চাৰ্তৰ নিৰ্দেশত গুপ্ত সংবাদপত্ৰবোৰৰ লগত যুক্ত হ ল। এই সময় ছোৱাত তেওঁ প্ৰায় চাৰিখন গুপ্ত সংবাদ পত্ৰত নিয়মিতভাবে লিখিছিল। এই কেইখনৰ ভিতৰত The Combat নামৰ বাতৰিকাকতখন ফৰাচী জাৰ্মানীৰ কবলৰ পৰা মুক্ত হোৱাৰ পাছতো প্ৰকাশ্যভাবে প্ৰকাশিত হৈ থাকে। কামুৱে এই বাতৰি কাকতখনৰ সম্পাদনাৰ দায়িত্ব লয় কিন্তু ফ্ৰান্সৰ স্বাধীনতা পুনৰৰ্জনৰ পাছত কামুৱে The Combat ৰ সম্পাদকৰ পদ ইস্তা শ দিয়ে আৰু সম্পূৰ্ণভাৱে সাহিত্যত মনোনিবেশ কৰে।

কামুৰ সাহিত্য সৃষ্টিৰ প্ৰথম কালছোৱাত চাৰ্তৰ দৰ্শনে তেওঁক বিশেষভাৱে প্ৰভাবিত কৰিছি।। তেওঁ নিজস্ব দাৰ্শনিক চিন্তাৰ পুথি Le Myth de Sisphe-ত তেওঁৰ absurd ৰ ধাৰণাসমূহ প্ৰকাশ পাইছে। এই গ্ৰন্থতে তেওঁ প্ৰতিপন্ন কৰিছে বিশ্ব যিহেতু যুক্তিহীন (imotional) ইয়াত কোনো নৈতিক অৱশ্য কৰ্ত্তব্য নাই। পৃথিবীত পাপ পুণ্য এইবোৰ শব্দৰো কোনো যথাৰ্থতা নাই। ইয়াৰ উপৰি ইয়াতে তেওঁ আত্মহত্যাৰ প্ৰশ্নটোও উত্থাপন কৰিছে আৰু জীৱনত উগ্ৰভাৱে বাচি থকাৰ পোষকতা কৰিছে। কামুৰ এই জীৱন উপলব্ধি যেন Walter Peter ৰ burning with a hard gem like flame কথাষাৰৰে প্ৰতিধ্বনি।

তেওঁৰ এই দাৰ্শনিক চিন্তাবোৰেই কাহিনী আকাৰে প্ৰকাশিত হৈছে ১৯৪২ চনত প্ৰকাশ পোৱা তেওঁৰ উপন্যাস L Extranger ত। এই উপন্যাসৰ নায়ক মাৰচো এজন হত্যাকাৰী, যিয়ে বিশ্বত কোনো নৈতিক অৱশ্য কৰ্ত্তব্য নাই বুলি বিশ্বাস কৰিয়ে হত্যাকাণ্ড সংঘটিত কৰিছে। তেওঁৰ ধ্যান ধাৰণা, কথা-বতৰা এই সকলোবোৰ সাধাৰণ মানুহতকৈ বেলেগ। গতানুগতিক জীৱন এটাৰ পৰিবৰ্ত্তে নিজ স্বাধীনতাক অক্ষুণ্ণ ৰাখি প্ৰচলিত সাচৰত বাহিৰহৈ গৈ নায়কে নিজকে এজন অপৰিচিত ব্যক্তিৰূপে প্ৰতিপন্ন কৰিব খুজিছে। এই দুয়োখন গ্ৰন্থত লিখকে মানুহৰ অসহায় জীৱনৰ চিত্ৰ ফুটাই তুলিছে।

এই গ্ৰন্থ প্ৰকাশ হোৱাৰ পাছত কামুৰ চিন্তাধাৰা লৈ এক পৰিবৰ্ত্তন আহিল। কামুৱে চাৰ্তৰ অস্তিত্ববাদৰ বিৰোধিতা কৰিব ধৰিলে। সকলোতে অবিশ্বাস এই সময়ত কামুৰ প্ৰধান বক্তব্য হৈ পৰিল। এই সময়তে প্ৰকাশ পালে তেওঁৰ প্ৰবন্ধৰ পুথি L hom me revolte (১৯৫৩) Myth of Sisyphus গ্ৰন্থত তেওঁ আত্মহত্যাৰ সমস্যা উত্থাপন কৰাৰ দৰে ইয়াত তেওঁ উত্থাপন কৰিছে হত্যাকাণ্ডৰ

সমস্যা। বিপ্লৱ সম্পৰ্কে তেওঁৰ দৃষ্টিভঙ্গী ইয়াত প্ৰকাশ কৰি কৈছে যে বিদ্ৰোহ বা বিপ্লৱে যেতিয়া চৰম ৰূপ লয় তেতিয়া কাৰ্য্যত সেই স্বাধীনতাকেই সি খৰ্ব্ব কৰি পেলায় বা একেবাৰে নাইকিয়া কৰি পেলায় যাক অৰ্জন কৰাতো প্ৰথমতে ইয়াৰ লক্ষ্য বা আদৰ্শ থাকে। এই গ্ৰন্থ প্ৰকাশ পোৱাৰ পাছত তেওঁক মাৰ্ক্সবাদ ষ্টেলিনবাদ বিৰোধী ৰূপে প্ৰতিপন্ন কৰা হ'ল আৰু ইয়ে তেওঁৰ জনপ্ৰিয়তাত কিছু আঘাত হানিলে।

তেওঁৰ আন এখন জটিল উপন্যাস হল 'La Chute। ইয়াতো তেওঁ খ্ৰীষ্টীয় ধাৰণাত নৈতিক দায়িত্বৰ কথা আলোচনা কৰিছে। তেওঁৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপন্যাসখন হ'ল La Paste সামাজিক সচেতনতা এই গ্ৰন্থৰ মুখ্য বিষয়। এই উপন্যাসত প্লেগ এক প্ৰতীক হে। ওৰাণ চহৰত প্লেগ বেমাৰৰ বিস্তাৰৰ কাহিনীৰ যোগেদি ব্যক্তি তথা সমাজ জীৱনৰ অবক্ষয়ৰ চিত্ৰহে তেওঁ ফুটাই তুলিছে। বাক সংযমৰ লগত ক্ষুৰধাৰ বিদ্ৰূপ মিহলি হৈ প্লেগ এক অনবদ্য সৃষ্টি ৰূপে পৰিগণিত হৈছে। বিপন্ন অসহায় মানুহৰ প্ৰতি কামুৰ গভীৰ সহানুভূতি উপন্যানখনৰ প্ৰতি পাতে পাতে যেন বিয়পি আছে।

নাট্যকাৰ হিচাপেও কামুৱে বিশেষ খ্যাতি অৰ্জন কৰে। তেওঁৰ Caligula আৰু Le Malentendu-ই উৎকৃষ্ট নাট্যকলাৰ স্বাক্ষৰ বহন কৰিছে।

সাহিত্য-কৰ্মৰ লগতে কামুৱে গভীৰ মানৱতাবাদী চিন্তাৰ দ্বাৰা উদ্বুদ্ধ হৈ নানাধৰাৰ সংস্থাৰ লগত জড়িত হৈ পৰিছিল। তেওঁ নিজে প্ৰতিষ্ঠা কৰা এক সংস্থা আছিল 'কমিটি টু এণ্ড দি ভিকটিমচ অব টোটেলিটাৰিয়ান ষ্টেট। এই সংস্থাৰ জৰিয়তে তেওঁ হিটলাৰৰ জাৰ্মানী, ষ্টেলিনৰ ৰাচিয়া, চালজৰৰ পৰ্তুগাল আৰু ফ্ৰাঙ্কোৰ স্পেনৰ পৰা বিতাড়িত অসহায় নৰনাৰীক প্ৰত্যক্ষভাৱে সাহায্য কৰিবলৈ সমৰ্থ হৈছিল। কামুৱে বিশ্বাস কৰিছিল এক বিশ্ব চৰকাৰৰ (World Government) ওপৰত। তেওঁ ভাবিছিল এনে এখন চৰকাৰ প্ৰতিষ্ঠা কৰিব নোৱাৰিলে মানৱ জাতিৰ কোনো ভৱিষ্যত নাই। ১৯৪৭ চনৰ পৰা তেওঁ বিশ্ব চৰকাৰ প্ৰতিষ্ঠাৰ আন্দোলনৰ লগতে যুক্ত হৈ আছিল।

১৯৫৭ চনত মাত্ৰ ৪৪ বছৰ বয়সত কামুৱে সাহিত্যৰ নবেল বটা লাভ কৰে। আৰু ইয়াৰ তিনিবছৰ পাছতে এক মটৰ দুৰ্ঘটনাত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়লৈ তেওঁৰ প্ৰকাশিত হোৱা গ্ৰন্থৰ সংখ্যা আছিল বাৰখন। তেওঁৰ বিশেষ সাহিত্যিক শৈলীৰ দ্বাৰা প্ৰত্যেকখন গ্ৰন্থই আধুনিক পাঠকৰ মনৰ খোৰাক যোগাই আছিছে।

কামুৰ উপন্যাস দি আউটচাইদাৰ বিষয়বস্তু, চৰিত্ৰ এই সকলোৰে অভিনৱত্বৰে সাহিত্যৰ জগতত প্ৰবেশ কৰি পাঠকক বিস্মিত কৰি তোলে। সেয়ে জন পল চাৰ্তে কৈছে Amidst the literary production of our time this novel itself was a stranger [৭] এই উপন্যাসৰ মূল চৰিত্ৰ মাৰচো নি সন্দেহে এক আচৰিত ব্যক্তি আৰু তাৰ কাম কাজবোৰে প্ৰত্যেককে বিস্মিত কৰি তোলে। সি সমাজৰ বাবে যেন এক ভয়লগা ব্যক্তি। চমাৰচেট মমৰ উপন্যাসৰ কিছুমান চৰিত্ৰৰ দৰে এই চৰিত্ৰটো কিছু পৰিমাণে নিমাখিত হলেও সি ভয়লগা ব্যক্তি কাৰণ তাৰ মন শৰীৰ একোৰে ওপৰত তাৰ নিয়ন্ত্ৰণ নাই। তাৰ চৰিত্ৰত প্ৰধান ভাৱে প্ৰকাশ পাইছে উদাসীনতা। জীৱন জগত সম্পৰ্কে সি উদাসীন। মাকৰ মৃত্যুৰ সময়ত দেখুৱা উদাসীনতা, তাৰ বিচাৰৰ সময়ত দেখুৱা নিষ্ক্ৰিয়তা, প্ৰেমিকাৰ প্ৰতি দেখুৱা তাৰ ব্যৱহাৰৰ মাজত এনেভাবেই বিকাশ লাভ কৰিছে। মাকৰ মৃত্যুক সি খুব সহজভাৱেই গ্ৰহণ কৰিছে, আনকি মৃত মাকৰ মুখখন চাবলৈও সি কোনো আগ্ৰহ দেখুৱা নাই। নিজৰ মৃত্যুৰ প্ৰতি সি নিৰ্বিকাৰ হৈ তাকো সহজভাৱে গ্ৰহণ কৰিছে। অৱশ্যে তাৰ এই উদাসীনতা বহু সময়ত আলস্যৰ নামান্তৰ যেন হৈ পৰিছে।

সমাজৰ প্ৰচলিত ধ্যান ধাৰণাবোৰৰো প্ৰতি সি দেখুৱাইছে উদাসীনতা। সি বিবাহ কৰাবৰ বাবে এজনী ছোৱালীৰ প্ৰেমত পৰা নাই তাইৰ দেহৰ পৰা লাভ কৰা তৃপ্তিতেই সি সন্তুষ্ট। সেয়ে মেৰীয়ে সি আত্মতৃপ্ত হোৱাৰ পাছত যেতিয়া প্ৰশ্ন কৰিছে তাইক বিয়া কৰোৱাৰ কথা তাতো সি দেখুৱাইছে তাৰ উদাসীনতা।

অৱশ্যে উপন্যাসৰ শেষলৈ এই চৰিত্ৰটো এনেদৰে সম্পূৰ্ণ অচিনাকী হৈ থাকিব নোৱাৰিলে। তাৰ চৰিত্ৰত সময়ে সময়ে absurdity স্তব্ধ হৈছে। তাৰো চেতনালৈ সময়ে সময়ে আহে সাধাৰণ মানুহৰ অনুভূতি। মৃতা মাকৰ প্ৰতি তাৰ মন কেতিয়াবা আকুল হৈ উঠে। চালামনৰ উচুপনিয়ে তাক মাকৰ কথা সোঁৱৰাই দিছে। মেৰীকো কেতিয়াবা তাৰ ভাল লাগি যায় আনকি উপন্যাসৰ শেষত মানুহৰ প্ৰতি দেখুৱা সি তাৰ এই উদাসীনতাৰ বাবে মানুহৰ পৰা গৰিহণা পোৱাৰ কামনা কৰিছে। ইয়ো নিশ্চয় তাৰ আত্মোপলব্ধিৰে এক ইঙ্গিত স্বৰূপ। উপন্যাসৰ শেষত নায়কে কৈছে For all to be accomplished, for me to feel less lonely, all that remained was to hope that on the

৭ Sartre Jean Paul Camus গ্ৰন্থত পৃষ্ঠা ১০৮।

day of my execution there should be a huge crowd of spectators and that they should greet me with howls of execration

(P 111)

কামুৱে যদিও নায়কক এজন সম্পূৰ্ণ অচিনাকী বা বাহিৰা মানুহ হিচাপে প্ৰতিপন্ন কৰিব খুজিছিল শেষলৈ সি এনেদৰে এজন চিনাকী মানুহলৈ ৰূপান্তৰিত হৈছে। সেয়ে জ ন পল চাৰ্ত্তে কৈছে :

It was the result of your first encounter with the absurd But you probably hoped that as you progressed your uneasiness would fade that everything would be slowly clearified would be given a reasonable justification and explained Your hopes were disappointed The Stranger is not an explanatory book The absurd man does not explain, he describes Nor is it a book which proves anything [৮]

কামুৰ নায়ক মানুহচেয়ে সৰ্বসাধাৰণ মানুহক প্ৰতিনিধিত্ব কৰা নাই অথবা তাৰ মানসিকতা মনোবিজ্ঞানৰ অধ্যয়নৰ বস্তুও নহয় সি দৈহিক তৃপ্তিক অগ্ৰাধিকাৰ দিয়া, জীৱনক গভীৰভাৱে ভালপোৱা এজন মানুহ। সি এক বৰ্তমানৰ জগতত বাস কৰে। সি মৃত্যুদণ্ডৰ সম্মুখীন হবলগা হ ল কাৰণ তাৰ এই স্বাধীনতাক সমাজে ভয় কৰে। খ্ৰীষ্টীয় নৈতিকতাৰে গঢ়া বুৰ্জোৱা সমাজ ব্যৱস্থাই তথা আমোলা তান্ত্ৰিকসকলে তাক মৃত্যুদণ্ড দিলে কাৰণ এই সমাজ ব্যৱস্থাও তাৰ বাবে অচিনাকী আছিল।[৯]

বাক সংযম কামুৰ লিখনিৰ প্ৰধান বিশেষত্ব। এই উপন্যাসত খুব কম পৰিসৰতে এক মনোৰম কাহিনী দাঙি ধৰি তাৰ মাজেদি জীৱনৰ এক নতুন দিশ তেওঁ উন্মোচিত কৰি তুলিছে। উপন্যাসখন লিখকৰ কলা সচেতনতাৰ এক উৎকৃষ্ট সৃষ্টি হিচাপে পৰিগণিত হৈছে।

---

৮ Sartre Jean Paul : Camus P 111

৯ The bourgeois Machinery with its decaying Christian morality and bureaucratic self righteousness which condemns the outsider just because he is so foreign to it

—Connolly Cyril Introduction to the Outsider P 9

১৯৪৭ চনত প্ৰকাশিত হয় কামুৰ প্ৰখ্যাত উপন্যাস La Peste (The plague) আঢৈই পৃষ্ঠাৰ এই উপন্যাসখনত প্ৰথমৰ পৰা শেষলৈ ওৰাণ চহৰক আগুৰি ধৰা মহামাৰী প্লেগৰ ভয়ানক চিত্ৰ লিখকে অংকন কৰিছে। প্লেগ আচলতে ইয়াত প্ৰতীকহে। নাৎসী আক্ৰমণৰ সময়ৰ ফৰাচী দেশৰ অৱস্থাকেই প্লেগ প্ৰতীকৰ মাজেৰে তেওঁ প্ৰস্ফুটিত কৰি তুলিছে।

উপন্যাসৰ বিষয়বস্তুত প্লেগ বেমাৰৰ ভয়াবহতা আৰু মানুহৰ নিস্পহায় অস্তিত্বৰ চিত্ৰ লিখকে অতি সাৰ্থক ৰূপত প্ৰকাশ কৰিছে। উপন্যাসখনৰ কাহিনী চমুকৈ এনে ধৰণৰ—

আলজিৰিয়াৰ উপকূলত অৱস্থিত ওৰাণ নগৰখন তেনেই আপচু। কোনো গছ গছনি, চৰাই চিৰিকতি নাই। বসন্তৰ আগমনো ইয়াত উচ্ছ্বাসহীন। আকাশতহে পোৱা যায় ঋতুৰ আগমনৰ উমান। গৰম কালি দেই পুৰি নিয়া উত্তাপ, ঘৰৰ দুৱাৰ খিৰিকিবোৰত ধুলিৰ প্ৰলেপ সনা, শৰৎকালতো কেউপিনে বোকাপানী। কেৱল শীতৰ বতৰহে মনোৰম।

এই নগৰীৰ অধিবাসীবোৰ পৰিশ্ৰমী। ধন ঘটিবৰ বাবে তেওঁলোকে শ্ৰম কৰে। মানুহবোৰৰ প্ৰধান আকৰ্ষণ ব্যৱসায়। সপ্তাহৰ শনিবাৰ আৰু ৰবিবাৰৰ বাহিৰে বাকী কেইটা দিনত তেওঁলোকে ৰং তামাচা নকৰে। সেই কেইটা দিন কেৱল ধন অৰ্জনৰ। ডেকা মানুহবোৰৰ আবেগ বৰ তীব্ৰ আৰু খন্তেকীয়া। বয়সস্থ মানুহবোৰৰ কাম বুলিবলৈ হ'ল তেওঁলোকৰ খেলা-ধূলা, ভোজভাত, ক্লাব আৰু জুৱা খেলত আসক্তি। সামাজিক বিশৃঙ্খলতা তাত প্ৰায় অনুপস্থিত। অমায়িক, খোলা খুলিকৈ কথা কোৱা আৰু পৰিশ্ৰমী নাগৰিকসকলৰ ভ্ৰমণকাৰীসকলৰ প্ৰতিও আছে এক শ্ৰদ্ধাৰ্হ দৃষ্টি।

এক অসাধাৰণ পটভূমিত ওৰাণ নগৰ অৱস্থিত। এক সমতলভূমিৰ মাজ ভাগ, তাৰ চৌকাষে পাহাৰ। উপ নগৰখন পিছফালে থকাত সি চহৃত নগৰে তাক চাবলৈহে যাব লাগে।

বসন্তকালতে নগৰত এই ঘটনাৰ আৰম্ভণি। নগৰত হঠাতে আৰম্ভ হ'ল এন্দুৰৰ মহামাৰী। প্ৰখ্যাত চিকিৎসক বেৰনাৰ ৰিয়োই হস্পিতেলৰ পৰা ওলাই আহোতে প্ৰথমতে পাইছিল ভৰিৰ তলত এটা মৰা এন্দুৰ। তেওঁ প্ৰথমতে একো

সন্দেহ কৰা নাছিল। কিন্তু তাৰ কিছুদিন পাছতে তেওঁৰ ঘৰৰ চিৰিতো এদিন পুৰা নতুনকৈ মৰা এন্দুৰ দেখা পোৱা গ'ল। ঘৰৰ দাৰোৱান মাইকেলে এন্দুৰৰ এই অপ্ৰত্যাশিত মৰণ দেখিবলৈ পাই বিচলিত হৈ এই বিষয়ে গৰাকীৰ দৃষ্টি আকৰ্ষণ কৰিলে। কিন্তু একো ফল নহ'ল।

এন্দুৰৰ বিষয়ে ভবাৰ অৱকাশ তেওঁৰ কম কাৰণ তেওঁৰ পত্নী কণ্ন। আজি এবছৰ ধৰি পত্নীয়ে শয্যাশায়ী হৈ তেওঁক বিমোৰত পেলাইছে। এক স্বাস্থ্য নিবাসলৈ অচিৰেই তেওঁৰ পত্নীক লৈ যোৱাৰ কথা। যোৱাৰ আগমুহূৰ্ত্তত বিছনাত জিৰণিলৈ থকাৰ কাৰণে ডাক্তৰে উপদেশ দিলে। তাৰ বিনিময়ত ঘৈণীয়েকে এটা মৰমিয়াল হাঁহি মাৰিলে। তেওঁৰ বয়স ত্ৰিশৰ বেচি নহয় কিন্তু বেমাৰে তেওঁক নিশকতীয়া আৰু বয়সীয়া যেন কৰি তুলিছে।

নগৰৰ চাৰিওফালে নিগনি মৰা কাহিনীৰে আলোচনা। ডাক্তৰে ৰোগী চাবলৈ যাওতেও ৰোগীবোৰে তেওঁক এই বিষয়ে সুধিলে। ৰোগী চাই ঘৰ পাই তেওঁ সেই একে প্ৰসঙ্গকেই শুনিলে ঘৰৰ দাৰোৱানৰ পৰা। লগতে তাৰ পৰাই জানিলে যে মাকে তেওঁৰ ঘৰ-দুৱাৰৰ তত্বাৱধান কৰিবলৈ অবিলম্বে আহি পাব।

ঘৈণীয়েকক স্বাস্থ্য নিবাসলৈ যাবলৈ গাড়ীত তুলি দিবলৈ যোৱাৰ পথতো তেওঁক ঘৈণীয়েকে এন্দুৰৰ বিষয়ে সুধিলে। কিন্তু তেওঁ এই বিষয়ে একো বুজাব নোৱাৰে বুলি কলে কিন্তু তেওঁ ঘৈণীয়েকক সান্ত্বনা দি কলে তুমি ঘূৰি আহাগৈ। সকলো ঠিক হৈ যাব। আমি আকৌ নতুনকৈ জীৱন আৰম্ভ কৰিম।

ঘৈণীয়েকক প্লেটফৰ্মত গাড়ীত তুলি দি উভতি আহোতে প্ৰৱেশ পথতে তেওঁ লগ পালে পুলিচ হাকিম এম অথনক। তেৱে। এন্দুৰৰ কথা উলিয়ালে। এনেতে কেইটামান মৰা এন্দুৰ লৈ ৰেল বিভাগৰ কৰ্মচাৰী এজন তেওঁৰ কাষেৰে পাৰহৈ গ'ল।

ৰেমণ্ড ৰেম্ব, এজন সাংবাদিক। মানুহজন চুটি চাপৰ কিন্তু দৃঢ়, বুদ্ধিদীপ্ত চাৱনিৰে দৃষ্টি সমুজ্জল। তেওঁ নগৰ খনত থকা আৰৱ মানুহখিনিৰ বিষয়ে সংবাদ সংগ্ৰহৰ কাৰণে আহিছে। ডাক্তৰে সাংবাদিক ৰেমণ্ডক নগৰ খনত ঘটা এই এন্দুৰ মৰাৰ ঘটনাও বিৱৰি কলে।

ডাক্তৰৰ ঘৰৰ তত্বাৱধান লবলৈ মাক আহি পালে। মাক আহি পাৱৰ দিনাখনো মাইকেলে যতে ততে পৰি এন্দুৰ মৰি থকাৰ বাতৰি দিলে। ডাক্তৰৰ মাকে পুতেকক লগ পাই নথৈ আনন্দিত হ'ল আৰু তেওঁ কলে যে এন্দুৰে এই অৱস্থাৰ অৱসান ঘটাব নোৱাৰে।

নগৰত ক্ৰমাগতভাৱে এন্দুৰৰ মৃত্যুৰ হাৰ বাঢ়ি যাব ধৰিলে। মানুহবোৰৰ মনত সন্দেহ আৰু ত্ৰাসৰ সৃষ্টি হ ল। ইতিমধ্যে ইনফৰমেচন বুৰোই খবৰ দিলে যে ২৫ এপ্ৰিলৰ দিনা ৬,২৩১টা এন্দুৰ মৰিছে আৰু ৮ এপ্ৰিলত মৰিছে ৮ টা।

ডাক্তৰৰ দাৰোৱান মাইকেল হঠাতে অসুস্থ হৈ পৰিল। ডাক্তৰে মাইকেলৰ ডিঙিৰ পিছফালে হাত দি চাই টেমুনা এটা পালে। লাহে লাহে মাইকেলৰ অৱস্থা বেয়াৰ ফালে গ ল। সি ভুল বকিবলৈ আৰম্ভ কৰিলে। তাক চিকিৎসাৰ বাবে ভাল হস্পিতেললৈ নিলে যদিও মাইকেলক ডাক্তৰে বচাব নোৱাৰিলে। মাইকেলৰ মৃত্যুৰ লগে লগে নগৰবাসীৰ ভয় ঘনীভূত হব ধৰিলে।

জা টাৰঅ কেইসপ্তাহমান আগতে নগৰখনলৈ আহিছে। কিয় আহিছে কোনেও নেজানে। ডাঙৰ হোটেল এখনত থাকে। মানুহজনে তামচা ফুৰ্ত্তি কৰি ভাল পায়। তেওঁ স্পেনদেশীয় নৰ্তক নৰ্তকী আৰু সঙ্গীতজ্ঞ সকলৰ লগতে বেচি ভাগ সময় কটায়।

নগৰত ক্ৰমে মৃত্যুৰ সংখ্যা বাঢ়ি গৈ থাকিল। কেষ্টেল ডাক্তৰ ৰিয়োৰ সহকৰ্মী। তেওঁ নগৰত দেখা দিয়া এই বেমাৰটোৰ কাৰণে চিন্তান্বিত। ডাক্তৰ ৰিয়োই তেওঁৰ সতে বেমাৰটোৰ কথা আলোচনা কৰিলে আৰু এই বেমাৰ যে প্লেগৰ বাহিৰে আন একো নহয় তাক তেওঁ ঠাৱৰ কৰিল।

ডাক্তৰৰ কথা শুনি কেষ্টেলে বহাৰ পৰা উঠিল আৰু চিন্তান্বিতভাৱে দুৱাৰ খনৰ ফালে আগুৱাই গ ল। তাৰ পাছত কলে যে বয়সস্থ ডাক্তৰবোৰে কয় যে নাতিশীতোষ্ণ অঞ্চলৰ পৰা অন্তৰ্হিত হৈছে।

ডাক্তৰ ৰিয়োই কান্ধখন জোকাৰি কলে—অন্তৰ্হিত হৈছে? তেওঁলোকে কি কব খোজে?

হয়, কিন্তু পাহৰি নেযাব আজি কুৰি বছৰ আগতে পেৰিচতো এই বেমাৰ হৈছিল ঠিকেই কিন্তু আমি আশা কৰো যাতে সেই দু সময় পুনৰ আৰু উপস্থিত নহয়।

খিৰিকিৰে বাহিৰলৈ চাই ডাক্তৰে প্লেগৰ বিভীষিকাৰ কথা ভাবিলে। ইতিহাসত অজস্ৰ প্লেগ আৰু সংগ্ৰামৰ খবৰ আছে আৰু আছে ই কেনেকৈ অজস্ৰ মানুহক নিশেষ কৰিছে তাৰ বতৰা। ডাক্তৰৰ মনলৈ আহে চীন, এথেন্স কনষ্টাণ্টিনোপলত হোৱা প্লেগৰ কথা। ডাক্তৰে মনতে ভাবিলে কিবা এটা কৰিবই লাগিব।

গ্ৰেণ্ডে আহি ডাক্তৰক খবৰ দিলে যে প্লেগত মৃত্যুৰ সংখ্যা ক্ৰমে বাঢ়িগৈ

আছে। গ্ৰেণ্ড মিউনিচিপালিটিৰ কাৰ্য্যালয়ত কাম কৰে। আৰু তেওঁ মাজে মাজে জন্ম স থ্যাৰ পৰিসংখ্যা বিভাগতো কাম চলায়। তাতেই তেওঁ গম পাইছে যে প্লেগ বেমাৰত মৃত্যুৰ সংখ্যা উত্তৰোত্তৰ বৃদ্ধি পাব ধৰিছে।

মৃত্যুৰ সংখ্যা ক্ৰমাগতভাৱে বাঢ়ি যোৱাৰ লগে লগে পেৰিচৰ পৰা উৰ্দ্ধতন কতৃপক্ষৰ নিৰ্দেশ আহিল। চৰকাৰীভাৱে ঘোষণা কৰা হ'ল চহৰত প্লেগ বেমাৰ আৰম্ভ হৈছে। লগে লগে চহৰৰ পৰা ওলোৱা সোমোৱা সম্পূৰ্ণৰূপে নিষিদ্ধ কৰি দিয়া হ'ল। চিঠিপত্ৰ আৰু টেলিফোন ব্যৱস্থাও অনিৰ্দিষ্ট কালৰ বাবে বন্ধ কৰি দিয়া হ'ল। একমাত্ৰ টেলিগ্ৰাফৰ ক্ষীণ যোগসূত্ৰৰ বাহিৰে আন সকলো সংযোগ নগৰখনে হেৰুৱাই পেলালে বহিৰ্বিশ্বৰ লগত।

মহামাৰীৰ বিভীষিকা আৰু ৰোগৰ প্ৰাদুৰ্ভাৱ বাঢ়ি যাব ধৰিলে। গাড়ীয়ে গাড়ীয়ে মৃতদেহ কঢ়িয়ায়ো নগৰ পৰিষ্কাৰ কৰিব পৰা নগ'ল। কোনে কাক সেৱা কৰিব? কোনে কাৰ সংকাৰৰ কথা চিন্তা কৰিব!

ডাক্তৰ ৰিয়োৰ নেতৃত্বত এক স্বেচ্ছাসেৱক বাহিনী গঢ়ি উঠিল। আৰম্ভ হ'ল মৃতদেহ সংকাৰৰ প্ৰয়াস। চহৰৰ আবৰ্জনা পৰিষ্কাৰ আৰু তাৰ লগে লগে আৰ্তৰোগীৰ সেৱা। ডাক্তৰ ৰিয়োই নিজে হস্পিতেলৰ ৰোগীবোৰৰ চিকিৎসাৰ ভাৰ ললে।

প্লেগৰ কাৰণে কৰ্তৃপক্ষই কোৱেৰাণ্টাইন জাৰী কৰাত পলাব খুজিও ৰেমণ্ড পলাব নোৱাৰিলে, মহামাৰীৰ মৰ্মান্তিক দৃশ্য দেখি তেওঁ অভিভূত হোৱাই ন'য় ৰোগ প্ৰতিৰোধৰ কাৰণে নাগৰিকসকলে লোৱা উদ্যোগত স্বেচ্ছাই যোগ দিলে।

প্লেগৰ বিপক্ষে যুঁজিবলৈ গীৰ্জা কৰ্তৃপক্ষয়ো ব্যৱস্থা হাতত ললে। তেওঁলোকে প্ৰথম এসপ্তাহ প্ৰাৰ্থনাৰ আয়োজন কৰিলে। ফাদাৰ পেনেলক ধৰ্মোপদেশ দিবলৈ মতা হ'ল। তেওঁ উৎসাহেৰে তেওঁৰ ওপৰত ন্যস্ত কৰা দায়িত্ব পালন কৰিবলৈ সাজু হ'ল। তেওঁৰ ভাষণ শুনিবলৈ অজস্ৰ মানুহৰ ভিৰ হ'ল। ৰবিবাৰৰ দিনা মানুহৰ সমাগম আৰু বেচি হয়। সিদিনা বৰষুণৰ বতৰ আছিল। বাহিৰত বৰষুণ আৰু গীৰ্জাৰ ভিতৰত ধূপ আৰু মমৰ সুবাস। পেনেল আহি মাজত ৰহিল আৰু ক্ষন্তেক পাছতে তেওঁ আৰম্ভ কৰিলে ধৰ্ম উপদেশ। তেওঁ প্লেগ সম্পৰ্কে কৰবৈ গৈ exodus ত থকা ইজিপ্তৰ প্লেগৰ কথা উল্লেখ কৰিলে। তেওঁ লগতে ইয়াকো কলে যে পৃথিৱীলৈ প্লেগ পঠিওৱা হয় ভগৱানৰ শত্ৰু নাশ হেতুকে। ফাৰাৱে ঈশ্বৰৰ বিৰুদ্ধে থিয় দিছিল বাবেই প্লেগে তেওঁক আক্ৰমণ কৰিছিল। সত্যবান আৰু ন্যায়বান মানুহ কেতিয়াও প্লেগৰ বলি নহয়। গতিকে ন্যায়বান

সকল চিন্তিত হোৱাৰ একো দৰকাৰ নাই। ই অসৎ মানুহৰ কাৰণেহে ভয়াবহ ৰূপেৰে নামি আহে। প্লেগ এখন ঈশ্বৰৰ কুলা ইয়াৰে তেওঁ ধানৰ পৰা পতানবোৰ জোকাৰি পেলায়।

ইয়াৰ কেইদিনমান পাছতে এক নিষ্পাপ বালকৰ মৰ্মান্তিক মৃত্যুৰ দৃশ্য দেখা পাই ঈশ্বৰৰ বিচাৰৰ ওপৰত থকা পেনেলৰ বিশ্বাসে ফাট মেলিলে। তেওঁ এইবাৰ নতুন সুৰেৰে বাণী প্ৰচাৰ কৰিব ধৰিলে—সকলো অৱস্থাতে মানুহে ঈশ্বৰৰ ইচ্ছাক সহজভাৱে লব লাগে। এদিন হঠাৎ পেনেল নিজেই চিকাৰ হ'ল প্লেগৰ। তেওঁ নিজৰ বাণীৰ কথা পাহৰি গৈ অসহায়ভাৱে আত্মসমৰ্পণ কৰিলে ডাক্তৰ ৰিয়োৰ ওচৰত।

ডাক্তৰৰ স্বেচ্ছাসেৱক বাহিনীও যোগ দিলে তাঁতেই। স্বেচ্ছাসেৱক বাহিনীত যোগ দি জীৱনৰ সমস্যাৰ সমাধান সি বিচাৰি পালে। পুৰণি আচামী কটাৰ্ড। সুযোগ বুজি কোনোবা ফাঁকত এই চহৰলৈ আহি কোৱাৰান্টাইনৰ আঁৰত আত্মগোপন কৰি আছিল। বেচ সুখেৰেই তাৰ দিন কাটি গৈছিল। চহৰৰ অৱস্থা ভালৰ ফালে আহিব ধৰাৰ লগে লগে তাকো গ্ৰেপ্তাৰ কৰা হ'ল।

জানুৱাৰী মাহত ঠাণ্ডা পৰাৰ লগে লগে চহৰৰ পৰা কাল ব্যাধি প্লেগ আঁতৰি গ'ল। ৰাজপথ আকৌ মুখৰ হ'ল জনতাৰ পদধ্বনিৰে। দুসহ বিচ্ছেদৰ অৱসানত স্বামী স্ত্ৰী আৰু প্ৰেমিক-প্ৰেমিকাৰ আনন্দ মিলনত এইবাৰ আৰু একো বাধা নেথাকিল।

ডাক্তৰ ৰিয়োই স্বস্তিৰ নিশ্বাস এৰিলে। এনেতে আহিল তেওঁৰ ঘৈণীয়েকৰ মৃত্যুৰ সংবাদ। ইয়াৰ লগতে আৰু বহুতো সহকৰ্মী বন্ধুক হেৰুৱাব লগা হ'ল ডাক্তৰে। সহ্য কৰিব লগা হ'ল দুখ আৰু গ্লানি। তথাপিও নিৰাসক্ত মনেৰে একান্ত নিষ্ঠাৰে তেওঁ প্লেগৰ বিভীষিকাৰ বিৰুদ্ধে যুদ্ধ কৰিলে। মানুহৰ ৰোগ, দুখ, শোকত নিজে সেৱা কৰিবলৈ পাই ধন্য মানিলে। সেয়ে স্ত্ৰীৰ মৃত্যুৰ সংবাদে তেওঁক বিচলিত কৰিব নোৱাৰিলে।

ৰোগমুক্ত চহৰৰ ৰাজপথ এতিয়া আনন্দোজ্জ্বল। তাৰ জন প্ৰবাহৰ ফালে দৃষ্টি নিক্ষেপ কৰি ডাক্তৰ ৰিয়োই পৰম তৃপ্তি আৰু স্বস্তিৰ নিশ্বাস এৰিলে। কিন্তু তাৰ মাজতে ডাক্তৰে দেখিলে মৃত্যু আৰু অৱক্ষয়ৰ ভয়াবহ ৰূপ।

"Rieux remembered that Such joy is always imperilled He knew what those jubilant crowdes did not know but could have learned from books that the plague bacillus

never dies or disappears for good , that it can be dormant for years and year in furniture and linen chests , that it bides its time in bedrooms, cellars trunks, and book shelves and that perhaps the day would come when for the bane an the enligntening of man, it roused up its rats again and sent them forth to die in a happy city

উত্তৰ আফ্রিকাৰ উপকূলীয় এখন আধুনিক নগৰত আৰম্ভ হোৱা প্লেগে কেনেকৈ গোটেই নগৰ দূষিত কৰি পেলাইছিল তাৰেই এক মনোৰম বৰ্ণনাৰে প্ৰকাশ পোৱা এই উপন্যাস খনে সাহিত্য জগতলৈ এক অভিনৱ বাৰ্ত্তা কঢ়িয়াই আনি বিভিন্ন সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰিলে। Spectactor কাকতে ইয়াৰ প্ৰশংসা কৰি লিখিলে—

One of those very rare Combinations, an untetlectual book that is also a good novel

এই উপন্যাসত ৰূপকৰ অনাধিকাৰ প্ৰবেশ সম্পৰ্কে দুই একে সমালোচনা কৰে। এজন সমালোচকে কৈছিল 'Instead of writing about Particular people he has written about people who are abstract symbols of various political and moral attitude (Orville Precott—yale Review)

Slephen Spender এ ইয়াৰ উত্তৰত লিখিছে—

The Plague stands or falls by its message The message is not the highest form of creative art but it may be of such inportance for our time that to dismiss it in the name of artistic criticism would be to blaspheme against the human Spirit

কামুৱে তেওঁৰ এই উপন্যাসখন সযত্নে ৰচনা কৰিছিল তেওঁৰ প্ৰজ্ঞাৰ এক নৱৰূপায়ণ কৰি। উপন্যাসখনৰ প্ৰতীকাত্মক বিশেষত্ব সম্পৰ্কে বিশদ ব্যাখ্যা কৰি এই উপন্যাসখন যে এখন শ্ৰেষ্ঠ উপন্যাস তাৰ স্বীকৃতি দি Gaetan Picon-এ Camus গ্ৰন্থত লিখিছে—

"If I were asked which french novels published since 1940 are worthy of being called masterpieces, I would answer without heslitation that I see just four Malraux s the

walnut trees of Altenburge, Bernanos s 'Monsieur Onine,' Sartre s The Reprive, and Camus s The Plague"

'প্লেগ'ক ৰূপক আৰু বাস্তৱতাৰ সমাহাৰ বুলি কব পাৰি। ই এফালৰ পৰা Resistance-ৰ সময়ৰ বাস্তৱ বৰ্ণনা। লিখকেও ইয়াক ৰূপকথা হিচাপে বৰ্ণনা কৰা নাই কৰিছে এক বাস্তৱ ঘটনা হিচাপে। সেইফালৰ পৰা ই সত্যৰ চাহিদাও পুৰণ কৰিছে। আন ফালে ই এক প্ৰকাৰ ৰূপকো। লিখকেও ইয়াক বাস্তৱ আৰু কাব্যময় Dichtung (কাব্য) আৰু wahrheit (truth) হিচাপে দাঙি ধৰিছে।

কামুৰ উপন্যাসৰ এই দিশৰ ওপৰত আলোকপাত কৰি তাক সমালোচনা কৰি প্ৰখ্যাত সমালোচক Gaetan Picon-এ কৈছে যে প্লেগ জীৱনৰ বাস্তৱতাৰ ভেটিত অথবা ৰূপকথাৰ কাব্যিক ভেটিতো প্ৰোথিত নহয়। এনে হোৱাৰ ফলতে ইয়াৰ আঙ্গিক কিছু পৰিমাণে খৰ্ব হৈছে। তেওঁৰ নিজৰ ভাষাত Allegory leaves reality too small a chance to catch us in its net and the realislic elements lend allegory merely the value of an intellectual gesture Thus at every moment and in whatever way one looks at it, the novel is paralysed by its own form. Of all our contemporary writers, Comus was without doubt the most anxious to achieve the mythic, but the in capacity of allegory to become myth in the Plague is evident and reveals perhaps the real source of Camus failure [১]

কিন্তু সচা জীৱনৰ বাস্তৱ অভিজ্ঞতা পুষ্ট এই উপন্যাসখন একাতে প্ৰতীক ধৰ্মী আৰু আনহাতে ই মানুহৰ অন্তৰৰ বিদ্ৰোহৰ এক উদাত্ত ৰূপ পৰিপুষ্ট কৰি তোলা বুলি আন আন সমালোচকে মন্তব্য কৰিছে। Staney J Kunitz সম্পাদিত Twentieth Century Authors ত এই প্ৰসঙ্গত কোৱা হৈছে—

'In its calm and exact objectity this convicingly realistic narrative reflects experience of life during the Resistance, and Camus extols the revolt which the conquering evil arouses in the heart of the intensly resigned and disillusioned man"

---

১ Picon Gaetan, Camus. P 147

কামুৰ প্ৰথম ৰচনা সমূহত তেওঁৰ এক স্বকীয় মতাদৰ্শৰ পৰিস্ফুৰণ দেখা পোৱা গৈছিল। তেওঁ ধাৰণা কৰিছিল বিশ্ব যিহেতু নিৰ্বোধ ইয়াত কোনো নৈতিক প্ৰমূল্যও নাই। তেওঁৰ মতে There are some words I do not understand, one of them is sin তেওৰ আউট চাইদাৰ' উপন্যাসৰ নায়কে সাৰ্বজনীন নৈতিক দায়বদ্ধতা অস্বীকাৰ কৰি হত্যাত লিপ্ত হৈছে। 'মিথ অব চিচিফাচত আকৌ তেওঁ উপস্থাপিত কৰিছে আত্মহত্যাৰ সমস্যাটো। দৰ্শনৰ আটাইতকৈ গভীৰ সমস্যা হ'ল আত্মহত্যা। যদি জীৱনৰ কোনো অৰ্থ নাই তেনেহলে বাচি থাকিলে কি হব? গতিকে বাচি থকাৰ যিহেতু যুক্তি নাই তেনেকৈ নিজৰ জীৱনটো শেষ কৰি পেলোৱাতো একো যুক্তি নাই। গতিকে আত্মহত্যাও প্ৰশ্নহীন। কামুৰ মতে মানুহ বাচি থাকে কেবল বচাৰ খাতিৰত আৰু মানুহে বাচি থাকিব লাগিব প্ৰখৰতাৰে।

কিন্তু পাছৰ ৰচনাবোৰত কামু এই আদৰ্শৰ পৰা কিছু ফালৰি কাটি আহিছে। তেওঁ হৈ পৰিল এজন সম্পূৰ্ণ নৈতিকতাবাদী। তেওঁ এই ৰচনা বোৰত নৈতিক প্ৰমূল্যৰ সত্যতা সম্পৰ্কে বিচাৰ আৰম্ভ কৰে। নৈতিক নিষ্ঠাত গভীৰ আস্থা স্থাপন কৰি তেওঁ ডস্তয়েভস্কি প্ৰচাৰিত মতৰ কাষত নিজৰ মত প্ৰতিষ্ঠা কৰে। ডস্তয়েভস্কিয়ে কৈছিল If god does not exist then every thing is permitted কামুৱে কলে যে ভগবানো নাই আৰু সকলো অনুমতি সাপেক্ষেও নহয় আৰু যি কৰাৰ অনুমতি নাই সি অন্যায় বা ভুল কৰ্ম।

'প্লেগ' উপন্যাসে কামুৰ নৈতিকতাবাদী চেতনাৰ স্বাক্ষৰ বহন কৰিছে। এই উপন্যাসত নৈতিক প্ৰমূল্য সমূহৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই উপন্যাসৰ মুখ্য চৰিত্ৰ ৰিয়ো আৰু তেওঁৰ সহযোগী টাৰোৰ মাজত এই নৈতিক প্ৰমূল্যক উজ্জ্বল কৰি তোলা হৈছে। দুয়ো অশেষ চেষ্টা আৰু সাহসেৰে নগৰখনক ৰোগমুক্ত কৰাৰ প্ৰয়াস কৰিছে। ডাঃ ৰিয়োৰ মতে মানুহখিনিক ৰোগমুক্ত কৰাৰ প্ৰশ্নটোৱে মূল নৈতিকতা। টাৰোই নিজৰ নৈতিক দায়িত্বৰ কথা ভাবিছে এনেদৰে—Our only moral duty, or rather our unique moral possibility is not to be oneself a carrier of germs

দুয়োটা চৰিত্ৰই মূল নৈতিক লক্ষ্য লৈ কাম কৰি গৈছে সাহসিকতাৰে আৰু ত্যাগো কৰিছে। উপন্যাসত আৰু কেইটামান উজ্জ্বল চৰিত্ৰ আছে আৰু সেইবোৰ চিত্ৰনত লিখকে বিশেষ কুশলতা দেখুৱাইছে। পৰিবেশৰ বৰ্ণনাও সজীৱ আৰু যথাযথ।

এক দাৰ্শনিক প্ৰজ্ঞাৰ অধিকাৰী হৈয়ো কামুৱে কাল্পনিক মনোভঙ্গীৰে ৰচা তেওঁৰ এই উপন্যাসখনে মানুহৰ চৰম অসহায়তাৰ লগতে মানুহৰ কৰ্ম প্ৰেৰণা আৰু উদ্যোগৰ চিত্ৰ সজীৱ কৰি তুলিছে। সেই দিশৰ পৰা এই উপন্যাসখন মানবীয় প্ৰেৰণাৰ উৎস হৈ ৰব।

হাৰ্ডিৰ উপন্যাস ঃ
দি ৰিটাৰ্ণ অব দি নেটিভ

উপন্যাসৰ সুষম বিকাশ ভিক্টোৰিয়ান যুগতেই আৰু এই যুগৰ শেষৰ ফালে টমাচ হাৰ্ডিয়ে তেওঁৰ উপন্যাস সমূহেৰে ইংৰাজী সাহিত্যৰ ভৰাল চহকী কৰি থৈ গৈছে। এক অনন্য জীৱন দৃষ্টি আৰু দাৰ্শনিক বীক্ষা লৈ তেওঁৰ উপন্যাস সমূহে নিজ বৈশিষ্ট্যৰ কথা ঘোষণা কৰি গৈছে। তেওঁৰ উপন্যাসৰ অন্তৰস্পৰ্শী গুণে পাঠক হৃদয়ত অনুভূতিৰ জোৱাৰ তুলিছিল। ইয়াৰ মূলতে হ'ল ঔপন্যাসিক হাৰ্ডিৰ তেওঁৰ যুগৰে আন এজন ঔপন্যাসিক মেৰিডিথৰ দৰে আছিল এখন কবি হৃদয়। উপন্যাসৰ উপৰিও তেওঁ সুসমৃদ্ধ কাব্য সাহিত্যৰ ভাণ্ডাৰ এৰি থৈ গৈছে।

১৮৪ চনত হাৰ্ডিৰ জন্ম হয় ডৰচেষ্টাৰৰ ওচৰৰ বথাম্পটনত। প্ৰথম যৌবনৰ কিছু সময়ৰ বাহিৰে জীৱনৰ প্ৰায় সমস্ত সময় তেওঁ ইয়াতে কটাইছিল। সমকালীন সমাজ সভ্যতা তথা নাগৰিক জীৱনৰ প্ৰতি মোহশূন্য হৈ ইযাতে তেওঁ বিচাৰি পাইছিল জীৱনৰ মহা অৰ্থ। বিৰাট প্ৰান্তৰ, বিস্তীৰ্ণ পৰ্বতমালা, নিবিড় অৰণ্যই তেওৱ মনক আকৰ্ষণ কৰিছিল গভীৰভাবে। সিয়ে জগাইছিল তেওঁৰ মনত বিপুল শক্তি। প্ৰকৃতিৰ অমোঘ শক্তিৰ লীলাখেলাই তেওঁক মোহিত আৰু বিস্মিত কৰি ছিল। এই অঞ্চলেহ হ ল ওৱেচেক্স। এয়াই আছিল তেওঁৰ ধ্যানৰ তপোবন, সাহিত্য সাধনাৰ অপূৰ্ব ক্ষেত্ৰ। তেওঁৰ প্ৰায়বোৰ উপন্যাস এই ওৱেচেক্সৰ পটভূমিতে ৰচা। তেওঁৰ মনত ৰোমাণ্টিক কাব্যানুভূতিক প্ৰকৃতিৰ এই নিবিৰ সম্বন্ধই গভীৰতৰ কৰি তুলিছিল।

হাৰ্ডিৰ দেউতাক এজন সঙ্গীতজ্ঞ আছিল। পিতৃৰ পৰা তেওঁ সাঙ্গীতিক অনুভূতিৰ উত্তৰাধিকাৰ লাভ কৰিছিল। শিল্পচেতনাও তেওঁ লাভ কৰিছিল পিতৃৰ তত্বাৱধানতে। পিতৃৰ বন্ধু জন হিকৰ পৰা তেওঁ প্ৰথম পাঠ লৈছিল স্থপতি বিদ্যাৰ। কবি উইলিয়াম বাৰ্ণচ আৰু ক্লাচিকেল পণ্ডিত হোৰেচৰ সংস্পৰ্শ লৈও তেও গৈছিল। গ্ৰীক নাটক আৰু গ্ৰীক কাব্যৰ অধ্যয়নেও তেওঁৰ কাব্যিক আৰু দাৰ্শনিক দৃষ্টিভঙ্গী সুপুষ্ট কৰে।

হাৰ্ডিয়ে লণ্ডনৰ কিংচ কলেজত আধুনিক ভাষা সম্পৰ্কে অধ্যয়ন কৰাৰ সময়তে আৰ্থাৰ ব্লুমফিণ্ডৰ তত্বাৱধানত স্থাপত্যবিদ্যাৰ অধ্যয়ন কৰে। ১৮৬৩ চনত তেওঁ

Institute of Britsh Architectৰ পৰা Coloured Brick and Terra Cotta Architecture শীৰ্ষক ৰচনা লিখি পুৰস্কাৰ লাভ কৰে। ছপা ৰূপত তেওঁৰ প্ৰথম ৰচনা প্ৰকাশ পায় How I bulit myself a house

হাৰ্ডিৰ স্থপতি বিদ্যাৰ মাজত নিজকে নিবিষ্ট কৰি নেৰাখি সাহিত্য ৰচনাত মন দিলে। তেওঁৰ প্ৰথম সাহিত্যিক ৰচনা হ'ল The Poor man and the Lady নামৰ এটা গল্প। গল্পটো লিখি তেওঁ প্ৰকাশকৰ ওচৰলৈ পঠাই দিলে। সাহিত্যিক জৰ্জ মেৰিডিথ আছিল সেই প্ৰকাশকৰ উপদেষ্টা। তেওঁ হাৰ্ডিৰ গল্প পঢ়ি চাই মুগ্ধ হ'ল। তেওঁ হাৰ্ডিক দেখা কৰিব বিচাৰিলে। তেওঁ মেৰিডিথৰ ওচৰলৈ আহিল। মেৰিডিথে তেওঁৰ গল্পৰ দুই এটা সাধাৰণ ত্ৰুটি দেখুৱাই দিলে। হাৰ্ডিয়ে তেওঁৰ উপদেশ গ্ৰহণ কৰিলে। এই গল্পটোৰ পৰিবৰ্ত্তিত ৰূপ হ'ল 'ডেস্পাৰেট ৰেমেডিজ'। ইয়াৰ পাছত তেওঁ এখনৰ পাছত এখন উপন্যাস লিখি যায়।

প্ৰখ্যাত সাহিত্য বুৰঞ্জীকাৰ Crompton Rickett-এ হাৰ্ডিৰ উপন্যাস সমূহক এনেদৰে ভাগ কৰিছে।

(1) Pastoral Irogadies এই শ্ৰেণীৰ উপন্যাস সমূহ হ'ল The Return of the Native, The Mayor of Casterbridge, Tess of the D urbervilles The Simpleton আৰু Heart Insurgent

(2) Pastoral Comedies : এই শ্ৰেণীৰ উপন্যাসৰ ভিতৰত তেওঁৰ সন্নিবিষ্ট কৰা উপন্যাস সমূহ হ'ল—The Hand of Ethelberta, A Laodivean, Two on a Tower

(3) Pastoral Romances Under the Greenwood Tree, Far from the Mading crowd, A pair of Blue Eyes, The Trumpet Major, The woodlanders

এই উপন্যাসবোৰৰ উপৰিও তেওঁ গল্পও ৰচনা কৰিছিল। ৮৯৪ চনৰ পৰা ১৯১৩ চনৰ ভিতৰত হাৰ্ডিয়ে কবিতা ৰচনাত মন দিয়ে আৰু এজন আধুনিক কবি হিচাপে নিজৰ প্ৰতিভাৰ পৰিচয় দিয়ে। Wessex Poems Poems, of the Past and present The Dynast Time's Laughing stocks আৰু Satires of Circumstances আদি তেওৰ উল্লেখযোগ্য কাব্যপুথি।

হাৰ্ডিৰ সৰ্বপ্ৰথম উপন্যাস Desperate Remedies (১৮৭১) এক অকৃতকাৰ্য্য বুলি কব পাৰি। আঙ্গিকৰ পৰিবৰ্তন সাধন কৰি তেওঁ পৰবৰ্ত্তী উপন্যাস লিখিলে under the Green wood Tree (১৮৭২) ই এখন সুখপাঠ্য

উপন্যাস। ইয়াক Wassex Novel ৰ আৰম্ভণি হিচাপে চিহ্নিত কৰিব পাৰি। ১৮৭৫ চনত প্ৰকাশিত হয় তেওঁৰ আন এখন উপন্যাস Pair of Blue Eyes। উপন্যাসখনে সমালোচক সকলৰ সুদৃষ্টি লাভ কৰে তাৰ বৰ্ণনাভঙ্গীৰ কাৰণে। প্ৰখ্যাত সমালোচক Coventry Patmore-এ ইয়াক উপন্যাসৰ পৰিবৰ্তে কাব্য বুলিহে অভিহিত কৰিছে। Tennyson ও উপন্যাসখন আন্তৰিকতাৰে অধ্যয়ন কৰি ইয়াৰ ৰচনাভঙ্গীৰ দ্বাৰা মোহিত হয়। বহুতে তেওঁৰ এই উপন্যাসখনক আত্মজীৱনীমূলক উপন্যাস বুলি কব খোজে যদিও ঔপন্যাসিকে তাক অস্বীকাৰ কৰে। অৱশ্যে Jude the obscure (১৮৯৬) উপন্যাসকো আত্মজীৱনীমূলক উপন্যাস বুলি কোনো কোনোৱে গণ্য কৰে। এনে ধাৰণাৰ মূলতে হ'ল তেওঁৰ কেবাখনো উপন্যাসত ব্যক্তিগত জীৱনৰ ছাপ, বাস্তৱ জীৱন আৰু বাস্তৱ ঠাইৰ প্ৰতিচ্ছবি প্ৰকাশ পোৱাতো।

Wassex ৰ উল্লেখেৰে প্ৰকাশ পোৱা উপন্যাস Far from the Medding crowd (১৮৭৪) ৰে তেওঁ সন্মানৰ উচ্চ শিখৰত উপনীত হয়। কিন্তু ইয়াৰ পৰৱৰ্ত্তী উপন্যাস The Hand of Ethelberta (১৮৭৪) কিছু নিৰাশাজনক। The Return of the Native উপন্যাস প্ৰকাশ হয় ১৮৭৮ চনত। শিল্প সৌন্দৰ্য্যৰে এই উপন্যাসে হাৰ্ডিৰ অনুপম দক্ষতাৰ কথাকে প্ৰকাশ কৰে। এই উপন্যাসে তেওঁৰ জীৱন আৰু জগত সম্পৰ্কে নৱ দৃষ্টিভঙ্গীকো প্ৰকাশ কৰে। আধুনিক সভ্যতাৰ বিষপানৰ তৃষ্ণাই মানুহৰ জীৱনলৈ কেনে চৰম ট্ৰেজেদি নমাই আনে তাকেই তেওঁ এই উপন্যাসত ইউষ্টেচিয়া চৰিত্ৰৰ মাজেৰে প্ৰস্ফুটিত কৰি তোলে। এনে আধুনিক জীৱন চেতনাকেই প্ৰকাশ কৰা তেওঁৰ আন এখন উপন্যাস হ'ল Two on a Tower (১৮৮২)। ধৰ্মৰ ওপৰত অনাস্থা আৰু আনহাতে বৈজ্ঞানিক বস্তুবাদৰ অগ্ৰগতি এই দুইৰ মাজত দোদুল্যমান জীৱন চেতনাকেই এই উপন্যাসত প্ৰকাশ কৰিব খোজা হৈছে। এই উপন্যাসৰ চৰিত্ৰ Mark ৰ মুখত এইভাৱৰ প্ৰতিধ্বনি প্ৰকাশি উঠিছে এনেদৰে—

It is far better to forget the universe than to bear it in mind It is the same in everything, nothing was made for man

বিশ্বৰ এই পৰিকল্পনাত মানুহৰ সুখ দুখৰ কোনো গুৰুত্ব নাই। ইয়াকে তেওঁ এই উপন্যাসত প্ৰতিপন্ন কৰিব খুজিছিল। গীৰ্জা কৰ্তৃপক্ষ আৰু খৃষ্টিয়ান সকলক এই উপন্যাসে কিছু ক্ষুব্ধ কৰে। Trumpet Major (১৮৮) এখন ঐতিহাসিক

উপন্যাস। ইয়াত নেপোলীয়নৰ যুদ্ধৰ ঘটনা প্ৰবাহকে ঠাই দিয়া হৈছে। ইয়াৰ পৰবৰ্ত্তী উপন্যাস Laodicean (১৮৮১) Trumpet Major ৰ দৰে ই কৃতকাৰ্য্যতা অৰ্জন কৰিব নোৱাৰিলে।

১৮৮৬ চনত প্ৰকাশিত হয় তেওঁৰ প্ৰখ্যাত উপন্যাস Mayor of Caster bridge ইয়াৰ পটভূমি হ'ল ওৰচেষ্টাৰ। এই ঠাইখনেই আছিল তেওৰ শৈশৱ আৰু কৈশোৰৰ লীলাভূমি। The Graphic কাকতত ই প্ৰথমে খণ্ড খণ্ডকৈ প্ৰকাশ পায় আৰু সমালোচক সকলৰ চকুত পৰে। Stevenson ৰ দৰে সাহিত্যিকে তেওঁৰ এই সৃষ্টিৰ প্ৰশংসা কৰে। এই উপন্যাসখনতো জীৱনৰ এক কৰুণ চিত্ৰ ফুটি ওলাইছে।

উপন্যাস হিচাপে শ্ৰেষ্ঠত্বৰ দাবী কৰা Tess of D Urbervilles প্ৰকাশিত হয় ১৮৯১ চনত। গাওঁলীয়া এজনী ছোৱালীৰ জীৱনৰ এক কৰুণ কাহিনী তেও ইয়াত মূৰ্ত্ত কৰি তুলিছে। টেছে এজন ধনী যুৱকক ভাল পাই প্ৰতাৰিতা হয। তাৰ পাছত তাইৰ জীৱনলৈ আহে যাজক পুত্ৰ ক্লেয়াৰ। প্ৰত্যাখ্যানৰ কৰুণ কাহিনী তাৰ আগত ব্যক্ত কৰাত ক্লেয়াৰো আতৰি যায় তাহৰ ওচৰৰ পৰা। উপায় নেপাই তাই পূৰ্বৰ প্ৰতাৰক প্ৰেমিকৰ ওচৰ চাপে। ইপিনে ক্লেযাৰ অনুতপ্ত হৈ তাইৰ ওচৰলৈ ওভতি আহে। ক্লেযাৰক পোৱাৰ আশাত তাই উৎফুল্লিত হ ল। এদিন পূৰ্ব প্ৰেমিকক হত্যা কৰি তাই ক্লেয়াৰৰ লগত পলাই গ ল কিন্তু আইনৰ চকুৰ পৰা সাৰিব নোৱাৰিলে। বিচাৰত তাইৰ ফাঁচী হ ল।

হাৰ্ডিৰ উপন্যাসত সততে এনে দুখ নৈৰাশ্যভৰা জীৱন চিত্ৰ সমুজ্জ্বল হৈ উঠা দেখিবলৈ পোৱা যায়। জীৱনৰ প্ৰতি তেওঁৰ দৃষ্টি হ ল কাৰুণ্য ভৰা আৰু নৈৰাশ্যজনক। ইয়াৰ মূলতে হ ল তেও প্ৰত্যক্ষ কৰা ভাগ্যৰ অনমনীয় আৰু অপ্ৰতিৰোধ্য গতি, যিয়ে মানুহৰ জীৱনলৈ কঢ়িয়াই আনে দুখ আৰু বিপৰ্য্যয়ৰ বোজা। হাৰ্ডিৰ মতে মানুহ নিযতিৰ হাতৰ পুতলা স্বৰূপ। মানুহে কৰা তাৰ সকলো পৰিকল্পনা ভাগ্যৰ নিষ্ঠুৰ হাতে মোহাৰি পেলায়। মানুহে ভাবে কিবা, হয় আন কিবা এটা। The Return of the Native উপন্যাসত Eusteciea ই এই শক্তিটোৰ কথা উপলব্ধি কৰি কৈ উঠিছিল—

> I was Capable of much but I have been injured and blighted and crushed by things beyond my control

এইখিনিতে মনত পৰে Shakespear এ তেওঁৰ King Lear নাটকত Gloster-এ এই সম্বন্ধে কৰা মন্তব্যষাৰ।

As flies to wanton boys are we to the Gods
They kill us for their sports

হাৰ্ডিয়েও এই আদৰ্শক বিশ্বাস কৰিয়েই বোধহয় Tess উপন্যাসত এই উক্তিষাৰ উদ্ধৃত কৰিছে। জগতখন কোনো এক ন্যায় আৰু সুবিচাৰ সঙ্গতভাৱে নচলে। আমি ভগবানৰ হাতৰ ক্ৰীড়নক, আমাৰ সতে তেওঁ খেলে মৃত্যুৰ খেলা।

কিন্তু জগতখন এনে হলেও মানুহে এনে আচৰণ কৰা উচিত যাতে জগতৰ এই আপাত দৃষ্টিৰ নিষ্ঠুৰতা আৰু অস্তিত্বৰ অসাৰতা সত্বেও এক জীৱন ধাৰাক অন্য এক জীৱনতকৈ উত্তম বুলি প্ৰতীয়মান হয়। ট্ৰেজেদি ৰচক সকলে এইটোকে প্ৰতিপন্ন কৰিব খোজে যে জগত যিমানেই নিষ্ঠুৰ নহওক তাত সত্য আৰু সুন্দৰতাও বিৰাজমান। সেয়ে দেখুওৱা হৈছে Orestes সত্য আন হাতে clytemnestra ভুল। অথেলো আছিল ইয়াগোতকৈ সুন্দৰ। ভুল কৰোতা জনকো আকৌ দোষ জাপি দিব নোৱাৰি। তেওঁ ভাগ্যৰ সোঁতত উটি ভা হি ফুৰা এক শিলগুটি স্বৰূপ। ভাল আৰু বেয়াৰ শুভ আৰু অশুভৰ এই চিৰন্তন নাটক খনত তেওঁ আকৌ ভাও দিবলৈ কৰ্মবদ্ধ।

ট্ৰেজেদিয়ে মহাবিশ্বৰ বিশালতাৰ সন্মুখত মানুহৰ ক্ষুদ্ৰত্ব আৰু সময়ৰ নিষ্ঠুৰ মোহাৱণিৰ সন্মুখত তাৰ জীৱনৰ কৰুণতা মূৰ্ত্ত কৰি তুলিও দেখুৱাব বিচাৰে জীৱনৰ মহত্তৰ ব্যঞ্জনা। সেয়ে ট্ৰেজেদিৰ দুখৰ মাজতো আশাজনক কথা হ ল ই জীৱনৰ সৌন্দৰ্য্যৰ, মহত্বৰ অনুসন্ধান। জীৱনৰ বিৰুদ্ধে বিদ্ৰোহে কোনো মহৎ কলাৰ সৃষ্টি কৰিব নোৱাৰে। জীৱনৰ শান্ত শিব ৰূপৰ প্ৰকাশেহে সাহিত্যক কৰে যুগমীয়া। হাৰ্ডিয়েও জীৱনৰ এই দিশৰ ওপৰত আলোকপাত কৰিছে।

ট্ৰেজেদিৰ দুটা মুখ্য উপাদান হ ল ত্ৰাস (Terror) আৰু কৰুণা (Pity)। ত্ৰাসে বা Terror এই সত্যৰ দ্বাৰাই প্ৰতিপাদিত হয় যে মানুহ বিশাল বিশ্ব পৰিচালনা শক্তিৰ এক চিকাৰ মাত্ৰ। মানুহক এক বিপৰ্য্যয়ৰ ফান্দত সততে বন্দী কৰা হয় আৰু এই ফান্দখনকে গ্ৰীক সকলে ভাগ্য বুলি কৈছে। ছেক্সপিয়াৰে কৈছে চৰিত্ৰক। সেয়ে তেওঁৰ মতে হ ল character is destiny, আকৌ কৰুণা মানে অনুভূতি প্ৰৱণতা বা স্নেহ নহয়, ই সৌন্দৰ্য্য চেতনা তথা সৌকুমাৰ্যৰ লগত জড়িত। কোনো এজন মানুহে কষ্ট ভোগ কৰিলেই কৰুণা নেজাগে, জাগে এক সুন্দৰৰ অৱসান ঘটিলে বা ভাঙি চিঙি চুৰমাৰ হলে। এই সুন্দৰৰ লগতে জড়িত হৈ আছে মানবীয় মৰ্য্যাদা বা dignity of man

হাৰ্ডিৰ উপন্যাসত ট্ৰেজেদিৰ এই ত্ৰাস প্ৰকাশি উঠিছে সমসাময়িক জীৱন চেতনাক কেন্দ্ৰ কৰি। তেওঁৰ মতে মানুহ যি ভয়ানক জালত বান্ধ খাই দুখকষ্ট ভোগে সেই জালখন হ'ল তাৰ অস্তিত্বৰ অসাৰতাৰ ধাৰণাৰ। ধৰ্মই আমাৰ জীৱনৰ দুখ বেদনা, ঘাট প্ৰতিঘাট আদিৰ সুষম ব্যাখ্যা দিয়ে, কিন্তু এই ধৰ্ম চেতনা যেতিয়া নাইকিয়া হয় সি অনুভৱ কৰে কিবা এক অদৃশ্য অশুভ শক্তিয়ে তাৰ জীৱনলৈ দুখ কঢ়িয়াই আনে। আধুনিক জীৱন চেতনাই তাক বন্দী কৰি দুখত পতিত কৰিছে। হাৰ্ডিৰ মতে এই ত্ৰাস (Terror) সম্পূৰ্ণভাৱে আধুনিক কালৰ সৃষ্টি। Tess উপন্যাসত Angle Clare ৰ বিষয় কওঁতে তেওঁ ইয়াকে কৈছে যে—Clare become wonderfully free from the chronic melancholy which is taking hold of the Civilised races with the decline in belief in a beneficient power

হাৰ্ডিৰ কৰুণাৰ ধাৰণাৰ লগত সৌন্দৰ্য্য ধাৰণা নিহিত হৈ আছে। সৌন্দৰ্য্য বা সুকুমাৰ ধাৰণা নিহিত নেথাকিলে সেই কৰুণাই কেতিয়াও ট্ৰেজেদিৰ সৃষ্টি কৰিব নোৱাৰে। হাৰ্ডিৰ নায়ক নায়িকাবোৰৰ জীৱনলৈ ট্ৰেজেদি কঢ়িয়াই আনিছে এই সৌকুমাৰ্য্যই (fineness)। এই সৌকুমাৰ্যৰ প্ৰসাৰ নঘটিলে চৰিত্ৰই কৰুণাৰ সঞ্চাৰ কৰিব নোৱাৰে। টেছ উপন্যাসত টেছ চৰিত্ৰই কাৰুণ্য সঞ্চাৰ কৰে কাৰণ তাই আছিল এক আলসুৱা প্ৰকৃতিৰ। কঠোৰ তাইৰ জীৱনক এক সন্তোষজনক ৰূপ দিবৰ বাবে তাই অসমৰ্থ। তাইৰ অনুভূতি প্ৰৱণতা তাইৰ সাধুতা আৰু পবিত্ৰতা তাইৰ ধ্বংসৰ কাৰণ হ'ল।

প্ৰায়বোৰ শ্ৰেষ্ঠ ট্ৰেজেদিতে কাৰুণ্য সঞ্চাৰ কৰা হয় এই সৌন্দৰ্য চেতনাৰ সঞ্চাৰেৰে। হেমলেট আদি চৰিত্ৰতো এনে সৌকুমাৰ্য দেখা যায়, কিন্তু চেকচপিয়াৰৰ নাটকৰ চৰিত্ৰৰ এই দিশটো কিছু পৰিমাণে ব্যাহত হৈছে চাৰিত্ৰিক খুতৰ (flaw) কাৰণে। এই খুতেই ব্যক্তিৰ জীৱনলৈ নমাই আনিছে বিপৰ্য্যয়। হাৰ্ডিৰ বাবে সাধাৰণতে দোষ লুকাই থাকে উশৃঙ্খল, অদৃশ্য বিশ্বশক্তিৰ মাজত, অন্তনিৰ্হিত ইচ্ছা শক্তিত। যি শব্দ আৰু ৰোষেৰে পৰিপূৰ্ণ। হাৰ্ডিৰ উপন্যাসত এই ইচ্ছাশক্তিৰ প্ৰায়ে চৰিত্ৰৰ অনিষ্ট সাধন কৰিছে, কেতিয়াবা আকৌ ইচ্ছাৰ খামখেয়ালিৰ বাবে চৰিত্ৰবোৰে ভুগি সহানুভূতিৰ পৰাও বঞ্চিত হৈছে।

হাৰ্ডিৰ এই শোকানুভূতিৰ লগতে প্ৰকৃতিৰ ধাৰণাও নিহিত হৈ আছে। হাৰ্ডি আছিল প্ৰকৃতি প্ৰেমিক। প্ৰকৃতি প্ৰেমত প্ৰত্যায়িত হৈ তেওঁ কব পাৰিছিল The Sea changed, the fields changed, the rivers, the villages and

the people changed, yet Egdon remained সকলোৰে পৰিবৰ্তন হয়, নহয় কেৱল প্ৰকৃতিৰ। এই প্ৰকৃতিৰ সতে মানুহৰ ওতঃপ্ৰোত সম্বন্ধ। তেওঁৰ উপন্যাসৰ চৰিত্ৰক বুজিবলৈ প্ৰকৃতিকো বুজিব লাগিব। প্ৰকৃতিৰ সতে মানুহৰ সম্পৰ্ক কেনে গভীৰ আৰু সেই সম্পৰ্কৰহিত হলেই মানুহৰ জীৱনলৈ কেনেকৈ ট্ৰেজেদি নামি আহে তাকেই তেওঁ উপন্যাসত দেখুৱাইছে।

গাঁৱলীয়া সহজ সৰল প্ৰকৃতিৰ পটভূমিত মানুহৰ জীৱনৰ লীলাখেলা তেওঁ মূৰ্ত কৰি তুলিছে। তেনে মানুহৰ জীৱন হাঁহি কান্দোন প্ৰেম ঈৰ্ষা দেখুৱাবৰ কাৰণে তেওঁ বাচি লৈছিল wassex ৰ অঞ্চল। তেওঁ লগতে দেখুৱাইছিল এই প্ৰকৃতিৰ সতে পৰিশ্ৰমী চহা জীৱনৰ ৰহস্যময় সম্পৰ্ক। মানুহৰ চৰিত্ৰক গঢ় দিয়াত এই প্ৰকৃতিয়ে কেনে অৱদান আগবঢ়াইছে তাৰো ব্যঞ্জনা তেওঁ ডাঙি ধৰিছে চৰিত্ৰবোৰ অংকন কৰোতে। উদাহৰণ স্বৰূপে মাৰ্টি চাউথৰ আত্মত্যাগী প্ৰেমক জিলবিবেনৰ স্বভাবক বুজিবলৈ প্ৰকৃতিৰ সতে তেওঁলোকৰ গভীৰ সম্পৰ্কৰ কথাক উপলব্ধি কৰিব লাগিব।

কবি ওৱৰ্ডচৱৰ্থ বা শ্যেলীয়ে প্ৰকৃতিৰ মাজত যি লোকত্তৰ প্ৰেমৰ ব্যঞ্জনা দাঙি ধৰিছিল তেনে ব্যঞ্জনা হাৰ্ডিয়ে মূৰ্ত কৰি তোলা নাই। দুখবাদ আৰু নিয়তিবাদৰ প্ৰসাৰেৰে ই ওৱৰ্ডচৱৰ্থৰ ধাৰণাৰ বিপৰীত দিশহে প্ৰকটিত কৰিছে। কিন্তু হাৰ্ডিয়েও বিশ্বাস কৰে মানুহ প্ৰকৃতি জগতৰ সান্নিধ্যৰ পৰা আতৰি গলেই তাৰ জীৱনলৈ দুখ আৰু কাৰুণ্য নামি আহে। গাওঁৰ সহজ সৰল প্ৰকৃতিৰ বুকুৰ পৰা নাগৰিক সভ্যতাৰ প্ৰতি গভীৰ ভাৱে আকৰ্ষিত হৈ ইউষ্টেচিয়াই গাওঁ এৰিব খুজি অৱশেষত মৃত্যুক সাৱতি লব লগা হল।

টমাচ হাৰ্ডি আছিল এজন দক্ষ কাহিনীকাৰ। হাৰ্ডিৰ আছিল এথন কবি হৃদয় আৰু সেই হৃদয়ৰ কল্পনা আৰু অনুভূতিৰে তেওঁ কাহিনী নিৰ্মাণ কৰিছিল। E M Forster ৰ ভাষাত Hardy Seems to me essentially a poet who conceives of his novel from an enormous height তেওঁৰ বৰ্ণনা দক্ষতাই কাহিনী আৰু পৰিবেশক জীৱন্ত কৰি তুলিছিল কিন্তু কল্পনা প্ৰৱণতাই কাহিনীবোৰক অপ্ৰত্যাশিত ঘটনাৰ দ্বাৰা কেতিয়াবা ভাৰাক্ৰান্ত কৰি তুলিছিল। তেওঁৰ প্ৰায়বোৰ উপন্যাসতে coincident ৰ প্ৰাধান্য বেচি। ইয়াৰ ফলতে চৰিত্ৰবোৰো হৈ পৰিছে ক্ৰীড়নক স্বৰূপ। তেওঁৰ উপন্যাসৰ এই দিশবোৰৰ ওপৰত আলোকপাত কৰি Forster এ পুনৰ কৈছে Hardy arranges events with emphasis on causality the ground plan is a plot, and the characters are ordered to acquiesce in its regimentation

হাৰ্ডিক ট্ৰেজেডিৰ ৰচক হিচাপে বিচাৰ কৰিবলৈগে তেওঁৰ উপন্যাসত কাহিনী আৰু চৰিত্ৰৰ সম্পৰ্কৰ ওপৰত প্ৰখ্যাত সমালোচক Bonamy Dobree য়ে বিস্তৃত ভাবে আলোচনা কৰিছে। প্লট বা কথাবস্তু মানে অকল কাহিনী নহয় ই এক বিশেষ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাকৈ সজোৱা ঘটনাৰাজি। ঘটনাৰাজিৰ লগতে সকলো ধৰণৰ চিন্তা ভাব মূল্যবোধ আদিৰ জৰিয়তে সৃষ্টি হোৱা অনুভূতি—যি প্ৰকৃততে কাহিনীৰ লগত যুক্ত নহয় সেয়াও ইয়াৰ ভিতৰুৱা। কলাত্মক সৃষ্টিকৰ্ম জীৱনৰ লগত একে নহয় ই জীৱনৰ দৰেহে। জীৱনৰ পৰা ইয়াক বেলেগ কৰে ইয়াৰ পেটাৰ্ণে। চৰিত্ৰবোৰে অবিচ্ছেদ্যভাবে পেটাৰ্ণৰে অ শ স্বৰূপ। যিহেতু কলা জীৱন নহয়। পেটাৰ্ণে প্ৰতীকাত্মক ভাৱহে প্ৰতিনিধিত্ব কৰে। ই দুটা কথাৰ এটাক প্ৰতিনিধিত্ব কৰিব পাৰে আৰু সেই দুটা হ ল জীৱন তাৰদৰে নাইবা ‘মানুহবোৰ তেনেকুৱা, কথাবস্তু আৰু চৰিত্ৰ দুয়োটাই প্ৰতীকমাত্ৰ। কিন্তু কথা হ ল কোনটো প্ৰতীক ট্ৰেজেডিৰ বাবে বেচি গুৰুত্বপূৰ্ণ এনেকৈয়ে ঘটনা ঘটে, নে মানুহবোৰ এনেকুৱাই ? বোধহয় প্ৰথমটোৱে যিহেতু সাৰিব নোৱৰা বিপৰ্য্যয়ৰ সন্মুখত মানুহৰ ক্ষুদ্ৰত্ব প্ৰদৰ্শন কৰাই ট্ৰেজেডিৰ লক্ষ্য। তাৰোপৰি ট্ৰেজেডিয়ে লক্ষ্য ৰাখে সাৰ্বজনীনতালৈ। আমি যদি কেৱল চৰিত্ৰৰ প্ৰতি মনোযোগী হওঁ কথাবস্তুই (Plot) এইটো সত্যকে প্ৰকাশ কৰে— এইটো ঘটিছিল চৰিত্ৰৰ ক্ষেত্ৰত । এৰিষ্টোটলে কৈছিল Character gives unqualities, but it is in our actions, in what we do, that we are happy or the reverse

হাৰ্ডিৰ উপন্যাসত সাধাৰণতে চৰিত্ৰবোৰক প্ৰকৃতি আৰু ভাগ্যই নিয়ন্ত্ৰণ কৰে। হাৰ্ডিৰ মতে প্ৰকৃতি হ ল মানুহৰ আচৰণৰ নিয়ন্ত্ৰক। গাওঁলীয়া জীৱন এই প্ৰকৃতিৰ লগত যে গভীৰ ভাবে সম্পৰ্কযুক্ত তাকে তেও প্ৰতিপন্ন কৰিব বিচাৰিছে তেওঁৰ উপন্যাসৰ চৰিত্ৰ সমূহৰ যোগেদি। প্ৰকৃতি আৰু গ্ৰাম্য জীৱনৰ সম্পৰ্কৰ কথালৈ আঙুলিয়াই দি হাৰ্ডিয়ে কৈছে—That poetry which inspite of the sting of poverty is inseperable from such a condition of life as the countryman s lies in his absolute dependance on the moods of air earth and sky Sun rain, snow wind down darkness mist are to him (Countryman), now as ever personal assis tance and instructors masters and acquaintances with whom he comes directly into contact whose varying temper must be well considered before he can act with effect

হাৰ্ডিৰ মতে মানুহৰ প্ৰকৃতিৰ সতে স ঘৰ্ষ ঘটে কাৰণ প্ৰকৃতিয়েই হ ল ভাগ্যৰ শক্তিৰ আধাৰ। প্ৰকৃতিৰ অসীম শক্তিযে এক চৰিত্ৰৰ ভূমিকা লৈ উপন্যাসৰ ঘটনাক্ৰমতো অৱদান যোগায়। প্ৰকৃতিৰ অঙ্গ হিচাপে মানুহো নিষ্ঠুৰ আৰু যান্ত্ৰিক হোৱাতো বাঞ্চনীয় আছিল কিন্তু যিহেতু তাৰ মন আৰু অন্তৰ আছে গতিকে প্ৰকৃতিতকৈ সি বেলেগ হৈছে। এই তত্ত্বোৰকে হাৰ্ডিয়ে তেওঁৰ উপন্যাসৰ চৰিত্ৰাঙ্কনৰ মাজত মূৰ্ত কৰি তুলিছে।

চৰিত্ৰাঙ্কনৰ ক্ষেত্ৰত হাৰ্ডিয়ে নিজৰ দক্ষতা প্ৰতিপন্ন কৰিছে বিবিধ মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য সমুজ্জ্বল কৰি। কিন্তু তেওঁৰ চৰিত্ৰবোৰ কিছুমান নিৰ্ধাৰিত সাঁচত মৰা। সেয়ে তেওঁৰ উপন্যাসৰ চৰিত্ৰবোৰক কেইটামান বিশেষ শ্ৰেণীত অন্তভূক্ত কৰিব পাৰি যেনে—(১) নিস্বাৰ্থ আৰু কোমল হৃদয়ৰ যেনে Gabriel Oak, Giles winterborne, John Hoverday আৰু Diggory Veun (২) সাহসী, বিশ্বাস ঘাটক আৰু চঞ্চল হৃদয়ৰ যেনে Troy Wildeve Fitzipers আৰু D Urberille, (৩) সহিষ্ণু ক্ষমাশীল আৰু সদগুণ বিভূষিত নাৰী যেনে Tess Marty আৰু Elizabeth Jame, (৪) সৰল আৰু সৎ অন্তৰৰ তিৰোতা যেন Bathseba, Grace Fancy আৰু Anne (৫) ৰোমাণ্টিক আৰু অনুভূতি প্ৰৱণ তিৰোতা যেনে Eustecia, Mrs Charmond, Lucetta আৰু Lady Constantine

হাৰ্ডিয়ে একে সাচতে প্ৰায়বোৰ উপন্যাসত চাৰিত্ৰবোৰ গঢ় দিছে কিন্তু নতুন ধৰণৰ চৰিত্ৰ সৃষ্টি কৰিব পৰা নাই। ইয়াৰ কাৰণ দৰ্শাই David Cecil-এ কৈছে Hardy s view of life made this kinship between his creature inevitable Always he conceive man in relation to ultimate human destiny and in such a relation only certain qualities sprike him as Significant In harsh ward he sees man as thirsting for happiness and imagining that he will find it by love in some form or another This love may make him selfless or seefish forgiving or resentful, he may struggle or he may submit but his objects is always the same and he reacts to circumstances in one of these ways

Wassex ৰ চৰিত্ৰবোৰ হাৰ্ডিৰ হাতত জীৱন্ত হৈ উঠিছে সিইতৰ লগত তেওঁৰ গভীৰ সহচৰ্যৰ ফলত। এই চৰিত্ৰবোৰৰ প্ৰেম ভাল পোৱা আদি হৃদয়ৰ অনুভূতি

প্ৰকাশত তেওঁ যথাৰ্থতা দেখুৱাইছে। এই ধৰণৰ নাৰী চৰিত্ৰবোৰৰ আবেগ অনুভূতি প্ৰকা।ত তেওঁৰ কুশলতা দেখুৱাইছে। নাৰীৰ প্ৰতি গভীৰ আকৰ্ষণ প্ৰদৰ্শন কৰোতে এই অনুভূতি প্ৰৱণতাবে কেইবাটাও পুৰুষ চৰিত্ৰ সজীৱ হৈ পৰিছে। কিন্তু এ* ক্ষেত্ৰত নাৰী বোৰে অনুভূতিৰ জোৰত মূল পথৰ পৰা সময়ে সময়ে আতৰি গৈছে।

যদিও সূক্ষ্ম চৰিত্ৰৰ অঙ্কনত তেওঁ পাৰদৰ্শিতা দেখুৱাইছে, জৰ্জ এলিয়টৰ চৰিত্ৰ বোৰৰ দৰে সেই চৰিত্ৰবোৰ মানসিক বিশ্লেষণৰে বৈচিত্ৰ্যময় হৈ পৰা নাই। কিন্তু অনুভূতিৰ অভিজ্ঞতাৰ পুংখানুপুংখ বিশ্লেষণ দুই এক চৰিত্ৰৰ মাজত দেখিবলৈ পোৱা যায়। এই ধৰণৰ দুটা চৰিত্ৰ হ'ল Tess আৰু Eustecıa।

হাৰ্ডিৰ উপন্যাসত প্ৰকৃতিয়ে পটভূমিৰ লগতে চৰিত্ৰ হৈ প্ৰবেশ কৰিছে। "Hardy developed nature as a character farther than any other writer [২] হাৰ্ডিৰ উপন্যাসত ই অনুভৱ কৰে। ই কষ্ট ভোগ কৰে, আৰ্তনাদ কৰে জীৱন্ত মানুহৰ দৰে। The Return of the Native উপন্যাসত Egdon Heath-এ গোটেই কাহিনীৰ সূত্ৰ ধৰিছে।

হাৰ্ডিৰ উপন্যাসত আৰু এশ্ৰেণী চৰিত্ৰ আছে। সাধাৰণতে গাৱলীয়া আৰু সাধাৰণ চৰিত্ৰবোৰৰ সমাহাৰেৰে ই গঠিত হয়। ইয়াক chorus বুলি কব পাৰি। এই চৰিত্ৰবোৰে সমবেত হৈ chorus ৰ দৰে উপন্যাসত প্ৰবেশ কৰে আৰু নিজৰ আচৰণেৰে তাত হাঁহে, কথা পাতে কান্দে। A Pair of Blue eyes ৰ কবৰ খান্দোতা সকল, For Form the Mıddıng crowd ৰ খেতিয়ক বোৰ The Return of the Native ৰ খৰিকটীয়া হ'ত এনে ধৰণৰ চৰিত্ৰ। এই Chorus চৰিত্ৰৰ গুৰুত্বৰ বিষয়ে David Cecıl এ কৈছে 'Indeed these Characters, it is their most ımportant functıon are necssary to set Hardy s maın and serıous drama ın Perspeatıve wıth human lıfe as a whole The chorus ıs the Symbol of the great majorıty of humdrums mertals who go on lıvıng through their eventful days whatever Catastophes may overtake the finer spırits placed among them Henchard and Eustecıa may leve and suffer and die but the rustıcs go on It ıs they

2. Dobree, Bonamy Thomas Hardy ın English critical essay P339

who bring the children to birth, dance the wedding moure at the gaveyard and speak the epitaph ever the tomb

সাধাৰণ চৰিত্ৰবোৰৰ যোগেদি তেওঁ হাস্যৰসৰ যোগান ধৰিছে, তেওঁ হাসাৰ কটু ব্যঙ্গৰ সমাবেশ নাই মানুহৰ দুখ বেদনা দোষ ত্ৰুটিক তেওঁ কেতিয়াও উপহাস নকৰে কাৰণ মানুহ হৈছে ভাগ্যৰ ব্যঙ্গৰ চিকাৰ। নিৰ্দোষ হাস্যৰসৰ মধুৰ সমাবেশেৰে দুই এটা বৰ্ণনা অনুপম হৈছে।

হাৰ্ডিয়ে নিজৰ ব্যক্তিত্ব সমুজ্জল এক ষ্টাইলৰ অধিকাৰী আছিল। তেওঁৰ ভাষা, ৰচনাভঙ্গীৰ মাজেৰে এই Style প্ৰস্ফুটিত হৈছে। তেওঁৰ কবি হৃদয়ৰ আবেগ উচ্ছাসিত ভাষা আৰু আনহাতে সেইবোৰে শব্দ চিত্ৰ বহন কৰিব পৰা ক্ষমতাৰে উপন্যাসৰ বৰ্ণনাভঙ্গীক এক স্বকীয়া মৰ্যাদা দান কৰিছে। উপমা আৰু ৰূপকাদি অলংকাৰ প্ৰয়োগেৰে তেওঁৰ ভাষাই তেওঁৰ কবি হৃদয়ৰে পৰিচয় দাঙি ধৰিছে। এই সন্দৰ্ভত Henry charls doffin-এ কৈছে "Hardy's style is generally pure prose and his similies are necessarily of the same kind (belonging to Prose style) they seldom have the powerful Imaginative penetation of the figure in its poetic form but they arrest the attention and excite admiration by something as near this as prose can go a very felicitons and original illuminating power combined with a complete precision and appropriateness in all parts of the comparison

ঔপন্যাসিক Thackery-ৰ দৰে হাৰ্ডিয়েও উপন্যাসত চিঠি সংযোগ কৰিছে। এই চিঠিবোৰেও চৰিত্ৰবোৰৰ ভাব অনুভূতি বুজি পোৱাত বিশেষ সহায় কৰে। The Return of the Native উপন্যাসত Eustecia ৮ Demon-ৰ প্ৰতি থকা আকৰ্ষণ হেৰুৱাই পেলোৱাৰ খাকৰ তাইৰ চিঠিখনে বহন কৰিছে। তাই লিখিছে।

Mr Wildere

After some thought I have decided once and for all that we must hold no farther communication The more I consider the matter the more I am Convinced that there must be an end to our acquaintance

হাৰ্ডি এজন সুদক্ষ লিখক আছিল কিন্তু কলাকাৰৰ দক্ষতা সকলো ৰচনাতে প্ৰকট হোৱা নাই। তেওঁৰ উপন্যাসৰ কাহিনীবোৰ সৰল হলেও সেইবোৰ

শিথিল আৰু পৰিকল্পনাহীন। বহু সময়ত কাহিনী অসংলগ্ন আৰু অবিশ্বাস্য। হাৰ্ডিয়ে তেওঁৰ সৃষ্টিক প্ৰচাৰধৰ্মী কৰি তুলিছে সময়ে সময়ে। নৈতিক আদৰ্শবাদে তেওঁৰ সৃষ্টিৰ কলাত্মক দিশক ক্ষুণ্ণ কৰিছে। David Cecil এ কৈছে Now and again undisciplined as he was by a strong critical sense his moral intention dominates his artistic inspiration

এইবোৰ ত্ৰুটি সত্ত্বেও টমাচ হাৰ্ডিৰ উপন্যাসে পাঠক তথা সমালোচকৰ মাত গভীৰ ৰেখাপাত কৰি যায় তাৰ সাৰ্বজনীন আবেদনৰ বাবে।

দি ৰিটাৰ্ণ অৰ দি নেটিভ

হাৰ্ডিৰ উপন্যাসে Lesli Stephen সম্পাদিত The cornhill আলোচনীত ঠাই পাইছিল আৰু ই আছিল তেওৰ বাবে এক গৌৰবৰ বিষয়। সেই সময়ৰ প্ৰখ্যাত লিখক ট্ৰলপ, জৰ্জ এলিয়ট, মিচেচ গাচকেল, কলিনচ চাৰ্লচ ৰীদ আদি প্ৰখ্যাত লিখক সকলে এই আলোচনীত নিয়মীযাকৈ লিখিছিল।

ইতিমধ্যে হাৰ্ডিৰ লিখনি প্ৰকাশ কৰা উক্ত আলোচনীখনৰ সম্পাদকে কিন্তু তেওঁৰ The Return of the Native উপন্যাসখন প্ৰকাশ কৰিবলৈ অনিচ্ছুক হল। উপন্যাসৰ প্ৰচলিত ধাৰাতকৈ ই ফালৰি কটা আৰু ই বিযোগাত্মক কাৰণেই হয়তো উক্ত আলোচনীৰ তৰফৰ পৰা ইয়াক প্ৰত্যাখ্যান কৰা হৈছিল। উপন্যাসৰ শেষৰ ফালে অলপ পৰিবৰ্তন সাধন কৰি পৰিণতিটো সুখদায়ক কৰি তুলিবলৈ আন এখন আলোচনী Belgrevia ৰ তৰফৰ পৰা তেওক কোৱা হ'ল আৰু হাৰ্ডিয়ে সেই মতে কৰাত উক্ত আলোচনীখনে এই উপন্যাসখন প্ৰকাশ কৰে।

এই উপন্যাসৰ মূল কাহিনীত চমকপ্ৰদ কাৰুণ্যৰ সঞ্চাৰ ঘটিছে অৱশ্যে শেষত এক সুখদায়ক পৰিণতি ৰচনা কৰা হৈছে যদিও ইয়ে শোকেৰে দ্ৰবীভূত হৃদযক উপশম কৰিবলৈ বিশেষ সক্ষম হোৱা নাই। এই উপন্যাসখনৰ সন্দৰ্ভত এই প্ৰসঙ্গত সমালোচক R Rutland-এ কোৱা এষাৰ কথা প্ৰণিধান যোগ্য।

He did not say outright in this book as he said in later ones that life is a tragedy But he was becoming profoundly conceived of the tragedy of life in such a mood this novel was conceived and written and to that conviction it bears eloquent witness

উপন্যাসৰ কাহিনীটো এনে ধৰণৰ—

এগডন প্রান্তৰ। প্রকৃতিৰ এক লীলাভূমি। ইয়াৰ বুকুতে কত যে জীৱনৰ বিচিত্র ৰূপৰেখা। ডিগৰিবেন যেন এই প্রকৃতিৰ সন্তান। ইয়াৰ বুকুত ভ্রমি সি পায় জীৱনৰ অনন্য স্বাদ।

মিচেচ ইয়ব্রাইটৰ ঘৰতে থাকে টমাছিন, ব্রুমচ এগুৱ ইয়ব্রাইট হয় টমাছিনৰ মাহীয়েক। ইয়ব্রাইটৰ একমাত্র সন্তান ক্লীম থাকে পেৰিচত। তাত সি ব্যৱসায় কোম্পানীৰ লগত জড়িত।

টমাছিনৰ প্রতি ডিগৰিবেনৰ আগৰ পৰা দুৰ্বলতা আছিল কিন্তু টমাছিনে তাৰ পৰিবৰ্তে ডেমনৰ লগতহে ঘাট বাট কৰিবলৈ ধৰিলে। অৱশেষত দুয়োৰে বিয়াও ঠিক হল। কিন্তু হবলগীয়া গীৰ্জাৰ পৰিবৰ্তে অন্য এটা গীৰ্জালৈ বিবাহ পাতিবলৈ যোৱা বাবে তেওঁলোকৰ বিয়া নহল। টমাছিন খঙত ঘৰলৈ উভতি আহিল আৰু বাটতে যাযাবৰ ডিগৰি বেনে লগ পাই তাৰ গাড়ীখনেৰে তাইক ঘৰলৈ লৈ আহিল।

মিষ্টভাৰ টিলাত থাকে কেপ্তেইন ভাই। তেওঁৰে নাতি ইউষ্টেচিয়া। সুন্দৰী চঞ্চলা এক গাভৰু। তাইৰ লগত ডেমনৰ আগৰ পৰা সম্পৰ্ক আছিল। টমাছিনৰ লগত বিয়া ভাঙি যোৱা বুলি জানি ডেমনক তাই তাইৰ ওচৰলৈ সংকেত শিখাৰে মাতি পঠালে। আচলতে সি টমাছিনৰ হৈ যাব খোজাত তাইৰ জেদ লাগিছিল আৰু তাইৰ পৰা তাক টানি আনিব খুজিছিল। প্রেমতকৈ জেদেই যে ইয়াত নিহিত হৈ আছিল সেই কথা ইউষ্টেচিয়াৰ কথাৰ পৰাই বুজি পোৱা গৈছিল।

I merely lit that fire because I was dull and thought I would get a little excitement by calling you up and triumphing over you as the witch of Ender Called up Samuel I determined you should come, and you have came I shown my power A mile and half hither, and a mile and half back again to your home—three miles in the dark for me Have I not shown my power

দুয়োৰে মাজত সম্পৰ্ক পুনৰ গঢ়ি উঠাত ডিগৰিবেন চিন্তিত হল টমাছিনৰ বাবে। ইউষ্টেচিয়াক সি লগ ধৰি টমাছিনৰ কথা বুজায়ো কলে। ইউষ্টেচিয়াই তাৰ কোনো কথালৈ কান নিদিলে। ডেমনৰ টমাছিনক ঠগিবৰ মত যোৱা নাছিল। সি অলপ হেহো নেহো কৰিলে। কিন্তু ইউষ্টেচিয়াৰ পাল্লাত পৰি সি তাইৰ লগত

গণ্ডনক এৰি গুচি যোৱাৰ সংকল্প ললে কাৰণ ইউষ্টেচিয়াৰ দৰে গেণ্ডনৰ এই পৰিবেশ সিও ভাল নেপায়।

ডিগৰিবেনে টমাছিনক গ্ৰহণ কৰিবলৈ ঠিক কৰি ইয়ব্ৰাইটৰ ওচৰ চাপিল। সি ডেমন আৰু ইউষ্টেচিয়াৰ সম্পৰ্কৰ কথা খোলাখুলি ভাবে আলোচনা কৰিলে আৰু এনে পৰিস্থিতিত সি টমাছিনক গ্ৰহণ কৰিবলৈ সাজু বুলিও কলে। ইয়ব্ৰাইটে এবাৰ ডেমনক এই বিষয়ে সুধিচাবৰ বাবে তাৰ ওচৰ চাপিল। তেওঁ ডেমনক কলে যে টমাছিনক বিয়া কৰোৱা যদি তাৰ অভাৱ নাই যদি সি তাইক গ্ৰহণ নকৰে তেনেহলে অইনলৈ তাইক বিয়া দিব।

ডেমনে তাৰ সিদ্ধান্ত লগে লগে দিব নোৱাৰিলে। টমাছিক বিয়া কৰোৱা নকৰোৱাৰ বিষয়ে আৰু দুদিনমান পাছত কব পাৰিব বুলি কৈ গল।

ইউষ্টেচিয়াৰ প্ৰকৃতি অতি থামখেয়ালী ধৰণৰ। যেতিয়াই তাই শুনিলে টমাছিয়ে অন্য মানুহৰ লগত বিয়া হব খুজিছে তাইৰ ডেমনৰ প্ৰতি মনটো চেঙাই গল। অন্যৰ পত্নীক এজন পুৰুষক তাই আপোন কৰি লবলৈ ইচ্ছা নকৰিলে। ডেমনৰ প্ৰতি তাইৰ দৃষ্টি ভোৱা ভাব সমনি যেন নাইকিয়া হৈ পৰিল। আৰু কেইদিনমান পাছতে তাই ডেমনৰ সতে সেই ঠাই এৰি যোৱাৰ কথা। তাইৰ মনৰ অৱস্থা ঠিক নোহোৱা হল। এনেতে ইয়ব্ৰাইটৰ দেখনিয়াৰ পুতেক ক্লীম পেৰিচৰ পৰা মাকৰ ওচৰলৈ উভতি আহিব বাতৰিয়ে এগডন প্ৰান্তৰ মুখৰ হৈ উঠিল। ইউষ্টেচিয়া আকুল হৈ উঠিল ক্লীমৰ বাবে। ডেমনৰ প্ৰতি থকা সকলো আকৰ্ষণ তাই হেৰুৱাই পেলালে আৰু তাৰ প্ৰেম তাই প্ৰত্যাখ্যান কৰি এখন চিঠি লিখিলে। তাই লগতে মনত কৰি দিলে—

Had you been uniformly faithful to me throughout these two years you might now have some ground for accusing me of heartlessness but if you calmly consider what I bore during the period of your disertion, and how I passively put up with your courtship of another without once interfering you will I think, own that I have a right to consult my own feelings when you came back to me again

ডেমনে টমাছিনক বিয়া কৰাবলৈ প্ৰস্তাৱ লৈ তেওঁৰ ঘৰলৈ গল। ডিগৰিবেন যোৱাৰ আগতে টমাছিনক ডেমনেই লাভ কৰিলে। ডিগৰিবেনৰ ইচ্ছা টমাছিনৰ সুখ দেখাতো। তাই যদি ডেমনৰ সতে সুখী হয় তাৰ তাতেই সুখ। তাৰ মনৰ

পবিত্ৰ ভালপোৱা হৃদায় জাগৰূক হৈ থাকিব কোনো প্ৰতিদানৰ প্ৰত্যাশা নকৰাকৈ।

নাটকীয় ভাবে ক্লীমৰ লগতে ইউষ্টেচিয়াৰ পৰিচয় আৰু সম্পৰ্ক সূত্ৰ গঢ়ি উঠিল আৰু লাহে লাহে ই প্ৰেমলৈ ৰূপান্তৰিত হ'ল। যি ইউষ্টেচিয়া ডেমনৰ আগত জেদী অহংকাৰী সেই ইউষ্টেচিয়া ক্লীমৰ ওচৰত প্ৰেমাকুলা। ক্লীমেও তাইৰ মাজত ৰূপ সৌন্দৰ্য্য আৰু প্ৰাণৰ গভীৰ তৃষ্টি বিচাৰি পালে।

ইউষ্টেচিয়াই বিচাৰিছিল মুক্তি আৰু তাই ভাবিছিল ক্লীমৰ সতে তাই পেৰিচলৈ গুচি যাবগৈ। কিন্তু তাইৰ আশাত চেচাপানী ঢালি ক্লীমে নিজৰ সংকল্প প্ৰকাশ কৰি কলে যে সি আৰু পেৰিচলৈ উভতি নেযায়। সি ইয়াতে থাকি ইয়াৰ মানুহ বোৰক শিক্ষিত কৰি তুলিব। অন্ধ সংস্কাৰ আৰু পুৰনি আদৰ্শই এই মানুহখিনিৰ জীৱন অন্ধকাৰময় কৰি তুলিছে। সি এই মানুহখিনিৰ মুক্তি বিচাৰে। সি এখন স্কুল খুলিব আৰু তাৰ আদৰ্শ সেই স্কুলৰ যোগেদি ৰূপায়িত কৰি তুলিব। ইউষ্টেচিয়াৰ আশা নৰহি গ'ল। ক্লীমে বিচাৰে পেৰিচৰ দৰে ডাঙৰ চহৰৰ পৰা নিষ্কৃতি আৰু ইউষ্টেচিয়াই বিচাৰে এগডনৰ পৰা নিষ্কৃতি। কিন্তু তেওঁ ক্লীমৰ প্ৰেমৰ এক যাদু আছিল সেয়ে তাক পালে তাই সৰ্বপ্ৰকাৰে সুখী হব পাৰিব বুলি আশা কৰিয়ে ক্লীমক কৈছিল—

To be your wife and live in Paris would be heaven to me but I would rather live with you in a hermitage here than not to be yours at all It is gain to me either way and very great gain There is my too candid confession

আদৰ্শগত বৈষম্য থকা সত্বেও ক্লীম আৰু ইউষ্টেচিয়া বিয়াৰ বাবে সাজু হ'ল। কিন্তু ইউষ্টেচিয়াৰ চৰিত্ৰৰ কথা ক্লীমৰ মাকে ভালকৈ জানে আৰু তেওঁ এই বিয়াত বিধি পথালি দিলে। ক্লীম কিন্তু ইউষ্টেচিয়াক ত্যাগ কৰিবলৈ কোনো পধ্যে প্ৰস্তুত নহয়। সি মাকৰ বাধা অগ্ৰাহ্য কৰি ইউষ্টেচিয়াক বিয়া কৰাই বেলেগে থাকিবলৈ ললে।

এইখিনিতে ইউষ্টেচিয়াৰ লগত মিচেচ ইয়োব্ৰাইটৰ প্ৰত্যক্ষ বিৰোধ ঘটিল এটি ঘটনাৰ বাবে। পুতেকৰ বিয়াৰ সময়ত তেওঁ পুতেকলৈ আৰু ভাগিনীয়েক টমাছিনৰ কাৰণে দুটা ধনৰ টোপোলা দি পঠাইছিল। টোপোলা দুটা লৈ গৈছিল খৃষ্টিয়ান নামৰ তেওঁৰ ঘৰত কাম কৰা মানুহজনে। বাটতে ডেমনে তাক লগ পাই তাৰ লগত জুৱা খেলি গোটেইখিনি ধন আত্মসাৎ কৰি ললে। ডিগৰিয়ে

সকলো কথা গম পাই সি ডেমনৰ লগত খেলত বহি ডেমনৰ পৰা টকাখিনি জিকিলে সেই ধনখিনি সি নিটমাছিনক দিলে। সেই টকাৰ আধা যে ক্লীমৰ আছিল তাক ডিগৰীয়ে জনা নাছিল।

ক্লীমৰ পৰা টকা পোৱাৰ কোনো খা খবৰ নেপাই হুয়ব্ৰাইটৰ চিন্তা হ'ল। তেওঁ খৃষ্টিয়ানক মাতি আনি কথাটো সোধাত সকলো কথা ওলাই পৰিল। টকাখিনি ডেমনে ৰাখিয়ে থৈছেনে পূৰ্বৰ প্ৰেমিকা ইউষ্টেচিয়াকে দিছে তাকে জানিবলৈ তেওঁ ক্লীমৰ ওচৰলৈ যাব খুজিলে যদিও গম পালে যে ইউষ্টেচিয়া আহি ককাকৰ ঘৰতে আছেহি। মিচেচ ইয়ব্ৰাইটৰ তালৈ গৈ ইউষ্টেচিয়াক কথাটো সোধোতে একেবাৰে জাঙুৰ খাই উঠিল। ডেমনৰ লগত তাইক সন্দেহ কৰা বাবে ইউষ্টেচিয়া খণ্ডত ঘৃতাহুতি হ'ল। পুতেক বোৱাৰীয়েকৰ লগত তেওঁৰ সম্পৰ্কৰ আৰু অৱনতি ঘটিল।

ইয়াৰ কিছুদিন পাছতে ক্লীমৰ ভাগৰ টকাখিনি লৈ টমাছিন তাৰ ঘৰ পালে। তাইৰ মুখে সকলো কথা শুনি তাৰ বেয়া লাগিল। শাহুৱেক বোৱাৰীয়েকৰ মাজত কাজিয়াখন লগাৰ বাবে তেওঁৰ মন এনেয়ে বেয়া হৈ আছিল আৰু এতিয়া টমাছিনৰ পৰা মাকৰ তাৰ প্ৰতি মৰমৰ গভীৰতাৰ কথা জানিব পাৰি তাৰ মনত অনুশোচনা হ'ল। অলপ ভুল বুজা বুজিৰ কাৰণেই যে মাকৰ লগত সম্পৰ্কৰ অৱনতি ঘটিল তাৰ কথা ভাবি ক্লীম আহত হ'ল। তাৰ দুচকুৰে ধাৰাসাৰে চকুলো ওলাব ধৰিলে।

মনৰ অশান্তি দূৰ কৰিবলৈ ক্লীম একান্তভাবে পঢ়াত লাগিল। কেতিয়াবা কেতিয়াবা তেওঁ গোটেই নিশা উজাগৰে থাকি অধ্যয়ন কৰে। চকু আৰু মনৰ ওপৰত অত্যাধিক চাপ পৰা কাৰণে ক্লীম অসুস্থ হৈ পৰিল। তাৰ দৃষ্টিশক্তি কমি আহিল আৰু এসময়ত সি অন্ধ হোৱাৰ উপক্ৰম হ'ল। ডাক্তৰে তাক পঢ়াশুনা কৰিবলৈ বন্ধ কৰি দিলে।

ইউষ্টেচিয়াই এটা ক্ষীণ আশা পুহি ৰাখিছিল ক্লীম হয়তো এদিন পেৰিচলৈ উভতি যাব। তাত এক বিলাসপূৰ্ণ জীৱন তাই কটাব পাৰিব। মানুহৰ মতৰ পৰিবৰ্তন হওঁতে বেছি পলম নেলাগে। তাক বুজাই বঢ়াই এদিন তাই পেৰিচলৈ লৈ যাব পাৰিব বুলি তাই আশা ৰাখিছিল কিন্তু ক্লীমে দৃষ্টিশক্তি হেৰুৱাৰ লগে লগে তাইৰ সকলো আশা আকাঙ্খা ভস্মীভূত হ'ল। এসময়ৰ চৌখিন ডেকা ক্লীম পৰিণত হ'ল এজন খৰিকটিয়াত। খৰিকটিয়াৰ সাজ পোছাক পিন্ধি

সি খৰি কাটি জীৱনৰ দুখযন্ত্ৰণা পাহৰি যাবৰ চেষ্টা কৰিলে। পৰিশ্ৰম পাহৰি যাবলৈ সি গীত জুৰিলে—জীৱন জিনাৰ গীত।

আৰু এয়াই হ ল ইউষ্টেচিয়াৰ বাবে অসহ্যকৰ কথা। দুৰ্ভাগ্যই এনেকৈ গ্ৰাস কৰি পেলোৱাৰ পাছতো কি সত্যেৰে ক্লীমে গীত গাব পাৰিছে। তাই ৰিক্ত নিঃস্ব হৈ গৈছে অথচ ক্লীমে গীত গাই খৰি কাটি জীৱনটোক সহজ সুন্দৰ কৰি চলি গৈছে। ইউষ্টেচিয়া লাহে লাহে তাৰ ওপৰত বিৰক্ত হৈ পৰিল। দুয়োৰে সম্পৰ্কৰ মাজত গঢ ললে এক নিৰ্বিকাৰ ভাবে।

ইউষ্টেচিয়াই জীৱনৰ সকলো ৰ ৰূপ হেৰুৱাই পেলায়ো পুনৰ জীৱন ৰসেৰে উচ্চলিত হোৱাৰ স্বপ্ন দেখিলে। তায়ো জীৱনক আনন্দৰ মাজত ডুবাই দিব। এগডনৰ বছৰেকীয়া এক বনভোজত যোগ দি তাযো জীৱনত আনন্দ উপভোগ কৰিবলৈ মন মেলিলে আৰু সেইমতে তালৈকে গ'ল। ক্লীমে আপত্তি নকৰিলে। ৰাতি হ লে তাইক আগবঢাই অনাৰ প্ৰতিশ্ৰুতি দি সি তাইক বিদায় দিলে।

সেই বণ উৎসৱতে তাই লগ পালে ডেমনক। তাৰ নিবিড সংস্পৰ্শত ইউষ্টেচিয়াৰ দেহ মন নাচি উঠিল। বহুদিনৰ মূৰত তাই যেন জীৱনৰ মাদকতা বিচাৰি পালে। ডেমনৰ মনো পৰম প্ৰত্যাশাৰে ভৰি পৰিল। দুয়ো সেই উৎসৱত নৃত্যৰ সঙ্গী হ ল দুয়োৰে।

অন্ধকাৰময় হৈ পৰা ইউষ্টেচিয়াৰ জীৱনত পোহৰৰ ৰেখা যেন আহি পৰিল। ডেমনৰ মাজলৈ তাৰ পূৰ্বৰ প্ৰেমৰ ৰাগী উভতি আহিছে। কিন্তু ইউষ্টেচিয়াই নিজকে তাৰ ওচৰত পূৰ্ণৰূপে বিলাই দিব পৰা নাই। সেয়ে ডেমনেও তাইৰ আত্মসন্মানক আঘাত কৰিবলৈ ভয় কৰিছিল। কিন্তু ইউষ্টেচিয়াক এবাৰ দেখা পালেও তাৰ মনটো পৰিতৃপ্ত হয় কাৰণে সেই নাচ নচাৰ পাছৰ পৰা ইউষ্টেচিয়াক লগ পোৱাৰ কাৰণে উ সুক হৈ পৰিছিল। সি গোপনে ইউষ্টেচিয়াৰ ওচৰলৈ আহিবলৈ ললে যদিও লগ কৰাৰ সুযোগ নাপালে আৰু এই ক্ষেত্ৰত ডিগৰিৱেনেও তাক বাধা দিব ধৰিলে।

ক্লীমে তাৰ এই দুৰৱস্থাৰ কাৰণে মাকক সততে মনত কৰিছিল কিন্তু মাকলৈ এই বিষয়ে একো খবৰ দিয়া নাছিল মাকে দুখ পাব বুলি। ক্লীমৰ মাকে পুতেকৰ দুৰ্দশাৰ সকলো কথা গম পাইছিল আৰু এদিন ভাদ্ৰমহীয়া দুপৰীয়া প্ৰখৰ ৰদত পুতেকৰ ঘৰ বিচাৰি গ'ল। মিচেচ ইয়ব্ৰাইটে বাটতে দূৰৈৰ পৰা পুতেকক দেখিলে। বোকোচাত খৰিলৈ তেওঁ পুতেকক তেওঁ ঘৰত সোমোৱা দেখিবলৈ পালে। তাৰ ক্ষন্তেক পাছত আন এজন মানুহো পুতেকৰ ঘৰত সোমোৱা দেখিবলৈ পালে।

সেই মানুহজন আছিল ডেমন। ভিগৰীবেনে নিশাৰ অভিসাৰ ব্যৰ্থ কৰি দিয়াত দিন দুপৰতে আহিছে ইউষ্টেচিয়াক এবাৰ লগ ধৰিবলৈ। ইতিমধ্যে ক্লীম ঘৰ সোমাই ভাগৰত ক্লান্ত হৈ শুই পৰিল। ইউষ্টেচিয়া ডেমনৰ সতে এটা কোঠাত সোমাই কথা পাতিবলৈ ধৰিলে। এনেতে দুৱাৰত কোনোবাই টুকুৰিওৱা শব্দ শুনি ইউষ্টেচিয়াই খিৰিকিৰে মুখ উলিয়াই দেখিলে শাহুৱেকক। ডেমনৰ সতে তাইক দেখিলে শাহুৱেকে আকৌ সন্দেহহে কৰিব। এইবোৰ ভাবি তাই দুৱাৰ খুলি নিদি ডেমাক লৈ পিছফালদি ওলাই গ'ল। ইউষ্টেচিযাই ভাবিছিল দুৱাৰত টুকিওৱাত পুতেকে চাগে সাৰ পাইছে আৰু তেঁৱেই দুৱাৰ খুলি দিব। কিন্তু টোপনিত লালকাল ক্লীমে মাক অহাৰ কথা গমেই নেপালে। কোনেও ঢেওঁক দুৱাৰ খুলি নিদিলে। মনৰ দুখত অহা বাটেৰেই হয় ব্ৰাইট উভতি গ'ল। আৰু যাওঁতে বাটতে তেওঁৰ মৃত্যু হ'ল।

মাকৰ মৃত্যু ৰহস্য পলমকৈ হলেও ক্লীমে আবিস্কাৰ কৰিলে আৰু ঘটনাৰ সবিশেষ জানি সি ক্ষুব্ধ হৈ উঠিল। একমাত্ৰ ইউষ্টেচিযাৰ কাৰণেই যে এই দুৰ্যোগটো সংঘটিত হবলৈ পালে তাকে জানি সি ইউষ্টেচিযাৰ ওপৰত ক্ষুন্ন হ শাৰু দুয়োৰে বিচ্ছেদ হ'ল। ক্লীম আহিল মাকৰ ঘৰটোলৈ আৰু ইউষ্টেচিয কককৰ ঘৰতে উপস্থিত হলগৈ।

ইউষ্টেচিযাৰ বাবে জীৱন বিস্বাদপূৰ্ণ হৈ পৰিছিল। আত্মহত্যা কৰি জীৱনৰ পৰা তাই নিষ্কৃতি বিচাৰিছিল কিন্তু তাই আত্মহত্যা কৰিব নোৱাৰিলে। ভাগ্যই তাইৰ সতে বেচ খেল খেলিছে। এদিন যি ডেমনক তাই প্ৰত্যাখ্যান কৰিছিল সেই ডেমন এতিয়া অজস্ৰ ধন সম্পত্তিৰ মালিক। উত্তৰাধিকাৰ সূত্ৰে সি লাভ কৰিছে এই ধন। তাৰ বিপৰীতে ক্লীম হ'ল এক সাধাৰণ খৰিকটিয়া। তাৰোপৰি সি এতিয়া তাইৰ জীৱনৰ পৰাও বহুত দূৰত।

ডেমনক তাই ক্লীমৰ আসনত বহুৱাব নোৱাৰে যদিও ডেমন পুনৰ তাইৰ জীৱনলৈ আহিল। ডেমনে তাৰ কাৰণেই যে তাইৰ সংসাৰত জুই লাগিছে তাৰ কথা কৈ তাইক সহানুভূতি জনালে। সহানুভূতি জনালে দুখবোৰ উথলি উঠে। ইউষ্টেচিযাৰো সেয়াই হ'ল। তাই উচুপি উঠিল। কিন্তু পিছ মূহুৰ্তত নিজৰ দুৰ্বলতা প্ৰকাশ কৰি তাইৰ লাজ লাগিল। এইবাৰ তাই নিজৰ সংকল্প প্ৰকাশ কৰি কলে যে তাই শুদ্ধ পথৰ পৰা পিছলি পৰিব নোখোজে।

Demon I am in Pain but I did not send for you! As a wife, at least, I heve been straight

তাইৰ ধ্বংসৰ কাৰণ এগডনকে দায়ী কৰি ইউষ্টেচিয়াই ইয়াৰ পৰা নিষ্কৃতি কামনা কৰিলে। তাইক যদি ডেমনে সহায় কৰে তেনেহলে এই ঠাই তাই এৰি গুচি যাব। অইন একো কৰিব নেলাগে। ডেমনে তাইক কেৱল ৱাডমাউথলৈ লৈ গলেই হব। তাৰ পৰাই তাই অকলে পেৰিচলৈ যাবগৈ।

ইপিনে ক্লীমে ইউষ্টেচিয়াৰ সকলো দোষ ক্ষমা কৰি আকৌ নিজৰ কৰি লবলৈ সংকল্প কৰিলে। ইউষ্টেচিয়াক তাৰ জীৱনলৈ আহবান জনাই সি চিঠি এখন লেখিলে। চিঠিখন ক্লীমে ফেৰাৰৰ হাতত দি পঠাইছিল কিন্তু সি ঠিক সময়ত চিঠিখন নিদিলে। তাকো সি ইউষ্টেচিয়াৰ হাতত নিদি দিলে তাইৰ ককাকৰ হাতত। তাই গমকেই নেপালে চিঠিখনৰ কথা। ককাকে চিঠিখন দিবলৈ আহি তাইৰ কোঠাটো এন্ধাৰ দেখি গুচি গল। সেই দিনা ৰাতিয়ে আছিল তাইৰ এগডন এৰাৰ কথা। ডেমনলৈ ইতিমধ্যে সংকেত দিয়া হৈছে।

ৰাতি সিদিনা দুৰ্যোগ পূৰ্ণ আছিল তথাপি তাই সংকল্পবদ্ধা। তাই এগডন এৰিবই। হয়তো ক্লীমৰ চিঠিখন পালে তাই এই সিদ্ধান্তৰ পৰিবৰ্তন কৰিলেহেঁতেন। তাইক বাধা দিবলৈ এতিয়া তাইৰ বাবে একো আশা আকাঙ্খা আৰু প্ৰেম বৈ থকা নাই। সেই দুৰ্যোগৰ ৰাতি অকলে অকলে তাই বাহিৰ ওলাল। কিন্তু কলৈ যাব ওলাইছে কি কৰিব ওলাইছে এইবোৰ ভাবি তাই আৰু বেচি হতাশ হৈ পৰিল। তাইৰ হাততটো টকা নাই আৰু ডেমনৰ টকাৰে তাৰ লগত যোৱা মানে তাৰ ওচৰত সক্ হৈ তাৰ ওচৰত নিজকে সমৰ্পণ কৰা।

ডেমন ঘৰৰ পৰা ওলাই আহিছিল ইউষ্টেচিয়াৰ সঙ্গী হবলৈ। কিন্তু ইউষ্টেচিয়ালৈ বৈ বৈ তাৰ আমনি লাগিল। মাজনিশা ইতিমধ্যে পাৰ হৈ গৈছে। এনেতে এটা কৰ্কশ শব্দ সি শুনিবলৈ পালে। ইপিনে ক্লীমো ইউষ্টেচিয়াক বিচাৰি ডেমন বৈ থকা ঠাই পাইছিল। সেই চিঞৰ শুনি দুয়ো ওচৰতে থকা পিতনি টোৰ ফালে আগবাঢ়িল। ডেমনে ইউষ্টেচিয়া পানীত পৰা বুলি জানি জপিয়াই পৰিল পিতনিত। লগে লগে ক্লীমো।

ডিগৰিবেন আৰু টমাছিনো আহি সেইঠাইনি পাইছিল। অনেক চেষ্টাৰে তিনিওকে তোলা হল যদিও ডেমন আৰু ইউষ্টেচিয়া ইতিমধ্য আঁতৰি গৈছে চিৰপুৰীলৈ। শোকত ম্ৰিয়মান ক্লীমে শান্তি বিচাৰি ললে ধৰ্ম প্ৰচাৰ কাৰ্য্যত নিজকে মনোনিবেশ কৰি। ডিগৰিবেন আৰু টমাছনে বিবাহ সূত্ৰত আবদ্ধ হৈ আৰম্ভ কৰিলে নতুন জীৱন।

দি ৰিটাৰ্ণ অব দি নেটিভ উপন্যাস খনত এনেদৰে নিয়তিৰ দ্বাৰা নিপীড়িত

জীৱনৰ কৰুণ কাহিনী সমুজ্জ্বল কৰি তোলা হৈছে। কাহিনীটোত আৰম্ভনিৰ পৰা শেষলৈ আকস্মিকতা সুযোগ আৰু ভাগ্যৰ লীলাখেলাকেই দেখুৱা হৈছে। হাৰ্ডিৰ মতে মানুহ আৰু ভাগ্যৰ মাজত এখন অদৃশ্য যুদ্ধ চলি আছে। যিহেতু ভাগ্য বিচাৰ কৰিব নোৱাৰা কিন্তু ইয়াৰ প্ৰকৃতি আৰু অভিপ্ৰায়ৰ বিষয়ে কোনোৱে কো নেজানে। সেয়ে ইয়াৰ কাৰ্য্যবোৰ অপ্ৰত্যাশিত সুযোগ (Chance) ৰূপে দেখা যায়। উপন্যাসত ঘটনাৰ পাকচক্ৰবোৰ অদৃশ্য এক শক্তিয়ে যেন এনেদৰে ঘোৰ খুৱাই থৈছে। মাকে দি পঠোৱা চকাখিনি ক্লীমৰ হাতত নপৰা, মাক ক্লীমৰ ঘৰৰ পৰা ঘূৰি আহিব লগা, ইউষ্টেচিয়া আৰু ডেমন লগা লগি হব নোৱৰা, ফেৰাৰৰে চিঠিখন সময়মতে ঠিক ঠাইত দিব নোৱাৰা আদি কথাৰ কাৰণেই উপন্যাসৰ ঘটনাই গতি সলাইছে। এই সকলোবোৰ আকস্মিকতা সুযোগ হেৰুৱা আদিক কেন্দ্ৰ কৰিয়ে সৃষ্টি হৈছে।

এগডন এই কাহিনীৰ পটভূমি। আৰম্ভনিতে এগডনৰ এক মনোৰম বৰ্ণনা দাঙি ধৰি ঔপন্যাসিকে পটভূমিৰ নিখুত বৰ্ণনা দিছে। লগতে উপন্যাসৰ কাহিনী বিকাশত এই পটভূমিয়ে এটা চৰিত্ৰৰ দৰে অৱদান আগবঢ়াইছে। ইয়াত বাস কৰা সৰল অন্ধবিশ্বাসী মানুহবোৰৰ জীৱনৰ দুই এটা সৰু সৰু ঘটনাই উপন্যাসৰ কাহিনীত চমকতা দান কৰিছে। এই এগডনেই বিভিন্ন চৰিত্ৰৰ মানসিকতা গঢ়ি তুলিছে। ইয়াত ক্লীমে ইয়াৰ মাজতে জীৱনৰ সাৰ্থকতা বিচাৰি পাই কৈ উঠিছে I would rather live on these hills than any where else in the world ইউষ্টেচিয়াৰ কাৰণে ই আকৌ অশান্তিৰ উৎস। তাইৰ নিজৰ ভাষাত It is Jail to me it is my cross my misery and will be my death ডেমনৰ বাবেও এগডন ই এক ঘৃনণীয় ঠাই I abhore it too God how lonely it is ? I who are Pictursque ravines and mists to us who see nothing else টমাছিনৰ বাবে ই আকৌ তাইৰ বাবে আত্মৰক্ষাৰ ঠাই। ক্লীমৰ দৰে তায়ো কৈছে I could not be happy anywhere else at all এগডনক ভাল পোৱা মানুহ বোৰৰ প্ৰতি এগডন যেন সদয় আৰু সেয়ে উপন্যাসৰ শেষত দেখিবলৈ পাওঁ ক্লীম মৃত্যুৰ মুখৰ পৰা বাচি আহি এগডনৰ বুকুত ধৰ্মৰ বাণী বিলাইছে, টমাছিন ভিগৰিবেনৰ লগত সুখী হৈছে। এগডনক বেয়া পোৱা কাৰণেই যেন ইউষ্টেচিয়া আৰু ডেমনক মৃত্যুৰ শীতল হাতে কাঢ়ি লৈ গ'ল। অৱশ্যে ইউষ্টেচিয়া আৰু ডেমনৰ যুগপৎ মৃত্যুৰ মাজত গ্ৰীক কবি সকলৰ Poetic justiceৰ ধাৰণাও নিপতিত হৈছে। ইউষ্টেচিয়া আৰু ডেমন দুইজনেই নিজকে

সুখী কৰিবলৈ গৈ আনৰ জীৱনত আউল লগাইছে। তেওঁলোকে কৰা এই দোষৰ বাবেই অৱশেষত বিপৰ্য্যয়ৰ সমূখীন হব লগা হ'ল। সততাত থকা হলে ক্লীমৰ দৰে তেওঁলোকৰ জীৱনো হয়তো ৰক্ষা পৰিলহেতেন।

পৰিবেশৰ লগতে ভাগ্য আৰু সুযোগ (Chance) এ চৰিত্ৰবোৰৰ মাজত ভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইউষ্টেচিয়া এটা সবল চৰিত্ৰ হলেও তাই দেখা পাইছে তাইৰ জীৱনত ভাগ্যৰ খেলা। সেয়ে তাই কৈছে How, I have tried to be a Splendid woman and how destiny has been against me I do not deserve my lot I was capable I much but I have been injured and blasted and crashed by things beyond my control O how hard it is of heaven to devise such torture for me who has no harm to heaven at all

উপন্যাসখনত ইউষ্টেচিয়াৰ চৰিত্ৰই অতি আকৰ্ষনীয। তাইৰ মনস্তাত্বিক বিশ্লেষণ আৰু চৰিত্ৰৰ সুক্ষ্মাতিসুক্ষ্ম দিশবোৰ প্ৰকাশত লিখকে বিশেষ সফলতা দেখুৱাইছে। তাই প্ৰান চঞ্চলা ঠিকেই কিন্তু সেই বুলি নীতিহীনা নহয়। শাহুৱেকৰ প্ৰতি তাই বেয়া ব্যৱহাৰ কৰিলেও সেয়া তাইৰ খাম খেয়ালি মনৰহে অভিব্যক্তি আছিল। তাৰ মাজত কোনো কু অভিসন্ধি নাছিল। ফ্লবাৰ্টৰ মেদাম বোভাৰি ৰ এমাৰ লগত ইউষ্টেচিয়াৰ কিছু সাদৃশ্য থাকিলেও এমাৰ চৰিত্ৰত নিষ্ঠুৰতা প্ৰকাশ পাইছে আনহাতে ইউষ্টেচিয়া এক উজ্জ্বল ৰোমাণ্টিক চৰিত্ৰ।

ক্লীম বাহিৰৰ জগতখনৰ সতে পৰিচিত এক নতুন যুগৰ যুবক। এগডনৰ মৰমে তেওঁক টানি আনিছে। চৰম দুখৰ মাজতো তেওঁ পৰিতৃপ্ত। তেওঁৰ চৰিত্ৰত এক সৰলতা বিদ্যমান সেয়ে সকলো দোষ ক্ষমা কৰি ইউষ্টেচিয়াক পুনৰ তেওঁৰ জীৱনলৈ আহ্বান জনাইছিল। তাইৰ মৰমৰ মাজত ডুবি গৈ জীৱনৰ দুখৰ উপশম বিচাৰিছিল। কিন্তু ভাগ্যই তেওঁকো বিড়ম্বিত কৰিলে। ভাগ্যৰ খেলাৰ কাৰণেই তেও মাকক হেৰুৱালে আৰু অৱশেষত প্ৰিয়তমাকো হেৰুৱালে। অৱশ্যে এই দোষৰ ভাৰ তেওঁ নিজে মূৰ পাতি লৈছিল। ইউষ্টেচিয়াৰ মৃত্যুৰ পাছত তেওঁৰ যেতিয়া বিয়াৰ কথা ওলাইছিল ক্লীমে কৈছিল, How can I have the con cience to marry after having driven two women to theiv dealh ? Dont think Such a thing, Humphrey After my experience I Should Consider it two much of a barlesque to go to church and take a wife

ডিগৰিবেন এটা শান্ত পৰোপকাৰী চৰিত্ৰ কিন্তু বাস্তৱ জ্ঞান বিবৰ্জিত নহয়। টমাছিন আৰু ডেমনৰ সুখ স্বাচ্ছন্দ্য ভৰা জীৱন তেওঁ কামনা কৰিছিল কাৰণ টমাছিনৰ প্ৰতি আছিল তেওঁৰ গভীৰ ভাল পোৱা। তাৰ বাবে তেওঁ ডেমনক শুদ্ধ পথলৈ ঘুৰাই আনিবলৈ নানা ধৰণে চেষ্টা কৰিছিল। ডেমনক হেৰুৱাৰ পাছত টমাছিনক বিয়া কৰাই ডিগৰিয়ে তাইক জীৱনক নিৰপত্তা দিছিল।

সক লেও চালি এই উপন্যাসৰ এটা চমকপ্ৰদ চৰিত্ৰ। ইউষ্টেচিয়াৰ ৰূপমুগ্ধ চাৰ্লিৰ নীৰৱ অনুৰাগৰ চিত্ৰ হাডিয়ে অত্যন্ত সুন্দৰ ভাবে দাঙি ধৰিছে। আন আন সৰু চৰিত্ৰ বোৰে হাস্য ব্যঙ্গ আদিৰ যোগেদি উপন্যাস খন উপাদেয় কৰি তুলিছে।

প্ৰকৃতি জগতৰ এক মনোৰম ছবি এই উপন্যাসে আমাৰ চকুৰ আগত প্ৰতিভাত কৰি তোলে। প্ৰকৃতিৰ সন্তান হিচাপে মানুহৰ হাব ভাব কায পৰম্পৰাৰ চিত্ৰ লিখকে সুন্দৰ ভাবে দাঙি ধৰিছে। এগডনৰ এই প্ৰকৃতিৰ ভয়াবহ চিত্ৰ আৰু লগতে জীৱনৰ লগত জড়িত প্ৰাকৃতিক বস্তু সমূহৰ বৰ্ণনা তেও জীৱন্তভাবে দিব পাৰিছে। দুই এটা চিত্ৰ অতিশয় বাস্তৱ আৰু প্ৰকৃতিৰ লগত নিবিৰ সম্পৰ্ক থকা মানুহেহে তাক উপলব্ধি কৰিব পাৰে। যেনে মেজি পুৰি প্ৰেমৰ সংকেত দিয়া, জোনাকী পৰুৱা গোটাই তাৰ জুৱাখেলখেলা পোহৰ দেখি চগা জাকে জাকে উৰি আহি লণ্ঠন আগুৰি ধৰা, মুক্ত প্ৰান্তৰত বহি চন্দ্ৰ গ্ৰহণৰ দৃশ্য উপভোগ কৰা আদি দৃশ্য হাডিয়ে অত্যন্ত সুন্দৰ ভাবে দাঙি ধৰিছে।

এখন চমকপ্ৰদ উপন্যাস হিচাপে পাঠকক আমোদ দিয়াৰ লগতে ই জীৱনৰ বৰ্ণাঢ্য ৰূপৰ সমাবেশেৰে পাঠকক জীৱন আৰু জগত সম্বন্ধীয় জ্ঞানৰ সন্ধেদ দি ই অনন্য হৈ পৰিছে।

উপন্যাসিক হেমিংওৱে আৰু তেওঁৰ সৃষ্টিসম্ভাৰ

দুঃসাহসিকতাৰে জীৱনক অভিজ্ঞ আৰু পুৰষ্ঠ কৰি লোৱা সাহিত্যিক হেমিংওৱে শ্ৰেষ্ঠ ৰচনা সম্ভাৰেৰে কুৰি শতিকাৰ এক বৰা সাহিত্যিকৰূপে প্ৰতিষ্ঠিত হয়। কৈশোৰৰ পৰা আৰম্ভ কৰি পৰিণত জীৱনলৈ হেমিংওৱে গোটাই লৈছিল জীৱনৰ ভিন্ন অভিজ্ঞতা আৰু তাৰ ভেটিতে ৰচিত হৈছিল তেওঁৰ সু সাহিত্য সমূহ। দুখনকৈ মহাযুদ্ধ, স্পেইনৰ গৃহযুদ্ধ দুঃসাহসিক চিকাৰ সনৰ ক্ষেত্ৰৰ ভয়াবহতা আৰু দেশ ভ্ৰমণৰ অভিজ্ঞতাই তেওঁৰ সাহিত্যক দিলে বৈচিত্ৰ্যকৰ ৰূপ। আনহাতে তাৰ মাজতেই ফুটি ওলাল এক অনন্য জীৱন বীক্ষা। আধুনিক জীৱন চেতনাৰে উজ্জ্বল তেওঁৰ সাহিত্য। তেওঁৰ এই সাহিত্য সৃষ্টিৰ ৰহস্য ব্যাখ্যা কৰি Stewart Sanderson এ কৈছে।

"His range of subject matter is not wide in that he returns again and again to the same kind of material But he has explored it honestly and thoroughly taking for his themes some of the central experiences of his own and the succeeding generation, bred in an age of devastating war and violence, where even to survive is something of a miracle and in which for many people the traditional values are disrupted and the meaning of existance obscured To thi kind of world Hemingway has brought his own vision, formed by his own enperience and he has in the Process forged his own tools for writing about it, or, in the words of the Novel prize citartion, he has achieved a—powerful style forming mastery of the art of modern narration [১]

১৮৯৯ চনত ইলিনয়েচৰ ওক পাৰ্কত হেমিংওৱেৰ জন্ম হয়। তেওঁৰ দেউতাক আছিল এজন ডাক্তৰ। সদায় চিকাৰ আৰু মাছ ধৰাত তেওঁ আছিল ব্যস্ত। দুবছৰ বয়সৰ পৰাই হেমিংওৱে দেউতাকৰ মাছ মৰাৰ সংগী হৈছিল। দেউতাকেও

১ Sanderson Stewart Hemingway P 3-4

তেওঁক এইবোৰৰ প্ৰতি উৎসাহিত কৰিছিল। দেউতাকেই তেওঁক শিকাইছিল বন্দুক চলাই চিকাৰ কৰিবলৈ।

কিন্তু মাকৰ প্ৰকৃতি আছিল অন্য ধৰণৰ। এগৰাকী প্ৰতিভাবান গায়িকা মাক আছিল গীৰ্জাৰ গণত আধ্যাত্মিক সূত্ৰেৰে বন্ধা। ছয়টি সন্তানৰ মাজত আছিল হেমিংৱে তেওঁৰ দ্বিতীয় সন্তান। মাকে সন্তানৰ নামকৰণ কৰোতেও আধ্যাত্মিক মনৰ পৰিচয় দিছিল। নামবোৰ সাধু সন্যাসীৰ নামৰ লগত মিলাই ৰাখি। পিতৃ আৰু মাতৃৰ এই স্বকীয়া ব্যক্তিত্বই হেমিংৱেক গঢ়ি তুলিলে অনন্য ৰূপত।

স্কুলীয়া জীৱনত হেমিংৱে আছিল সকলো দিশতে পাৰ্গত। তেওঁ ভাল ফুটবল খেলিছিল, সাঁতোৰ সম্বন্ধে সভ্য আছিল। বক্সিং খেলি নাক আৰু চকু ঘুনীয়া কৰিছিল। তেওঁ তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল আৰু অভিনয়ো কৰিছিল। স্কুলীয়া আলোচনীত তেওঁ গল্প কবিতাও লিখিছিল। মুঠতে তেওঁ আছিল আজিৰ আধুনিক প্ৰতিযোগিতাৰ যুগৰ এক সফল প্ৰতিযোগী।

তেওঁৰ স্কুলীয়া জীৱন বিপৰ্যয় মুক্ত নাছিল। ঘৰুৱা অশান্তিয়ে তেওঁৰ মনত এক বিশেষ প্ৰভাৱ পেলায় আৰু ইয়াৰ ফলতে তেওঁ দুবাৰো ঘৰ এৰি পলাই যায়। কেতিয়াবা শ্ৰমিক হিচাপে, কেতিয়াবা বাচন বৰ্তন চাফা কৰা চাকৰ হিচাপে নিজক পোহপাল দিব লগা হয়। তেওঁৰ জীৱনৰ এই অভিজ্ঞতাবোৰেই আগ বয়সত লিখা চুটিগল্পবোৰৰ মাজত প্ৰতিফলিত হৈছিল।

১৯১৭ চনত মহাযুদ্ধৰ পদশব্দ ধ্বনিত হ'ল। তেওঁ স্বেচ্ছাসেৱী হিচাপে যুদ্ধত যোগদান কৰিব খুজিলে কিন্তু তেওঁৰ ঘুনীয়া চকুৰ কাৰণে তেওঁক নাকচ কৰা হ'ল। শেষত অৱশেষত খবৰ কাকতৰ বাতৰি যোগনিয়াৰ হবলৈ ঘৰ এৰিলে। বাতৰি কাকতৰ এই অভিজ্ঞতাই তেওঁক সাহিত্যিক ৰূপে গঢ়ি তোলাত বিশেষ সহায় কৰিলে। চিত্ৰধৰ্মী বৰ্ণনা, শক্তিশালী গদ্য আৰু কাহিনী কথকতাৰ কৌশল তেওঁ ইয়াৰ পৰাই আয়ত্ত কৰিলে। তেওঁ এজন অপৰাধ বিভাগৰ সম্বাদদাতা আছিল। আৰু যেতিয়া নগৰত কোনো ৰোমহৰ্ষক অপৰাধ সংঘটিত হৈছিল তেওঁ এম্বুলেন্সত উঠি সাধাৰণতে চিকিৎসালয়লৈ দৌৰিব লগা হৈছিল। কিন্তু তেওঁৰ ইচ্ছা আছিল নতুন প্ৰতিভাশালী লিখকৰ কাৰণে বাতৰিকাকতত পাৰত এটা সাহিত্য বিতান খোলাৰ। তেওঁৰ লগৰ কেবাজনেও আজৰি সময়ত উপন্যাস লিখিছিল। তাৰ ভিতৰত উল্লেখযোগ্য আছিল তেওঁৰে সহকৰ্মী Lional Cahoun Moise যাৰ সতে তেওঁ সাহিত্য কলা সম্পৰ্কে গভীৰ আলোচনাত নিবিষ্ট হৈছিল।

Moise-ৰ সাহিত্য চেতনা আছিল প্ৰখৰ। বলিষ্ঠ গল্প ৰচক হিচাপে সাংবাদিকতাৰ জগতত তেওঁৰ আছিল বিশেষ খ্যাতি। সু লিখক হোৱাৰ কাৰণে তেওঁ নৈৰ্ব্যক্তিক ৰচনাভঙ্গীৰ ওপৰত গুৰুত্ব দি কৈছিল Pure objective writing is the only true form of story telling

১৯১৮ চন। হেমিংওৱে ৰেডক্ৰচৰ এম্বুলেন্সৰ ড্ৰাইভাৰ হৈ ইটালীৰ ৰণাঙ্গনলৈ যাওনা হ'ল। তেওঁৰ জীৱনৰ এই সময় চোৱা কেৱল অভিজ্ঞতাৰে নিজক চহকী কৰাৰ সময়। তেতিয়া তেও মাথোন ঊনৈশ বছৰীয়া ল'ৰা। সেই সময়তে তেওঁ মিলানৰ কেনেচাচ চিটি হস্পিতেলত প্ৰত্যক্ষ কৰিলে নাৰকীয় বিভীষিকা। বোমাৰ আঘাতত মানুহৰ জীৱনৰ বিভৎস ৰূপ দেখি তেও চমকিত হ'ল। নিজকে বিলাই দিলে উদ্ধাৰ আৰু শুশ্ৰূষা কাৰ্যত। যুদ্ধৰ এই ভয়াবহতাৰ ৰূপ তেওঁ সাহিত্যত অংকন কৰিবলৈ প্ৰয়াস কৰিলে। যুদ্ধ সম্পৰ্কে তেওঁ কব লগা বহু কথাই আছিল কিন্তু সিয়ে প্ৰকৃত ৰূপ নেপালে। A Natural History of Dead শীৰ্ষক এক ৰচনা ইয়াৰ স্বাক্ষৰ কিন্তু ই উজ্জ্বল সাহিত্যকীৰ্ত্তিৰ পৰিচয় বহন কৰিব নোৱাৰিলে। যুদ্ধই তেওঁক কেনেকৈ লিখিবলৈ প্ৰেৰণা যোগাইছিল সেই প্ৰসঙ্গত Stewart Anderson এ লিখিছে।

He knew what he had seen and done he knew the idealism which inspired the volunteers in 1914—1918 war, the Courage and the cowardice of individuals, the brutatily, the heroism and the waste He had something real to say on the subject and had perhaps not been able to bring it out till now

যুদ্ধৰ এই প্ৰভাৱ হেমিংওৱেৰ ব্যক্তিগত জীৱনত বাৰুকৈয়ে পৰিছিল। এবাৰ সৈন্য বাহিনীৰ মাজত চকলেট বিলাই থাকোতে হেৰু মৰ্টাৰ তেওঁৰ ভৰিত গুৰুতৰ আঘাত হানে। তেওঁৰ কাষতে থকা মানুহ এজনে সেই আঘাতত মৃত্যু বৰণ কৰিলে। আন এজনৰ ভৰি এখন গুলীয়ে উৰুৱাই লৈ গল। হেমিংওৱে এনভাৱে জখম হল যে এবাৰ দুবাৰকৈ বাৰবাৰ তেওৰ ভৰি অপাৰেচন কৰিব লগা হ'ল। কিছু আৰোগ্য হোৱাৰ পাছত কৰ্তৃপক্ষই তেওঁক নিয়োগ কৰিলে পদাতিক সেনাবাহিনীত। এই সময়ৰ অভিজ্ঞতাও হৈছে তেওঁৰ সাহিত্যৰ সমল। তেওঁৰ প্ৰথম উপন্যাসৰ নায়ক এজন শাৰীৰিক আৰু মানসিক ভাৱে অক্ষম মানুহ যি ছবিত লিখক নিজেই সোমাই আছে। দ্বিতীয় উপন্যাসত বৰ্ণিত হৈছে যুদ্ধক্ষেত্ৰৰ জীবন্ত ৰূপ। তেওঁৰ বহুতো গল্পই সামৰি লৈছে যুদ্ধৰ ভয়াবহতাৰ স্মৃতি।

১৯১৯ চনত হেমিংওৱে আমেৰিকালৈ উভতি আহে। তেতিয়াও তেওঁ প্ৰায় অক্ষম আৰু পঙ্গু ভৰিৰ আঘাতত। আকৌ এবাৰ অপাৰেচন কৰিব লগা হ'ল। কিছুদিন পাছতেই তেওঁ আকৌ যাত্ৰা কৰিলে উত্তৰ মিচিগানলৈ। মাছ মৰা চিকাৰ কৰা নিচাৰ লগত প্ৰবল হৈ উঠিল লিখক হোৱাৰ বাসনা। তেওঁ বাতৰি কাকতত চাকৰি কৰা কথা ভাবিলে। কাকতত চাকৰি কৰিলে লিখাৰ পৰিবে। এটা অন্তত পোৱা যাব। ১৯১৯ চনত তেওঁ কানাডালৈ যায় আৰু তাতেই টৰোণ্টোৰ 'স্টাৰ উইকলি' কাকতৰ সম্পাদকৰ লগত চিনাকি হয়। সেই কাকততে তেওঁ নিয়মীয়াকৈ লিখিবলৈ ধৰিলে। এই সময়তে তেওঁৰ লিখাই বিভিন্ন দিশত পৰিপূৰ্ণতাও লাভ কৰে। তেওঁৰ গদ্য ভঙ্গী হৈ পৰে কাহিনী কথকতাৰ উপযোগী।

১৯২ চনত তেও চিকাগোলৈ যায় এখন আলোচনীৰ সহকাৰী সম্পাদক হৈ। হয়তো তেওঁ এক উৎসাহী উদীয়মান লিখক সমাজৰ লগত জড়িত হৈ পৰে। আমেৰিকাৰ উপন্যাস আৰু তাৰ কাৰিকৰী দিশ সম্পৰ্কে এই উদীয়মান লিখক বন্ধুবোৰৰ সতে হেমিংওৱে আলোচনা কৰি নিজৰ সুস্থ মত তেওঁ প্ৰতিপাদন কৰে। ঔপন্যাসিক হোৱাৰ আগ্ৰহ ক্ৰমে প্ৰবল হৈ উঠে তেওৰ মনৰ মাজত।

ডেইলি ষ্টাৰ কাকতৰ সাংবাদিক হিচাপে হেমিংওৱে এইবাৰ পেলে পেৰিচ। ক্ৰমে সাংবাদিকতা আৰু লিখাৰ অনুশীলনেৰে তেওঁ কটিয়াই আনিব ধৰিলে খ্যাতি আৰু অৰ্থ। আৰ্থিক নিৰাপত্তাৰ লগে লগে লিখা ক্ষেত্ৰত তেওঁ একান্ত মনে মনোনিবেশ কৰাৰ সুবিধা পালে। এই সময়তে তেওঁৰ সম্পৰ্ক ঘটে প্ৰখ্যাত ঔপন্যাসিক জেমচ জয়েচ আৰু কবি এজৰা পাউণ্ডৰ সতে। হেমিংওৱে কবিতাও লিখিছিল। তেওঁ কবিতা, গল্প লিখি এজৰা পাউণ্ডক চাবলৈ দিলে। ষ্টেইনেও এই সময়ত তেওক লিখা ক্ষেত্ৰত সহায় কৰিছিল। তাৰ কথা লিখকে নিজকে বৰ্ণাইছে এনেদৰে

E ra was right helf the time and when he was strong, he was so strong you were never in any doubt about it Gertrade was always right

গভীৰ অধ্যয়নে তেওঁৰ সাহিত্যিক দৃষ্টিভঙ্গীক এক বিশেষ গঢ দিলে, বিশেষকৈ টি, এচ এলিয়টৰ অধ্যয়নে তেওৰ মানসত সৃষ্টি কৰা প্ৰতিক্ৰিয়াৰ কথা তেওঁ উল্লেখ কৰি কৈছে I learned how to do that by reading T S Eliot অধ্যয়নৰ লগতে ভ্ৰমণ আৰু ব্যক্তি সংস্পৰ্শৰ অভিজ্ঞতাৰে পৰিপূৰ্ণ হৈ উঠিল তেওৰ সাহিত্যিক ব্যক্তিত্ব।

১৯৩৬ চনত স্পেইনত গৃহযুদ্ধ আৰম্ভ হয়। হেমিংওৱে স্পেইনলৈ আহে। গৃহযুদ্ধত লিপ্ত স্পেনক দেখি হেমিংওৱে অবাক হৈ গল। তেজ তেজ কেৱল তেজ। তেজৰ সোঁত তেজৰ নদী, তেজৰ সমুদ্ৰ। কোনো তাত নিৰপেক্ষ নহয়। কোনোবা ৰাজতন্ত্ৰী, কোনোবা সমাজতন্ত্ৰী, কোনোবা ফেচিষ্টবাদী। প্ৰতিবেশী প্ৰতিবেশীৰ মাজত সংগ্ৰাম, দ্বন্দ। ভাইয়ে ভাইৰ বিৰুদ্ধে যুঁজিছে। এক বছৰৰো বেচি কাল হেমিংওৱে এই বিভিন্ন দলবোৰৰ লগত মিলামিছা কৰিলে। এই গৃহযুদ্ধই তেওঁৰ মানসত যি বিশেষ প্ৰভাব পেলায় তাৰে ফলশ্ৰুতি স্বৰূপ The Fifth Column নাটক আৰু যুগান্তকাৰী উপন্যাস For whom the Bell Tolls

দ্বিতীয় মহাযুদ্ধৰ সময়ৰ কথা। হেমিংওৱে কিউবালৈ আহি ঘৰ এটা কিনি লৈ তাত থাকিবলৈ ললে। মাছ ধৰাৰ কাৰণেই তেওঁ তালৈ অহা বুলি মানুহক কলে। মাছ ধৰাৰ বাবে তেওঁ লাঞ্চ এখনো কিনি ললে। হঠাতে এই আনন্দত যতি পৰিল। মাৰ্কিন যুক্তৰাষ্ট্ৰ চৰকাৰীভাবে যুদ্ধত নামি পৰিল। হেমিংওৱে নিজৰ কৰ্তব্য ঠিক কৰি পেলালে। মাছ মৰা লাঞ্চখনেৰে তেওঁ কিউবাৰ উপকূল ভাগত শতাধিক মাইলৰ পহৰাৰ দায়িত্ব ললে। জাৰ্মান চাব মেৰিনৰ যাতে আকস্মিক আবিৰ্ভাব ঘটিব নোৱাৰে তাৰ বাবে তেওঁ সচেষ্ট হল। জাৰ্মান চাবমেৰিণৰ গতিবিধি সম্পৰ্কে তেওঁ নৌবিভাগলৈ যিবোৰ সংবাদ পঠিয়াইছিল সেই অনুসাৰে আক্ৰমণ চলাই মাৰ্কিন নৌ বিভাগৰ ৰক্ষী জাহাজবোৰে বহু সময়ত জাৰ্মান চাবমেৰিন ধ্বংস কৰিবলৈ সমৰ্থ হৈছিল।

যুদ্ধৰ মাজতে সাংবাদিক হিচাপে এবাৰ লণ্ডন পালে। ইউৰোপীয় ভূখণ্ডত মিত্ৰবাহিনীৰ অৱতৰণৰ পূৰ্বেই হেমিংওৱে বৃটিছ ৰাজকীয় বিমান বাহিনীৰ বোমাৰু বিমানত উঠি জাৰ্মানীৰ বুকুত বোমা নিক্ষেপ কৰা দৃশ্য চাই আহিছিল। এই যুদ্ধত তেওঁ নিজেও হাতত অস্ত্ৰ তুলি লৈছিল।

বৈচিত্ৰ্যময়তাৰ শেষ নাই হেমিংওৱেৰ জীৱনত। এবাৰ আফ্ৰিকাৰ অৰণ্যৰ শোভা চাবলৈ গৈ প্লেন ভাঙি তেওঁ দুৰ্ঘটনাত পতিত হয়। আনকি শোক সংবাদো ছপা হল কাকতত। তেওঁ মৰা নাছিল যদিও গুৰুতৰভাবে আহত হৈছিল আৰু এই আঘাতৰ বাবে তেওঁ ১৯৫৪ চনত নোবেল বটা গ্ৰহণ কৰিবলৈ ষ্টকহলমলৈ যাব নোৱাৰিলে।

দুঃসাহসিকতাৰে জীৱনক বৰণীয় কৰি তোলা হেমিংওৱেৰ মৃত্যুও এক অসাধাৰণ ঘটনা। যুদ্ধক্ষেত্ৰ, আফ্ৰিকাৰ ঘন অৰণ্য স্পেইনৰ গৃহযুদ্ধৰ মাজৰ পৰা

বাচি অহা হেমি ওৱে নিজৰ বন্দুকৰ গুলীতেই এদিন প্ৰাণ হেৰুৱালে। বহুতে কলে আত্ম হত্যা, বহুতে কলে দুৰ্ঘটনা।

নিচেই কম বয়সতে সাহিত্যিক কীৰ্ত্তিৰে জগতক স্তম্ভিত কৰা লিখক হেমি ওৱেৰ সাহিত্য সৃষ্টিও তেওঁৰ বৈচিত্ৰ্যময় জীৱনৰ অংশ বুলি কব পাৰি। সকৰ পৰা সাহিত্যত ৰাপ থকা হেমিংওৱে বিশিষ্ট লিখক তথা উদীয়মান সাহিত্যিকৰ লগত নিবিড় সংস্পৰ্শত সাহিত্য সেৱাত মন পুতি লাগে। মিচিগানত থকাৰ পৰা তেওঁ একানপতীয়াকৈ সাহিত্য সেৱাত লাগিছিল আৰু সেই আটাইবোৰ লিখা সযতনে থৈছিল এটা চুটকেচত। কিন্তু কোনোবাই সেই বোৰ চুৰি কৰি লৈ গল। তেওঁৰ হাতত থাকিল মাত্ৰ কেইটামান কবিতা আৰু দুটা গল্প। গল্প দুটা হ'ল Up in Michigan আৰু My old Man সমস্ত ৰচনা হেৰুৱাই কিন্তু দুগুণ উৎসাহেৰে তেওঁ আকৌ লিখাতহে লাগিল। ১৯২৩ চনত প্ৰকাশিত হয় তেওঁৰ প্ৰথম গ্ৰন্থ Three Stories and Ten Poems আৰু ইয়ে তেওঁলৈ কঢ়িয়াই আনিলে উৎসাহ আৰু উদ্যম। গ্ৰন্থখনত তেওঁৰ হাতত থকা ৰচনাখিনি প্ৰকাশ পাইছিল। কেইটামান কবিতা আৰু গল্পৰ এই সংকলনটোত প্ৰথম গল্পটো হল Up in Michigan ই লোমহৰ্ষক আৰু দুখময় কাহিনী। ইয়াত S rewood Anderson-ৰ প্ৰভাৱ লক্ষণীয়। এন্দাৰচনৰ দৰে তেওঁ ইয়াত জোৰ দিছে মানুহৰ যৌন চেতনাৰ ওপৰত যিয়ে নিয়ন্ত্ৰিত কৰে মানুহৰ আচৰণ বিধিক। My old Man পিতা আৰু পুত্ৰৰ কাহিনী। ইয়াত সন্নিবিষ্ট আনটো কাহিনী হ'ল Out of Season ইয়াত নাৰী আৰু পুৰুষৰ সম্পৰ্কৰ ওপৰত আলোকপাত কৰা হৈছে।

তেওঁৰ প্ৰথম গ্ৰন্থখন প্ৰেছত থাকোতেই দ্বিতীয়খন গ্ৰন্থ In our Time ৰচনাত তেওঁ মনোনিবেশ কৰে। ইয়াত আছে খণ্ড জীৱন চিত্ৰ এখানি। ই প্ৰথমেই ফ্ৰান্সত প্ৰকাশিত হয় পাছত আমেৰিকাত প্ৰকাশ পায় ১৯২৫ চনত। ইয়াৰ বাৰটা চিত্ৰত আছে যুদ্ধ, ষাড় যুদ্ধ, আৰু বাতৰি কাকতত কাম কৰোঁতে লগ পোৱা বিভিন্ন দৃশ্যৰ বৰ্ণনা। প্ৰত্যেকটো চিত্ৰই প্ৰকাশ কৰিছে সমসাময়িক জীৱনৰ লোমহৰ্ষক ঘটনাৰ দৃশ্য। ১৯২৪ চনত গ্ৰন্থখন পেৰিচত প্ৰকাশ হওতে তাত প্ৰাৰ্থনা পুথিৰ নমুনাৰ এক আপ্ত বাক্য তেওঁ সন্নিবিষ্ট কৰিছিল Give us peace in out time, O Lord ই আছিল আচলতে ব্যঙ্গাত্মক। গ্ৰন্থখনত কিন্তু শান্তিৰ পৰিবৰ্তে এক অশান্ত জীৱনৰ চিত্ৰ যেনে সমৰ সজ্জাৰ ব্যুহ, ৰাজনৈতিক নেতাক ফায়াৰিং স্কোৱাডত হত্যা কৰা, মেচিন গানৰ বোমাৰ ভয়াবহ আঘাত,

চিকাগোৰ পুলিছে এজাল চোৰক গুলিওৱা ষাডগৰুৰ লগত যুদ্ধ কৰোতাই পোৱা আঘাতৰ দৃশ্য, ষাড হত্যা কৰা মেটাদৰৰ মৃত্যু, এজন হত্যাকাৰীৰ মৃত্যুদণ্ড আদি দৃশ্য তাত সংযোগ কৰা হৈছে। বিংশ শতিকাৰ মানুহৰ নৈতিক মানদণ্ডকেই যেন তেওঁ ইয়াৰ মাজত ফুটাই তুলিব বিচাৰিছিল।[২]

ইয়াৰ পাছত হেমিংওৱে দুখন উপন্যাস লিখি উলিয়ায়। প্ৰথমখন তেওঁ কফি চোচাহটিৰ পটভূমিত লিখি উলিয়াইছিল। তেওঁৰ সংস্পৰ্শলৈ অহা লিখক বুদ্ধিজীবি, অধ্যয়নশীল ছাত্ৰ, খেলুৱৈ আদিৰ চৰিত্ৰ ইয়াৰ মাজেদি ৰূপায়িত কৰি তুলিছিল আৰু দ্বিতীয়খন উপন্যাস আছিল ব্যঙ্গমূলক। তেওঁৰ আক্ৰমণৰ লক্ষ্য আছিল Sherwood Ander onৰ নতুন সৃষ্টি যিয়ে আগৰ সুষম আৰু প্ৰতিভাৰ স্বাক্ষৰ লৈ পাঠক সমাজৰ সন্মুখত হাজিৰ হব পৰা নাছিল।

ঔপন্যাসিক হিচাপে তেওঁক প্ৰতিষ্ঠা কৰিলে The Sun also Rises উপন্যাসখনে। এই উপন্যাসৰ নায়ক জেক বাৰ্ণচ। তেওঁ এজন আমেৰিকাবাসী বাতৰি কাকতৰ মানুহ। ইটালীৰ ৰণক্ষেত্ৰলৈ যোৱাৰ বাটত তেওঁ দুৰ্ঘটনাত পতিত হৈ আহত আৰু অক্ষম হয়। উপন্যাসত এই জীৱনৰ সতে, নায়কে কৰা সহ অৱস্থাৰ বিষয়ে লিখকে বৰ্ণনা কৰিছে। সমাজ জীৱনৰ পৰা নিৰ্বাসিত হোৱা এই চৰিত্ৰৰ মানসিক অৱস্থাৰ যথাযথ চিত্ৰনৰ লগতে তেওঁৰ প্ৰেম চেতনাৰ বিষয়েও লিখকে বৰ্ণনা কৰিছে। তেওঁৰ প্ৰেমিকা হ'ল Lady Brett Ashley যাৰ সতে নিসহায়ভাবে আৰু আশাহীন ভাবে প্ৰেমত পৰিছে। তেওঁৰ উপৰিও আন কেইটামান উল্লেখযোগ্য চৰিত্ৰ আছে, যাৰ সতে জেক বাৰ্ণচৰ সম্পৰ্কৰ কথা ফুটাই তোলা হৈছে। উপন্যাসখনৰ কলাত্মক সৌন্দৰ্য্য চকুত লগা। চৰিত্ৰ চিত্ৰনৰ ক্ষেত্ৰতো লিখকে বিশেষ দক্ষতা দেখুৱাইছে। আনকি সৰু সৰু চৰিত্ৰ বোৰকো তেওঁ বিশেষ দক্ষতাৰে উজ্জল কৰি তুলিছে। ইয়াত ব্যৱহৃত সংলাপো আকৰ্ষণীয়। পৰিবেশৰ যথাযথ চিত্ৰণ ইয়াৰ অন্যতম বৈশিষ্ট্য।

হেমিংওৱেৰ উল্লেখযোগ্য উপন্যাস 'A Farewell to Arms যুদ্ধ আৰু প্ৰেমৰ এক ৰোমাণ্টিক ট্ৰেজেদি। লিখকৰ ৰচনা নৈপুণ্যৰ স্বাক্ষৰ বহন কৰা

---

২ But it reveals perhaps a more accurate picture of the meral status of twentieth century man than the equally limited vision of oak park illinois and as he continued to explore the behaviour of people under physical and emotional pressures of these kinds Hemingway began to workout the Code of Practical ethics which would enable them to Cope

—Sanderson stewart Hemingway P 25

এই উপন্যাসখনে হেমিংওৱেক জনপ্ৰিয়তাৰ শীৰ্ষত উপনীত কৰায়। পৃথিবীৰ বিভিন্ন ভাষালৈ অনূদিত হৈ এই উপন্যাসখনে অগণন পাঠকৰ মন জয় কৰে। প্ৰথম মহা সমৰৰ পটভূমিত এনে সাৰ্থক যুদ্ধ বিষয়ক উপন্যাস প্ৰথম হেমিংওৱেই ৰচনা কৰে।

এই উপন্যাসৰ নায়ক ফ্ৰেডাৰিক হেনৰি। এবাৰ সি যুদ্ধক্ষেত্ৰত আঘাত পাই মিলানৰ এখন হস্পিতেলত চিকিৎসাধীন হৈ থাকি, ক্ৰমে আৰোগ্য লাভৰ পথত। যুদ্ধ, সমাজ জগত এই সকলোবোৰৰ প্ৰতি হেনৰি বিৰক্ত। তাৰ প্ৰেমিকা ক্যাথাৰিন নামৰ নাৰ্চজনীক এই সকলোবোৰেই ষড়যন্ত্ৰ কৰি যেন তাৰ ওচৰৰ পৰা আতৰাই নিবলৈ আৰম্ভ কৰিছে।

হেনৰি আৰোগ্য হৈ উঠাৰ লগে লগে যুদ্ধক্ষেত্ৰৰ পৰা বাৰ্তা আহিল সি হস্পিতেল এৰি ৰণক্ষেত্ৰত হাজিৰ হব লাগে। ৰণক্ষেত্ৰলৈ যোৱা মানেই ক্যাথাৰিনৰ সান্নিধ্য এৰাই যোৱা। তাৰ মন অশান্তি আৰু সন্দেহে পূৰ্ণ হল। এই দ্বন্দপূৰ্ণ মন লৈয়ে হেনৰি যুদ্ধত যোগদানৰ কাৰণে সাজু কিন্তু শেষ পৰ্যন্ত সেয় সম্ভৱপৰ নহল। ... সৈন্যদল সেই সময়ত পশ্চাদ অপসৰণত ব্যস্ত আছিল ঠিক তেনে সময়তে সিও গা ঢাকি পলাই গল। ক্যাথাৰিণৰ লগত তাৰ প্ৰেম আৰু গভীৰ হৈ পাৰিল। তাই সন্তান সম্ভৱা হল। কিন্তু প্ৰসৱৰ সময়তে ক্যাথাৰিনৰ মৃত্যু হল। হেনৰিৰ জীৱন শূন্যতাৰে উপচি পৰিল। তাৰ সন্তানটো বাচি থাকিল যুদ্ধৰ সময়ৰ প্ৰেমৰ প্ৰতীক হৈ।

এই উপন্যাসৰ অকল নায়ক শাৰীৰিকভাবেহে আহত নহয় যুদ্ধৰ পৰিবেশে তাক মানসিক ভাবেও আহত কৰিছে। সি উপলব্ধি কৰিছে The world kills the very good and the very gentle and the very brave impartially এই ক্ষয়িষ্ণু পৃথিবীতে কিন্তু নায়কে শক্তিশালী হৈ বাচি থকাৰ সাহস গোটাইছে।

যুদ্ধৰ পৰিবেশৰ মাজতে প্ৰেমৰ এক কাহিনী গঢ লৈ উঠিছে ক্যাথাৰিনৰ যোগেদি। ক্যাথাৰিণে তাইৰ প্ৰথম প্ৰেমিকক যুদ্ধত হেৰুৱাইছিল। ফ্ৰেডেৰিকে পুৰণ কৰিছিল তাইৰ পূৰ্বপ্ৰেমিকৰ স্থান। মিলানৰ হস্পিতেলত দুয়োৰে প্ৰেম গাঢ হৈ পৰিছিল। অৱশ্য সিহঁত দুয়োৰে প্ৰেম গতানুগতিক প্ৰেমতকৈ পৃথক কাৰণ হেমিংওৱে এহাল প্ৰেমিক প্ৰেমিকাক ইয়াত উপস্থাপিত কৰিছে এক অসাধাৰণ আৰু অস্বাভাবিক পৰিস্থিতিত। যুদ্ধ আৰু শুশ্ৰূষাৰ দায়িত্ববোধৰ পৰা আতৰি দুয়ো নিবিৰভাবে সংলগ্ন হৈ পৰিছে উভয়ৰ বাহুৰ মাজত। সিহঁত কেৱল জীয়াই আছে ইজনে সিজনৰ বাবে। তৃতীয় ব্যক্তিৰ আগমনৰ লগে লগে

ক্যাথাৰিনে মৃত্যু বৰণ কৰিছে। কিন্তু সেই তৃতীয় পুৰুষ যি তাইৰ সন্তান সিয়ে স্বাক্ষৰ বহন কাৰণে সিহঁত দুয়োৰো সম্পৰ্কৰ।

উপন্যাসখনক লিখকৰ ব্যক্তিগত অভিজ্ঞতাৰ ছাপে বাস্তৱধৰ্মী আৰু জীৱন্ত কৰি তুলিছে। তুই এটা বৰ্ণনাৰ মাজত নিজ অভিজ্ঞতাই যেন মূৰ দাঙি উঠিছে—

Through the other noise I heard a cough, then came the chah chah chah—then there was a flash as when a blast furnace door is swang open, and a roar that started white and went red and on and on in a rushing wind I tried to breathe but my breath would not come and I feet myself rush bodily out of myself and out and out and out and all the time bodily in the wind I went out swiftly all of myself and I knew I was dead and that it had all been a mistake to think you just died Then I floated, and instead of going on I felt myself slide back I breathed and I was back

বাস্তৱিক কথাৰ নিখুঁত বৰ্ণনা তেওঁ নিজ অভিজ্ঞতাৰ দ্বাৰা কৰিব পাৰিছিল। এই অভিজ্ঞতাৰ সাচ চৰিত্ৰ চিত্ৰ। ফ্ৰেদেৰিক বৰ্ণনা আদিৰ মাজতো স্পষ্ট ৰূপত প্ৰকাশি উঠিছে। এই দিশৰ পৰা উপন্যাসখন হৈ পৰিছে এখন সাৰ্থক চিন্তাধৰ্মী উপন্যাস।

হেমিংওৱে আছিল চিন্তাশীল সাহিত্যিক শিল্পী। তেওঁৰ প্ৰতিখন কিতাপেই তেওঁৰ নিজৰ ভাষাত a new beginning, where he tries again for something that is beyond attainment সাহিত্যৰ আঙ্গিকৰ ক্ষেত্ৰত তেওঁ কৰা পৰীক্ষা নীৰিক্ষাৰ এই সময়চোৱাত ৰচিত হয় তেওঁৰ গ্ৰন্থ ক্ৰমে Death In the Afternoon, Green Hills of Africa, To Have and Have not আৰু The fifth column এই সময়চোৱা আছিল হেমিংওৱেৰ ভ্ৰমণ ঘৰুৱা অৱস্থাৰ পুনৰনিষ্পত্তি আৰু সমসাময়িক ক্ষমতাৰ ৰাজনীতিত নিজকে সংযুক্ত কৰাৰ গুৰুত্বপূৰ্ণ অৱস্থাৰ। ওপৰত উল্লেখ কৰা গ্ৰন্থৰ উপৰিও তেওঁ সাংবাদিকতাৰ টিপ্পনী স্পেনৰ গৃহযুদ্ধৰ বাতৰি আলেখ্য প্ৰকাশ হোৱাৰ লগতে প্ৰকাশিত হৈছিল গল্পপুথি The Short Happy life of Francis Macomber, আৰু The Snows of kilimanjaro দুখন ষাঁড়যুদ্ধ আৰু চিকাৰ সম্পৰ্কীয় গ্ৰন্থ যথাক্ৰমে Death in the Afternoon আৰু Green Hills of

Africa এই গ্ৰন্থৰ লগত লিখকৰ জীৱন দৰ্শন তথা শিল্পদৰ্শন যেন সম্পৃক্ত হৈ আছে।

স্পেনৰ গৃহযুদ্ধৰ পটভূমিত হেমিংওৱে লিখি উলিয়ায় তেওঁৰ যুগান্তকাৰী উপন্যাস For whom the Bell Tolls স্পেইনক তেও গভীৰভাবে ভাল পাইছিল। স্পেনিছ ভাষা তেও সুন্দৰকৈ কব পাৰিছিল, সেই দেশৰ লগত তেওঁৰ গভীৰ অন্তৰঙ্গতা গঢ়ি উঠাৰ কাৰণে। লিখকে নিজ চকুৰে প্ৰত্যক্ষ কৰিছে তেওঁলোকৰ গৃহযুদ্ধৰ সেই দুঃসময়ৰ অৱস্থা। তেওঁ দেখিলে আদৰ্শৰ কাৰণে মানুহে মৃত্যুক সাৱতি লৈছে। ষাড়যুদ্ধৰ উপভোগ কোনো খেল বা আনন্দ নহয় ই কোনো ব্যক্তিগত ঘটনাও নহয় ই যেন বিমূৰ্ত্ত এক বস্তুৰ কাৰণে হোৱা মৃত্যু। ষাড়যুদ্ধৰ পুন পুন বৰ্ণনাৰে যেন তাকেহে ব্যক্ত কৰা হৈছে।

এই উপন্যাসৰ নায়ক ৰবাৰ্ট জৰ্ডান এজন আমেৰিকাৰ কলেজ শিক্ষক। তেওঁ স্পেনলৈ আহিছে এজন লয়েলিষ্ট গৰিলা হিচাপে যুদ্ধ কৰিবলৈ। উপন্যাসৰ কাহিনী গঢ় লৈ উঠিছে ৰবাৰ্ট জৰ্ডানে এখন দলং ধ্বংস কৰি ফেচিষ্ট বাহিনীক বাধা দিবলৈ কৰা প্ৰচেষ্টাৰ ভেটিত। এজন বয়সস্থ খেতিয়ক আনচেলমো হৈছে জৰ্ডানৰ সঙ্গী। ৰাচিয়ান সেনাধ্যক্ষ গোলজে জৰ্ডানক এই দলংখন ধ্বংস কৰা ক্ষেত্ৰত হব পৰা বিপদৰ কথা উল্লেখ কৰি কৈছে যে এই কামটো সহজ নহব বিশেষকৈ ৰথীয়াবোৰৰ হাতৰ পৰা জড়ান সাৰি যোৱাতো। কাৰণ দলংৰ ওপৰে তলে ৰথীয়াবোৰে তহল দি থাকে। তাৰোপৰি দলংখন উৰুৱাই দিব লাগিব ৰাতিপুৱা।

জৰ্ডানে গৰিলাবোৰৰ সতে পাহাৰৰ ওচৰৰ গুহা এটাত থাকি আক্ৰমণ চলাবলৈ ঠিক কৰিলে। গৰিলাবোৰৰ মানসিকতা মুঠেও উচ্চ নহয়। সিহঁতৰ নেতা পাবলোই প্ৰজাতন্ত্ৰ ৰক্ষাতকৈ বেচি মনোযোগী নিজ দেহ আৰু তাৰ ঘোৰাবোৰ ৰক্ষাকৰাতহে। দলংখন উৰুৱাই দিলে সি এই গোপন ঘাটি এৰিব লাগিব আৰু তাৰ পৰা গুচি যাবলৈ সিহঁতৰ হাতত বেচি ঘোৰাও নাই আদি যুক্তি সি দেখুৱালে। পাবলোৰ ঘৈনীয়েক পিলাৰ কিন্তু জৰ্ডানৰ সমৰ্থক। পাবলোক হত্যা কৰিব খুজিছিল জৰ্ডানে আৰু এই ক্ষেত্ৰত সকলোৱে একমত আছিল। কিন্তু এক বৰফৰ ধুমুহাই সকলো বাধা দিলে। পাবলোই মদ খাই মাতলামি কৰি যেতিয়া গৰিলাবোৰৰ সতে কাজিয়া কৰিবলৈ ধৰিলে জৰ্ডানে তাক হত্যা কৰাটোকে ঠিক কৰি পেলালে। পাবলোই এই কথা শুনিলে আৰু সি ঘোষণা কৰিলে যে পলোৱাৰ কাৰণে সি এটা নতুন পৰিকল্পনা কৰিছে। তাপমাত্ৰা বঢ়াৰ লগে লগে বৰফৰ ধুমুহা কাটি গলে আক্ৰমণ চলোৱাতো সহজ হৈ পৰিব। এনেতে এজন বিপক্ষৰ সেনা গৰিলা

শিবিৰত সোমোৱাত তাক সিহতে হত্যা কৰিলে। শত্ৰুৰ চৰে এতিয়াই বেটি ধৰিবহি বুলি সিহতে অনুমান কৰি ললে।

এনেতে আন এজন গৰিলা নেতা এল চদোই জৰ্ডানক চাৰিজন বিশ্বাসী মানুহেৰে সহায় কৰিবলৈ আগবাঢি আহিল। বৰফ বোৰৰ মাজেৰে উভতি আহোতে অশ্বাৰোহী বাহিনীয়ে সি তক খেদি আহিল। পাহাৰৰ শিখৰৰ পৰা সিহতে যুদ্ধ কৰিলে কিন্তু ফেচিষ্ট সকলৰ বোমাৰু বিমানৰ বোমাত সিহতৰ মৃত্যু হল।

আনচেলমোৱে আহি খবৰ দিলে যে সেনাধ্যক্ষ গোলজে আক্ৰমণৰ বাবে সাজু হৈছে। জৰ্ডানে গোলজলৈ বাৰ্ত্তা দি পঠিয়ালে তেওঁ যাতে আক্ৰমণ নচলায়। হপিনে নিজে দলং ভঙাৰ সকলো পৰিকল্পনা সাজু কৰি পেলালে। সেই দিনা ৰাতি পাবলোই জৰ্ডানৰ খাৰ বাৰুদ বোৰ লৈ পলাই গল। কিন্তু ৰাতিপুৱা সি উভতি আহি তাৰ নিজৰ দোষ স্বীকাৰ কৰিলে আৰু লগতে জৰ্ডানক সহায কৰাৰ প্ৰতিশ্ৰুতি দিলে। বাৰ্তাবোৰ কে গোলজক লগ নেপালেগৈ। যেতিয়া সিহতে ফেচিষ্ট সকলৰ বোমা আক্ৰমণৰ স কত পালে, জৰ্ডান আৰু পাবলোৰ দলে দল আৰু পহৰাদাৰী চকিবোৰ বোমাৰে উৰুৱাই দিলে। কাৰ্য্য সমাধা কৰি ৰাষ্টা পাৰ হৈ সিহতে গিৰিপথত ব াৰ ধৰিলে। ঘোৰ ৰা জৰ্ডান আঘাত প্ৰাপ্ত হৈ মৃত্যুৰ বাবে ক্ষন গনি ৰ ল লগৰ গৰিলাবোৰক পলোৱাৰ সুযোগ দি।

এই উপন্যাসৰ গঠনভঙ্গী, আঙ্গিক সকলো ক্ষেত্ৰতে লিখকৰ নৈপুন্যৰ স্বাক্ষৰ পৰিস্ফুট হৈছে। অসামান্য বৰ্ণনা দক্ষতাৰে তেওঁ ইযাৰ কাহিনী বৰ্ণাই গৈছে কোনো নিযন্ত্ৰা নেহেৰুৱাকৈ। উপন্যাসৰ ঘটনাৰ পৰিসৰ চমু। এটা শনিবাৰৰ পৰা মঙ্গলবাৰৰ মাজত ঘটনাটো ঘটিছে। এই ঘটনাৰ লগত চৰিত্ৰও বৰ বিশেষ নাই, ঘটনাৰ পটভূমিও কেৱল গোদাৰামাৰ উপত্যকাৰ ওপৰ অং।। কিন্তু ৰচনা দক্ষতাৰ ফলত এই চমু পৰিসৰৰ ভিতৰতে ঘটনা চৰিত্ৰ আৰু কাৰ্য্যই এক বিশালতৰ ৰূপ ধাৰণ কৰি ইয়াক এক মহাকাব্য কৰি তুলিছে। নায়ক জৰ্ডানৰ মানসিক চিন্তা আৰু কল্পনা, পিলাৰ আৰু আন গৰিলাবোৰৰ যুদ্ধৰ অভিজ্ঞতাৰ বৰ্ণনা আৰু আন চৰিত্ৰবোৰৰ মানসিক জগতৰ চিন্তা আৰু স্মৃতি চাৰণৰ বিস্তৃত বৰ্ণনাৰে উপন্যাসখনক তেও বি ালতৰ ৰূপ দিছে। এই সকলোবোৰ সামৰি ই হৈ পৰিছে এক সুগঠিত কলাৰ নিদৰ্শন স্বৰূপ।

সীমিত পৰিসৰৰ মাজত জীৱনৰ গভীৰ তত্ত্ব পৰিস্ফুট কৰি তুলিব পৰা হেমি ওৱেৰ আন এক তোন সাহিত্যিক কীৰ্ত্তি হ ল The old Man and the

Sea। ১৯৩৬ চাৰ Esquire কাকতত হেমিংওৱে মাছমৰীয়া সকলৰ জীৱন আৰু মাছ ধৰাৰ প্ৰতি থকা নিচাৰ কথা বৰ্ণাই এটা প্ৰবন্ধ লিখিছিল। কাহিনী আকাৰে ইই কথাকেই দাঙি ধৰিছে এই উপন্যাসত।

মাছ মৰীয়াবোৰৰ সাগৰৰ প্ৰতি আছে গভীৰ আকৰ্ষ। আৰু এই আকৰ্ষণৰ তাডনাতেই পুৰুষানুক্ৰমে সেই বৃত্তি সিহঁতে এৰিব নোৱাৰে। উপন্যাসৰ নায়ক মাছমৰীয়া চান্টিযাগো। সি কিউবাৰ মানুহ। মাছমৰীয়া হিচাপে তাৰ বিশেষ নাম আছিল। সেইদক্ষতা এতিয়াও বৰ্তমান। সীমাহীন সাগৰৰ দৰে সীমাহীন তাৰ সাহস আৰু ধৈৰ্য। তাৰ সৰু মাছধৰা নাওখন লৈ সাগৰৰ বুকুত সি ঘূৰি ফুৰিছে। দিনৰ পাছত দিন বৰশী পেলাই অপেক্ষা কৰিছে। তাৰ লগত কিশোৰ ম্যানোলিনো ঘূৰি ফুৰিছিল তাক সহায় কৰাৰ কাৰণে। কিন্তু বুঢ়াৰ লগত ঘূৰি ঘূৰি বিৰক্তি লাগি সি গুচি গৈছে অন্য এখন নাৱলৈ। বিশাল সাগৰত চান্টিয়াগোই অকলেই ঘূৰি ফুৰিছে। কোন কোন ঠাইত মাছ পোৱাৰ সম্ভাৱনা তাক চান্টিযাগোই চিনি পায় আৰু সেইবোৰ ঠাইত সি অকলে নাওবাই ফুৰিছে। হঠাতে তাৰ বৰশীত মাছ ধৰা সি গম পালে। বৰশীটো দাঙিব খুজি তাৰ ভাব হ'ল যেন এখন পাহাৰৰ গাতহে বৰশীটো লাগি ধৰিছে। সেই পাহাৰখন লৰোৱাৰ শকতি কাৰো নাই। সিহে যেন ওলোটাকৈ তাক টানিব ধৰিছে। বৰশীৰ মাছটোৰ সতে সি নাওচলাব লগা হ'ল। একোবাৰ মাছটোৱে টানি লৈ যায় বহুদূৰলৈ। মাজে মাজে একোবাৰ পানীৰ পৰা গোঁ গোঁ শব্দ এটা ভাঁহি আহি তাৰ কানত পৰে। এনেদৰে আঠচল্লিশ ঘণ্টা সি মাছটোৰ লগত পানীত যুঁজি কটালে। সাগৰৰ নিমখীয়া পানী আৰু কেচা মাছ এয়াই হ'ল তাৰ খাদ্য আৰু পানীয়। সি যিমান পাৰে সিমান জোৰেৰে বৰশীৰ জৰীত ধৰি টানিছে হাতেৰে তেজ ওলাই গৈছে। তথাপি বুঢ়াই হাৰ মনা নাই কাৰণ সি জানে মাছ মাছেই। এদিন সি হাৰ মানিবই লাগিব। কিন্তু সি মানুহ মানুহ কেতিয়াও পৰাজিত হ'ব নোৱাৰে। লাগিলে সি ধ্বংস হৈ যাব। চান্টিয়াগোও হাৰ নেমানে।

বুঢ়াৰ হাতৰ সুতা লাহে লাহে যেন শিথিল হৈ পৰিল। পানীৰ তলত আচম্বিতে ঘটি গ'ল এক বিস্ফোৰণ। এক তুমুল আলোড়ন সৃষ্টি কৰি মাছটোৱে মূৰটো দাঙিলে। এটা অতিকায় মাৰ্লিন মাছ। ইমান ডাঙৰ মাছ আগতে সি দেখা নাছিল। সেয়ে অবাক হৈ মাছটোৰ ফালে সি চাই থাকিল। প্ৰায় আঠ ফুট দীঘল মাছটো হাপুনেৰে বিদ্ধ কৰি সি নাৱৰ ওচৰ চপাই আনি পাৰৰ ফালে আগুৱাব ধৰিলে। এই বিৰাট ডাঙৰ মাছটোৱে তাৰ কেইবা মাহৰ খৰচ চলি

যাব বুলি ভাবি তাৰ ভাল লাগিল কিন্তু এই আনন্দ ক্ষণিকৰ। সকলো আনন্দই ক্ষণস্থায়ী। ক্ৰমে দেখা গ'ল চাৰ্ক মাছবোৰে তাৰ নাওৰ চৌপাশে আগুৰি ধৰিছে। চাৰ্কবোৰ যেনে শক্তিশালী তেনে হিংস্ৰও। প্ৰথম চাৰ্কটোক চাণ্টিয়াগোৱে মাৰি পেলালে কিন্তু তাৰ লগে লগে তাৰ ...তৰ পৰা ...পুনৰো হেৰাই গ'ল। দ্বিতীয় চাৰ্কটোক আক্ৰমন কৰিলে তাৰ ...তৰ চুৰীবে। এনেদৰেই চলিব ধৰিলে বোম ধক স গ্ৰাম। কিছু সময় পাছত চাণ্টিয়াগো সম্পূৰ্ণ নিৰস্ত্ৰ হৈ পৰিল। কোনোমতে নাওঁ আহি পাৰ পালেহি। কিন্তু মাছটো... চাণ্টিয়া গাই দেখিলে ওঠৰ ফুট দী... মা...ৰ ক কালটো লাগি আছে তাৰ নাওৰ গাত। কিন্তু তথাপি সি হতাশ ন... । নিজৰ ঘৰলৈ গৈ সি শুই পৰিল। সি মনে মান ঠিক কৰিলে এইবাৰ কোন ফালে মাছ ধৰিব যাব। লাহে লাহে গভীৰ নিদ্ৰাত সি হেৰাই গ'ল। একোৱেই যেন তাৰ ক্ষতি নহ'ল।

চাণ্টিয়াগোৰ এই কাহিনী পঢ়ি পাঠক সমাজ আচাৰত হৈ পাৰিল। যুদ্ধ, ষাড যুদ্ধ আদিৰ কাহিনীৰে পৰিপূৰ্ণ হেমি ওৱেৰ উপন্যাসত এইবাৰ বাজি উঠিল এক নতুন সুৰ। বিশাল সমুদ্ৰৰ অগাধ নীলিমাৰ মাজৰ পৰা বাহি ব হৈ ওলাল এক মহান চৰিত্ৰ যি অজেয়। হেমি ওৱেৰ নায়কৰ বৈশিষ্ট্যই এয়া। সি মৰিছে কিন্তু ভাঙি নপৰে। ঠিক যেন হেমি ওৱে স্বয়। প্ৰত্যাকবোৰ চৰিত্ৰই জানে যে মানুহ মাত্ৰেই ধ্বংস হয় কিন্তু সি কেতিয়াও পৰাজিত নহয়।

হেমি ওৱেৰ উপন্যাসৰ এক অন্যতম বৈশিষ্ট্য ল প্ৰতীক আৰু ৰূপকৰ অনন্য ব্যৱহাৰ। The old Man and the sea উপন্যাসো হেমি ওৱেৰ এই দক্ষতাৰ এক উজ্জ্বল স্বাক্ষৰ। বুঢ়া আৰু সাগৰে বিভিন্ন অৰ্থৰ দ্যোতনা লৈ পাঠকৰ সন্মুখত প্ৰতীয়মান হব পাৰে। এই প্ৰসঙ্গত হেমি ওৱে নিজে কৈছে—

I tried to make a real old man a real boy, a real sea and a real fish and real sharks But if I made them good and true enough they would many things

উপন্যাসখনত দুটা ভাবৰ ব্যঞ্জনা মূৰ্ত হৈ উঠিছে। প্ৰথমটো হ'ল মানুহে জীৱনৰ সতে কৰা সংগ্ৰাম আৰু দ্বিতীয়টো হ'ল শিল্পীয়ে শিল্পৰ সতে কৰা সংগ্ৰাম। হেমি ওৱে তেওঁৰ শিল্পী সত্বাৰ সংগ্ৰামকে যেন চাণ্টিয়াগোৰ মাজেৰে মূৰ্ত্ত কৰি তুলিছে। হেমি ওৱেৰ শিল্প সাধনাৰ লক্ষ্য আৰু চাণ্টিয়াগোৰ সাধনাৰ মাজত সাদৃশ্য আছে।

The thousand times that he had Proved it meant nothing

Now he was proving it again Each time was a new and he never thought about the past when he was doing it

খুব সৰল ভঙ্গীৰে জীৱনৰ গম্ভীৰ তত্ত্ব সম্বলিত এই কাহিনীটো হেমিংওৱে বৰ্ণনা কৰিছে। চিত্ৰ ধৰ্মী বৰ্ণনাই পাঠকক বৰ্ণনীয় সেই পৰিবেশলৈ লৈ যায়। কিন্তু কাহিনী আৰু বৰ্ণনা ভঙ্গীয়ে হয়াৰ মূলকথা নহয়। হেমিংওৱে এই উপন্যাস খনত মানুহৰ পাপ আৰু সাহসৰ প্ৰতি আন্তৰিকতা পূৰ্ণ সহানুভূতি আৰু সন্মান প্ৰদৰ্শন কৰিছে—

But man is not made for defeat, (Santiago) said A Man Can be destroyed but not defeated

It is Silly not to hope, he thought besides I believe it is a Sin

জীৱজগত জন্ম মৃত্যু সম্পৰ্কেও এক নতুন দৃষ্টিভঙ্গী মাছমৰীয়া চান্টিয়াগোৰ মাজেৰে লিখকে মূৰ্ত্ত কৰি তুলিছে। বিশ্বাস আশা আৰু হৃদয়ৰ উদাৰতাৰে চাৰিটা য়াগো যুক্ত হৈ পৰিছে মাছটোৰে সৈতে। সি হৈ পৰিছে তাৰ ভাতৃ সদৃশ যাক জীয়াই থাকোতে আৰু মৰাৰ পাছতো সি ভাল পাইছে You loved him when he was alive and you loved him after সাগৰৰ মাজত জীৱৰ বিপদৰ মাজত বুঢ়া মাছমৰীয়াই আধ্যাত্মিক দ্যুতিৰে ভাস্বৰ [illegible]। [illegible] সাহস আৰু দৃঢ়তাৰে সি জীৱনৰ নতুন অৰ্থ বিচাৰি পাইছে। [illegible] ভাঙি পৰিলেও আধ্যাত্মিক অপৰাজেয়তাৰ বুঢ়া উভতি আহিছে সাগৰৰ পাৰে।।

ইবছেনৰ নাটক

পিলাৰচ অব চোচাইটি, এন এনেমি অব দ' পিপল

ছেকচপিয়াৰৰ ৰোমাণ্টিক নাট্যধাৰৰ অৱসান ঘটাই এক বাস্তৱবাদী নাট্যৰীতি প্ৰৱৰ্তন কৰা হেনৰিক ইবছেন এক যুগস্ৰষ্টা নাট্যকাৰেই নহয়, তেওঁ নাট্যকলাৰ আজীৱন সাধক। ১৮৫ চনত ইবছেনৰ প্ৰথম নাটক Cataline প্ৰকাশ হয়। এই নাটক প্ৰকাশ হোৱাৰ আগলৈ একমাত্ৰ ফৰাচী দেশৰ বাহিৰে ইউৰোপৰ নাট্য সাহিত্যত বিৰাজ কৰিছিল এক স্থবিৰতা। মঞ্চও হৈ পৰিছিল বৈচিত্ৰ্যহীন নাটক বোৰৰ অভিনয় প্ৰবাহেৰে মুখৰ। ইংলণ্ডতো কোনো গুৰুত্বপূৰ্ণ নাটক ৰচনাৰে নাট্যকাৰ সকলে কৃতকাৰ্য্যতা দেখুৱাব পৰা নাছিল। কেৱল পঠনৰ কাৰণেহে দুই এজন কবিয়ে কাব্যনাট্য ৰচনা কৰিছিল। মঞ্চবোৰ মুখৰ হৈ পৰিছিল কেৱল অসাৰ্থক প্ৰহসন অপনাটক (Melodrama) আৰু প্ৰাচীন ধ্ৰুপদী নাটকৰ ভগ্নাৱশেষ ৰূপৰ অভিনয়ৰে। অৱশ্যে ফৰাচী দেশৰ চক্ৰান্তমূলক নাটক (Intrigue Play) বোৰ ইউৰোপৰ মঞ্চত বিশেষ কৃতকাৰ্য্যতা আৰু মানদণ্ডেৰে প্ৰদৰ্শিত হৈছিল।

ইবছেনৰ Cataline প্ৰকাশ হোৱাৰ পৰা ১৯৫ চনত প্ৰকাশ হোৱা টি এচ এলিয়টৰ The Cocktail Party নাটকৰ ব্যৱধান এশ বছৰ আৰু এই এশ বছৰ ইউৰোপৰ মঞ্চ তথা নাট্য সাহিত্যৰ এক বৈপ্লৱিক সময়। এই সময় ছোৱাত গদ্য নাটকৰ বিকাশ আৰু তাৰ লগে লগে বাস্তৱবাদৰ। এই আন্দোলনৰ মুখ্য নেতা ইবছেন। এওঁৰ উপৰিও ষ্ট্ৰীণ্ডবাৰ্গ (Strindbarg) চেকভ (Chekhov) পিৰান্দেলো (Pirandello) হাপ্টমেন (Hauptmann) শ্ব (Shaw) আদিয়ে গদ্য নাটকৰ ধাৰাতো বিশেষ সবল কৰি তোলে। এই আটাইবোৰ নাট্যকাৰৰ নাট্যাদৰ্শৰ পথ প্ৰদৰ্শক ৰূপে ইবছেন এওলোক আটাইৰে সমাদৃত। সেয়ে ইবছেনৰ এই নতুন নাট্যৰীতিৰ অভিৱাদন জনাই প্ৰশংসা বাণীৰে বিধৌত কৰিছে পিৰান্দেলো, বাৰ্ণাড শ্ব আৰু উইলিয়াম আৰচাৰ আদিৰ দৰে নাট্যকাৰ আৰু নাট্যবিদ সকলে। বাৰ্ণাড শ্বই ছেকচপিয়াৰৰ নাট্যৰীতিলৈ ইবছেনে অনা আমূল পৰিবৰ্তনলৈ ইঙ্গিত কৰি এক নতুন নাট্যযুগ স্ৰষ্টা হিচাবে ইবছেনক শ্ৰদ্ধাৰ্পণ কৰিছে।[১]

---

১ Shakespeare had put ourselves on the stage but not our situations Ibsen supplies the want left by Shakespeare He gives us not only ourselves but our situations one consequence is that his plays are much more important to us than Shakespear s Another is that they are capable both of hurting us cruelly and of filling us with excited hope of escape from idealistic tyrannies and with visions of intenser life in the future

—William Raymonds Drama from Ibsen to Eliot P 42 উদ্ধৃত।

নাট্য সাহিত্যত ইবছেনৰ গুৰুত্ব হ'ল ৰোমাণ্টিক তথা আদৰ্শাত্মক ধাৰাৰ পৰা বাস্তৱবাদী নাট্য ধাৰালৈ তেওঁৰ উত্তৰণ। নাটকত তেওঁ বাস্তৱবাদ প্ৰতিষ্ঠা কৰিলে সমাজ তথা ব্যক্তিমনৰ নিগূঢ় ৰহস্য আৰু সমাজৰ প্ৰচলিত ৰীতিৰ বিৰুদ্ধে বিদ্ৰোহৰ ধ্বনি তুলি। বাস্তৱ সমস্যা সমূহক ইমান দিনে কোনো নাট্যকাৰে ইমান সূক্ষ্মভাৱে পৰ্যালোচনা কৰি তাৰ সমাধানৰ ইঙ্গিত দিবলৈ চেষ্টা কৰা নাছিল। এই ক্ষেত্ৰত ইবছেনে দেখুৱা বাটৰে পথিক হ'ল পৰৱৰ্তী প্ৰতিভাশালী নাট্যকাৰ বাৰ্ণাৰ্ডশ্বকে আদি কৰি অন্য নাট্যকাৰ সকল। ইবছেনেও প্ৰথমতে ৰোমাণ্টিক ৰীতিতেই লিখিবলৈ লৈছিল কিন্তু তেওঁৰ এই নাট্যৰীতি পৰিবৰ্তনৰ লগে লগে তেওঁলৈ আহিল বিশ্বৰ শ্ৰেষ্ঠ নাট্যকাৰৰ খ্যাতি আৰু প্ৰতিষ্ঠা।[২]

ইবছেনৰ সাহিত্যিক সাফল্যৰ অন্তৰালত তেওঁৰ ব্যক্তিগত জীৱনৰ বাধা প্ৰবাহৰো প্ৰভাৱ আছে। সেয়ে তেওঁৰ জীৱনালেখ্যৰ এক পৰ্যালোচনা নহ'লে তেওঁৰ সাহিত্যিক কীৰ্তিৰ মূল্যায়ন পৰিপূৰ্ণ নহ'ব। জীৱন বৃত্তৰ উল্লেখনীয় দিশেৰে সৈতে তেওঁৰ সাহিত্য কৰ্মৰ এক লেখা দাঙি ধৰা হ'ল।

১৮২৮ চনত হেনৰিক ইবছেনৰ জন্ম হয় দক্ষিণ নৰৱেৰ টেলেমাৰ্কেন অঞ্চলৰ সমুদ্ৰতীৰত অৱস্থিত সৰু চহৰ স্কেইনত (Skein)। সৰুৰে পৰা ইতিহাস পুৰাতত্ত্ব পঢ়ি ভাল পোৱা ইবছেন প্ৰথমতে ধৰ্মতত্ত্বৰ প্ৰতিও গভীৰভাৱে আকৰ্ষিত হৈছিল। লেটিন আৰু জাৰ্মান ভাষাৰ ওপৰতো তেওঁৰ দখল আছিল। নৰৱেৰ স্বাধীনতা যুদ্ধৰ কবি হেনৰিক ৱেৰগেলণ্ডৰ কবিতা সমূহৰ অধ্যয়নে তেওঁক প্ৰথমতে কবিতা লিখিবলৈ প্ৰেৰণা যোগাইছিল আৰু সেয়ে হয় বোধকৰো তেওঁ সাহিত্যিক জীৱন আৰম্ভ কৰে কাব্য ৰচনাৰে। এই সময়তে তেওঁ লিখা কেইটামান বিশেষ উল্লেখযোগ্য কবিতা হ'ল Resignation By the Sea Doubt and Hope ইত্যাদি।

কবি ইবছেনৰ ৰোমাণ্টিক দৃষ্টিভঙ্গীলৈ অভিনৱ ৰূপান্তৰ আনিলে ব্যঙ্গ লেখক ভলটেয়াৰৰ ৰচনাৰ অধ্যয়নে। ভলটেয়াৰৰ ৰচনাৰ প্ৰভাৱত তেওঁৰ মনত এটা

---

২ His early plays reflect a romantic concern with history both Roman and Scandinavian and with legend With the later plays we come to the dramas of idea and of social comment but hi primary concern is with character the development of each of the late plays is a strategy for revealing the submerged uncknowledgeable reality of charactar

—Melechengr Siegfreied The concise Encyclopoedia of Modern Drama P 218

প্ৰেম, বিবহ ধৰ্ম আদিৰ পূৰ্বাপৰ ধাৰণাসমূহ পৰিবৰ্ত্তিত হব ধৰিলে। ভলটেয়াৰৰ চিন্তাধাৰাই তেওঁক এইবোৰৰ ওপৰত থকা আস্থাৰ প্ৰতি সন্দিহান কৰি তোলে। এই ধৰনৰ নতুন চিন্তাৰ উন্মেষে তেওৰ পৰবৰ্ত্তী কালৰ বাস্তববাদী নাটক সমূহত এক বিশেষ প্ৰভাৱ পেলালে।

ইবছেনৰ সাহিত্যিক ব্যক্তিত্বত ৰাজনৈতিক জীৱনৰ প্ৰভাৱো মন কৰিব লগীয়া। তেওঁৰ মন প্ৰাণ যেতিয়া নৱ যৌৱনৰ সপোনেৰে ৰঙীন সেই সময়তে ইউৰোপ ৰাজনৈতিক ঘৰ্ণাবৰ্ত্ত অস্থিৰ অশান্ত। ডেনীয় সাম্ৰাজ্যবাদৰ কৱলৰ পৰা সাময়িকভাৱে মুক্ত নোৱাৰ পাছতেও চুইডেনৰ অধীনত আৰু চুইডিচ ৰজাৰ নিৰ্ব্বাচিত মন্ত্ৰীসভাৰ তত্বাৱধানত দেশ ত্ৰিশ বছৰ কটাইছিল। এনেতে ৮৮ চনৰ ফেব্ৰুৱাৰী মাহত পেৰিচত গণ অভ্যুত্থান আৰম্ভ হল। ফ্ৰান্সে নিজকে ৰিপাব্লিক বুলি ঘোষণা কৰিলে। বিশ বছৰীয়া যুৱক ইবছেনক এই ঘটনাই বেচ উত্তেজিত কৰি তুলিলে। ফ্ৰান্সৰ এই ঘোষণাক তেও যুগান্তকাৰী ঘোষণা বুলি স্বাগতম জনালে। সচাকৈয়ে সেই বছৰটো আছিল বিশেষ তাৎপৰ্য্যপূৰ্ণ। সেই বছৰতে ইটালী ৰোম, পিচা, মিলান আদি ইয়াৰ পিছত শিখন চহৰত বিয়পি পৰিল বিপ্লৱ। তেৰ মাচৰ মাত্ৰ এদিনৰ বিপ্লৱে মেটাৰনিকৰ দৰে দেশ নায়কক ওলোৰাই পেলালে। ভিয়েনা জনসাধাৰণৰ হাতলৈ আহিল। এই বাতৰি পাই ডেনিচতো আৰম্ভ হল আন্দোলন। তেওঁলোকেও নিজকে ঘোষণা কৰিলে ৰিপাব্লিক বুলি। এইবাৰ বিপ্লৱে আহি খুন্দিয়ালে বাৰ্লিনৰ কাৰাগাৰত। চতুৰ্থ ফেডাৰিক উইলিয়াম বাধ্য হল পাৰ্লামেণ্ট গঠন কৰিবলৈ। এইবোৰ ঘটনাই যুৱক ইবছেনৰ মনত মানুহৰ মহাজাগৰণৰ শঙ্খধ্বনি ৰূপে নিনাদিত হৈ তেওঁক উচ্চাসিত কৰি তুলিলে। এই গণ অভ্যুত্থানে তেওঁৰ মনৰ ওপৰত কেনে প্ৰভাৱ বিস্তাৰ কৰিছিল তাক তেও নিজে প্ৰকাশ কৰিছিল এনেদৰে

It was a momentous era The February Revolution, the rising in Hungary aud elsewhere, the Scheeswig war all this had a powerful and maturing effect on my development I worte resounding poems to the Magyars extortiong them in the name of freedom and humanity to continue steadfastly in the struggle against the tyrants

কিন্তু ইবছেনৰ মনত বিশেষভাৱে ৰেখাপাত কৰা এই গণ অভ্যুত্থানবোৰ যেতিয়া

বিভিন্ন শক্তিৰ হেচাত ধুলিস্যাৎ হব ধৰিলে ইবছেনৰ মনৰ সকলো আশা উদ্যম হেৰাই গ'ল। তেওঁ নৰৱে এৰিলে ১৮৪৮ চনত তেওঁ স্কিয়েন পালে, তাৰ পাছত পালে গ্ৰীমস্পাদ। ১৮৫ চনত পুনৰ তেওঁ স্কিয়েনলৈ উভতি যায় আৰু তাতে তেওঁ গণিত, লেটিন আৰু গ্ৰীকভাষা শিকিবলৈ লয়। অৱশ্যে পঢ়া কালতো তেওঁ কেবাটাও ছাত্ৰ আন্দোলনৰ লগত জড়িত হৈ পৰে যদিও সেইবোৰ বিশেষ তাৎপৰ্যপূৰ্ণ নাছিল। ছাত্ৰ অৱস্থাতে তেও সাংবাদিকতাৰ সতেও জড়িত হয়। Andrimner নামৰ কাকত এখনত তেও নিযমিতভাৱে লিখাৰ উপৰিও এই কাকত িনৰ সম্পাদনা কাযতো তেওঁ বিশেষভাৱে জড়িত আছিল।

ইয়াৰ পাছত ইবছেনৰ আৰম্ভ হয় তেওঁৰ জীৱনৰ আটাইতকৈ তাৎপৰ্যপূৰ্ণ অধ্যায়টো। তেওঁৰ মঞ্চজগতৰ লগত সংযোগ ঘটে। ১৮৫১ চনত তেওঁ Bergen থিয়েটাৰত প্ৰযোজকৰ চাকৰি পায়। ভাল প্ৰযোজক হিচাপে তেওঁ খ্যাতি লাভ কৰিব নোৱাৰিলেও এই সময়চোৱাতে তেও ১৪৫ খন নাটকৰ প্ৰযোজনাত অংশ গ্ৰহণ কৰি মঞ্চ তথা নাটক সম্পৰ্কে যথেষ্ট অভিজ্ঞতা অৰ্জন কৰে। এই থিয়েটাৰত চাকৰি কৰা কালতে তেও নাটক লিখি তাক মঞ্চস্থ কৰিব লগা হৈছিল।

থিয়েটাৰত আৰ্ট ডিৰেক্টৰ হিচাপেও তেওঁ কাম কৰি যথেষ্ট অভিজ্ঞতা অৰ্জন কৰে। নৰৱেজিয়ান থিয়েটাৰত তেওঁ ডিৰেক্টৰ পদত অধিস্থিত হৈছিল। অৱশ্যে এই থিয়েটাৰখন বেচিদিন বাচি নেথাকিল। ইযাৰ পিছত তেও ক্ৰিশ্চিয়ানা থিয়েটাৰত সাহিত্য পৰামৰ্শদাতা হিচাপে কাম কৰিবলৈ লয়। এই থিয়েটাৰত তেওঁৰ 'The Warriors Burrow নাটকখন অভিনীত হৈছিল।

কবি হিচাপে আত্মপ্ৰকাশ কৰা ইবছেনে প্ৰথমতে কাব্যৰ মাজতে নাট্যগুণ প্ৰকাশ কৰিছিল। তেওঁৰ The Minev আৰু The Bird and the Trapper আদি কবিতাৰ মাজত নাট্যকাব্যৰ লক্ষণবোৰ পৰিস্ফুট হৈ উঠে। ইযাৰ পাছত তেওঁ পূৰ্ণাঙ্গ নাটক লিখিবলৈ আৰম্ভ কৰে। ১৮৫ চনৰ পৰা ১৮৬৩ চনৰ ভিতৰত তেওঁৰ নখন নাটক প্ৰকাশিত হয় আৰু এই নাটকবোৰ হ'ল Cataline Mid summer Eve The Warriors Burrow Lady Inger of Ostraat The Feast at Solhaug, Olaf Libigekrans, The Vikings at Helgeland, Haves Comedy আৰু Pretenders

এই নাটকবোৰে কিন্তু ইবছেনক নাট্যকাৰ হিচাপে বিশেষ খ্যাতি দিব পৰা নাছিল। কিন্তু ১৮৬৬ চনৰ ১৫ মাচত তেওঁ যুগান্তকাৰী নাটক Brand প্ৰকাশ হোৱাৰ লগে লগে স্কাণ্ডিনেভিয়াত হুলস্থুল লাগি পৰিল। পুৰণি চিন্তাধাৰা প্ৰথাগত পুৰণি নৈতিক আঘাত কৰি দিলে। তেওঁৰ এই নাটকখনে সমালোচক তথা পাঠক সকলক চমকিত কৰি তুলিলে। নাটকখনৰ উচ্চ আদৰ্শৰ বিষয়ে সমালোচক সকলে ভূয়সী প্ৰশংসা কৰিব ধৰিলে।

Brand নাটকতে তেওঁৰ পৰবৰ্তী নাট্যাদৰ্শৰ অংকুৰে পোখা মেলে। ব্যক্তি স্বাধীনতাৰ এক স্বকীয়া ব্যাখ্যাই তেওঁৰ নাটক সমূহক অনন্য কৰি তুলিছিল আৰু এই স্বাধীনতাৰ এক ব্যাখ্যা এই নাটকত তেওঁ দাঙি ধৰিছে। তেওঁৰ মতে স্বাধীনতা হ'ল ব্যক্তিৰ সিদ্ধান্ত আৰু দায়িত্ব সম্বন্ধীয় এক বিষয়।[৩] ব্যক্তি স্বাধীনতাৰ এই তত্ত্ব ডেনীয় দাৰ্শনিক ছোৰেন কাৰ্কগাৰ্ডে তেওঁৰ দাৰ্শনিক চিন্তাত বিশেষভাৱে ব্যাখ্যা কৰিছে। ইবছেন কাৰ্কগাৰ্ডৰ দ্বাৰা প্ৰভাৱিত হৈয়ে এই Brand নাটকখন ৰচনা কৰিছিল বুলি অনুমান কৰা হয়। নাটকৰ মূল চৰিত্ৰ ব্ৰাণ্ডৰ মাজত দাৰ্শনিক কাৰ্কগাৰ্ডৰ ব্যক্তিত্বৰ মিল দেখা যায়। এই প্ৰসঙ্গত সমালোচক তাৰিণীকান্ত ভট্টাচাৰ্য্যই লিখিছে—

'ব্ৰাণ্ড নাটকত কিছুমান চিন্তা দাৰ্শনিক সুৰ আৰু নীতিকাব্য আদি এনে ধৰণে ব্যৱহাৰ হৈছে যে তাক কাৰ্কগাৰ্ডৰ প্ৰতিবিম্ব বুলিবৰ উপায় নাই। কাৰ্কগাৰ্ডৰ বচন আৰু চিন্তাবিলাকে সেই সময়ত এনে জনপ্ৰিয়তা আৰু বিস্তাৰ লাভ কৰিছিল যে সম্ভৱত আলোচনাচক্ৰ, বৈঠক সাহিত্য চৰাৰ কথোপকথন আদিৰ পৰাই এই উমৈহতীয়া সম্পদ ইবছেনৰ নিজস্ব হৈ পৰিছিল। কিন্তু সেয়ে হলেও দাৰ্শনিক কাৰ্কগাৰ্ডৰ আৰু নাট্যকাৰ ইবছেনৰ ভিতৰত মৌলিক পাৰ্থক্য

---

৩ In so many other of Ibsen s works particularly from Brand (1865) onwards the deeper preoccupations are with a proper definition of freedom Freedom he fepeatedly insisted in these years was es entially a matter of individul decision and individual responsibility something personal which was striven for without ever being fully realizable something which steadily expanded and proliferated as one tried to make it one s own so that if in the course of the struggle (for freedom) a man stops and say Now I have it all he does in fact is show that he has lost it – Mcfarlane Walter James : Ibsen Plays Indochetion P IX–X

আছে। সেয়ে বয়সত ইবছেনে ৰোমাণ্টিক উল্লাস পৰিত্যাগ কৰিছে, কার্কগার্ডে কৰা নাই।[8]

ব্ৰাণ্ডৰ পৰৱৰ্তী নাটকবোৰ হ'ল Peer Gynt The Leaque of Youth আৰু Emperor And Galiean এই নাটকবোৰৰ ভিতৰত The Leaque of Youth নাটকৰ বিশেষ গুৰুত্ব হ'ল ইয়াতেই তেওঁ প্ৰথমতে গদ্য সংলাপ ব্যৱহাৰ কৰে। এই গদ্য সংলাপেহে তেওঁৰ বাস্তৱবাদী নাটকসমূহৰ আগমন ঘোষণা কৰিলে। এই গদ্য সংলাপেৰে তেওঁৰ নাটকসমূহক কবিৰ তুলিৰে মূল্যবান তথা তাৎপৰ্য্যপূৰ্ণ।[5]

জীৱন সমালোচনাৰ সূক্ষ্ম বাহন হিচাপে ইবছেনে গদ্যকহে উপযোগী বুলি বিবেচনা কৰি এই নাটকখনৰ পৰা পৰৱৰ্ত্তী নাটকবোৰত তাক ব্যৱহাৰ কৰিবলৈ লৈছে আৰু এই গদ্য সংলাপৰ নাটকবোৰেহে এক নতুন যুগৰ আগমন ঘোষণা কৰিলে। তেওঁৰ নাটৰ এই গদ্য সংলাপৰ প্ৰসঙ্গত William Archer এ এনে ধৰণৰ মন্তব্যকেহে প্ৰকাশ কৰিছে। "Having now outgrown his youthful romanticisim and laid down in Brand and Peer Gynt the fundamental positions of his criticism of life he felt that to carry that criticism into detail he must come to closer quarter with reality and that end he required a suppler instrument then verse[6]

১৮৭৭ চনত ইবছেনৰ Pillars of Society নাটক প্ৰকাশ পায়। ইয়াৰ পাছত ১৮৭৯ চনত Doll s House আৰু ১৮৮১ চনত Ghost নাটক প্ৰকাশিত হয়। Pillars of Society প্ৰকাশ হোৱাৰ লগে লগে ইবছেনৰ নাট্য সাধনাৰ এক নতুন পৰ্ব্ব আৰম্ভ হয়। তেওঁ আৰম্ভ কৰা এক নতুন দৃষ্টিভঙ্গীৰ নাটক বুলি হয় এক শুভ আৰম্ভনি বুলি কব পাৰি। নাট্যকাৰ ইবছেনৰ মতেও Pillars of

---

8 ভট্টাচাৰ্য্য তাৰিণীকান্ত ইবছেনৰ নাট্য প্ৰতিভা পৃষ্ঠা ৬৩

5 So it was assumed that his plays had become valuable only when he discarded verse for prose and myth for sociology

—Williams Raymond : Drama from Ibsen to Eliot P 42

6 Archer William : The Collected Works of Ibsen : Introduction

Society তেওঁৰ এই নাট্যধাৰাৰ পাতনি স্বৰূপ। নাট্যকাৰে Ghost নাটকখন ইংৰাজীলৈ অনুবাদ কৰা প্ৰসঙ্গত এই কথা তেনো নিজেই কৈছিল[৭]

Pillars of Society নাটক ইবছেনৰ সাহিত্যিক কৃতিত্ব আৰু মঞ্চ সাফল্যৰ এক উজ্জ্বল স্বাক্ষৰ। নাটকখন প্ৰকাশ হোৱাৰ পাছতেই ই কোপেনহেগেনত মঞ্চস্থ হয় আৰু তাৰ পাছত তাৰ জনপ্ৰিয়তাই স্কাণ্ডিনেভিয়াৰ বিভিন্ন মঞ্চ স্পৰ্শ কৰেগৈ। ই লণ্ডনতো ইউলিয়াম আৰচাৰে কৰা অভিযোজনাৰে নাটকখন মঞ্চস্থ হোৱাৰ পাছত ইবছেনৰ প্ৰতিভাৰ কথা ই লণ্ডনতো সদৰি হৈ পৰিল। নাটকখন ইমান জনপ্ৰিয় হৈ পৰাৰ মূলতে হ'ল নাট্যকাৰে সবল বিষয় বস্তুৰ এক সুস্থ ৰূপায়ণ ইয়াত কৰিব পৰাটো। নাটকখনৰ কাহিনী, চৰিত্ৰ আৰু নাটকীয় বিভিন্ন কলা কৌশলত নাট্যকাৰৰ পটু হাতৰ বিশেষ মন কৰিবলগীয়া। নাটকখনৰ ভূয়সী প্ৰশংসা কৰি R Ellis এ কৈছে

The Pillars of Society published eight years later is a far truer and abler production It is not only technically more excellent, but the characters have an interest for us which is not that of more light comedy None of them, it is true takes a place in the front rank of Ibsen s men and womeu but they have a reality and a conviction which belong to the people on other dramatist of his age[৮]

এই নাটকখনত সমসাময়িক সমাজৰ বাস্তৱ ছবি দাঙি ধৰিবলৈ চেষ্টা কৰাৰ ফলত ই এখন জনপ্ৰিয় নাটক হৈ পৰিছে বুলি কব পাৰি। বৰ্তমান জীৱনত কুৰুচি মিথ্যাচাৰ, স্বাৰ্থপৰতা আদিয়ে সমাজ জীৱনক কেনেকৈ ভেঙুৰি ধৰি ব্যক্তিৰ জীৱন নিয়ন্ত্ৰণ কৰি তুলিছে তাকেই এই নাটকখনত দেখুৱাৰ খোজাৰ লগতে নাৰীৰ

---

৭ You say that the translation of Ghost will soon be complete he wrote on 14 September 1882 in connection with a plan to bring out English translation of his works in America but I would not consider it appropriat for this play to come out first Of the three works you mention this one is most extreme (lit furthest going) and ought therefore to be the last of the series This should I suggest open with Pillars of Society after which should come A Doll s House since this forms as it were an introduction to or preparation for Ghost Mc Farlance Walter James Ibsen Plays Introduction P IX X

৮ Robert R Ellis : Henrik Ibsen A Critical Study P 97

মুক্তিৰ আদৰ্শও তেওঁ নাটকখনত ফুটাই তুলিছে। ইয়াৰ লগতে প্ৰকাশ পাইছে সমসাময়িক জীৱনৰ জলন্ত সমস্যাৰাজি।

নাটকৰ কাহিনী আৰম্ভ হৈছে নৰৱেৰ এখন বন্দৰ চহৰত। নাটকৰ প্ৰধান চৰিত্ৰ হ'ল কাৰচটেন বাৰ্ণিক। তেওঁ এটা জাহাজ কোম্পানীৰ মালিক। তেওঁৰ প্ৰতিপত্তিয়ে তেওঁক সমাজৰ এক গণ্য মান্য ব্যক্তি ৰূপে প্ৰতিষ্ঠিত কৰিছে। কিন্তু সমাজৰ এই স্তম্ভ স্বৰূপ ব্যক্তিজনৰ সাফল্যৰ ইমাৰত গঢ়ি উঠিছে দ্বৈতাচাৰ আৰু মিছাক প্ৰশ্ৰয় কৰি। পোন্ধৰ বছৰ আগতে তেও এজনী বিবাহিতা অভিনেত্ৰীৰ ঘৰত তাইৰ সতে প্ৰেম নিবেদনত ব্যস্ত থাকোতে তাইৰ গিৰিয়েক আহি পোৱাত কোনো মতে পলাই সাৰে। অভিনেত্ৰীৰ গিৰিয়েকে চোৰ ধৰিব নোৱাৰিলেও এই কেলেংকাৰীৰ কথা গম পাই ঘৈণীয়েকক অনাথিনী কৰি এৰি থৈ গুচি গ'ল। বাৰ্ণিকে তেওঁৰ ভাবী পত্নীৰ ভায়েক যোহানৰ কান্ধত সেই কেলেংকাৰীৰ বোজা জাপি দি পলুৱাই পঠালে আমেৰিকালৈ। একমাত্ৰ টকাৰ লোভত নিজৰ প্ৰেমিকাক প্ৰত্যাখ্যান কৰি বিয়া কৰালে বেটী বাৰ্ণিকক যাৰ লগত সুখৰ সংসাৰ কৰাৰ কৰিলে নিখুত অভিনয়।

অধঃপতনৰ একেবাৰে গৰাত ঠিয় দিয়া বাৰ্ণিকৰ বাহ্যিক প্ৰতিষ্ঠা দেখি আমেৰিকাৰ পৰা ঘুৰি অহা যোহান আচৰিত হয়। যোহান নৰৱেত থাকি গলে তেওঁৰ বিপদ হব বুলি যোহানক আমেৰিকালৈ উভতি যাবলৈ তেওঁ দঢ়াই দঢ়াই কলে, ব্যৱসায়ৰ ভাগ দিম বুলিও লোভ দেখুৱায়। যোহান কিছুদিনৰ কাৰণে আমেৰিকালৈ যাব খোজে। বাৰ্ণিকৰ জাহাজ কাৰখানাত মেৰামতি হৈ থকা ইণ্ডিয়ান গাৰ্লত উঠি যোহান আমেৰিকালৈ যাব ওলাল। ইণ্ডিয়ান গাৰ্লৰ তলি ফুটা বুলি জানি বাৰ্ণিকৰ মনত অন্তদ্বন্দ হয় যদিও পিছলৈ তেওঁ মন থিৰ কৰিলে সেই জাহাজত যোহানক আমেৰিকালৈ পঠাবলে। অৱশেষত কিন্তু বাৰ্ণিক পৰিশুদ্ধ হয় একমাত্ৰ পুতেক ওলাফক হেৰুৱাব খুজি। তেওঁ সত্য আৰু স্বাধীনতাৰ মোল বুজি পালে। তেওঁৰ এসময়ৰ প্ৰেমিকা লোনা হেছেলে বাৰ্ণিকক এই সত্যৰ সতে চিনাকী কৰি দিলে।

এইটো মূল কাহিনীৰ লগতে আৰু কেইবাটাও উপকাহিনী নাটকখনত উপস্থাপনা কৰা হৈছে যেনে ডায়না ডৰ্ফ আৰু যোহানৰ প্ৰণয় মাৰ্থা বাৰ্ণিকৰ প্ৰতি সৃষ্টি হোৱা প্ৰণয় আৰু ত্যাগৰ কাহিনী, জাহাজ কাৰখানাৰ ফোৰমেনে শ্ৰমিকৰ পক্ষ লৈ বাৰ্ণিকৰ প্ৰতি কৰা বিদ্ৰোহ অৱশেষত তাৰ আপোচ ৰোৰল্যাণ্ডৰ ডায়নাৰ প্ৰতি সৃষ্টি হোৱা দুৰ্বলতা আদি সৰু সৰু কাহিনী।

এই নাটকখনৰ কাহিনীত সেই সময়ৰ সমস্যা দুটিমানৰ আভাস স্পষ্ট হৈ উঠিছে। নাটকখনত মূল দুটা সমস্যা থিয় কৰোৱা হৈছে। সেই দুটি হ'ল নাৰীমুক্তি আৰু ফুটা জাহাজ। তেওঁৰ সময়ত নাৰীৰ অধিকাৰ সম্পৰ্কে নৰৱেত তুমুল আলোড়নৰ সূত্ৰপাত হৈছিল। আচতাহানষ্টিন নামৰ এজনী মহিলা আছিল এই আন্দোলনৰ প্ৰধান নেতৃ। পিলাৰ্চ অব চোচাইটি নাটকৰ লোনা হেছেলক হানষ্টিনৰ প্ৰতিনিধি হিচাপে চিহ্নিত কৰিব পাৰি। ডায়না, মাৰ্থা আদি নাৰী চৰিত্ৰৰ মাজতো এই নাৰী স্বাধীনতাৰ আদৰ্শ ফুটাই তোলা হৈছে তেওঁলোকৰ সবল দৃষ্টিভঙ্গীৰ ৰূপায়ণৰ যোগেদি।

সেই সময়ৰ আনটো সমস্যা তলিফুটা জাহাজক সেই সময়ত অভিহিত কৰা হৈছিল ভাহি থকা কফিন[১] বুলি। বিবেকহীন অৰ্থলোভী জাহাজৰ মালিক সকলে লাভৰ আশাত সাগৰত ভঙা জাহাজ চলাই যাত্ৰীসকলক পানীত ডুবাই মাৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। অজস্ৰ টকাৰ বীমা কৰি এনে জাহাজবোৰ সাগৰত ডুবাই পেলোৱা জাহাজ কাৰখানাৰ মালিক সকলক নৰঘাতী ডকাইতৰূপে অভিহিত কৰা হৈছিল যদিও কিছুমান ৰাজনৈতিক নেতায়ো সেই সকলক সহায় কৰিছিল এই কাৰ্য্যত। চৰকাৰে এই অৱস্থা বোধ কৰিবলৈ চৰকাৰী নিৰ্দেশো জাৰি কৰিছিল। সেই নিদেশ অনুযায়ী উপযুক্ত বুলি বিবেচিত নহলে কোনো জাহাজৰ মালিকে সাগৰত জাহাজ চলাব নোৱাৰা হ ল যদিও সেয়া কাৰ্য্যত হৈ নুঠিল। জাহাজৰ মালিক সকলে ভঙা জাহাজবোৰ সাগৰত চলাবলৈ নেৰিলে আৰু ইয়াৰ ফলত কেবাটাও জাহাজ দুৰ্ঘটনা স ঘটিত হ ল। অৱশেষত চেমুৱেল প্লিমচোল (Samual Plimsoll) নামে পাল ামেণ্টৰ সদস্য এজনৰ চেষ্টাত ই কোনোমতে বোধ হ ল।

নাটকৰ কাহিনী বিন্যাসৰ দক্ষতা চকুত লগা। কেবাটাও দৃশ্যত কাহিনীৰ গ্ৰন্থনা সুন্দৰ নাটকীয় হৈ পৰা বাবে মঞ্চ সাফল্যৰ বাবে ই উপযোগী হৈ পৰিছে। কিন্তু লগতে সেই দৃশ্যবোৰ বাস্তৱধৰ্মী ৰূপত প্ৰকাশ পোৱাতো বিশেষ মন কৰিবলগীয়া কথা। দুই এটা অংক বিশেষকৈ প্ৰথম অংক আৰু তৃতীয় অংকৰ কেইটামান নাটকীয় মুহূৰ্ত্ত অতি সুন্দৰ। এই প্ৰসঙ্গত বাণিকৰ মনৰ অন্তৰ্দ্বন্দ্বৰ কথা প্ৰকাশ পোৱা তৃতীয় অংকৰ কথা উল্লেখ কৰি William Archer এ কৈছে—

---

১ Rummel :—Now if she d been one of those floating coffins you hear about in the bigger countries (Act Four)

One of these touches is the scene between Bernick and Rorland in the third Act, in which Bernick s cravings for casuistical consolation meets with so painful a rebuff only a great dramatist could have devised this scene [১০]

নাটকৰ প্লটক অতিশয় কৌশলেৰে বিকাশ ঘটোৱা কথাৰ উল্লেখ কৰি ইযাক ৰহস্য নাটকৰ প্লটৰ লগত বিজাইছে আন এজন সমালোচক Raymond Williams-এ। বাৰ্ণিকৰ দুমুখীয়া ব্যক্তিত্বৰ অন্তৰালত লুকাই থকা কাহিনীটো ৰহস্য আৰু উৎসুক্যতাৰে আগবঢ়াই নিয়া হৈছে। কিন্তু কাহিনীৰ শেষৰ ফালে Co incident ৰ প্ৰাচুৰ্য্যই যেন বাস্তৱবাদত আঘাত হানিছে। ওলাফক বিচাৰি পোৱা ইণ্ডিয়ান গাৰ্লৰ যাত্ৰা স্থগিত হোৱা, যোহান পামট্ৰিত উঠি যোৱা অনেক নতুন যন্ত্ৰপাতি ব্যৱহাৰ কৰাৰ ইচ্ছা আৰু বাৰ্ণিকৰ আত্মশুদ্ধি এই সকলোবোৰ একেলগে ঘটি যোৱাত নাটকৰ শেষৰ ফালে জনপ্ৰিয় আশাবাদেৰে দৰ্শকক পৰিতৃপ্ত কৰাৰ চেষ্টা পৰিলক্ষিত হৈছে। নাটকীয় কাহিনী গ্ৰন্থনাৰ সময়ত নাট্যকাৰে সততে যেন নাটকৰ শেষৰ ফালে লোনা হেছেলে কোৱা The Spirit of truth and freedom these are the pillars of society—কথাষাৰৰ সত্যতা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা চলাইছিল।

নাটকৰ গোটেই কাহিনীৰ মাজত এক ব্যঙ্গৰ সুৰ অনুৰণিত হৈছে। কাহিনী আৰু চৰিত্ৰবোৰৰ অসতৰ্ক অৱস্থাৰ মাজৰ পৰা হাস্য আৰু বক্ৰোক্তিৰ সুৰ উৎসাৰিত হৈ সমসাময়িক জীৱনক সুন্দৰভাৱে ব্যঙ্গ কৰিছে। নাটকৰ নামাকৰণতো এই ব্যঙ্গৰ সুৰ প্ৰছন্ন হৈ আছে। নৰৱে নাট্যকাৰৰ মূল নাটকখনৰ নাম আছিল "Samfundets Stoller অৰ্থাৎ Society s Pillar সমাজৰ দুমুখীয়া ব্যক্তিবোৰেই এই সমাজৰ স্তম্ভ হৈ কেনেদৰে সমাজ জীৱনক বিষাক্ত কৰি তুলিছে তাকেই তেওঁ ফুটাই তুলিব খোজাত নাটকৰ নামাকৰণ সাৰ্থক হৈ পৰিছে।

নাটকখনত আন এটি সবল দিশ হ'ল নাটকীয় চৰিত্ৰবোৰ। সাধাৰণতে ইবছেনৰ নাটকত কাহিনীতকৈ চৰিত্ৰই বেচি প্ৰাধান্য বিস্তাৰ কৰে আৰু তেওঁৰ চৰিত্ৰ সৃষ্টিৰ বৈশিষ্ট্য হ'ল তেজস্বী চৰিত্ৰ সৃষ্টি। এই প্ৰসঙ্গত John Northam-এ লিখিছে —

---

১০ Archer William Introduction The Collected Works of Ibsen P XX

Ibsen seems constanlty fascinated by what can only be called man s potentiality for heroism Play after play and regardless of form or model it can be said that Ibsen impelled to create situation that gave opportunity for his characters to show how much or how little they are truely possessed of capacity to raise to great challenge [১১]

এই নাটকৰ মূল চৰিত্ৰ বাৰ্ণিকৰ মাজত সবল ব্যক্তিত্বৰ আভাস পৰিস্ফুট হৈছে। কেইবাটাও পৰিস্থিতিত তেওঁ মনৰ দৃঢ়তা সজোৰে ঘোষণা কৰিছে। তেওঁৰ অনমনীয় ব্যক্তিত্বৰ কথা লোনাৰ আগত প্ৰকাশ কৰি কৈছে —

How could you bring all this down on my head ! But its done now ! I must go on I am not going to let myself be crushed by you (Act IV)

বাৰ্ণিক এটা সম্প্ৰদায়ৰ নেতা। যথাসম্ভৱ এই সম্প্ৰদায়ৰ সকলো প্ৰকাৰৰ উন্নতিৰ কাৰণে তেওঁ বদ্ধ পৰিকৰ। ৰেল লাইন চলোৱাৰ প্ৰসংগত তেওঁৰ মনৰ দৃঢ়তা ঘোষণা কৰি কৈছে যে প্ৰতিকূল পৰিস্থিতিৰ মাজতো তেওঁলোকে আগুৱাই যাবই লাগিব।

'And no body lets the side down, no body backs out, no matter what opposition we meet (Act I)

বাৰ্ণিক চৰিত্ৰক কিন্তু এই দৃঢ়তাই মানবীয় মৰ্য্যাদাত প্ৰতিস্থিত কৰিব পৰা নাই তেও অনুশোচনাৰহে মানবীয় মহত্ব অৰ্জন কৰিবলৈ চেষ্টা কৰিছে। গোটেই জীৱন তেও দুমুখীয়া ব্যক্তিত্বৰে নিজৰ তথা তেওঁৰ সম্প্ৰদায়ৰ লাভৰ কথাকেই চিন্তা কৰি সমাজৰ স্তম্ভ ৰূপে প্ৰতীয়মান হ'ল। কিন্তু তেওঁৰ এই প্ৰতিষ্ঠা আছিল অতিশয় ঠুনুকা। এই সত্যকেই লোনা হেছেলে বাৰ্ণিকৰ আগত তুলি ধৰিলে।

বাৰ্ণিকৰ চৰিত্ৰৰ অন্য এটা বিশেষ মন কৰিবলগীয়া দিশ হ'ল বৰ্তমানৰ এই ক্লেদময় সমাজৰ ব্যৱস্থাৰ কথা তেওঁ জানে। নিজে যে পতনৰ গৰাহলৈ ক্ৰমাগত-ভাৱে নামি গৈ আছে তাকো তেওঁ উপলব্ধি নকৰা নহয়। এই সমাজ ব্যৱস্থাই তেওঁক তেনে কৰিবলৈ বাধ্য কৰাইছে কিন্তু ভৱিষ্যতৰ ওপৰত আছে তেওঁৰ অগাধ বিশ্বাস। এদিন ভাল দিন আহিব। সত্যৰ মহিমা এদিন তেওঁৰ উত্তৰ পুৰুষৰ

১১ Northam John Ibsen A Critical Study P 2

যোগেদি প্ৰতিষ্ঠিত হ'ব। বাৰ্ণিকৰ এই সবল আশাবাদ তেওঁৰ বচনৰ মাজত সুন্দৰ ভাৱে ফুটি ওলাইছে।

'It does not give me any I must go to the hell like all the rest of this hashed up society But there is a generation growing up after us it s my son I am working for It s him I m making a career for The time will come when truth begins to establish itself in our social life, and on this he will, I hope, build a happier life than his father s (Act IV)

এনেদৰে চৰিত্ৰটোৰে এক উজ্জ্বল ৰূপান্তৰৰ যোগেদি নাটকৰ নায়ক ৰূপে প্ৰতিষ্ঠিত হ ব পাৰিছে। চৰিত্ৰটোৰ শেষৰ ফালে এক শোকাত্মক গাম্ভীৰ্যও পৰিলক্ষিত হৈছে।

বাৰ্ণিকৰ বাহিৰে আন তেনে কোনো সবল আৰু উজ্জ্বল চৰিত্ৰ নাটকখনত পোৱা নেযায় বুলি কব পাৰি। যোহানৰ চৰিত্ৰত বন্ধু প্ৰেমৰ পৰকাষ্ঠা আৰু ভনীয়েকৰ প্ৰতি থকা মৰমৰ কথা প্ৰকাশ পাইছে। একমাত্ৰ বাৰ্ণিকৰ বন্ধুত্ব আৰু ভনীয়েক বেটিৰ কাৰণেই তেওঁ বাৰ্ণিকে কৰা কুকাৰ্য্যৰ অপযশ মুৰ পাতি লৈছিল। যোহানে ডিনাক সাহসিকতাৰে গ্ৰহণ কৰিছে কিন্তু মাৰ্থাৰ প্ৰেমৰ মহত্বক যেন তেওঁ বুজিবলৈ চেষ্টা নকৰিলে। বাৰ্ণিকৰ কৰ্মচাৰী অনেই প্ৰথমতে নিজৰ চাৰিত্ৰিক সবলতাৰ প্ৰদৰ্শন কৰিছিল যদিও বাৰ্ণিকৰ হেঁচাত সি যেন কোচ খাই গ ল। বহুৱা শ্ৰেণীৰ স্বাৰ্থৰ প্ৰতি সদা সচেতন অনেই অৱশেষত চাকৰি যোৱাৰ ভয়ত প্ৰতিবাদৰ দৃঢ়তা হেৰুৱাই পেলাইছে। তোৱো বাৰ্ণিকৰ হাতিয়াৰ হবলৈ নিজকে এৰি দিছে আৰু তলি ফুটা জাহাজ ইণ্ডিয়ান গাৰ্ল'ক সাগৰত নমাই দিছে বাৰ্ণিকৰ স্বাৰ্থৰক্ষা কৰিবলৈ গৈ। নাটকৰ আন এটা চৰিত্ৰ হিলমাৰৰ মাজত কগ্ন, ভীত সমসাময়িক মানসিকতা প্ৰকাশ পাইছে। ৰোৰল্যাণ্ড নীতিবাগীশ আৰু বাৰ্ণিকৰ সমাজৰ অন্য এক হাতিয়াৰ। নীতি বচনৰ মাজেৰে তেওঁ সদায় বাৰ্ণিকইতৰ সমাজখনৰ পৰিশুদ্ধতাৰ বিষয়ে ওকালতি কৰে। তেওঁ যো এক সুবিধাবাদী বুদ্ধিজীৱী। ৰোৰল্যাণ্ডৰ মাজত প্ৰেমৰ অনুভূতিও প্ৰকাশ পাইছে। কিন্তু প্ৰেমৰ আবেগকো তেওঁ নীতি আদৰ্শৰে ধৌত কৰিব বিচাৰে। ডিনাৰ প্ৰতি প্ৰকাশ পোৱা তেওঁৰ প্ৰেম আবেগতকৈ বেচি দায়িত্ব সঞ্জাত। তাইক দয়া কৰি তেওঁৰ মহান হ ব খোজাৰ ইচ্ছা যেন তাৰ মাজত প্ৰচ্ছন্ন হৈ আছিল।

নাটকৰ মাজেৰে প্ৰবাহিত হোৱা আন এটা সুৰ হ'ল নাৰী স্বাধীনতা। নাটকৰ এটা চৰিত্ৰ মাৰ্থা বাৰ্ণিকৰ কথাৰ মাজত প্ৰকাশ পাইছে মুক্তি বিচাৰি সেই সময়ত তেওঁলোকৰ নাৰী হৃদয় কেনেদৰে আকুল হৈছিল। ডিনাই যোহানৰ সতে আমেৰিকালৈ যাবলৈ ওলোৱাত মাৰ্থাই আমেৰিকাৰ সেই মুক্ত সমাজখনৰ কথা আঙুলিয়াই দি নিজৰ বন্ধনৰ দুখৰ যেন ইঙ্গিত দিছে —

"Go now and be happy my darlıng across the sea Oh, how often I've sat in the school room and longed to be over there It must be beautıful out there a larger sky, clouds hıgher than here and the wınd freer about your head (Act III)

এই নাৰী স্বাধীনতাৰ মূৰ্ত্ত প্ৰতীক ৰূপে থিয় কৰোৱা হৈছে লোনা হেছেলৰ চৰিত্ৰ। তেওঁৰ চাল চলন কথা বতৰা সকলোতে এক ব্যতিক্ৰম নাটকৰ প্ৰথমৰ পৰাই দেখিবলৈ পোৱা যায়। তেওঁৰ দৃঢ়তা, সাহসিকতা আদিৰ বিষয়ে নাটকৰ প্ৰথম দৃশ্যতে বাৰ্ণিকৰ ঘৰত গোট খোৱা ব্যৱসায়ী পত্নীসকলৰ কথা বতৰাৰ মাজত ওলাই পৰিছিল। লোনা হেছেলৰ বিষয়ে মিচেছ ৰুমেলে কৈছে :—

'Ah what a character she was would you belıeve it She cut her haır short and when ıt raıned she used to walk about ın men s boots (Act I)

অকল এয়াই নহয় তেওঁলোকৰ কথাৰ পৰা গম পোৱা যায় লোনাই কেনেকৈ প্ৰেমিকৰ দ্বাৰা প্ৰত্যাখ্যান পোৱাৰ পাছত প্ৰেমিকক প্ৰহাৰ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল।

লোনাৰ প্ৰেমৰ শক্তিতকৈ বিবেক জাগ্ৰত কৰিব পৰা শক্তিহে নাটকখনত স্পষ্ট হৈ ওলাইছে। যদিও বাৰ্ণিকে উপলব্ধি কৰিছে লোনাৰ প্ৰেমে তেওৰ জীৱনত প্ৰয়োজন আছিল, লোনাৰ প্ৰেমৰ শক্তিয়ে তেওঁক এক নতুন দিগদৰ্শন দিলে, লোনাৰ মাজত প্ৰেমৰ কোমল অনুভূতি বা মহান দিশৰ কোনো আভাস পোৱা নাযায়। প্ৰেমৰ সুন্দৰ বিকাশ দেখিবলৈ পোৱা যায় মাৰ্থা চৰিত্ৰতহে। মাৰ্থাই যোহানক গভীৰভাৱে ভাল পাইছিল। ডিনাক নিজ হাতে যোহানৰ হাতত তুলি দিও তাই প্ৰেমৰ কোমল অনুভূতিৰ পৰা নিজকে মুক্ত কৰিব পৰা নাই। লোনা হেছেলে যেতিয়া মাৰ্থাক সুধিলে তাই তাইক প্ৰত্যাখ্যান কৰা স্বত্বেও ডিনাক

হাতত তুলি দি যোহানক কিয় সকলো সুখ প্ৰদান কৰিলে, তাৰ উত্তৰত মাৰ্থাই কৈছে —

"Why shouldn't I give him his happiness, seeing that I loved him Yes, I loved him, my whole life has been lived for him, ever since he went away (Act IV)

মাৰ্থা চৰিত্ৰৰ দৰে ডিনাৰ চৰিত্ৰৰ মাজতো সবলতা বৰ্ত্তমান। তাই বোৰন্যাণ্ডৰ কৰুণাৰ পাত্ৰী হব নিবিচাৰে তাইক লাগে নিজস্ব স্বীকৃতি। বিয়া হৈ কাৰো ওচৰত তাই নিজৰ ব্যক্তিত্বক বিসৰ্জন দিব নোখোজে। যোহানৰ লগত বিয়া হব খোজা ডিনাই নিজৰ নিজস্বতা বজাই ৰাখিবলৈ সদা সচেষ্ট সেয়ে ডিনাই যোহানক কৈছে —

"But first I want to work and make something of my life as you have done I do not just want to be a thing, there for the taking

নাটকৰ চৰিত্ৰসমূহৰ বাহ্যিক ক্ৰিয়াকলাপৰ লগতে মানসিক অৱস্থাৰ চিত্ৰ তেওঁ সুন্দৰভাৱে অংকন কৰিব পাৰিছে। বিশেষকৈ মূল চৰিত্ৰ বাৰ্ণিকৰ মানসিক অন্তৰ্দ্বন্দ্বৰ ছবি নাটকখনত অত্যন্ত প্ৰোজ্জ্বল। সাধাৰণ দুই এটা আঁচেৰে চৰিত্ৰ বোৰৰ মানসিকতাক উজ্জ্বল কৰি তুলিব পৰা নাট্যকাৰত দক্ষতাহিমলাৰ বোৰন্যাণ্ড আদি চৰিত্ৰৰ মাজত সুন্দৰভাৱে প্ৰকাশ পাইছে। সুখান্তক পৰিণতিৰে নাটক খনে পৰম্পৰাগত নাট্যধাৰাক ৰূপায়িত কৰা বুলি কলেও চৰিত্ৰবোৰৰ ক্ষেত্ৰত ই যে গতানুগতিকতাৰ পৰা বহুদূৰ আগবাঢ়ি কাটি আহিছে সেই কথা স্বীকাৰ কৰিবই লাগিব। এই প্ৰসঙ্গত Robert Ellis ৰ এষাৰ কথা বিশেষ প্ৰণিধানযোগ্য —

The play is really with its happy ending and its conventional characters, sentimental plays of the old school written by a man whose insight into human motives and characters surpassed any of the old school dramatists [১২]

বাস্তৱবাদী নাটকত বাহ্যিক ঘটনাৰ বাহুল্য নাথাকে। এই নাটকত ঘটনাবোৰ আগবঢ়াই নিয়াত সহায় কৰিছে সংলাপে। সেয়ে নাটকৰ সংলাপ অতিশয় সবল। বহু সময়ত এক ঘেয়েমি কথা বতৰাই দৰ্শকক বিতুষ্ট কৰি তোলে যদিও এইখন নাটকত ইবছেনৰ নাট্যদক্ষতাই তেনে হবলৈ দিয়া নাই। বৰ কৌশলেৰে তেওঁ

১২ Robert Ellis R Henrick Ibsen A Critical Study P 100

নাটকীয় কাহিনী আগ বঢাই নিছে আৰু সংলাপৰ যোগেদি নাটকীয় মুহূৰ্ত্ত সমূহ ঘনীভূত কৰি তুলিছে। চৰিত্ৰবোৰৰ ভাৱভঙ্গী প্ৰদৰ্শনৰ সুন্দৰ অৱকাশো তেওঁ এৰি যোৱাত নাটকীয় মুহূৰ্ত্তবোৰ যথাৰ্থধৰ্মী হৈ পৰিছে।

নাটকখন সকলো দিশৰ পৰা সবল হলেও মূল বক্তব্য বিষয়ৰ প্ৰতি নাট্যকাৰ সততে সচেষ্ট হোৱা বাবে ইয়াৰ কলা কৌশল ব্যৰ্থ হোৱা বুলি দুই এজন সমালোচকে অভিযোগ তোলে। ৩

তথাপিও পিলাৰ্চ অৱ চোচাইটি নাটক এখন বৰ্ত্তমান সমাজৰ পটভূমিত আধুনিক মানুহক নিজৰ অৱস্থিতিৰ বিষয়ে প্ৰথমে সচকিত কৰি তোলা নাটক আৰু এই ফালৰ পৰা এই নাটকৰ গুৰুত্ব সৰ্বাধিক।

এন এনেমি অব দ পিপল

ইবচেনৰ আন এখন গুৰুত্বপূৰ্ণ নাটক হল 'এন এনেমি অব দি পিপল বা গণশত্ৰু। ১৮৮২ চনত তেওঁ এই নাট ৰচনা সমাপ্ত কৰি প্ৰকাশক হেগেললৈ তেওঁ লিখিছিল yesterday I completed my new dramatic work It is entifled 'An Enemy of the people, and is in five acts, I am still a little uncertain whether to call it a comedy or simply a play It has much of the character of a comedy but there is also a serious basic theme

লিখকৰ এই মন্তব্যক বুজিবলৈ নাট্য কাহিনীৰ সম্যক অৱগতিৰ দৰকাৰ। নাটকৰ কাহিনী এনে ধৰণৰ।

নৰৱে চহৰৰ সমীপবৰ্ত্তী এটা কৃত্ৰিম জলাশয়ক চহৰৰ কেইজনমান ব্যক্তিয়ে গঢ়ি তোলে স্বাস্থ্য আৰু পৰ্য্যটক নিবাস প্ৰকল্পৰূপে। দূৰ ঠাইৰ পৰা ইয়ালৈ মানুহ আহে দ্ৰুত স্বাস্থ্য পুনৰুদ্ধাৰৰ বাবে। কিন্তু এদিন গম পোৱা গ'ল যে কৃত্ৰিম জলাশয়ৰ পানী বিষাক্ত হৈ পৰিছে।

এই তথ্য প্ৰকাশ কৰি প্ৰকল্পৰ দায়িত্বত থকা স্বাস্থ্য বিষয়ত ডা ষ্টকমেনে

---

১৩ But in spite of its skilful carpentry Pallars of Society is Crude Everything in it is a simplification of the order of Lona s last cry The sprits of truth and freedom these are the Pillars of of Socity

Willıams Raymond Drama from Ibsen to Elıot P 66

নাগৰিক সকলক ৰক্ষা কৰাৰ কাৰণে উদগ্ৰীৱ হৈ উঠিল। কিন্তু তাৰ বিপৰীতে দেখা গ'ল তেওঁৰে ভাতৃ মেয়ৰ পিটাৰ ষ্টকমেনে এই তথ্য সদৰি কৰিব খোজা কাৰণে অসন্তুষ্ট হৈ পৰিছে। তেওঁ কথাটো গোপনে ৰাখিবলৈ ডাক্তৰক হেচা দিয়ে। কাৰণ এই কথা প্ৰকাশ কৰি দিলে পৰ্য্যটক নিবাসৰ ব্যৱসায়িক দিশটো বাৰুকৈয়ে ক্ষতিগ্ৰস্থ হব। তাৰউপৰি এই জলাশয়ক ব্যৱহাৰৰ উপযোগী কৰি তুলিবলৈ যথেষ্ট টকাৰ প্ৰয়োজন হৈ পৰিব। কথাটো সদৰি নহ'লে সেই ব্যয়ৰ পৰাও হাত সাৰি থাকিব পৰা যাব।

ড ষ্টকমেনৰ প্ৰৱন্ধ পাতি প্ৰকাশ কৰা বাতৰি কাকতত তেও এই বিষয়ে লিখিবলৈ ওলাল। বাতৰি কাকতে প্ৰথমতে তেওঁক সহাৰি জনাইছিল যদিও মেয়ৰ পেটাৰৰ আঙুলিৰ নিৰ্দেশত সকলো ওলট পালট হৈ গ'ল। মেয়ৰক সন্তুষ্ট কৰিবলৈ তেওঁলোকেও বৰণ সলালে। ধনিকশ্ৰেণীৰ স্বাৰ্থ পূৰণত বাতৰি কাকতেও সহায় কৰিবলৈ ওলাল।

ডা ষ্টকমেন কিন্তু নিৰাশ নহ'ল। প্ৰকৃত ঘটনাটো সদৰি কৰিবলৈ তেওঁ এখন ৰাজহুৱা সভা আহ্বান কৰিলে। এই সভাই ওলোটাই ষ্টকমেনক অপদস্ত কৰিলে ধনিক চক্ৰটোৰ কৌশলত। স্বাৰ্থপৰ এই সংখ্যাগৰিষ্ঠ চক্ৰটোৱে ডা ষ্টকমেনক 'এনেমি অব দ পিপল বা গণশত্ৰু আখ্যা দি তেওঁৰ সকলো সৎ কৰ্মক অসৎ কৰ্মৰূপে প্ৰতিপন্ন কৰিলে, তেওঁক চাকৰিৰ পৰা অপসাৰণ কৰা হ'ল। তেওঁৰ ঘৰ দুৱাৰ ভাঙিচিঙি দিয়া হ'ল। আনকি তেওঁৰ জীয়েক পেত্ৰাকো শিক্ষয়িত্ৰীৰ চাকৰিৰ পৰা বৰ্খাস্ত কৰিলে।

জনগণৰ স্বাৰ্থৰ হকে নিজে সকলো বিপদ আপদ লাঞ্চনা মূৰ পাতি লৈয়ো অৱশেষত ডাক্তৰ ষ্টকমেনে প্ৰমাণ কৰি দেখুৱালে যে সংখ্যাগৰিষ্ঠই সদায় নিজৰ স্বাৰ্থতহে কাম কৰে। প্ৰকৃত সত্য বা ন্যায়ৰ হকে ই মাত নেমাতে। সমাজত সেইজন মানুহেই আটাইতকৈ বলবান যি এই সংখ্যা গৰিষ্ঠতাৰ দলত যোগ নিদি অকলে থাকে। কাৰণ তেওঁহে এককভাৱে অন্যায় আৰু অসত্যৰ বিৰুদ্ধে সংখ্যা গৰিষ্ঠৰ বিপক্ষে মাত মাতি নিজৰ সাহস প্ৰদৰ্শন কৰিব পাৰে।

প্ৰত্যেকজন মানুহৰ জীৱনত একো একোটা নিজস্ব আদৰ্শ থকা প্ৰয়োজন আৰু সেয়াই যে স্বাভাৱিক অগ্ৰগতিৰ লক্ষণ তাকেই তেওঁ এই নাটকৰ কাহিনীৰ যোগেদি প্ৰতিপন্ন কৰিব খুজিছে। ইয়াৰ লগতে আৰু এটি বিতৰ্কিত বিষয় তেওঁ ইয়াত উপস্থাপিত কৰি নিজৰ সাহসৰ পৰিচয় দাঙি ধৰিছে। তেওঁৰ মতে সংখ্যাগৰিষ্ঠৰ দ্বাৰা পৰিচালিত গণতান্ত্ৰিক অনুষ্ঠানবোৰৰ ওচৰত মূৰ নত কৰাতো

ব্যক্তি মানুহৰ ব্যক্তিত্বৰ খৰ্বকাৰক। কাৰণ এই অনুষ্ঠানবোৰেও সদায় যে সত্য আৰু ন্যায়ৰ হকে মাত মাতে এনে নহয় বৰং ইয়ো এমুঠিমান স্বাৰ্থপৰ মানুহৰ স্বাৰ্থসিদ্ধিৰ হাতিয়াৰ হে মাথোন। সমূহৰ উন্নতি হ'ব পাৰে ব্যক্তি বিশেষৰ চিন্তাৰ ফলশ্ৰুতিৰূপে। কোনো গোষ্ঠীৰ বা সংখ্যাগৰিষ্ঠ দলৰ আৱিষ্কাৰ বা উদ্ভাৱন হিচাপে সি কেতিয়াও দেখা নিদিয়ে।

প্ৰচলিত অনুষ্ঠান, সমাজ ব্যৱস্থা এই সকলোবোৰৰ বিৰুদ্ধে তেওঁ সদায় বিষোদগাৰ কৰি আহিছে যিয়ে নতুন যুগৰ মানুহৰ স্বাধীনতাৰ বাটত অন্তৰায় সৃষ্টি কৰি আহিছে। ব্যঙ্গৰ কশাঘাতেৰে তেওঁ এই অনুষ্ঠান ব্যক্তি সকলোকে আক্ৰমণ কৰিছে নাটকত। 'এন এনেমি অৱ দি' পিপল নাটকৰ অন্তৰালত এনে ব্যঙ্গ বিদ্ৰূপ নিহিত হৈ আছে বাবে ইয়াক Comedy বুলি কোৱাৰ লগতে গভীৰ কথাবস্তুও নিহিত হৈ থকা বুলি উল্লেখ কৰিছে এই প্ৰসঙ্গত R Farquharıon Sharp য়েও কৈছে।

"Despıtle ıts Satırical ıntentıon An Enemy of the People ıs ın many ways more genıal than most of Ibsen s Socıal dramas thanks to the leavenıng of humour whıch he has permıtted hımself to mıx wıth hıs Scorn [১৪]

নাটকখনৰ ৰচনাৰ পৰিস্থিতি আৰু পটভূমিৰ বিষয়ে আলোচনা কৰিলে তেওঁৰ এই নীতি প্ৰকাশ পোৱা ব্যঙ্গ বিদ্ৰূপ আৰু পৰিপাট্য লক্ষ্যৰ বিষয়ে উমান পোৱা যাব।

'ব্ৰেণ্ড আৰু পিয়েৰ গ্যাণ্ট নাটক প্ৰকাশ হোৱাৰ লগে লগে ইবচেন সমালোচনাৰ সন্মুখীন হব লগা হ'ল তাত তেওঁ নৰৱেবাসীৰ সংকীৰ্ণ জীৱনধাৰাৰ বিষয়ে অংকন কৰিবলৈ গৈ। প্ৰথম খনত অনমনীয় আকোৰগোজ মনোবৃত্তিৰ চৰিত্ৰ এটা আৰু পাছৰখনত নীতিহীন উপকৰা স্বাৰ্থসৰ্বস্ব চৰিত্ৰ এটা দাঙি ধৰি এই চিত্ৰ সমুজ্জ্বল কৰি তুলিব খুজিছিল। কিন্তু নৰৱেৰ জনসাধাৰণ সমালোচক আৰু বাতৰি কাকতবোৰ তেওঁৰ নাটকৰ বাবে জাঙুৰ খাই উঠিল। Lıberal Press বোৰে তেওঁক কটু সমালোচনা কৰি ওফোৰাই পেলালে। ইয়াৰে ফলশ্ৰুতি হ'ল গৰমে গৰমে লিখা তেওঁৰ প্ৰখ্যাত নাটক An Enemy of the People (En Falkefiende)

১৪ Sharp Farquharson R Int An Enemy of the people P VII

অৱশ্যে নাটকখনৰ নায়ক ডাক্তৰ ষ্টকমেন নাট্যকাৰৰ প্ৰতিনিধি নহয় কিন্তু তেওঁৰ প্ৰেছৰ লগত সম্পৰ্ক, ওচৰ চুবুৰীয়াৰ লগত সম্পৰ্ক আৰু লগতে সংখ্যা গৰিষ্ঠতাৰ লগত সৃষ্টি হোৱা সংঘাতৰ অন্তৰালত নাট্যকাৰৰ ব্যক্তিগত জীৱনৰ কথা কথাকাঙ্ক্ষিত হৈ আছে। যি গণতন্ত্ৰৰ দৰে অনুসধান মানুহৰ সভ্যতাৰ সংস্কৃতিৰ এক উজ্জ্বল অৱদান তাৰ বিষয়েও তেওঁৰ সুচিন্তিত বিষোদগাৰ ইয়াৰ মাজত প্ৰকাশ পাইছে। সেই কালৰ পৰা এইখন এখন চিন্তা প্ৰণোদিত গভীৰ নাটক।

এনে এটা বিতৰ্কিত বিষয়ক তেও নাটকত উপস্থাপন কৰা কাৰণে সমালোচনাৰ সম্মুখীন হব লগা হৈছিল। বহু ৰাজনৈতিক দলে তেওঁৰ ওপৰত অসন্তুষ্ট হৈ পৰিছিল। আনকি Strindberg Brornson আদি সাহিত্যিক সকলেও এই নাটক খনক ভাল চকুৰে চাব পৰা নাছিল। মঞ্চতো নাটক খনে বিশেষ সফলতা অৰ্জন কৰিব পৰা নাছিল নাটকৰ চৰিত্ৰ বহুলতা আৰু বহু সময়ত ইয়াত প্ৰকাশ পোৱা মতাদৰ্শৰ বাবে। কিন্তু আধুনিক মানুহ তথা আত্মসন্ধানৰ প্ৰকৃত স্বৰূপ উদঘাটন কৰিবলৈ তেওঁ কোনোদিনে কুণ্ঠাবোধ কৰা নাই। বহু বিতৰ্কিত বিষয়ৰ ওপৰত আলোচনা বা আলোকপাত কৰি তাৰ সমাধানৰ আহি তেও দিব বিচাৰিছিল।

ব্যক্তিগত জীৱনত পোৱা তুমুল সমালোচনা, মানুহৰ পৰা পোৱা তীব্ৰ প্ৰত্যাখানৰ ভেটিতে তেওঁ এই নাটক ৰচনা কৰিছিল বুলি সমালোচক সকলে মন্তব্য কৰে যদিও এই নাটক ৰচনাত তেওঁৰ সময়ৰ দুটা বিশেষ ঘটনাৰ সহায় কৰিছিল। নাটকৰ কাহিনীৰ অন্তৰালত সত্য ঘটনাৰ আচোৰ আছিল। নাট্যকাৰে কাহিনীৰ উৎস গ্ৰহণ কৰিছিল এজন যুৱকৰ পৰা। সেই জাৰ্মাণ যুৱকে ইবচেনক কৈছিল যে তেওঁৰ দেউতাক Teiplitz ৰ spa ত এজন স্বাস্থ্য বিষয়া আছিল। এনেতে তাত কলেৰা মহামাৰী আৰম্ভ হয়। তাৰ পানী যে দূষিত হৈ পৰিছে এই কথা ডাক্তাৰে প্ৰকাশ কৰি দিলে। ফলত স্বাস্থ্যগাৰটোৰ ক্ষতি সাধন হ'ল। নাগৰিক সকল এই কথাত উত্তেজিত হৈ পৰিল আৰু ডাক্তৰৰ ঘৰ দুৱাৰ ভাঙি পেলাবলৈ তেওঁৰ ঘৰলৈ দলিয়াবলৈ আৰম্ভ কৰিলে। প্ৰাণৰ ভয়ত ডাক্তৰ পলাব লগীয়া হ'ল।

এনে ধৰণৰ আন এটা ঘটনা ঘটিছিল নৰৱেত। তাৰ এজন কেমিষ্টে চহৰৰ দুখীয়া মানুহবোৰক অৱহেলা কৰা কাৰণে Christian Steam Kitchens ক আক্ৰমণ কৰে। Kitchensৰ বাৰ্ষিক সভাত তেওঁ এটা লিখিত অভিযোগ

পঢ়িব খোজে। সভাৰ সভাপতিয়ে তেওঁৰ সেই অভিযোগ পঢ়িবলৈ বাধা দিয়াই নহয় তেওঁৰ সকলো অভিযোগ তুনি লবলৈ বাধ্য কৰায়।

এনেদৰে বাস্তৱ জীৱন অভিজ্ঞতা আৰু বাস্তৱ ঘটনাৰ পটভূমিত এই নাটকখন ৰচনা কৰা কাৰণে ই এখন সুখপাঠ্য বাস্তৱধৰ্মী নাটক হৈ পৰিছে। নাটকৰ কাহিনী জোটপটীয়া নহয় মূল এটা কাহিনীকে স্পষ্ট কৰি তুলিবলৈ দুই এটা কথাৰ সন্নিবিষ্ট কৰিব লগা হলেও ই জটিল হৈ পৰা নাই। নাটকখনত শ্বাস ৰুদ্ধকাৰী উত্তেজনা নাই বা অপ্ৰত্যাশিত ঘটনাও সন্নিবিষ্ট হোৱা নাই।

নাটকখনৰ মূল চৰিত্ৰ ডাক্তৰ ষ্টকমেন এজন সৎসাহস আৰু কৰ্তব্যনিষ্ঠাৰে সমুজ্জ্বল ব্যক্তি। তেওঁ ব্যক্তিগত স্বাৰ্থক সামূহিক স্বাৰ্থৰ সন্মুখত জলাঞ্জলি দিছে। নতুন নগৰলৈ আহি তেওঁৰ জীৱনৰ স্থিতিয়ে সুন্দৰ গতি লৈছিল, স্বচ্ছন্দতা আৰু সুখ বৈভৱৰে তেওঁৰ সংসাৰ ভৰি পৰিছিল কিন্তু সমূহৰ স্বাৰ্থৰ কাৰণে তেওঁ সকলোকে জলাঞ্জলি দিবলৈ আগবাঢ়ি আহিল। তেওঁৰ ককায়েক পিটাৰক তেওঁ নিজৰ এই স্থিতিৰ বিষয়ে বুজাই কৈছিল আৰু লগতে সকিয়াই দিছিল অসত্যৰ ওপৰত প্ৰতিষ্ঠিত নগৰৰ সমৃদ্ধিৰ লগত দুৰ্নীতি আৰু অবক্ষয়গ্ৰস্থতা নিহিত হৈ আছে।

The source is poisoned, man ! Are you mad ! We live by peddling filth and corruption ! The whole of the town s prosperily is roofed in a lie

সমূহৰ স্বাৰ্থৰক্ষা কৰিবলৈ যোৱা ককায়েক মেয়ৰ তথা অভিজাত শ্ৰেণীৰ স্বৰূপ বুলিবলৈ তেওঁৰ বাকী নাছিল। বাতৰি কাকতবোৰেও নিজ স্বাৰ্থৰক্ষাৰ কাৰণে সততাৰ শব্দ উচ্চাৰন কৰিবলৈ ভয় কৰিছিল বুলি তেওঁ জানিছিল। সেয়ে এই স্বাৰ্থসৰ্বস্ব মানুহৰ স্বৰূপ উদঙাই দি মেয়ৰৰ সন্মুখতে তেওঁ ঘৈণীয়েকক কৈছিল যে মানুহবোৰ হঠাতে তেওঁৰ প্ৰতি বিৰূপ হৈছে এই কাৰণে —

It s because all the men in this town are nothing but a lot of old women—like you, An they can think about is their families they never think about the rest of the community

সবল নাৰী চৰিত্ৰ সৃষ্টি ইবচেনৰ নাটকৰ বিশেষত্ব। এই নাটকতো ডাক্তৰ ষ্টকমেনৰ জীয়ৰী পেট্ৰাই সাহস আৰু ধৈৰ্য্যৰ চিনাকী দিছে। প্ৰথমত ষ্টকমেনৰ ঘৈনীয়েকে এগৰাকী সাধাৰণ নাৰীৰ দৰে সবল আৰু সাধাৰণ আছিল। যদিও

পিছলৈ তেৰো সাহস সঞ্চয় কৰিছে আৰু ষ্টকমেনে সত্যক প্ৰকাশ কৰিব খোজা প্ৰয়াসত বৰঙণি যোগাব খুজিছে—

'Then I ll Show them one old woman at least who can be a man for once I ll stick by you Thomas,

ডাক্তৰ ষ্টকমেনৰ সত্য প্ৰকাশনৰ অভিযানত তেওঁ দুই পুত্ৰক সহায় আগ বঢ়াবলৈ পঠিয়াহ দি খিৰিকিৰে তেওঁ পেত্ৰাৰ সতে সেই দৃশ্য চাই থাকিব। তেওঁ কৈছে—

Don t you give in now Tomas I ll get the boys to go with you

ডাক্তৰ ষ্টকমেনৰ সততাৰ বিপৰীতে মেয়ৰৰ স্বাৰ্থসৰ্বস্বতা ক্ষমতাৰ দম্ভ আদি প্ৰকাশ কৰি সেই চৰিত্ৰটোৰ স্বৰূপ তেওঁ দাঙি ধৰিছে। তেনেকৈ প্ৰকাশ কৰিছে স্বাৰ্থসৰ্বস্ব হৱস্তাদ, আচলাক চেন, কিল আদিৰ চৰিত্ৰৰ বৈশিষ্ট্যসমূহ।

নাটকথন ব্যঙ্গ বিদ্ৰূপ বক্ৰোক্তি আদিৰ লগতে প্ৰতীক আদিৰ সুপ্ৰয়োগেৰে অনন্য সাধাৰণ হৈ পৰিছে। বক্তব্যৰ বলিষ্ঠতা আৰু স্পষ্টতাই লিখকৰ এক স্থিৰ প্ৰত্যয় আৰু দৰ্শনক স্পষ্ট কৰি তোলে। এক নতুন সত্যক ডাক্তৰ ষ্টকমেনৰ যোগেদি লিখকে এনেদৰে প্ৰতিস্থাপিত কৰিছে—

"Yes, I have The thing is you see that the strongest man in the world is the man who stands alone

ইবচেনৰ সবল ব্যক্তিত্বক বুজিবলৈ নাটকৰ এইখিনি সংলাপেই যথেষ্ট।

কুৰি শতিকা নতুন বৈপ্লৱিক চিন্তাৰ যুগ। ঊনৈশ শতিকাৰ বৈজ্ঞানিক প্ৰগতিয়ে নব চিন্তাৰ উন্মেষে ইতিমধ্যে জীৱন আৰু জগত সম্পৰ্কে নতুন দৃষ্টিভঙ্গীৰ সূত্ৰপাত কৰিছিল। কিন্তু এই বোৰকো নতুনকৈ চালি জাৰি চোৱাৰ প্ৰয়োজন হৈ পৰিছিল। আধ্যাত্মিকতা, ৰাজনীতি অৰ্থনীতি জীৱবিজ্ঞান আদিৰ ক্ষেত্ৰত যি নব্য চিন্তাৰ সূচনা হৈছিল তাক আকৌ ফাহিযাই চোৱাৰ প্ৰয়োজন বোধ কৰিলে শ্বৰ দৰে বুদ্ধিদীপ্ত লিখক সকলে। সময়ৰ কষটি শিলত বিগত দিনৰ ধাৰণাবোৰক আকৌ পৰীক্ষা কৰা হ'ল। শ্বই কৈছিল তেওঁৰ জীৱনী হব তেওঁৰ সময়ৰ ইতিহাস। তেওঁৰ সমসাময়িক সমাজখনৰ বিভিন্ন ক্ষেত্ৰক স্পৰ্শ কৰি শ্বই তেওঁৰ এই কথাৰ সাৰ্থকতা প্ৰতিপন্ন কৰি গৈছে।

কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধ শ্বৰ সাহিত্য সৃষ্টিৰ সময়। তেওঁৰ লগতে আন এজন সাহিত্যিকৰ নাম এই সময়ছোৱাৰ লগত জড়িত। তেওঁ হ'ল H G Wells এই দুই মহাৰথীৰ নব্য সাহিত্যিক চেতনাক ফঁহিয়াই চাই প্ৰখ্যাত সমালোচক R A, Scott Jamesh-এ কৈছে—

'The period 1900 to 1914 is that to which they essentially belong, and though they both went on producing important work long after that time, it became less provocative less starlling, because the new generation had already assimilated their characteristies thought From 1900 to 1914 they were the leaders in the revolution of ideas, In a Period addicted to propheey both of them but in very different ways were prophets, Both were concerned with the problems of Contem porary socity and its maladjustment to modern condition and needs with the absurdities and irrationalities which it inherited and persisted in and with the application to it of the ideas which they thought would make it more whole some [১]

[১] Scott James R A Fifty years of English Leterature P 14

আধুনিকতাৰ লক্ষণবোৰৰ ভিতৰত এটা উল্লেখযোগ্য লক্ষণ হ'ল বাস্তৱধৰ্মিতা। অনুভূতি প্ৰৱণতাক সম্পূৰ্ণৰূপে দূৰ কৰি আধুনিক বাস্তৱবাদী চেতনাৰ উদ্‌ৰেকে নৱ যুগৰ সাহিত্য ৰচনা কৰাৰ আদৰ্শ প্ৰায়বোৰ আধুনিক সাহিত্যিকৰ মাজত দেখিবলৈ পোৱা যায়। শ্বয়ো বিচাৰিছিল অনুভূতি প্ৰৱণতাক দূৰ কৰিবলৈ। তেওঁৰ মতে ৰোমাণ্টিক আন্দোলনে এই অনুভূতি প্ৰৱণতাৰ জন্ম দিছিল। জনপ্ৰিয় খৃষ্টান ধৰ্মৰ মায়াবাদী চেতনাও আছিল ইয়াৰ বাবে দায়ী। শ্বৰ মতে এই অনুভূতি প্ৰৱণতাই মানুহৰ জীৱনদৃষ্টিক আৱষ্ট কৰি তোলে। সেয়ে ইয়াক দূৰ কৰিবই লাগিব। পাঠকক এই বিষয়ে সচকিত কৰি তুলিবলৈ তেওঁ হাতত তুলি লৈছিল ব্যঙ্গৰ অস্ত্ৰ। তেওঁ হৈ পৰিল যুগৰ এক তীক্ষ্ণ সমালোচক। এই ক্ষেত্ৰত তেওঁ নিজকে মলিয়েৰৰ (Moliere) উত্তৰাধিকাৰী বুলি গণ্য কৰিছিল। মলিয়েৰৰ দৰেই দীঘলীয়া অলংকাৰ পূৰ্ণ ময়লাবোৰে তেওঁ ক্ষুৰধাৰ ব্যঙ্গৰ সৃষ্টি কৰিছিল। T, R Burnes এ শ্বৰ উক্তিকে উল্লেখ কৰি এই প্ৰসঙ্গত কৈছে—

"Shaw claimed to be in the tradition of Moliere My business as a classic writer of comedes, he said is to chasten morals with ridicule and part of his fechnique was to reintroduce to the drama long rhetorical speches in the manner of Moliere [২]

শ্বৰ সাহিত্য সৃষ্টিৰ মাজত উদ্দেশ্য ধৰ্মিতা প্ৰচ্ছন্ন হৈ আছিল। উপযোগিতা মূলক সাহিত্য সৃষ্টিৰ প্ৰয়াসতে হৈ পৰিছিল সংস্কাৰধৰ্মী। জীৱনক তেওঁ উজ্জ্বল আৰু পৰিপূৰ্ণ কৰি তুলিব খুজিছিল তেওঁৰ সাহিত্যিক প্ৰয়াসৰ মাজেৰে। ভৱিষ্যতৰ পুৰুষৰ বাবে এৰি থৈ যাব খুজিছিল এক উজ্জ্বল জীৱনবোধ। তেওঁ নিজে কৈছিল—

I want to be thoroughly used up when I die for the harder I work the more I live I rejoice in life for its order sake Life is no brief candle for me, It is splendid torch which I have got hald of for the moment and I want to make it born as briqully as posible before handling it on to future generation

২ Barnes T R Shaw and the London Theatre প্ৰবন্ধ।
Boris Ford (Bd) The Modern Age গ্ৰন্থত সন্নিবিষ্ট P 210

নাটকক তেওঁ জীৱনমুখী কৰাৰ লগতে ইয়াক কৰি তুলিছিল আধুনিক চিন্তাৰ বাহন কাৰণ শ্বই বিশ্বাস কৰিছিল বৈজ্ঞানিক সত্যই হব নাটকৰ ভেটি। এনে ধৰণৰ চিন্তা প্ৰণোদিত নাটকেৰে সমাজ আৰু ব্যক্তি জীৱনৰ আগত শ্বৰ ই নতুন দিগদৰ্শন দিবলৈ চেষ্টা কৰিছিল। চিন্তাৰ অধ্যয়ন, বিভিন্ন ব্যক্তিৰ নিবিড় সান্নিধ্য স স্কৃতিক জগতখনৰ লগত তেওঁৰ ওত প্ৰোত সম্পৰ্কৰ যোগেদি তেওঁৰ এক সৃজনশীল মনন গঢ়ি উঠিছিল। মৌলিক চিন্তা আৰু নিজস্ব দৃষ্টিভঙ্গীৰে তেওঁৰ সাহিত্যিক বীক্ষাই গঢ় লৈছিল বিভিন্ন তত্ত্বৰ সমাহেৰে তেওৰ নাট াদৰ্শক কেনেকৈ গঢ় দিছিল তাক বুজিবলৈ তেওৰ ব্যক্তিৰ প্ৰতিভা আৰু দৃষ্টিভঙ্গী সম্পৰ্কে কিছু আলোচনা কৰা দৰকাৰ।

শ্বৰ আছিল এক অধ্যয়ন পিপাসু মন আৰু এই অধ্যয়নে গঢ়ি তুলিছিল তেওৰ যুক্তিবাদী এক তাৰ্কিক মন। বিভিন্ন সভা সমিতিত তেওঁ যুক্তি তৰ্ক আৰু বক্তৃতাৰে নিজৰ পাৰদৰ্শিতা প্ৰকাশ কৰিছিল। এই সময়ত তেও বক্তৃতা প্ৰদানৰ প্ৰতি ইমানেই আকৰ্ষিত হৈছিল যে সম্ভৱপৰ সকলো ঠাইতে তেও ভাষণ দিছিল এই প্ৰসঙ্গত শ্বহ নিজেই কৈছে—

Launted all the meetıng s ın Landon where debate forowed leeture I spoke ın the streets ın the parlls at demonstatıon any where and everywere possıble,

এনেদৰে সভাই সমিতিয়ে ঘুৰি ফুৰোতে হঠাতে তেওঁৰ যুক্তিবাদী মনৰ স্পৰ্শ কৰি গ ল হেনৰি জৰ্জৰ ভাষণে। সেই ভাষণ শুনাৰ পাছত তেওৰ মন অৰ্থনীতিৰ প্ৰতি আকৰ্ষিত হৈ পৰিল। তেও কাল মাক্স অধ্যয়ন কৰিবলৈ ললে। সমাজ বাদৰ প্ৰতি তেওঁ আকৰ্ষিত হ ল। ১৮৮৪ চনত তেও ফেবিয়ান চোচাইটিত যোগদান কৰে। সকলো দিশৰ পৰিপক্ক জ্ঞানৰ অধিকাৰী sıdney welbe ৰ দ্বাৰা এই সময়তে তেও বিশেষভাৱে প্ৰভাৱিত হৈ পৰে।

শ্বৰ সমাজবাদী চেতনা এই ফেবিয়ান তত্ত্বৰ ওপৰতে গঢ় লৈ উঠা। ৰোমান সেনাপতি ফেৰিয়ুচৰ নামৰ পৰা ফেবিয়ান শব্দটোৰ উৎপত্তি হৈছে। প্ৰবল প্ৰতাপী হ্যানবেলক অপেক্ষাকৃত দুৰ্বল কেৰিয়ুচে যুদ্ধত দীৰ্ঘসূত্ৰিতাৰ কৌশল অৱলম্বন কৰি পৰাজিত কৰিছিল। ফেবিয়ান চোচাইটিৰো উদ্দেশ্য আছিল সমাজতন্ত্ৰৰ মন্থৰ কিন্তু ক্ৰামশিক বিস্তাৰত সহায় কৰা।

শ্বৰ ফেবিয়ান সমাজবাদী চেতনা মাক্সৰ চিন্তাৰ পৰা ফালৰি কাটি আহিছিল। তেওঁ সামাজিক প্ৰগতিত আৰু ইতিহাস ৰচনাত জনগনৰ ভূমিকাক স্বীকাৰ কৰা

নাছিল অৰ্থনীতি সম্বন্ধেও তেওঁৰ ধাৰণা স্পষ্ট নাছিল। তেওঁ সমাজৰ পৰিবৰ্তন বিচাৰিছিল কিন্তু সেয়া শ্ৰেণী সংঘৰ্ষ বা অন্য অলৌকিক শক্তিৰ দ্বাৰা সম্পন্ন হব বুলি তেওঁ ভবা নাছিল। তেওঁৰ মতে ই সম্ভৱ হব পাৰে একমাত্ৰ মানুহৰ ইচ্ছা শক্তিৰ দ্বাৰা। এই ইচ্ছা শক্তিৰ মূল হল প্ৰাণ শক্তি (Life force) এই প্ৰাণ শক্তিয়ে মানুহক কলুষমুক্ত কৰিব পাৰে, মানুহক মানব মহত্বত উপনীত কৰাব পাৰে। ইচ্ছা কৰিলে ইয়াৰ যোগেদি মানুহ মহৎ আৰু সুন্দৰ হব পাৰে। বৰ্তমানৰ ব্যাধিগ্ৰস্থ দুৰ্নীতিগ্ৰস্থ সমাজক মুক্ত কৰি পৃথিবীক স্বৰ্গ লৈ ৰূপান্তৰিত কৰিব লাগিলে মানুহ প্ৰথমতে ভাল হব লাগিব ইচ্ছা শক্তিৰ প্ৰেৰণাত আৰু এনে শক্তিৰ বলত একশ্ৰেণী উচ্চ পৰ্য্যায়ৰ মানুহৰ সৃষ্টি নহলে পৃথিবী কিন্তু কিছুমান ভয়াবহ প্ৰাণীৰ আবাসস্থলী হৈয়ে থাকিব।

You must admit that unless we are replaced by a more highly evolve animalice short, by the Superman—the world must remain a den of dangerous animals

শ্বই এই প্ৰাণশক্তিৰ তত্বৰ দ্বাৰা ডাৰউইনৰ প্ৰখ্যাত Theory of Natural Selection সূত্ৰক প্ৰত্যাখ্যান কৰিছে। ডাৰউইনৰ যুগান্তকাৰী মতক ওফোৰাই পেলাবলৈ তেওঁ বিশেষ প্ৰেৰণা পায Samuel Butler ৰ লিখনিৰ পৰা। Butler ৰ The way of All flesh গ্ৰন্থত তেওঁ নিজ ভাবৰে প্ৰতিধ্বনি শুনিবলৈ পালে। Butler এও প্ৰচলিত সমসাময়িক ধ্যান ধাৰণা আৰু চিন্তাক গ্ৰহণ কৰিবলৈ সম্মত হোৱা নাছিল। বিশেষকৈ তেওঁ লক্ষ্য কৰিছিল কিছুমান এনে নীতি নিয়মে উনৈশ শতিকাৰ পাৰিবাৰিক জীৱনক ভণ্ডামী আৰু দাসত্বৰ কেন্দ্ৰস্থলীলৈ ৰূপান্তৰিত কৰিছিল। শ্বই দেখা পাইছিল Bulter-এ আমাৰ চৌকাষৰ পৰিবেশৰ ওপৰত এক মহত্বৰ ক্ষমতা স্থাপনৰ আৰু প্ৰকৃতিক বুজাৰ এক চালিকা শক্তিৰ বিষয়ে ঘোষণা কৰিছিল। শ্বই ইয়াক তুলনা কৰিছে বাৰ্গছৰ Elanvital আৰু ছেক্সপিয়াৰৰ divinity that Shapes our ends ৰ লগত। আৰু তাকেই তেও নিজৰ ভাষাত কৈছে Life force বুলি।

আৰু দুজন প্ৰখ্যাত চিন্তাবিদে তেওঁক বিশেষভাবে প্ৰভাবিত কৰিছিল। তাৰ ভিতৰত এজন হল দাৰ্শনিক আৰু আন জন দাৰ্শনিক নহৈও চিন্তা প্ৰণোদিত তত্বক প্ৰকাশ কৰা নাট্যকাৰ। এজন জাৰ্মানীৰ নীটচে (Nietzsehe) আৰু আনজন নৰৱেৰ ইবচেন (Ibsen) এই দুইজনে তেওঁৰ নাট্যকাৰ মনন গঢ়ি তুলিছিল।

নীটচেৰ প্ৰধান লক্ষ্য আছিল উনৈশ শতিকাৰ কপটতাপূৰ্ণ খৃষ্টীয় চেতনাটো যাক তেওঁ তীব্ৰভাৱে আক্ৰমণ কৰিছিল। নীটচে ইয়াক এই কাৰণেই নিন্দা কৰিছিল যে খৃষ্টধৰ্মৰদ্বাৰা প্ৰতাপী সকলে দুৰ্বল সকলৰ ওপৰত দাস নৈতিকতাৰ জন্ম দিয়ে। এওঁলোকৰো প্ৰভুৰ ওচৰত আত্মসমৰ্পণৰ মনোবৃত্তি সক্ৰিয় হৈ থাকে। এওঁলোক সংখ্যা গৰিষ্ঠৰ দল। কিন্তু নীটচেৰ দাস নৈতিকতাৰ উদ্ধত থকা এশ্ৰেণী মানুহৰ উল্লেখে শ্বক বিশেষভাৱে আকৰ্ষিত কৰে। মানৱ সমাজৰ এওঁলোক অভিজাত শ্ৰেণীৰ অভিমানৰ। এওঁলোকে নিজৰ মনবোৰক বুজি পায় আৰু নিজৰ উদ্দেশ্য সাধনৰ কাৰণে যত্নপৰ হয় আৰু এইদৰে উদ্দেশ্যক অন্বেষণ কৰোতে জীৱনে যি দিব পাৰে তাৰ প্ৰতি এক ধনাত্মক দৃষ্টিভঙ্গী পোষণ কৰে। যাক নীটচেই কৈছে Yea to life বুলি। R, A Scott James-এ এই superman ৰ বিষয়ে ব্যাখ্যা কৰি কৈছে—

'The superman were the infermed and the purposeful who win the battle of life and contract from it what is wath having [৩]

নীটচেৰ Yea to life ৰ সতে তুলনীয় এক আপ্তবাক্য হ'ল ইবচেনৰ 'Be thyself ইয়াৰ মাজত অৱশ্যে তেনে কোনো দাৰ্শনিক চিন্তা প্ৰচ্ছন্ন নাছিল। ইবচেন আছিল মুখ্যত এজন সমাজ সমালোচক। নিষ্ঠুৰ বাস্তৱতাৰ পটভূমিত জীৱনক ৰূপ দিবলৈ যাওঁতেই-হ নিৰ্গত হৈছিল। মধ্যবিত্ত শ্ৰেণীয়ে তেওঁৰ নাটকত এক ভদ্ৰ জীৱন নিৰ্বা ক ৰে কিন্তু তেওঁৰ চৌপাশৰ নগ্ন বাস্তৱতাই তেওক চমক খুৱায়। বৃটেইন ফ্ৰান্সকে ধৰি সকলো সভ্য দেশৰ মধ্যবিত্ত শ্ৰেণীৰ এই একে ছবিকেই তেওঁ দাঙি ধৰিছে। মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্তৰ এহ চৰিত্ৰবোৰৰ আচৰণ তেওঁৰ নাটকত আচহুৱা ৰূপত ফুটি ওলাইছে। শ্বই ইবচেনৰ এই নাট্যৰীতিৰ প্ৰসঙ্গত কৈছে—

'His characters do not behave as ladies and gentlemen are popularly supposed to behave, If you adore Hedda Gabler in real life Ibsen s exposure of the worthlessness and meanness of her life is cruel and blasphemous to you it is not murder, nor adultery, not rapine that is objected to quite

---

● Scott James R A : Fifty year of English Leterature p 17

contrary It is an unladylike attitude towards life, in other words, a disparagement of the Social ideals of the poorer middle class and of the vast reinforcement it has had from the worling class

(Preface to Heartbreak House)

ইবচেনৰ চিন্তাৰ আলোকতে নাৰী মুক্তিৰ চেতনা শ্বৰ নাটকত প্ৰখৰ হৈ উঠে। শ্বৰ নাটকত নাৰীক পুৰুষতকৈ সবল ৰূপত দেখুৱা হৈছে। নাৰীৰ সংক্ৰান্ততে তেওঁ বিয়া আৰু পাৰিবাৰিক জীৱনক চালি জাৰি চাইছে। তিৰোতাবোৰক কল কাৰখানাত উপযুক্ত পাৰিশ্ৰমিক দিয়া নহয় আনহাতে আকৌ ঘৰুৱা জীৱনত কেঁচুৱা জন্ম দি প্ৰতিপালন কৰা আৰু ঘৰ চলোৱাৰ বাবে নাৰী সকলক একোৱে দিয়া নহয়। যিহেতু তিৰোতাবোৰে ঘৰ চোৱাৰ কাৰণে কোনো পাৰিশ্ৰমিক নেপায় এক প্ৰতাৰণাৰ ভেটিত গঢ়ি উঠিছে সমাজৰ ধাৰা। স্বামীবোৰে Candida নাটকত মোৰেলে ভবাৰ দৰে ভাবে যে তেওঁলোকে তেওঁলোকৰ স্ত্ৰীবোৰক শক্তি, সততা আৰু পৰিশ্ৰমেৰে নিৰপত্তা দিছে। কিন্তু প্ৰকৃতপক্ষে পত্নী সকলেহে আৰাম আৰু প্ৰেমৰ সৌধ নিৰ্মাণ কৰে। গাতিকে শ্বই এখন আদৰ্শ সমাজ গঢ়িব খুজিছে তিৰোতাবোৰক সম্পূৰ্ণ দায়িত্বমুক্ত কৰি। Back to Methuselah নাটকত তেওঁ এক নতুন দৃষ্টিভঙ্গী দাঙি ধৰিছে মানৱ সমাজ সম্পৰ্কে। তেওঁৰ মতে তেতিয়াহে এখন আদৰ্শ সমাজ গঢ়ি উঠিব যেতিয়া সন্তান পালনৰ ভাৰ ৰাষ্ট্ৰই গ্ৰহণ কৰিব। ব্যক্তিগত সম্পত্তিৰ পৰা মালিকানা স্বত্ব উঠি যাব। এনে সমাজ ব্যৱস্থাত বিবাহ প্ৰথাও লোপ পাব।

এনেদৰে বিভিন্ন গ্ৰন্থ অধ্যয়ন, চিন্তাবিদৰ চিন্তাৰ লগত পৰিচয় আৰু ব্যক্তিগত অভিজ্ঞতাৰ ভেটিত তেওঁ নাটক সমূহ ৰচনা কৰি তাত নব্য আদৰ্শৰ বেঙনি প্ৰতিভাত কৰি তুলিছে। সকলো প্ৰকাৰ দাসত্ব, দুৰ্নীতি অন্ধবিশ্বাস, সামূহিক স্বাৰ্থপৰতা আদিৰ পৰা মানুহক মুক্ত কৰি এখন নিকা আৰু আদৰ্শপৰ্ণ সমাজ গঢ়িবলৈ তেওঁ নাট ৰচনাত হাত দিছিল। এই সন্দৰ্ভত strindberg নাট্য ৰচনাৰ আদৰ্শ প্ৰসঙ্গত কোৱা কথা মনত পৰে—

'Dramatic art has long seemed to me a kind of Biblia Pauferum a bible in picture for those who can not read the written or Printed word and the dramatic author a lay preacher who hawks about the ideas of his time in popular

from popular enough for the middle classes who form the bulk of theatrical audiences to grasp the nature of the subject without troubling their brain too much

(Preface to Miss Julie)

শ্বয়ো দৰ্শকৰ আগত নতুন সত্য আৰু আদৰ্শ প্ৰচাৰ কৰিব খুজিছিল অৱশ্যে তেওঁৰ নাট্য পদ্ধতি আছিল চিন্তা প্ৰণোদিত সেয়ে দৰ্শকে যথেষ্ট কষ্ট কৰিহে সেইবোৰ বুজিব লাগিছিল। তেওঁ তেওঁৰ মতবাদেৰে দৰ্শককো প্ৰভাৱিত কৰিব খুজিছিল সেয়ে তেওঁ কৈছিল I write plays with the deliberate object of Converting the nation to my opinion in these matters, তেওঁ সেইদৰে নীতিপূৰ্ণ কথাৰে পাঠককো পৰিশুদ্ধ কৰিব খুজি তেওঁলোককো আক্ৰমণ কৰে। The quintessence of Isenism ত নাট্যকাৰে লিখিছে—

I must however warn my readers that my attacks are driected against themselves, not against my stage figures

শ্বৰ মাজত বহুতো স্ববিৰোধ আছিল। তেওঁ বৰ বেচি বাস্তৱিক হবলৈ যাওতে অনুভূতি প্ৰৱ।তাক ঘৃণা কৰোতে তেওঁৰ নাটবোৰ হৈছিল সম্পূৰ্ণৰূপে আবেগ শূন্য। তেওঁৰ সমাজবাদী চেতনাকো সমালোচক সকলে সন্দেহৰ চকুৰে চাইছিল। R, A, Scott James-এ কৈছে।

'Whether shaw auqut to be described as a socialist is doubtful it is certain that he was an aristocratic an aristocrate its the platonic SenSe, the citizen who has gold not in his purse but in his nature

সমাজবাদী চেতনাৰে সমুজ্জ্বল নাটক Widewers Honses আৰু Mr warren s professionৰ পাছৰ প্ৰায়বোৰ নাটকত শ্বৰ ব্যক্তি স্বাতন্ত্ৰ্যবাদী চেতনাহে বেচি প্ৰোজ্জ্বল হৈছে। এই ব্যক্তি স্বাতন্ত্ৰ্যৰ পৰিপন্থী সকলো বোৰকেই শ্বই তেওঁৰ পৰবৰ্তী জীৱনৰ ৰচনাত তীব্ৰভাৱে আক্ৰমণ কৰিছে আৰু ক্ষত বিক্ষত কৰিছে। বুদ্ধিদীপ্ত শ্লেষপূৰ্ণ বচনভঙ্গী আৰু ভিন্ন ভাবধাৰাৰ মিছিলেৰে তেওঁৰ নাটকবোৰে পাঠকৰ সমুখত হাজিৰ হৈছে। নাটকত কথাবস্তুতকৈ ভাবধাৰা প্ৰকাশতহে তেওঁ অধিক জোৰ দিছে। তাৰউপৰি চৰিত্ৰবোৰো হৈ পৰিছে তেওঁৰ ভাবধাৰা প্ৰকাশৰ বাহন স্বৰূপ। সেইবোৰে শ্বৰ নিজৰ ধ্যান ধাৰণাকে প্ৰকাশিবলৈ গৈ বৈচিত্ৰ্যবৰ্জিত হৈ পৰিছে।

নাট্যকাৰ হিচাপে শ্বৰ আৰু দুটা মান বৈশিষ্ট্য উল্লেখ কৰা প্ৰয়োজন। শ্বৰ আছিল এক যুক্তিবাদী মন। যুক্তি তৰ্কৰ দ্বাৰা তেওঁৰ চৰিত্ৰবোৰে পাঠক বা দৰ্শকক মুগ্ধ কৰি ৰাখিব পাৰিছিল নাট্যকাৰৰ এই প্ৰতিভাৰ কাৰণে। ইয়াৰ উপৰি তেওঁৰ মঞ্চ সম্পৰ্কে থকা জ্ঞানৰ কাৰণে। তেও মঞ্চ সফল নাট ৰচনাত বিশেষ কৃতকাৰ্য্য হৈছিল। তেওঁৰ নাটকবোৰৰ প্ৰায়বোৰতে সঁচা জীৱনৰ পৰা বুটলি অনা একোটা চৰিত্ৰ থাকে আৰু সেই চৰিত্ৰটো হল শ্ব নিজে। তেওঁৰ এই নাট্য বৈশিষ্ট্যবোৰ নাটক আলোচনাৰ যোগেদি আৰু স্পষ্ট হৈ পৰিব। তেওঁৰ নাটকবোৰত লাহে লাহে কথাবস্তুহে প্ৰাধান্য লাভ কৰা দেখিবলৈ পোৱা যায় বিশেষকৈ Arms and the man আৰু Candida নাটকত। Arms and the Man এখন ব্যঙ্গ নাটক। সমালোচক Williams ৰ ভাষাত Armas and the Man is a Sentimental burlesque and much of it is very funny নাটকত যুদ্ধৰ প্ৰতি ৰোমাণ্টিক দৃষ্টিভঙ্গীক ব্যঙ্গ কৰা হৈছে।

নাটকৰ এক বীৰত্বপূৰ্ণ চৰিত্ৰ হ'ল কেপ্তেইন Bluntschli তেওৰ বিপৰীতে sergings এজন ৰোমাণ্টিক মূৰ্খ। Bluntschli জীৱন শক্তিকে প্ৰাণোচ্ছল এক উজ্জ্বল ব্যক্তি যিয়ে যুদ্ধত যোগদান কৰিছিল উদ্দেশ্যহীন আবেগত যাক তেও কৈছে incurribly romantic disposition বুলি। আন হাতে sergiu এ যুদ্ধত নামিছে কৃতকাৰ্য্যতা আৰু গৌৰৱৰ কাৰণে। Bluntsehli যে যেনেকৈ এক বুজাব নোৱাৰা অনুভূতিৰ তাড়নাত যুদ্ধত নামিছে সেই অনুভূতিৰ তাড়নাতে তেও যুদ্ধ এৰি পলাইও আহিছে। তেওৰ দ্বাৰা আত্ম নিয়ন্ত্ৰিত মানুহে সকলো কামকে কৰিব পাৰে আৰু প্ৰচলিত বাহিৰলৈ গৈ নিজৰ সবল ব্যক্তিত্বক প্ৰকাশ কৰিব পাৰে তেওঁৰ বৌদ্ধিক গুণবোৰৰ ওপৰত যেনেকৈ তেওঁৰ নিয়ন্ত্ৰণ আছে শাৰীৰিক শক্তিৰ ওপৰতো তেনে নিয়ন্ত্ৰণ আছে। ৰেইনাৰ ঘৰত আশ্ৰয় লোৱা Bluntsehli যে যেতিয়া নিৰাপদ অনুভৱ কৰিছে তেও লগে লগে শুই পাৰিছে কিন্তু পিছ মুহূৰ্তত বিপদৰ পূৰ্বাভাস পালেই সাৰ পাই সহজভাৱে কথা কোৱা আৰু কাম কৰাৰ ক্ষমতা তেওঁ প্ৰদৰ্শন কৰিছে। নাটকীয় কাৰ্য্য আৰু কথোপকথনৰ সুসমন্বয়ত হৈ এখন আকৰ্ষণীয় নাটক হৈ পৰিছে।

এই সময়ৰ আন এখন উল্লেখযোগ্য নাটক হ'ল Candida ইয়াত তেওঁ সমাজৰ অৰ্থনৈতিক ব্যৱস্থা, বিবাহ অনুষ্ঠান, পাৰিবাৰিক জীৱন, ভুৱা নৈতিকতা আদিৰ স্বৰূপ উদঙাই দিছে। এই নাটকখন তেওঁৰ আগবয়সৰ এক উজ্জ্বল সাহিত্যকীৰ্ত্তি বুলি অভিহিত কৰি সমালোচক সকলে ইয়াক a little Master

piece বুলি কৈছে। খৃষ্টীয় সমাজবাদ আৰু যাদুকৰী মোহময়ী দৃষ্টিভঙ্গীৰ সংঘাতেই এই নাটকৰ উপস্থাপিত বিষয়।

এই নাটকত মোৰেল এজন ধৰ্মপ্ৰচাৰক আৰু সমাজৰ সম্মানিত ব্যক্তি। পাৰিবাৰিক জীৱনতো তেওঁ আদৰ্শ স্বামী। তেওঁ তেওঁৰ পত্নী কেনদিদাৰ প্ৰতি সচেতন কিন্তু কাহিনী আগ বঢ়াৰ লগে লগে দেখা গ ল কেনদিদা আচলতে গিৰিয়েকৰ দ্বাৰা নিস্পেষিতা। কেনদিদাই কষ্ট স্বীকাৰ কৰি নিয়াৰিকৈ ঘৰখন চলাই আছে বাবেই মোৰেলে সমাজত থিয় দিব পৰিছে। সকলোকে আকৰ্ষণ কৰিব পৰাকৈ নিজক সজাব পাৰিছে। বাহিৰত ভাষণ দি বাহ বাহ লোৱা। সমাজৰ উন্নতিৰ কাৰণে কাম কৰা মোৰেলে কিন্তু স্ত্ৰীৰ কোনো যত্নই নলয়। তেওঁৰ ভাবানুভূতিলৈ অকনো লক্ষ্য নকৰে।

এই সকলো কথা দৰ্শকৰ আগত স্পষ্টৰ পৰা স্পষ্টতৰ কৰি তোলে ইউজেন মচিবে কচ নামৰ ডেকা কবি এজনে। মচিবে'কচৰ একান্ত ইচ্ছা কেনদিদাক এই নিস্পেষণৰ পৰা মুক্ত কৰা। তাৰ প্ৰেমেৰে কেনদিদাক সি জয় কৰিব খুজিছে। অৱশেষত কেনদিদাই দুই জনৰ এজনক বাচি লব খুজিছে এক নীলামৰ যোগেদি। এই নীলামৰ ডাকত মোৰেলে এজন পুৰুষে স্ত্ৰীক দিব লগা সকলোখিনি দিয়াৰ অঙ্গীকাৰ দি অৱশেষত কেনদিদাক জয় কৰিছে আৰু মচিবে'কচে কবিতাৰ অনুভূতি হৃদয়ত লৈ আঁতৰি গৈছে।

ইয়াত নাট্যকাৰে পাৰিবাৰিক জীৱন তথা বিয়াৰ অসাৰতা প্ৰতিপন্ন কৰিব খুজিছে এজন কৰ্মঠ আৰু উদ্যোগী সমাজবাদীৰ যোগেদি। মোৰেলৰ মাজত এহাতে আছে খৃষ্টীয় দয়া আৰু আনহাতে স্ত্ৰীৰ প্ৰতি অন্যায় আচৰণ। এই অন্যায় আচৰণ তেওঁ নিষ্ঠুৰভাৱে কৰা নাই কৰিছে ভদ্ৰ আৰু মৰ্জিতভাৱে মচিবে'কচৰ প্ৰেমৰ আবেগৰ সম্মুখত মোৰেলক তুলি ধৰি মোৰেলৰ চৰিত্ৰৰ কপটতা স্পষ্ট কৰি তুলিছে নাট্যকাৰে। তেওঁ যে ব্যক্তিগত জীৱনত অতি দুৰ্বল মানুহ সেয়াও তেওঁৰ আচৰণত প্ৰতিপন্ন হৈছে। সেয়ে মোৰেলক কেনদিদাই বাচি লৈছে কাৰণ মোৰেল হ ল এনে এজন দুৰ্বল মানুহ যি কেনদিদাৰ সহায় নহলে চলিব নোৱাৰিব। বিশেষ কোনো ঘটনা সৃষ্টি নকৰাকৈ চিত্ৰাকৰ্ষক সংলাপ সহযোগ নকৰাকৈ নাট্যকাৰে কাহিনী মুক্ত কৰি তুলিছে, মচিবেকচৰ দৃষ্টিৰ সম্মুখত মোৰেলৰ সংসাৰখন তুলি ধৰি সৰু সৰু খুটি নাতিৰ মাজেৰে সংঘাত আৰু চৰিত্ৰক স্পষ্ট কৰি তোলা হৈছে।

The Divil s Disciples (১৮৯৭) Caesar and cleopatra (১৮৯৮)

আদি নাটকত তেওঁ মানুহৰ অনুভূতিৰ স্থূলতা আৰু তুচ্ছতাৰ বিৰুদ্ধে ঘৃণা প্ৰকাশ কৰিছে ভণ্ডামি আৰু কপটতাক ইয়াত উদঙাই দেখুওৱা হৈছে। The Philanderer (১৮৯৩) এখন ইবচেনৰ আহিৰ নাটক। ইয়াত নব্যনাৰী (New women) সম্পৰ্কীয় ধাৰণাক স্পষ্ট কৰি তোলা হৈছে।

কুৰি শতিকাৰ আৰম্ভণিত লিখা নাটক Man and Superman (১৯ ৩) তেওঁৰ এক সাহিত্য কীৰ্ত্তি। এই নাটক খনত life force ৰ ধাৰা পূৰ্ণভাৱে প্ৰস্ফুটিত হৈছে। আধুনিক সমাজত ই কেনেদৰে ক্ৰিয়া কৰে তাক তেও ইয়াত দেখুৱাব খুজিছে। শ্বই ইয়াত যৌন চেতনাকো চালি জাৰি চাইছে। তেওঁ ইয়াক ৰোমান্সৰ দাসত্বৰ পৰা মুক্ত কৰিছে আৰু সৃষ্টিৰ এক আহিলা হিচাপেহে ইয়াক গণ্য কৰিছে। এই নাটকত Tanner এ আত্মাৰ গহীন কোণত এক সঁহাৰি অনুভৱ কৰিছিল আৰু এই সঁহাৰিতে তেওঁ Ann Whitefield ৰ লগত বৈবাহিক সূত্ৰত আবদ্ধ হৈছিল। কিন্তু ই যে যৌন আবেগ তাক বুজিবৰ বাবে কোনো সংলাপ বা কাহিনী নাট্যকাৰে উপস্থাপন কৰা নাই। Tanne এ life force-ৰ কবলত পৰা বুলিহে ঘোষণা কৰিছিল।

প্ৰথম বিশ্বযুদ্ধৰ আগে আগে শ্বই কিছুমান লঘু কমেডি ৰচনা কৰে। জনপ্ৰিয় সেহ নাটকবোৰ হ ল Misalliance (১৯১) Androcles and the Lion (১৯১২) আৰু Pygmalion (১৯১৩) যুদ্ধৰ সময়ত তেওঁ ৰচনা কৰে Heart Break House গীতিধৰ্মী আৰু প্ৰহসনমূলক এই নাটকখনত এডৱাৰ্ডৰ ইংলণ্ডৰ পতনৰ ছবি তেওঁ অংকন কৰিছে। বহু লেখকে ইয়াক এখন উচ্চস্তৰৰ নাটক বুলি স্বীকৃতি দিছে।

১৯২১ চনত প্ৰকাশিত হয় তেওঁৰ আন এখন উল্লেখযোগ্য নাটক Back to Methu Selah। শ্বৰ মতে এই নাটকখনেই তেওৰ শ্ৰেষ্ঠ নাটক। কিন্তু সৰ্বসাধাৰণ পাঠক আৰু বহু সমালোচকে ইয়াক তেনে স্বীকৃতি দিব খোজা নাই G S Fraser-এ কৈছে Whatever Pleasure Back to Methu Selah gives us is not dramatic one শ্বই এই নাটকখনত উপস্থাপিত কৰিব খুজিছে যে বৰ্ত্তমান পৃথিৱীত মানুহ যি অৱস্থাত উপনীত হৈছে এই পৰিস্থিতিত কেনেকৈ জীৱন ধাৰণ কৰা যাব আৰু কৰা উচিত এই কথা মানুহে বুজি পোৱাৰ আগতেই মানুহৰ মৃত্যুৰ সময় ঘনীভূত হৈ আহে। সেয়ে শ্বই বিচাৰে মানুহৰ বাচি থকাৰ সময় যেন আৰু বৃদ্ধি পায়। ইয়াত চিন্তা কৰিবলগীয়া বক্তব্য থাকিলেও লিখকে এক সুবিস্তৃত পৰিবেশ সৃষ্টি কৰিও তাক

শিল্পগতভাবে স্বাভাৱিক সুস্থ কাহিনী এটা উপস্থাপন কৰিব পৰা নাই। A C Ward ৰ ভাষাত এই নাটকৰ বেছি ভাগেই magnificently irrelevant and much is maddeningly garrulous

ইয়াৰ পাছৰ সৃষ্টি হ'ল st Joan (১৯২৩) ই এখন ঐতিহাসিক নাটক আৰু Back to Methu Sehah নাটকতকৈ সফল সৃষ্টি ইয়াতো শ্বৰ নাৰী সম্পৰ্কে থকা ধাৰণাৰ এক স্পষ্ট চিত্ৰ ফুটি ওলাইছে। শ্বৰ মতে পুৰুষতকৈ তিৰোতা সকল বেছি শ্ৰেষ্ঠতৰ জীৱ। পুৰুষতকৈ এওঁলোক বাস্তৱ জীৱনৰ বাবে বেছি উপযোগী। এই নাটকত জোৱান উৎসাহী আৰু ৰোমাণ্টিক আচাৰ ব্যৱহাৰৰ পৰা মুক্ত। জোৱান শ্বৰ ধাৰণাৰ এক সাধু (Saint) (যি superman ৰ প্ৰচলিত নাম) ৰাজনীতি আৰু যুদ্ধ সম্পৰ্কীয় জ্ঞানেৰে এজন সবিবেচক জ্ঞানী ছোৱালী। তাইৰ চৰিত্ৰৰ বিশেষত্ব হ'ল উদ্দেশ্যৰ এককতা আৰু যৌন চেতনা বিহীনতা। শ্বৰ কাৰণে জোৱান এই এক সাধু আছিল তাই জীৱনৰ দাবীক তল পেলাই থৈছিল সৃষ্টিমূলক ক্ৰম বিকাশত life force ৰ এক অজটিল অস্ত্ৰ হৱৰ বাবে। তাইৰ চৰিত্ৰৰ বিশ্লেষণ কৰি Williams এ কৈছে—

She represents the ideal of rejection of those tiresome facts of human behaviour which complicate the conception of progress She represents that to say a fantasy

The Apple Cart (১৯২৯) ত শ্বই ইবচেনীয় দৃষ্টিভঙ্গীৰ পুনৰবিচাৰ কৰিছে। ইবচেনে সংখ্যা গৰিষ্ঠতাৰ স্বৰূপ উদঙাই দিয়াৰ দৰে শ্বই ইয়াত গণতন্ত্ৰৰ স্বৰূপ উদঙাই ইয়াৰ বিৰুদ্ধে বিষোদাগাৰ কৰিছে কিন্তু এই গণতন্ত্ৰৰ বিকল্প কি হ'ব? ৰাজতন্ত্ৰ নে একনায়কত্ববাদ, এই তাৰ স্পষ্ট পৰামৰ্শ ইয়াত দাঙি ধৰা নাই যদিও নেপোলিয়ন হিটলাৰ আৰু ষ্টেলিনৰ প্ৰতি শ্ৰদ্ধাৰ ইঙ্গিত ইয়াত আছে সেয়ে G S Fraser এ কৈছে For that splendid liberal tradition which gave his own platform he never expressed any respect

তেওঁৰ পূৰ্ববৰ্ত্তী নাট্যকাৰ ইবচেনৰ চিন্তাৰ আধাৰত তেওঁ কেইবাখনো নাটকৰ বিষয়বস্তু আৰু ভাবধাৰা গঢ়ি তুলিছে। কিন্তু নিজস্ব চিন্তাধাৰাৰ আলোকত তেওঁৰ প্ৰায়বোৰ নাটক সমুজ্জ্বল। সময়ে সময়ে তেওঁৰ চিন্তাৰ প্ৰসাৰতাই স্ববিৰোধত সৃষ্টি কৰিছে। যদিও শ্ব নিসন্দেহে এই শতিকাৰ এক শ্ৰেষ্ঠ আৰু বিতৰ্কিত নাট্যকাৰ।

---

8 Williams Raymond Drama from Ibsen to Eliot P 168

কেনদিদা

বাৰ্ণাড শ্বৰ এখন উল্লেখযোগ্য নাটক হ'ল কেনদিদা। অৱশ্যে Man and superman ৰ দৰে নাটকে তেওঁৰ আত্মদৰ্শনৰ প্ৰকাশ আৰু বিশ্বজনীন চিৰায়ত সমস্যাৰ উপস্থাপনৰ যোগেদি যি বিৰল প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে তেনে প্ৰতিভা তেওঁ এই নাটকত দেখুৱাব পৰা নাই। সমসাময়িক জীৱনৰ ভেটিত তেওঁ এই নাটকখন ৰচনা কৰি প্ৰচলিত ধ্যান ধাৰণালৈ অভিনৱ ৰূপান্তৰ আনিলে।

১৮৯৪ চনত শ্বই কেনদিদা নাটকখন লেখিবলৈ লয় আৰু সমাপ্ত কৰে ১৮৯৫ চনত। বিবাহ, পাৰিবাৰিক জীৱন খৃষ্টীয় সমাজবাদ আদিৰ ওপৰত হয়াত আলোকপাত কৰা হৈছে এটা চিৰন্তন ত্ৰিকোনীয় প্ৰেমৰ কাহিনীক কেন্দ্ৰ কৰি। শ্বৰ সময়লৈ ত্ৰিকোণীয় প্ৰেমৰ কাহিনীযুক্ত নাটকবোৰেহ মঞ্চ অধিকাৰ কৰি আছিল। গতানুগতিক সেই কাহিনীযুক্ত নাটক সমূহে দৰ্শকক আমোদ দি থকা কালতে শ্বয়ো তেনে ধৰণৰ কাহিনী এটাকে তেওৰ নাটবত ৰূপ দিলে তেওৰ সম্পূৰ্ণ নিজস্ব দৃষ্টিভঙ্গীৰে।

শ্বৰ সমসাময়িক মঞ্চত উপস্থাপিত সেই নাটকবোৰৰ কাহিনীবোৰত সাধাৰণতে এগৰাকী বিয়া হোৱা নায়িকাক লৈ তেওঁৰ স্বামী আৰু প্ৰেমিকাৰ প্ৰেমৰ ত্ৰিভূজ গঢ়ি উঠে। তিৰোতাগৰাকীয়ে তেওঁৰ স্বামীয়ে নজনাকৈ প্ৰেমিকৰ লগত প্ৰেম আদান-প্ৰদান কৰি থাকে কিন্তু এদিন সকলো ৰহস্য ওলাই পৰে। স্বামী গৰাকীয়ে স্ত্ৰী গৰাকীৰ এই বিশ্বাস ঘাতকতাৰ কথা গম পায় আৰু তাৰ লগে লগে এক অশুভ পৰিস্থিতিৰ সৃষ্টি হয়। বিপথগামী নাৰী গৰাকীয়ে অনুশোচনাত দগ্ধ হয় আৰু প্ৰেমিকৰ ওচৰৰ পৰা পুনৰ স্বামীৰ ওচৰলৈ উভতি আহে। কেতিযাবা আকৌ স্বামীয়ে তাইক এৰি পেলায় আৰু তাই সম্পূৰ্ণ স্বাধীনতা পায় প্ৰেমিকৰ লগত অবৈধ সম্পৰ্ক চলাই থাকিবলৈ। মুঠতে এই ধৰণৰ নাটকবোৰত অবিশ্বাসী স্ত্ৰীৰদ্বাৰা স্বামীয়ে কৰা প্ৰতাৰণাৰ কাহিনীকে দাঙি ধৰা হৈছিল।

শ্বই এই ধৰণৰ নাটকৰ প্ৰসাৰ দেখিয়ে এক নতুন ৰূপেৰে নাট্য কাহিনী সজাই তুলি এই এক ঘেয়েমিৰ পৰা নাটকক মুক্ত কৰিলে আৰু লগতে কোনো অপ্ৰত্যাশিত পৰিস্থিতিৰ সৃষ্টি নকৰাকৈ স্বাভাৱিকভাবেই এই ত্ৰিকোণীয় প্ৰেমৰ

সমস্যা সমাধানৰ পথ উলিয়াই দিলে, স্বামীয়ে এই প্ৰেমৰ কথা গম পাই'ছ একেবাৰে সাধাৰণভাৱে আৰু তিৰোতা গৰাকীয়ে নিজৰ ইচ্ছা শক্তিৰে ইয়াৰ এটা স্থ সমাধান বিচাৰি উলিয়াইছে। নাটকৰ মূল কাহিনীটো চমুকৈ এনে ধৰণৰ।

কেনদিদা মোৰেল নামৰ ধৰ্ম প্ৰচাৰক জনৰ পত্নী। মোৰেল তেওঁৰ পত্নীক লৈ সদা সুখী আৰু তেওঁ যে বৈবাহিক জীৱনত সুখী এই কথা সুবিধা পালেই অইনৰ আগত ব্যক্ত কৰে। মোৰেল পত্নী কেনদিদাই ঘৰ থনৰ সকলো দিশলৈ চকু কৰে আৰু ইয়াৰ ফলতে তাইৰ স্বামীয়ে বাহিৰে বাহিৰে ঘূৰি ফুৰি নিজৰ সম্মান প্ৰতিষ্ঠাৰ উত্তৰোত্তৰ বৃদ্ধি কৰিব পাৰিছে। ব্যক্তিগত জীৱনত মোৰেল ভদ্ৰ, মাৰ্জিত আৰু সামাজিক জীৱনতো তেওঁ ন্যায়, সততা, সাম্যবাদ বিচাৰে। তেওঁৰ ব্যক্তিত্বই সকলোকে মুগ্ধ কৰে তেওঁৰ ৰূপ তিৰোতাবোৰৰ কাৰণে আকৰ্ষণীয়।

কিন্তু এদিন মোৰেলৰ এই সকলো আচৰণ যে কপটতাৰ নামান্তৰ তাক প্ৰকাশ কৰি দিলে ইউজেন মাৰ্চবেংকচ নামৰ এজন ডেকা কবিয়ে। ইউজেনক মোৰেলেই এবাৰ বান্ধৰ ওপৰত শুই থকা অৱস্থাত পাইছিল আৰু তেওঁৰ ঘৰলৈ লৈ আনিছিল। কেনদিদাই তাইৰ দেউতাকক মাচিবেংকচৰ পৰিচয় দি কৈছিল।

He had a seven day bill for L 55 in his pocket when James found him on the embankment He thought he could n t get any money for it until the seven days were up and he was too sky to ask for credit Oh he is a dear boy We are very bond of him

মোৰেলে যে ঘৈণীয়েকক প্ৰৱঞ্চনা কৰি আছে এই কথা ইউজেনে বুজি পায়ে সি যেন কেনদিদাৰ প্ৰতি অনুৰক্ত হৈ পৰিছিল আৰু তাৰ প্ৰেমেৰে তাইৰ জীৱন পৰিপূৰ্ণ কৰিব খুজিছিল। সি স্পষ্টভাৱেই এইকথা মোৰেলক কৈ দিলে যে কেনদিদাক সি ভাল পায়। তাইৰ প্ৰেম তাৰ বাবে অতিশয় মহত্বপূৰ্ণ। লগতে সি এই কথাও অকপটভাৱে কবলৈ সাহস কৰিলে যে She really belongs to me and not to you

মাৰ্চবেংকচে মোৰেলৰ ঘৰত থাকি গম পায় প্ৰতি পদে পদে কেনদিদাক কেনেকৈ নিষ্পেষিত কৰা হৈছে। ভাই লেম চাফ কৰিব লাগে, পিঁয়াজৰ বাকলি

একবাৰ লাগে, ঘৰ চাফ কৰিব লাগে। এইবোৰ দেখি দেখি সি অতিষ্ঠ হৈ উঠে। সি কেনদিদাক এই অৱস্থাৰ পৰা মুক্ত কৰিব বিচাৰে। তাৰ কবি মনে বিচাৰে এখন সপোন ৰাজ্যত সি যেন কেনদিদাৰ সতে বিচৰণ কৰিব। কেনদিদাই তেতিয়া আৰু ঘৰ চাফ কৰিব নেলাগে। তাৰ কাব্যিক উচ্ছ্বাস হঠাতে উঠলি উঠে।

'No, Not a Serublıng brush, but a boat a tıny Shallop to saıl away ın far from the world, where the marble floors are washed by the raın and drıed by the sun where the South wınd dusts the beautıful green and purple Carpet Or a charırt to carry us up ınto the sky where the lamps are stars and don t need to be filled wıth paraffın oıl every day

মোৰেলে যেতিয়া জানিলে মচিবেংকচে কেনদিদাক ভাল পায় তেওঁ সন্দেহ পৰায়ণ বা ঈৰ্ষান্বিত হোৱাৰ পৰিবৰ্তে ইউজেন মাৰ্চবেংকচৰ লগত কেনদিকাক ঘৰত অকলে থৈ মিটি কৰিবলৈ ওলাই গ'ল আৰু এইদৰেই তেওঁ যেন নিজৰ সাহসৰ প্ৰদৰ্শন কৰিব খুজিলে।

মিটিঙৰ পৰা তেওঁ ঘূৰি আহি দেখিলে কেনদিদা আৰু মচিবেংকচ দুয়ো প্ৰেমাবেশত মত্ত। মোৰেলে কেনদিদাক কলে যে তেওঁলোক দুইজনৰ যি কোনো এজনক তাই বাচি লব লাগিব।

কেনদিদাই এক অভিনব উপায়েৰে এই সমস্যাৰ সমাধান কৰিব খুজিলে। তাই নিজকে নীলামত দি দুইজনক ডাকিব কলে। প্ৰথমে ডাকিলে মোৰেলে। তেওঁ কলে যে কেনদিদাৰ ৰক্ষাৰ কাৰণে তেওঁ দিব শক্তি আৰু সামৰ্থ, পৰিশ্ৰম দিব তাইৰ জীৱিকাৰ বাবে প্ৰতিষ্ঠা আৰু ক্ষমতা দিব তাই সন্মানৰ কাৰণে।

কবি ইউজেনে ডাকত দিলে তাৰ দুৰ্বলতা, তাৰ নিসঙ্গতা আৰু তাৰ হৃদয়ৰ প্ৰয়োজনীতা। ইউজেন আৰু মোৰেল দুয়ো অপেক্ষা কৰিলে কেনদিদাৰ সিদ্ধান্ত শুনিবলৈ। অৱশেষত তাই ৰায় দিলে মোৰেলকেই তাই পছন্দ কৰিলে। ইয়াৰ কাৰণ হ'ল মোৰেল হ'ল দুৰ্ব্বল কেনদিদাৰ সহায় নহলে তেওঁ বাচি থাকিব নোৱাৰিব। আনহাতে ইউজেনে জানে সুখ নোহোৱাকৈও কেনেকৈ বাচি থাকিব লাগে। কেনদিদাই বুজি পায় Marchbank s lonlıness and weekness are hıs strength whıle Murel s stength ıs his weakness ইউজেনে

অৱশেষত হৃদয়ত এক ৰহস্য লৈ মোৰেল আৰু কেনদিদাৰ ওচৰৰ পৰা আঁতৰি গ'ল।

এটা গুৰুত্বপূৰ্ণ বিষয় শ্বই এনেদৰে অনাটকীয়ভাৱে নাটকত উপস্থাপিত কৰিছে দুজন পুৰুষৰ মাজত এগৰাকী নাৰীৰ কাৰণে চলা প্ৰতিদ্বন্দ্বিতা, কোনো হাই কাজিয়া নোহোৱাকৈ, অতিৰঞ্জিত ঘটনা বা সহ ঘটনা (Co incident) প্ৰয়োগ নকৰাকৈ নাট্যকাৰে সাবলীলভাৱে নাটকত উপস্থাপিত কৰি নিজৰ নাট্য প্ৰতিভা প্ৰদৰ্শন কৰিছে। মোৰেল ইয়াত এজন মৰমিয়াল আৰু সৎ প্ৰকৃতিৰ স্বামী। তেওঁৰ স্বভাৱৰ নম্ৰতা আৰু সুষমা অন্য নাৰী সকলকো আকৰ্ষিত কৰে। শ্বই বিবাহ অনুষ্ঠানক সমাজবাদী দৃষ্টিভঙ্গীৰে অসুস্থ বুলি গণ্য কৰিছিল। তাৰ অসাৰ্থকতা প্ৰতিপন্ন কৰাই কেনদিদাৰ নাট্যকাৰৰ উদ্দেশ্য আছিল যদিও এজন স্বেচ্ছাচাৰী গিৰিয়েক আৰু স্ত্ৰীৰ মাজৰ সম্বন্ধৰ যোগেদি তাক প্ৰতিপন্ন কৰা নাই। তাক মূৰ্ত্ত কৰি তুলিছে এজন উৎসাহী সমাজবাদী আৰু নৈষ্ঠিক খৃষ্টান ধৰ্ম প্ৰচাৰকৰ দ্বাৰা। ইয়াৰ ফলতেই নাটকখন হৈছে কলাসম্মত আৰু নাটকখনৰ প্ৰচাৰধৰ্মী প্ৰৱণতা হৈছে অতিক্ৰিয়াশীল আৰু স্বাভাৱিক।

আনহাতে ইয়াৰ নায়িকা কেনদিদা ত্ৰিকোণীয়া প্ৰেমৰ কাহিনীৰ নাৰী যদিও তাইয়ো পাৰম্পৰ্য্য ৰক্ষা কৰা নাই। তাই সৎ কিন্তু সাধাৰণজ্ঞান আৰু অনুভূতি প্ৰৱণতাৰ দ্বাৰা পৰিচালিত নহয়। নাটকত তাইক লৈ কোনো উত্তপ্ত পৰিস্থিতি বা ঘটনাৰ সৃষ্টি হোৱা নাই। বৰ পৰিস্থিতি তাইহে নিয়ন্ত্ৰণ কৰিছে। দুইজন পুৰুষৰ মাজৰ পৰা অতি সাৱধানতাৰে তাই প্ৰয়োজনীয় পুৰুষ জনক বাচি লৈছে তাইৰ বিশ্বাসযোগ্যতা আৰু সততাক অক্ষুন্ন ৰাখি।

কেনদিদাৰ এই সাহস স্পষ্টবাদিতাৰ কাৰণেই তাই নাটকৰ মুখ্য চৰিত্ৰ হৈ পৰাৰ লগতে নাটকৰ নামকৰণো কৰা হৈছে সেই নামটোৰে Candid শব্দৰ পৰা Candida শব্দৰ সৃষ্টি। Candid-ৰ অৰ্থ হ'ল সত্যবাদিতা আৰু স্পষ্টবাদিতা। সকলোকে স্পষ্টতা আৰু সত্যৰ আশ্ৰয় লৈ প্ৰকাশ কৰাই শ্বৰ উদ্দেশ্য আছিল আৰু সেই উদ্দেশ্য Candida ৰ মাজত মূৰ্ত্ত হৈ উঠিছে। Reverend James Mavor Morell আৰু ডেকা কবি Eugene Marchbanks-ৰ প্ৰতি কেনদিদাৰ ব্যৱহাৰত এই সাহস সত্যবাদিতা আৰু স্পষ্টতাৰ সুন্দৰ বিকাশ ঘটিছে। সেইকালৰ পৰা কেনদিদা নামটো সাৰ্থক। নাটকখনৰ প্ৰথম নামটো আছিল Candida A Mystery ইয়াত প্ৰকাশিত এটা ৰহস্য হ'ল দেখাত দুৰ্বল আৰু নিৰ্ভৰশীল হলেও কবি ইউজেন শাৰীৰিকভাৱে সুস্পষ্ট আৰু আত্মপ্ৰত্যয়শীল মোৰেলতকৈ

বেচি সবল ব্যক্তি। যদিও নীলামৰ সময়ত মোৰেলে কেনদিদাৰ বাবে দিছিল নিজৰ শক্তি, সেই শক্তি আচলতে মূলাভূত হৈ আছিল তাইৰ মাজতে। নাৰী সুলভ যতন আৰু অনুৰাগ অবিহনে সেই শক্তি অসাৰ আনহাতে ডেকা কবি ইউজেনে এক আত্মিক নিসঙ্গতা আৰু আত্মনির্ভৰশীলতাৰ মাজত কটাইছে যিয়ে কেনদিদা নাইবা আনৰ মৰম আৰু তত্বাৱধান নোহোৱাকৈযে চলিব পাৰে। কিছু সময়ৰ কাৰণে কেনদিদাই প্ৰসাৰিত কৰি দিয়া মৰমৰ আবেষ্টনিৰ মাজত সি প্ৰেমৰ স্বপ্ন দেখি আকুল হৈছিল। সুখৰ আশা দেখা ইউজেনে ভাবিছিল কেনদিদাই তাৰ গভীৰ প্ৰয়োজনীয়তা পূৰণ কৰিব। কিন্তু অৱশেষত সি বুজি পালে যে পাৰিবাৰিক পৰাধীনতা আৰু আত্মসন্তুষ্টিৰ মাজত লুকাই আছে বন্ধ আৰু বিৰক্তিকৰ পৰিবেশ যত তাৰ সকলো শক্তি নিশেষ হৈ যাব। সি তাৰ আশা পৰিত্যাগ কৰি গুচি যোৱাতেই তাৰ জীৱনৰ ৰহস্য লুকাই আছে। ব্যক্তিগত সম্পৰ্কক ছেদ কৰিলে'হে সি কষ্ট, ঈৰ্ষা আৰু নিসঙ্গতাৰ পৰা মুক্তি লাভ কৰিব। কবিৰ বাবে, শিল্পীৰ বাবে ঘৰুৱা জীৱন জঞ্জাল স্বৰূপ। Man and Superman নাটকত John Tunner এ কৈছে 'The true artist will let his wife starve his children go barefoot, his mother drudge for his living at seventy sooner than wark anything of but his art ইউজেনৰ হৃদযৰ ৰহস্য নাটকখনত এইদৰেই সোমাই আছে। প্ৰায় অৰ্ধ শতিকা জুৰি এই ৰহস্য আৰু গোপনীয়তাই দৰ্শকৰ মনোযোগ আকৰ্ষণ কৰি আহিছে।

নাটকখনত বৰ বেচি চৰিত্ৰ নাই। ইয়াত প্ৰধান চৰিত্ৰ মাত্ৰ তিনিটা—মোৰেল মাৰ্চবেংকচ আৰু কেনদিদা। তিনিটা সৰু চৰিত্ৰও ইয়াত সুন্দৰভাৱে ৰূপায়িত হৈছে আৰু সেইবোৰ হ'ল বাৰ্জেছ, প্ৰজাৰপিন আৰু লেক্সি। এওঁলোকে নাটকত বিশেষ ভূমিকা পালন কৰা নাই।

নাটকৰ মূল চৰিত্ৰবোৰৰ ভিতৰত প্ৰথমে উল্লেখযোগ্য হ'ল মোৰেল। তেওঁ এজন ধৰ্মযাজক। তেওঁ দেখাত ধুনীয়া। তেওঁ সুস্বাস্থ্যৰ অধিকাৰী আৰু সেইবাবে যথেষ্ট কাৰ্য্যক্ষম। ধৰ্ম, সমাজবাদ এইবোৰ লৈয়ে তেওঁ সদায় ব্যস্ত হৈ থাকে। তেওঁ সদায় ন্যায় আৰু সাম্য বিচাৰে। আপোন মানুহো এই পথৰ পৰা পিচলি পৰিলে তেওঁ জাঙুৰ খাই উঠে। তেওঁৰ শত্ৰুৰেকৰ প্ৰতি ভাল ভাব

---

১ When this play was written its full title was **Candida: A mystery** and in his final spech Marchbanks speaks of the secret in his heart

Ward A C Introduction to Candida P 97

নোহোৱাৰ এয়াই কাৰণ আছিল। উপযুক্ত মজুৰি নিদিয়াকৈ শ্ৰমিকৰ দ্বাৰা কাম কৰোৱা কাৰণে শঙ্কৰেকে তেওঁৰ কথা শুনিব লগীয়া হৈছে —

'You paid worse wages than any other employer Starvation wages aye, worse than starvation wages to the women who made the clothing Your wages would have driven them to the street to keep body and soul together

সমাজ আৰু ব্যক্তিক সুধৰাবলৈ তেওঁৰ নিৰন্তৰ চেষ্টা। বিভিন্ন সভাই সমিতিয়ে এইবোৰ কথাকে কোৱাৰ উপৰিও প্ৰতি ৰবিবাৰে গীৰ্জাতো তেওঁ এই বিষয়ৰে ভাষণ দিয়ে। তেওঁৰ হৃদয়খনো অত্যন্ত সৰল। মাৰ্চবেংকচক তেওঁৰ ঘৰলৈ লৈ আহিছিল বাস্তৱ ওপৰত শুই থকা অৱস্থাৰ পৰা। ঘৰুৱা জীৱনতো তেও অত্যন্ত সুখী আৰু সেয়ে সুবিধা পালেই তেওঁ ঘৰুৱা জীৱনৰ সুখৰ কথা ব্যক্ত কৰি অইনকো বিয়া বাৰু কৰাই সংসাৰ সোনকালে পাতিবলৈ উপদেশ দিয়ে। নাটকৰ প্ৰথম দৃশ্যতে মোৰেলে লেক্সিক কৈছে—

Ah my boy, get married Married to a good woman and then you ll understand Thats a foretaste of what will be best in the kingdom of Heaven we are trying to establish on earth

লগতে তেওঁৰ নিজৰ স্ত্ৰী কেনদিদাৰ কথা উল্লেখ কৰি কৈছে

get a wife like my Candida and you ll always be in arrears with your repayment

কেনদিদা মোৰেলৰ বাবে যে সৰ্বস্ব সেয়া নাটকত ক্ৰমে স্পষ্টতৰ হৈ ধৰে। কেনদিদাৰ দ্বাৰেই তেওঁ এক নিশ্চিন্ত পাৰিবাৰিক জীৱনৰ আৰাম অনুভৱ কৰে। তেওঁৰ বৌদ্ধিক প্ৰতিভা, আত্মবল আৰু দৃঢ়তা এই সকলোবোৰ যে সৰ্বসাৰ শূন্য তাকেই কেনদিদাই প্ৰকাশ কৰি দি তেওঁৰ চৰিত্ৰৰ প্ৰকৃত স্বৰূপ উদঙাই দিছে। মোৰেলেও এই কথা স্বীকাৰ কৰিছে যে জীৱনত তেওঁৰ সকলো কৃতকাৰ্য্যতাৰ মূলত আছে পত্নী কেনদিদাৰ আকুণ্ঠ সহায় আৰু প্ৰেৰণা

"What I am you have made me with the labor of your hands and the love of your heart You are my wife, my mother, my sister You are the sum of all loving Care to me

আন এটি চৰিত্ৰ মাৰ্চবেংকচ হ'ল এজন ৰোমাণ্টিক কবি। তাৰ পাৰিবাৰিক জীৱনৰ বিষয়ে বৰ বিশেষ ভূ পোৱা নেযায় কেৱল জনা যায় যে বাহৰ ওপৰত শুই থকা অৱস্থাত পাই এই ভাল ঘৰৰ ল'ৰাজনক মোৰেলে নিজ ঘৰলৈ লৈ আহিছিল। ল ৰা জন লাজকুৰীয়া অলপ নাৰী সুলভ আৰু মাতটো সৰু ল'ৰাৰ দৰে। ব্যৱহাৰিক জ্ঞানৰ পৰিবৰ্ত্তে তাৰ আছে কেৱল ৰোমাণ্টিক উচ্ছ্বাস। সি যেন এক স্বস্তিহীন জীৱন যাপন কৰি আছে।

কেনদিদাক ইউজেনে ভাল পায় আৰু সি তাইক ঘৰুৱা এই কাম কাজৰ গেবাৰি থটাৰ পৰা মুক্ত কৰিব বিচাৰে। কেনদিদাৰ স্বামী মোৰেলক সি স্পষ্ট ভাবেই কৈ দিয়ে যে সি কেনদিদাক ভাল পায়। লগতে ঘৈণীয়েকক মোৰেলে শোষণ কৰা বুলিও অভিযোগ কৰে। এনে এজন মানুহৰ মাজত কেনদিদাই একো নোপাৱাতো স্বাভাৱিক।

A woman with a great soul, craving for reality truth freedom, and being fed on metaphors, permons stale perora tions mere rhetoric Do you think a womans soal Can live on your talent for preaching

এনেদৰে ইউজেনে মোৰেলৰ ভাৱধাৰাৰ বিৰুদ্ধে মা\ মাতি নিজৰ শক্তি আৰু সাহসৰ চিনাকী দিছে। সেয়ে কেনদিদাই নীলামৰ সময়তে মাৰ্চবেংকচৰ শক্তিৰ কথা নিজ মুখেৰে স্বীকাৰ কৰি কৈছে যে তাৰ নিসঙ্গতাই তাৰ শক্তি আৰু সি জানে সুখ নোহোৱাকৈও কেনেকৈ বাচি থাকিব লাগে।

how miserable you were at Eton how your father is trying to starve you into returning to onford : how you have had to live without comfort or welcome or refuge always lonely, and nearly always disliked and misunderstood, Poor boy

কেনদিদাই তাক গ্ৰহণ নকৰিলেও কেনদিদাৰ প্ৰেমক সুৰ বিয়ে সি তাইৰ ঘৰ এৰিছে তাৰ সকলো সুখ সমৰ্পণ কৰি কেনদিদাক আৰু কেনদিদাৰ হৃদয় পৰিতৃপ্ত কৰা মোৰেলক। মোৰেলৰ ভাবধাৰাক সি বেয়া পাইছিল যদিও একমাত্ৰ কেনদিদাৰ কাৰণেই সি তাৰ মৰম এইবাৰ সমৰ্পণ কৰিছে মোৰেলকো।

I give you my happiness with both hands I love you because you have filled the heart of the woman I loved Good bye

শ্ব নাটকত নাৰী চৰিত্ৰবোৰে যথেষ্ট সবল ভূমিকা পালন কৰে। এই নাটকতো কেনদিদা এগৰাকী সবল দৃঢ় মনা নাৰী। তাই New Women ৰ প্ৰতিনিধি। শ্বই নাৰী পুৰুষৰ সম আধিকাৰৰ কথা সজোৰে ঘোষণা কৰিছিল আৰু তেওঁৰ প্ৰায়বোৰ নাৰী চৰিত্ৰই এই নব্য নাৰীৰ আদৰ্শৰ দ্বাৰা পৰিপুষ্ট। এই ধৰণৰ নাৰীবোৰ সাধাৰণতে স্বাধীনচেতা, আত্মবিশ্বাসী নৈতিকভাৱে সাহসী আৰু আবেগক তেওঁলোকে নিয়ন্ত্ৰণ কৰিব পাৰে। অৱশ্যে সেই সময়ৰ প্ৰায়ভাগ New Woman বা নব্য নাৰীয়ে বিয়াৰ পৰিবৰ্তে ব্যৱসায় আৰু চাকৰি কৰাৰ পক্ষপাতী আছিল। শ্বই কিন্তু সেই আদৰ্শৰ বিপৰীতে বিয়া হোৱা আৰু মাতৃত্ব অৰ্জনক নাৰীৰ প্ৰকৃত দায়িত্ব বুলি প্ৰতিপন্ন কৰিব খুজিছিল। Man and Superman নাটকত তেওঁ এইটো দেখুৱাব বিচাৰিছে যে মানুহক গ্ৰহণ কৰা হৈছে অতিমানৱলৈ ৰূপান্তৰিত কৰাৰ এক দৈৱিক প্ৰেৰণাৰে। এই উদ্দেশ্য সাধনত নাৰীয়ে প্ৰধান ভূমিকা লব লাগিব যিহেতু তেওঁৰ যোগেদিহে সন্তৱপৰ হ ব এক উচ্চতৰ মানৱ সৃষ্টি। সাধাৰণতে দেখা যায় যে পুৰুষে নাৰীৰ জীৱন সঙ্গিনী হিচাপে বাচি লয় কিন্তু শ্বৰ নাটকৰ নাৰীবোৰহে উপযুক্ত পুৰুষ সঙ্গী বিচাৰে যিয়ে উচ্চ পৰ্য্যায়ৰ সন্তান জন্ম দিব পাৰে। তিৰোতাবোৰে অসতৰ্কভাৱে নিয়ন্ত্ৰিত হোৱা এই চেতনাটোৱে হ'ল Life bora বা জীৱনী শক্তিৰ প্ৰেৰণা। সেয়ে শ্বৰ নাটকৰ নাৰীবোৰ অনুভূতি প্ৰৱণতাৰ পৰিবৰ্তে সজ্ঞান বাস্তববোধ সম্পন্না নাৰী। কেনদিদা নাটকত কেনদিদাৰ এক উচ্চতৰ মানৱ অন্বেষণৰ স্পৃহা যেন Eugene ৰ নামৰ মাজত লুকাই আছে। Condida ৰ পৰা Condida নামটো সৃষ্টি হোৱাৰ দৰে Eugenie শব্দৰ পৰা ই হয়তো ইউজেন নামটো তেওঁ সৃষ্টি কৰিছিল।[২]

কেনদিদাই নিজ যত্নেৰে সংসাৰখন আটোম টোকাৰিকৈ ৰাখিছে। তাই মোৰেলৰ অবিচাৰৰ কথা জনাৰ পাছতো নিজ কৰ্ত্তব্য সুচাৰুৰূপে পালন কৰি নিজৰ কৰ্মশীলতাৰ নমুনা দেখুৱাইছে। স্বামীৰ প্ৰতি তাইৰ ব্যৱহাৰ কেতিয়াও অমাৰ্জিত নহয় আৰু কোনোবাই অমাৰ্জিত ব্যৱহাৰ কৰাটোও তেও সহ্য কৰিব নোৱাৰে। সেয়ে মোৰেলক ইউজেনে বেয়া ব্যৱহাৰ কৰাত তাইৰ তাৰ ওপৰত খং উঠিছে। মোৰেলে যেতিয়া তাইৰ সমুখতে মাৰ্চবেংকে তাইক ভাল পোৱাৰ

২ Eugenic শব্দৰ অৰ্থ হ'ল of the Production of fine off spring by ·unprovement of inherited qualities

কথা কৈছে তাকো তাই সংযতভাৱে চলাইছে আৰু মোৰেল আৰু মাৰ্চবেংকৰ প্ৰেমৰ প্ৰতিদ্বন্দ্বিতাৰ এক সুন্দৰ সমাধান উলিয়াইছে এনেদৰে।

I mean that and a good deal mome Master Eugene as you will both find out Presently, And, Pray, any Lords and masters, what have you to offer for my choice ? I am up for auction, it seems what do you lrd James ?

এনেদৰে এক চিৰকলীয়া ত্ৰিকোণীয় প্ৰেমৰ কাহিনীলৈ এক অগতানুগতিক পৰিণতি আনিছে কেনদিদাই নিজৰ বিচাৰ বুদ্ধিৰ বিচক্ষণতাৰে। লগতে ইউজেনক বাস্তৱবোধ সম্পন্ন হবলৈ এটা কবিতা ৰচিবলৈ প্ৰেৰণা দিছে যিটো কবিতাৰ সাৰমৰ্ম হ'ব বয়সৰ সামঞ্জস্যতা আৰু পাৰিবাৰিক জীৱনৰ চৰ্ত।

Candida When I am thirty she will be forty five, when I am sixty she will be a seventy five

অৰ্থাৎ ইউজেনৰ যেতিয়া ত্ৰিশ বছৰ কেনদিদাৰ হব পঞ্চল্লিশ বছৰ আৰু তাৰ যেতিয়া ষঠি বছৰ হ'ব তাইৰ বছৰ পয়সত্তৰ বছৰ বয়স। গতিকে এই ৰোমান্টিক উন্মাদ তেওঁলোকৰ মিলন কিমান দিন যাউতি যুগীয়া কৰি ৰাখিব তাক ভাবৰ লগা কথা।

কেনদিদাই বাস্তৱ চিন্তা আৰু নতুন ধ্যান ধাৰণাৰে ইংৰাজী নাট্য সাহিত্যলৈ এক নতুনত্ব কঢ়িয়াই আনিলে।

উদ্ভট নাটক। নাট্যকাৰ আৰু
ওৱেটিং ফৰ গোদো

দ্বিতীয় মহাযুদ্ধই জীৱন আৰু জগত সম্পৰ্কে আমাৰ মনত যি এক অভিনৱ দৃষ্টিভঙ্গীৰ জন্ম দিলে তাৰ ফলশ্ৰুতিত সাহিত্যৰ সকলো দিশতে এক নতুনত্ব গঢ় লৈ উঠিল। মানুহৰ এই নব্য জীৱন বীক্ষা নাট্য সাহিত্যয়ো বহন কৰিলে। নাট্যকাৰ সকলে মানুহৰ এক নৱ মূল্যায়নৰ চেষ্টা কৰিলে তেওঁলোকৰ নাটক সমূহত। অকাৰণ ধ্বংস আৰু মৃত্যুৰ বিভীষিকাই তেওঁলোকক সকিয়াই দিলে মানুহে গ্ৰহণ কৰিব লগা এক নতুন ভূমিকাৰ কথা। মানুহ এতিয়া সামাজিক প্ৰাণীয়ে নহয় লি এখন এনে বিশ্বৰ অধিবাসী যাৰ অৰ্থ আৰু গঠন দ্ৰুততৰ ৰূপে ভাঙি পৰিছে।

মহৎ জীৱনৰ পতন, মানবিক মূল্য বোধৰ অৱক্ষয় মানুহৰ ওপৰত ক্ষমতা-লিপ্সু মানুহৰ দানবীয় পীড়ন, পাৰমানবিক অস্ত্ৰৰ সন্মুখত প্ৰতি মূহূৰ্তে ধ্বংসৰ ক্ষণগণি থকা পৃথিৱীৰ ভয়াবহ আৰু বিপদসকুল পৰিস্থিতি, এইবোৰৰ পৰাই উৎসাৰিত হৈছে উদ্ভট চিন্তা। অস্তিত্বৰ অসাৰতাৰ বেদনা সৰ্বশূন্যতা আৰু আত্মপ্ৰতাৰণাৰ মাজত মানুহে নিজকে আবিষ্কাৰ কৰি নিজৰ ওচৰতে অপৰিচিত হৈছে, এইবোৰেই জীৱনক নিৰৰ্থক উদ্ভট প্ৰহসনৰূপে প্ৰতীয়মান কৰাইছে আৰু ইয়াৰ পটভূমিতেই আধুনিক নাটকে স্পষ্ট কৰি তুলিছে মানবীয় অস্তিত্বৰ স্বৰূপ।

এই ধৰণৰ প্ৰায়বোৰ নাটকতে দেখা যায় নিৰৰ্থক অস্তিত্বৰ যন্ত্ৰণা হতাশা আৰু নিৰাশাৰ লীলাখেলা। এই পৃথিৱীত আশা কৰিবলগীয়া একো নাই, কাকো ভৰসা কৰিবলগীয়া নাই। গোটেই বিশ্বজগত এক যুক্তিহীন পৰিচালনা শক্তিৰে পৰিচালিত। এই পৃথিৱীত মানুহৰ মূল্য অস্বীকৃত। বিচ্ছিন্নতাৰ চেতনাই মানুহক কৰিছে নিসঙ্গ। মানুহে সৰ্বত্ৰতে দেখিবলৈ পায় এক অবোধ মায়াময় অসাৰতা। উদ্ভট নাটক সম্পৰ্কে তত্ত্বসমৃদ্ধ আলোচনা আগবঢোৱা Martin Esslin-এ বৰ্তমানৰ এই মানবীয় পৰিস্থিতিয়ে কেনেকৈ এই ধৰনৰ নাট লিখিবলৈ প্ৰেৰণা যোগাইছে সেই প্ৰসঙ্গতে এই কথাখিনি কৈছে—

Suddenly man sees himself faced with a universe that is both fritening and illogical in a word absured. All assurance of hopes all explanation of ultimate meaning have

suddenly been unmasked as nonsensical illusions, empty Chatters

আমি যে এক বৈপৰীত্য বৈষম্য আৰু প্ৰহসনৰ মাজত বাস কৰো তাকেই উদ্ভট নাটকে প্ৰতিফলিত কৰি দেখুৱাব খোজে। এই নাটকৰ নাট্যকাৰ সকলৰ মতে আমাৰ অৱস্থিতি উদ্ভটপূৰ্ণ কাৰণ আমি জন্মিব নোখোজাকৈ জন্মিছো আৰু মৃত্যুকো বৰণ কৰিব লগা হয় আমাৰ ইচ্ছাৰ বিৰুদ্ধে। আমি এই পৃথিবীত জীয়াই থাকো জন্ম আৰু মৃত্যু, আমাৰ শাৰীৰিক দেহ আৰু যুক্তিৰ জালত আবদ্ধ হৈ। আমি কালৰ ধাৰণা কৰিবলৈয়ো অপাৰগ। আমি যি সময়ত নাছিলো আৰু যি সময়ত আমি নেথাকিম সেই সময়ৰ ধাৰণা আমাৰ ক্ষমতাৰ অতীত। এনে এক সৰ্বশূন্যতাত (Nothingness) আমি বিচৰণ কৰো যি অসীমতাৰ (Infinity) ধাৰণাৰ দৰে। আমি এনে কিছুমান ধাৰণা কৰো যিবোৰৰ বিষয়ে আমি অনভিজ্ঞ। অনুভূতি, যুক্তি সজ্জিত হৈ আমি নিজকে সক্ষম ব্যক্তি বুলি ভাবো কিন্তু আমাৰ ভাব অনুভূতিয়ে আমাৰ চিন্তাক ফাঁকি দিয়ে আৰু চিন্তাই অনুভূতিক অস্বীকাৰ কৰে। আমি সম্পূৰ্ণভাবে একো ধাৰণা কৰিব নোৱাৰো। কোনো ঘটনা বস্তু বা পৰিস্থিতি যি সম্পূৰ্ণভাৱে আমাৰ নিজৰ, তাৰো এটা ফালহে আমি দেখিবলৈ পাওঁ। আমি প্ৰতিষ্ঠা, ক্ষমতা, স্থায়িত্ব লাভৰ কাৰণে চেষ্টা কৰো কিন্তু পৰিণতিত আমি দেখিবলৈ পাওঁ যে আমাৰ মূল্যায়নবোৰ ঠিক নহয়। আমি সৃষ্টি কৰো, সেই সৃষ্টিৰ সৈতে জীৱনৰ অৰ্থ, জীৱনৰ স্থায়িত্ব একাত্ম কৰাৰ কাৰণে, কিন্তু সৃষ্টিৰ পাছতে ই আমাৰ পৰা সম্পূৰ্ণ স্বকীয়া বস্তু হৈ যায় আৰু তাৰ সৈতে আমাৰ একাত্ম সাধন নহয়। আমাৰ সৃষ্টিও এদিন ধ্বংস হৈ যায় যেনেকৈ আমি হেৰাই যাওঁ মৃত্যুৰ গ্ৰাসত। এনে এক জীৱন ধাৰাত আমি যিমানে জীৱনৰ সূত্ৰ, স্থায়িত্ব আৰু প্ৰতিপত্তি বিচাৰো তিমানেই আমি হৈ পৰো উদ্ভট। আমি আমাৰ জীৱনক কোনো পধ্যেই বুজিব নোৱাৰো। হতাশাগ্ৰস্থ হৈ যদি আমি আত্মহত্যা কৰিব খোজো তেনেহলেও আমি এক অসাম্ভৱা পৰিস্থিতিৰ সম্মুখীন হওঁ যত ক্ষমতা আৰু স্থায়িত্বৰ এক সপোনৰ বাবে আমি জীৱনক উ সৰ্গ কৰিব লগা হয়। আনহাতে আমি যদি নিৰাশাত ধৰ্মৰ ফালে গতি কৰো বা মায়াময় কোনো সত্বাৰ আশ্ৰয় লওঁ তেতিয়া হলেও আমাৰ ধাৰণাৰ প্ৰশস্ত পথ যুক্তিক আমি উপেক্ষা অথবা প্ৰতাৰণা কৰো। আকৌ যদি ইন্দ্ৰিয়গ্ৰাহ্য অথবা আধ্যাত্মিক উল্লাসত শক্তি ক্ষমতা আৰু স্থায়িত্বৰ সতে একীভূত হোৱা যেন অনুভৱ কৰো তেতিয়াও ইয়াক আমি মায়াময় বুলি স্বীকাৰ কৰিবলৈ বাধ্য হওঁ আৰু ক্ষমতা

স্থায়িত্ব আৰু জীৱনৰ অৰ্থক যুক্তিক বিসৰ্জন দি পোৱা বুলি অনুমান কৰিব পাৰো। যদি সম্পূৰ্ণ যোগ্যতাৰে কাম কৰাটো কোনো বস্তুক সম্পূৰ্ণভাবে চোৱা বা ধাৰণা কৰাটো আৰু কোনো স্থিৰ নিদ্ধাৰিত সৃষ্টি সম্ভৱ কৰাতো সম্পূৰ্ণ অসম্ভৱ হয় আৰু কাম নকাৰকৈও আমি থাকিব নোৱাৰো এইয়া এক বিসঙ্গতি স্বৰূপ আৰু ইয়াক কুৰি শতিকাৰ মানুহে উদ্ভট (Absurd) আখ্যা দিছে। এনে পৰিস্থিতিকে Aristotle এ কৈছিল অজ্ঞতা বুলি।[১] এনেদৰে উদ্ভট নাটকে ফুটাই তোলে মানুহৰ জ্ঞান আৰু অজ্ঞতা, ক্ষমতা আৰু অক্ষমতা, সমন্বয় আৰু বিচ্ছিন্নতাৰ বৈপৰীত্যময় অৱস্থিতি। এই নাটকত কোনো সমস্যাৰ উপস্থাপন, বিশ্লেষণ বা সমাধান সূত্ৰ নাই। পাত্ৰ পাত্ৰীবোৰো সচৰাচৰ চিনাকী মানুহৰ দৰে নহয়। তেওঁলোক উদ্দেশ্যহীন অসংলগ্ন কথা বতৰা আৰু আচাৰ ব্যৱহাৰেৰে আমাৰ ওচৰত হৈ পৰে অচিনাকী মানুহৰ দৰে। তেওঁলোকৰ অন্তৰ বাহিৰৰ পৰস্পৰ বিৰোধী কথা আৰু কাৰ্য্য আমাৰ বোধৰ অতীত হৈ পৰে।

এই নাটকৰ কলা কৌশলবোৰো সম্পূৰ্ণ ভাবে নাটকীয় পাৰম্পৰ্য্যৰ পৰা ফালৰি কটা। এইবোৰত সাধাৰণতে নাটকীয়ত্ব অনুপস্থিত। নাটকৰ প্ৰথম আৰু শেষ দৃশ্যৰ মাজতো কোনো ৰূপান্তৰ ঘটা দেখিবলৈ পোৱা নাযায়। নাটকীয় চৰম মুহূৰ্ত বুলিও একো কথা নাই।

মিশ্ৰ অনুভূতি সৃষ্টিৰ কাৰণে তেওঁলোকে প্ৰহসন আৰু ট্ৰেজেডিৰ পৰম্পৰাগত পাৰ্থক্য অস্বীকাৰ কৰি দুয়োকে সংমিশ্ৰিত কৰে। আচলতে দেখাত পাৰ্থক্য থাকিলেও প্ৰহসনৰ বিষয়বস্তু ট্ৰেজেডিৰ সমগোত্ৰীয়। প্ৰহসনো হ'ল ট্ৰেজেডিৰ লেখিয়াকৈ মানবীয় অসাম্ভব্য, অজ্ঞতা আৰু অক্ষমতাৰ ভয়ানক অথবা হাস্যকৰ আবিষ্কাৰ। দুইবিধ নাটকৰ মাজৰ বৈসাদৃশ্য মাত্ৰ এইখিনিতে যে প্ৰহসনে হাঁহিৰ উদ্ৰেক কৰে ট্ৰেজেডিয়ে চকুপানী টোকায়। ট্ৰেজেডিয়ে সহানুভূতি জাগ্ৰত কৰে, আনহাতে প্ৰহসনে সহানুভূতিক অপসাৰিত কৰে আৰু নিঠুৰতাক উন্মুক্ত কৰি দিয়ে। সেয়ে বোধহয় উদ্ভট নাট্যকাৰ সকলে দুই নাটকীয় ধাৰাৰ মাজত

---

১ It is the same state I being that Aristotle labelled as ignorance It is this complex of self defeating paradoxes this even check and balance of power and impotence knowledge and ignorance attunement and alienation that is the subject of the absurdist play wrights of all ages no matter what form or style they may have chosen to express it

Oliver William : Between absurdity and the play wrights in Modern Drama Ed by himself p 4

নাট্যকৰ্মৰ মাজেদি আৰু তেওঁলোক হ'ল চাৰ্ত কেমু আৰু বেকেট।[৪] প্ৰথম দুজনে নৈৰ্ব্যক্তিক বাস্তৱতাক এনেদৰে প্ৰতিনিধিত্ব কৰিছে যাতে তাৰ মাজেদি আমাৰ জীৱনৰ অসম্ভাব্যতা প্ৰতিফলিত হয়। আমাৰ জীৱনত যি ঘটে তাৰ প্ৰতি অজ্ঞতা আৰু আমাৰ মাজৰ এক কাৰ্য্যপ্ৰণালী যিয়ে বিশৃংখল ধাৰণাৰ জন্ম দি স্বাধীনতাৰ পথ উন্মুক্ত কৰে তাৰ প্ৰতি চাৰ্তে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আনহাতে কেমুৱে এই অজ্ঞানতাৰ সন্মুখত নৈতিক প্ৰতিবোধৰ ওপৰত জোৰ দিছে। আৰু বেকেটৰ বাবে উদ্ভটেই হ'ল তেওঁৰ নাটকৰ গঠনভঙ্গীৰ অঙ্গ স্বৰূপ। যদিও কেমুৱে প্ৰথম উদ্ভটৰ (absurd) ব্যাখ্যা কৰিছে মানৱীয অৱস্থিতিক বুজাবৰ বাবে এই উদ্ভট নাট্যকাৰ সকলৰ উদ্ভটৰ ধাৰণা যে স্বকীয়া তাক ব্যাখ্যা কৰি Arnold A Weinstien আৰু Stephen Greco ই কৈছে—

The play wright s Sense is being is his subject matter and it is this projection of the author s inner world that determines the theatre of the absurd s non realistic form and that essentially seperate absurd drama from existantial drama[৫]

উদ্ভট বা অসাম্ভব্যৰ গুৰি ইউৰিপিদিচ বা এৰিষ্টোফেনিচৰ নাটকতো পোৱা যায় যদিও ই সম্পূৰ্ণভাবে আধুনিক যুগৰ সৃষ্টি। উনৈশ শতিকাৰ ফৰাচী নাট্যকাৰ আৰু কবি Alfred Jurry ক এই উদ্ভট নাটকৰ পিতৃস্বৰূপ জ্ঞান কৰা হয়। উনৈশ শতিকাৰ আগভাগৰ জাৰ্মান নাট্যকাৰ George Buchner ৰ নাটকবোৰতো উদ্ভটৰ উপাদান পোৱা যায়। ইয়াৰ উপৰিও এই ধৰণৰ নাটকৰ বিভিন্ন উপাদান-সমূহ আহিছে প্ৰাচীন মূকাভিনয়, চাৰ্কাচ, ফিউচাৰিজিমৰ, চুৰৰিয়েলিজিমৰ প্ৰভাৱ, কথাছবি আদিৰ পৰা। প্ৰখ্যাত নাট্যকাৰ Anton Chekhav Luigi Pirandello, Franz Kafka, Bertolt Brecht, Antonin Artand আদি নাট্যকাৰে উদ্ভট নাটকৰ লক্ষণ বিশিষ্ট নাটকৰ পূৰ্বাভাস স্পষ্ট কৰি তোলে।

---

৪ The absurd has been brought to the stage mainly through the works of three modern dramatists Sartre Camus and Backett

Melchinger Sieqfried (Ed) The Concise Encylopedia of modern Drama

৫ Garner John & Quinn Edward (Ed)
The Encylopedia of world drama P 843

উদ্ভট নাট্যকাৰ সকল ঃ

চেমুৱেল বেকেট (১৯ ৬) উদ্ভট নাটকৰ নাট্যকাৰ সকলৰ ভিতৰত প্ৰথমে উল্লেখনীয় হ'ল চেমুৱেল বেকেট। ১৯ ৬ চনত ডাবলিন চহৰত তেওঁৰ জন্ম হয়। জন্মসূত্ৰে তেওঁ আছিল এজন আইৰিচ কিন্তু ফৰাচী লিখক হিচাপেই তেওঁ জনপ্ৰিয় আৰু প্ৰতিষ্ঠিত হয়। প্ৰস্তৰ ৰচনা পঢ়ি তেও ফৰাচী ভাষাৰ প্ৰতি বিশেষ আকৃষ্ট হৈ পৰে। আৰু সেই ভাষাতে সাহিত্য সাধনাত নিবিষ্ট হয়। প্ৰস্তৰ লগতে জেমচ জয়েচৰ লগতো তেওঁৰ বিশেষ সম্বন্ধ ঘটিছিল। তেওঁ কিছুকাল জয়েচৰ ব্যক্তিগত সচিব হিচাপেও কাম কৰিছিল। জয়েচৰ সক্ৰিয় সহযোগত তেওঁ সাহিত্য সাধনাত মনপুতি লাগে। বেকেটে প্ৰথমে উপন্যাস ৰচনাত হাত দিয়ে আৰু Malloy, Malone Dies আৰু The unnamble (ত্ৰিলোজি) Marphy, Watt আদি উপন্যাস ৰচনা কৰে। কবি হিচাপেও Grome আৰু Cascando আদি কাব্য গ্ৰন্থত নিজৰ প্ৰতিভাৰ স্বাক্ষৰ এৰি যায়।

নাট্য ৰচনাৰ যোগেদি বেকেটে বিশ্বজোৰা খ্যাতি অৰ্জন কৰিবলৈ সমৰ্থ হয় আৰু এই সৃষ্টিৰ কাৰণেই তেওঁ নবেল বটা লাভ কৰে। ১৯৫৩ চনত প্ৰকাশিত হয় তেওঁৰ প্ৰখ্যাত নাটক En Attendant Godot (waiting for Godot) ইয়াৰ পাছত Endgame (১৯৫৮), Krapp s Last Tape (১৯৫৮) Happy day Play আদি নাটক ৰচনা কৰে।

ওৱেটি ফৰ গোদোত নাট্যকাৰে মানুহৰ বিচ্ছিন্নতাকেই প্ৰতিফলিত কৰি দেখুৱাইছে দুজন যাযাবৰ বন্ধুৱে এজোপা গছৰ কাষত গোদোৰ কাৰণে অপেক্ষা কৰি থকা দৃশ্যৰে। তেওলোকৰ কাৰ্য, চিন্তা উদ্ভট আৰু শৃঙ্খলাহীন তেওঁলোকৰ কাৰ্য্যপ্ৰণালী। তেওঁলোকে অপেক্ষা কৰি থকা ঠাইৰ ওচৰৰ গছদালত প্ৰথম আৰু দ্বিতীয় দিনৰ ভিতৰত পতা মেলা কথাৰ যোগেদি অৱশ্যে সাম্ভব্য শৃঙ্খলাবদ্ধতাৰ ব্যঞ্জনা নাট্যকাৰে দাঙি ধৰিছে।

নাটকখনত মূল চৰিত্ৰ চাৰিটা দুই যাযাবৰ বন্ধু আৰু এহাল প্ৰভু ভৃত্য। এই আটাইবোৰ চৰিত্ৰ চাৰ্লিচৰ বহুৰাৰ দৰে। তেওঁলোকে কোনো আশা ইচ্ছা আৰু মনস্তাত্বিক প্ৰেৰণা বিহীনভাবে কাম কৰি গৈছে। তেওঁলোকে কি কৰি আছে কাৰ কাৰণে বৈ আছে অনাগত ভবিষ্যত আৰু গত অতীত সম্পৰ্কে তেওঁলোক যেন অজ্ঞ।

নাটকত বিচ্ছিন্নতাবোধ আৰু বাস্তবৰ নিমূল সাধন প্ৰক্ৰিয়া স্পষ্ট কৰি তোলা

নাটকৰ নায়িকা হ'ল নাট্যকাৰৰ পত্নী। তেওঁ টেলিফোন অপাৰেটৰৰ কাম কৰে। অজস্ৰ মানুহক কথা বতৰা পতাৰ সুযোগ কৰি দিয়া এই নাৰী গৰাকীয়ে কিন্তু নিজৰ স্বামীৰ লগত বুজাপৰাৰ এটা সুত্ৰ উলিয়াব পৰা নাই। সুদীৰ্ঘ পোন্ধৰ বছৰ এনেদৰেই কাটি গৈছে। সম্প্ৰতি তেওঁলোকে তেওঁলোকৰ ফ্লেটত এটা মৃতদেহৰ অৱস্থিতি অনুভৱ কৰিবলৈ আৰম্ভ কৰিছে। সেই মৃতদেহটো লাহে লাহে বাঢ়িগৈ গোটেই ফ্লেটটো জুৰি পৰিল আৰু বেৰভাঙি সেই দেহটো বাহিৰলৈ ওলাই যোৱাৰ উপক্ৰম হ'ল। অৱশেষত স্বামী আৰু স্ত্ৰীয়ে বিৰাট মৃতদেহ'টো নৈৰ পাৰলৈ লৈ যোৱাৰ সময়তে ধীৰে ধীৰে মৃতদেহটোৰ লগত শূন্যত মিলি গল।

অধিকাংশ দাম্পত্য জীৱনেই যে যান্ত্ৰিক সহঅৱস্থান মাত্ৰ তাকেই নাটকখনত দাঙি ধৰা হৈছে। এই নাটকৰ মৃতদেহটো মৃত প্ৰেমৰ প্ৰতীক। এই মৃত প্ৰেমে প্ৰতি মূহুৰ্ততে তেওঁলোকৰ ব্যৰ্থতাৰ কথা সোঁৱৰাই দি থাকে। দীৰ্ঘদিনৰ দুখৰ বোজা মৃতপ্ৰেমিক জোৰ কৰি দুৰ কৰিলেও দুয়োৰে মাজত থকা সম্পৰ্কখিনি আকৌ নষ্ট হৈ যায়—এই ভাবকেই নাটকৰ শেষৰ পিনে স্পষ্ট কৰি তোলা হৈছে।

ইয়োনেস্কোৰে৷ বিচ্ছিন্নতা বোধকে তেওঁৰ নাটকত স্পষ্ট কৰি তুলিছে। মানুহ সম্পৰ্কে তেওঁৰ ধাৰণা হ'ল Man cut off from his religions Metaphysical and transcendental roots সেয়েহে আমাৰ ভাব হয় বিশ্বজগত যেন স্বপ্নময়, আমি যেন এক অজান সোতত ভাহি গৈ আছো। এক বিলীয়মান চেতনাই (sense of evanescene) আমাক যন্ত্ৰণা দিয়ে। পৃথিবীখন ক্ৰমে যন্ত্ৰণাময় হৈ পৰে। আমাৰ আৰু জগতৰ মাজত এক বাধাৰ প্ৰাচীৰ। এই প্ৰাচীৰ জড় বস্তুৰ ইয়ে আমাৰ মুক্তি হৰণ কৰে। দিগন্ত ৰেখাই যেন আমাক আৱৰি ধৰে আৰু অস্তিত্বক ভাব হয় এক বন্ধ কাৰাগাৰ স্বৰূপ।

ইয়োনেস্কোই তেওঁৰ নাটকবোৰক Comic drama নাহবা Tragic farces বুলি কৈছে। তেওঁ নাটকবোৰত Tragedy আৰু প্ৰহসনৰ (Farce) উপাদানবোৰ মিহলাই পেলোৱা নাই। ইয়োনেস্কোৰ নাটকত ই একেলগে সহৱস্থানকৰে আৰু ইটো আনটোৰ সমালোচনা স্বৰূপ হৈ থাকে।[৬]

আৰ্থাৰ আদামভ (১৯ ৮) আন এজন উল্লেখযোগ্য ফৰাচী নাট্যকাৰ হ'ল আৰ্থাৰ আদামভ। তেওঁৰ প্ৰথম নাটক হ'ল La Parodic (The

৬ For Ionesco they coexisted and each stand as a criticism of other
Fowlie wallance : The Reader Encyclopedia of world Drama.

Parody) মানুহৰ নিসঙ্গতাকেই তেওঁ নাটকত ৰূপায়িত কৰি তুলিছে। এই নিসঙ্গতাবোধ গভীৰতৰ হৈছে মানুহে যোগাযোগ বা বিনিময় ক্ষমতা ৰহিত হোৱা বাবে। আদামভৰ মতে মানুহৰ জীৱনৰ দুখ হ'ল এই জীৱন আৰু জগতৰ অৰ্থ সি সহজে বিচাৰি নেপায়। জীৱনৰ অৰ্থ বিচাৰি ফুৰাটোৱেই এক Parody স্বৰূপ। অজানাৰ সন্মুখত নিসঙ্গ শূন্যতা অনুভৱ কৰাটো আৰু মানুহৰ সন্মুখত তাৰ কৰুণ অৱস্থিতিয়ে হ'ল মানুহৰ জীৱনৰ প্ৰকৃত ট্ৰেজেডি। এই ভাবকেই তেওঁ The Parody নাটকত ব্যক্ত কৰিছে।

তেওঁৰ আন এখন নাটক হ'ল Paolo Paoli। নাটকখনত তেওঁ ১৯ ৰ পৰা ১৯১৪ চনলৈ প্ৰত্যক্ষ কৰা ফৰাচী জন মানসৰ আত্মম্ভৰিতা আৰু স কীৰ্ণতাৰ চিত্ৰ দাঙি ধৰিছে। এই নাটকখনৰ পৰাই লাহে লাহে ৰাজনৈতিক চিন্তা তেওঁৰ নাটত প্ৰবেশ কৰিলেও তেওঁ মুখ্য ভাবে উদ্ভট চিন্তা আৰু চুৰাৰিয়েলিজিমৰ প্ৰয়োগেৰে নাটকক অভিনৱ ৰূপ দান কৰাৰ কাৰণেহে উল্লেখযোগ্য। তেওঁৰ আন আন সমূহ নাটক হ'ল La Printemps 171 (spring) La Politic anedes restes (The politics of the left ovrs) আদি।

এডৱাৰ্ড এলেবি (১৯২৮) এলেবি আমেৰিকাৰ নাট্যকাৰ। তেওঁৰ আগবয়সৰ একাঙ্ক নাটকবোৰত আছে সমসাময়িক সমাজ আৰু অন্তজগতৰ উদ্বিগ্নতাৰ বুদ্ধিদীপ্ত উদ্ভটতা পূৰ্ণ ব্যাখ্যা। তেওঁৰ নাটকৰ ভঙ্গী বাস্তৱবাদী কিন্তু চৰিত্ৰ চিত্ৰনৰীতি আৰু ঘটনা সমাবেশে বাস্তৱক অস্বীকাৰ কৰে।

তেওঁৰ প্ৰথম নাটক হ'ল The zoo story এই সক নাটক খনত এখন পাৰ্কৰ বেঞ্চত বহি দুজন অপৰিচিত মানুহে আবিষ্কাৰ কৰিছে মানুহে ইজনে সিজনে ভাব বিনিময় কৰাতো কিমান কঠিন কাম। ইয়াৰ পাছত তেওঁৰ দ্বিতীয় একাঙ্ক নাটক The Death of Bessic Smith প্ৰকাশিত হয়। ইয়াত এগৰাকী নিগ্ৰো গায়িকাৰ মটৰ দুৰ্ঘটনাৰ ঘটনা বৰ্ণনা কৰা হৈছে। অৱশ্যে মঞ্চত তেওঁক দেখা নেযায়। নাটক খনৰ গুৰুত্ব হ'ল অস্পষ্টভাবে নাট্যকাৰে ইয়াত সামাজিক বক্তব্য দাঙি ধৰিছে আৰু অংকন কৰিছে ক্ৰুৰ নাৰী চৰিত্ৰ।

১৯৬১ চনত প্ৰকাশ পায় American Dream নামৰ তেওঁৰ আন এখন উল্লেখযোগ্য নাটক। ইয়াত নাট্যকাৰে বাহিৰৰ সুখ সমৃদ্ধি আৰু চাকচিক্যৰ আঁৰৰ মাৰ্কিন জীৱনৰ অন্তসাৰ শূন্যতাকেই স্পষ্ট কৰি তুলিছে। এই নাটক খনৰ প্ৰসঙ্গত নাট্যকাৰে নিজে কৈছে Is the play offensive? I Certainly

hope so, it was my intention to offend as well as amuse and entertain নাটক খনত ইয়োনেস্কোৰ Bald Saprano নাটকৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়।

আলবীৰ প্ৰথম পূৰ্ণ দৈৰ্ঘ্য নাটক হ'ল Who s Afrad of Virginia woolf এজন ইতিহাসৰ অধ্যাপক আৰু তেওঁৰ পত্নীৰ পাৰম্পৰিক ধ্বংস আৰু মিলনৰ কাহিনী। নাটকখনত ইয়োনেস্কোৰ 'আমেদি নাটকৰ প্ৰভাব দেখা যায়। ষ্ট্ৰীণ্ডবাৰ্গৰ নাটকৰ পৰা তেওঁ স্ত্ৰী পুৰুষৰ আদিম দ্বন্দ্ব আৰু যৌন হিংস্ৰতাৰ ধাৰণা গ্ৰহণ কৰিছে।

Tiny Alice তেওঁৰ আন এখন জটিল আৰু বিতৰ্কিত নাটক। ধৰ্ম, গীৰ্জা, পৰম্পৰা আদিৰ প্ৰতি ইয়াত তেওঁৰ অসহনীয় মনোভাব পৰিস্ফুট হৈছে। Box Mao Box তেওঁৰ আন এখন উল্লেখযোগ্য নাটক। ইয়াতো সমসাময়িক আমেৰিকান জীৱন পদ্ধতিক সমালোচনা কৰা হৈছে। এই নাটক বোৰৰ যোগেদি আলবীয়ে অনুভূতি বিনিময়ৰ দুসাধ্যতা, যন্ত্ৰশাসিত জীৱনৰ আবেগ শূন্যতা, মানসিক বন্ধ্যাত্ব জীৱন যাত্ৰাৰ নিদাৰুণ অৰ্থহীনতা আদি সমস্যাৰ ওপৰত আলোকপাত কৰি এজন উদ্ভট নাট্যকাৰৰূপে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিছে।

হেৰল্ড পিণ্টাৰ (১৯৩) ইংৰাজ নাট্যকাৰ। ১৯৫৭ চনৰ পাছতহে তেওঁ নাট্য ৰচনাত হাত দিয়ে। এই সময়ৰ ৰচনাৰাজি হ'ল The Room, The Birth day Party The Dumb Waiter ইয়াৰ পাছত তেওঁ দুখন ৰেডিঅ নাট লিখে সেয়া হ'ল যথাক্ৰমে A Slight Ache (১৯৫৯) আৰু A Night Out (৯৬)। ১৯৬ চনত তেওঁৰ Caretakar নাটক প্ৰকাশিত হয় আৰু ইয়ে তেওঁলৈ সুখ্যাতি কঢ়িয়াই আনে। তেওঁৰ পূৰ্ণদৈৰ্ঘ্য এখন উল্লেখযোগ্য নাটক হ'ল The Home Coming।

প্ৰথম অৱস্থাত তিনিটা বিশেষ প্ৰভাবৰ দ্বাৰা তেওঁ প্ৰভাবিত হৈছিল। সেই প্ৰভাৱ সমূহ আছিছিল লিখক কাফকা চেমুৱেল বেকেট আৰু আমেৰিকাৰ gangstar কথাছবিৰ পৰা। এই সময়ৰ নাটক বোৰেই অভিহিত হৈছিল Comedy of menace নামেৰে। এই নাটকবোৰ আৰু চৰিত্ৰবোৰ হাস্যকৰ অথচ ভয়ানকভাবে ভীত হৈছিল ৰহস্যময় বহিৰাগতৰ দ্বাৰা। পিছৰ কালত নাটকবোৰ কিছু পৰিমাণে মনস্তত্বসম্বন্ধীয় আৰু তেওঁৰ সাম্প্ৰতিক টেলিভিশন আৰু বোলছবিৰ চিত্ৰনাট্য বোৰ উদ্ভটৰ গোন্ধ থকা সামাজিক কমেডি।

পিণ্টাৰৰ নাটকৰ চৰিত্ৰবোৰ সাধাৰণতে পৰস্পৰৰ লগত যোগাযোগহীন

নিসঙ্গ নিঃসহায় আৰু অভিশপ্ত। মানুহ বিচ্ছিন্নতাৰ বলি কাৰণ পৃথিৱী বা জীৱনটোৱে এক বিৰাট ফাঁকি স্বৰূপ। এই কথাকে কবলৈ যোৱাৰ বাবে পিণ্টাৰক বহুতে জীৱন বিমুখ আখ্যা দিয়ে। তেওঁৰ নাটকবোৰ আনন্দোচ্ছল নহয় আৰু তেওঁৰ চৰিত্ৰবোৰৰো বিশেষ কোনো উজ্জ্বল নিৰ্দিষ্ট ভৱিষ্যত নাই। এই চৰিত্ৰবোৰ অভিশপ্ত কিন্তু দৰ্শক সকলে এই চৰিত্ৰবোৰৰ অভিজ্ঞতাৰ সমভাগী হৈ নিজক পৰিশুদ্ধ কৰাৰ সুযোগ পায়। যি বেদনা, যন্ত্ৰণাৰ অভিজ্ঞতা চৰিত্ৰবোৰে মঞ্চৰ ওপৰত আমাৰ আগত ব্যক্ত কৰে সিয়ে আমাক ব্যক্তিগত ভয় হতাশা আৰু বেদনাৰ পৰা মুক্ত কৰে।

জ্যা গেনে (১৯ ৯) ব্যক্তিয়ে সমাজত কিছুমান ভূমিকা পালন কৰে আৰু এনেদৰে সমাজৰ লগত অন্বিত হৈ তেওলোকে অস্তিত্বৰ সাৰ্থকতা দেখিবলৈ পায়। জ্যা গেনেই সমাজ আৰু ব্যক্তিৰ এই সম্পৰ্কৰ ওপৰত আলোকপাত কৰিয়ে তেওঁৰ নাট ৰচনা কৰিছে। তেওঁ সমাজৰ পৰা বিচ্ছিন্ন ব্যক্তিৰ জীৱনৰ চিত্ৰ নাটকত ফুটাই তুলিছে। এই ব্যক্তিবো'ৰ সামাজিক গঠনৰ বাহিৰত এক ভূমিকা পালন কৰে অৱশ্যে তেওলোকে ইয়াৰ যথাৰ্থতা আবিষ্কাৰ কৰিব নোৱাৰে।

গেনেও এজন উদ্ভট নাট্যকাৰ। তেওৰ নাটকত ধ্বংস, বিভীষিকা আৰু অস্বাভাবিক অনুভূতিৰ প্ৰসাৰ দেখিবলৈ পোৱা যায়। এনে কেইখনমান নাটক হ'ল The Maids Deathwatch আদি। La Balcon Les Negres আদি তেওঁৰ উল্লেখযোগ্য নাট্য সৃষ্টি।

ওৱেটিং ফৰ গোদো ঃ

১৯৫৩ চনত বেকেটৰ শ্ৰেষ্ঠ নাটক En Attendant Godot (Watıng for God) প্ৰকাশিত হয় ফৰাচী ভাষাত। লিখকে নিজে ইয়াক ইংৰাজী ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰে ১৯৫৬ চনত। উদ্ভট নাটক হিচাপে ই মানুহৰ অসম্ভৱ আশা আৰু অসাম্ভব্য ক্ষুদ্ৰতাৰ কথাকেই মূৰ্ত কৰি তুলিব খুজিছে দুই যাযাবৰ বন্ধুয়ে গোদোক অপেক্ষা কৰা কথাৰ যোগেদি। নাটকৰ কথাবস্তু এই দুই বন্ধুৰ গোদোৰ প্ৰতীক্ষা হে গোদো বা কোনো অপাৰ্থিব সত্ত্বা নহয়।

দুই বন্ধু এষ্ট্ৰাগন আৰু ভ্লাদিমিৰ জনশূন্য এক ৰাষ্টাৰ ওচৰৰ ওখ ঢাপ এটাত বৈ আছে গোদোৰ বাবে। এষ্ট্ৰাগনে জোতাজোৰ খুলিবলৈ কৰা চেষ্টাৰ যোগেদি নাটকৰ আৰম্ভনিতে মানুহৰ ক্ষুদ্ৰত্ব আৰু অপৰাজয়ৰ কথা দাঙি ধৰা হৈছে। দুই

ধন্দুৱে লগা লগি হৈ মৰম চেনেহ বিনিময় কৰিব খোজে যদিও পিছ মুহূৰ্ত্তে দুয়োকে আৱৰি ধৰে আলস্য আৰু তিক্ততাই

VI We are at last together once again This occasion calls for a celebration But how can we do so Get up so that I may embrace you

As No, Not at this time

তেওঁলোক ক'ত আছে, অতীতত ক'ত আছিল সকলো বিষয়ে তেওঁলোক অজ্ঞাত। কালিৰ ঘটনা তেওঁলোকে চেষ্টা কৰিও মনত পেলাব পৰা নাই। অসংলগ্ন কথা বতৰা আৰু সময়ে সময়ে জোতাজোৰ ভৰিৰ পৰা খুলিবলৈ কৰা চেষ্টাৰ মাজেৰে সময় কাটি গৈছে আৰু অৱশেষত এষ্ট্ৰাগনে ভৰিৰ পৰা জোতাজোৰ খুলিবলৈ সমৰ্থ হ'ল।

দুয়োৰে মাজত এইবাৰ বাইবেল আৰু যীশুখৃষ্ট সম্পৰ্কে কথা ওলাল। বাইবেলৰ কিবা কথা তাৰ পঢ়া মনত আছেনে বুলি সোধাত এষ্ট্ৰাগনে কলে—

Well, I remember having seen the maps of the Holy Land in it They were coloured maps they showed the Dead sea to be of a pale blue colour, and the very signt of it made me feel thirsty I used to say to myself that we would go to the Holy Land for our honeymon We will have a Swim in the Sea We will be happy there

তেওঁলোক দুয়ো ঠাইখন এৰি যাব খুজিও যাব নোৱাৰে কাৰণ তেওঁলোকে যাৰ কাৰণে অপেক্ষা কৰি আছে সেই গোদো এতিয়াও অহা নাই। তেওঁৰ কাৰণে তেওঁলোকে অপেক্ষা কৰিব লাগিব। কিন্তু গোদোক অপেক্ষা কৰিব লগীয়া ঠাই সেই ডোখৰ হয় নে নহয় সেই ধাৰণাও তেওঁলোকৰ নাই। গোদোই তেওলোকক এডাল গছৰ ওচৰত ঠিয়দি থাকিব কৈছিল। তেওঁলোকে চাই দেখিলে যে গছ এদালৰ ওচৰতে দুয়ো থিয় দি আছে। গছদাল লঠঙা। দুয়ো কিন্তু গোদো আহিব নে নাহিব সেই বিষয়েও নিশ্চিত নহয়। কোন বাৰত কোন দিনা আহিব আনকি সিদিনা কি বাৰ তেওঁলোকে তাকো নেজানে।

গোদোলৈ অপেক্ষা কৰি থাকোতে এষ্ট্ৰাগনৰ টোপনি আহিল। ভেতিয়া ভ্লাদিমিৰে তেওঁক জগাই দিলে। এষ্ট্ৰাগন শুই থাকিলে অকলে ভাল নেলাগে

বুলিয়ে ভ্লাদিমিৰে জগাই দিলে এষ্ট্ৰাগণক। এষ্ট্ৰাগনে কলে যে তেওঁ মাজে মাজে ভ্লাদিমিৰৰ পৰা আতৰি যোৱা কথা ভাবে কিন্তু ভ্লাদিমিৰে কলে যে তেওঁ বেচি দূৰলৈ যাব নোৱাৰিব। এষ্ট্ৰাগণে তেতিয়া কলে—

It would be too bad ıf that happens Don t you think Dıdı, that ıt would be too bad ? Especıally when you thınk how beautıful the way would be And how good the com panıons would be Dıdı, Don t you thınk that would be too bad ?

প্ৰতীক্ষাৰ সময় কটাবৰ বাবে একো নথকাত দুয়ো অৱশেষত ডিঙিত ফাঁচ লগাই মৰিবলৈ ওলাল। ভ্লাদিমিৰে কলে যে দুয়ো যদি একেলগে ফাঁচ দিয়ে তেনেহলে গছৰ দাল ভাঙি পৰিব গতিকে এজন এজনকৈ গৈ তাত ফাঁচ লগোৱা ঠিক হব। কিন্তু এজন মৰি আন এজন নমৰিলেতো সিজন অকলশৰীয়া হব। সেয়ে এষ্ট্ৰাগণে যুক্তি দেখুৱাই কলে—

Sınce I am lıght, the bough wıll not break when I hang from ıt Soon I shall be dead After that you wıll try to hang yourself but sınce you are heavy, the bough mıght break Then you wıll be left alone

এই সকলোবোৰ সমস্যা সমাধান হব গোদো তেওঁলোকৰ ওচৰ পালে। গতিকে গোদোক অপেক্ষা কৰাৰ বাহিৰে গত্যন্তৰ নাই। তেওঁলোকে গোদো আহিলেনো কি কৰিব কি কব এই বিষয়ে আলোচনা কৰিব ধৰিলে। এষ্ট্ৰাগণে এটা প্ৰাৰ্থনাৰে গোদোক আৱাহন জনোৱাৰ কথাও ভাবিলে। ইয়ো এক প্ৰকাৰ তেওঁক কৰা আবেদন স্বৰূপেই হব। তেওঁক কিবা খুজিলে গোদোই নো কি কব কি কৰিব তাৰ বিষয়ে দুয়ো আলচ কৰিব ধৰিলে। ভ্লাদিমিৰে এষ্ট্ৰাগণক সুধিলে—

গোদোৰ লগত কথা পাতোতে সি নাছিল নেকি? এষ্ট্ৰাগণে কলে যে বোধহয় তেওঁলোকৰ কথা সি শুনাই নাছিল। ভ্লাদিমিৰে কলে যে গোদোই এই বিষয়ে ভাবি চাব লাগিব বুলি কৈছিল। এনেতে তেওঁলোকে চিঞৰ বাখৰৰ শব্দ শুনিবলৈ পালে। গোদো অহা বুলি দুয়ো সচকিত হল কিন্তু গোদো নহয় সেয়া বতাহ বলাবহে শব্দ।

তেওঁলোকে এনেদৰে গোদোৰ বাবে অপেক্ষা কৰি থাকোতেই তাত আহি

ওলাগ পোজো আৰু লাকী। এজন নিষ্ঠাৰ প্রভু আৰু আনজন অনুগত ভৃত্য। প্রভুৰ হাতত চাবুক ভৃত্যৰ গলত জৰী। বন্দী লাকীয়ে প্রভুৰ খোৱাবস্তু আৰু মালবস্তুৰ ভাৰ বব লাগে কিন্তু সেই খোৱাৰ ভাগ সি নেপায়।

পজোকে ভ্লাদিমিৰে আৰৌ গোদো বুলি ভাবিছিল। এষ্ট্রাগনেও সেই ভুলকে কৰিছিল।

Pozzo You thought I was godot

E The fact is that, you know, it is dark and we have been under the strain of waiting for a long time I admit that for a moment I did think that you were godot

P Waiting ? You are waiting for godot

V Well you see

P You have been waiting on my land ?

V Our intentions were perfectly harmless

E Yes We mean no ill

P Anyway, the road belongs to everybody

তাৰ পাছত দুই বন্ধুক আনন্দিত কৰিবলৈ প্রভু পজোই লাকীক নচুৱাব ধৰে। প্রভু পজোই যি কয় লাকীয়ে তাকে কৰে। প্রভুক সকলো বস্তু যতনাই দি উঠি থিয়ৈ থিয়ৈ সি টোপনি মাৰে। ভ্লাদিমিৰ আৰু এষ্ট্রাগণে তাক ভাল দৰে নীৰিক্ষণ কৰি দেখিলে তাৰ গলটোত জৰী লাগি লাগি ঘা হৈ গৈছে। প্রভুৰ জৰীৰ টানত তাৰ টোপনি ভাঙি গ ল। ইতিমধ্যে প্রভুই খোৱা লোৱা শেষ কৰিছিল। পজোই খাই পেলাই দিয়া হাড়বোৰৰ প্রতি এষ্ট্রাগনৰ লোভ লাগিছিল আৰু সেইবোৰ খাবলৈ খোজাত লাকীহে তাৰ অধিকাৰী বুলি পজোই কলে। লাকীৰ অনুমতি বিচাৰি এষ্ট্রাগণে তাক মিষ্টাৰ মিষ্টাৰকৈ সম্বোধন কৰি মাতোতেও তাৰ মাত পোৱা নগল। পাজোৰ হাততহে তাৰ তলা চাবি। পজোই সুধিলেহে সি বুজি পায়। পজোই তাক সোধাত সি একো নেমাতিলে। গতিকে হাড়দাল এষ্ট্রাগণে খাব পাৰে বুলি পজোই কলে।

তেওঁলোকৰ মাজত লাকীৰ কথা ওলাল। লাকীয়ে কিয়নো বোজাটো সদায় লৈ থাকে। তাৰ মোনাখন থবলৈ ইচ্ছা নহয়নে ? তাৰ উত্তৰত পজোই কলে—

Does he not have the right to put down his bags ? He Certainly has the right from this we conclude that he keeps on carrying the bags all the times because he likes to do so

লাকীৰ লগত পজোৰ সম্পৰ্ক দেখিযেহ্ বোধহয় ভ্লাদিমিৰে সুধিলে পজোই লাকীক এৰি দিব নোখোজে, পজোই তেতিয়া কলে

I do want this I ought to have just kicked him out or sent him away at once, but I am so kind hearted that instead of doing so I am taking him away to a feir, where I hope to sell for a good price The fact is that it is impossible to drive away Such creatures The best thing would be to kill him

পজোৰ কথা শুনি লাকীয়ে কান্দিব ধৰিলে এষ্ট্ৰাগণে লাকীযে কন্দা কথা কোৱাত পজোই ৰুমালখন আগুৱাই দি কলে—

Give him Comfort Since his Condition arouses pity in you Come on wipe away Lucky s tears then he will feel less lonely

এষ্ট্ৰাগন লাকীৰ ওচৰ চপাৰ লগে লগে লাকীয়ে কিন্তু জোৰেৰে তেওঁক আঘাত কৰিলে আৰু হাতৰ পৰা ৰুমালখন চিটিকি পৰিল। দুখত এষ্ট্ৰাগন কেকাই কেকাই খোজকাঢিব ধৰিলে। লাকীয়ে তাৰ হাতৰ বেগ আৰু টোপোলা নমাই সি ৰুমালখন লৈ তাৰ প্ৰভুৰ হাতত দিলে। পজোই এষ্ট্ৰাগনক বুজালে যে লাকী তেনেকুৱাই সি অপৰিচিত মানুহক ভাল নেপায়।

লাকীয়ে কান্দিব এৰিলে আনহাতে এষ্ট্ৰাগনে দুখত চিঞৰিব ধৰিলে। পজোই তেতিয়াই জীৱনৰ নতুন সত্য প্ৰকাশ কৰি কলে —

He has discontinued crying In fact now you are crying in his place The sum total of tears in the world remain constant Whenever someone begin crying Some where else another person stops crying

লাকীৰ বিষয়ে পজোই বিভিন্ন আলোচনা কৰিলে আৰু কলে যে লাকীক তেওঁ নচুৱাব আৰু চিন্তা কৰাব পাৰে। এষ্ট্ৰাগনে তেতিয়া লাকীৰ নাচ চাব ইচ্ছা কৰিলে আনহাতে ভ্লাদিমিৰে তাৰ চিন্তা শুনিব খুজিলে। এষ্ট্ৰাগণে তেতিয়া

কলে যে লাকীয়ে প্ৰথম নাচক তাৰ পাছত চিন্তা কৰিব। পজোই তেতিয়া লাকীক নাচিব কলে লাকীয়ে নাচিব ধৰিলে। নাচ শেষ হোৱাৰ পাছত ভ্লাদিমিৰে কলে—

V—Tell him to think

P—Give him his hat

V—His hat ?

P—He can t think without putting on his hat

পজোৰ নিৰ্দেশ মতে ভ্লাদিমিৰে গৈ তাৰ মূৰত টুপীটো পিন্ধাই দিলে। তাৰ পাছত পজোই লাকীৰ উদ্দেশ্যে আদেশ কৰিলে

P—Stop ! Turns back ! Stop Turn ! Think

লগে লগে লাকীয়ে চিন্তা কৰিব ধৰিলে —

"If we accept the view of puncher and wattman as put forward in their public works that there exists a personal god Who has a white beard Who is not subject to time without extension who is above humanity who is apathatic incapable of speach or emotion, who loves all of us except some for reasons which are not known now but which will be revealed in the course of time who suffers like the heavenly Miranda, for unknown reasons which will become clear in time, for those who are enveloped in suffering are plunged in fire whose flames if it continues (and who can doubt that) will burn the sky itself, that is to say, blast hell so high that it reaches heaven

যন্ত্ৰৱৎ লাকীয়ে গাই যায় অসংলগ্ন কথাবোৰ, তাকেই মনপূতি শুনে ভ্লাদিমিৰ আৰু এষ্ট্ৰাগনে। পজো বিৰক্ত হৈ পৰে আৰু তাৰ মূৰৰ পৰা টুপীটো খুলি আনিবলৈ এজনক পাচিলে। ভ্লাদিমিৰে গৈ তাৰ টুপীটো খুলি পেলালে। লাকী নিৰৱ হৈ পৰিল। পজোই টুপীটো খুজি আনি ভৰিৰে মোহাৰি পেলাই কলে— That is the end of his thinking

ইয়াৰ পাছত পজোই লাকীক লৈ যাবলৈ সাজু হল। যোৱাৰ পৰত পজোই কলে যে তেওঁ যেন বিদায় লব খুজিও লব পৰা নাই। এষ্ট্ৰাগনে তেতিয়া মন্তব্য

দি কলে যে জীৱন এনেকুৱাই। পজোই যাবলৈ লাকীক জৰীত ধৰি টানিলে লাকী পৰাৰ শব্দ শুনা যায়। পজোই চিঞৰে—গাহৰি উঠ। লাকী পৰাৰ পৰা উঠা যেন শব্দ হয়।

লাকী আৰু পজো যোৱাত ভ্লাদিমিৰ আৰু এষ্ট্ৰাগনে পুনৰ গদোৰ কথা পাতিব ধৰে। দুয়ো ঠাইখন এৰিব খোজে কিন্তু এৰিব খুজিও এৰিব নোৱাৰে গদোৰ কাৰণে। এনেতে তাত লৰা এজন আহি উপস্থিত হ'ল। সি গদোৰ বাতৰি আনিছে। সি কলে—

Boy —Mr godot asked me to tell you that he is would not be able to come this evening, but he will surely come tomorrow

ভ্লাদিমিৰ আৰু এষ্ট্ৰাগণে গদোৰ সম্পৰ্কে জানিবলৈ উৎসুক হৈ উঠিল আৰু লৰা জনক গদো সম্পৰ্কে নানা ধৰণৰ প্ৰশ্ন কৰিব ধৰিলে। উল্লেখনীয় কেইটামান প্ৰশ্নোত্তৰ হ'ল—

V—Do you work for Mr Godot ?

Boy —Yes Sir

V—What is your job ?

Boy —I look after his goats Sir

V—Does he treat you well ?

Boy —Yes Sir

V—Does he not beat you ?

Boy —No Sir he doesn t beat me

V—Do you get enough food to eat ?
Do you get good and sufficient food

Boy —It is moderately well sir

V—I hope you are not unhappy ?

Boy —I don t know what to say, sir

গদোৰ বাতৰি দি লৰাজন গুচি গ'ল। ইপিনে ৰাতি হ'ল। আকাশত জোন দেখা যায়। তাৰ পোহৰো লাহে লাহে শেতা পৰিল। অপেক্ষাৰ ক্লান্তি যেন সৰ্বত্ৰতে। এষ্ট্ৰাগনে জোতাজোৰ খুলি থৈছিল। সেইজোৰ তাতে এৰিব খুজি কলে—

E I am going to leave them there someone else will come like me, but with smaller feet These will make him comfortable

V But you can not walk barefoot ?

E Christ wolked barefoot

V Christ ? How is christ relevent here ? You can Compare yourself to christ

E On the contrary, I have Compared myself to him all life

V But christ lived in a warm and dry country

E Yes, Moreover they crucified him

এনেদৰে তেওঁলোক দুযো যীশুৰ বিষয়ে আলোচনা কৰি আকৌ গদোৰ প্ৰসঙ্গলৈ আহিল আৰু অহাকালি গদো অহাৰ লগে লগে তেওঁলোকৰ সমস্যাবোৰৰ কিবা এটা সমাধান হব বুলি আশা কৰিলে। গদো অহালৈ তাতে তেনেকৈ অপেক্ষা কৰি থাকিব খুজিলে এষ্ট্ৰাগনে। ভ্লাদিমিৰে কলে যে ৰাতিটো কৰবাত জিৰণি লব লাগিব এনেদৰে প্ৰতীক্ষা কৰি থাকিব নোৱাৰি। এই বুলি কৈ ভ্লাদিমিৰে এষ্ট্ৰাগনক টানিব ধৰিলে। এষ্ট্ৰাগনে অৱশেষত খোজ ললে কিন্তু গছদালৰ ওচৰত দুয়ো বৈ গল। এষ্ট্ৰাগনে গছদাললৈ চাই কলে—

E It is a pity that we do not have a pick of rope

V : Come along, it is cold

E Remind me to bring a piece of rope with me tomorrow

V Yes I ll do so now come along

তাৰ পাছত তেওঁলোকৰ দীৰ্ঘদিনীয়া বন্ধুত্বৰ কথা ওলাল। অতীত স্মৃতি চাৰণ আৰম্ভ হল এষ্ট্ৰাগণৰ। ভ্লাদিমিৰে সেই স্মৃতি ৰোমন্থনৰ কোনো প্ৰয়োজনীয়তা বোধ নকৰিলে। এষ্ট্ৰাগণ আকৌ নিজ ব্যক্তিত্বৰ প্ৰতি সচেতন হল। মানুহে এই পৃথিৱীত নিসঙ্গ হৈয়ে জন্মগ্ৰহণ কৰিছে। এনেদৰে অংকটোৰ শেষৰ ফালে আশা, মৃত্যু চিন্তা প্ৰেম, বিচ্ছেদ নিসঙ্গতা আদি বিভিন্ন প্ৰসঙ্গই দুয়োৰে মন খেলি মেলি লগাইছে। লাহে লাহে দুয়ো যাব খুজি স্তব্ধ হৈ ৰল।

নাটকৰ দ্বিতীয় অংকৰ পটভূমিও সেই একে ঠাই। দুই বন্ধুৱে সেই

গছদালৰ ওচৰত অপেক্ষা কৰি আছে গদোৰ বাবে। লঠঙা গছদালত এইবাৰ নতুন পাত দেখিবলৈ পোৱা গ ল। ভ্লাদিমিৰে সোমায়ে গছদাললৈ চালে আৰু তাৰ পাছত জোৰে জোৰে গীত জুৰিব ধৰিলে। গীতটোৰ মৰ্ম হ ল এটা কুকুৰে কটি এটুকুৰা চুৰি কৰিছিল ৰান্ধনীঘৰৰ পৰা আৰু সেই দোষতে ৰান্ধনীয়ে তাক কোবাই মাৰিলে।

এনেতে হুদা ভৰিৰে এষ্ট্ৰাগণ সোমাই আহিল। এষ্ট্ৰাগণক দেখি ভ্লাদিমিৰে মৰমতে আলিঙ্গন কৰিবলৈ আগবাঢ়ি গল কিন্তু এষ্ট্ৰাগণে কলে

E You must not touch me Ask me no question Don t say anything to me either but remain by my side

V Have you ever deserted you

E You allawed me to go away

V Look at me Are you going to look me or not ?

দুয়ো বন্ধুৱে আলিঙ্গন কৰি মৰম বিনিময় কৰিব ধৰিলে। কিন্তু পাছ মুহূৰ্ততে ভ্লাদিমিৰে এটা সত্য প্ৰকাশ কৰি কলে যে এষ্ট্ৰাগণৰ অনুপস্থিতিত তেওঁ সুখী যেন অনুভৱ কৰে। এষ্ট্ৰাগণ ভ্লাদিমিৰৰ কথা শুনি আচৰিত হ ল। এষ্ট্ৰাগণ উভতি অহাত কিন্তু তেওঁৰ এতিয়া ভাল লাগিছে।

Now I am happy you are back We are together once again There am I as bad as ever

এষ্ট্ৰাগণে কলে যে অকলে থাকিলে তেওঁবো ভাল লাগে। কিন্তু অকলে থাকিব নোৱাৰি। ভ্লাদিমিৰে ৰহস্যটো ব্যাখ্যা কৰি দি কলে যে এষ্ট্ৰাগণে বেয়া পালেও তেওৰ ওচৰলৈ আহে কাৰ। এষ্ট্ৰাগণৰ সহায়ৰ দৰকাৰ। সেই সহায়ৰ খাতিৰতে ভ্লাদিমিৰৰ কাষ চাপে।

যিয়েই নহওক এতিয়া কিন্তু দুয়ো সুখী। এই সুখী অৱস্থাত তেওঁলোকে কি কৰা উচিত বুলি এষ্ট্ৰাগণে চিন্তাকৰাৰ লগে লগে ভ্লাদিমিৰে কলে —

—We must wait for godot

—যদি গদো নাহে—এষ্ট্ৰাগণে সন্দেহ প্ৰকাশ কৰিলেও ভ্লাদিমিৰে কিন্তু গদোলৈ অপেক্ষা কৰা কথাকেই দোহাৰিলে।

একোবাৰ বন্ধুত্ব আৰু একোবাৰ বিদ্বেষৰ ধাৰণাই তেওঁলোকৰ মনত বাহ লয়। দুজনে সিজনৰ ওচৰত পৰা আতৰি যোৱাৰ কথাও চিন্তা কৰে। এষ্ট্ৰাগণেতো কলেই—

—The best thing would be to kill me like that other man

এই ধৰণৰ চিন্তাবোৰৰ পৰা মনক মুক্ত কৰিবলৈ ড্বুয়ো কথা পাতিবলৈ আৰম্ভ কৰিলে। ড্বুয়ো গছদালৰ কথাকেই পাতিলে। ভ্লাদিমিৰে গছদালৈ আঙুলিয়াই দি কলে

V : This tree was quite black and bare yesterday But now it is covered with leaves

E Leaves

V They have grown in a single night

E This must be because spring has set in

V But how could it happen in just one night

E I tell you we did not come here yesterday It is another of your bad dreams

ড্বুয়ো যোৱাকালিৰ ঘটনাবোৰ স্মৰিবলৈ চেষ্টা কৰিলে। ড্বুয়োৰে মনত পৰিল লাকী আৰু পজোৰ কথা। লাকীয়ে যে এষ্ট্ৰাগণক লাথি মাৰিছিল তাকো ড্বুয়োৰে মনত পৰিল। ভ্লাদিমিৰৰ হঠাতে মনত পৰিল এষ্ট্ৰাগণৰ সৰু হোৱা জোতা যোৰলৈ। তেওঁ এষ্ট্ৰাগণৰ জোতাযোৰ বিচাৰি উলিয়ালে। কিন্তু এষ্ট্ৰাগণে কলে যে সেই যোৰ জোতা তেওঁৰ নহয়। কাৰণ তেওঁৰ জোতা যোৰ ক লা আছিল, এইযোৰ দেখো মুগা বৰণীয়া। জোতাযোৰ হাতত লৈ এষ্ট্ৰাগণে কলে যে জোতা যোৰৰ ৰং দেখো সেইজীয়া বৰণৰ।

সময় কটাবৰ বাবে ড্বুয়ো জোতাযোৰ লৈয়ে ব্যস্ত হ ল। ভ্লাদিমিৰে এষ্ট্ৰাগণৰ ভৰিত জোতা এপাত সুমুৱাই দিবলৈ চেষ্টা কৰিলে। জোতাযোৰ ভৰিত সুমুৱাই দি ভ্লাদিমিৰে এষ্ট্ৰাগণক খোজ কাঢিব কলে। এষ্ট্ৰাগণে জোতা যোৰ পিন্ধি খোজ কাঢিব ধৰিলে। ভ্লাদিমিৰে সুধিলে জোতাযোৰ পিন্ধা কাৰণে দুখ পাইছে নেকি ? এষ্ট্ৰাগণে নাই পোৱা বুলি কলে। জোতাযোৰ ডাঙৰহে হৈছে। ভ্লাদিমিৰে কলে যে মোজা পিন্ধি ললে ঠিকেই হ'ব।

এইবাৰ এষ্ট্ৰাগণে শুবলৈ চেষ্টা কৰিলে। আঠু দুটাৰ মাজত মূৰটো সুমুৱাই দি এষ্ট্ৰাগণ শুই পৰিল। ভ্লাদিমিৰে এষ্ট্ৰাগণৰ কান্ধত কোটটো ওলোমাই থৈ ইফালে সিফালে খোজ কাঢিব ধৰিলে। এষ্ট্ৰাগণে সাৰ পাই উঠি চিঞৰ বাখৰ কৰি ইফালে সিফালে দোৰিব ধৰিলে। এষ্ট্ৰাগণে হেনো গছৰ আগৰ পৰা সৰি পৰা দেখিছিল সেয়ে এনেকৈ ভয় খাইছে। ভ্লাদিমেৰে কলে যে সেয়া দু স্বপ্নৰ বাহিৰে

আন একো নহয়। এষ্ট্ৰাগনে ঠাই ডোখৰ এৰি গুচি যাব খুজিলে। ভ্লাদিমিৰে কলে যে গদোক তেওঁলোকে অপেক্ষা কৰিবই লাগিব। এষ্ট্ৰাগনে ৰব খুখুজি যাবলৈ ওলাল। এনেতে ভ্লাদিমিৰে লাকীৰ মূৰৰ টুপীটো বিচাৰি পালে। সেইটো তুলি লৈ ভ্লাদিমিৰে কলে যে সকলো আপদ এতিয়া আতৰি গ ল। ভ্লাদিমিৰে সেইটো টুপী পিন্ধি নিজৰটো এষ্ট্ৰাগনক দিলে। দুয়ো এতিয়া লাকী আৰু পজোৰ খেল খেলিব। ভ্লাদিমিৰ কুঁজা হৈ বোজা বোৱা লাকীৰ অভিনয় কৰিব ধৰিলে। তাৰ পাছত এষ্ট্ৰাগাক পজোই লাকীক কোৱাৰ দৰে চিন্তা কৰিবলৈ কবলৈ কলে। এষ্ট্ৰাগনে তেনে কৰিলত ভ্লাদিমিৰে এষ্ট্ৰাগনক নাচিব কলে। এনেতে কোনোবা অহা বুলি এষ্ট্ৰাগন উচাপই উঠিল। কিন্তু কোনো নাই। এষ্ট্ৰাগনে কিবা কাল্পনিক বস্তু দেখা বুলিহে ভ্লাদিমিৰে ধৰি ললে।

দুয়োৰে সময় নেযায় নুপুৱায়। কথা বতৰা, গালি াপনিৰে সময় পাৰ কৰিব ধৰিলে। এনেতে লাকী আৰু পজো সোমাই আহিল। পজো এইবাৰ অন্ধ আৰু কৃপাপ্ৰাৰ্থী, আগৰদৰে লাকীৰ মূৰত বোজা। লাকী পৰি গ ল লগতে পজোওঁ। লাকীৰ মূৰৰ বস্তু বাহানিবোৰ সিচৰিত হৈ পৰিল। এষ্ট্ৰাগনে সিহতকে প্ৰথমে গদো বুলি ভাবিলে। ভ্লাদিমিৰে কিন্তু পজো আৰু লাকীক চিনি পালে। পৰাৰ পৰা উঠিবলৈ পজোই সহায় ভিক্ষা কৰিব ধৰিলে। সহায়ৰ বিনিময়ত টকা দিব বুলিও পজোই অঙ্গীকাৰ কৰিলে। ভ্লাদিমিৰে পজোক তুলিবলৈ যাওতে নিজেই পৰি গ ল। এষ্ট্ৰাগনক সহায় কৰিবলৈ ভ্লাদিমিৰে অনুৰোধ কৰিলে কিন্তু এষ্ট্ৰাগনে অনিচ্ছা প্ৰকাশ কৰি আতৰি যাব খুজিলে। ভ্লাদিমিৰে নিজে চেষ্টা কৰিও উঠিব নোৱাৰিলে। অৱশেষত এষ্ট্ৰাগনে হাতখন আগবঢ়াই দিলে। হাতখনত ধৰি উঠিব খোজোতে এষ্ট্ৰাগনো পৰি গ ল। কোনো এজনে উঠিব নোৱাৰাত এষ্ট্ৰাগনে তাতেই শুই থাকিব খুজিলে। ইপিনে পজোই সহ.য় সহায় কৈ চিঞৰি থকাত খ' উঠি ভ্লাদিমিৰে তাক ভৰিৰে গোৰ মাৰি দিলে। তাৰ পাছত ভ্লাদিমিৰ আৰু এষ্ট্ৰাগনে ঠিক কৰিলে যে দুয়ো ঠিয হ ব। এইবাৰ দুয়ো তৎক্ষণাৎ থিয় হ ল। তেতিয়া এষ্ট্ৰাগনে কলে যে উঠাতো এটা লৰা ধেমালি ই ইছা শক্তিৰ কথা।

এইবাৰ দুয়ো গৈ পজোক তুলিবৰ চেষ্টা কৰিলে। কিন্তু পজো উঠি আকৌ পৰি গল। পজোই তেওঁলোক তাৰ বন্ধু নেকি সুধিলে। এষ্ট্ৰাগনে কলে যে বন্ধু নহলে তেওঁলোক কিয় সহায় কৰিব আহিলহেতেন। পজো স্মৃতি ৰহিত আৰু লাকী এতিয়া বোবা। পজোই লাকীনো ক ত আছে সুধিলে। সি পৰি থকা

বুলি কোবাত তাক লাথি মাৰি তুলি দিব কলে। ভ্লাদিমিৰে কলে যে যোৱা কালি লাকীয়ে কৰা আঘাতৰ প্ৰতিশোধ লোৱাৰ এয়াই সময়। এষ্ট্ৰাগনে তাক ভৰিৰে লাহেকৈ আঘাত কৰিলে। লাকীয়ে গা লৰালে।

পজোই লাকীক আগ বাঢ়িবলৈ নিৰ্দেশ দি জৰীডালত ধৰি টানিলে। ভ্লাদিমিৰে লাকীক কথা কোৱাব কলে। পজোই কলে যে লাকীয়ে এতিয়া আৰু কথা কব নোৱাৰে কাৰণ সি বোবা হৈ গৈছে। আনকি এতিয়া সি গেঙনি মাৰিবও নোৱাৰে। লাকী কেতিয়া বোবা হ ল বুলি সোধাত পজোই কলে

'Have you not done tormenting me with your accursed time! It s abominable When! One day, is that not enough for you, one day like any ather day one dav he went dumb one day I went blind, one day day we ll go deaf one day we were barn, one day we shall die the same day the same selond, is that not enough for you? They give birth astride of a grave, the light gleams an instant then it s night once more

পজো আৰু লাকী দুয়ো আতৰি গ'ল। ভ্লাদিমিৰে শুই থকা এষ্ট্ৰাগনক জগাই দি কলে যে এষ্ট্ৰাগন টোপনি গলে নিজকে অকলশৰীয়া যেন লাগে। যা হক লাকী আৰু পজো আহি কিছু সময় কটোৱাৰ সুবিধা কৰি দিলে।

এনেতে লৰা এজন আহি ভ্লাদিমিৰক অপৰিচিতি মানুহৰদৰে আলবাৰ্ট বুলি সম্বোধন কৰিলে। তাৰ পাছত কলে যে সি গদোৰ বাতৰি লৈ আহিছে। গদো আজি নাহে কালিহে আহিব। ভ্লাদিমিৰে জানিব বিচাৰিলে যোৱাকালি অহা লৰাজন সি নাছিল নেকি?

সি সেইজন লৰা নহয় বুলি কলে।

সূৰ্য্য ডুবিল। এষ্ট্ৰাগনে উপদেশ দিলে যে এই ঠাই এৰাই ভাল হ ব। ভ্লাদিমিৰে কলে যে এই ঠাইডোখৰ এৰিব নোৱাৰি কাৰণ অহাকালি গদো আহিব। এষ্ট্ৰাগনে সুধিলে গদোক অপেক্ষা নকৰিলেনো কি হ ব? ভ্লাদিমিৰে কলে যে গদোই তাৰ বাবে শাস্তি দিব।

এষ্ট্ৰাগনে আকৌ ডিঙিত ফাঁচ লগাই মৰিব খুজিলে। কিন্তু ফাঁচ লগাবলৈ যে জৰী এডাল নাই। অৱশেষত এষ্ট্ৰাগনে পেটিডাল খুলিলে আৰু লগে লগে তাৰ ট্ৰাউজাৰ টো খহি পৰিল।

কিন্তু পেটীদালেৰে নহব। কাৰণ ই চুটি গতিকে অহাকালি এদাল জৰী আনিব লাগিব আৰু যদি গদো নাহে তেনেহলে সেই জৰীৰে ফাঁচ লগাই দুয়ো আত্মহত্যা কৰিব।

V We shall hang ourselves tomorrow unless of course Godot Comes

E And what do we so if he does come

V Then we shall be saved

আধুনিক জীৱন চেতনাৰে সমুজ্জ্বল এই নাটকখনে পৃথিবীৰ প্ৰায় ভাগ মঞ্চতে সমাদৃত হৈছে ইয়াৰ অনন্য আবেদন পূৰ্ণ বিষয়বস্তুৰ বাবে। সমসাময়িক জগতৰ মানুহে যেন ইয়াৰ মাজত নিজৰে প্ৰতিফলন দেখিবলৈ পাইছে। নিসঙ্গতা অন্তসাৰ, শূন্যতা আৰু অজ্ঞতাত আচ্ছন্ন এখন জগতত মানুহৰ বিচ্ছিন্নতা বোধৰ ই সাৰ্থক চিত্ৰ। ইয়াৰ লগতে প্ৰকাশ পাইছে এই পৰিস্থিতিৰ পৰা নিজক মুক্ত কৰাৰ অদম্য হেপাহ সেয়ে এই নাটকৰ চৰিত্ৰ চাৰিটাক আধুনিক মঞ্চৰ প্ৰতিনিধিত্ব মূলক চৰিত্ৰ বুলি কব পাৰি।

গদোক অৱলম্বন কৰি এই নাটকৰ বিষয়বস্তু গঢ লৈ উঠিছে। দুই যাযাবৰ বন্ধুই গদোৰ বাবেই অপেক্ষা কৰি আছে। এই গদো নো প্ৰকৃততে কোন সেয়া নাটত ৰহস্যময় হৈয়ে ৰয়। গদোৰ পৰিচয়ৰ লগত কেইবাটাও ভাবৰ ব্যঞ্জনা ইয়াত সোমাই আছে।

গদোক ভগবান বুলি চিহ্নিত কৰাৰ অবকাশ আছে। গদোৰ লগত কেইবাটাও আধ্যাত্মিক প্ৰসঙ্গ লিখকে আনিবলৈ চেষ্টা কৰিছে। যীশু, বাইবেল Cain আৰু Abel চৰিত্ৰৰ উল্লেখে এই ধাৰণা স্পষ্ট কৰি তোলে। গদোৰ পৰা দুই যাযাবৰ বন্ধুৱে খাদ্য আশ্ৰয় আশা কৰে যি ভগবানৰ পৰা আশা কৰিব পাৰি। গদো ভগবানৰ দৰেই উদাসীন। মানুহে তেওঁৰ আশাত বৈ থাকে কিন্তু ভগবান কোনোদিনে মানুহৰ কাষলৈ নাহে। কেতিয়াবা কিবা এক শক্তি ৰূপে ভগবান আহিলেও তাক মানুহে ঠিকমতে ধৰিব নোৱাৰে যেনেকৈ এষ্ট্ৰাগন আৰু ভ্লাদিমিৰে ধৰিব নোৱাৰিলে পজো আৰু লাকীৰ প্ৰকৃত অস্তিত্ব। নাটকত গদোক অপেক্ষা কৰি থকা কথা বাৰে বাৰে উল্লেখ কৰা হৈছে যদিও পজো বা লাকীৰ ৰূপত গদোৱে হয়তো নামি আহিছিল।

গদো মৃত্যুৰ প্ৰতীক বুলিও ক'ব পাৰি। গদোৰ বাবে বৈ থকা ঠাই ডোখৰৰ ওচৰৰ গছদাল দেখিলেই দুয়োৰে মৃত্যু চেতনা জাগি উঠে। লঠঙা গছ দালত

যেতিয়া সেউজী পাত ধৰিছে তেতিয়াও দুই বন্ধুৱে তাত ওলমি জীৱন নিশেষ কৰি দিয়াৰ কথা ভাবিছে নাটকখনো শেষ হৈছে মৃত্যুৰ আকাঙ্খ্যা প্ৰকাশেৰে। গদো আহিলেই যেন তেওঁলোকৰ সকলো দুখ কষ্টৰ অৱসান ঘটিব। মানুহৰ অপেক্ষিত মৃত্যুহ যে এদিন আহি সকলো দুখ বেদনা আৰু কষ্টৰ পৰা মানুহক ৰক্ষা কৰে।

গদো সম্পৰ্কে আন এটা ধাৰণা হ'ল গদো ক্ৰাঞ্চ অৱবোধৰ সময়ৰ আত্ম গোপনকাৰী নেতাৰ প্ৰতিনিধি। দুই যাযাবৰ বন্ধুই গদোক ভয় কৰে কাৰণ গদোৰ সতে অৱৰোধ কৰা শক্তিৰ কিবা সম্পৰ্ক আছিল যিয়ে এই যাযাবৰ সকলক ৰক্ষা আৰু সহায়ৰ প্ৰতিশ্ৰুতি দিছিল।

গদোই অন্ধবিশ্বাসী ধৰ্ম আৰু সৰ্বশক্তিমান সকলৰ দ্বাৰা সৰ্বহাৰা সকলক শোষন কৰা কথাৰো ব্যঞ্জনা দাঙি ধৰা যেন অনুমান হয়। গদো সৰ্বশক্তিমান। ভ্লাদিমিৰ আৰু এষ্ট্ৰাগন তেওৰ বাবে জীয়াই আছে কিন্তু তেওঁলোকক দেখা দিব নোৱাৰাৰ কাৰণ জনোৱা বা দেখা দিব নোৱাৰাৰ বাবে খেদ প্ৰকাশ কৰাৰ প্ৰয়োজনীয়তাও তেওঁ বোধ নকৰে। কিবা পোৱাৰ আশাতকৈ ভয়তহে যেন তেওঁলোকে গদোলৈ অপেক্ষা কৰি আছে। ইয়ো গদোৰ শক্তিমন্ততাৰ কথাই সুচায়।

গদোহ এই ধৰণে ৰহস্যৰ সৃষ্টি কৰিছে। এই গদোনো প্ৰকৃততে কোন সেহ বিষয়ে নাট্যকাৰেও স্পষ্টকৈ নকৈ কৈছিল If I know I would have said so in the play নাটকত গদোতকৈ গদোৰ প্ৰতীক্ষাটোহে মূখ্য কথা আৰু এই প্ৰতীক্ষাৰ যোগেদিয়ে নাটকীয় বিষয়বস্তুই প্ৰকৃত ৰূপ লাভ কৰিছে। সেয়ে মাটিন এচালিনে কৈছে The action of the play is not about godot but about waiting godot

অপ্ৰত্যক্ষ গদোৰ বাহিৰে ইয়াত মূল চাৰিটা চৰিত্ৰ আছে। ভ্লাদিমিৰ আৰু এষ্ট্ৰাগণ হ'ল দুয়ো যাযাবৰ বন্ধু। লাকী আৰু পজো হ'ল দাস আৰু প্ৰভু। ভ্লাদিমিৰ আৰু এষ্ট্ৰাগণৰ চৰিত্ৰ বৈসাদৃশ্য মূলক। ভ্লাদিমিৰ বলী, ধৰ্য্যশীল আৰু ৰক্ষাকাৰী আনহাতে এষ্ট্ৰাগণ ভয়াতুৰ অধৈৰ্য্য আৰু দুস্বপ্নত ভোগা ব্যক্তি। কিছুমান ৰহস্যময় মানুহে এষ্ট্ৰাগণক ৰাতি ৰাতি আঘাত কৰে আৰু সেয়ে এষ্ট্ৰাগণ হৈ পৰিছে ভযাতুৰ আৰু কৃপাপ্ৰাৰ্থী। এষ্ট্ৰাগণে বিচাৰে ভ্লাদিমিৰৰ যত্ন আৰু অভিভাৱকত্ব। দুইজনৰ চৰিত্ৰই অপেক্ষাৰ বিধান মানি লবলগীয়া হৈছে। এই অপেক্ষাৰ ক্লান্তি দূৰ কৰিবলৈ সময়ে সময়ে বহুৰূপী সাজিব লগা হৈছিল, অৰ্থহীন আৰু বিসঙ্গতি পূৰ্ণ কাৰ্য্যৰ

অৱতাৰণা কৰিব লগা হৈছে। ভ্লাদিমিৰ আৰু এষ্ট্ৰাগণৰ এই অভিজ্ঞতা সমূহৰ এক সাৰ্বজনীন আবেদন আছে আৰু সেয়েই এখন সৰ্বজন প্ৰিয় নাটক হব পাৰিছে।

ভ্লাদিমিৰ আৰু এষ্ট্ৰাগণৰ মধুৰ সম্পৰ্কৰ বিপৰীতে লাকী আৰু পজোৰ সম্পৰ্ক তিক্ততা পূৰ্ণ। পজো এক বলশালী ক্ষমতাবান প্ৰভু যিয়ে লাকীক নিৰ্মম ভাবে অত্যাচাৰ কৰে। জন্তুৰ দৰে তাক গলত জৰী লগাই পজোই টানি ফুৰাই নহয় বজাৰত তাক জন্তুৰ দৰে বেচাৰ কথাও ভাবে পজোহ। পজোৰ এই নিৰ্মম অত্যাচাৰে ভ্লাদিমিৰ আৰু এষ্ট্ৰাগণক লাকীৰ প্ৰতি সহানুভূতিশীল কৰি তোলাৰ লগতে দুয়ো কৰলৈ বাধ্য হৈছে যে লাকীৰ প্ৰতি এনে ব্যৱহাৰ মানবীয় নহয়। পজোই লাকীক এনেদৰে শত্ৰু সুলভ আচৰণেৰে শাস্তি দিয়ে এৰা নাই বজাৰত বিক্ৰী কৰিবও খুজিছে—

"I ought to have just uicved him out or sent him away at once but I am so kind hearted that instead of doing so I am taking him away to a fair where I hope to sell him for a good price cup the faet is that it is imposssible to drive away Such creatures The best thing would be to kill them

পজোৰ এই নিষ্ঠুৰতাৰ আৰত যেন গদোৰ প্ৰতিচ্ছবি এষ্ট্ৰাগণে দেখিবলৈ পায় আৰু ভুল কৰে পজোকেই গদো বুলি।

সময়ে সময়ে তিক্ততা, নিসঙ্গতা বোধ আৰু বিচ্ছিন্ন বোধ আহিলেও মানুহে মানুহে লগ লাগি এই পৃথিবীক বাসৰ যোগ্য কৰি তুলিব লাগিব। শূন্যতাৰ মাজত সময়ে সময়ে এনে আশাৰ ব্যঞ্জনা নাটকখনে মূৰ্ত্ত কৰি তুলিছে। এই কথাটো নাটকৰ চৰিত্ৰৰ মুখেৰে, প্ৰতীকৰ মাজেৰে প্ৰকাশিত হৈছে। পজো যেতিয়া অন্ধ হৈ দ্বিতীয় বাৰ প্ৰবেশ কৰে পজোক সহায় কৰিবলৈ ভ্লাদিমিৰ আৰু এষ্ট্ৰাগণ আগবাঢি গৈছে। পজোই কৈছে

P Help!

V We have arrived for your help

P Who are you

V We are human beings

G We are on the Sweet mother earth

ওৱেটিং ফৰ গদো এখন সাৰ্থক উদ্ভট নাটক বুলি কব পাৰি। পৰম্পৰাৰপৰা ই ফালৰি কাটি সম্পূৰ্ণ নতুন আঙ্গিক আৰু বিষয় বস্তুৰে এই নাটকে নিজৰ স্বকীয়তা প্ৰতিপন্ন কৰিছে। এটা সুস ঘবদ্ধ কাহিনীৰ পৰিবৰ্ত্তে জীবন আৰু জগত সম্পৰ্কে কেইটিমান নতুন তত্ব ইয়াত তেওঁ উপস্থাপিত কৰিছে। অস লগ্ন কাৰ্য পৰম্পৰাৰে অসংবদ্ধ স লাপ আদিৰে তাকেই লিখকে ইয়াত মূৰ্ত্ত কৰি তুলিছে। ইয়াৰ মুখ্য কথা হল মানৱ জীৱনৰ অসাৰতা আৰু অৰ্থশূন্যতা। ইয়াকে দাঙি ধৰিবলৈ যাওঁতে নাট্যকাৰে ইয়াত ফুটাই তুলিছে মানুহৰ অস্তিত্বৰ সমস্যা মৃত্যু চেতনা মুক্তি, বিচ্ছিন্নতা নিসঙ্গতা দুখ বেদনা নিসহয়তা। জীৱনৰ অৰ্থশূন্যতা আৰু ভগবানৰ অস্তিত্ব সম্পৰ্কে বিবিধ চিন্তা। এই নাটক খনত কাল অস্তিত্ব, বাস্তৱতা স্মৃতি অতীত আদি প্ৰত্যেকেই অৰ্থহীন। কাৰ্য্যবোৰ অৰ্থহীন, ধাৰাবাহিক ভাবে সময় বৈ নেযায় স্মৃতিয়েও প্ৰতাৰণা কৰে অস্তিত্ব যেন এক স্বপ্নময়। প্ৰতীকৰ মাজেৰে নিজৰ ভাব বা আদৰ্শক প্ৰকাশ কৰাটোও উদ্ভট নাটকৰ এক অঙ্গ স্বৰূপ। নাটকত গদোই বিভিন্ন ধৰণৰ প্ৰতীক বুলি সমালোচক সকলে উল্লেখ কৰিছে। গদো ভগবান, মৃত্যু সুস্থ সামাজিক শৃঙ্খলা আদিৰ প্ৰতীক। ভ্লাদিমিৰ আৰু এষ্ট্ৰাগণ অজ্ঞতা নি সহয়তাৰ, অক্ষমতাৰ প্ৰতীক। আনহাতে পজো আৰু লাকীকো বিভিন্ন ধৰণে ব্যাখ্যা কৰিব পাৰি। পজোক ভগবানৰ প্ৰতীক বুলি অনুমান কৰা হয়। লাকীক যীশুৰ লগত অন্বিত কৰাৰ প্ৰয়াস কৰে বহু সমালোচকে। পজো আৰু লাকীক শৰীৰ আৰু বুদ্ধি প্ৰভু আৰু দাস ধনীক শ্ৰেণী আৰু সৰ্বহাৰাৰ প্ৰতীক বুলিও অনুমান কৰাৰ থল আছে। বহুতৰ মতে পজোই মানব জাতি আৰু লাকীয়ে যীশুক প্ৰতিনিধিত্ব কৰে। নাটকখন প্ৰহসনৰ উপাদানৰ লগত ট্ৰেজেদিৰ উপাদান সংমিশ্ৰিত হৈ নাটকৰ উদ্ভট চৰিত্ৰক উজ্জ্বল কৰি তুলিছে।

নাটকখনৰ গঠনভঙ্গী ধ্ৰুপদী নাটকৰ দৰে সঙ্গতি পূৰ্ণ। নাটকৰ সংলাপ চৰিত্ৰ অ কন এই সকলোবোৰতে নাট্যকাৰৰ সুমিতিবোধৰ পৰিচয় পোৱা যায়। নাটকৰ মূল বিষয়বস্তুৰ লগত আনুষঙ্গিক বিষয়বস্তুৰো সঙ্গতি লক্ষ্য কৰা যায়। বিভিন্ন তত্ত্ব, বিভিন্ন কাৰ্য্য নাটকত উপস্থাপিত কৰিলেও মূল আদৰ্শৰ প্ৰতি নাট্যকাৰৰ সতৰ্ক দৃষ্টি থকাত বিষয়ৰ পৰা বিষয়ান্তৰ লৈ গলেও পিছ মুহূৰ্ত্তত আকৌ গদোৰ প্ৰতীক্ষাৰ কথাটোলৈ দৰ্শকক তেওঁ সচেতন কৰি ৰাখিছে। বিসঙ্গতি পূৰ্ণ স লাপ আৰু চৰিত্ৰৰ কাৰ্য্য প্ৰণালীয়ো মূল লক্ষ্যকে স্পষ্ট

কৰি তোলে। আনকি লাকীৰ আপাত দৃষ্টিৰ বিসঙ্গতি পূৰ্ণ ভাষণতো মূল বিষয় বস্তুৰ আভাস আছে

If we accept the view of Puncher and wattman or put Goraward in their Public works that there enxist a personal god

তেনেকৈ আপাতদৃষ্টিত সময় চেতনাক বিশৃঙ্খলা ৰূপত দেখুওৱা হৈছে যদিও সময়ৰ এক শৃঙ্খলাবদ্ধ প্ৰবাহে পজোক অন্ধ কৰিছে, লাকীক বোবা কৰিছে লঠঙা গছৰ দাললৈ বসন্ত বাতৰি লৈ উদগত হৈছে নতুন পাত।

এনেবোৰ লক্ষনাক্ৰান্ত হৈ এই নাটক খনে এখন সাফল্যমণ্ডিত উদ্ভট নাটক হিচাপে পৰিগণিত হৈছে। সেয়ে নাট্যকাৰে কৈছে যে সমসাময়িক তিনি চাৰিখনমান শ্ৰেষ্ঠ নাটকৰ ভিতৰত ওৱেটিং ফৰ গদোও এখন।

জা পল চাৰ্তৰ চিন্তা আৰু সৃষ্টি

এই শতিকাৰ অতিশয় প্ৰভাৱশালী বুদ্ধি জীৱিৰূপে জা পল চার্ত সাম্প্ৰতিক সাহিত্যিক আৰু দাৰ্শনিক ভঙ্গীৰ পথভ্ৰষ্টা। সাহস নিষ্ঠা, সততাৰ লগত তেওঁৰ ব্যক্তিত্বত সন্নিহিত হৈছিল তেওঁৰ বৌদ্ধিক দষ্টিভঙ্গী। তাৰ ফলতে সাহিত্য দৰ্শন ৰাজনীতি, সমাজনীতি সকলোদিশলৈ তেওৰ চিন্তা প্ৰসূত প্ৰভাৱ প্ৰসাৰিত হৈছে।

চার্ত এজন দায়বদ্ধ বুদ্ধিজীৱি, এজন অঙ্গীকাৰবদ্ধ লিখক। চল্লিশৰ ফেচীবাদী বিৰোধী আন্দোলন, দায়বদ্ধতাৰ সাহিত্য সৃষ্টিৰ আন্দোলন জাৰ্মান অধিগ্ৰহণৰ সময়ত তেওঁ গঢ দিয়া নাট্য আন্দোলন, আৰু আলজিৰিয়াৰ স্বাধীনতাৰ প্ৰশ্নত আন্দোলা আৰু সৰ্বশেষত নোবেল পুৰস্কাৰ অস্বীকাৰৰ যোগদি প্ৰতিষ্ঠান বিৰোধিতাৰ আন্দোলনত তেওঁ নিজকে যুক্ত কৰি সাহিত্যিক আৰু বুদ্ধিজীবিৰ দায়বদ্ধতাৰ কথাকে সাব্যস্ত কৰিব খুজিছিল।

আচলতে জাৰ্মান ফেচীবাদৰ প্ৰতিৰোধৰ দায়বদ্ধতাই চার্তৰ চিন্তাধাৰাৰ বৈপ্লবিক পৰিবৰ্তন আনে। তেওঁৰ দৰ্শন আৰু সাহিত্য জাৰ্মান অৱৰোধৰ দ্বাৰা গভীৰ ভাবে প্ৰভাবিত। ইয়ে তেওৰ চিন্তা জগতলৈ এক অভূতপূৰ্ব পৰিবৰ্তন আনে। ৰোমাণ্টিক আৰু বীৰত্বপূৰ্ণ জীৱনৰ দষ্টিভঙ্গীযে তেওঁৰ চিন্তাজগতক আলোড়িত কৰে। এই প্ৰসঙ্গত তেওঁ নিজে কোৱা কথাখিনি প্ৰনিধান যোগ্য।

We were never more free than under the Nazi occupation We had lost all our right, beginning with the righ to speak Nazi poison was seeping in our thoughts every true thought was a victory every instant we lived to the fall the meaning of that banal little phvase 'All men are mortal The choice that each of us made of his life his being was a genuine choice because it was made in the presence of death because it could alwys have been expressed in the form Rather death than Thus the basic question of freedom was set before us ; and we were brought to the point of the deepest knowledge a man can have of himself মানবীয় স্বাধীনতাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰেৰণা এই সময়তেই তেওঁ লাভ কৰিছিল।

চিন্তাৰ ক্ষেত্ৰত স্বাধীনতা অনন্যতা আৰু সময় সাপেক্ষতা তেওঁৰ বৌদ্ধিক ব্যক্তিত্বৰ অন্য এক দিশ। তেওঁ স্বাধীন চিন্তাৰ পৃষ্ঠপোষক কাৰণেই কোনো তত্বক বেদৰ দৰে সৰ্বকালৰ বাবে মানি থকাৰ পক্ষপাতী নহয়। আনহাতে কোনো সত্যক সময়ৰ লগত মিলাই তাৰ পৰিবৰ্তন সাধন কৰাৰ ওেওঁ পক্ষপাতী। চাৰ্তে শ্ৰমজীৱি মানুহৰ অগ্ৰগতি সম্পৰ্কে সুগভীৰ আকাংক্ষা আৰু বিশ্বাস পোষণ কৰিছিল বাবেই মাৰ্ক্সবাদৰ প্ৰতি আসক্ত হৈ পৰিছিল। আনকি তেওঁ এই বুলিও ঘোষণা কৰিছিল যে আমাৰ যুগত মাৰ্ক্সবাদ এনে এক দৰ্শন যাৰ বাহিৰলৈ আমি যাব নোৱাৰো আৰু অস্তিত্ববাদ তাৰেই অধীনস্থ এক মতাদৰ্শ। কিন্তু এনেকৈ কৈও তেওঁ মাৰ্ক্সবাদক সম্পূৰ্ণভাবে মানি লব পৰা নাই। আনকি তেওঁ মাৰ্ক্সবাদৰ বৈজ্ঞানিক হৃৎপিণ্ড দান্দ্বিক বস্তুবাদক খণ্ডিত কৰি তাত নতুন প্ৰাণশক্তি সঞ্চাৰৰ চেষ্টা কৰিছে।

সময় সাপেক্ষ চিন্তাৰে তেওঁ সৃষ্টিক সময়ে সময়ে পৰ্য্যালোচনা কৰি আনৰ মতবাদক কেতিযাবা খণ্ডনো কৰিছে। তেওঁৰ Being and nothingness গ্ৰন্থৰ শেষৰ নিৰাশাৰ দিকটোক বাতিল কৰি আশাবাদী হিচাপে নিজক প্ৰতিষ্ঠিত কৰিব খুজিছে। এনে এক প্ৰগতিশালী চিন্তাৰ অধিকাৰী আছিল বাবেই চাৰ্ত সমসাময়িক কালৰ এক প্ৰভাৱশালী আৰু বিতৰ্কিত চিন্তাবিদৰূপে চিহ্নিত হৈছে।

চাৰ্তৰ চিন্তাৰ মূল বিন্দু আছিল মানুহ। মানুহৰ অনুধ্যানেই আছিল তেওঁৰ দৰ্শন আৰু সাহিত্যৰ উৎস। আধুনিক অনুসন্ধানী দৃষ্টিৰে মানবীয় সমস্যাক তেওঁ চালি জাৰি চাইছে বিশেষকৈ তাৰ অস্তিত্বৰ সমস্যাক। ব্যক্তিৰ স্বাধীনতাৰ ওপৰত তেওঁ গভীৰ ভাবে প্ৰত্যাশী সমাজৰ ভবিষ্যতক শ্ৰেণীউৰ্দ্ধ ব্যক্তিৰ স্বাধীন নিৰ্বাচন আৰু কৰ্ম চেতনাৰ ওপৰত চাৰ্তে এৰি দিছে। তেওঁৰ মতে মানুহ নিৰঙ্কুশভাবে স্বাধীন আৰু বাস্তৱতে সি তাক সি নিজেই সৃষ্টি কৰিছে। সেইবাবে ঈশ্বৰৰ কোনো প্ৰয়োজন নাই। এনে কোনো বাস্তৱ মূল্যৰ অস্তিত্ব জগতত নাই যাক আমি গ্ৰহন কৰিবই লাগিব। যিভাবে আমি নিজকে গঢ়ি তোলো ঠিক সেই ভাবেই আমাৰ স্বাধীন নিৰ্বাচনৰ মাধ্যমেৰে আমি আমাৰ নিজস্ব মূল্য সমূহ সৃষ্টি কৰো।

এই চিন্তাবোৰক লৈয়ে চাৰ্ত অবিভূত হল এক দাৰ্শনিক প্ৰজ্ঞা লৈ যাক অভিহিত কৰা হৈছে অস্তিত্ববাদ বুলি। অৱশ্যে চাৰ্তে নিজকে অস্তিত্ববাদী (existentialist) বুলি কোৱা নাই। চাৰ্তৰ নিজৰ ভাষাত News Paperman made the word existentialism এই প্ৰসঙ্গত Edith Kern এও কৈছে "The word (existentialist) was applied rather by Gabriel Moral

and french journalists seized upon it eagerly as a convenient lable for sartre and his followers [১]

চাৰ্তে নিজকে অৱভাসতত্ত্ববাদী (Pheno menologist) বুলি কৈছে আৰু তেওঁৰ বিখ্যাত গ্ৰন্থ Being and Nothingness ত এক উপ শিৰোনামা প্ৰয়োগ কৰিছে An Essay in Phenomenological Ontology বুলি। চাৰ্তে এই অৱভাসতত্ত্বৰ আধাৰতে তেওঁৰ দাৰ্শনিক চিন্তাক পূৰ্ণাঙ্গ ৰূপ দিছিল। তেওঁৰ এই দৰ্শনৰ যোগেদি ব্যক্তিৰ্ণৈ আগবঢ়াইছে নিৰঙ্কুশ স্বাধীনতা। ব্যক্তিক কৰ্মৰ নিৰ্দ্ধাৰিত পথ দেখুৱাৰ পৰিবৰ্ত্তে ব্যক্তিৰ ওপৰত তেওঁ জাপি দিছে ব্যক্তিৰ ইচ্ছা আৰু নিৰ্বাচনৰ স্বাধীনতা। চাৰ্তে এনেদৰে ব্যক্তিৰ স্বাধীনতাৰ অগ্ৰাধিকাৰ দি কৈছে যে সি নিজকে সৃষ্টি কৰিব পাৰে। সি নিজেই নিজৰ প্ৰভু

কিন্তু স্বাধীনতাক গুৰুত্ব দিলেও ইয়াক স্বেচ্ছাচাৰ বুলি ধৰি ললে ভুল হ'ব। সেয়ে মানুহ যে কেৱল তাৰ ব্যক্তিগত অস্তিত্ব সম্পৰ্কে দায়ী এনে নহয় প্ৰত্যেকজন ব্যক্তিয়ে সমগ্ৰ মানৱ জাতিৰ দায়িত্ব বহন কৰে। চাৰ্তে কয় যে একোৱে কাৰো পক্ষে প্ৰকৃত ভাল হ'ব নোৱাৰে যদি সেয়া সমগ্ৰভাৱে গোটেই মানৱ জাতিৰ কাৰণে ভাল নহয়। মানুহৰ দায়িত্ব সম্পৰ্কে চাৰ্তে আৰু কৈছে—

If a man is not but makes himself, and if in making himself he assumes responsibility for the entire race if there is no value, not morality laid down a priori but if in each case we must decide alone, without any basis without guidance and yet for all, how can we fail to feel anxiety when we have to act Every one of our acts Places at stake the meaning of the world and the place of man in the universe, by each of them even when we do not intend it, we Constitute a scale of universal values, how then can it be Supposed that we will not be seikd with fear before such a total responsibility

ভগবানৰ অস্তিত্ব চাৰ্তে স্বীকাৰ নকৰে, সেয়ে তেওঁৰ মতে মানুহৰ জীৱনৰ দায়িত্ব তাৰ সম্পূৰ্ণ নিজৰ। ভিতৰে বাহিৰে এনে কোনো উচ্চতৰ সত্তা বা মানদণ্ড নাই যাৰ লগত তুলনা কৰি বা যত পৰীক্ষা কৰি মানুহে নিজৰ কামৰ ভাল বেয়া বিচাৰ কৰিব পাৰে। অৱশ্যে এনে অবাধ স্বাধীনতাও মানুহৰ কাৰণে এক যন্ত্ৰণা স্বৰূপো (Man is condemned to be free)।

---

১ Kern, Edith Sartre P 2

মানবিক অস্তিত্ব সম্পৰ্কে অস্তিত্ববাদীসকলৰ ধাৰণা হ'ল ই এক ধৰণৰ চেতনা প্ৰত্যয় যাৰ দ্বাৰা মানুহে নিজকে ঘটমান বস্তুৰ প্ৰবাহৰ পৰা বিচ্ছিন্ন কৰিব পাৰে। প্ৰবাহৰ উৰ্দ্ধত স্বতন্ত্ৰ পৰিমণ্ডল ৰচনা কৰিব পাৰে। এই প্ৰসঙ্গত চাৰ্তে স্ব মধ্যস্থ সত্তা (Being in itself) স্ব কাৰণ সত্তা (Being for itself) এই দুই ধৰণৰ সত্তাৰ কথা কৈছে। স্ব মধ্যস্থ সত্তা হ'ল বস্তু আৰু স্ব কাৰণ সত্তা হ'ল চেতনা (consciousness) তেওঁৰ বিশ্লেষণ অনুসাৰে স্ব মধ্যস্থ সত্তাৰ ভিতৰত স্ব কাৰণ সত্তা নিহিত নহয়। অৰ্থাৎ চেতনা বস্তুৰ পৰা নাহে। চেতনা আহে নেতি বা Negation ৰ মাধ্যমেৰে। সচেতন হোৱাৰ অৰ্থই হ'ল নিজৰ সন্মুখত উপস্থিত হোৱা আৰু তাৰ লগে লগে নিজৰ পৰা দূৰৈত অৱস্থিত থকা। এই দূৰত্ব কোনো সত্তা নহয় ই হ'ল সত্তাৰ নৈতিকৰণ। সেয়ে চাৰ্তৰ দৰ্শনত চেতনা হ'ল এটি মৌলিক (Original) আৰু অনাৰম্ভিক ঘটনা (Contingent)।

চাৰ্তৰ মতে সচেতন হোৱাৰ মাধ্যমেৰে আমাৰ সত্তাৰ উলম্ফন ঘটে আৰু এই প্ৰক্ৰিয়াত আমি 'একোৱে নহয় লৈ পৰ্য্যবসিত হওঁ। চেতনাৰ অধিকাৰৰ পৰা বঞ্চিত নহৈ নেতিৰ পৰা ৰেহাই পাবলৈ আমি চেষ্টা কৰো স্ব মধ্যস্থ স্ব কাৰণ সত্তা (Being in and for itself) হৈ উঠাৰ। কিন্তু গোটেই কথাটোৱে স্ববিৰোধী। সেয়ে আমি এক অনন্ত অন্বেষণৰ খেলি মেলিত পৰি ৰওঁ আৰু সেই কাৰণেই আমাৰ চেতনাই সকলো সময়তে ভুগি থাকে এক অসুস্থতাত। এয়া যেন বমিভাবৰ (Nausea) অনুভৱ।

এই অনুভৱ যে আত্মকেন্দ্ৰিক ধাৰণাৰে ফলশ্ৰুতি তাৰ প্ৰমাণ পোৱা যায় অন্যান্য মানুহৰ চেতনা সম্পৰ্কে চাৰ্তৰ বিচিত্ৰ বিশ্লেষণৰ পৰা। অন্যান্য ব্যক্তি সকলক ব্যক্তি হিচাপে অনুধাৱন কৰিব লাগিলে তেওঁলোকক কেৱল আমাৰ জ্ঞানৰ বিষয় বুলি গ্ৰহণ কৰিলে নহয়, তেওঁলোকক বিষয়ী (Subject) হিচাপেও গ্ৰহণ কৰিব লাগে। তেনে কৰাৰ লগে লগেই আমি তেওঁলোকৰ ওচৰত বিষয়ত পৰিণত হওঁ। সেয়ে অন্যৰ বিষয়িতা (Subjectivity) সীমাবদ্ধ আৰু গতিহীন হৈ পৰে। তাৰফলত অন্যৰ বিষয়িতা (অৰ্থাৎ ভাব চৈতন্য) আমাৰ বিষয়িতাৰ (অৰ্থাৎ আমাৰ চেতনাৰ) ওচৰত ভীতিপ্ৰদ হৈ উঠে। ইয়াৰ উপৰি আমাৰ জ্ঞানৰ বিষয়বোৰ যেতিয়া অন্যৰ ওচৰতো জ্ঞানৰ বিষয় বুলি আমি বুজিব পাৰো তেতিয়াই সেই অন্য ব্যক্তি হৈ উঠে আমাৰ প্ৰতিদ্বন্দ্বী আৰু বিৰোধী। এইবোৰ ধাৰণাই প্ৰমাণ কৰে যে ব্যক্তিয়ে ব্যক্তিয়ে যথাৰ্থ যোগাযোগ আৰু সহযোগিতা প্ৰায় অসম্ভৱ।

এনেদৰে অস্তিত্ব হেৰোৱাৰ আতঙ্ক আৰু অস্তিত্ব ৰক্ষাৰ দুৰ্ভাৱনাই ব্যক্তিক অসহায় কৰি তোলে। চাৰ্তৰ মতে দুসহ বোজাৰ দৰে শ্বাসৰূদ্ধ এই অস্তিত্ব নিষ্ঠুৰ বাস্তৱৰ ওচৰত ব্যক্তি অসহায় অস্তিত্ব অৰ্থহীন। কিয়েকগাৰ্ডে কৈছে বাস্তৱে আমাক পীড়িত কৰে, আতঙ্কিত কৰে ক্ষুদ্ৰাতিক্ষুদ্ৰ জীৱ সত্তাৰ পৰা ৰহস্য লোকৰ শৰীৰী সত্তা সকলোৱে। জগতৰ সকলোৱে দুৰ্বোধ্য সকলোতকৈ দুৰ্বোধ্য আমাৰ সত্তা। সমস্ত অস্তিত্বই সৰল প্ৰবাহ, আমাৰ জীৱন যন্ত্ৰনাময়। যি কোনো জীৱৰ পক্ষে অস্তিত্বৰ চৰ্তক এৰোৱা সম্ভৱ নহয় অস্তিত্বৰ সংকটৰ পৰা নিবৃত্তিৰ পথো সহজ নহয়। কিয়েকগাৰ্ডৰ হতাশাৰ মূল কাৰণ জীৱন যন্ত্ৰণা নহয়। যন্ত্ৰনাৰ পৰা মুক্তিৰ উপায়, মৃত্যুক স্বেচ্ছায় বৰণ কৰাতো অসুবিধাৰ কাৰণেহে। জীৱন দুৰ্বিসহ অথচ মৃত্যুও কৰায়ত্ত নহয়।

চাৰ্তযো জীৱনৰ দুটি প্ৰশ্নক সৰ্বাধিক গুৰুত্ব দিছে। সেয়া হ'ল মৃত্যু আৰু স্বাধীনতাৰ প্ৰশ্ন। চাৰ্তৰ ধাৰণাত জীৱন এক ধৰণৰ দুৰ্বোধ্য সংলাপ অস্বস্তিকৰ বোজা। এই জীৱনৰ প্ৰতি সময়ে সময়ে জাগে বীতস্পৃহা। কিন্তু জীৱনৰ দায়িত্বক মানুহে স্বীকাৰ কৰি লয়। নিজৰ কাৰ্য্য ৰা যি তাৰ বাবে ঘটনাক্ৰমৰ অৱশ্যম্ভাবী পৰিণতি। যাৰ ওপৰত নিজৰ কোনো সচেতন অধিকাৰ নাই তাৰ দায়িত্বক সি এৰিব নোখোজে। অস্তিত্বৰ দায়, যাৰ পৰা আমি পলাব নোৱাৰো, আনকি মৃত্যুৰ স্বপ্ন বা দুঃস্বপ্নই যাক কোনোভাবেই অৰ্থময় বা অৰ্থহীন কৰি দিব নোৱাৰে, সেয়া ঘটনা প্ৰবাহৰ বিচ্ছিন্ন যোগসূত্ৰৰ লগত বন্ধা, ফলত সি দুৰ্বহ আৰু অভিশপ্ত। মৃত্যুহে সেই প্ৰবাহত ছেদ আনিব পাৰে কিন্তু কোনো সমাধান সূত্ৰ যোগাব নোৱাৰে। অস্তিত্বৰ দায়িত্ব চেতনাত ব্যক্তিয়ে ঘটনা প্ৰবাহৰ পৰা নিজকে বিচ্ছিন্ন কৰি লৈ স্বেচ্ছা নিৰ্বাসনৰ স্বকীয় জগতত প্ৰতিষ্ঠিত হ'ব পাৰে। এই জগতত সি স্বাধীন, সি আপোচহীন সংগ্ৰামী। মৃত্যুৱে এই জগতক দিব নোৱাৰে। সেয়ে চাৰ্তৰ বাবে মৃত্যু মহিমাদীপ্ত কাঙ্খিত সমাপ্তি নহয় মৃত্যু মানুহৰ ইচ্ছা অনিচ্ছাৰ অতিৰিক্ত এক আকস্মিক ক্ষণ। বুদ্ধি বা জ্ঞান, বাসনা বা আবেগেৰে তাক গ্ৰহণ বা বৰ্জন কৰিব নোৱাৰি। এক হিচাপে মৃত্যু অৱশ্যম্ভাৱী যি মানুহৰ আয়ত্তৰ উৰ্দ্ধত, ধাৰণাবৃত্তৰ বহিভাগত তাক লৈ ভাববিলাস চাৰ্তৰ যুক্তি প্ৰত্যয়ৰ বাহিৰত। মৃত্যু চাৰ্তৰ বাবে জীৱন প্ৰবাহৰ আকস্মিক সমাপ্তি সফল সমাপ্তি নহয়, কোনো মহান পৰিণতিৰ ইঙ্গিত নহয় কিন্তু জীৱন বৃত্তৰ অস্তিত্ব প্ৰবাহৰ প্ৰতি চাৰ্ত দায়িত্বশীল আৰু সবিশেষ আগ্ৰহী। এয়াই চাৰ্তৰ চিন্তাৰ মাত্ৰাৰ দ্বান্দিক প্ৰৱণতা।

চাৰ্ত্ৰৰ মতে স্বাধীনতাই অস্তিত্বৰ একমাত্ৰ চৰ্ত। স্বাধীনতাৰ বিমূৰ্ত তত্বই নহয় চিন্তা আৰু কৰ্মত স্বাধীন চেতনাৰ শৰীৰী আত্মপ্ৰকাশে চাৰ্ত্ৰৰ জীৱনসঞ্জাত কৰ্ম প্ৰচেষ্টাক অৰ্থময় কৰি তুলিছে। ঘটনাপ্ৰবাহ বিচ্ছিন্ন সচেতন ব্যক্তিত্ব প্ৰত্যয়নিষ্ঠ প্ৰত্যয়ৰ কাৰণে অৰ্থাৎ অন্য নিৰপেক্ষ স্বাধীন ভাৱনাৰ কাৰণে সেই ব্যক্তিত্ব হেলাৰে স্বেচ্ছা নিৰ্বাসিত জগতত আৰূঢ়। যি জগতৰ পৰা তাক লৰাব নোৱাৰি সেই জগতত ব্যক্তি স্বৰূপে সুপ্ৰতিষ্ঠিত মানুহ স্বভাৱতে স্বাধীন আৰু সংগ্ৰামী। সেই জগতত ব্যক্তিৰ নৈতিক স্বেচ্ছাচাৰ, সামাজিক সংস্কাৰ তথা গোষ্ঠী ৰাজতন্ত্ৰৰ প্ৰথাসিদ্ধ ভাবনা আৰু শাসনৰ চকুত হেলাৰে অস্বীকাৰ কৰি ব্যক্তি সিদ্ধান্তত সি অটুত থাকে। আত্ম সিদ্ধান্তই আত্ম বিকাশৰ মাধ্যম আৰু সেই সিদ্ধান্তৰ কোনো বিকল্প নাই। প্ৰবাহ বিচ্ছিন্ন অস্তিত্ব স্বৰূপ সন্ধানীৰ বাবে কোনো মত বা পথেই চূড়ান্ত নহয়। চূড়ান্ত হ'ল ব্যক্তিত্বৰ স্বাধীনতাৰ কাৰণে আপোচহীন সংগ্ৰাম আৰু এই সচেতন সংগ্ৰামে ৰাজনৈতিক, ধৰ্মীয়, সামাজিক কোনো খেচাৰ ওচৰত নতি স্বীকাৰ নকৰে। ব্যক্তিত্বৰ অপাৰ সম্ভাৱনাৰ কথা যিযে ভাবে তাৰ বাবে দেশ জাতি বা ভাষা কোনো খণ্ডিত সত্বা নহয়। দেশ, জাতি, ভাষা বা বিশ্বাস ঘটনাক্ৰমৰ যোগাযোগ মাত্ৰ। স্বাধীনতাৰ প্ৰশ্নত, নীতিযুক্তিৰ প্ৰশ্নত, ভৌগলিক সীমাৰেখাৰ উৰ্দ্ধত তেওঁৰ বক্তব্য সোচ্চাৰ হব পাৰে।

চাৰ্ত্ৰৰ নঞৰ্থক অস্তিত্ব তত্বৰ সম্পৰ্কত কব পাৰি যে তেওঁ অস্তিত্বক স্বীকাৰ কৰিছে আৰু অস্তিত্বৰ ভিতৰৰ নঞৰ্থক এক অৱস্থাৰ কথাও কৈছে। অস্তিত্বৰ ভিতৰৰ এই ধৰণৰ নঞৰ্থকতা, যাৰ ব্যাপ্তি অসীম আৰু যি স্বেচ্ছাচাৰী স্বাধীন সেয়াই চাৰ্ত্ৰৰ দৰ্শনৰ মূল ভাৱনা। চাৰ্ত্ৰে কৈছে স্বৰূপ হ'ল এক ধৰণৰ নঞৰ্থক স্বভাৱ, ই অস্তিত্বৰ আগতো নাই ই অস্তিত্ব বহিভূত কোনো ঘটনাও নহয়। মানুহৰ মাজৰ যি মানৱতা, যিয়ে মানুহৰ মৰণশীলতাক অৱজ্ঞা কৰে সেই মানৱতা অস্তিত্ব নিৰপেক্ষ নাস্ত্যৰ্থকতাৰ ধাৰক। কিন্তু মানুহ নাস্ত্যৰ্থকতাৰে অভিব্যক্তি নহয়, মানুহৰ জৈৱিক অস্তিত্ব আছে, বিবিধ সংস্কাৰ আছে, সৰ্বোপৰি আছে অস্মিতা। নাস্ত্যৰ্থকতা হ'ল সেই ধৰণৰ মানবিক ভাব যাৰ মাজত আছে অস্তিত্ব নিৰপেক্ষতা প্ৰবাহ অতিৰিক্ত অস্তিত্ব ভাৱনা। স্বাধীনতা হ'ল অস্তিত্ব নিৰপেক্ষ স্বভাৱৰ চূড়ান্ত অভিব্যক্তি। স্বাধীনতা নামৰ চেতনা কেৱল স্বৰূপৰেই গুণমাত্ৰ নহয় স্বাধীনতাই স্বৰূপৰ অভিব্যক্তি।

চাৰ্ত্ৰৰ এই চিন্তাধাৰাৰ স্বাক্ষৰ বহন কৰি প্ৰকাশিত হ'স তেওঁৰ প্ৰথম

উপন্যাস নচিয়া (Nausea)। ১৯৩৮ চনত চাৰ্তৰ তেত্ৰিশ বছৰ বয়সত এই উপন্যাসখন প্ৰকাশিত হয়। ই তেওঁৰ জীৱনৰ এক মহৎ সৃষ্টি বুলি কব পাৰি। ইয়াত তেওঁ কাহিনীক নিজস্ব দৰ্শন প্ৰকাশৰ মাধ্যম স্বৰূপে গ্ৰহণ কৰিছে। ইয়াক চাৰ্তৰ ব্যক্তিগত অভিজ্ঞতাৰ স্পষ্ট বিবৃতি বুলিও কব পাৰি।

এই উপন্যাসৰ নায়ক ৰোকুত (Roquentine) বয়সত তৰুণ কিন্তু জ্ঞানত বৃদ্ধ আৰু বুদ্ধিদীপ্ত। তেওঁ এজন গৱেষক। অষ্টাদশ শতিকাৰ ইউৰোপৰ প্ৰসিদ্ধ ৰাজনীতিবিদ বোল বো মাকু ইচৰ জীৱন আৰু চিন্তাধাৰাৰ ওপৰত তেওঁ এখন গ্ৰন্থ ৰচনা কৰিব। ৰোক্যুত বোভালিলৈ আহিছে কাৰণ বোভালি হল মাকু ইচৰ জন্মস্থান। পুথি ভড়ালত অধ্যয়ণ কৰি সি সময় কটায়। এনেদৰে বোভালিত তিনি বছৰ কাটি গল। তাৰ কাম প্ৰায় শেষ হোৱাৰ পথত।

এই সময়তে ওগিয়াৰ নামৰ এজন ভদ্ৰলোকৰ সতে ৰোকুতৰ পৰিচয় হয় আৰু তাৰ পাছত ঘনিষ্ঠতা গঢ়ি উঠে। ৰা ফ্ৰাঙ্কচ নামৰ এগৰাকী মহিলাৰ লগতো তাৰ ঘনিষ্ঠতা জন্মে। দুয়োৰে সম্পৰ্ক হৈ পৰে দেহকেন্দ্ৰিক।

দিন যোৱাৰ লগে লগে ৰোকুতৰ মাজে মাজে কিবা এক মানসিক বিকাৰৰ ভাব জাগি উঠে। এই বিকাৰৰ প্ৰতিক্ৰিয়া তাৰ দেহ মনত আৰম্ভ হব ধৰে অবিৰত ভাবে। তাৰ বন্ধু ওগিয়াৰ আহে কিন্তু এই সঙ্গ তাৰ ভাল নালাগে।

তিনি বছৰ ধৰি মাকু ইচৰ জীৱন আৰু চিন্তাধাৰা সম্পৰ্কে সি নানা তথ্য উদ্ধাৰ কৰিলে। গ্ৰন্থখনত সি এই বিষযে বিস্তৃতভাবে লিপিবদ্ধও কৰিলে। কিন্তু এই সময়তে এই গবেষণা তাৰ বাবে নিৰৰ্থক বুলি প্ৰতীয়মান হল। তাৰ ভাব হল মাকু ইচে যেন তাৰ ব্যক্তিসত্তাৰ সকলোখিনি গ্ৰাস কৰি পেলাইছে। সি উপলব্ধি কৰিলে এই ধৰণৰ বিষয় যি কোনো অক্লান্ত প্ৰয়াসেই নিৰৰ্থক। মাকু ইচৰ ব্যক্তিত্ব এতিয়া মৃত আৰু অপ্ৰয়োজনীয়।

ৰোকুত জীৱনী ৰচনাৰ কামৰ পৰা বিৰত হল যদিও পুথিভড়াল এৰাৰ কথা নেভাবিলে, কিন্তু গবেষণাৰ বিষয় মিছা আৰু অৰ্থহীন বুলি প্ৰতীয়মান হোৱাৰ লগে লগে তাৰ জীৱনটোও অৰ্থহীন বুলি ভাব হল। এই ব্যৰ্থ জীৱন নিশেষ কৰি দিয়াৰ কথাও ভাবিলে। সচাই এই জীৱন অসহ্যকৰ।

এনে সময়তে তাৰ পূৰ্ব প্ৰেমিকা এনেৰ লগত সাক্ষাৎ ঘটিল। এনেক দেখি তাৰ মোহভঙ্গ হল। এনে যেন বদলি গৈছে। সি একোবাৰ ভাবে তাই হয়তো ঠিকেই আছে এয়া তাৰ মনৰ ভ্ৰান্ত ধাৰণা। এনেও গভীৰ চিন্তাত তন্ময় হয়তো তায়ো তাইৰ পূৰ্বৰ প্ৰেমিক জনক ৰোকুতাৰ মাজত বিচাৰি নেপাই

হতাশ হৈ পৰিছে। ৰোকুতক তাই আৰু নিবিচাৰে। তাক তাই খেদি দিলে।

আহত ৰোকুত উভতি আহিল। তাৰ প্ৰেমিকা এনে এতিয়া এক অজান পুৰুষৰ বাহুলগ্ন অৱস্থাত। হয়তো এই নতুন প্ৰেমিকৰ কাৰণেই তাই খেদি পঠিয়াইছে ৰোকুতক। এই ঘটনাৰ পাছত তাৰ আৰু জীয়াই থকাৰ ইচ্ছা নাইকিয়া হ'ল।

কিছুদিন পাছত ৰোকুত তাৰ বোভালিৰ বন্ধুৰ ওচৰলৈ গ'ল। পুথি ভড়াললৈ গৈ বন্ধুৰ সন্ধান পালে। বন্ধুৱে দুজন কিশোৰ লৰাক কিবা পঢ়ি শুনাইছে। সিও গৈ সিহঁতৰ ওচৰত বহিল। অলপ পাছতে সি তাৰ বন্ধুৰ মতলব বুজি পালে। সেই লৰা দুজনক তাৰ বিকৃত লালসা পূৰণৰ বাবে লৈ অহা বুলি বন্ধুৱে তাৰ সন্মুখত প্ৰকাশ কৰি দিলে। পুথিভঁড়াল কৰ্তৃপক্ষই এই কথা জানিব পাৰি ৰোকুতৰ বন্ধুক তাৰ পৰা খেদি দিলে।

এইবাৰ ৰোকুত পূৰ্বৰ মহিলা বান্ধৱী গৰাকীৰ ওচৰলৈ গ'ল। তাইয়ো তাক গুৰুত্ব নিদি তাৰ ওচৰৰ পৰা ফালৰি কাটি গ'ল। তাইৰ সতে এবাৰ কথা পতাৰো সুযোগ নেপালে ৰোকুতে। এইবাৰ সি সকলোকে এৰি পেৰিচলৈ উভতি অহাৰ বাবে সাজু হ'ল আৰু হঠাতে সি ভাবিলে তাৰ নিজৰ জীৱনক লৈ উপন্যাস এখন লিখিলে কেনে হয়। তাৰ গৱেষণাৰ বক্তব্যতকৈ উপন্যাসখন হয়তো বহুতৰে পছন্দ হব। কিন্তু সি পিছ মুহূৰ্তত ভাবিলে তাৰ নিজৰ জীৱনত এই উপন্যাসৰ মূল্য কিমান? তাতে জানো তাৰ ব্যক্তিজীৱনৰ জটিল সমস্যাৰ সমাধান হব। পাব জানো সি নিজ অস্তিত্ব বজাই ৰখা দুৰূহ সমস্যাৰ পৰা নিষ্কৃতি।

Nausea শব্দৰ অৰ্থ লেটিনত সমুদ্ৰ পীড়া। ক্ৰমাগত আন্দোলনত একধৰণৰ অসুস্থতাৰ ই পৰিণতি। এই পীড়া বহিঃশক্তি হিচাপে উপস্থিত হলেও ব্যক্তিয়ে অন্তৰ্জগততো তাক উপলব্ধি কৰিবলৈ বিশেষ সক্ষম। প্ৰধানত নচিয়াৰ তীব্ৰ অনুভূতিয়ে বমিভাবৰ একমাত্ৰ কাৰণ হৈ উঠিব পাৰে আকৌ সেয়া নঘটিবও পাৰে। বমি ভাব বা বিবেক যন্ত্ৰণাৰ মূলত বহুতো কাৰণ বৰ্ত্তমান, যদিও আভ্যন্তৰীণ জগতৰ পৰা সেই অৱস্থাৰ উদ্ভৱ ঘটে আৰু ই এক বিৰক্তিকৰ পৰিবেশ ৰচনা কৰে। এই পৃথিৱীত বিভিন্ন উপাদান আছে যাক আমি নিৰাপদভাৱে আত্মস্থ কৰিব নোৱাৰো গতিকে তাক সহ্য কৰাও কঠিন। তেতিয়াই আমাৰ আভ্যন্তৰীণ জগতত সমুদ্ৰৰ দৰে বহিৰ্জগতৰ শক্তিয়ে বমি ভাবৰ উদ্ৰেক

কৰে। আমাৰ সীমিত স্বাধীনতাৰ ভিতৰত একধৰণৰ উদ্বেগ আৰু অস্থিৰতাৰ অভিজ্ঞতা জাগৰিত হয়। সমুদ্ৰই আমাৰ সত্তাক পৰিবেষ্টিত কৰি ৰাখিছে। ইয়াৰ উপৰিও সমুদ্ৰই আমাৰ সহ্যশক্তিৰ শেষ প্ৰান্ত পৰ্য্যন্ত নিয়ন্ত্ৰিত কৰিছে। আমাক জনাৰ সি সুযোগ নিদিয়ে কেতিয়া আমাক মুক্ত কৰি সি অপসৃত হ ব। এই অনিশ্চয়তাই বমি ভাবৰ অভিজ্ঞতা আৰু আতঙ্ক সৃষ্টি কৰে। এবাৰ সেয়া ঘটিলে বাৰে বাৰে তাৰ পুনৰাবৃত্তি আমাৰ জীৱনত দেখা দিয়ে। আনকি সমগ্ৰ যাত্ৰাত অবিৰাম অনুষঙ্গত সি অৱস্থান কৰে। তেতিয়াহলৈ আমি আৰু কোনো স্বাধীনসত্তা হৈ নৰওঁ।

ত্ৰি াৰ দশকত এই উপন্যাসখনত বিশেষ গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিছিল। এই সময়তে চাৰ্ত হাইডেগাৰ হৰ্চাল আদিৰ তত্ত্ব সম্পৰ্কে জ্ঞান আহৰণ শিক্ষকতা ভ্ৰমন আদিত ব্যস্ত। এই সময় চাৰ্তৰ বাবে চিন্তাৰ জগতৰ এক বিপৰ্য্যয়ৰ সময়। অৱশ্যে নাচিয়াই সেই স কটকালৰ পৰা পৰিত্ৰানৰ কোনো ইঙ্গিত বহন কৰা নাই। ইয়াত যদিও মুখ্য চৰিত্ৰৰ বিজয় ঘোৰনা কৰা হোৱা নাই তথাপি চাৰ্তৰ বাবে ইয়ো এক ধৰণৰ স্বাধীনতা।

চাৰ্তে নাৎসী শিবিৰত যুদ্ধবন্দী হৈ থাকোতেহ নাটক লেখা আৰম্ভ কৰে। নাট্যকাৰ হিচাপে তেওঁৰ কৃতিত্ব প্ৰকাশ পায় দি ফ্লহ্জ 'নো একজিট, 'দি ৰেচপেকটেবল প্ৰচটিটিউট, নাটকত। সাহিত্য হিচাপে তথা অস্তিত্ববাদৰ ব্যাখ্যা হিচাপে 'নোএকজিট শ্ৰেষ্ঠতৰ ৰচনা কিন্তু পদদলিত দেশবাসীক স্বাধীনতা অৰ্জনৰ চেষ্টাত উদ্বুদ্ধ কৰাৰ ক্ষেত্ৰত 'দি ফ্ৰাইজ নাটকৰ অৱদানৰ তুলনা নাই। এই নাটকখনত গ্ৰীক কাহিনী এটাক নব্য দষ্টিভঙ্গীৰে ৰূপ দিয়া হৈছে। গ্ৰীক দেশৰ ওৰেষ্টচৰ উপখ্যানত দেখা যায গ্ৰীক সকলৰ প্ৰধান সেনাপতি ৰজা আগমেমননে ট্ৰয় জয় কৰি নিজ ৰাজ্যলৈ উভতি আহি দেখিলে তেওঁৰ স্ত্ৰী ক্লাইতেমনেস্ত্ৰাই ৰাজ্য ৰক্ষণাবেক্ষণৰ কাৰণে ভাৰপ্ৰাপ্ত ব্যক্তি ইগিচথাচৰ লগত অবৈধ প্ৰণয়ত লিপ্ত হৈছে। ইগিচথাচ আৰু ক্লাইতমনেস্ত্ৰাই ষড়যন্ত্ৰ কৰি নিষ্ঠুৰভাবে হত্যা কৰিলে আগমেমননক। আগমেমনেনৰ একমাত্ৰ পুত্ৰ ওৰেষ্টচক হত্যা কৰিবলৈও তেওঁলোকে চেষ্টা কৰিলে কাৰণ তেতিয়াহলে আগামেমননৰ নাম চিৰদিনৰ কাৰণে নাইকিয়া হৈ যাব। ওৰেষ্টেচে এই কথা জানিব পাৰি ভনীয়েক ইলেকট্ৰাৰ সহায়ত পেহীয়েকৰ ঘৰলৈ পলাই গল। ইপিনে ইগিথাচে ওৰেষ্টেচৰ পিতৃৰাজ্যত যি ইছা তাকে কৰিব ধৰিলৈ। ওৰেষ্টচৰ মাকে প্ৰকাশ্য ভাৱে ইগিচথাচৰ লগত পৰিণয় সূত্ৰত বান্ধ খালে। ওৰেষ্টেচে পিতৃহত্যাকাৰীক হত্যা কৰিবলৈ দৃঢ় সংকল্প ললে।

সাতবছৰ ধৰি তেওঁ পিতৃ ৰাজ্যত আত্মগোপন কৰি থাকি অত্যাচাৰী ইগিচথাচক হত্যা কৰি পিতৃহত্যাৰ উপযুক্ত প্ৰতিশোধ ললে। নাটকত ইগিচথাচৰ লগত অত্যাচাৰী আৰু পৰৰাজ্য দখলকাৰী নাৎসী সকলক যে তুলনা কৰা হৈছিল সেয়া সহজে অনুমেয়।

এই নাটকতো স্বাধীনতাৰ প্ৰশ্নটোৱে সৰ্বাধিক গুৰুত্ব লাভ কৰিছে। Theophil Spoerri ৰ ভাষাত It is a modern orestecia which formulate the ags old problem of freedom in a **bold** and modern way ২

চাৰ্তৰ মতে বন্দীত্বৰ মাজতে স্বাধীনতাৰ সত্য আবিষ্কাৰ হয়। অতীত সংস্কাৰ, ধৰ্ম ইত্যাদিয়ে প্ৰাচীৰৰ দৰে থিয় দি থাকি ব্যক্তিক বন্দী কৰে। এই প্ৰাচীৰৰ ভয়ংকৰ ভ্ৰূকুটিক উপেক্ষা কৰি ব্যক্তিয় বাচি লব লাগে তাৰ পথ নিজ দায়িত্বক। এই নাটকখনত দেখা যায় ওৰেষ্টচক শিক্ষকে আৰু আনফালে স্বৰ্গৰ দেৱতা জুপিটাৰে শৃঙ্খলিত কৰাৰ চেষ্টা কৰিছিল এজনে বাস্তৱবোধ তথা গা এৰাই চলা সংস্কাৰৰ নামত আৰু আনজনে ধৰ্ম আৰু নীতিবোধৰ নামত। দুয়োৰে বিৰুদ্ধে গৈ ওৰেষ্টেচে নিজৰ পথ বাচি লয়। নাটকখনত স্বাধীনতাৰ প্ৰশ্নটোকো উত্থাপন কৰা হৈছে। জুপিটাৰে ইগিষ্টাচৰ আগত ওৰেষ্টেচৰ চক্ৰান্ত প্ৰকাশ কৰি দি ওৰেষ্টেচৰ বিনাশৰ বাবে ৰজাৰ সাহায্য বিচৰাত ৰজাই আচৰিত হৈ জুপিটাৰক সুধিছিল তেওঁ কিয় নিজে ওৰেষ্টেচক নিয়ন্ত্ৰণ কৰিব নোৱাৰে। জুপিটাৰে তাৰ উত্তৰত কৈছিল, মানুহৰ অন্তৰত এবাৰ মুক্তিৰ চেতনাৰ বিস্ফোৰণ ঘটলে দেৱতা সকলেও একো কৰিব নোৱাৰে।

এফালে ধৰ্ম আৰু ঈশ্বৰক অস্বীকাৰ কৰি নিজ দায়িত্ব স্বীকাৰ আনফালে ফৰাচী জনসাধাৰণৰ ওচৰত আবেদন—ইগিচথাচৰ দৰে জাৰ্মান আক্ৰমণকাৰীক আঘাত কৰা, ক্লাইতেমনস্ত্ৰাৰ দৰে যি বিশ্বাস ঘাটকে বিদেশী আক্ৰমণকাৰীক স্বাগতম জনাই নিজ দেশলৈ লৈ আহে তাকো আঘাত কৰা, ৰাষ্ট্ৰ আৰু ধৰ্মীয় প্ৰতিষ্ঠানে যেতিয়া সাধাৰণৰ মুক্তিৰ পথত বাধাৰ সৃষ্টি কৰিবলৈ একতাবদ্ধ হয় সেই ধৰ্মকো আঘাত কৰা এই কৰ্ম সিদ্ধান্তক বাচি লবলৈয়ে যেন নাটকখনে অনুপ্ৰাণিত কৰিছে। চাৰ্তৰ দৰ্শনত স্বাধীনতাৰ আৰ্তি আৰু মানুহৰ নিজ অধিকাৰ এক বিন্দুত মিলিত হয়, যেতিয়া মানুহে অকলে নিজৰ বিশ্বাসেৰে

২ S Poerri Theophil The Structure of Exislence The Flies in Sartre P 54

কোনো সিদ্ধান্ত গ্ৰহণ কৰি পথ বাচি লয়। যদিও চাৰ্তে কয় যে এই ব্যক্তিগত সিদ্ধান্ত গ্ৰহণৰ অন্তৰালত নিহিত থাকে ইতিহাসৰ ভেটিত গঢ়ি লোৱা বিশ্বচেতনা। তথাপি এইটো অনস্বীকাৰ্য্য যে এই সিদ্ধান্ত ব্যক্তিগত।

নো একজিট নাটকৰ পটভূমি নৰক। নৰকৰ এটা লেতেৰা আৰু কমদামী হোটেলত তিনিজন মানুহক দেখা যায়। তাৰে দুজন পুৰুষ আৰু এগৰাকী নাৰী। এওঁলোক কোনেও কাকো নিবিচাৰে কিন্তু ঘটনাচক্ৰত তিনিও একেলগে এই ঠাইত উপনীত হৈছে। ইয়াৰ পৰা কাৰো বাহিৰ ওলোৱাৰ সাধ্য নাই। নাট্যকাৰৰ বক্তব্য হ ল যিয়ে যাক নিবিচাৰে সেযাই মানুহৰ পক্ষে হৈ পৰে নৰকতুল্য।

এই নাটকৰ আন এক বক্তব্য হ ল ফ্ৰয়েদীয় ধাৰণাৰ প্ৰতি থকা চাৰ্তৰ অবিশ্বাস। চাৰ্তে ফ্ৰয়েদৰ অৱচেতন তত্ত্বক নেমানে। তেওঁৰ মতে মানুহে যি কৰে সেয়া সচেতনভাৱেই কৰে। মানুহ সম্পূৰ্ণ সচেতন আৰু এই কাৰণেই মানুহৰ কাম আৰু আচৰণৰ বাবে সি সম্পূৰ্ণভাবে দায়ী। ফ্ৰয়েদৰ লগত তেওঁৰ আন এক বিৰোধ হ ল শৈশবৰ অভিজ্ঞতাই মানৱচৰিত্ৰ গঠন কৰা ধাৰণা সম্পৰ্কে। শৈশৱৰ অভিজ্ঞতাৰ প্ৰভাৱত মানুহৰ অৱচেতনত সংস্কাৰৰ প্ৰতিষ্ঠা আৰু সেই সংস্কাৰেৰে মানব চৰিত্ৰ গঠন কৰাৰ কল্পনা কৰিবলৈ গৈ ফ্ৰয়েদে ব্যক্তিৰ স্বদায়িত্ব বা ভূমিকাক লাঘব কৰে। চাৰ্তে সেয়ে তাক মানি নলয়। চাৰ্তৰ মতে অন্যৰ চকুত নিজকে সজোৱাৰ চেষ্টা বস্তুত নিজ দায়িত্বৰ পৰা পলোৱাৰ চেষ্টা মাত্ৰ।

'মেন উইদাউত চেদোজ নাটকৰ বিষয়বস্তু হ ল নিৰ্য্যাতন। প্ৰতিৰোধ আন্দোলনৰ কেইজনমান সংগ্ৰামী নেতা বন্দী হৈ নিৰ্য্যাতিত হয়। তেওঁলোকৰ নেতাৰ সন্ধান লাগে অত্যাচাৰীক। অন্য কোঠাত থকা বাকীবোৰৰ অপেক্ষাৰ প্ৰতিক্ৰিয়া নাটকৰ মূল অৱলম্বন। দি ৰেচপেকটেবল প্ৰচটিটিউট নাটক অস্তিত্ববাদৰ আন এক উদাহৰণ। তেওঁৰ শেহতীয়া দুখন নাটক নেৰকাচভ (Nerkassov) আৰু কনাদেম অব এলটোনা ত ৰাজনৈতিক বিষয় বস্তুৰে আত্মপ্ৰকাশ কৰিছে।

গল্প উপন্যাস নাটকৰ উপৰিও তেওঁৰ দাৰ্শনিক গ্ৰন্থ L Etre et be Neant (Being and nothingness) আৰু L Existentialisme Est un Humanisme (Existential is Humanism, এ অস্তিত্ববাদী আন্দোলনক সক্ৰিয় কৰি তোলে। এনেদৰে চাৰ্তে সৃজনীমূলক প্ৰতিভাৰে গল্প উপন্যাসৰ নাটকৰ দিশলৈ উল্লেখযোগ্য বৰঙনি আগবঢ়োৱাৰ লগতে চিন্তাৰ জগতলৈও উল্লেখযোগ্য বৰঙনি আগবঢ়ায়।

ৰোমাণ্টিক বৈশিষ্ট্য আৰু ইংৰাজী ৰোমাণ্টিক কবিতা

ওঠৰ শতিকাৰ শেষৰ ফালে সামাজিক ৰাজনৈতিক জগতত এক নৱ জাগৰণৰ সূত্ৰপাত হয় আৰু ই সাহিত্য শিল্পত এক আবেগ সঞ্জাত আতিশৰ্যৰূপে প্ৰতিফলিত হৈ উঠে। ১৭৯৮ চনৰ পৰা ১৮৩২ চন মানৰ ভিতৰত গোটেই পশ্চিম ইউৰোপক বিধৌত কৰি এই আন্দোলনে ইংলণ্ডত চুড়ান্ত ৰূপত প্ৰকাশি উঠে। এই গোটেই আন্দোলনটোৰ মুখ্য প্ৰেৰণা আহিছিল মানবীয় মুক্তিৰ ধাৰণাৰ পৰা। মানবীয় মুক্তিক সম্ভৱ কৰি তুলিবলৈ যাওতে বাটত লগ পোৱা কুসংস্কাৰ, প্ৰথাগত প্ৰমূল্য আদিক ভাঙি চিঙি পেলোৱাৰ এক আকুলতা ইয়াৰ মাজত প্ৰকাশ পালে। ৰাজনৈতিক ক্ষেত্ৰত এই আন্দোলনে যেনেকৈ গণতান্ত্ৰিক চিন্তাৰ উন্মেষ ঘটালে সাহিত্যৰ ক্ষেত্ৰতো এই আন্দোলনে মানুহক কেন্দ্ৰবিন্দু ৰূপে প্ৰতিষ্ঠা কৰিলে। এই মানুহ হল ব্যক্তি মানুহ, সাধাৰণ মানুহ। সামাজিক আচাৰ ব্যৱহাৰ, সংস্কাৰ আদিৰ উৰ্দ্ধত প্ৰতিষ্ঠা কৰা হল মানবীয় প্ৰমূল্যক। সসীমৰ পৰিবৰ্তে অসীমৰ সন্ধানত ব্ৰতী হ'ল কবি সাহিত্যিক সকল। গতানুগতিকতাৰ পৰা মুক্ত হৈ সাহিত্যই অৰ্জন কৰিলে প্ৰাণময়তা। সাহিত্যত জন্ম হল এক অপূৰ্ব মনোভঙ্গীৰ যত নাই উপদেশ বা উপহাসৰ তীৰ্যক সুৰ সৌষম্য, সুসঙ্গতি আৰু শৃঙ্খলাবদ্ধ নীতি নিয়মৰ অনুবৰ্ত্তিতা। এওঁলোকৰ চকুত বিস্ময়ৰ মোহাঞ্জন, হিয়াত নিষ্কলুষ সৌন্দৰ্য্যৰ কাৰণে গভীৰ আৰ্ত্তি, অধৰাক ধৰাৰ আকুলতা আৰু বাস্তব জীৱনৰ খণ্ডতাক কল্পনাৰে অখণ্ডভাৱে পোৱাৰ ব্যাকুলতা। সাহিত্যিকৰ ব্যক্তিত্ববোধ আৰু আত্মাভিমানে এই সাহিত্যিক দিলে এক নতুন উদ্যম। ব্যক্তি স্বাতন্ত্ৰ্যৰ উল্লাসত তেওঁলোকে নোপোৱাক পোৱাৰ আকুলতা লৈ দুঃসাহসিক অভিযানত ভৰি দিবলৈও কুণ্ঠাবোধ নকৰা হল। সাহিত্যিক সকলে পুৰণি পৃথিৱী ভাঙিচিঙি নতুন পৃথিৱী গঢ়িবলৈ আগবাঢ়ি আহিল।

হিলদল ভঙা আবেগ আপ্লুত এই আন্দোলনটোৰ নামেই ৰোমাণ্টিক আন্দোলন। এই ৰোমাণ্টিক শব্দটোৰ মূল হল ফৰাচী শব্দ Romanz। এই শব্দটোৰ মাজতে আন্দোলনটোৰ মূল বৈশিষ্ট্য সমূহ লোমাই আছে। সাহিত্যই

পুৰণি আভিজাত্য পৰিহাৰ কৰি জনসাধাৰণৰ কাষ চাপিব খোজা প্ৰৱণতাতে ৰোমাণ্টিকতাৰ জন্ম। সাহিত্য হৃদয় সংবাদী হ'বলৈ হলে ভাষাৰ কৃত্ৰিমতা পৰিহাৰ কৰিব লাগিব। লগতে ইয়াত থাকিব লাগিব আবেগ কল্পনা আৰু সৌন্দৰ্য্য চেতনাৰ দৰে ব্যক্তিগত ভাব অনুভূতিৰ প্ৰকাশ এই গুণবোৰৰে বিস্তাৰ এই ৰোমাণ্টিক শব্দটোৰ ইতিহাসত সোমাই আছে।

এই আন্দোলনটোৰ মুখ্য আদৰ্শ আছিল মানবীয় মুক্তি। এই মুক্তি সকলো বন্ধন তথা সামাজিক সংস্কাৰ আৰু লগতে সাহিত্যৰ ধ্ৰুপদী সাঁচৰ কঠোৰ নীতি নিয়মৰ নিগঢ়ৰ পৰা। এই মুক্তিৰ স্বপ্নই মানৱতাৰ ভেটি কৰি তুলিলে সুদৃঢ়। সাহিত্যত প্ৰথমবাৰৰ বাবে গণতান্ত্ৰিক চিন্তাৰ উন্মেষ ঘটিল। সাধাৰণ মানুহৰ জীৱনৰ সুখ দুখ, হাঁহি কান্দোনেৰ মুখৰ হল সাহিত্য। এই ক্ষেত্ৰত ফৰাচী বিপ্লৱে ইয়াৰ স্বাধীনতা সাম্য মৈত্ৰীৰ বাণীৰে এক বিশেষ প্ৰভাৱ পেলালে। ফ্ৰান্সত মানবীয় সমতাৰ প্ৰশ্ন তোলা হৈছিল এই বিপ্লৱৰ আগে আগে আৰু তাক কেন্দ্ৰ কৰিয়ে আন্দোলনটোৱে বিশেষ গতি লাভ কৰিছিল। ফৰাচীৰ স্বাধীন চিন্তাবিদ কেইজনমান আৰু বিশেষকৈ ৰুচোৰ মানবতাবাদী চিন্তাসমূহে এই জাগৰণত বিশেষ সহায় কৰিছিল।

সকলো সংস্কাৰ ভাঙি চিঙি পেলোৱাৰ প্ৰতিশ্ৰুতি লৈ প্ৰকাশি উঠা ৰোমাণ্টিক সাহিত্যই ধ্ৰুপদী ৰীতিৰ পৰা বিচাৰিলে মুক্তি। সেয়ে ভিক্টৰ হুগোই ইয়াক অভিহিত কৰিলে Liberalism of Literature বুলি। ফৰাচীত Victor Hugo ই সাহিত্যত মুক্তিৰ কথা পোষকতা কৰাৰ দৰে জাৰ্মানীতো Heine এও এই মুক্তিৰ কথা কৈছিল। ইয়াত প্ৰখ্যাত সাহিত্যিক আন্দোলন sturm and Dreng বো মুখ্য আদৰ্শ আছিল সাহিত্যৰ বিপুল মুক্তি। ইংৰাজী সাহিত্যতো এই মুক্তিৰ আদৰ্শই প্ৰধানভাৱে প্ৰকাশ পালে। ইংৰাজী কাব্য সাহিত্যৰ স্থবিৰ আৰু গতানুগতিক ভঙ্গীৰ কাৰণে এক বিশেষ পৰিবৰ্ত্তনৰ প্ৰয়োজন হৈ পৰিছিল। এই অৱস্থাৰ কথা বৰ্ণনা কৰি Theodre watts Dunton-এ কৈছে—

"Poetic art had come to Consist in clever manupulation of the stock Conventional language Common to all writers alike the language of poetry had become so utterly artiticial, so entirely removed from the language in which the soul of man would naturally express its emotions, that poetry

must die out all together unless some kind of reaction should set in ১

প্ৰাক ৰোমাণ্টিক কবি Thomson এ এই ভঙ্গীৰ অৱসান ঘটাই এক নতুন জাগৰণ আনিলে। পিছলৈ ৱৰ্ডচৱৰ্থৰ হাতত এই কাব্যিক ভঙ্গীয়ে নতুন শক্তি লাভ কৰিলে। ৰোমাণ্টিক আন্দোলনে এনেদৰে সাহিত্যক কথ্য ভাষাৰ ওচৰ চপাই আনি জনসাধাৰণৰ ভাবৰ বাহন কৰি তুলিলে। ৰোমাণ্টিক আন্দোলন আৰম্ভ হোৱাৰ পূৰ্বে সাহিত্যৰ শব্দ সম্ভাৰ আছিল আভিজাত্য গোষ্ঠী। এই ক্ষেত্ৰত লেখক সকল ইমান সচেতন আছিল যে তেওঁলোকে শব্দ ৰাজিক মহৎ (Noble) আৰু অধম (Base) এটা দুটা ভাগত ভাগ কৰি লৈছিল। সৰ্বসাধাৰণ মানুহে ব্যৱহাৰ কৰা শব্দবোৰ মহৎ শব্দ নহয় বুলিয়ে তেওঁলোকে সাহিত্যত ব্যৱহাৰ কৰা নাছিল। কিন্তু ৰোমাণ্টিক আন্দোলনে সকলো শব্দৰ বাবে সাহিত্যৰ দুৱাৰ মুকলি কৰি দিলে।

মানৱতাৰ মুক্তিৰ পৰিস্ফুৰন কাব্য সাহিত্যৰ মাজত বিয়পি পৰি ইয়াক বিশেষত্ব মণ্ডিত কৰি তুলিলে। ইমান দিনে কঠুৱা বাস্তবধৰ্মী পৰিবেশৰ মাজত বন্দী হৈ থকা সাহিত্যৰ আত্মাই বিস্ময়বোধ আৰু কল্পনাৰ আলোকময় জগতত বিচৰণ কৰিব ধৰিলে। কবিতাৰ মাজলৈ উভতি আহিল মধ্যযুগৰ কবিতাৰ সেই দু সাহসিকতাৰ অভিযান আৰু কল্পনাৰ উদ্যম। উভতি আছিল বেনেচা যুগৰ ৰোমাণ্টিক আতিশৰ্য। সেয়ে এই কাব্য আন্দোলনক অভিহিত কৰা হল ৰোমাণ্টিকতাৰ পুৰ্ণজন্ম (Romantic Revival) বুলি। এইবাৰ ইয়াৰ লগত সংযুক্ত হল আশ্চৰ্য্যবোধ। এই আশ্চৰ্য্যবোধে আগৰ কল্পনাময় কাব্যতকৈ ইয়াত বিশেষ প্ৰসাৰ লাভ কৰা দেখিয়ে Theodre watts Dunton এ ইয়াক অভিহিত কৰিছে Renasecnce of wonder বুলি। এই আশ্চৰ্য্যবোধে গোটেই জগতখনকে এক স্বকীয় ৰূপেৰে চাবলৈ কবি সকলক প্ৰেৰণা যোগালে। পোপ ড্ৰাইদেনৰ যুগৰ কবি সকলৰ চকুৰ পৰা বিস্ময়পূৰ্ণ দৃষ্টি অন্তৰ্হিত হৈছিল। সাহিত্যৰ পৰা ৰোমাণ্টিক কল্পনাই বিদায় লৈছিল। তেওঁলোকে কাব্যত কল্পনা বোধৰ বিকাশ দেখুওৱাৰ পৰিবৰ্ত্তে ইয়াক আহিলা কৰি লৈছিল উপদেশ প্ৰদানৰ, ব্যঙ্গ বিদ্ৰুপৰ প্ৰকাশৰ। নীতি নিয়মৰ আনুষ্ঠানিকতাই কাব্যৰ স্বচ্ছন্দতাক যেন ৰুদ্ধ কৰি পেলাইছিল।

এই অৱস্থাৰ অৱসান ঘটালে এই ৰোমাণ্টিক বিস্ময়বোধে। বিস্ময় আৰু

১ Dunton Watts Theodre : The Renaissance I wonder in Poetry P 5

কল্পনাৰ আলোকত সকলো দীপ্তিমান হৈ উঠিল। এই প্ৰসঙ্গত Dunton-এ কৈছে—

The phase 'The Renaissance of wonder, merely indicate that there are two great inpulses gaverning man and probably not man only but the entire world of Concious life the impulse of acceptance the impulse to take unchanged and for granted all the phenomena of the outer world as they are and the impluse to confront to these phenomena with eye of enquiry and wonder [২]

বিস্ময়বোধৰ স মিশ্ৰণতে এই যুগৰ কাব্যই স্বকীয় মহিমাৰে উজ্বলি উঠিছে। সৌন্দৰ্য্যৰ প্ৰতি আকৰ্ষণ সকলো কাব্যৰ প্ৰধান উপাদান আৰু ই সকলো যুগৰ কলাত্মক সৃষ্টিত বৰ্তমান কিন্তু ৰোমাণ্টিকতাই ইয়াত আৰোপ কৰিলে বিস্ময়বোধ আৰু এই বিস্ময়বোধৰ পৰা উৎসাৰিত হৈছে এই যুগৰ কাব্যত মধ্যযুগীয় কাব্যৰ প্ৰীতিৰ ধাৰণা।

ৰোমাণ্টিক কাব্যৰ বিশিষ্ট লক্ষণ কল্পনাবোধ, প্ৰকৃতি প্ৰেম, সৌন্দৰ্য্য চেতনা এই সকলোবোৰতে এক সূক্ষ্ম ৰহস্যময় ভাব উদ্ভাষি উঠিছে কবিৰ এই বিস্ময়বোধৰ পৰা। এক ৰহস্যবাদী মন লৈয়ে ৱৰ্ডচৱৰ্থে প্ৰকৃতিৰ বুকুলৈ বিচাৰি গৈছিল এক নিৰ্ভৰশীল আশ্ৰয় আৰু শান্তিময় চিন্তা। শ্বেলীয়ে পাইছিল এক সজীৱ প্ৰেম। এই ৰহস্যময় ভাবৰ বিকাশেৰে সাধাৰণ বস্তুকো তেওঁলোকে অসাধাৰণ কৰি তুলিছে। ই যেন এক সম্মান সূচক ভয় আৰু আবেগৰ মিশ্ৰ অনুভূতি যাক Theodre watts Danton এ অপৰিমিত আনন্দ (Rapture) বুলি অভিহিত কৰিছে। ৰহস্যময় জগত এখনে তেওঁলোকৰ কল্পনাক জাগ্ৰত কৰি তোলে বুলিয়েই তেওঁলোকে ৰহস্যৰে ঘেৰা মধ্যযুগৰ মাজত কাব্যৰ খোৰাক বিচাৰি পায়। নেদেখা দূৰৰ বস্তুবোৰ অতীৱ আকৰ্ষণীয় হৈ উঠে। ৰহস্যই ঢাকি থোৱা সৌন্দৰ্য্যবোৰহে তেওঁলোকৰ প্ৰিয় হৈ পৰে। সেয়ে ৱৰ্ডচৱৰ্থে কয়—

A violet by a mossy stone
Half hidden from the eye
Fair as a star when only one
Shining in the sky

---

২ Ibid P 2

কল্পনাৰ অভূতপূৰ্ব বিকাশ এই ৰোমাণ্টিক কবিতাৰ অন্য এক বৈশিষ্ট্য। কোলৰিজৰ মতে পৃথিৱীখন অচেতন আৰু নিসাৰ। ইয়াৰ সকলো বস্তুৱে স্থিৰ আৰু মৃত। কবিয়ে কল্পনাৰ ৰসেৰে ইয়াক সজীৱ কৰি তোলে। তেওঁ The Ancienl Mariner, Christabel আদি কবিতাত কল্পনাৰ ৰঙেৰে জীৱনৰ ৰহস্যক উদ্ভাষিত কৰি তুলিছে। ৱৰ্ডচৱৰ্থেও কবিৰ কল্পনাশক্তিক অনন্য শক্তিৰূপে গণ্য কৰিছে। কীটচৰ মতে কল্পনাশক্তিৰে কবিয়ে এখন আধ্যাত্মিক জগতৰ পথ মুকলি কৰি দিয়ে।

জীৱনৰ প্ৰাথমিক সৰলতাৰ প্ৰতি আবেগ প্ৰৱণতা ৰোমাণ্টিক কবিতাৰ অন্যতম বৈ িষ্ট্য। ৰুচোৰ মতবাদ প্ৰসাৰিত মানব প্ৰেমৰ চূড়ান্ত পৰকাষ্ঠা ৰোমাণ্টিক কবিতাত প্ৰকাশি উঠে। ক্ৰমাগত ভাবে বাঢি অহা জীৱনৰ জটিলতাৰ পৰিপ্ৰেক্ষিতত এক শান্ত সৰল জীৱনৰ প্ৰতি আকুলতা ফুটি ওলায় এই কবিতা সমূহত। প্ৰকৃতিয়েও এই প্ৰৱণতাৰ জন্ম দিছে, নীতি নিয়মৰ বন্ধনে জীৱনৰ স্বচ্ছন্দতাক যেন হেচা মাৰি ধৰিছিল। ইয়াৰ পৰা মুক্তি বিচাৰিয়ে ব্লেকে শৈশৱ কালক, ৱৰ্ডচৱৰ্থ কোলৰিজ আৰু বাৰ্ণচৰ দৰে কবিয়ে সৰল হোজা জীৱনক কবিতাত সুন্দৰ ভাবে মূৰ্ত্ত কৰি তুলিছে। প্ৰাত্যাহিক জীৱনৰ তুচ্ছ ঘটনাবোৰকে তেওঁলোকে কাব্যত সুন্দৰৰূপে দাঙি ধৰিছে। এটা সাধাৰণ সূৰ্য্যাস্তৰ দৃশ্য পাহাৰৰ ওপৰেৰে পৰিভ্ৰমণ বসন্তকালৰ এটি ফুলৰ চুপহি পশ্চিমৰ বতাহ নাইটিঙ্গেল চৰাইৰ গীত, সাধাৰণ পজাঘৰৰ এজনী ছোৱালী আদি সাধাৰণ বিষয়ৰ ভেটিত ৱৰ্ডচৱৰ্থ কোলৰিজ, শ্বেলী কীটচ আদিয়ে সুন্দৰ সুন্দৰ কবিতা ৰচনা কৰিছে।

জীৱনৰ নীতি নিয়ম শৃঙ্খলাবদ্ধতাৰ পৰা মুক্তি বিচাৰি প্ৰকৃতিৰ পাহাৰ-পৰ্বত হাবি বননিয়ে এই কবি সকলে শান্তি বিচাৰি ঘূৰি ফুৰিছিল। ৱৰ্ডচৱৰ্থে তেওঁৰ Tintern Abbey ত লিখিছে The sounding cateract haunted me like a passion, the tall rock the mountain, and the deep gloomy word, their colours and their forms were than to me an appetite

ৰোমাণ্টিক কবিতাই কৃত্ৰিমতা সম্পূৰ্ণ ৰকমে পৰিহাৰ কৰি কথ্য ভাষাৰ যোগেদি জন মানসক স্পৰ্শ কৰিছিল। ধ্ৰুপদী যুগৰ কাব্যৰ বিপৰীতে এই ধৰনৰ শব্দ প্ৰয়োগ এক পৰীক্ষা মূলক ব্যৱস্থা বুলি স্বীকাৰ কৰি ৱৰ্ডচৱৰ্থে Lyrical Ballad ৰ পাতনিত লিখিছিল যে ই এক প্ৰকাৰ পৰীক্ষামূলক

কবিতা আৰু এইবোৰ ৰচিত হৈছে সমাজৰ মধ্যবিত্ত আৰু নিম্নশ্ৰেণীৰ মানুহৰ কথ্য ভাষাৰ ভেটিত। কবিতাত অনভূতিৰ স্বাচ্ছন্দ্য প্ৰকাশৰ বাবে এই ধৰণৰ কৃত্ৰিম শব্দৰাজিয়ে বিশেষ ধৰণে সহায় কৰিছিল।

এনেদৰে এই ৰোমাণ্টিক কবি সকলে প্ৰেম, প্ৰকৃতি প্ৰীতি কল্পনাৰ লয়লাস আৰু ৰহস্যময়তাৰে উনৈশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ ইংৰাজী কবিতাক বৈশিষ্ট্যমণ্ডিত কৰি তোলে। ইংলণ্ডত কাব্যৰ ধ্ৰুপদী ভঙ্গীৰ বিপৰীতে কল্পনাৰ সংযোগ আৰু প্ৰকৃতিৰ বুকুত এক নতুনত্ব আবিষ্কাৰৰ যোগেদি কাব্যত ৰোমাণ্টিকতাৰ অস্পষ্ট ৰেঙনি ফুটি ওলায় ওঠৰ শতিকাৰ মাজভাগৰ প্ৰাক্ ৰোমাণ্টিক কবি সকলৰ কবিতাত। নাগৰিক জীৱনৰ পৰিবৰ্ত্তে পাহাৰ উপত্যকাৰ সেউজীয়া পথাৰ নৈ জান জুৰিৰ প্ৰাকৃতিক সৌন্দৰ্য্য এই নতুন কবি সকলৰ কাব্যৰ পটভূমি হৈ পৰিল। ধ্ৰুপদী ভঙ্গীৰ শব্দ সম্ভাৰ তথা কাব্যিক আঙ্গিকৰ প্ৰতিও এওঁলোকে নিজৰ অসহিষ্ণুতা প্ৰদৰ্শন কৰিছিল। অৱশ্যে সেইবোৰৰ বিৰুদ্ধে তীব্ৰ বিদ্ৰোহৰ ভাষা তেতিয়াও ভালদৰে প্ৰকাশিত হৈ উঠা নাছিল। ৰোমাণ্টিক বিস্ময়বোধৰ জাগৰণো দুই এজন কবিৰ মাজত সমালোচক সকলে লক্ষ্য কৰিছিল। এই ক্ষেত্ৰত সেই সময়ৰ এজন কবি Chatterton ৰ ৰৰঙনিৰ কথা উল্লেখ কৰি Dunton এ কৈছে—

It may be said of Chatterton that he was the renascence of wonder incarnet For this renascence was shown not merely in the way in which mans mysterious destiny was conceived but also in the way in which the theatre of the human drama was confronted This theatre become as fresh and replete with wonder as the actors themselves ৩

এই প্ৰাক ৰোমাণ্টিক কবি সকলৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য কবি হল Thomson। তেওঁৰ The Season কবিতাত কবিয়ে প্ৰকৃতিৰ সতে নিবিৰ আত্মীয়তাৰ চিনাকি দাঙি ধৰিছে। প্ৰকৃতি শান্ত শিৱ ৰূপেৰে তেওঁৰ কবিতাত প্ৰকাশি উঠিছে।

Thomson ৰ পাছৰ উল্লেখযোগ্য কবি হল Gray আৰু Collins Gray ৰ শোক কবিতাত পোৱা যায় ব্যক্তিগত অনুভূতিৰ প্ৰকাশ যাক ইমান দিনে ধ্ৰুপদী ভঙ্গীয়ে হেচি ৰাখিছিল। তেওঁৰ The Bird কবিতাই কবিৰ

৩ Ibid P 5

স্বাধীন সত্তাৰ পৰিস্ফুৰণৰ আকাঙ্খা প্ৰকাশ কৰিছে। তেওঁৰ কবিতাত স্থানীয় ৰহন সাধন প্ৰকৃতি এক অনন্য ৰূপত প্ৰকাশি উঠিছে। Gray-ৰ কবিতাই ৰোমাণ্টিক কবি সকলৰ বাবে পথ মুকলি কৰি দিলে বুলি ৱৰ্ডচৱৰ্থে তেওঁৰ Lyrical Ballad ৰ পাতনিত তেওঁৰ কথা শ্ৰদ্ধাৰে উল্লেখ কৰিছে।

William Collins য়েও ব্যক্তিগত বিষাদৰ অনুভূতিৰে ৰচিছে তেওঁৰ ode কবিতা সমূহ। প্ৰকৃতিৰ বুকুত শান্ত সৰল মৰমৰ উপলব্ধিৰ যোগেদি কবিৰ প্ৰকৃতিৰ বুকুলৈ উভতি যোৱাৰ আকুলতাও প্ৰকাশ পাইছে। এনেকুৱা ভাবৰ মাজত ৰোমাণ্টিক ভাবনা স্পষ্ট হৈ উঠিলেও তেওঁৰ কবিতাত ধ্ৰুপদী ৰূপ বৰ্তমান।

Gray আৰু William Callins এ ৰোমাণ্টিক কল্পনাৰ আতিশৰ্য প্ৰকাশ কৰিলেও ধ্ৰুপদী আচোৰ তেওঁৰ কবিতাত আছিল। আনহাতে এই সময়ৰ Chatterton ৰ কবিতাত ধ্ৰুপদী ভঙ্গীৰ অৱশেষৰ পৰিবৰ্তে আছে ৰোমাণ্টিক কল্পনাৰ পূৰ্ণ পৰিস্ফুৰণ। তেওঁৰ Rowely poems ইয়াৰ সুন্দৰ নিদৰ্শন। এই সময়ৰে আন এজন কবি Cowper ৰ কবিতাতো ধ্ৰুপদীভঙ্গীৰ অৱসানৰ ইঙ্গিত পোৱা যায়।

এই কবি সকলৰ পাছত ৰোমাণ্টিক কাব্যৰ বিস্ময়বোধ আৰু অতি প্ৰাকৃত উপাদান পুষ্ট হৈ প্ৰকাশিত হয় স্কটিছ কবি Burns আৰু Blake ৰ কবিতা সমূহ। এই দুই জনা কবিক ৰোমাণ্টিক কাব্য আন্দোলনৰ প্ৰধান বাটকটিয়া বুলি কব পাৰি।[8]

ইংৰাজী কবিতাত ৰোমাণ্টিকতাৰ পূৰ্ণ প্ৰবাহ হবলৈ ধৰে ১৭৯৮ চনৰ পৰা। কবি ৱৰ্ডচৱৰ্থ আৰু কোলৰিজৰ যুটিয়া ৰচনাৰে প্ৰকাশিত হোৱা Lyrical Ballads নামৰ কাব্য সংকলনখন প্ৰকাশৰ লগে লগে ফৰাচী বিপ্লৱ আৰু জাৰ্মান ৰোমাণ্টিকতাৰ প্ৰভাৱ পুষ্ট এই দ্বিতীয় পৰ্য্যায়ৰ ৰোমাণ্টিক প্ৰবাহটোকে প্ৰকৃতাৰ্থত ৰোমাণ্টিক কাব্য আন্দোলন বোলা হয়। এই আন্দোলনৰ শ্ৰেষ্ঠ সাহিত্যিক সম্পদৰাশি হিচাপে ৰোমাণ্টিক কবি ৱৰ্ডচৱৰ্থ কোলৰিজ, ছেলী কীটচ বাইৰণ আদিৰ কাব্য সম্ভাৰলৈ আঙুলিয়াব পাৰি। চাৰ ওৱাল্টাৰ স্কটৰ উপন্যাসসমূহ, লেম্বৰ আৰু হেজলিটৰ ৰচনাসমূহো এই ৰোমাণ্টিক আন্দোলনৰে ফচল। বায়ৰনৰ মৃত্যুৰ লগে লগে এই যুগৰ অৱসান ঘটে বুলি মন্তব্য কৰি Hopper এ

---

8 In England the way was cleared for Romantic Poetry by two outsiders The Scottish regianalist Poet Robert Burns one Villiam Blake whose hermetic Poems found their Public Posthomonsly

Preminger Alex, Encyclopedia of Poetry and Poetics P 74

কৈ'ছ যদিও এই আন্দোলনৰ প্ৰতিক্ৰিয়া প্ৰাক্ ৰাফেলাইট কবি সকলৰ কাব্যৰ মাজলৈ চলি থাকে। আনকি আধুনিক সাহিত্য আন্দোলনক গতি দিয়া ছুৰৰিয়েলিজিম আৰু অস্তিত্ববাদৰ মাজতো ইয়াৰ দূৰণিবটীয়া প্ৰভাব লক্ষণীয়।

ৰোমাণ্টিক আন্দোলনে ইংলণ্ডৰ জনমানসত তুমুল আলোড়ন সৃষ্টি কৰিলে আৰু ইয়াৰ মূৰ্ত প্ৰকাশ ঘটিল কবি সাহিত্যিক তথা চিন্তাবিদ সকলৰ চিন্তাত। এই বিপ্লৱৰ মূল লক্ষ্য আছিল মানুহৰ বাবে সমতা আৰু স্বাধীনতাৰ অধিকাৰ। মানুহৰ অধিকাৰ বোধক জাগ্ৰত কৰাৰ লগে লগে সকলো প্ৰকাৰৰ বাধা নিষেধৰ প্ৰাচীৰ ভাঙি পেলোৱাৰ উদ্যামতাও ই সঞ্চাৰিত কৰিলে মানব হৃদয়ত।

ইংলণ্ডত এই আন্দোলনৰ প্ৰভাৱৰ লগতে কিছুমান অন্তৰঙ্গ ঘটনাও ইয়াৰ লগত জড়িত হৈ পৰে। ইতিমধ্য যন্ত্ৰৰ প্ৰৱৰ্তন শিক্ষা বাণিজ্যৰ প্ৰসাৰ আদিৰ যোগেদি অৰ্থনৈতিক, সামাজিক ৰূপান্তৰৰ এক ইতিহাস আৰম্ভ হৈছে। শিল্পৰ প্ৰসাৰৰ লগে লগে হ'ল উৎপাদন বৃদ্ধি। কিন্তু তাৰ অসম বণ্টনৰ ফলত এফালে বাঢ়িল অপচয় আৰু আনফালে বাঢ়িল ক্ষুধা আৰু অভাৱ। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত আদাম স্মিথৰ দৰে অৰ্থবিদৰ The wealth of Nation গ্ৰন্থত প্ৰকাশ পালে অৰ্থনৈতিক ব্যৱস্থাৰ আলোচনা। চৰকাৰী নিয়ন্ত্ৰণ মুক্ত উৎপাদন ব্যৱস্থা আৰু সমবণ্টনৰ বিষয়ে তেওঁ এই গ্ৰন্থত পোষকতা কৰিছিল। এই সময় চোৱাৰে আন এক উল্লেখযোগ্য ঘটনা হ'ল ইংৰাজ ঔপনিবেশিকতাৰ পৰা ১৭৮ চনত আমেৰিকাৰ মুক্তিলাভ। ক্ৰীতদাস প্ৰথাৰ লোপে ৰোমাণ্টিক মনত মানুহৰ স্বাধীনতা আদৰ্শৰ জয়ৰূপে পৰিগণিত হৈছিল।

ৰুচোৰ চিন্তা সমূহে ইংৰাজ কবি সকলক বিশেষভাবে প্ৰভাবিত কৰে। তেওঁৰ ৰচনাৰ আনুভৌতিক দিশে ইংৰাজ কবি সকলক প্ৰভাবিত কৰাৰ লগে লগে বৌদ্ধিক দিশটোৱে চিন্তাবিদ সকলক অনুপ্ৰাণিত কৰিলে। তেওঁৰ চিন্তাৰ আলোকতে বিকশিত হ'ল গডউইনৰ চিন্তাৰাশি। ৰুচোৰ উপৰিও আৰু আন আন চিন্তাবিদৰ চিন্তাৰ সমন্বয়ত গডউইনৰ চিন্তাধাৰাই এক নিজস্ব দৃষ্টিভঙ্গী লৈ প্ৰকাশিত হ'ল তেওঁৰ Political Justice গ্ৰন্থত। ইয়াত তেওঁ প্ৰথাগত অনুষ্ঠান সমূহৰ ওপৰত অনাস্থা প্ৰকাশ কৰিলে আৰু ব্যক্তিৰ নিৰঙ্কুশ স্বাধীনতাৰ কথা ঘোষণা কৰিলে। মানুহৰ সমতাৰ অধিকাৰৰ কথা পুনৰ তেও নতুন সুৰেৰে দোহাৰিলে। তেওঁৰ মতে সমতাৰ অধিকাৰে মানুহক স্পষ্টবাদী, অকপট আৰু নিৰ্ভীক কৰি তোলে। আনহাতে অসমতাই মানুহৰ কৰি তোলে নিৰুৎসাহী সাৱধানী আৰু দৃঢ়তাহীন।

সামাজিক ৰাজনৈতিক অনুষ্ঠানসমূহ ব্যক্তিৰ নিৰঙ্কুশ স্বাধীনতাৰ অন্তৰায় বুলি কৰা চোৰ চিন্তাৰ পৰাই গডউইনলৈ সংক্ৰমিত হৈছিল। তেওঁ সৰ্বসাধাৰণ মানুহৰ বাবে ইয়াৰ অসাৰ্থকতা প্ৰতিপন্ন কৰি কৈছিল —

'They poison our minds before we can resist or so much as suspect their malignity, Like the barbarous derectors of Eastern seragolios they deprive us of our virility and fit us for their despicable employment from the craddle So false is the opinion that has too generally prevailed that polities is an affair which ordinary men have little concern [৫]

প্ৰকৃতিৰ প্ৰভাবৰ ওপৰতো গডউইনৰ আছিল অগাধ আস্থা। তেওঁ ঘোষণা কৰিছিল Nature never made a dunce এনেদৰে মানুহৰ আত্মাৰ পৰিস্ফুৰণৰ বিষয়ে পোষকতা কৰা গডউইনৰ বিশ্বজনীন দয়াশীলতাৰ উদাৰ নীতিয়ে মানবীয় প্ৰেমৰ ওপৰত গভীৰ আস্থা স্থাপন কৰাৰ প্ৰেৰণা যোগাইছিল। শ্বেলীৰ কাব্যৰ প্ৰেৰণা স্বৰূপ হৈ পৰিছিল গডউইনৰ চিন্তাৰাশি আৰু ইয়াৰ পৰাই বিকশিত হৈছিল শ্বেলীৰ উদাৰ প্ৰেমৰ সৰ্বময় ক্ষমতাৰ ধাৰণা।

গডউইনৰ লগত আন এজন ইংৰাজ লেখক Thomas Paine-ৰ লেখনি সমূহতো উদাৰ মানৱতাবাদী চিন্তা প্ৰকট হৈছিল। মানবীয় অধিকাৰৰ বিভিন্ন দিশ তেওঁ চালি জাৰি চাইছে The Right of Man গ্ৰন্থত। তেওঁৰ আন এখন উল্লেখযোগ্য গ্ৰন্থ হল The Age of Reason ইয়াত তেওঁ ব্যক্তিগত নিৰঙ্কুশ স্বাধীনতাৰ অন্তৰায় ৰূপে গণ্য কৰিছে চৰকাৰী যন্ত্ৰক।

'Society is produced by our wants and governed by our wickedness the former promotes our happiness positively by uniting our affection the latter negatively by restraining our vices The one encourages intercourse, the other creates distinctions The first is a patron the last is a punisher Society in every state is a blessing, but government even in its best state is a necessary evil [৬]

অৱশ্যে ৰাজতন্ত্ৰ আৰু অভিজাত তন্ত্ৰৰ বিপৰীতে এক গণতান্ত্ৰিক ব্যৱস্থাক

---

৫ Brailsford H N Shelly godwin and their Circle P 101

৬ Ibid P ৭২

তেওঁ সবলভাবে পোষকতা কৰিছিল। মানবীয় অধিকাৰসমূহ অক্ষুন্ন ৰাখি এক সংবিধানভিত্তিক চৰকাৰ প্ৰতিষ্ঠা কৰাৰ ওপৰত তেওঁ বিশেষ গুৰুত্ব দিছিল। তেওঁ ঔপনিবেশিকতাৰ দৰে মানৱ অধিকাৰ খৰ্ব কৰা ব্যৱস্থাৰ পক্ষপাতী নাছিল। গড্‌উইনৰ দৰে প্ৰকৃতিৰ ওপৰতো তেওঁ গুৰুত্ব দিছিল। তেওঁ এনে এক ঐশ্বৰিক সত্তাক বিশ্বাস কৰিছিল যাৰ পৰিপূৰ্ণ ৰূপ তেওঁ দেখা পাইছিল প্ৰকৃতিৰ মাজত।

ৰোমান্টিক আন্দোলনে যি পুৰণি ৰক্ষণশীলতা আৰু কুসংস্কাৰৰ বিৰুদ্ধে বিষোদগাৰৰ সূচনা কৰিছিল তাক এই লিখক সকলৰ উদাৰ মানবতাবাদী চিন্তাই বৈজ্ঞানিক প্ৰতিষ্ঠা দিলে। এই চিন্তাবিদ সকলৰ চিন্তাই স্বতোৎসাৰিত কবিতা সমূহৰ মাজলৈ আনিলে বিদ্ৰোহৰ অনমনীয় দৃঢ়তা আৰু মানব প্ৰেমৰ সুকোমল অনুভূতি।

এই চিন্তাৰ দিশটোৰ উপৰিও আন্তভৌতিক দিশ আৰু সাহিত্যৰ আঙ্গিক সম্পৰ্কেও মুক্তিৰ ধাৰণা জগাই তুলিলে জাৰ্মান ৰোমান্টিক লিখক সকলৰ উপন্যাস কাব্য, নাট্য আদিয়ে। কিন্তু ইংলণ্ডৰ অন্তৰঙ্গ প্ৰভাৱো এই ক্ষেত্ৰত বিশেষ উল্লেখনীয়। ১৭৬৫ চনত তিনিটা খণ্ডত প্ৰকাশিত হয় Percy ৰ Reliques of Ancient English Poetry ইয়াত প্ৰকাশ পায় ইংৰাজী পুৰণি লোকগাথা সমূহ। এই গাথাবোৰত সৰ্বসাধাৰণ জীৱনৰ সতে সাহিত্য কেনেদৰে গ্ৰথিত হৈ পৰে তাৰ সুন্দৰ উদাহৰণ বিৰিঙি ওলাইছে। ইয়াৰ লগে লগে প্ৰকাশ পালে লোকগাথাৰ অপূৰ্ব ছন্দ সজ্জা। এই লোক গাথা সমূহে ৰোমান্টিক কবি সকলক বিশেষভাবে উচ্ছসিত কৰি তুলিলে আৰু তেওঁলোকক দিলে কাব্যিক প্ৰেৰণা। এই কাব্য সম্ভাৰৰ দ্বাৰা ৰোমান্তিক কবি সকলৰ আটাইতকৈ বেচি উচ্ছসিত হৈ পৰিছিল স্কট। এই কথা তেওঁ নিজেও স্বীকাৰ কৰিছিল এনেদৰে—

'I remember well the spot where I read those volumes for the first time It was beneath a huge plaintain tree in the ruins of what had been intended for an old fashioned arbor in the garden I have mentioned The summer day sped onward so fast that, not with standing the sharp appetite of thirteen I forget the hour of dinner, was sought for with anxiety, and was still found entranced in my intellectual banquet To read and remember was, in this instance, the same thing, and hencefath I overwhlemed my school fellows

and all who would hearken to me, with tragical recitations from the ballads of Bishop Percy The first time, too, I could scrape a few shillings together I bought unto myself a copy of these beloved volumes nor do I belive I ever read a book so frequently, or with half the enthusiasm [৭]

ৱৰ্ডচৱৰ্থ কোলৰিজৰ প্ৰথম কাব্য সংকলন খনতে এই লোকগাথাৰ প্ৰভাৱৰে অৱদান। কীটচৰ কবিতা সমূহো লোক সাহিত্যৰ সৌন্দৰ্য্যবে সমুজ্জল। এই লোকগাথা সমূহৰ পৰাই অতীত প্ৰীতি, আশ্চৰ্য্যবোধ আৰু অতি প্ৰাকৃতৰ উপাদান সমূহে ৰোমাণ্টিক কাব্যত বিশেষ বিস্তাৰ লাভ কৰিছে। লোক সাহিত্যৰ পৰাই আহৰিত হৈছে ৰহস্যবোধৰ মায়াজাল। এই ৰহস্যময় তাক কোলৰিজে নৱৰূপেৰে সজাই তুলিছে তেওঁৰ কবিতাত। ইয়ে আমাক লৈ যায় এক অভিনৱ কল্পলোকলৈ—

In Xanadu did Kubla Khan
A stately pleasure dome decree
Where Alph, the sacred river, ran
Through Caverns measurelen to man
Down to a sunless sea

প্ৰেম আৰু প্ৰকৃতিও এই ৰোমাণ্টিক কবি সকলৰ হাতত নতুন মহিমাৰ আলোকত সমুজ্জল হৈছে। প্লেটোনিক প্ৰেমৰ ধাৰণা প্ৰায় বোৰ ৰোমাণ্টিক কবিৰ কবিতাত প্ৰকাশি উঠিছে। এই ক্ষেত্ৰত শ্বেলী বিশেষভাবে প্লেটোৰ দ্বাৰা অনুপ্ৰাণিত। তেওঁৰ মতে প্ৰেমেই সৰ্বোত্তম। 'প্ৰমিথিউচ আনবাউণ্ড কাব্য নাটৰ দ্বিতীয় অংকৰ পঞ্চম দৃশ্যত তেওঁ কৈছে—

All love is sweet
Given or return Common as light is above
And its familiar voice wearies not ever

কোলৰিজেও প্ৰেমৰ মহত্ত্বৰ দিশৰ পৰা প্ৰেৰণা লাভ কৰি কৈছিল—

All thoughts, all passions, all delights
Whatever stirs this mortal frame,
All are but ministers of love
And feed his saered flame

---

৭ Rickett s c A History of English literature P 294

ৱৰ্ডচৱৰ্থৰ এই প্ৰেমে বিশাল আকাৰ ধাৰণ কৰি সমগ্ৰ মানৱতাক চুইছেগৈ। প্ৰকৃতি প্ৰেমী কবিৰ দৃষ্টিত প্ৰকৃতি আৰু মানৱতা এক সূত্ৰৰে গ্ৰথিত হৈ পৰিছে—

Love had he found in huts where poor man lie
His daily teachers had been woods and rills
The silence that is in the starry sky
The sleep that is among the lovely hills

ৱডচৱৰ্থ মুখ্যত প্ৰকৃতিৰ কবি। প্ৰকৃতিৰ মাজত তেওঁ শান্ত সৌম্য সৌন্দৰ্য্য আৰু ঐশী শক্তিৰ বিকাশ লক্ষ্য কৰিছিল। প্ৰকৃতিৰ চেতনশীলতাৰ কথা বিশ্বাস কৰি তেওঁ Lines written in Early Spring কবিতাত লিখিছে—

And its my faith that every flower
Enjoys the air it breathes

প্ৰকৃতিৰ ৰূপ ৰস গন্ধ স্পৰ্শ ই তেওঁৰ অনুভূতিক তীক্ষ্ণভাবে স্পৰ্শ কৰি গৈছে। ফুলৰ গোন্ধ, মেঘৰ মেলা জুৰিৰ শব্দ চৰাইৰ গান সকলো ইন্দ্ৰিয় গোচৰ হৈ উঠিছে তেওৰ কবিতাত। এই সকলোবোৰৰ সৌন্দৰ্য্যৰ মাজত তেও আধ্যাত্মিক মহিমা প্ৰত্যক্ষ কৰিছে। Comton Rickett ৰ ভাষাত—

It was wordswath s aim as a poet to seek for beauty in meadow wood land, and the mountain top and to interprete this beauty in spiritual terms

তেওঁৰ code on the Intimations of Inmortatity from Recollie- ctions of Early childhood, Tintern Abbey আদি কবিতাত এনে আধ্যাত্মিকতা স্পষ্টকৈ প্ৰকাশ পাইছে। কবিয়ে অস্তমিত সূৰ্যৰ পোহৰত, নীল আকাশত, মহাসমুদ্ৰৰ বুকুত প্ৰাণময় বায়ু প্ৰবাহত এক আত্মা পৰিব্যাপ্ত হৈ থকা দেখিবলৈ পাইছে যিয়ে গতিশীল কৰি ৰাখিছে সচেতন পদাৰ্থবোৰক।

সৌন্দৰ্য্য চেতনাৰে সমুজ্জ্বল ৰোমান্টিক কবিতাক এক অপূৰ্ব ৰূপ দিছে কীটচে। সৌন্দৰ্য্য আৰু আনন্দৰ জয়গানেৰে আৰম্ভ কৰা তেওঁৰ এণ্ডিমিয়ন কাব্যত সৌন্দৰ্য্যৰ ধাৰণা প্ৰকাশ কৰিছে এনেদৰে A thing of beauty is joy for ever

সৌন্দৰ্য্যৰ কবি কীটচে সুন্দৰক বিষাদৰ মাজত আনকি মৰণৰ মাজতো বিচাৰি পাইছে। আৰু বিচাৰি পাইছে সমস্ত সৌন্দৰ্য্যৰ ক্ষণস্থায়িত্বৰ মৰ্মান্তিকতা। Ode to the Nightangle কবিতাত কবিৰ মনলৈ সৌন্দৰ্য্য লোকৰ সপোন

কঢ়িয়াই আনিছে নাইটিঙ্গেলৰ গানে। তাৰ লগে লগে উদ্ভাবিত হৈছে এই পৃথিবীৰ সকলো সৌন্দৰ্য্যৰ ক্ষণস্থায়িত্বৰ ধাৰণা। কাৰণ এই পৃথিবীত

Here, where men sit and hear each other groan
Where palsy shakes a few, sad last grey hairs
Where youth grows pale and spectre thin, and dies ,
Where but to think is to be full of sorrow
And leader eyed dispair
Where beauty can not keep her lustrous eyes
Or new love pine at them beyond tomorrow

সৌন্দৰ্য্যপ্ৰেমী কবিয়ে দুখৰ মাজতো দেখা পাইছিল সৌন্দৰ্য্যৰ আলোকময় প্ৰভাত। তেওঁ বিশ্বাস কৰিছিল There is a budding morrow in Midnight এই আশা, এই কল্পনা আৰু এই সৌন্দৰ্য্য চেতনাই কীটচৰ কবিতাক সমুজ্জ্বল কৰি ৰাখিছে।

সৌন্দৰ্য্য চেতনা, প্ৰকৃতি প্ৰীতি মানবপ্ৰেম আদি মহৎ ৰোমাণ্টিক গুণ সমূহৰ বিকাশেৰে এই যুগৰ কবি সকলে অপূৰ্ব কাব্য সম্ভাৰ এৰি থৈ গৈছে।

ভাব ভাষা আৰু উপস্থাপন কৌশলত নতুন যুগৰ মনন আৰু হৃদয় প্ৰতিন্যাস সাৰ্থক হৈ যি কবিতাত ধৰা দিয়ে তাকেই আধুনিক কবিতা বুলি কব পাৰি। সভ্যতাৰ স্তৰ পৰিবৰ্ত্তনৰ লগে লগে সাহিত্যৰ ভাবগত আৰু প্ৰকাশগত ভঙ্গীৰো পৰিবৰ্ত্তন হয়। বৈজ্ঞানিক সভ্যতা বিস্তাৰৰ লগে লগে সাহিত্যিক মননৰো পৰিবৰ্ত্তন ঘটিল, পৰিবৰ্ত্তন ঘটিল আঙ্গিকৰো। মহাযুদ্ধ অব্যৱহিত পৰবৰ্ত্তীকালত এই পৰিবৰ্ত্তনৰ চিহ্ন আৰু স্পষ্ট হল।

বৈজ্ঞানিক সভ্যতাৰ অগ্ৰগতি উনৈশ শতিকাৰ মাজভাগৰ পৰাই আৰম্ভ হৈছিল। বৈজ্ঞানিক সূত্ৰৰ আবিষ্কাৰ আৰু জাগতিক কাম কাজত বিজ্ঞানৰ নানা শক্তিৰ প্ৰয়োগৰ জৰিয়তে মানুহৰ ক্ষমতাৰ পাৰঙ্গমতা প্ৰকাশি উঠিল। বিজ্ঞান আৰু যন্ত্ৰবিদ্যাৰ সহায়ত প্ৰকৃতিৰ বিভিন্ন শক্তিক কবায়ত্ত কৰি তাৰ সহায়ত কৰ্ম সম্পাদনৰ বিপুল ক্ষমতা আয়ত্ত কৰি মানুহ অমিত শক্তিশালী হৈ উঠিল। মানুহৰ এই বিজয়ী ব্যক্তিত্বৰ উচ্ছা স কাব্য সাহিত্যত আধুনিকতাৰ সূচনা কৰিলে।

এই আধুনিকতাই এক অনন্য ৰূপত প্ৰকাশি উঠিল যুদ্ধোত্তৰ কালত। ১৯১৪ চনত মহাযুদ্ধৰ আৰম্ভনি হল। মানৱ বিধ্বংসী ক্ষমতা প্ৰদৰ্শন কৰি বিজ্ঞানে তাৰ মহিমা হেৰুৱাই পেলালে। যুদ্ধৰ ধ্বংস ৰতাহ আহি সকলো ভাঙি চিঙি পেলালে। কবিতাই বহন কৰিলে সেই ধ্বংসস্তূপৰ ছবি—

Get there if you can see the land you once proud to own
Though the roads have almost vanished and the expresses never run
Snakeless Chimneys, damaged bridges rotting wharves and thocked canals,
Tramlines buckled Smashed truck lying on their Side across the rail
Power station locked deserted since they draw the boiler fires
Pylons fullen on subsiding trailing dead high tension wires

Head gears gaunt on grass grown pit banks scams abandoned years ago
Drop a stone and listen for its splashed in floaded dark below
Squere into the work through broken window
Or through dump spung doors,
See the rotted shafiting see holes gaping in the upper floars
Where the sunday lads came talking motor bicycle and girl
Smoking cigaretts in chains until heir head are in whirthe

এই যুদ্ধই কবি সকলৰ অন্তৰ দুখ আৰু সহানুভূতিৰে ভৰাই তুলিলে। কবিৰ সহানুভূতিয়ে বিপক্ষ শত্ৰু শিবিৰৰ সৈন্যকো স্পৰ্শ কৰিলে। মৃত্যুৰ পাছত শিবিৰৰ দুই সৈন্যই লগালগি হৈ কৈছে—

I am the enemy you killed my friend
I know you in the dark for so you frowned
Yesterday throgh we as you jubbled and killed

যুদ্ধৰ ধ্বংসলীলা মানুহৰ নৈতিক জীৱনতো সংঘটিত হল। পুৰণি মানৱতাৰ সকলো বৈশিষ্ট্য লুপ্ত হৈ গল। বিকাৰ গ্ৰস্থতাই মানৱীয় চেতনাক আচ্ছন্ন কৰিলে। এই সকলোবোৰে সৃষ্টি কৰিলে নতুন যুগ দৃষ্টি। এই যুগ দৃষ্টিয়ে আধুনিক দৃষ্টিভঙ্গী। একালে মাৰণাস্ত্ৰ সমূহৰ যোগেদি পাৰ্থিৱ ধ্বংসলীলা আৰু আনফালে নৈতিক তথা আধ্যাত্মিক জীৱনৰ মূলচ্ছেদ—হয়ে নৱ দৃষ্টিভঙ্গীক কুৱলীচ্ছন্ন কৰিলে। নিৰাশ আৰু অৱক্ষয় গ্ৰস্থতাৰ মাজত আচ্ছন্ন হৈ কবি সকলে এক অন্তৰ্লীন ধ্যান ৰাজ্যত সোমাই পৰিল। Stephen Spender ৰ ভাষাত 'The result of that excessive outwardness of a spiritually barren external world is the excessive inwardness of poets who prefer to sing themselves within themselves to losing themselves outside outselves in external reality

জীৱন আৰু জগত সম্পৰ্কে কবি সকলৰ নৱ দৃষ্টিভঙ্গীৰ আঁৰত বিজ্ঞান, দৰ্শন আৰু সামাজিক মতবাদৰ বিশেষ প্ৰভাৱ আছে। এই মতবাদ আৰু সূত্ৰবোৰৰ কিছুমান উনৈশ শতিকাৰ মাজভাগ বা শেষৰ ফালে আৱিষ্কৃত হলেও

হুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত এইবোৰৰ প্ৰভাৱ গভীৰভাবে অনুভূত হবলৈ ধৰে। এই নব চিন্তাধাৰাৰ ভিতৰত উল্লেখযোগ্য হল ১। ডাৰউইনৰ বিৱৰ্ত্তনবাদ ২। আইনষ্টাইনৰ আপেক্ষিকতাবাদ, ৩। ফ্ৰয়েদৰ মনস্তাত্ত্বিক বিশ্লেষণ (৪) মাৰ্ক্সৰ দ্বান্দিক বস্তুবাদ আৰু তাৰ পৰা সৃষ্ট সমাজবাদ।

ডাৰউইনৰ মতবাদৰ উদ্ভৱ হয় উনবিংশ শতিকাৰ মাজভাগত। তেওঁৰ বিৱৰ্ত্তন সূত্ৰ সম্পৰ্কীয় গ্ৰন্থ origin of Species প্ৰকাশ হয় ১৮৫৯ চনত। ডাৰউইনে তেওঁৰ গবেষণাৰে প্ৰমাণ কৰে যে সমস্ত জীৱজগত বিবৰ্ত্তিত হৈয়ে আছে। কোনো পৰি।তিয়ে ধ্ৰুব বা পৰম নহয়। মানুহৰ সৃষ্টি এক বিৱৰ্ত্তনৰ ফল। স্ৰষ্টাই নিজৰ ৰূপাৱয়বেৰে মানুহ সৃষ্টি কৰা ধাৰণা সম্পূৰ্ণ ভিত্তিহীন। জীৱজগতৰ নিম্নতম ভাহৰাচৰ পৰা এককোষী এমিবা, তাৰ পৰা বহুকোষী প্ৰাণী আৰু বহুকোষীৰ মাজ্যবত মৰুদণ্ডৰ সূচনা আৰু তাৰ পৰা দৃঢ় মেৰুদণ্ডী, মেৰুদণ্ডীৰ বিৱৰ্ত্তনৰ পৰা ক্ৰমে মাছ উভচৰ সৰিসৃপ আৰু সৰিসৃপ প্ৰাণীৰ পৰা দুই ধাৰাৰ এক ধাৰাৰে চৰাই চিৰিকতি আৰু অন্য ধাৰাৰে স্তন্যপায়ী জীৱৰ সৃষ্টি হল। সৰ্বশেষ বিৱৰ্ত্তন হল বুদ্ধিশীল মানুহ। যি কোনো বিশেষ স্তৰৰ প্ৰাণীৰ সাৰ্থকতা হল পৰৱৰ্ত্তী পৰিণত প্ৰাণীৰ উদ্ভৱৰ ভিত্তি হৈ উঠাতো। তাৰ নিজৰ জীৱনৰ অন্য কোনো পৰমাৰ্থতা, কোনো ব্যক্তিগত সাৰ্থকতা নাই। সি প্ৰকৃতিৰ অজ্ঞাত কোনো বিশেষ উদ্দেশ্য সাধনাৰ সোপান বা উপকৰণ মাত্ৰ। জৈৱ জগতৰ এই বিৱৰ্ত্তন চিন্তাৰ অন্ত নিহিত গন্তব্য হীনতাৰ ধাৰণাই দৰ্শনক বিপুলভাৱে প্ৰভাবিত কৰে আৰু সেই দাৰ্শনিক চিন্তাৰ মাজেদি ই চিন্তাশীল মানুহক স্পৰ্শ কৰে।

ডাৰউইনৰ পাছত আৰু কেবাজনো চিন্তাবিদে এই দিশত তেওঁলোকৰ চিন্তা নিপতিত কৰে। এই ক্ষেত্ৰত বিশেষভাবে উল্লেখযোগ্য হল বাৰ্গচ। বাৰ্গচে দেখুৱালে যে বিৱৰ্ত্তনৰ অন্তৰালত এক সৃষ্টিশীল উদ্দেশ্য আছে। জীৱনৰ নিত্য চলমান স্ৰোতক (Elan vital) তেওঁ একমাত্ৰ সত্য বুলি উপস্থাপিত কৰিলে। এই সত্যক বুদ্ধিৰে অনুভৱ কৰা নেযায়।

মৰ্গানে তেওঁৰ অভ্যুদয়মূলক ক্ৰমবিকাশ তত্ত্বৰে এই বিষয়ত নতুনকৈ দৃষ্টিপাত কৰিলে। তেওঁ নতুনৰ মাজত পুৰণিৰ অন্ত নিহিত অৱস্থানক স্বীকাৰ কৰি নৱাগতৰ উদ্ভৱনাক প্ৰতিষ্ঠিত কৰিলে। তেওঁৰ মতে ক্ৰমবিকাশৰ মূলত আছে দুটি শক্তি। এটিয়ে পুৰণিক অক্ষুন্ন ৰাখি পৰিণাম ঘটায় আৰু দ্বিতীয়টোৱে কোনো বিশেষ স্তৰত বা অৱস্থাত সম্পূৰ্ণ অনিৰ্দেশ্য, অভাৱনীয়, অচিন্ত্য নতুনক উদ্ভাৱিত কৰে। তেওঁ বাৰ্গচৰ প্ৰাণ প্ৰেৰণাক (Elan vital) সম্পূৰ্ণৰূপে অস্বীকাৰ কৰে।

এই বিবৰ্ত্তনবাদে গন্তব্যহীন পৰিণতিহীন ধ্ৰুবমূল্যহীন এক গতি সচেতনতাৰ ধাৰণা স্পষ্ট কৰি তোলে আৰু ইয়াৰ ফলতে মানুহৰ সকলো মূল্যবোধ আৰু কৰ্ম প্ৰচেষ্টা বিশাল নৈৰাশ্যভিমুখী হৈ পৰে। আধুনিক কৱিতাত প্ৰকাশ পোৱা নৈৰাশ্য আৰু অৱক্ষয় চেতনাৰ সঞ্চাৰত এই মতবাদৰ এক বিশেষ ভূমিকা আছে। তাৰোপৰি এক স্থিৰ মূল্যৰ বা পৰম সত্যৰ ওপৰত বিশ্বাস হীনতাৰ সৃষ্টি কৰি মানুহক হৃ সৰ্বশূন্যতাৰ ফালে ঠেলি দিয়ে।

দ্বিতীয় যি বৈজ্ঞানিক চিন্তাই কুৰি শতিকাৰ বুদ্ধিদীপ্ত চেতনাত বিশেষ প্ৰভাৱ পেলায় সেয়া হল আইনষ্টাইনৰ আপেক্ষিকতাবাদ (Relativity Theory) ১৯ ৫ চনত আইনষ্টাইনে আপেক্ষিকতত্ত্ব সম্পৰ্কীয় গৱেষণাপত্ৰ প্ৰকাশ কৰে। এই মতানুসাৰে এহ জগতত আমি যিবোৰ দেখো সি আমাৰ দৃষ্টিভঙ্গীৰ ব্যক্তি সাপেক্ষতা আৰু পৰিবেশৰ বিশিষ্টতাৰ দ্বাৰা সীমাবদ্ধ। কোনো বস্তুকে যথাযথ ৰূপত দেখা সম্ভৱ নহয়। সকলো দৰ্শন, উপলব্ধিয়ে সম্পূৰ্ণভাৱে আমাৰ ব্যক্তিগত। ব্যক্তি নিৰপেক্ষ কোনো নিত্যত্বৰ ধাৰণা অসম্ভৱ। যদি বস্তুৰ পাৰস্পৰিক সম্বন্ধ বা দ্ৰষ্টাৰ লগত তাৰ সম্পৰ্ক আপেক্ষিক হয় তেনেহলে শাশ্বতই বা কি?

আইনষ্টাইনৰ এহ আপেক্ষিকতা তত্ত্বৰ পৰিণতিৰূপে সৃষ্টি হল জেমচ জিনচৰ মতবাদ, প্লাঙ্কৰ শক্তিকণা তত্ত্ব (Quantum Theory) আৰু হাইচেনবাৰ্গৰ অনিশ্চয়তাতত্ত্ব (Uncertainity Principle) আদি। এই ধৰণৰ আবিষ্কাৰ বোৰে উনৈশ শতিকাৰ বৈজ্ঞানিক চিন্তা আৰু যান্ত্ৰিক জড়বাদৰ ধ্ৰুব নিশ্চয়তাৰ ভিত্তি ভাঙি পেলালে।

আধুনিক কৱিতাৰ ভাবচেতনা তথা আঙ্গিকত সৰ্বাধিক প্ৰভাৱ পেলোৱা আন এটা মতবাদ হল ফ্ৰয়েদৰ মনস্তত্ত্ব সম্পৰ্কীয় সূত্ৰ। ৯ ৪ চনত প্ৰকাশ পায় ফ্ৰয়েদৰ The psycho pathology of Everyday life ইয়াৰ পাছত প্ৰকাশ পায় wit and its relations to the unconscious আৰু Three Essays on the Theory of Sex এইবোৰৰ উপৰিও তেওঁৰ বিশেষ প্ৰভাৱশালী গ্ৰন্থ হ ল The Interpretation of Dreams

ফ্ৰয়েদৰ মতে মানুহ তাৰ ভাল বেয়া, পাপ পুণ্যৰ বাবে নিজে দায়ী নহয়। পৰিবেশ আৰু পৰিস্থিতিগত কাৰণত সি যি আহৰণ কৰে সি মনৰ বিভিন্ন স্তৰত সঞ্চিত হৈ তাৰ ব্যৱহাৰ, স্বভাৱ চৰিত্ৰক নিৰ্দিষ্টতা দান কৰে। তেওঁ মনৰ তিনিটা স্তৰৰ কথা আবিষ্কাৰ কৰে আৰু সেই স্তৰ কেইটা হ'ল ইদ, ই গ আৰু চুপাৰইগ। আমাৰ সকলো অভিজ্ঞতা অৱচেতন মনত স্তূপীকৃত হৈ

থাকে। বিশেষকৈ যৌন কামনাৰ লগত জড়িত ভাববোৰক এক শক্তিয়ে হেচা যি ৰাখে। তাকেই অৱদমন বুলি কোৱা হয়। দীৰ্ঘদিন ধৰি মনৰ মাজত এই অৱদমন ক্রিয়া চলিলে নানা প্রকাৰৰ Complex আৰু বেমাৰ আজাৰৰ সৃষ্টি হয়। এই অৱদমিত যৌন কামনাবোৰে সপোনত প্রতীকৰ ৰূপেৰে দেখা দিয়ে। সেই চিত্রকল্পবোৰ অৰ্থহীন হলেও সেইবোৰ আচলতে বিভিন্ন মিথৰ টুকুৰা, ভাৱনা আৰু বাসনাৰ বিচিত্র অনুষঙ্গ স্বৰূপ।

ফ্ৰয়েদৰ ধাৰণাত মানুহৰ মনৰ এই তিনিটা স্তৰৰ মাজত সামঞ্জস্য থকালৈকে মানুহে পৰিবেশৰ লগত সঙ্গতিময় আৰু সার্থক যোগাযোগ ৰক্ষা কৰিব পাৰে। এই তিনিটা স্তৰৰ মাজত সহযোগিতাৰ অভাব হলে ব্যক্তিয়ে নিজৰ আৰু পৰিবেশৰ লগত নানা মানস বিৰোধৰ সন্মুখীন হয় আৰু তাৰ ফলত সি অতৃপ্তি আৰু অশান্তি বোধ কৰে।

ফ্ৰয়েদৰ এই মতবাদ সম্পূর্ণ বৈজ্ঞানিক পৰীক্ষাৰ ভিত্তিত গঢ লৈ উঠা নহয়। মানসিক ৰোগী সকলৰ চিকিৎসাৰ আবেশ আৰু অভিভাবনৰ (hypnosis আৰু Suggestion) সাফল্যৰ বৈজ্ঞানিক ভিত্তি বিচাৰিবলৈ গৈয়ে ফ্ৰয়েদে এই মতবাদ গঢি তোলে। গতিকে ইয়াৰ বৈজ্ঞানিক সাৰমৰ্মতা থাকিলেও মনোবিজ্ঞানৰ আলোচনাৰ ক্ষেত্ৰত এই সূত্ৰক কিছু পৰিমাণে সংশোধন কৰি লয় চিন্তাবিদ ইয়ু আৰু এডলাৰে। এই ক্ষেত্ৰত তেওঁলোকে বিশেষভাবে ফ্ৰয়েদৰ আদিম কাম শক্তিৰ ধাৰণাক (Eros or Libido) পৰ্য্যালোচনা কৰিছে। ফ্ৰয়েদৰ মতে সকলো জৈবক্রিয়াৰ অন্তৰালত এক মৌলশক্তি আছে আৰু সেয়াই হল কামশক্তি। কিন্তু ইয়ুংৰ মতে এই শক্তি অতি ব্যাপক। জীৱনৰ সকলো চিন্তা অনুভূতি আৰু ইচ্ছাত এই শক্তিৰ প্রকাশ ঘটে। এডলাৰৰ মতে আকৌ এই শক্তিৰ মূলকথা হল হীনমন্যতা আৰু পাপবোধ অতিক্রম কৰি ডাঙৰ হোৱাৰ আকাঙ্ক্ষা।

এই মতবাদবোৰে পাৰ্থিব আৰু জৈব অৰ্থহীনতা সম্পৰ্কে ব্যক্তিক সচকিত কৰি তোলে। প্রাচীন মূল্যবোধৰ ধ্রুব সাৰ্থকতা সম্পৰ্কেও সংশয় উপস্থিত হল। সংখ্যাগৰিষ্ঠ মানুহৰ মূঢতা আৰু অন্ধ আবেগে মানুহ সম্পৰ্কে এক সুগভীৰ চিন্তাত পতিত কৰিলে চিন্তাশীল ব্যক্তিক। চিন্তাশীল ব্যক্তি মানুহ সংখ্যাগৰিষ্ঠ সম্প্রদায়ৰ পৰা বিচ্ছিন্ন হবলৈ আৰম্ভ কৰিলে আৰু সৰ্বশেষত এক সুবিশাল বিচ্ছিন্নতাবোধৰ দ্বাৰা আক্রান্ত হৈ সৰ্বাত্মক শূন্যতাত তেওঁলোক নিমজ্জিত হল।

এক নৈৰাশ্যজনক পৰিস্থিতিত কিছু আশাৰ ব্যঞ্জনা কঢ়িয়াই আনিলে মাৰ্ক্সৰ সমাজবাদী চিন্তাই। ৮৪৮ চনত মাৰ্ক্স আৰু এঙ্গেলচৰ Comnunist Menifesto প্ৰকাশ হয় যদিও এই শতিকাতহে তাৰ সামাজিক সঞ্চাৰণ আৰম্ভ হ'ল। সমাজতান্ত্ৰিক এই দৃষ্টিভঙ্গীত ব্যক্তি মানুহ কেন্দ্ৰবিন্দু নহয় সমাজৰ জন সমষ্টিহে। আৰু তাৰেই পৰিপ্ৰেক্ষিতত মানুহৰ সকলো আদৰ্শ আৰু মূল্যবোধ নিৰ্ধাৰেয়। এই বাণী বৈজ্ঞানিক প্ৰত্যয়ৰে গৃহীত হ'ল। এই বৈজ্ঞানিক দৃষ্টিত মানব সমাজ প্ৰাকৃতিক বিবৰ্তনৰ দৰেই বিবৰ্ত্তিত হব ধৰিছে। এই বিবৰ্ত্তনৰ মূল চালিকাশক্তি, বিবৰ্ত্তনৰ নিমিত্ত উপকৰণগত কাৰণবোৰৰ মাজতে নিহিত। এই কাৰণক বোলা হ'ল বিপৰীত বস্তু শ্ৰেণীৰ দ্বন্দ। সেয়ে এই তত্ত্বৰ বৈজ্ঞানিক নাম হ'ল দ্বান্দিক বস্তুবাদ।

মানুহক মনক সৰ্বপ্ৰকাৰ নৈৰাশ্য বিলাসৰ পৰা মুক্ত কৰি এক নতুন বৈজ্ঞানিক চেতনাশ্ৰিত প্ৰত্যয়ৰ মাজত তাক প্ৰতিষ্ঠা কৰাই আছিল এই মতবাদৰ লক্ষ্য। ব্যক্তি মানুহক ব্যক্তিত্বৰ পৰিধিৰ পৰা আতৰাই আনি বৃহৎ মানৱ গোষ্ঠীৰ মাজত একাত্ম কৰি তোলা, সকলো প্ৰকাৰৰ অৰ্থনৈতিক নিষ্পেষণৰ পৰা ব্যক্তিক মুক্ত কৰাৰ প্ৰতিশ্ৰুতিৰে এই চিন্তাধাৰাই মানুহক উদ্বেল কৰি তুলিছিল। এই মতবাদৰ আহিতে সমাজবাদী সমাজ গঢ়াৰ প্ৰচেষ্টা আৰম্ভ হ'ল।

কিন্তু ইয়ো বেচিদিনলৈ মানুহক গভীৰভাৱে প্ৰত্যায়িত কৰি ৰাখিব নোৱাৰিলে। নিপীড়নৰ পৰা মুক্তিৰ আদৰ্শ লৈ এই মতবাদে ৰূপান্তৰ আনিব খুজিছিল যদিও শুদ্ধিকৰণৰ যুপকাষ্ঠত হেজাৰ হেজাৰ মানুহক বলি দিয়া হ'ল। সমাজবাদী প্ৰেক্ষাপটত মানুহ হ'ল সাচত চলা (Regimented)। আৰু সৰ্বগ্ৰাসী (Totulatarian) ৰাষ্ট্ৰচেতনাৰ দ্বাৰা আচ্ছন্ন। আনফালে আকৌ গণতান্ত্ৰিক দেশবোৰতো সৰ্বপ্ৰকাৰ নিয়ন্ত্ৰণ যুক্ত বিকাৰমুখী সমাজ দৰ্শই আগুৰি ধৰিলে। সৰ্বপ্ৰকাৰ নিষ্পেষণেৰে ব্যক্তিক পিষ্ট কৰা আৰু লগতে ব্যক্তিগত লাভৰ কাৰণে গণতন্ত্ৰৰ আদৰ্শৰ দোহাই দিয়া ৰাষ্ট্ৰনেতাবোৰৰ আচৰণেও গণতন্ত্ৰ অসাৰ বুলি প্ৰতিপন্ন কৰিলে।

বিভিন্ন ৰাষ্ট্ৰৰ স্বাৰ্থপৰতা আৰু লোভৰ মাত্ৰা উত্তৰোত্তৰ বৃদ্ধি পাব ধৰিলে। ১৯১৪ চনত যি সৰ্বগ্ৰাসী অধিকাৰ প্ৰতিষ্ঠা আৰু প্ৰমত্ত লোভ আৰু স্বাৰ্থপৰতৰ কাৰণে ইউৰোপৰ দেশবোৰে মহাযুদ্ধত লিপ্ত হৈ পৰিছিল তাৰ সম্প্ৰসাৰিত প্ৰবাহ বৈ থাকিল ১৯৩৯ চনৰ দ্বিতীয় মহাযুদ্ধ পৰ্য্যন্ত। দ্বিতীয় মহাযুদ্ধত পৃথিবীৰ প্ৰায় সকলো দেশ জড়িত পৰি ইয়াক এক সামগ্ৰিক যুদ্ধত পৰিণত কৰি ইয়াৰ কুফলৰ

অংশীদাৰ হৈ পৰিল। মানব জাতিৰ ধ্বংসৰ পথ প্ৰশস্ত হৈ পৰিল। এটমবোমাৰ আঘাতত সমগ্ৰ মানৱজাতি কপি উঠিল। এই যুদ্ধৰ পৰা যিয়ে যেনেকৈ পাৰে তেনেকৈ লাভবান হবৰ চেষ্টা কৰিলে। মিথ্যাচাৰ অসঙ্গত মুনাফা অৰ্জন, কলাবেপাৰ, নাৰী দেহৰ ব্যৱসায় আদিয়ে সমাজখনক সীমাহীন আধাগামিতাৰ দিশলৈ লৈ গ'ল। অৱস্থাৰ উন্নতি হোৱাৰ পৰিবৰ্তে ৰাজনৈতিক সামাজিক, অৰ্থনৈতিক সকলোদিশতে কেৱল অৱক্ষয়ৰহে সূচনা হ'ল। এই অৱক্ষয় আৰু মানসিক সংকটে ব্যক্তি মানুহ, কবি আৰু চিন্তাশীল সকলক এক গভীৰ নৈৰাশ্যত পতিত কৰিলে। নৱ নৱ চিন্তাৰ আলোকে কবি সকলৰ মানসিক দিগন্ত উদ্ভাষিত কৰি তুলিলে। আধুনিক কবিতাত মুখ্যভাবে তুটি বৈশিষ্ট্য মূৰ দাঙি উঠিল। এটা হ'ল নৈৰাশ্য চেতনা আৰু আনটো দুৰূহতা। এই দুই বৈশিষ্ট্যই কবি সত্তাত জন্ম দিলে বৈপ্লৱিক চেতনাৰ। আৰু সেই কাৰণে আধুনিক কবিতাৰ বিষয়ে কবলৈ গৈ সমালোচক সকলে ইয়াক অভিহিত কৰিলে বিপ্লৱৰ কবিতা বুলি।

আধুনিক কবিতাই কাব্যৰ পৰম্পৰাগত গতি পথ পৰিহাৰ কৰি নতুন পথত ভৰি দিলে শব্দ নিৰ্বাচন, চিত্ৰ কল্প আদিৰ প্ৰয়োগেৰে। অল কাৰ সমৃদ্ধতা আৰু ছন্দময়তা কবিতাই পৰিহাৰ কৰিলে। যান্ত্ৰিক যুগৰ যন্ত্ৰৰ ঝংকাৰেৰে কবিতাক অভিনৱ ৰূপ দিবলৈ চেষ্টা কৰিলে কবি সকলে।

Inside my brain a dull tomtom begins
Absurdely hammering a prelude of its own Capricious mohotone

আকৌ

At the violet howr when the eyes and back
Turn upward form the desk when the human Engine waits
Like a texi throbbing waiting

পুৰণি কাব্যসম্ভাৰৰ প্ৰতি এই কবি সকলে প্ৰকাশ কৰিলে অসহনীয় মনোভাব, বিশেষকৈ ৰোমাণ্টিক কবিতাৰ অনুভূতি প্ৰবনতা আৰু কল্পনা বিলাসিতা তেওঁলোকে মুঠেও ভাল নেপালে। ৱৰ্ডচৱৰ্থে কবিতাক Spontaneons overflow of powerful emotion বুলি কোৱা কথাৰ এওঁলোকে বিৰুদ্ধাচাৰণ কৰিলে। কবিতা আবেগৰ দম নহয় ই এক কলা। সেয়ে প্ৰায়বোৰ আধুনিক কবিয়ে উৎকৃষ্ট ৰোমান্তিক কাব্যৰ ফচলখনিকো সমালোচনা কৰিলে। সেই কবি সকলৰ শোকৰ বিননি অসীমৰ প্ৰতি সীমাহীন আকুলতা, আধ্যাত্মিকতাৰ

আবৰণৰ মাজত সত্যক গোপন কৰাৰ চেষ্টা আদিৰ প্ৰতি এই কবি সকলে অসহনীয় মনোভাব পোষণ কৰি আধুনিক কবিতা ইয়াৰ বিপৰীতে যথাযথ ভাবৰ বাহন বুলি ঘোষণা কৰা সুৰুচিপূৰ্ণতা আনন্দ আৰু উচ্ছাসময়তা নিটোলতা, আৰু যথাযথ শব্দ প্ৰয়োগেৰে ই বাস্তবধৰ্মী হব বুলি আশা প্ৰকাশ কৰিলে কবি সকলে।

ৰোমাণ্টিক কবিৰ মানবতাবাদী চেতনাকো এই যুগৰ কবি সকলে অনুৰূপ ভাবে গ্ৰহণ কৰিব নোৱাৰিলে। ৰোমাণ্টিক আন্দোলনৰ মূল প্ৰেৰণা ফৰাচী বিপ্লব আৰু ৰুচোৰ চিন্তাৰ বিৰুদ্ধেও এওঁলোকে বিদ্ৰোহ ঘোষণা কৰিলে। এই প্ৰসঙ্গত Γ C Grierson আৰু T C Smith ৰ A critical History of English Poetry ত এনেদৰে ব্যাখ্যা কৰা হৈছে—

'Meanwhile among the new generation a revolt was preparing against all the standards that had governed English poetry since the Romantic Revival We may describe it in the most general terms as a revolt against Humanism against that anthropocentric view of life which had supplanted the theocentric Conception of the middle ages The leader of the revolt maintained that western Europe had taken the worng turn at the Renaissance which made man, not god, the measure of all things and had gone finally and fatally astray at the time of the french revolution, when Rousseau Cast adrift the last anchor that held men to the anciant faith the doctrine, namely of originalism [১]

ৰোমাণ্টিক কবিতাৰ আবেগময়তা আৰু কল্পনাক ছন্দসজ্জাই আৰু বেচি গভীৰ কৰি তুলিছিল। সেয়ে এই কবি সকলে সেই ছন্দ সজাক পৰিহাৰ কৰিলে। ভাবানুষঙ্গই সৃষ্টি কৰিলে নতুন ছন্দৰ। ভিক্টোৰিয় যুগৰ নৈতিক দৃষ্টিভঙ্গীৰ প্ৰতি ও এই কাব্যই বিদ্ৰোহাত্মক দৃষ্টিভঙ্গী পোষণ কৰিলে।

আধুনিক কবিতাৰ আন এক অন্তৰঙ্গ লক্ষণ হ'ল নৈৰাশ্য চেতনা। এই যুগে কবি সকলৰ মনত সৃষ্টি কৰিছে গভীৰ নৈৰাশ্যৰ কাৰণ সকলো মূল্যবোধ আজি বিপৰ্য্যস্ত। সকলো আদৰ্শক হেচা মাৰি ধৰিছিল ভ্ৰষ্টাচাৰে। দুখনকৈ যুদ্ধই মানুহৰ

---

১ Gerierion T C Smith T C A critical History of English Poetry p 6

অমানবীয়তাৰ স্বৰূপ সুন্দৰভাবে স্পষ্ট কৰি তুলিলে। যুগৰ এই দুখ নৈৰাশ্য আৰু অবক্ষয়ৰ চিত্ৰ বহন কৰিয়ে প্ৰতিভাশালী আধুনিক কবিৰ কাব্যধ্বনি ঝংকৃত হ'ল। টি এচ এলিয়টে যুগৰ সাৰ্থক ৰূপকাৰ হিচাপে তেওঁৰ কবিতাত স্পষ্ট কৰিছে আধুনিক জীবন চেতনা।

After the torchlign tred on sweaty faces
After the frosty silence in the gardens
After the agony in stony places
The shouting and the crying
Prison and palace and reverberation of the thunder of spring
over distant mountains
He who was living is now dead
He who were living are now dying
With a little patiance
Here is no water but only rock
Rock and no water but only rock
Rock and no water and the sandy road
The Road winding above among the mountains
Which are mountains of rock without water
If there were water we should stop and drink
Amongst the rock one cannot stop or think
Sweat is dry and the feet are in the sand
If there were only water amongst the rock
Dead mountain mouth of carious teeth that coanoo spit
Here one can neither stand nov lie nor sit
There is not even silence in the mountains
But dry sterile thunder without rain
There is not even solitude in the mountains
But red sullen faces sneer and snar
From dovrs of mudcracked houses

ইয়েটচেও সমকালীন জগতৰ মূল্যহীনতাৰ মাজত মানবাত্মাৰ দুখৰ হুমুনিয়াহ শুনিবলৈ পাইছে কাৰ্লিউ চৰাইৰ কণ্ঠস্বৰত।

O curled, cry no more in the air
Or only to the water in the west
Because your crying brings to my mind
Passion dimmed eyes and long heavyhair
That was shaken out over my breast
There is enough evil in rhe crying of the wind
Palm কবিতাত পল ভলোৰিয়েও কৈছে—
These days that seem vain, all vain
For all the universe, all lost,
Have roots that with their might and main
Labor through the sandy waste

এনেদৰে আধুনিক কবিতাত কবিয়ে সভ্যতাৰ পৰিপূৰ্ণ কপটাচাৰ, মিথ্যাচাৰ প্ৰকট কৰি তুলি গভীৰ নৈৰাশ্য আৰু বিষাদ চেতনাত আকুল হৈছে। বিজ্ঞান দৰ্শনজাত এই নিৰাশ্যই তেওলোকক আত্মমগ্ন কৰি তুলিছে। এই নৈৰাশ্যৰ পৰা মুক্তি বিচাৰি কোনো কোনো কবিয়ে সমাজবাদী ভাবাদৰ্শৰ কাষ চাপিছে। এই ধৰনৰ কবিতাত মানবীয় অধিকাৰবোধকো সজোৰে ঘোষণা কৰা হৈছে। দুই এজন কবিয়ে এই পৃথিবীৰ পাপ অন্যায় আৰু ঘৃণাৰ মাজতে ভবিষ্যতৰ আশাই নধৰিব বুলি ইঙ্গিতে দিছে। এলুৱাৰৰ কবিতাত আছে

Hate springing from the ground
And fighting for love
Hate in the dust
Having fulfilled love
Love ablaze in full day light
Always see hope on Earth

আধুনিক কবিতাৰ আনটো বিশিষ্ট লক্ষণ হল দুৰ্বোধ্যতা। আজিৰ কবি যথেষ্ট চিন্তাশীল অধ্যয়ন পিপাসু। সমাজশাস্ত্ৰ বুৰঞ্জী, নৃতত্ত্ব, প্ৰাচীন দৰ্শন সাহিত্যৰ পৰা বিভিন্ন ভাব উল্লেখ প্ৰতীকৰ সমাহাৰেৰে তেওঁলোকৰ কাব্যক কৰি তোলে দুৰূহ। সমসাময়িক জীৱন চেতনাৰ লগত সম্পৰ্ক থকা আধুনিক দাৰ্শনিক চিন্তাধাৰাকো কাব্যত তেওঁলোকে প্ৰকাশ কৰিছে। অস্তিত্ববাদৰ দৰে জটিল তত্ত্বৰ অৱদান এই ক্ষেত্ৰত বিশেষ উল্লেখনীয়।

অস্তিত্ববাদী দৰ্শনৰ মূলকথা হ'ল ব্যক্তিৰূপে মান ব্যক্তিৰ বিশেষ মূল্য আছে আৰু নিজৰ অৱস্থা আৰু স্বভাব নিয়ন্ত্ৰনৰ কাৰণে ব্যক্তিৰ স্বাধীন ক্ষমতা আৰু দায়িত্ব আছে।

প্ৰকৃতিবাদৰ তত্ব আৰু গুণবাদৰ তত্বৰ প্ৰতিক্ৰিয়াস্বৰূপেই অস্তিত্ববাদৰ জন্ম। প্ৰকৃতিবাদ অনুসাৰে যান্ত্ৰিক নিয়মনিয়ন্ত্ৰিত জড় জগতেই একমাত্ৰ সত্য। প্ৰাণ আৰু মন এই জড়ৰে বিকাৰ মাত্ৰ। প্ৰাণ আৰু মনবাহী মানুহ সকলো ক্ষেত্ৰতে নিয়ন্ত্ৰিত আৰু এটি বৃহৎ যন্ত্ৰৰ অংশমাত্ৰ। প্ৰকৃতপক্ষে যি উদ্দেশ্য আৰু অন্তৰ প্ৰেৰনাৰে সকলো কাম পৰিকল্পিত হয় আৰু সাধিত হয় তাৰ উৎস এই জড জগত আৰু এয়াই প্ৰকৃতি। সেয়ে মানুহ সম্পূৰ্ণ পৰাধীন। জ্ঞানবাদীৰ মতে বস্তু জগতেই একমাত্ৰ সত্য নহয়। সত্তাৰ মূল ভেটি হ'ল চৈতন্য। ইন্দ্ৰিয়গ্ৰাহ্য সংবেদনাৰ দ্বাৰা চৈতন্যময় মানুহে বস্তুজগতৰ জ্ঞান লাভ কৰে চৈতন্যৰ স্বৰূপ কিন্তু ইন্দ্ৰিয়গ্ৰাহ্য নহয়। চৈতন্যৰ বাহনৰূপে মানুহৰ স্থান জগতত অনন্য। এই মতবাদ মতেও ব্যক্তি মানুহ এটি যন্ত্ৰ স্বৰূপ যাৰ কোনো নিজস্ব স্বাধীনতা নাই।

এই দুয়োটা মতবাদতে ব্যক্তিৰ স্বাধীনতাক স্বীকৃতি দিয়া হোৱা নাই। কিন্তু অস্তিত্ববাদে মানৱীয় অস্তিত্ব তথা স্বাধীনতাৰ এক বিশেষ ব্যাখ্যা দাঙি ধৰিছে। আচলতে বস্তুতন্ত্ৰ, ৰহস্যময়তা আৰু আদৰ্শবাদী দৰ্শনৰ যুক্তি পাৰম্পৰ্য্যৰ বিৰুদ্ধে ই এক বিদ্ৰোহস্বৰূপ। সেয়ে ই পৰম্পৰাগত ধাৰণা, আদিৰ বিৰুদ্ধে বিদ্ৰোহ কৰি এক জটিল মানসিক দৃষ্টিভঙ্গীক প্ৰকট কৰি তুলিছে। কোনো দাৰ্শনিক মত বা যুক্তিবাদৰ দ্বাৰা পৃথিবীৰ বিভিন্ন অভিজ্ঞতাৰ আকস্মিক আপতিক প্ৰকৃতি তাৰ অযৌক্তিকতা আৰু অৰ্থহীনতা ব্যাখ্যা কৰিব নোৱাৰি। চাৰ্তৰ মতে এই বোধ এক প্ৰকাৰ বমিভাবৰ দৰে। এই পৃথিবীত ব্যক্তিসত্বাৰ আবিৰ্ভাৱ আকস্মিক। কৰ পৰা আহিছো কলৈ যাম একো নেজানো। এক শূন্যতাৰ মাজত আমি আবদ্ধ সেয়ে আমি অত্যন্ত নিসঙ্গ। অথচ আমি আমাৰ অস্তিত্বৰ কাৰণেও দায়বদ্ধ। এফালে আমাৰ অস্তিত্বৰ অজ্ঞেয়তা, অসহয়তা আনহাতে দায়িত্বজ্ঞান এই দুই প্ৰক্ৰিয়াৰ মাজত ব্যক্তি দোদুল্যমান আৰু উদ্বিগ্ন।

স্বাধীনতা আমাৰ সত্বাৰ লগত অভিন্ন। ব্যক্তি সত্তাই নিজকে নিৰ্মাণ কৰে— তাৰ স্বাধীন নিৰ্বাচন শক্তিৰ ব্যৱহাৰৰ দ্বাৰা তাৰ মূল্য বোধবোৰকো সৃষ্টি কৰে। কিন্তু ব্যক্তিসত্তা স্বাধীন হলেও তাৰ দায়িত্ব বোধ আছে আৰু এই দায়িত্ববোধৰ যন্ত্ৰণা (anguish) ব্যক্তিয়ে সততে অনুভৱ কৰে। এই যন্ত্ৰনাই ব্যক্তিসত্তাত আৰোপ কৰে বিষন্নতা।

পল ভলেৰিৰ কবিতাত অস্তিত্ববাদী চিন্তাৰ প্ৰসাৰ ঘটিছে অনন্ত ৰূপত। ভলেৰিৰ মতে মানুহ নিৰন্তৰ অগ্ৰসৰ হৈছে জ্ঞানৰ ফালে কিন্তু তাক কোনোদিনেই পোৱা নেযায়। সেই জ্ঞানৰ পোৱা মানেই আত্মবিনাশ আৰু পোৱা হোৱা নাই কাৰণেই নিৰন্তৰ উদ্বেগৰ যন্ত্ৰণা।

মানৱ মনৰ অৱচেতনৰ জটিল ক্ৰিয়া প্ৰতিক্ৰিয়াৰ দ্বাৰাও আধুনিক কবিতা দুৰ্বোধ্য হৈ পৰাৰ লগতে প্ৰতীক উপমাদিও সেই জগতৰ পৰা আহৰিত হৈছে। ফ্ৰয়েদীয় মনস্তত্বত সপোনৰ এক বিস্তৃত ব্যাখ্যা দাঙি ধৰা হৈছে। সেই সপোন তত্বকে আধুনিক কবি সকলে কাব্য ৰচনাত প্ৰয়োগ কৰিব বিচাৰিলে। মগ্ন চৈতন্যৰ অনুভূতি সমূহক প্ৰকাশ কৰি কাব্যক পৰিশুদ্ধ ৰচনা বুলি তেওঁলোকে প্ৰতীয়মান কৰিব খুজিলে। এই কবি সকলৰ মতে আমি যি দেখো সি সাধাৰণতে সচা নহয়। বাস্তৱতা চেতনাৰ গভীৰ তলিত থাকে আৰু সি অৱচেতনৰ ধৰা দিয়ে। সেইৰূপ প্ৰকৃত বাস্তৱ বা অধিবাস্তৱ Super real হৈয়ে কালক্ৰমত পৰিণত হল Surrealısm ত।

স্বপ্নতত্বৰ অনুসৰণ কৰি এই কবি সকলে কব খুজিলে যে যিহেতু সপোনে বিক্ষিপ্ত ছবিৰে আমাৰ মনক উদ্দীপিত কৰে। সেয়ে কোনো প্ৰকাৰ সচেতন প্ৰক্ৰিয়াৰে এই বিচ্ছিন্ন যোগসূত্ৰ ৰহিত খণ্ড চিত্ৰবোৰৰ আবিৰ্ভাবক বাধাগ্ৰস্ত কৰিলে নহব। নিজৰ মনত উদ্ভূত এই ছবিবোৰে কাব্যত প্ৰতিফলিত হৈ উঠিলেহে কবিতা স্বত ব্যক্ত ৰচনা হৈ পৰিব।

এই ধাৰণাৰ ফলতে কাব্যই ব্যাকৰণগত শৃঙ্খলা হেৰুৱাই পেলালে। কবিতাত গা কৰি উঠিল ফেন্টাচি। কবি অবচেতনৰ স্তৰত প্ৰবেশ কৰি স্বপ্নময় বাস্তৱতাৰ আশ্ৰয় লয়। যুক্তিৰ পৰিবৰ্তে আবেগেই হল কবিতাৰ বিভিন্ন চিত্ৰকল্পৰ যোগসূত্ৰ।

কবিতাৰ এই অধিবাস্তৱবাদ আন্দোলন আৰম্ভ হৈছিল ইম্প্ৰেচনিজিমৰ বিৰুদ্ধে। ইম্প্ৰেচনবাদী সকল জগতৰ বাহিৰৰ ৰূপ লৈ ব্যস্ত আছিল এওঁলোক ব্যস্ত হল অন্তৰ চিত্ৰায়নত। আৰু তাকে কৰিবলৈ যাওতে তেওঁলোকে অদ্ভুত খামখেয়ালিৰে পূৰ্ণ কৰি তুলিলে কবিতাবোৰ। David Gascoyne-ৰ এটা কবিতাত প্ৰকাশ পোৱা অধিবাস্তৱবাদৰ নমুনা এনে ধৰনৰ—

And the Seat of the soule ıs the mouth of the stone
Which is why the earth's veimns are so stopped up with sand

And the sea is so fult of green flame
For the earth is a kiss on the mouth of the sky
And the sky is a fan in the hand of the sun

আপেক্ষিকতাবাদৰ মতে পৰম সত্যক জনাতো সম্ভৱ নহয়। প্ৰতীয়মান সত্যৰ বাহিৰে আন কোনো প্ৰকাৰ সত্য আমি উপলব্ধি কৰিব নোৱাৰো। আপেক্ষিক দৃষ্টিভঙ্গীৰ দ্বাৰা সীমাবদ্ধ জগতক স্বীকাৰ কৰাই প্ৰকৃত বাস্তৱদৰ্শন। এয়াই আধুনিক দৃষ্টিভঙ্গী। কিন্তু এই দৃষ্টিভঙ্গীৰ বিৰুদ্ধে চুৰৰিয়েলিষ্ট বা অধি বাস্তৱবাদী সকলে যেতিয়া অসম্ভৱ অবৈজ্ঞানিক আৰু আধুনিকতা বিৰোধী অদৃষ্ট সত্যৰ কথা কয় ই আমাক জটিলতাত পেলায় আৰু কাব্যক দুবোধ্য কৰি তোলে।

জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ পৰা কবি সকলে আহৰণ কৰা প্ৰতীক উপমা চিত্ৰকল্প আৰু উল্লেখবোৰেও আধুনিক কবিতাক দুৰ্বোধ্য কৰি তুলিছে। উনৈশ শতিকাৰ শেষৰ ফালে প্ৰতীকবাদ এক আন্দোলন ৰূপে গঢ়ি উঠে। ফৰাচী আৰু বেলজিয়াম কবি সকলে অব্যক্ত সত্যক প্ৰকাশ কৰা কাৰণে প্ৰতীকৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। বস্তু (object), শব্দ (word) আৰু ধ্বনি (sound)-ৰ প্ৰতীকায়িত ব্যঞ্জনাৰে কাব্যক সমৃদ্ধ কৰিবলৈ তেওঁলোক চেষ্টা কৰে। মালাৰমে মেটাৰলিংক, আদিয়ে এই আন্দোলনৰ গুৰি ধৰিছিল। যদিও পিছলৈ ৰাবো, লাফৰ্গ ভলেৰি আদিও যোগ হয়। এজৰা পাউণ্ড, টি ই হিউম আৰু এলিয়টৰ হাতত এই প্ৰতীকবাদ পল্লবিত হৈ উঠে।

প্ৰতীকবাদী আন্দোলন শেষলৈ ইমেজিষ্ট আন্দোলনত পৰিণত হয়। ইমেজিষ্ট আন্দোলন হল Characterised by the use of precise Concrete images and freedom form convention in verification and form প্ৰতীকবোৰৰ যোগেদিয়ে ইমেজ বা চিত্ৰকল্পবোৰক স্পষ্ট কৰি তোলা হয়। ভাব বা বস্তুৰ এনে এক প্ৰতিৰূপ বিচৰা হয় যি নিৰ্দিষ্ট আৰু মূৰ্তিমান। হিউমৰ মতে কবিতাৰ ইমেজ বা চিত্ৰকল্প অকল অলংকাৰ নহয় ই হল ভাষাৰ মাজেৰে কৰা বোধিৰ প্ৰকাশ। এজৰা পাউণ্ড হিউম, এলিয়ট আদি সাৰ্থক চিত্ৰকল্পবাদী কবি। এলিয়টৰ চিত্ৰ কল্পবোৰে আধুনিক জন মানসৰ সাৰ্থক বাহক হৈ কাব্যক অমিত ব্যঞ্জনা ধৰ্মী কৰি তুলিলে। তেওঁৰ তেনে এক অপূৰ্ব চিত্ৰেৰে সন্ধ্যাৰ বৰ্ণনা কৰিবলৈ গৈ কৈছে

Where the evening is spread out against the sky
Like a patient etherised upon a table

তেনেকৈ নিসঙ্গতাৰ ছবি আকিবলৈ গৈ ব্যৱহাৰ কৰা চিত্ৰবোৰো অতি সাৰ্থক ৰূপত কাব্যত প্ৰকাশি উঠিছে।

Shall I say I heve gone at dusk throngh narrow streets
And watched the smoke that rises from the pipes
Of lonely men in shirt sleenes, leaving ont of windaws

আধুনিক কবিতাত মনৰ ভাবৰ সঙ্গতি ৰাখি বিভিন্ন গ্ৰন্থ নাইবা সাংস্কৃতিক পৰম্পৰাৰ পৰা কৰা বিভিন্ন উল্লেখ পোৱা যায়। বিশেষকৈ আশাৰ বাণী বিচাৰি বহু আধুনিক কবিয়ে ভাৰতীয় দৰ্শন তথা বেদ উপনিষদৰ কাষ চাপিছে। সেইবোৰৰ উল্লেখ কবিতাবোৰত থকাৰ বাবে কেতিয়াবা কবিতা বোৰো পাঠকৰ বাবে দুৰ্বোধ্য হৈ উঠে, সেই প্ৰসঙ্গৰ লগত নিজৰ অপৰিচিতি হেতুকে।

শব্দ প্ৰয়োগৰ ক্ষেত্ৰতো আধুনিক কবি সকলে পৰম্পৰাগত প্ৰথা পৰিত্যাগ কৰি নতুন ব্যঞ্জনাধৰ্মী শব্দ প্ৰয়োগত গুৰুত্ব আৰোপ কৰে। তেওঁলোকৰ হৃদয় উন্মোচন কৰাত চিন্তা প্ৰণোদিত এই শব্দবোৰে বিশেষ ভূমিকা গ্ৰহণ কৰে। তেওঁলোকে নতুন শব্দৰ সৃষ্টি কৰে, প্ৰচলিত শব্দলৈ নতুন ব্যঞ্জনা আনে, বুদ্ধি আৰু অধীত বিদ্যাৰ তাৎপৰ্য্য আবিষ্কাৰ কৰে শব্দৰ মাজত। কবিতাই বস্তুক ভাষাৰে জীৱন্ত আৰু বাস্তৱ কৰি তোলে। আৰু বিষয়বস্তুক জীৱন্ত কৰাৰ কাৰণেই কবিতাত ব্যৱহৃত শব্দলৈ তেওঁলোকে নাটকীয় আবেগ আৰু গতি আনিবলৈ চেষ্টা কৰে। শব্দগত বৈচিত্ৰ্যৰে এনেদৰে আধুনিক কবিতাই অনুভৱৰ বলয়ক প্ৰশস্ত কৰি তোলে। এজৰা পাউণ্ডে মহৎ সাহিত্যৰ গুনেই তত্ত্ব সমৃদ্ধ ভাষাৰ প্ৰয়োগ বুলি কৈছে। Great literature is simply language charged with meaning to the atmost degree আধুনিক কবি সকলে শব্দ প্ৰয়োগৰ ক্ষেত্ৰত এই সত্যৰ একান্ত অনুগামী।

শব্দৰ পুন পুন উচ্চাৰণৰ দ্বাৰা আধুনিক কবি সকলে কেতিয়াবা একো একো মন্ত্ৰময় পৰিবেশনৰ সৃষ্টি কৰে—

The desert is not remate in souther topics
The desert is not only around the corner
The desert is squered a the tale train next to you
The desert in the heart of your brother

সুৰ, শব্দ, সুগন্ধক বহন কৰিবলৈ ভাবৰ গতিবেগ আনিবলৈ ভিন্ন ভিন্ন কৌশলো শব্দ প্ৰয়োগ কৰি আধুনিক কবি সকলে কবিতাক চিত্ৰময় আৰু সৰ্ব-

সাধাৰণৰ বাবে দুৰ্বোধ্য কৰি তোলে। ইয়াৰ উপৰিও বাক ৰীতিৰ প্ৰয়োগ, বাকৰীতি আৰু কাব্যৰীতিৰ অপূৰ্ব মিশ্ৰণ পৌৰাণিক সিদ্ধ ৰসেৰে শব্দক জাৰিত কৰি ৰস প্ৰয়োগ অপৰিচিত সাহিত্য, সংস্কৃতিৰ অনুষঙ্গ শব্দ প্ৰয়োগ, পদবিন্যাসত বিশৃঙ্খল উলম্ফনৰীতিৰ প্ৰয়োগ আদিৰ যোগেদি কাব্যৰ পৰিমণ্ডল দুৰ্বোধ্য কৰি তোলে আধুনিক কবি সকলে। আৰু এই দুৰ্বোধ্যতাৰ আৰত লুকাই থকা পৰম সত্যক যেতিয়া চেষ্টাৰ বলেৰে পাঠকে ধৰিব পাৰে তেতিয়াই তেওঁ অনুভৱ কৰে বিমল আনন্দ। এনেদৰে বুদ্ধি, আবেগ কল্পনা আৰু বাস্তৱবোধ আদিৰ সমন্বয়ত আধুনিক কবিতা এক নিজস্ব মহিমামণ্ডিত শিল্প যিয়ে আজিৰ বুদ্ধিদীপ্ত পাঠকৰ হৃদয় সংবেদনশীলতাৰে পৰিপূৰ্ণ কৰিবলৈ সক্ষম হৈছে।

গ্ৰন্থপঞ্জী

অসমীয়া

১। গোঁহাই, ড হীৰেণ
সাহিত্য আৰু চেতনা, গুৱাহাটী

২। ভট্টাচাৰ্য, তাৰিণীকান্ত
ইবছেনৰ নাট্য প্ৰতিভা, গুৱাহাটী ১৯৭৮

৩। ভট্টাচাৰ্য, ড পৰাগকুমাৰ
পাশ্চাত্য কাব্যধাৰা আৰু অসমীয়া কবিতা, গুৱাহাটী

ইংৰাজী

1 ARCHER, WILLIAM
The Collected Works of
Ibsen London 1906

2 BECKETT SAMUEL
Waiting for Godot, London 1956

3 BENET ROSE WILLIAM
The Reader s Encyclopaedia, New york 1969

4 BLUNDEN, EDMUND, BOGARD TRAVIS
&
OLIVER, I WILLIAM
Modern Drama, New york 1965

5 BREE, GERMAINE
Camus, U S A 1964

6 CAIRNCROSS, A S (Ed)
Modern Essays in Criticism, London 1947

7 CAZAMIA, L
A Htstory of French Literature, London 1955.

8 CUNLIFFE, J W
English Literature During the Last Half Century
New york 1930

9 CUDDON, J A.
A History of Literary terms, London 1975

10 FORSTER E M
Aspects of the Novel, London 1974
11 GASSANER, JOHN
&
QUINN, EDWARD
The Reader s Encyclopaedia of world Drama, London 1969
12 GILBERT, STUART (Tran)
The Outsider, London 1970
13 GIRLING, D A (Ed)
Everyman s Enchyclopaedia Vol 10, London 1978
14 GRISON GOFFERY (Ed)
A Concise Encyclopedia of Modern World Literature
London 1963
15 GRIERSON, J C HERBERT SMITH J C
A Critical History of English Poetry London 1947
16 HALROYD, MICHAEL
Lytton Stretchy London 1968
17 HAMMERTON, JOHN (Ed)
Practical Knowledge for All, London
18 HARDY, THOMAS
The Return of the Native, New york 1968
19 HOPPER, F VINCENT
World Literature Vol 2, New york 1952
20 HOWARTH, W D
PEYRE, M H E
ERNICKSHHNK, JOHN
French Literature
(From 1600 to the Present), London 1974
21 IBSEN HENRICK
An Enemy of the People, New york 1970
22 JAMES, SCOTT R A
Fifty years of English Literature, London 1964
23 KERN, EDITH (Ed)
Sartre, U S A. 1962

24 KUNITZ J S
Twentieth Century Anthors, New york 1967
25 MAGARSHACK, DAVID (Trans)
Crime and Punishment, London 1966
26 MATTHIESSEN, F O
The Achievement of T S Eliot, New york 1959
27 MAUROIS, ANDRE
Ariel, Bombay 1962
28 MELCHINGER, SIEGFRIED
The Concise Encyclopaedia of Modern Drama, London 1970
29 MUIR EDWIN
The Stucture of the Novel, London 1960
30 PATRICK, DAVID
Chamber s Encyclopedia of English Literature Edinburge
31 PHILIPS, S, ROBERT
New Enc clopedia Vol (III), U S A
32 ROBERT, ELLIS
Henrick Ibsen A Critical Study London 1912
33 ROBERT, MICHAEL
The Faber Book of Modern Verse London 1965
34 SHAPLEY, JOSEPH
Encyclopedia of Literature, New york 1946
35 SHINGHA & SARMA, B R (Ed)
Lambs Essays, Beharipur 1969
36 SIMONS J EARNEST
Dostoevsky, London 1953
37 STEINBERG S H
Casseli s Encyclopedia of Literature London 1963
38 STOCK, A G
W B Yeats His Poetry and thought, London 1964
39 STOWELL GURDON
The Book of Knowledge, London
40 STRACHEY, LYTTON
Landmraks in French Literature, New york 1958

41 TURNELL MARTIN
The Navols in France, London 1958
42 ULMAN, STEPHEN
The image of the Modern France Novel London 1960
43 WELLEK, RENE (Ed)
Dotoevsky, U S A 1962
44 WILLIAM, RAYMOND
Drama from Ibsen to Eliot, London 1965
45 WILLIAM, W F
English Essays London 1964

বাংলা

১। কবির, হুমায়ুন (সম্পা)
প্রাচ্য ও পাশ্চাত্য দর্শনের ইতিহাস, কলিকাতা ১৩৭২
২। গঙ্গোপাধ্যায়, নারায়ণ
কথাকোবিদ রবীন্দ্রনাথ, কলিকাতা ভাদ্র ১৩৯২
৩। ঘোষ, তপোব্রত
রবীন্দ্র ছোটগল্পের শিল্পরূপ কলিকাতা ১৯৯
৪। বন্দ্যোপাধ্যায়, শ্রীকুমার
রবীন্দ্র সৃষ্টি সমীক্ষা, কলিকাতা ১৯৮৬
৫। রায়, নীহার রঞ্জন
রবীন্দ্র সাহিত্যের ভূমিকা, কলিকাতা